আত্ম শিকন সামগ্ৰী

# অসমীয়া

পাঠ্যক্ৰম — **ASMM : 101**

(অসমীয়া উচ্চমান)

(প্ৰথম প্ৰশ্নকাকত)

## অসমীয়া সাহিত্যৰ বুৰঞ্জী
## (আৰম্ভণিৰ পৰা আশীৰ দশকলৈকে)

**খণ্ড - ১,২ আৰু ৩**

দূৰশিক্ষা সঞ্চালকালয়
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় - ৭৮৬০০৪

# ASSAMESE

## COURSE : ASMM - 101
## History of Assamese Literature
## (From the beginning up to 1980 AD)

ISBN NO. 978-81-924664-9-1

**Contributors:**

**Mr. Ramen Dutta**
Research Scholar, Dept. of Assamese, Dibugarh University

**Ms. Nibedita Saikia**
Research Scholar, Dept. of Assamese, Dibugarh University

**Mr. Chitrajit Saikia**
Asstt. Professor, Dept. of Assamese, Duliajan College

**Mr. Dharmendra Dutta**
Asstt. Professor, Dept. of Assamese, Kakojan College

**Editor:**

**Prof. K.D. Hazarika**
Professor, Dept. of Assamese, Dibugarh University

© Copy right by Directorate of Distance Education, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form of by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Directorate of Distance Education, Dibrugarh University by the Director, DDE, D.U. and printed at A.C. Computer Networld, Dibrugarh University, Dibrugarh.

# অসমীয়া

## পাঠ্যক্রম — ASMM : 101

## (অসমীয়া উচ্চমান)

(প্ৰথম প্ৰশ্নকাকত)

# অসমীয়া সাহিত্যৰ বুৰঞ্জী

## (আৰম্ভণিৰ পৰা আশীৰ দশকলৈকে)

## সূচীপত্ৰ

পৃষ্ঠা


**খণ্ড - ১ ঃ অসমীয়া সাহিত্যৰ যুগ বিভাজন, লোক-সাহিত্য আৰু চৰ্যাপদ** ১

গোট - ১ ঃ অসমীয়া সাহিত্যৰ যুগ বিভাজন আৰু যুগসমূহৰ পৰিচয় ২

গোট - ২ ঃ অসমীয়া লোক সাহিত্যৰ পৰিচয় ১০

গোট - ৩ ঃ চৰ্যাপদ ৩২

**খণ্ড - ২ ঃ প্ৰাচীন অসমীয়া সাহিত্য** ৪০

গোট - ১ ঃ প্ৰাক্-শংকৰী যুগৰ সাহিত্য ৪১

গোট - ২ ঃ শংকৰী যুগৰ সাহিত্য ৪৮

গোট - ৩ ঃ শংকৰোত্তৰ যুগৰ সাহিত্য ৬৫

**খণ্ড - ৩ ঃ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠা** ৮৪

গোট - ১ ঃ অৰুনোদই স্তৰ ৮৬

গোট - ২ ঃ হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা স্তৰ ৯৫

গোট - ৩ ঃ প্ৰাক্-ৰোমাণ্টিক স্তৰ ১৩৩

# খণ্ড - ১

# অসমীয়া সাহিত্যৰ যুগ বিভাজন, লোক সাহিত্য আৰু চৰ্যাপদ

**গোট - ১ ঃ অসমীয়া সাহিত্যৰ যুগ বিভাজন আৰু যুগসমূহৰ পৰিচয়**

**গোট - ২ ঃ অসমীয়া লোক সাহিত্যৰ পৰিচয়**

**গোট - ৩ ঃ চৰ্য্যাপদ**

## খণ্ড পৰিচয় ঃ

অসমীয়া সাহিত্যৰ এক সুদীৰ্ঘ ইতিহাস আছে। উদ্ভৱ কালৰ পৰা বৰ্তমান সময়লৈকে যি কালগত বিৱৰ্তনৰ মাজেদি অসমীয়া ভাষা-সাহিত্যই-বৰ্তমানৰ অৱস্থাই পাইছেহি - এই সকলোবোৰেই অসমীয়া সাহিত্যৰ বুৰঞ্জীত সন্নিবিষ্ট হৈছে। এই খণ্ডত লিখিত ৰূপত থকা এই সাহিত্যৰাজিৰ যুগবিভাজন কৰা হৈছে। মৌখিক সাহিত্য জনসাধাৰণৰ মাজত মুখে মুখে চলি অহা সাহিত্য। লোক জীৱনৰ যুগ যুগ সঞ্চিত জ্ঞান আৰু অভিজ্ঞতাৰ প্ৰকাশ দেখা যায় মৌখিক সাহিত্যৰ মাজতে। অসমীয়া সাহিত্যৰ বিকাশত মৌখিক সাহিত্যই এক বিশেষ স্থান অধিকাৰ কৰিছে। মৌখিক সাহিত্যৰ স্বতন্ত্ৰ বৈশিষ্ট্য আৰু স্বৰূপ লক্ষ্য কৰা যায়। অসমীয়া মৌখিক সাহিত্যক লোকগীত, লোককথা, ফকৰা-যোজনা, সাঁথৰ আদি ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। চৰ্যাগীতি হ'ল তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ সহজযান শাখাৰ গুপ্ত সাধন-পদ্ধতি বিষয়ক ৰচনাৰে সমৃদ্ধ এক আপুৰুগীয়া সাহিত্য সম্পদ। তত্ত্ব-দৰ্শন, ধৰ্ম-সংস্কৃতি, সংগীত তত্ত্ব, সাহিত্য-তত্ত্ব আৰু ভাষাতত্ত্বৰ ঐতিহাসিক বিচাৰ-বিশ্লেষণত এই গীতৰ গুৰুত্ব অপৰিসীম। চৰ্যাগীতৰ ভাষাত প্ৰত্ন অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক আৰু ধ্বনিতাত্ত্বিক সাদৃশ্য দেখা যায়। অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশত চৰ্যাপদে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। এই খণ্ডটোৰ যোগেদি তোমালোকে অসমীয়া মৌখিক সাহিত্যৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰিব পাৰিবা, চৰ্যাগীতি সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিবা।

# গোট - ১

# অসমীয়া সাহিত্যৰ যুগ বিভাজন আৰু যুগসমূহৰ পৰিচয়

গঠন ঃ

১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী

১.৩ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাজনৰ

১.৩.১ আদি যুগ
১.৩.২ মধ্য যুগ
১.৩.৩ আধুনিক যুগ

১.৪ অসমীয়া সাহিত্যৰ কালানুক্ৰমিক ধাৰা

১.৫ সাৰাংশ

## ১.০ উদ্দেশ্য

এই গোটটি অধ্যয়ন কৰিলে তোমালোকে—

- অসমীয়া সাহিত্যৰ বুৰঞ্জী সম্পৰ্কে এটি সম্যক ধাৰণা লাভ কৰিব পাৰিবা।
- অসমীয়া সাহিত্যৰ ঐতিহাসিক যুগ বিভাজন বিষয়ত বিচাৰ-বিশ্লেষণ কৰিব পাৰিবা।
- কালানুক্ৰমিকভাৱে অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰাৰ বিষয়ে আলোচনা কৰিব পাৰিবা।
- অসমীয়া সাহিত্যৰ প্ৰাচুৰ্য আৰু বিষয় বৈচিত্ৰ্য সম্পৰ্কে নিজস্ব ব্যাখ্যা দাঙি ধৰিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা

কোনো একোটা ভাষাই বিৱৰ্তন-পৰিৱৰ্তনৰ মাজেৰে আহি এক স্বকীয় ৰূপ পৰিগ্ৰহ কৰাৰ পিচৰে পৰা সেই ভাষাত সাহিত্য সৃষ্টি হ'বলৈ ধৰে। সেই ভাষা-ভাষী জনসমষ্টিৰ মাজত যিমানেই প্ৰতিভাধৰ ব্যক্তিৰ আৱিৰ্ভাৱ হয় সাহিত্য সম্ভাৰো সিমানেই প্ৰাচুৰ্যশালী হয়। অৱশ্যে প্ৰথম অৱস্থাত সেইবোৰ থাকে মৌখিত ৰূপত। লিপিসৃষ্টিৰ পিচতহে সাক্ষৰ লোকৰ হাতত লিখিত সাহিত্যৰ সৃষ্টি হয়। প্ৰথমে ভাষাৰ সৃষ্টি তাৰ পিচত সাহিত্যৰ সৃষ্টি আৰু তাৰ পিচতহে লিপিৰ সৃষ্টি। আনহাতে লিপিসৃষ্টিৰ পিচতো নিৰক্ষৰ জনমানসত মৌখিক সাহিত্যৰ ধাৰবাহিকতা অব্যাহত থাকে। অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰতো এইখিনি কথা আখৰে আখৰে খাটে। দশম একাদশ শতিকাত অসমীয়া ভাষাই স্বকীয় ৰূপ লাভ কৰাৰ পিচতেই নিশ্চয় মৌখিক লোকসাহিত্যৰ প্ৰচলন হৈছিল। ভাষাতাত্ত্বিক বিচাৰত ইয়াৰ হুবহু নিদৰ্শন বিচাৰি পোৱা নগ'লেও অসমীয়া মন্ত্ৰ সাহিত্য আৰু কেতবোৰ অন্যান্য সমলৰ জৰিয়তে তাৰ কিছু আভাস পাব পাৰি। মৌখিক সাহিত্যবোৰ যুগ সাপেক্ষে পৰিৱৰ্তিত ভাষিক ৰূপলৈ ৰূপান্তৰিত হৈ থাকে। সেয়েহে ভাষাৰ নিৰ্দিষ্ট স্তৰৰ স্বাক্ষৰ ইয়াত অস্পষ্ট। আনহাতে লিখিত সাহিত্যৰ জৰিয়তে একোটা যুগক বা একোটা স্তৰক প্ৰতিনিধিত্ব কৰা একোটা ভাষাৰ নিদৰ্শন সহজেই লাভ কৰিব পাৰি।

> ***প্ৰকৃততে সাহিত্যৰ ৰূপ (form) আৰু ভাৱৰ (spirit) পৰিৱৰ্তনলৈ দৃষ্টি ৰাখিলে তিনিটা যুগহে স্পষ্ট হৈ ওলাই পৰে। প্ৰথম বা আদি যুগ খ্ৰীষ্টীয় দশমৰ পৰা ত্ৰয়োদশ শতাব্দীৰ শেষ পৰ্যন্ত। দ্বিতীয় বা মধ্যযুগ চতুৰ্দশৰ প্ৰাৰম্ভৰ পৰা ঊনবিংশ শতাব্দীৰ প্ৰাৰম্ভ পৰ্যন্ত। তৃতীয় বা বৰ্তমান যুগ ঊনবিংশ শতাব্দীৰ তৃতীয় দশকৰ পৰা আজি পৰ্যন্ত।***
>
> *ড° সত্যেন্দ্ৰ নাথ শৰ্মা*

## ১.২ অসমীয়া সাহিত্যৰ বুৰঞ্জী

ইতিহাস বা বুৰঞ্জীৰ লগত সকলো বিষয়ৰ ওতঃপ্ৰোত সম্পৰ্ক। বিশ্ব সাহিত্যৰ ইতিহাস যেনেকৈ আছে অসমীয়া সাহিত্যৰো আছে তেনে এক সুদীৰ্ঘ ইতিহাস। অসমীয়া ভাষাই পূৰ্ণাংগ ৰূপ পোৱাৰ লগে লগে অসমীয়া সাহিত্যইও গজালি মেলে। সেই গজালিটোৰ পৰাই পত্ৰ-পুষ্প বিকশিত হৈ অসমীয়া সাহিত্যৰ বৰগছ জোপাই পৰিপূৰ্ণ ৰূপ লাভ কৰিলে। গজালি কালৰ ৰূপটো যেনেকৈ প্ৰাপ্তবয়স্ক বৃক্ষ এজোপাত বিচাৰি পোৱা নাযায় ঠিক তেনেকৈ গজালি কালৰ সাহিত্যৰ ভাষিক চানেকিও পৰৱৰ্তীকালত বিচাৰি পোৱা কঠিন হৈ পৰে। লিখিত ৰূপৰ সাহিত্যসমূহত আকৌ ৰচনাকালৰ ভাষিক চানেকি পৰিস্ফূট হৈ থাকে। অসমীয়া ভাষাত উদ্ভৱ কালৰ মৌখিক সাহিত্যৰ চানেকি হুবহু ৰূপত পোৱা নগ'লেও সেইসময়মত যে তেনে প্ৰচুৰ মৌখিক সাহিত্যৰ প্ৰচলন আছিল আৰু সেই মৌখিক সাহিত্যৰ

ভেটিতেই যে লিখিত সাহিত্যই বিকাশ লাভ কৰি আজিৰ অৱস্থা পাইছেহি সেইকথা বুৰঞ্জীয়ে স্বীকাৰ কৰিবলৈ বাধ্য। উদ্ভৱ কালৰ পৰা বৰ্তমান সয়মলৈকে যি কালগত বিৰ্ৱতনৰ মাজেৰে অসমীয়া ভাষাত সাহিত্যৰ বিভিন্ন বিষয়ৰ চিন্তা চৰ্চা হৈছে এইবোৰেই অসমীয়া সাহিত্যৰ বুৰঞ্জীত সন্নিবিষ্ট কৰা হৈছে। আলোচনাৰ সুবিধাৰ বাবে বিভিন্নজন আলোচকে ভিন্ন ধৰণে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাজন কৰিছে। এই সম্পৰ্কে তলত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

## ১.৩ অসমীয়া সাহিত্যৰ যুগ বিভাজন

লিখিত ৰূপত থকা সাহিত্যৰাজিৰ ৰূপবস্ত আৰু ভাৱবস্তুৰ সঠিক বিশ্লেষণ কৰিলে অসমীয়া সাহিত্যৰ বুৰঞ্জীত তিনিটা যুগ বা স্তৰৰ অৱস্থিতি স্পষ্ট ৰূপে ওলাই পৰে।

ড০ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ যুগ বিভাজন কৰোঁতেও এই অনুক্ৰমেই কৰিছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাজন পোন প্ৰথমবাৰৰ বাবে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে কৰি দেখুৱাইছিল যদিও সি অপ্ৰচলিত হৈ ৰ'ল। ভাষা সাহিত্যৰ আন এজন ওজা ডিম্বেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ যোগ বিভাজন কৰিছে এনেদৰে -

(১) আদিযুগ – প্ৰাৰম্ভৰ পৰা দ্বাদশ শতিকাৰ শেষলৈকে (৮০০ - ১২০০ খৃঃ)

(২) প্ৰাগ্‌বৈষ্ণৱ যুগ – ত্ৰয়োদশৰ পৰা পঞ্চদশৰ মাজভাগলৈ (১২০০ - ১৪৫০ খৃঃ)

(৩) বৈষ্ণৱ যুগ – পঞ্চদশৰ মাজৰ পৰা সপ্তদশৰ মাজলৈ (১৪৫০ - ১৬৫০ খৃঃ)

(৪) বিস্তাৰ যুগ – সপ্তদশৰ মাজৰ পৰা ঊনবিংশৰ আগছোৰালৈ (১৬৫০ - ১৮৩০ খৃঃ)

(৫) বৰ্তমান যুগ – ঊনবিংশৰ আগছোৰাৰ পৰা এতিয়ালৈকে (১৮৩০ - ১৯৪০ খৃঃ)

উল্লেখযোগ্য যে এই বিভাজন কৰা হৈছিল **১৯৪১** খৃষ্টাব্দত।

**ড০ সত্যেন্দ্ৰনাথ শৰ্মা**ৰ মতে– "অসমীয়া সাহিত্যৰ বুৰঞ্জীক তিনিটা যুগত ভাগ কৰিব পাৰি– আদি, মধ্য আৰু আধুনিক বা বৰ্তমান। মধ্যযুগক আকৌ তিনিটা পৰ্যায় বা স্তৰত বিভাগ কৰিব পাৰি– প্ৰাক্‌শংকৰী, শংকৰী আৰু উত্তৰ শংকৰী।"

**ড০ মহেশ্বৰ নেওগে** কৰা অসমীয়া সাহিত্য বুৰঞ্জীৰ যুগ বিভাজন এনেধৰণৰ–

(১) বৌদ্ধযুগ (অষ্টমৰ পৰা দ্বাদশ শতিকালৈ)

(২) প্ৰাকশংকৰ যুগ (ত্ৰয়োদশৰ পৰা পঞ্চদশ শতিকালৈ)

(৩) শংকৰীযুগ - (পঞ্চদশ শতিকাৰ পৰা ষষ্ঠদশলৈ)

(৪) শংকৰোত্তৰ যুগ - (সপ্তদশৰ পৰা ঊনবিংশ শতিকাৰ ২য় দশকলৈ)

(৫) আধুনিক যুগ - (১৮২৬ চনৰ পৰা বৰ্তমানলৈ)

ইয়াৰ পৰা এটা কথা স্পষ্ট হৈ ওলাই পৰে যে অসমীয়া সাহিত্যৰ বুৰঞ্জী তিনিটা স্তৰত বিভাজন কৰি ল'লে বিজ্ঞানসন্মত আলোচনাৰ পথ সুগম হয়। সেইকেইটা হ'ল–

(১) আদিযুগ বা প্ৰথমস্তৰ

(২) মধ্যযুগ বা দ্বিতীয় স্তৰ

(৩) আধুনিক যুগ বা তৃতীয় স্তৰ

খৃষ্টীয় দশম শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈকে আদি যুগ বা প্ৰথমস্তৰ। চতুৰ্দশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈকে মধ্যযুগ বা দ্বিতীয় স্তৰ আৰু ঊনবিংশ শতিকাৰ তৃতীয় দশকৰ পৰা বৰ্তমান সময়লৈকে আধুনিক যুগ বা তৃতীয় স্তৰ।

**আত্মমূল্যায়ন ১ ঃ**

**অসমীয়া সাহিত্যৰ যুগ বিভাজন কেনেদৰে কৰা হৈছে ?**

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

### ১.৩.১ আদি যুগ বা প্ৰথম স্তৰ (খৃ. ৯৫০–খৃ.১৩০০)

উদ্ভৱকালৰ অসমীয়া সাহিত্যৰ নিদৰ্শন ৰূপে চৰ্যাপদক আগস্থান দিয়া হয়। আনহাতে ভালেমান মন্ত্ৰ পুথিতো অসমীয়া সাহিত্যৰ প্ৰাচীনতম ৰূপ সংৰক্ষিত হৈ আছে। অৱশ্যে বিষয়বস্তু আৰু ৰচনাৰ পটভূমিলৈ দৃষ্টি ৰাখি অধিকাংশ মন্ত্ৰ সাহিত্য প্ৰাক্‌বৈষ্ণৱ যুগৰ সৃষ্টি বুলি ঠাৱৰোৱা হৈছে।

### ১.৩.২ মধ্যযুগ বা দ্বিতীয় স্তৰ (খৃ. ১৪০০–খৃ. ১৮৩০)

কালগত আৰু বিষয়গত বৈশিষ্ট্যলৈ চাই অসমীয়া সাহিত্যৰ মধ্য যুগকো আকৌ তিনিটা যুগ বা স্তৰত উপবিভাজন কৰা হৈছে। সেয়া হ'ল– (১) প্ৰথম পৰ্যায়ৰ প্ৰাকশংকৰী যুগ, (২) দ্বিতীয় পৰ্যায়ৰ শংকৰীযুগ আৰু (৩) তৃতীয় পৰ্যায়ৰ উত্তৰ শংকৰীযুগ। এই বিভাজনক কোনো কোনোৱে (১) প্ৰাক্‌বৈষ্ণৱ যুগ, (২) বৈষ্ণৱ যুগ আৰু (৩) উত্তৰ বৈষ্ণৱযুগ বা বৈষ্ণৱোত্তৰ যুগ বুলিও অভিহিত কৰে।

খৃষ্টীয় পঞ্চদশ শতিকাৰ কালছোৱাত সমগ্ৰ ভাৰতবৰ্ষ জুৰি নৱবৈষ্ণৱ আন্দোলনে আলোড়নৰ সৃষ্টি কৰিছিল। অসমতো তাৰ প্ৰভাৱ বিস্তৃতভাৱে পৰিছিল। ফলত ভক্তিধৰ্মক কেন্দ্ৰ কৰি সাংস্কৃতিক নব্যধাৰাৰো অভ্যুদয় ঘটিছিল। চিত্ৰ-ভাস্কৰ্য আদিৰ লগে লগে সংগীত আৰু সাহিত্য কলাৰ উত্থানে অসমীয়া সমাজ সংস্কৃতিক বৰ্ণাঢ্য কৰি তুলিছিল। শ্ৰীমন্ত শংকৰদেৱ আছিল এই নৱ বৈষ্ণৱ আন্দোলনৰ মধ্যমণি। সেই অনুসৰিয়েই বৈষ্ণৱ যুগক 'শংকৰী যুগ' বুলি অভিহিত কৰা হৈছে। শংকৰদেৱৰ পূৰ্বৱৰ্তী যুগৰ বৈষ্ণৱকবিসকল আৰু পৰৱৰ্তী যুগৰ অনুগামীসকলেও এই আন্দোলনলৈ প্ৰভূত অৰিহণা আগবঢ়াইছে। সেয়েহে শংকৰদেৱৰ পূৰ্বৱতী বৈষ্ণৱ যুগটোক 'প্ৰাকশংকৰী যুগ' আৰু পৰৱৰ্তী যুগটোক 'উত্তৰ শংকৰী যুগ' ৰূপে নামকৰণ কৰা হৈছে।

### ১.৩.৩ আধুনিক যুগ বা তৃতীয় স্তৰ (খৃ. ১৮২৬ৰ পৰা বৰ্তমানলৈ)

ইংৰাজৰ হাতত পৰাস্ত হৈ অত্যাচাৰী মান সেনাই ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চুক্তি মৰ্মে অসম ত্যাগ কৰে। চতুৰ ইংৰাজসকলে সেই চুক্তিৰ গইনা লৈ অসম ৰাজ্যৰ শাসন ক্ষমতা নিজৰ হাতলৈ নিয়ে। ইংৰাজ শাসনত পৰাধীনতাৰ শিকলিৰে বান্ধ খোৱা প্ৰজাবৰ্গই বৌদ্ধিক বা সাংস্কৃতিক প্ৰতিভা প্ৰকাশৰ সুৰুঙা বিচাৰি নাপাইছিল। তদুপৰি বিভিন্নভাৱে প্ৰৰোচিত হৈ ইংৰাজ চৰকাৰে ১৮৩৬ চনত অসমত অসমীয়া ভাষাৰ পৰিৱৰ্তে চুবুৰীয়া বঙলা ভাষাটোক ৰাজ্য ভাষা ৰূপে স্বীকৃতি দি আইন আদালত চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আদিত সেই ভাষাক চৰকাৰীভাৱে প্ৰতিষ্ঠা কৰিলে। ফলত অসমীয়া ভাষা সাহিত্য জীৱন্তে সমাধিস্থ হ'ব

লগা হ'ল। ১৮৩৬ চনত খৃষ্টধৰ্ম প্ৰচাৰৰ অৰ্থে আমেৰিকান বেপ্টিষ্ট মিচনেৰীসকল অসমলৈ আহি শদিয়াত থিতাপি লয়হি। এইসকলৰ ভিতৰত ৰেভাৰেণ্ড নাথান ব্ৰাউন, অলিভাৰ টি কট্টৰ আৰু ডক্টৰ মাইলচ্ ব্ৰন্সনৰ নাম বিশেষভাৱে উল্লেখযোগ্য। খৃষ্টধৰ্ম প্ৰচাৰৰ বেলিকা দেখা দিয়া ভাষা সমস্যা দূৰ কৰিবলৈ তেওঁলোকে কেৱল অসমীয়া ভাষাত পুথি প্ৰণয়ন কৰিয়েই ক্ষান্ত নাছিল। ইংৰাজ চৰকাৰৰ ভুল ভাষানীতিৰ বিৰুদ্ধেও এঘড়ী যুঁজিছিল। আনন্দৰাম ঢেকীয়াল ফুকনকে আদি কৰি কেইজমান শিক্ষিত জাতীয় প্ৰেমেৰে উদ্বুদ্ধ যুৱকেও এই যুঁজত অকুণ্ঠভাৱে সহযোগিতা কৰিছিল। এওঁলোকৰ আশাশুধীয়া চেষ্টাৰ বলত ইংৰাজ চৰকাৰে ১৮৭৩ চনত অসমত পুনৰ অসমীয়া ভাষা প্ৰৱৰ্তন কৰিবলৈ বাধ্য হয়। ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈকে বঙলা ভাষাই খোপনি পুতি লোৱাত অসমৰ সমাজ-সংস্কৃতি, শিক্ষা-দীক্ষা আদিৰ ক্ষেত্ৰত অভাৱনীয় ক্ষতি সাধন হ'ল।

অসমীয়া সাহিত্যৰ আধুনিক যুগটোক চাৰিটা পৰ্যায়ত ভাগ কৰা হৈছে। যেনে–

(১) ১৮২৬ খৃষ্টাব্দৰ পৰা ১৮৭০ খৃষ্টাব্দলৈকে প্ৰথম পৰ্যায়ত 'মিচনেৰী সাহিত্যৰ যুগ',

(২) ১৮৭০ খৃষ্টাব্দৰ পৰা ১৮৯০ খৃষ্টাব্দলৈকে দ্বিতীয় পৰ্যায়ত 'হেমচন্দ্ৰ-গুণাভিৰামৰ যুগ',

(৩) ১৮৯০খৃষ্টাব্দৰ পাৰ ১৯৪০ চনলৈকে তৃতীয় পৰ্যায়ত 'ৰোমাণ্টিক যুগ' বা 'বেজবৰুৱা যুগ' আৰু

(৪) ১৯৪০ চনৰ পৰা বৰ্তমানলৈকে চতুৰ্থ পৰ্যায়ৰ সাম্প্ৰতিক যুগ।

## ১.৪ অসমীয়া সাহিত্যৰ কালানুক্ৰমিক ধাৰা

অসমীয়া সাহিত্যৰ ভাণ্ডাৰ বৈচিত্ৰ্য আৰু প্ৰাচুৰ্যৰে ভৰা। বিষয়বস্তু বা ভাৱবস্তুগত ধাৰা আৰু ৰূপবস্তু বা গাঁথনিক দিশৰ ধাৰাৰে কালানুক্ৰমিকভাৱে অসমীয়া সাহিত্য প্ৰবহমান।

আদিযুগৰ চৰ্যাপদ সহজীয় পন্থৰ বৌদ্ধধৰ্মৰ বিষয় বৈচিত্ৰ্যৰ লগতে ছন্দ অলংকাৰৰ সৌন্দৰ্যৰে মহীয়ান। মন্ত্ৰসাহিত্যসমূহ তন্ত্ৰবিদ্যাৰ লগত জড়িত হ'লেও ইয়াত ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ সমলৰ লগতে ছন্দ-অলংকাৰেও বৈচিত্ৰ্য দান কৰিছে।

গীত-পদ, কাব্য-নাট, আখ্যান-উপাখ্যান আদিৰ লগতে গদ্য সাহিত্যৰ চানেকিয়ে মধ্যযুগৰ অসমীয়া সাহিত্য অধিক বৈচিত্ৰ্যময় কৰি তুলিছে। মূলতঃ ধৰ্মভিত্তিক হ'লেও বিষয়বস্তুৰ বৈচিত্ৰ্য আৰু ছন্দ অলংকাৰৰ প্ৰাচুৰ্যইও এই যুগৰ সাহিত্যক শৈল্পিক মহত্ব প্ৰদান কৰি কালজয়ী ৰূপত প্ৰতিষ্ঠা কৰিছে।

আধুনিক যুগৰ সাহিত্যৰাজি প্ৰধানকৈ পাশ্চাত্যৰ পোহৰেৰে আলোকিত। কথা-সাহিত্যৰ ভিতৰত প্ৰবন্ধ, চুটিগল্প, উপন্যাস, নাটক আদি আৰু কাব্য সাহিত্যৰ ভিতৰত কাব্য কবিতা, চতুৰ্দশপদী কবিতা, লিমাৰিক আদি বিশেষভাৱে উল্লেখযোগ্য। ৰূপ-ৰসৰ বৈচিত্ৰ্য এইবিলাকতো বিদ্যমান। আনহাতে 'কথা কবিতা'ও আধুনিক অসমীয়া সাহিত্যৰ বৈচিত্ৰ্যৰ এক বিৰল উপাদান।

## ১.৫ সাৰাংশ

- কোনো এটা ভাষাই স্বতন্ত্ৰীয়া ৰূপ পোৱাৰ পিচৰে পৰা তাত সাহিত্য সৃষ্টি হ'বলৈ ধৰে।
- অসমীয়া সাহিত্যৰ বুৰঞ্জীত মূলতঃ তিনিটা যুগ বা স্তৰ পৰিলক্ষিত হয়। (১) আদি যুগ, (২) মধ্যযুগ আৰু (৩) আধুনক যুগ।
- মধ্যযুগক তিনিটা স্তৰত ভাগ কৰা হয়– (১) প্ৰাক্‌শংকৰী যুগ, (২) শংকৰী যুগ আৰু (৩) উত্তৰ শংকৰী যুগ।

১৮২৬ চনৰ বৃটিচ শাসনৰ প্ৰাৰম্ভৰ পৰা ১৮৭৩ চনত অসমীয়া ভাষাই পুনঃপ্ৰতিষ্ঠা লাভ কৰালৈকে ভাষা-সাহিত্যৰ যি চৰ্চা হৈছিল তাতেই আধুনিক অসমীয়া সাহিত্যৰ ভেটি গঢ় লৈ উঠিছিল।

**আত্মমূল্যায়নৰ সম্ভাব্য প্ৰশ্নোত্তৰ**

**আত্মমূল্যায়ন - ১**

বৰ্তমানলৈকে উদ্ধাৰ হোৱা লিখিতৰূপৰ সাহিত্যৰাজিৰ ৰূপবস্তু আৰু ভাববস্তুৰ সঠিক বিশ্লেষণ কৰিলে অসমীয়া সাহিত্যৰ বুৰঞ্জীত তিনিটা যুগ বা স্তৰৰ অৱস্থিতি ওলাই পৰে— (১) আদি যুগ, (২) মধ্যযুগ আৰু (৩) আধুনিক যুগ। ড০ বাণীকান্ত কাকতিয়ে এই অনুক্ৰমেই অসমীয়া ভাষাৰ যুগ বিভাজন কৰিছে। হেমচন্দ্ৰ গোস্বামী, ডিম্বেশ্বৰ নেওগ, ড০ মহেশ্বৰ নেওগ, ড০ সত্যেন্দ্ৰনাথ শৰ্মা, বিশ্বেশ্বৰ হাজৰিকা আদিয়েও অসমীয়া সাহিত্যৰ যুগ বিভাগ সম্পৰ্কে নিজা নিজা অভিমত ব্যক্ত কৰিছে। সেই অভিমতসমূহ বিজ্ঞানসন্মতভাবে বিশ্লেষণ কৰিলে তিনিটা স্তৰ স্পষ্টভাৱে ওলাই পৰে। সেই কেইটা হ'ল–

(১) আদি যুগ বা প্ৰথম স্তৰ (খৃষ্টীয় দশম শতিকাৰ পাৰ ঊনবিংশ শতিকাৰ আৰম্ভণিলৈ)

(২) মধ্যযুগ বা দ্বিতীয় স্তৰ (চতুৰ্দশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈ)

(৩) আধুনিক যুগ বা তৃতীয় স্তৰ (ঊনবিংশ শতিকাৰ তৃতীয় দশকৰ পৰা বৰ্তমান সময়লৈকে)

## অনুশীলনী - ১

**১। চমুকৈ লিখাঁ—**

(ক) সাহিত্যৰ বুৰঞ্জী বুলিলে কি বুজা ?

(খ) অসমীয়া সাহিত্যৰ বুৰঞ্জীত কেনেদৰে যুগ বিভাজন কৰা হৈছে ?

**(২) বহলাই আলোচনা কৰাঁ ঃ**

(ক) অসমীয়া সাহিত্যৰ বৈচিত্র্য আৰু প্ৰাচুৰ্য সম্পৰ্কে এটি বিশ্লেষণাত্মক টোকা যুগত কৰাঁ।

*অধ্যয়ন কৰিবলগীয়া প্ৰাসংগিক গ্ৰন্থপঞ্জী ঃ*

(১) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ ড০ সত্যেন্দ্ৰনাথ শৰ্মা

(২) অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ ড০ মহেশ্বৰ নেওগ

(৩) অসমীয়া সাহিত্যৰ বুৰঞ্জী ঃ ডিম্বেশ্বৰ নেওগ

# গোট - ২
# অসমীয়া লোক সাহিত্যৰ পৰিচয়

গঠন ঃ

**২.০ উদ্দেশ্য**

**২.১ প্ৰস্তাৱনা**

**২.২ লোক সাহিত্যৰ স্বৰূপ**

২.২.১ **লোক** সাহিত্যৰ সংজ্ঞা

২.২.২ **লোক** সাহিত্যৰ বৈশিষ্ট্য

২.২.৩ **লোক** সাহিত্যৰ প্ৰকাৰ

**২.৩ অসমীয়া লোক সাহিত্য**

২.৩.১ অসমীয়া **লোক**গীত (লোকগীতৰ ভাগ আৰু পৰিচয়)

২.৩.২ লোক কথা

২.৩.৩ ফকৰা যোজনা আৰু প্ৰবচন

২.৪ সাৰাংশ

## ২.০ উদ্দেশ্য

এই গোটটি অধ্যয়ন কৰিলে তোমালোকে—

- মৌখিক সাহিত্য অথবা লোক সাহিত্যৰ স্বৰূপ হৃদয়ংগম কৰিব পাৰিবা।
- লোক সাহিত্যৰ সংজ্ঞা আৰু বৈশিষ্ট্যসমূহৰ বিষয়ে সম্যক ধাৰণা ল'ব পাৰিবা।
- অসমীয়া লোক সাহিত্যৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰিব পাৰিবা।
- অসমীয়া লোক সাহিত্যৰ শ্ৰেণীবিভাগ সম্পৰ্কে বাস্তৱ ধাৰণা আয়ত্ত কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা

এই গোটটিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে মৌখিক সাহিত্য কি আৰু লোকসাহিত্য কি ভালদৰে জনাৰ লগতে অসমীয়া মৌখিক সাহিত্য সম্পৰ্কে এক সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব। পৃথিৱীৰ প্ৰায় সকলো ভাষা-ভাষীলোকৰ মাজতে পুৰুষানুক্ৰমে মৌখিক সাহিত্যৰ প্ৰচলন হৈ আহিছে। অসমীয়া ভাষা আকৌ এই দিশত যথেষ্ট চহকী। গদ্য আৰু পদ্য মৌখিক সাহিত্যৰ দুটা বিশিষ্ট মৌলিক ৰূপ।

পদ্য ৰূপত থকা লোক সাহিত্যৰ প্ৰাচুৰ্য অসমীয়া ভাষাত অধিক। সেইবোৰৰ ভিতৰত আইনাম, ধাইনাম, বিয়ানাম, বিহুনাম, গোসাঁইনাম, দিহানাম, দেহ বিচাৰৰ গীত, টোকাৰী গীত, জিকিৰ-জাৰি, ঝুনা, মালিতা আদি বিশেষভাৱে উল্লেখযোগ্য। বিষয়ানুক্ৰমিকভাৱে কৰা আলোচনাসমূহৰ দ্বাৰা যথাৰ্থ জ্ঞান আহৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলে সম্ভাব্য প্ৰশ্নৰ উত্তৰ যুগুত কৰিবলৈ সমৰ্থ হ'ব পাৰিব।

## ২.২ মৌখিক সাহিত্যৰ স্বৰূপ

মানুহে মনৰ ভাৱ-কল্পনা, সৌন্দৰ্য অনুভূতি আদি প্ৰকাশ কৰিবলৈ সুকুমাৰ কলাৰ বিভিন্ন মাধ্যম নিৰ্বাচন কৰি লয়। চিত্ৰ-ভাস্কৰ্যৰ দৰে সাহিত্য-কৰ্মও তেনে এটি বিশিষ্ট মাধ্যম। লিপি বা আখৰ সৃষ্টিৰ বহুকাল আগৰে পৰা মানুহে মনৰ ভাৱ-অনুভূতি কলাত্মক ৰূপত প্ৰকাশৰ উদ্দেশ্যে আপোন ভাষাৰ মাধ্যমেৰে মুখে মুখে গীত-পদ, ফকৰা-যোজনা, কথা-কাহিনী আদি ৰচনা কৰি আহিছে। এইবোৰকে মৌখিক-সাহিত্য  বুলি অভিহিত কৰা হয়। বেদসমূহো আদিতে মৌখিক ৰূপতে সৃষ্টি হৈছিল। শ্ৰুতি, স্মৃতি ৰূপে বহুকাল বৰ্তি থকাৰ পিচতহে ই লিখিত ৰূপ পাইছে। মৌখিক ৰূপত সৃষ্টি হ'লেও আৰু বহুকাল মৌখিক ৰূপত প্ৰচলিত হৈ থাকিলেও বৈদিক সাহিত্যক 'মৌখিক-সাহিত্য' বোলা নাযায়। সভ্যতা-সংস্কৃতিৰ ঢাপে ঢাপে মৌখিক-সাহিত্যই ৰূপ সলায়, কিন্তু ইয়াৰ মৌলিক ভিত্তি অপৰিৱৰ্তিত হৈয়ে থাকে। লোক জীৱনৰ সুখ-দুখ, আনন্দ-বিষাদ, প্ৰেম-বিৰহ, ধৰ্ম-দৰ্শন, জীৱন-জীৱিকা আদি বিষয়-সম্ভাৰেৰে অনাখৰী লোক-কবিয়েহে এইবোৰ ৰচনা কৰে। প্ৰকৃতপক্ষে 'মৌখিক সাহিত্য' আৰু 'লোক সাহিত্য' একেটা মুদ্ৰাৰে দুটা পিঠি।

> ***'লোক সাহিত্য লোকসমাজে ৰচনা কৰা সাহিত্য। লোক সাহিত্য সাধাৰণতে মুখে মুখে মুখ বাগৰি প্ৰবাহিত হৈ অহা মৌখিক সাহিত্য।'***
> ***— শশী শৰ্মা***
>
> ***'জন-সাহিত্য ৰাইজৰ সাহিত্য, বিশেষ ভাৱে লিখা-পঢ়া জনা শিক্ষিত মানুহৰ ৰচনা নহয়।' – ডও প্ৰফুল্ল দত্ত গোস্বামী***
>
> ***'জনসাধাৰণৰ স্মৃতি মন্দিৰেই এই সাহিত্যৰ (মৌখিক সাহিত্য) নিবাস, প্ৰাঞ্জলতাই তাৰ ধৰ্ম।' — অতুল চন্দ্ৰ বৰুৱা***

ডও নবীন চন্দ্ৰ শৰ্মাই 'মৌখিক সাহিত্য' ৰূপটোক প্ৰাধান্য দিছে যদিও ইয়াৰ উপশ্ৰেণী বিভাজনৰ বেলিকা 'লোক কাহিনী', 'লোককাব্য' ৰূপ প্ৰয়োগ কৰিছে। ডও বিৰিঞ্চি কুমাৰ বৰুৱা, ডও প্ৰহ্লাদ কুমাৰ বৰুৱা, শশী শৰ্মা আদি গবেষক পণ্ডিতে 'লোক সাহিত্য' অভিধাটোহে গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। শশী

শৰ্মাই পৰম্পৰাগত মৌখিক ৰূপটোক ইয়াৰ প্ৰধান বৈশিষ্ট্য বুলিহে উল্লেখ কৰিছে। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'ত দুয়োটা দিশ সামৰি 'মৌখিক লোক সাহিত্য' ৰূপটো গ্ৰহণ কৰিছে। ডঃ প্ৰফুল্ল দত্ত গোস্বামীয়ে 'Folk Literature'ৰ অসমীয়া প্ৰতিশব্দ ৰূপে 'জন-সাহিত্য' ৰূপটোকহে প্ৰাধান্য দিছে।

### ১.২.১ লোক সাহিত্যৰ সংজ্ঞা

পৰম্পৰাগত লোকবিদ্যা আৰু লোক-প্ৰজ্ঞাৰ ভেটিত লোক-ভাষাৰ মাধ্যমেৰে লোকজীৱনত গঢ় লৈ উঠা বাচিক-কলাই মৌখিক সাহিত্য বা লোকসাহিত্য। নিৰক্ষৰ জনসমাজত মুখে মুখে ৰচিত আৰু অলিখিত ৰূপত মুখ পৰম্পৰাৰে প্ৰচলিত হৈ অহা বাবে ইয়াক সাধাৰণতে মৌখিক সাহিত্য বুলি কোৱা হয়। শিল্পী-সত্বাৰ বিকাশ-প্ৰকাশৰ লগতে লোকৰঞ্জনৰ ৰমণীয় আহিলা ৰূপে লোককলাৰ সৃষ্টি। মৌখিক সাহিত্যও তেনে এবিধ মনোৰম লোককলা।

মৌখিক সাহিত্য তথা লোকসাহিত্যৰ সম্পৰ্কে বিভিন্নজন পণ্ডিতে বিভিন্ন সংজ্ঞা দাঙি ধৰিছে। তাৰে কেইটামান উল্লেখ কৰা হৈছে –

*এই লোক-সাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি; সমাজৰ সৰ্বজনৰ ভাৱ, চিন্তা আৰু কল্পনাৰ মিলন তীৰ্থ; সমগ্ৰ সমাজৰ আনন্দ বিনোদনৰ কলাক্ষেত্ৰ। যুগ যুগ ধৰি জনসাধাৰণৰ মুখে মুখে লোক-সাহিত্য চিৰন্তন আৰু চিৰজীৱী হৈ আছে।*

*— ড° বিৰিঞ্চি কুমাৰ বৰুৱা*

*'এইবিলাক (জন-সাহিত্য) হৈছে মুখে মুখে ৰচনা কৰা আৰু মুখ বাগৰি জীয়াই থকা পুৰণি নাম, পদ, মালিতা, ফকৰা, বচন, সাঁথৰ, সাধুকথা।'*

*– ড° প্ৰফুল্ল দত্ত গোস্বামী*

*'লোক-সাহিত্য হ'ল লোক-জীৱনৰ যুগ যুগ সঞ্চিত জ্ঞান আৰু অভিজ্ঞতাৰ বহিঃপ্ৰকাশ।'* *— ড° নবীন শৰ্মা*

ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই অসমীয়া লোক সাহিত্যৰ তিনিটা প্ৰধান ভাগ আলোচনালৈ আনিছে, সেইকেইটা হ'ল– (১) লোকগীত, (২) ফকৰা-যোজনা আৰু প্ৰবচন, (৩) সাধুকথা।

অতুলচন্দ্ৰ বৰুৱাই আকৌ (১) ধৰ্মীয় আৰু (২) লৌকিক বুলি অসমীয়া মৌখিক-সাহিত্যৰ দুটা ভাগ কৰি দেখুৱাইছে যদিও ইয়াৰ উপভাগবোৰ তিনিটা ভাগত ভাগ কৰিছে– (১) লোকগীত, (২) ফকৰা-যোজনা আৰু প্ৰবচন, (৩) কাহিনী, সাধুকথা আৰু জনশ্ৰুতি।

ড০ মহেশ্বৰ নেওগে অসমীয়া মৌখিক সাহিত্যক 'লোকগীতি আৰু 'লোক-কথা' বুলি দুটা প্ৰধান ভাগত সামৰিছে।

পৰিৱেশ্য কলা হিচাপে অথবা পৰিৱেশনৰ উপলক্ষ্য অনুসৰি অসমীয়া মৌখিক সাহিত্যক ঘাইকৈ দুই শ্ৰেণীত ভগাব পাৰি– (১) অনুষ্ঠানমূলক আৰু (২) অনুষ্ঠান নিৰপেক্ষ। আনহাতে এই গীতসমূহ দুটা ধাৰাৰে প্ৰবহমান। এটা হৈছে ধৰ্মীয় ধাৰা আৰু আনটো হৈছে ধৰ্মনিৰপেক্ষ ধাৰা।




## ২.২.২ লোক সাহিত্যৰ বৈশিষ্ট্য

লোক সাহিত্যৰ বৈশিষ্ট্যসমূহ এনেধৰণৰ ঃ

(১) ই মানৰ সমাজৰ বিভিন্ন স্তৰৰ লোকৰ সাৰ্বজনীন ভাৱ-অনুভূতিৰ আধাৰত ৰচিত এজন বা একাধিক স্বভাৱকবিৰ মৌখিক ৰচনা।

(২) এই ৰচনা-সম্ভাৰৰ ৰচক অজ্ঞাতনামা। অৰ্থাৎ ৰচয়িতাৰ নাম বা সেই সম্পৰ্কীয় সঠিক তথ্য জনাৰ সুবিধা ইয়াত নাথাকে।

(৩) ইয়াত ব্যৱহৃত হোৱা ভাষাটো সংশ্লিষ্ট ভাষিক জনসমষ্টিৰ মাজত চলা সহজ-সৰল লোক-ভাষা।

(৪) ইয়াত লোক-মন আৰু লোক-প্ৰজ্ঞাৰ সাৱলীল প্ৰকাশ ব্যাপ্ত হৈ থাকে।

(৫) গদ্য আৰু পদ্য উভয় ৰূপতে ইয়াৰ পৰম্পৰা বিদ্যমান।

(৬) গীত-পদ জাতীয় মৌখিক সাহিত্যসমূহৰ এটা সাংগীতিক ৰূপ থাকে।

(৭) কাব্য শাখাত স্বভাৱসুলভ ছন্দ, অন্ত্যমিল, উপমা, অনুপ্ৰাস, প্ৰতীক, ব্যঞ্জনা আদিৰ জৰিয়তে প্ৰতিপাদ্য বিষয়-বস্তু কলাত্মক ৰূপত প্ৰকাশ পায়।

(৮) পদ্যৰ মাধ্যমত ৰচিত স্বভাৱসুলভ ছন্দ, অন্ত্যমিল, উপমা, অনুপ্ৰাস, প্ৰতীক, ব্যঞ্জনা আদিৰ জৰিয়তে লোকসাহিত্যসমূহৰ প্ৰতিপাদ্য বিষয়বস্তু কলাত্মক ৰূপত প্ৰকাশ পায়।

### ২.২.৩ লোক সাহিত্যৰ প্ৰকাৰ

ভাব প্ৰকাশৰ মাধ্যম অনুসৰি মৌখিক সাহিত্যক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি। (১) গদ্য ৰূপৰ মৌখিক সাহিত্য আৰু (২) পদ্য ৰূপৰ মৌখিক সাহিত্য। ছন্দ-অলংকাৰহীন সহজ-সৰল ভাষাৰ মাধ্যমেৰে বাচিক ৰূপত প্ৰকাশ পোৱা সাধুকথা, সাঁথৰ, পটন্তৰ, কিংবদন্তি, আদি 'গদ্যৰূপৰ মৌখিক সাহিত্য'। ইয়াক 'লোককথা' বুলিও অভিহিত কৰা হয়।আনহাতে লোক কবিৰ ভাৱ-অনুভূতিৰ অলংকাৰযুক্ত আৰু ছন্দোবদ্ধ কাব্যিক প্ৰকাশেই 'পদ্যৰূপৰ মৌখিক সাহিত্য'। এই শ্ৰেণীৰ সাহিত্য স্বাভাৱিকতেই গীতধৰ্মী। সেয়েহে ইয়াক 'লোক কবিতা' তথা 'লোকগীত' বুলি কোৱা হয়।

## ২.৩ অসমীয়া লোক সাহিত্যৰ প্ৰকাৰ

অসমীয়া সংস্কৃতিৰ ৰৰঘৰ মৌখক লোকসাহিত্যৰ বিপুল সম্ভাৰেৰে পৰিপূৰ্ণ। লোককথা অৰ্থাৎ মৌখিক গদ্য ৰূপত আৰু লোককবিতা অৰ্থাৎ মৌখিক গীত-পদৰ ৰূপত যুগ যুগ ধৰি ইয়াৰ পৰম্পৰা নিছিগা ধাৰেৰে বৈ আছে। গদ্যৰ ৰূপত থকা মৌখিক সাহিত্যৰ ভিতৰত ঘাইকৈ লোককথা আৰু লোক কাহিনীয়েই প্ৰধান। একাংশ মন্ত্ৰ সাহিত্য আৰু যোজনা পটন্তৰতো কেতিয়াবা গদ্যৰ চানেকি দেখিবলৈ পোৱা যায়। সুৰৰ প্ৰাধান্য থকা বাবে পদ্য বা কাব্যিক ৰূপত থকা মৌখিক সাহিত্যসমূহক গীতিসাহিত্য ৰূপে অভিহিত কৰা হয়।

> *'সাহিত্য জনসাধাৰণৰ সহজ-সৰল ভাষাত ৰচিত হৈ মুখে মুখে প্ৰচাৰ লভিলে সি হয় মৌখিক সাহিত্য। ই গণ-সাহিত্য, জন-সাহিত্য বা লোক-সাহিত্যৰে এটা প্ৰকাৰ বা ৰূপ।'*
>
> — *অতুল চন্দ্ৰ বৰুৱা*

**আত্মমূল্যায়ন ১ ঃ**

**মৌখিক-সাহিত্যৰ এটা সংজ্ঞা দাঙি ধৰা।**

______________________________________________

______________________________________________

______________________________________________

______________________________________________

### ২.৩.১ লোকগীত

#### অনুষ্ঠানমূলক গীত

উৎসৱ-পাৰ্বণ আদি নিৰ্দিষ্ট উপলক্ষ্যত আনুষ্ঠানিকভাৱে পৰিবেশন কৰা গীতপদবোৰেই ‘অনুষ্ঠানমূলক গীত’। যেনে– বিবাহ উপলক্ষে গোৱা ‘বিয়ানাম’, লখিমী সবাহ উপলক্ষে গোৱা ‘লখিমীনাম’, বিহু উপলক্ষে গোৱা ‘বিহুনাম’ ইত্যাদি। এই অনুষ্ঠানমূলক গীতসমূহৰো দুটা ধাৰা পোৱা যায়। সেয়া হৈছে (ক) অনুষ্ঠানমূলক ধৰ্মীয় ধাৰাৰ গীতপদ আৰু (খ) অনুষ্ঠানমূলক ধৰ্মনিৰপেক্ষ ধাৰাৰ গীতপদ।

অনুষ্ঠানমূলক ধৰ্মীয় ধাৰাৰ গীতপদসমূহ হ’ল আইনাম, গোসাঁইনাম, লখিমীসবাহৰ নাম, অপেছৰা/অপেছৰী সবাহৰ নাম, হাইদাং গীত, জিকিৰ গীত, জাৰি গীত ইত্যাদি।

**আইনাম**

বসন্তৰোগৰ অধিষ্ঠাত্ৰীদেৱীয়েই অসমীয়া সমাজত ‘আই’ৰূপে পৰিচিত। চাৰিত্ৰিক ভিন্নতা অনুসৰি বসন্তৰোগ সাত বিধ। এই প্ৰত্যেকবিধৰ বিপৰীতে একোগৰাকীকৈ ‘দেৱী’ বা ‘আই’ৰ কল্পনা কৰা হয়, যেনে– বৰ আই, মাজু আই, যদুমণি আই, নুতি আই, পানী চামৰি আই আৰু শীতলা আই। এই ‘আই’সকলৰ বাইভনী বুলিও ধৰি লোৱা হয়। অসমীয়া নাৰীয়ে বসন্তৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ আইসকলৰ সন্তুষ্টিৰ বাবে ‘আইসকাম’ পাতে। এই আইসকামত পৰিবেশন কৰা গীত-পদকে ‘আইনাম’ বোলে। তান্ত্ৰিক প্ৰভাৱসিক্ত এই নামবোৰ ঘাইকৈ স্তুতি-প্ৰাৰ্থনামূলক। যেনেঃ-

*‘আইৰ চৰণৰে ছায়া        আইৰ চৰণৰে ছায়া*
*ভয় নকৰিবা তুতিকৈ মাতিবা আয়ে কৰি যাব দয়া॥’*

*‘নিচিনি সোমালো আইৰে ফুলেবাৰী*
*নিচিঙি চিঙিলো কলি।*
*এইবোৰ দোষকে খেমিবা দেৱী আই*
*মাতিছো কাতৰে কৰি॥’*

*'উজায়ে আহিলে আইৰে সাতেভনী*
*পিছলাৰ পাৰতে ৰ'ল.........'*
*'পিছলাৰ ঘাটতে আয়ে স্নানে কৰে*
*লাহৰ চুলিটাৰি মেলি..........'*
*'পিছলাত ঘাটতে আয়ে পানী তোলে*
*তামৰে কলচী লৈ.........'*
*'বৰ আয়ে পাচিছে সৰু আই আহিছে*
*ফুলবাৰী দেওঘৰৰ পৰা.........'* ইত্যাদি।

পিছলা নৈ আৰু 'ফুলবাৰী দেওঘৰ'ৰ উল্লেখলৈ চাই আইনামসমূহৰ কেন্দ্ৰীয় উৎপত্তিস্থল লখিমপুৰ জিলাৰ নামনি অঞ্চল বুলি সহজেই অনুমান কৰিব পাৰি।

ভক্তিৰ গভীৰতা, অনুভূতিৰ তীব্ৰতা, ভাৱৰ স্বাভাৱিকতা, প্ৰকাশভংগীৰ সৰলতা আদি আইনামৰ প্ৰধান বৈশিষ্ট্য। ছন্দ-অলংকাৰৰ সুষম প্ৰয়োগ আৰু কাব্যিক অভিব্যঞ্জনাৰ মনোৰম প্ৰকাশে 'আইনাম'সমূহক সৌন্দৰ্য আৰু মহত্ব প্ৰদান কৰি আহিছে।

**গোসাঁইনাম**

কৃষ্ণ গোসাঁই অৰ্থাৎ শ্ৰীকৃষ্ণ চৰিত্ৰক কেন্দ্ৰ কৰি মৌখিকভাৱে ৰচিত হোৱা গীত-পদবোৰকে 'গোঁসাইনাম' বুলি কোৱা হয়। শ্ৰীকৃষ্ণৰ জন্মৰে পৰা মহাপ্ৰস্থানলৈকে বিভিন্ন কাহিনীৰ অৱলম্বনত এই গীতবোৰ সৃষ্টি হৈছে। কৃষ্ণ ভক্তিৰ গভীৰতা আৰু মাহাত্ম্য প্ৰকাশক এই গীতসমূহ বৈষ্ণৱ মাৰ্গৰ মাংগলিক অনুষ্ঠানবোৰত পৰিবেশন কৰা হয়। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে গোৱা গোসাঁইনাম এনেধৰণৰ—

*'আজি ৰাতি শিলা বৰষিলে এ নুশুনি প্ৰজাৰে মাত।*
*পালি-পহৰীয়া সবে নিদ্ৰা গৈলা উপজিলে জগন্নাথ॥*
*ভাদ মাহৰে ৰোহিনী অষ্টমী এ মংগলবাৰৰ দিনা ৰাতি।*
*কলমৌ পাততে গোসাঁই উপজিলে লগাইছে সুগন্ধী বাঁতি॥'*

এইবোৰক জন্মাষ্টমীৰ নাম বুলিও কোৱা হয়।

অন্যান্য গোসাঁইনামৰ নমুনাঃ

*'শ্যামকাণু দূৰৈহৈ নাযাবা।*
*সোণৰ বাঁহী গঢ়াই দিম ঘৰতে বজাবা॥'*
*'গধূলিতে আয়ে ওলাই পদূলিলৈ চায়।*
*আহে কি নাহিছে কানু সোণৰ বাংশী বায়॥'*
*'গধূলিতে ধেনুচাৰি আহে নীলমণি।*
*সোণৰ থালে অন্ন লৈয়া ডাকিছে জননী॥'*

*‘যমুনাৰ কলিতে কানাই বহি আছে*
*মাথাৰে মুকলি চুলি।*
*সিপাৰৰ পৰা ৰাধাই ডাকে দিলে*
*মোকে পাৰে কৰা বুলি॥’* ইত্যাদি

**লখিমী সবাহৰ নাম**

লক্ষ্মী হ’ল ধন-ধানৰ অধিষ্ঠাত্ৰী দেৱী। এই দেৱীক অসমীয়া কৃষিজীৱী সমাজে ‘লখিমী আই’ বুলি মানে দিছে। লখিমী আইক সন্তুষ্ট কৰি ৰাখিলে ধন-ধানৰ অভাৱ নোহোৱাকৈ জীৱন-যাত্ৰা সুকলমে চলাই যাব পাৰি বুলি গভীৰ শ্ৰদ্ধা সহকাৰে বিশ্বাস কৰা হয়। এনে উদ্দেশ্যেৰে পতা মাংগলিক অনুষ্ঠানকে ‘লখিমী-সকাম’ বা ‘লখিমী সবাহ’ বোলা হয়। এই অনুষ্ঠানত পৰিবেশন কৰা গীত-পদবোৰেই হৈছে ‘লখিমীসবাহৰ নাম’। স্তুতি-প্ৰাৰ্থনামূলক এই গীতবোৰ কাব্যিক সৌন্দৰ্যৰ ফালৰ পৰাও ৰসোত্তীৰ্ণ আৰু মনোৰম। যেনে–

*‘পাতে সৰু সৰু ঠোকে ভিৰে খালে*
*মাণিকী মধুৰী আগে।*
*পৰৰে দেশলৈ নাযাবা লক্ষ্মীআই*
*ভঁৰালটি ভৰিব লাগে॥’*
*‘হাবিতে কান্দিলে শৰে কি হৰিণা*
*জাৰণিত কান্দিলে কুলি।*
*পথাৰৰ মাজতে কান্দেনো লক্ষ্মীআই*
*আনোগৈ মূৰতে তুলি॥’*
*‘আই মোৰ লখিমী আই*
*আহিছোঁ শংখ বজাই।*
*পতিতপাৱনী জগত জননী*
*তুমি অন্নপূৰ্ণা আই॥’ ইত্যাদি*

**অপেছৰা সবাহ বা অপেছৰী সবাহৰ নাম**

অজান কাৰণত বা কোনো ৰোগ-ব্যাধিৰ লক্ষণ নেদেখাকৈ সৰু ল’ৰা-ছোৱালীৰ শৰীৰ শুকাই খীনাই গ’লে ‘অপেছৰাৰ দোষ’ লগা বুলি বিশ্বাস কৰা হয়। এই গৰাকী অপেছৰা বা অপেছৰী (<অপ্সৰা/<অপ্সৰী)ৰ নাম ‘শুকানী অপেছৰাই পোৱা’ কথাষাৰ গালি-শপনিতো ব্যৱহাৰ হোৱা শুনা যায়। এগৰাকী কিশোৰী উপযুক্ত বয়সত পুষ্পিতা নহ’লেও ‘অপেছৰাৰ দোষ লগা’ বুলি ভাবি লোৱা হয়। জন বিশ্বাসমতে আকাশেদি

উৰি যোৱা অপেছৰাৰ ছাঁত কেনেবাকৈ ভৰি পৰিলে এনে দোষ লাগে। ইয়াৰ নিৰাময়ৰ বাবে কোনো এটা দেওবাৰে চোতালৰ মূৰত ফুলেৰে মড়ল সাজি ধূপ-ধূনা, শৰাই-বন্তি দি অপেছৰা সবাহ পতা নিয়ম। অপেছৰাক সন্তুষ্ট কৰিবলৈ তাত যিবোৰ গীত-পদ সুৰ ধৰি গোৱা হয় তাকেই অপেছৰা সবাহৰ গীত বোলে। স্তুতি-প্ৰাৰ্থনামূলক এই গীতবোৰৰ সাংগীতিক আৰু কাব্যিক সৌন্দৰ্য অতি মনোৰম। উদাহৰণঃ-

*'ফুলৰে আসনে  ফুলৰে বসনে এ আই*
*ৰভাতল আমোল মোলায়।*
*আই অপেছৰী ফুলাম পাখিমেলি*
*দেও দি পূজালৈ যায়॥'*

*'সোণৰে এযুৰি  ধূপে অপেছৰী এ*
*ৰূপৰে এযুৰি ধূপ।*
*আই অপেছৰী তুতি কৈ মাতিছো*
*নামতে হৈবা সন্তোষ॥'*

*'দেওবাৰে দুপৰবেলা*
*ছায়াত দিলে ভৰি।*
*নিজ গুণে খেমা কৰা*
*আই অপেছৰী।'* ইত্যাদি।

**হাইদাং গীত ঃ**

সোণোৱাল কছাৰী সম্পদায়ৰ লোকসকলৰ ধৰ্মীয় বিশেষত্বপূৰ্ণ এবিধ গীতেই হ'ল 'হাইদাং গীত'। তেওঁলোকৰ আদি কালৰ ভাষাৰ নিদৰ্শন স্বৰূপ এই 'হাইদাং' শব্দটোৰ অৰ্থ হ'ল– 'বিশ্বচৰাচৰৰ সৃষ্টি ৰহস্যৰ প্ৰশংসা'। ব'হাগ বিহুৰ চৈধ্যদিনৰ আগতে অনুষ্ঠিত কৰা বাথৌ পূজা উপলক্ষ্যে হাইদাংগীত গোৱাৰ নিয়ম। এই মৌখিক গীতবোৰ বাৰটা দফাত বিভক্ত। প্ৰথম আৰু দ্বিতীয় দফাত সৃষ্টি ৰহস্য বৰ্ণনা; তৃতীয় দফাতে পৃথিৱীত থকা জড়জগত আৰু জীৱজগতৰ সৃষ্টিৰ বৰ্ণনা; চতুৰ্থ দফাত বংশাৱলীৰ বৰ্ণনা; পঞ্চমৰ পৰা অষ্টম দফালৈ 'বাথৌ' অৰ্থাৎ মহাদেৱৰ বিবাহৰ বৰ্ণনা, নৱম দফাত দশ-দেৱতাৰ প্ৰতি প্ৰাৰ্থনাৰ বৰ্ণনা; দশম দফাত লখিমী দেৱীৰ স্তুতি-প্ৰাৰ্থনা, একাদশ দফাত কছাৰীসকলৰ বাসস্থানৰ বৰ্ণনা আৰু অন্তিম দফাত মহাদেউক স্তুতি-প্ৰাৰ্থনা কৰাৰ বৰ্ণনা উপস্থাপন কৰা হয়। উদাহৰণ–

*"হা-ই-অ'হ' নমো নাৰায়ণ*
*হা-ই-অ'হ' পিথবী হেনো সৃজইছে*
*হা-ই-অ'হ আকাশ হেনো সৃজইছে*
*হা-ই-অ'হ বতাহ হেনো সৃজইছে।"........*
*'হা-ই-অ'হ আদি যুগৰ কছাৰী হাইদাংগীত।'* ইত্যাদি।

**জিকিৰ আৰু জাৰি গীত ঃ**

অসমৰ খিলঞ্জীয়া মুচলমানসকলৰ মাজত প্ৰচলিত জিকিৰ আৰু জাৰি অসমীয়া মৌখিক সাহিত্যৰ অন্য এক আপুৰুগীয়া সম্পদ। শংকৰদেৱ প্ৰৱৰ্তিত একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ মৌলিক ধ্যান-ধাৰণাৰে সৈতে ইচলামৰ সাদৃশ্য লক্ষ্য কৰিয়েই সপ্তদশ শতিকাত সুদূৰ বাগদাদৰ পৰা আহি অসমত থিতাপি লোৱা 'চাহ মিলন পীৰ' ওৰফে আজান ফকিৰে অসমৰ জতুৱা ভাষা আৰু থলুৱা সংগীত ব্যৱস্থাপনাৰ আদৰ্শ লৈ জিকিৰ-জাৰিৰ প্ৰবৰ্তন কৰিলে। 'জিকিৰ' শব্দটোৱে আল্লাৰ পবিত্ৰ নাম স্মৰণ কৰা বুজায়। এই গীতসমূহৰ মাজেৰে আল্লাৰ নাম মাহাত্ম্য প্ৰকাশৰ উপৰিও গুৰু ভক্তিৰ গুৰুত্ব আৰু ধৰ্মীয় সদাচাৰ, সুৰুচি, সততা আদি ৰক্ষাৰ বাবে পালনীয় ৰীতি-নীতিৰ সুপ্ৰকাশ ঘটিছে। আজান ফকিৰৰ নাম জড়িত কৰিলেও পৰৱৰ্তী কালৰ জিকিৰসমূহ লোক-কবিৰ মৌখিক ৰচনা বুলি সহজেই ঠাৱৰাব পাৰি। জিকিৰৰ নমুনাঃ

*'হাতে ল'লে কাপে কলম কৰিব জিকিৰ।*

*দুনিয়া/দৰিয়া মাজে পয়দা হ'ল বাবা জিন্দা পীৰ॥'*

*'দুনিয়ালৈ আহিলো ৰঙে ৰূপে বেহালো*

*নুসুজিলো মান-বাপৰ ধাৰ।*

*সাৰকে নিচিন্তি অসাৰকে চিন্তিলো*

*আমি বান্দা হ'লো গুনাহগাৰ।'*

*'জীৱৰ সাৰথী নাম অ' আল্লা জীৱৰ সাৰথী নাম।*

*সৎ গুৰু ভেটিবা আত্মাটি চিনিবা সিজিব দিলৰে কাম॥'* ইত্যাদি

জিকিৰৰ সমপৰ্যায়ৰ জাৰীগীতসমূহ কাৰাবালাৰ কৰুণ কাহিনীৰ অৱলম্বনত ৰচিত। সেই ঐতিহাসিক বিষয়বস্তু আহি অসমৰ পৰিবেশত সম্পূৰ্ণ অসমীয়া ৰূপত জাৰীগীতত ফুটি উঠিছে। 'জাৰী' শব্দৰ মূল অৰ্থ হৈছে 'বিননি'। মৃতকৰ দুখত উঠলি উঠা বিননিৰ গীতেই হৈছে জাৰী। যেনে–

*'চেনেহৰ চৈয়দ যুজৰ ছহিদ হাঁয়ৰে হাঁয়*
*হাচান-হুচেন দুটি ভাই*
*কান্দিছে বিনাই / আৰছত লাগিলে গোলমাল চাহেবে.....'*

*'হাঁয় হাঁয় চোভানাল্লা / জান দিওঁ কাৰবালা*
*হাতো হাজাৰ নূৰে / জাৰী কৰে'* ইত্যাদি

অনুষ্ঠানমূলক ধৰ্ম নিৰপেক্ষ ধাৰাৰ গীতপদবোৰ হ'ল– বিহুনাম, বিয়া নাম, ভেকুলী বিয়াৰ নাম, মহোহোগীত ইত্যাদি। নিৰ্দিষ্ট অনুষ্ঠানেৰে সৈতে জড়িত হ'লেও ইয়াৰ মৌলিক ৰূপটো ধৰ্মীয় গণ্ডীৰ বাহিৰত।

**বিহুনাম ঃ**

ৰঙালী বিহু বা বহাগ বিহুৰ সৈতে জড়িত গীত-পদসমূহকে বিহুনাম বুলি কোৱা হয়। ‘হুচৰি নাম’বোৰ সেই অৰ্থত ‘বিহুনাম’ৰ ভিতৰুৱা হ’লেও বৈষ্ণৱ যুগত গ্ৰাম্যগীতৰ সলনি ধৰ্মমূলক গীতপদে হুচৰি অনুষ্ঠানটি দখল কৰি ল’লে। বসন্ত ঋতুত প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ বৰ্ণনা, ৰঙালী বিহুৰ প্ৰতি সমাজৰ নিবিড় আকৰ্ষণৰ বৰ্ণনা আৰু প্ৰধানকৈ ডেকা-গাভৰুৰ যৌৱনৰ উদ্দাম কামনা-বাসনাৰ প্ৰকাশ বিহুনামবোৰৰ ঘাই উপজীব্য। লোককবিৰ স্বতঃস্ফূৰ্ত ৰচনা এই বিহুনামবোৰ সাহিত্যিক সৌন্দৰ্য আৰু সাংগীতিক মাধুৰ্যৰ ফালৰ পৰা অতি গুৰুত্বপূৰ্ণ। সাধাৰণতে ত্ৰিপদী ছন্দত ৰচিত বিহুনামবোৰৰ প্ৰতিটো স্তৱকেই স্বয়ং সম্পূৰ্ণ। উদাহৰণঃ-

**হুচৰিনাম ঃ**

*‘চতৰে চকৰী বহাগত বগৰী*
*জেঠতে আমনা ধান।*
*গৰু বিহুৰ দিনাখন ল’বা আশীৰ্বাদে*
*তেহে পাবা বৈকুণ্ঠত থান॥’*

*‘ন-ঘৰ ঐ পুৰণি কামি।*
*হুচৰি গাবলৈ আহিছোঁ আমি॥’*

*‘কাণাই গ’ল ফুলে পাৰিবলৈ*
*হাততে হাকুটি লৈ হে।’*

*‘কলমৌ খাওঁতে বুঢ়া হনুমন্ত*
*নগৰী কৰিলে চন ঔ গোবিন্দই ৰাম॥’* ইত্যাদি

**বিহুনাম ঃ**

*‘তোমালৈ চাওঁতে জপনা দেওঁতে*
*বিন্ধিলে অঘৈয়া হুলে।*
*তোমাৰ মনে গ’লে আমাৰ মনে গ’লে*
*কি কৰিব অজাতি কুলে॥’*

*‘নৈ লৈ হালিলে ন ডালি ভলুকা*
*পথাৰলৈ হালিলে কাক।*
*বুকুৰে কামিহাড় হ’ল ডালি ডালি*
*কালৈ চিন্তা কৰি থাক॥’*

*'ৰঙানদী শুকালে মাছৰে বেজাৰত*
*লুইতখন শুকাইছে কিয়।*
*মই চেনাই শুকাইছোঁ তোমাৰে বেজাৰত*
*তুমি চেনাই শুকাইছা কিয় ?'* ইত্যাদি।

**বিয়ানাম ঃ**

জনম, মৰণ আৰু বিবাহ– মানৱ জীৱনৰ প্ৰধান পৰিঘটনা। দশ সংস্কাৰৰ অন্যতম সংস্কাৰ ৰূপেও বিবাহ উৎসৱৰ বিশেষ গুৰুত্ব অসমীয়া সমাজত আছে। বিবাহ অনুষ্ঠান উপলক্ষ্যে মহিলাসকলে পৰিৱেশন কৰা সুৰীয়া লোকগীতসমূহকে সামগ্ৰিক ভাৱে বিয়ানাম বুলি কোৱা হয়। জোৰণ দিয়া, পানীতোলা, নোওৱা, অধিবাস, গাঁঠিয়ন খুন্দা, দৈয়ন দিয়া, সুৱাগুৰি তোলা, দৰা আদৰা, জোৰানাম গোৱা, হোমৰ গুৰিত বহা, বাহীবিয়া আদি বিবাহৰ ভিন্ ভিন্ আনুষ্ঠানিকতাৰ লগত সংগতি ৰাখি পৰ্যায়ক্ৰমে বিয়ানামসমূহ গোৱাৰ নিয়ম। অসমীয়া লোকসাহিত্যৰ অমূল্য সম্পদ স্বৰূপ। এই বিয়ানামসমূহত আদৰ্শ দাম্পত্য জীৱনৰ স্বৰূপ, দৰা-কইনাৰ ৰূপ যৌৱনৰ প্ৰশংসা, বোৱাৰী জীৱনৰ কৰণীয় আৰু পালনীয় নীতি-নিয়ম, নাৰী জীৱনৰ হৰ্ষ-বিষাদ, আশা-আকাংক্ষাৰ বৰ্ণনা, নিজৰ পৰিয়াল-পৰিজনৰ পৰা আসন্ন বিচ্ছেদ আৰু নতুন ঘৰ এখনত নতুন জীৱনৰ পাতনি কেনেকৈ মেলিব লাগিব আদি বিষয় কলাত্মক ৰূপত উপস্থাপন কৰা হয়।

বিয়া নামৰ উদাহৰণ ঃ

*'মাৰাৰ অলংকাৰ থোৱা কাতি কৰি*
*ঐ ৰাম দেউতাৰাৰ অলংকাৰ থোৱা হে।*
*ৰামে দি পঠাইছে বিচিত্ৰ অলংকাৰ*
*ঐ ৰাম হাতে যোৰে কৰি লোৱা হে॥'*
*'কাষে ঘট লোৱা ৰাধা মাথে লোৱা মালা।*
*যমুনালৈ যাব লাগে নকৰিবা হেলা॥'*
*'কেলৈ সানিছা কেতুৰী হালধী*
*ঐ ৰাম আপুনি কেতেকীৰ পাহিহে.....'*
*'আজি আইদেউৰ অধিবাসে*
*কাইলৈ আইদেউৰ বিয়া।*
*পৰহিলৈ গুচি যাব*
*ভাঙি যাব হিয়া॥'*
*'পথাৰত জিলিকে ধানৰে ঠোক।*
*ৰাখাচোন ৰাখাচোন দেউতা মোক॥*

*কেনেকৈ ৰাখিমে জীয়ৰী তোক।*
*বেদৰে মন্ত্ৰেৰে চিঙিলে কুশ॥*
*নাৰাখো নাৰাখো তোমাৰে লগত।*
*ৰৰঘৰ সোমাওঁতেই পৰিব মনত॥'* ইত্যাদি।

**ভেকুলী বিয়াৰ নাম ঃ**

কৃষিজীৱী সমাজৰ লোকবিশ্বাস অনুসৰি বাৰিষাৰ বৰষুণৰ আগমনৰ লগত ভেকুলীকুলৰ বিশেষ সম্পৰ্ক আছে। অৰ্থাৎ ভেকুলীয়ে টোৰটোৰালেহে বৰষুণ দিয়ে বুলি বিশ্বাস কৰা হয়। ভেকুলীকুলৰ প্ৰজননৰ সৈতে মেঘ আৰু বৰষুণৰ বিশেষ সম্পৰ্ক থকা বিষয়টো লক্ষ্য কৰিয়েই জন সমাজত এই বিশ্বাস গঢ় লৈ উঠিছে। কৃষিকাৰ্যৰ সময়ত কেতিয়াবা হোৱা অনাবৃষ্টিয়ে সৃষ্টি কৰা দুৰৱস্থা দূৰ কৰিবলৈ অৰ্থাৎ ইন্দ্ৰদেৱতাক তুষ্ট কৰিবলৈ অসমীয়া সমাজত বেং বিয়া বা ভেকুলী বিয়া পতাৰ পৰম্পৰা চলি আহিছে। চহা জীৱনৰ সহজ-সৰল বিশ্বাস যে ইন্দ্ৰ দেৱতাৰ সুহৃদ ভেকোলা-ভেকুলীৰ বিয়া পাতি দিলে অনাবৃষ্টি দূৰ হয়। গাঁৱৰ নামঘৰত অনুষ্ঠিত এনে বিবাহত যিবোৰ গীত-পদ গোৱা হয় তাকেই 'ভেকুলীবিয়াৰ নাম' বোলে। সাদৃশ্যধৰ্মী যাদুমূলক ধাৰণা নিহিত হৈ থকা ভেকুলী বিয়াৰ পৰিণতিত বিস্তৰ বংশ বৃদ্ধি হ'ব আৰু বৰ্দ্ধিত সংখ্যক ভেকুলীৰ বাবে ইন্দ্ৰদেৱতাই পৰ্যাপ্ত পৰিমাণৰ পানী যোগান ধৰিব বুলি লোকসমাজত গভীৰ বিশ্বাসৰ চলন্তি আছে। ইয়াৰ দ্বাৰা আওপকীয়াকৈ কৃষকসকল উপকৃত হোৱা বিষয়টোৱেই ভেকুলী বিয়া পতাৰ মুখ্য উদ্দেশ্য। এনেবোৰ ধাৰণাৰ ভিত্তিতেই ৰচিত হৈছে ভেকুলীবিয়াৰ বিশেষত্ব পূৰ্ণ নামবোৰ। এই গীত-মাত, ক্ৰিয়া-কলাপ আৰু কাৰ্য-কৰণৰ শেষ লক্ষ্য হৈছে 'বৰষুণ কামনা'।

*'ভেকোলা ভেকুলীৰ বিয়া এ।*
*উৰুলী এজোকা দিয়া হে॥*
*ভেকোলা ভেকুলীৰ বিয়া এ।*
*বতাহ-বৰষুণে দিয়া হে॥'*

*'ভেকুলীৰ বিয়ালৈ আহে ইন্দ্ৰদেৱে*
*বতাহ বৰষুণত তিতিহে।*
*স্বৰ্গৰ অপেছৰী নামি আহিছে*
*ভেকুলীৰে বিয়া শুনি হে॥'* ইত্যাদি

**মহো-হো গীত মহ খেদা গীত ঃ**

'মহো-হো' নামনি অসমৰ এক বিশেষ লোক-উৎসৱ। আঘোন মাহৰ পূৰ্ণিমা তিথিত সন্ধিয়াৰ পৰা নিশালৈকে এই উৎসৱ উদ্‌যাপন কৰা হয়। তত্ভৱ শব্দ 'মহ' (<মশক) আৰু বড়ো ভাষাৰ শব্দ 'হো'ৰ সংযোগত 'মহো-হো' শব্দটোৰ উদ্ভৱ হৈছে। বড়োভাষাত 'হো'ৰ অৰ্থ 'খেদা' বা 'খেদি পঠোৱা'। অৰ্থাৎ মহো-হো মানে

'মহ খেদোৱা'। গাঁৱৰ ডেকা, চেমনীয়াসকলে হাতে হাতে টোকোন লৈ দলবান্ধি গৃহস্থৰ চোতালে চোতালে বৃত্তাকাৰে ঘূৰি গীত পদ গায়। ভালুকৰ বেশভূষা লৈ অহা এজনে টোকোনৰ ঠক্ ঠক্ শব্দৰ তালে তালে বিচিত্ৰ ভংগিমাৰে নৃত্য কৰে। লোক বিশ্বাস অনুসৰি ভালুকে 'মহ' ভক্ষণ কৰে সেয়েহে ভালুক দেখিলে মহবোৰ পলাই পত্ৰং দিয়ে। যাদুমূলক বিশ্বাসৰ ভেটিত সৃষ্টি হোৱা এই অনুষ্ঠানত গোৱা গীত-পদবোৰকেই 'মহো-হো গীত' বুলি কোৱা হয়। উজনি অসমৰ হুচৰিৰ লগত ইয়াৰ আংশিক সাদৃশ্য লক্ষ্য কৰা যায়।

**মহো-হো গীতৰ নমুনা ঃ**

*মহো-হো মহো-হো। মহ খেদ্‌বা টোকান লৌ॥*
*মহে বুলে মইল্লু দে। টেপোল পুৰা খালু দে॥*
*টেপোলত নহাল লোন্। চাউল কাঢ়ে দোন দোন॥*

\- \- \- \-

*বাঁহোৰ পাত জকা পকা। আমাক লাগে টকা টকা॥*
*বাঁহোৰ পাত চিকিমিকি। আমাক লাগে সিকি সিকি॥*

\- \- \- \-

*ভাল হওক, হওক / কুশল হওক হওক*
*গোহালিৰ গৰু বাঢ়ক, বাঢ়ক / ভাখ্ৰীৰ ধান বাঢ়ক, বাঢ়ক*
*ভাল-ভৌল্‌কাক দিবাক লাগি / শক্তিমন্ত কৰক*
*জয়া ৰাম বোলা / জয়া হৰি বোলা।*

**অনুষ্ঠান নিৰপেক্ষ গীত**

যিবোৰ গীত-পদ আনুষ্ঠানিক উপলক্ষ্য নথকাকৈ স্থান-কাল-পাত্ৰ অনুসৰি সাংস্কৃতিক পৰিবেশ সৃষ্টিৰ বাবে পৰিবেশন কৰিব পাৰি সেইবোৰেই অনুষ্ঠান নিৰপেক্ষ গীত বোলে। যেনে– নিচুকণি গীত, ওমলা গীত, বাৰমাহী গীত ইত্যাদি। ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ এই দুয়োটাধাৰাৰে উল্লিখিত গীত-পদসমূহ প্ৰৱহমান।

অনুষ্ঠান নিৰপেক্ষ ধৰ্মীয় ধাৰাৰ গীত-পদবোৰ হ'ল– টোকাৰী গীত, আৰু দেহ বিচাৰৰ গীত, কামৰূপ আৰু গোৱালপাৰা অঞ্চলত প্ৰচলিত ভক্তিমূলক লোকগীত আদি।

**টোকাৰী গীত আৰু দেহ বিচাৰৰ গীত**

টোকাৰী বাদ্যৰ বাদন-কৌশলক প্ৰাধান্য দি পৰিবেশন কৰা ধৰ্মগন্ধী গীত-পদসমূহক সামগ্ৰিকভাৱে টোকাৰী গীত বুলি অভিহিত কৰা হয়। দেহতত্ত্বৰ বিচাৰ, বিষয়-বাসনাৰ প্ৰতি অনাসক্তি, ভক্তি তত্ত্বৰ বিচাৰ, কৃষ্ণ চৰিত্ৰৰ বৰ্ণনা, গুৰু ভক্তিৰ মাহাত্ম্য আদি বিভিন্ন বিষয়ক কেন্দ্ৰ কৰি ৰচিত হোৱা গীত-পদ 'টোকাৰী গীত' হিচাপে পৰিবেশন কৰা দেখা যায়। টোকাৰী বাদ্য সৃষ্টি সম্পৰ্কীয় কথা-বস্তুও টোকাৰী গীতত আছে–

*'যেতিয়া বিৰিখে দোপাতি মেলিলে*

*তললৈ মেলিলে শিয়া।*

*সেইনো গছে জুপি খোজে মহাদেৱে*

*টোকাৰী সাজোগৈ দিয়া॥...'*

দেহতত্ত্ব সম্পৰ্কীয় তথা গূঢ় দাৰ্শনিক ধ্যান-ধাৰণাৰ আধাৰত ৰচিত গীত-পদসমূহক 'দেহ বিচাৰৰ গীত' বুলি কোৱা হয়। 'বিষয়ত বিৰকতি' হোৱা সংসাৰ বিৰাগী 'বৰাগী' ভকতসকলে টোকাৰী বাদ্য সংগত কৰি এই শ্ৰেণীৰ গীত পৰিবেশন কৰাৰ পৰম্পৰা কিছুকাল আগলৈকে আছিল। 'টোকাৰী'খনতে মানৱদেহৰ বিভিন্ন অংগ-প্ৰত্যংগৰ উপমা আৰোপ কৰি ৰচিত হোৱা দেহতত্ত্বমূলক গীতা পোৱা যায়।

*'ৰেবাবে চেবাবে এযুৰি টোকাৰী / দেহৰে উপমা শুনা।*

*ইংগলা পিংগলা মাজতে সুষন্মা / এই তিনি গছি গুণা॥*

*টোকাৰী টোকাৰী / মহাদেউ টোকাৰী / ল'লে ভাৰস্তত থান।*

*দেহাৰ বিচাৰ বিভাগি এবে / কৈয়ো গুৰু ভক্তি জ্ঞান॥'*

*'ইড়া যে পিংগলা সুষমা যে হংসা*

*চাৰি নাড়ী অনুপাম।*

*চাৰিৰো মধ্যত সাৰাংশ জানিবা*

*সুষুন্মা যাহাৰ নাম॥'* ইত্যাদি

ফকৰা বা সাঁথৰধৰ্মী এই গীতবোৰ 'ৰাতিখোৱা' বা 'ৰাতিসেৱা' সম্প্ৰদায়ৰ লগত বিশেষভাৱে জড়িত। মানুহৰ দেহৰ ভিতৰতে সমগ্ৰ বিশ্ব চৰাচৰ বিদ্যমান, সংসাৰৰ অসাৰতা, ভোগত বৈৰাগ্য আৰু ত্যাগৰ প্ৰাপ্তি আদিৰ তাৎপৰ্য বিচাৰ কৰি সুমুক্তিৰ সম্ভেদ দিয়াই হ'ল দেহবিচাৰৰ গীতৰ মূল মৰ্মবাণী। দেহ-মন, বুদ্ধি-ইন্দ্ৰিয় আদিক সংযত কৰি ৰাখিব পাৰিলেহে ভৱতৰণ 'সম্ফল' হয়। 'দেহাক জানিলে ভৱ তাৰিবাক পাৰি.......'। এই গীতসমূহত বৈষ্ণৱ মাৰ্গ, বৌদ্ধ সহজীয়া পন্থাৰ সাধন মাৰ্গ আৰু চান্দসাই-কবিতাৰ নাম জড়িত ইচলাম ধৰ্মীয় ধ্যান-ধাৰণাৰ মধুৰ সমন্বয় ঘটিছে।

**কামৰূপী লোকগীত আৰু গোৱালপৰীয়া লোকগীত**

অবিভক্ত কামৰূপ আৰু গোৱালপাৰা জিলাত প্ৰচুৰ পৰিমাণে চিত্তাকৰ্ষক মৌখিক গীতপদ পোৱা যায়। কামৰূপ জিলাত পোৱাবোৰ ঘাইকৈ ধৰ্মমূলক। গোৱালপাৰা জিলাত প্ৰচলিত গীতমাতসমূহৰ ভিতৰত আকৌ ধৰ্মমূলক গীততকৈ বিষয়-বাসনা, জীৱন-যৌৱন, প্ৰণয়-বিৰহ আদি ভাবৰ গীতৰ সংখ্যা অধিক। কামৰূপ জিলাক কেন্দ্ৰ কৰি স্বকীয় বৈশিষ্ট্যৰে প্ৰচলিত হৈ থকাখিনিক 'কামৰূপী লোকগীত' আৰু গোৱালপাৰা কেন্দ্ৰিক গীতসমূহক 'গোৱালপৰীয়া লোকগীত' বুলি অভিহিত কৰা হৈছে।

কামৰূপী লোকগীতৰ উদাহৰণঃ

(ক) *'অ কানু গৈছিলি ক'ত*
*অ' কানু আছিলি ক'ত*
*হাতৰ মোহন বেণু এৰিলি ক'ত*
*আজি ৰাতি গোৱাইলি ক'ত।...'*

(খ) *'শ্যাম তোমাৰ বুজিলো চাতুৰি।*
*বাহিৰে ভিতৰে ক'লা*
*মুখতে মাধুৰী॥'*

(গ) *'বৰ বৰিয়া যায় মেনকা সংগে দুণী-ঘট।*
*মাথাৰ কাপোৰ গুচাই চাইলা জোঁৱাই উলংগত॥'..*

(ঘ) *'শংকৰ গুৰু আমাৰে জগত গুৰু আমাৰে।*
*লুকাই আছা দেখা নেদা মণিকূটৰ ভিতৰে॥'...* ইত্যাদি।

গোৱালপৰীয়া লোকগীতৰ উদাহৰণঃ

(ক) *'একবাৰ হৰিবোল মন ৰসনা।*
*মানৱ দেহে গৈৰৱ কৈৰ না॥.....*

(খ) *'নাযায়ো নাযায়ো নাযায়ো চৈ-গ'*
*ঐ আৰ যমুনাৰ জলে॥'...*

(গ) *'অ' জীৱন ৰে চাৰিয়া নাযাইস মোৰে।....*
*তুই জীৱন চাৰিয়া গেলে আদৰ কৰিবে জীৱনে ৰে॥'* ইত্যাদি।

**অনুষ্ঠান নিৰপেক্ষ গীত**

যিবোৰ গীত-পদ আনুষ্ঠানিক উপলক্ষ্য নথকাকৈ স্থান-কাল-পাত্ৰ অনুসৰি সাংস্কৃতিক পৰিৱেশ সৃষ্টিৰ বাবে পৰিৱেশন কৰিব পাৰি সেইবোৰেই অনুষ্ঠান নিৰপেক্ষ গীত। যেনে- টোকাৰী গীত, নিচুকণি গীতি, বাৰমাহী গীত, ঢোলৰ মালিতা ইত্যাদি। ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ এই দুয়োটাধাৰাৰে উল্লিখিত গীত-পদসমূহ প্ৰৱহমান।

অনুষ্ঠান নিৰপেক্ষ ধৰ্মীয় ধাৰাৰ গীতপদসমূহ হ'ল– টোকাৰী গীত, দেহবিচাৰৰ গীত, কামৰূপ আৰু গোৱালপাৰা অঞ্চলত প্ৰচলিত ধৰ্মীয় লোকগীত আদি।

অনুষ্ঠান নিৰপেক্ষ তথা ধৰ্মনিৰপেক্ষ ধাৰাৰ গীত— ধাইনাম বা নিচকণি গীত, ওমলা গীত, বাৰমাহী গীত, নাঙেলী গীত, বিভিন্ন প্ৰকাৰৰ ঝুনা আৰু বিভিন্ন প্ৰকাৰৰ বেলাড, মায়ামৰীয়া ৰণুৱাৰ গীত ইত্যাদি। আনহাতে নাওখেলৰ গীত, ঢোলৰ মালিতা আদিত ধৰ্মীয় আৰু ধৰ্ম নিৰপেক্ষ দুয়োটা ৰূপেই বিদ্যমান।

**কামৰূপী আৰু গোৱালপৰীয়া লোকগীত ঃ**

ধৰ্মীয় ধাৰাৰ বিপৰীতে ভালেমান লৌকিক বিষয়ৰ গীত কামৰূপ আৰু গোৱালপাৰা অঞ্চলত প্ৰচলিত হৈ আছে। সেইবোৰেই এই শ্ৰেণীৰ গীত। উদাহৰণ-

**কামৰূপী—**

*'অ তেজীমলা মাহী আই নিৰ্দয়*
*ঢেঁকীৰে খুন্দিলে দেহা.....'*
*'অ' যায় কন্যা গৃহক তেজিয়া*
*পিতৃ-মাতৃক প্ৰণাম কেৰ কান্দিয়া কান্দিয়া।....'*

**গোৱালপৰীয়া—**

*'অ কি অ' কন্যা*
*হস্তে কদমেৰ ফুল*
*তিনকন্যা জলে যায়*
*কাৰবা কেমন ৰূপ কন্যাৰে*
- - - - - - -
*'তোমৰা গেলে কি আসিবেন মোৰ মাহুত বন্ধুৰে..........'*
- - - - - - -
*'আকাশতে নাইৰে চন্দ্ৰ তাৰা কেমন জ্বলে*
*যি নাৰীৰ পুৰুষ নাই ৰে ৰূপে কি কাম কৰে সখীত.....'* ইত্যাদি

**নিচুকণি গীত বা ধাইনাম ঃ**

ছান্দসিক শব্দ-গুঞ্জনৰ প্ৰতি গভীৰ অনুৰাগ শিশুসকলে জন্মগত ভাৱেই লাভ কৰে। সুৰৰ যাদুৰে কৰা তাৰ সাংগীতিক পৰিবেশনা আকৌ-শিশুৰ বাবে অধিক ৰমণীয় আৰু মোহনীয় হৈ পৰে।এই সত্যৰ ভেটিতেই শিশুৰ বাবে যি শ্ৰেণীৰ গীতি সাহিত্যৰ সৃষ্টি হ'ল তাকেই 'নিচুকণি গীত' বোলে। শিশু ওমলাবলৈ ধাই (ধাত্ৰী) সকলে সাধাৰণতে এনেবোৰ গীত গাই বাবে ইয়াক 'ধাইনাম' বুলিও অভিহিত কৰা হয়। অৱশ্যে 'ধাইনাম' অভিধাটো অতি অৰ্বাচীন। ইংৰাজী 'Nurseary rhyme' অৰ প্ৰতিৰূপ হিচাপে 'ধাইনাম' (Nurse=ধাই) শব্দটোৰ সৃষ্টি হোৱা বুলি নৰকান্ত বৰুৱাই 'অসমীয়া লোক-কবিতাৰ সৌন্দৰ্য-বিচাৰ' গ্ৰন্থত উল্লেখ কৰিছে। নিচুকণি গীত বা ধাইনামৰ মূল উদ্দেশ্য হৈছে–

(১) কান্দি থকা অশান্ত শিশুক শান্ত কৰোৱা

(২) শুৱাবৰ সময়ত আমনি কৰা শিশুৰ টোপনি অনোৱা আৰু

(৩) মনোৰঞ্জৰ বাবে শিশু ওমলোৱা

মনোৰঞ্জনৰ বাবে শিশু ওমলোৱা গীতবোৰ সাধাৰণতে ক্ৰিয়াত্মক। অৰ্থাৎ শিশুক জোঁকাৰি বা অংগ সঞ্চালন কৰাই কিম্বা নচুৱাই এইবোৰ গীত গোৱা হয়।

ছন্দ-অলংকাৰ আৰু ব্যংগ-ব্যঞ্জনাৰ সুষম প্ৰয়োগেৰে লোককবিসকলে মৌখিকভাৱে ৰচনা কৰা এই গীতবোৰৰ কাব্যিক সৌন্দৰ্য অতি মনোৰম আৰু ইয়াৰ সাংস্কৃতিক মূল্যও অতি উচ্চ মানৰ। একোখন কাল্পনিক জগতৰ বৰ্ণিল বৰ্ণনা, ভৱিষ্যতৰ সোণালীসপোন, কল্পনা আৰু বাস্তৱৰ বিবিধ উপাদান সম্পৰ্কীয় বিচিত্ৰ বিষয় নিচুকণি গীতৰ কথা-বস্তুত পোৱা যায়। উদাহৰণ–

*'কাণখোৱা এ নাহিবি ৰাতি*
*তোৰে কাণে-কাটি লগামে বাতি*
*চাকি নুমাল বাঁতি নুমাল*
*বাপাই দেখে আন্ধাৰ*
*দুৱাৰ মুখেত বহি আছে*
*ভকোলু মুৱা বান্দৰ।'*

\- - - - - - - - -

*'আমাৰে মইনা শুব এ*
*বাৰীতে বগৰী ৰুব এ*
*বাৰীৰে বগৰী পকি সৰিব*
*মইনাই বুটলি খাব।'*

\- - - - - - - - - -

*টোপনি টোপনি অ' আই টোপনি*
*টোপনিৰ কলতলত ঘৰ,*
*আইক নধৰিবি বাইক নধৰিবি*
*মইনাৰ চকুতে ধৰ।'*

\- - - - - - - - - - - - - - -

*'ভাটিক্‌টি টিটিকা*
*পোৰা মাছৰ পিটিকা........*
*টিন্‌তৌ মালি বান্দৰপোৱালি*
*বাঢ়েটোকাই লৈ যায় পোকৰ / টিকা জোঁকাৰি।'*

*'শিয়ালী এ নাহিবি ৰাতি*
*তোৰে কাণে কাটি লগামে বাঁতি*
*শিয়ালী মূৰৰে সৰুৱা ফুল*
*শিয়ালী পালেগৈ ৰতনপুৰ*
*শিয়ালীৰ মাকৰ তিনডাল চুলি*
*শিয়ালে লৈ গ'ল বোকোচাত তুলি।'*

\- - - - - - - - - - - - -

*'মোৰ বোপাই ধুনীয়া ধলপাটৰ চুৰিয়া*
*মুৰতে সৰুদৈয়া জাপি,*

*বাটৰ বাটৰুৱাই বৈ বৈ সুধিব*
*কোন ডাঙৰীয়াৰ নাতি।'*
\- - - - - - - - - - - - -
*'লাই হালে জালে আবেলি বতাহে*
*লফা হালে জালে জালে পাত,*
*আমাৰে মইনা   হালিছে জালিছে*
*কালি দুপৰৰে ভাত।'*
\- - - - -  - - - - - -
*'আইবাই লোণে মাছে ভাত খায়.........*
*আইঘৰৰ মেকুৰী বাইঘৰলৈ যায়*
*ঢাকোন পেলাই পঁইতাভাত চুৰ কৰি খায়।'* ইত্যাদি

শিশুৱে নিজে উমলিব পৰা হোৱা বয়সত যিবোৰ গীত ক্রিয়াত্মক ৰূপত গাই খেল-ধেমালি কৰে সেইবোৰক 'ওমলা গীত' বোলা হয়। (১) 'ইৰিকতি-মিৰিকতি বাঁহৰ শলা.........'; (২) আলৌগুটি তলৌগুটি কচুগুটি ঘাই........; (৩) হৈ গুদু মাৰলি বামুণৰ পোৱালী.......'; 'উপেন্‌টি বাইচ্‌কুল ৰাইটেন্ তেইচ্‌কুল........' ইত্যাদি 'ওমলা গীত'ৰ নিদর্শন।

**মালিতা ঃ**

মালিতা হ'ল সাংগীতিক ৰূপত পৰিবেশিত হোৱা একোটা স্বয়ং সম্পূর্ণ কাব্য-কাহিনী। লোক-কবিৰ দ্বাৰা মৌখিক ভাৱে ৰচিত আৰু মৌখিকভাৱে প্রচলিত এই শ্রেণীৰ গীতি-সাহিত্যক বুজাবলৈ মালিতাৰ উপৰি 'কাহিনী-কাব্য' আৰু 'আখ্যানমূলক গীত' ৰূপ দুটাও প্রয়োগ কৰা হয়। ইয়াত ইংৰাজী কাব্য-কাহিনীৰ প্রাচুর্য মনকৰিবলগীয়া। বিষয়-বস্তুৰ উৎস অনুসৰি তিনি প্রকাৰে এই মালিতাসমূহৰ শ্রেণীবিভাগ তলত দিয়াৰ দৰে কৰিব পাৰি। যেনে–

(১) কিংবদন্তি বা জনশ্রুতিমূলক
(২) বুৰঞ্জীমূলক বা ঐতিহাসিক আৰু
(৩) কাল্পনিক

কিংবদন্তিমূলক মালিতাসমূহৰ ভিতৰত 'ফুলকোঁৱৰৰ গীত', 'মণি কোঁৱৰৰ গীত', 'কমলা কুঁৱৰীৰ গীত', 'জনা গাভৰুৰ গীত','কন্যাবাৰমাহী গীত', 'দুবলা শান্তিৰ গীত', 'লীলাৱতীৰ গীত', 'জনাগাভৰুৰ গীত' আদিয়েই প্রধান।

বুৰঞ্জীমূলক মালিতাসমূহৰ ভিতৰত উল্লেখযোগ্যসমূহ হ'ল– নাহৰ ডেকাৰ গীত, চিকন সৰিয়হৰ গীত, জয়মতী কুঁৱৰীৰ গীত, বদন বৰফুকনৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, মণিৰাম দেৱানৰ গীত, দলিপুৰাণ আদি।

কাল্পনিক মালিতাসমূহৰ নিদর্শন হ'ল— কোঢ়াপখীৰ জন্ম কথা, ঢোল বাদ্যৰ জন্ম কথা, কাঞ্চনমতীৰ বিয়া আদি। এইবোৰ সাধাৰণতে উজনি অসমৰ ঢুলীয়া ওজাই পৰিবেশন কৰা গীত।

### ১.৩.২ লোককথা ঃ

গদ্য ৰূপত পোৱা মৌখিক সাহিত্যৰ ধাৰাটোকে ‘লোক-কথা’ বোলে। অসমীয়া মৌখিক সাহিত্যত এনে ‘লোক-কথা’ প্ৰচুৰ। ‘লোক-কথা’ শব্দটোৰ বিকল্প হিচাপে অসমীয়াত ‘সাধুকথা’ শব্দটোও ব্যৱহাৰ কৰা হয়। এই সাধুকথাবোৰে অসমীয়া লোকসাহিত্যক যুগ যুগ ধৰি বৈশিষ্ট্য আৰু বৈচিত্ৰ্য প্ৰদান কৰি আহিছে। অসমৰ বিভিন্ন জনগোষ্ঠীয় ভাষাসমূহতো অনেক সাধুকথাৰ প্ৰচলন আছে। লোক-সংস্কৃতিৰ গৱেষণাৰ বেলিকা এই সাধুকথাবোৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। কাৰণ লোকজীৱনৰ ভাব-কল্পনা, জ্ঞান-অভিজ্ঞতা, বিশ্বাস-অবিশ্বাস, মনস্তাত্ত্বিক ধ্যান-ধাৰণা আদি বিভিন্ন তথ্য সাধুকথাসমূহত বিধৃত হৈ থাকে। সাধুকথাবোৰক লক্ষ্মীনাথ বেজবৰুৱাই ‘জাতীয় জীৱনৰ সামগ্ৰিক পৰিচয়ৰ বাবে অতি লাগতিয়াল’ বুলি ‘বুঢ়ী আইৰ সাধু’ৰ পাতনিত উল্লেখ কৰিছে।

সাধুকথাবোৰত এটি স্বয়ংসম্পূৰ্ণ কাহিনী থাকে। অলৌকিকতা ভালেমান সাধুকথাৰ এৰাব নোৱাৰা বিষয়। মানৱ সমাজৰ সাধুতা, অসাধুতা, মানৱীয়তা, দানবীয়তা, উদাৰতা, স্বাৰ্থন্ধতা আদি প্ৰায় সকলো দিশ সাধুকথাবোৰৰ ঘাই উপজীব্য। কোনো কোনো সাধুকথাত হাস্যৰসেও প্ৰাধান্য পায়। অসমীয়া জনসমাজত পুৰুষানুক্ৰমে প্ৰচলিত হৈ অহা তেনে কিছুমান সাধুকথাকে সংগ্ৰহ কৰি বেজবৰুৱাই ‘বুঢ়ী আইৰ সাধু’ যুগুত কৰিছিল। ‘ভাল কামৰ ভাল ফল আৰু বেয়া কামৰ বেয়া ফল’ প্ৰদৰ্শনৰ লগতে নৈতিক শিক্ষা প্ৰদান কৰাই সাধুকথাসমূহৰ মূল লক্ষ্য।

### ১.৩.৩ ফকৰা, যোজনা আৰু প্ৰবচন ঃ

ফকৰা, যোজনা আৰু প্ৰবচন অসমীয়া লোকসাহিত্যৰ অতি মূল্যবান সম্পদ। কিছু সূক্ষ্ম পাৰ্থক্য থাকিলেও এই তিনিও বিধ প্ৰায় সমধৰ্মী মৌখিক সমল। বিভিন্ন স্থান আৰু বিভিন্ন কালক প্ৰতিনিধিত্ব কৰা জনসমাজৰ জ্ঞান-অভিজ্ঞতা, ৰুচি-অভিৰুচি, আচাৰ-বিচাৰ, নীতি-আদৰ্শ আদি ফকৰা, যোজনা আৰু প্ৰবচনবোৰৰ মাজেদি প্ৰতিফলিত হৈ আহিছে। আনহাতে ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, ধৰ্মনীতি, কৃষি-বাণিজ্য, শিল্প, উদ্যোগ, গৃহস্থালি, মিতিৰালি, আচাৰ-আচৰণ আদি বিষয়ত জ্ঞানগৰ্ভ নিৰ্দেশ, উপদেশ এইবোৰৰ মাজত পোৱা যায়।

যিবিলাক যোজনাত সাঁথৰধৰ্মী পাৰমাৰ্থিক অৰ্থবাহক বিষয় উপস্থাপন কৰা হয় তাকে ‘ফকৰা’ বোলে। প্ৰথম দৃষ্টিত ইয়াৰ অৰ্থ অনুধাৱন কৰা কঠিন; যেনে– ‘আলহী আহিব বহিব শিলত/ তামোল পাণ খুজিলে মাৰিবা কিলত’। ইয়াত আলহীৰ অৰ্থ ‘ছয় ৰিপু’। সেইদৰে ‘বাৰ হাত জালৰ তেৰ হাত ফটা/ ভাল মাৰিলি বাপৰ বেটা/ বৌ-বৰালী সৰকি গ’ল/ পুঠি-খলিহনা পাহে পাহে ৰ’ল।’ ইয়াত ‘বাৰহাত জালৰ তেৰ হাত ফটা’ মানে অধিক ছিদ্ৰযুক্ত বিষয় থকা বাৰস্কন্ধ ভাগৱত; ‘বাপৰ বেটা’ হ’ল ভাগৱত অনুবাদকাৰী শংকৰদেৱ; ‘বৌ-বৰালী’ মানে ডাঙৰ ডাঙৰ পণ্ডিত আৰু ‘পুঠি-খলিহা’ হ’ল সমাজৰ সৰু সৰু নিৰক্ষৰ মানুহ।

একোটা বিশেষ পৰিস্থিতি বা বিষয়বস্তুৰ তুলনা বা ৰিজনি দিবলৈ ব্যৱহাৰ কৰা সাহিত্য গুণ-সম্পন্ন বাক্‌ভংগীয়েই হ'ল 'যোজনা' বা 'পটন্তৰ'। যেনে– 'আইৰো বাৰ্তা/ গংগাৰো যাত্ৰা'। 'ভবা কথা নহয় সিদ্ধি/ বাটত আছে কণা বিধি।', 'মাজ মূৰত নাই চুলি/ পৈয়েকে মাতে ৰূপহী বুলি', 'আদাক দেখি উঠিল গা/ কেতুৰীয়ে বোলে মোকো খা' ইত্যাদি।

প্ৰজ্ঞা আৰু অভিজ্ঞতাৰ কলাত্মক প্ৰকাশেই প্ৰবচন। প্ৰবচনবোৰতো বিভিন্ন বিষয়-বস্তুৰ সমাবেশ থাকে। উদাহৰণ– 'আইৰ সমান হ'ব কোন/ নৈৰ সমান ব'ব কোন', 'যি কৰে পৰত, সি মিলে ঘৰত', 'মাকে চাই মুখলৈ, তিৰীয়ে চাই হাতলৈ', 'অতি দৰ্পে হত লংকা' ইত্যাদি।

## ১.৪ সাৰাংশ

■ লিপি বা আখৰ সৃষ্টিৰ আগৰে পৰা মানুহে মনৰ ভাৱ-অনুভূতি কলাত্মকৰূপত প্ৰকাশ কৰাৰ উদ্দেশ্যেৰে আপোন ভাষাৰ মাধ্যমেৰে মুখে মুখে গীত-পদ, ফকৰা-যোজনা, কথা-কাহিনী আদি ৰচনা কৰি আহিছে। সেইবোৰেই হ'ল মৌখিক সাহিত্য।

■ লোকজীৱনৰ সুখ-দুখ, আনন্দ-বিষাদ, প্ৰেম-বিৰহ, ধৰ্ম-দৰ্শন, জীৱন-জীৱিকা আদি বিষয়বস্তুৰে অনাখৰী লোককবিয়ে ৰচনা কৰা বাবে মৌখিক সাহিত্যক লোক সাহিত্যও বোলে।

■ পৰম্পৰাগত লোকবিদ্যা আৰু লোকপ্ৰজ্ঞাৰ ভেটিত লোক ভাষাৰ মাধ্যমেৰে লোকজীৱনত গঢ় লৈ উঠা বাচিক কলাই মৌখিক সাহিত্য বা লোকসাহিত্য।

■ মৌখিক সাহিত্য প্ৰধানতঃ দুই প্ৰকাৰৰ– গদ্য আৰু পদ্য। ছন্দহীন ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰা কথা-কাহিনী আদিয়েই গদ্য আৰু ভাৱ-অনুভুতিসহ বৰ্ণনীয় বিষয়বস্তুৰ ছন্দোবদ্ধ প্ৰকাশেই গদ্য।

■ অসমীয়া সংস্কৃতিৰ বৰঘৰ মৌখক লোকসাহিত্যৰ বিপুল সম্ভাৰেৰে পৰিপূৰ্ণ। লোককথা অৰ্থাৎ মৌখিক গদ্য ৰূপত আৰু লোক কবিতা অৰ্থাৎ মৌখিক গীত-পদৰ ৰূপত যুগ যুগ ধৰি ইয়াৰ পৰম্পৰা নিছিগাধাৰেৰে বৈ আহিছে।

■ অসমীয়া মৌখিক গীতিসাহিত্যসমূহ ঘাইকৈ দুই শ্ৰেণীৰ– অনুষ্ঠানমূলক আৰু অনুষ্ঠান নিৰপেক্ষ। আনহাতে এইসমূহ দুটা ধাৰাৰে প্ৰৱহমান এটা হৈছে ধৰ্মীয় ধাৰা আৰু আনটো হৈছে ধৰ্মনিৰপেক্ষ ধাৰা।

## আত্মমূল্যায়নৰ সম্ভাব্য প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন ১ ঃ**

পৰম্পৰাগত লোকবিদ্যা আৰু লোকপ্ৰজ্ঞাৰ ভেটিত লোকভাষাৰ মাধ্যমেৰে লোকজীৱনত গঢ় লৈ উটা বাচিক কলাই হৈছে মৌখিক সাহিত্য। ইয়াক লোকসাহিত্যও বোলা হয়।

## অনুশীলনী- ২

**(১) চমুকৈ প্ৰকাশ কৰা—**

(ক) মৌখিক সাহিত্য কাক বোলে ?

(খ) মৌখিক সাহিত্যৰ সংজ্ঞা কি ?

(গ) অসমীয়া মৌখিক সাহিত্য কোনবোৰ ?

**(২) বহলাই লিখাঁ (৫০০ মান শব্দৰ ভিতৰত)**

(ক) মৌখিক সাহিত্যৰ প্ৰকাৰ ভেদ সম্পৰ্কে আলোচনা কৰাঁ।

(খ) অসমীয়া মৌখিক সাহিত্য বিষয়ক এটি আলচ যুগুত কৰাঁ।

### *অধ্যয়ন কৰিবলগীয়া প্ৰাসংগিক গ্ৰন্থপঞ্জী*


(১) অসমৰ লোক-সাহিত্য - শশী শৰ্মা

(২) অসমীয়া লোক-সাহিত্য - সম্পাদনাঃ ড০ প্ৰহ্লাদ কুমাৰ বৰুৱা

(৩) অসমৰ লোক সংস্কৃতি - ড০ নিৰ্মলপ্ৰভা বৰদলৈ

(৪) অসমীয়া লোক সংস্কৃতিৰ আভাস - ড০ নবীন চন্দ্ৰ শৰ্মা

(৫) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত- ড০ সত্যেন্দ্ৰ নাথ শৰ্মা

(৬) অসমীয়া সাহিত্যৰ ৰূপৰেখা - ড০ মহেশ্বৰ নেওগ

# গোট - ৩
# চৰ্যাপদ

**গঠন ঃ**

৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা

৩.২ চৰ্যাপদৰ পৰিচয়

৩.২.১ চৰ্যাপদৰ বিষয়বস্তু

৩.২.২ চৰ্যাপদৰ ভাষা

৩.২.৩ চৰ্যাপদৰ দৰ্শন

৩.২.৪ চৰ্যাপদৰ সাংগীতিক ৰূপ

৩.৩ সাৰাংশ

## ৩.০ উদ্দেশ্য

এই গোটটি পঢ়াৰ পিছত তোমালোকে –

- চৰ্যাপদ সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিবা।
- চৰ্যাপদৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- চৰ্যাপদৰ ভাষা সম্পৰ্কে ধাৰণা ল'ব পাৰিবা।
- চৰ্যাপদৰ দৰ্শন সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিবা।
- চৰ্যাপদৰ সাংগীতিক ৰূপ সম্পৰ্কে নিজস্ব ব্যাখ্যা দাঙি ধৰিবা পাৰিবা।

### ৩.১ প্ৰস্তাৱনা

তোমালোকে ইতিমধ্যে আগৰ গোটত 'অসমীয়া সাহিত্যৰ যুগ বিভাজন' আৰু 'অসমীয়া লোক-সাহিত্যৰ' পৰিচয় লাভ কৰিলা। এইটো গোটত তোমালোকে চৰ্যাপদ সম্পৰ্কে ধাৰণা লাভ কৰিবা।

চৰ্যাপদসমূহক অসমীয়া সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন বুলি ধৰা হয়। চৰ্যাপদ বা চৰ্যাগীতসমূহ হ'ল তান্ত্ৰিক বৌদ্ধধৰ্মৰ সহজযান শাখাৰ গুপ্ত সাধন বিষয়ক গীত। চৰ্যাসমূহৰ ৰচনাকাল খৃষ্টীয় হৈছে। বৌদ্ধ সহজীয়া সিদ্ধাচাৰ্যসকলে এই চৰ্যাগীতসমূহ ৰচনা কৰিছিল। চৰ্যাপদৰ ৰচয়িতাসকলৰ বহুকেইজন কামৰূপ অঞ্চলৰ আছিল বাবে চৰ্যাপদত প্ৰাচীন অসমীয়া সমাজ আৰু ভাষাৰ প্ৰভাৱ পৰিছিল।

### ৩.২ চৰ্যাপদৰ পৰিচয়

চৰ্যাপদ হ'ল তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ সহজযান শাখাৰ গুপ্ত সাধন-পদ্ধতি বিষয়ক ৰচনাৰে সমৃদ্ধ এক আপুৰুগীয়া সাহিত্য সম্পদ। তত্ত্ব দৰ্শন, ধৰ্ম সংস্কৃতি, সংগীততত্ত্ব, সাহিত্যতত্ত্ব আৰু ভাষাতত্ত্বৰ ঐতিহাসিক বিচাৰ-বিশ্লেষণত এই গ্ৰন্থৰ গুৰুত্ব অপৰিসীম। কোনো কোনো পণ্ডিতৰ মতে এই গ্ৰন্থখন হ'ল খৃষ্টীয় সপ্তমৰ পৰা নৱম শতিকাৰ ভিতৰত আৰু আন কোনো পণ্ডিতৰ মতে দশম শতিকাৰ পৰা চতুৰ্দশ শতিকাৰ ভিতৰত ৰচিত ৮৪ জন বৌদ্ধ সিদ্ধাচাৰ্যৰ গীত পদৰ একত্ৰ সংকলন। এই সংকলিত গ্ৰন্থখনত ব্যৱহৃত ভাষা প্ৰত্ন অসমীয়া ভাষাৰ বিৰল নিদৰ্শন। বঙলা, উৰিয়া, মৈথিলী, হিন্দী আদি ভাষাৰ পণ্ডিতবৰ্গই চৰ্যাগীতৰ ভাষাক নিজ নিজ ভাষাৰ প্ৰাচীনতম নিদৰ্শন বুলি দাবী কৰি আহিছে যদিও অসমীয়া ভাষাৰ সৈতেহে ইয়াৰ ৰূপতাত্ত্বিক আৰু ধ্বনিতাত্ত্বিক সাদৃশ্য অধিক বুলি ভাষাবিদসকলে স্বীকাৰ কৰে।

নেপালৰ ৰাজকীয় গ্ৰন্থাগাৰৰ পৰা ১৯০৪ চনত বংগৰ বিশিষ্ট পণ্ডিত মহামহোপধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে অন্যান্য গ্ৰন্থৰ লগতে 'চৰ্যাচৰ্যবিনিশ্চয়' নামৰ গ্ৰন্থখনো সংগ্ৰহ কৰি আনিছিল। পিচত ১৯১৬ চনত 'হাজাৰ বছৰেৰ পুৰাণ বাংলা ভাষাই বৌদ্ধ গান ও দোহা' নামৰ সংকলনত সন্নিবিষ্ট কৰি প্ৰকাশ কৰে। প্ৰকাশক আছিল বংগীয় সাহিত্য পৰিষদ। 'চৰ্যাচৰ্য বিনিশ্চয়'ৰ অৰ্থ হ'ল– চৰ্যাপদৰ গূঢ় অৰ্থ নিৰূপণ। ('চৰ্যাচৰ্য বিনিশ্চয়' বিকল্প হিচাপে 'চৰ্যাশ্চৰ্য বিনিশ্চয়' ৰূপটোও গ্ৰহণযোগ্য বুলি ধৰা হয়)। এইখন প্ৰকৃততে এখন 'বৃত্তি' বা 'টীকা' সম্বলিত পুথিহে। মূল পুথিখনৰ নাম আছিল 'চৰ্যাগীতিকোষ'। 'চৰ্যাচৰ্য বিনিশ্চয়'ত ইয়াৰ গীতসমূহ 'বৃত্তি'সমূহৰ মাজে মাজে সন্নিৱিষ্ট কৰা হৈছে।

তান্ত্ৰিক বৌদ্ধ ধৰ্মীয় পৰম্পৰাৰ সহজযান পন্থত গুপ্ত সাধন তন্ত্ৰৰ গুৰুত্ব অধিক। সহজীয়া পন্থৰ চৰ্যাগীতবোৰ সেয়েহে তেনে গূঢ়তত্ত্ব সম্বলিত বিষয়বস্তুৰ আধাৰত ৰচিত। অতি গোপন তান্ত্ৰিক সাধনাৰ লগত জড়িত এই গীতসমূহৰ ভাৱ

আৰু ভাষা সেয়েহে ৰহস্যময় আৰু ইংগিতধৰ্মী। প্ৰত্যেকটো চৰ্যাগীতৰ বাহ্যিক অৰ্থ দেখাত সহজবোধ্য হ'লেও ইয়াৰ গূঢ়াৰ্থ বুজা সহজসাধ্য নহয়।

চৰ্যাপদত ৪৬টা পূৰ্ণাংগ আৰু এটি খণ্ডিত গান বা দোহা অন্তৰ্ভুক্ত কৰা হৈছে। এইবোৰৰ ৰচয়িতাৰ সংখ্যা মুঠ ২৪ জন। এই ২৪ জন ব্যক্তি আকৌ তিব্বত আৰু নেপাল দেশত থকা মহাযানী বৌদ্ধ সম্প্ৰদায়ৰ দ্বাৰা পূজ্য ৮৪ জন সিদ্ধ পুৰুষৰ ভিতৰুৱা। এইসকলৰ মাজৰ মীননাথ, মৎস্যেন্দ্ৰনাথ, লুইপা (লৌহিত্যপাদ) আৰু সৰহপা প্ৰাচীন কামৰূপৰ বাসিন্দা আছিল বুলি থকা প্ৰসিদ্ধিৰ লগতে তথ্য প্ৰমাণো পোৱা গৈছে।

### ৩.২.১ চৰ্যাপদৰ বিষয়বস্তু

অসমীয়া সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন বুলি ধৰা চৰ্যাগীতসমূহ হ'ল - তান্ত্ৰিক বৌদ্ধধৰ্মৰ সহজযান শাখাৰ গুপ্ত সাধন বিষয়ক গীত। চৰ্যাসমূহৰ ৰচনাকাল খৃষ্টীয় অষ্টম শতিকামানৰ পৰা দশম-একাদশ শতিকা বুলি অনুমান কৰা হৈছে। বৌদ্ধ সহজীয়া সিদ্ধাচাৰ্যসকলে চৰ্যা বা দোহাসমূহ ৰচনা কৰি তাৰ মাজেৰে ধৰ্মীয় তত্ত্বসমূহ ৰচনা কৰিছিল।

যোগ সাধনাৰ মাধ্যমেৰে সৎগুৰুৰ সহচৰ্যত মহাসুখ লাভৰ উপায় বৰ্ণনাই চৰ্যাপদৰ মূল বিষয়বস্তু। মহাসুখ লাভ কৰিলে জাগতিক দুখৰ পৰা হাত সাৰি থাকিব পাৰি ই বৌদ্ধধৰ্মৰ মহাসুখবাদ তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত সংসাৰৰ দুখ নিৰাময় কৰিব পাৰিলেহে নিৰ্বাণপ্ৰাপ্ত হয়। জীৱই জগতত থাকিও 'পৰম জ্ঞান' লাভ কৰি জাগতিক মোহৰ কাৰণ 'অবিদ্যা' ধ্বংস কৰিব পৰা যায় বুলি বৌদ্ধধৰ্মই কৈছে।

বৌদ্ধধৰ্মত কায়তত্ত্বত বিশ্বাস কৰা হৈছে। এইকায়ৰপৰা বুদ্ধি চিত্তৰ উৎপত্তি হয়। ই শাশ্বত। কিন্তু অবিদ্যাৰ মোহত পৰি ই বস্তুচিত্তত পৰিদৃশ্য হয়। পিছত মোহ মুক্ত হলে ধৰ্ম কায়ত লীন হয়। বৌদ্ধধৰ্মৰ মূল কথা হ'ল - জাগতিক দুখ নিৰোধ কৰি মহাসুখত লীন হোৱা। এই মহাসুখ বা নিৰ্বাণ লাভৰ উপায় বৰ্ণনাৰে বৌদ্ধ সহজীয়া সিদ্ধাচাৰ্যসকলে চৰ্যাপদসমূহ ৰচনা কৰিছে। বৌদ্ধ মতৰ সতে তান্ত্ৰিক আৰু অন্যান্য মত্তৰ সংমিশ্ৰণত দোহাসমূহ ৰচনা কৰি তাৰ মাজেৰে ধৰ্মীয় তত্ত্বসমূহ প্ৰচাৰ কৰিছে।

তান্ত্ৰিক বৌদ্ধধৰ্মৰ সহজযান শাখাৰ সাধকসকলে মহাসুখৰূপী আনন্দক তান্ত্ৰিক সাধনাৰ দেৱীৰ আসনত প্ৰতিষ্ঠা কৰিছে। এই দেৱীক তেওঁলোকে "নৈৰাত্মা" দেৱী বুলি কৈছে। মহাসুখ দেহৰ মাজতে থাকে। সংসাৰৰ মায়াত চিত্ত চঞ্চল হৈ থাকিলে এই দেৱীৰ কাষ চাপিব নোৱাৰি। কঠোৰ যোগ সাধনাৰ মাধ্যমেদি স্থিতপ্ৰত হ'ব পাৰিলেহে মহাসুখ লাভ কৰিব পাৰি। গুৰুমুখী এই সাধনমাৰ্গৰ প্ৰায়বোৰ চৰ্যাতে গুৰুৰ সহায় লৈ মহাসুখ লাভ কৰাৰ উপায় বৰ্ণনা কৰিছে।

উদাহৰণস্বৰূপে - দিঢ় কৰিঅ মহাসুহ পৰিমাণ (চৰ্যা-১)

লুই ভনই গুৰু পুচ্ছিঅ জাণ

বাটত মিলিল মহাসুহ সাঙ্গা (চৰ্যা - ৮)

চৰ্যাগীতসমূহৰ ভাৱ আৰু ভাষা ৰহস্যময় আৰু ইংগিতধৰ্মী। ইয়াৰ বাহ্যিক অৰ্থ সহজ হলেও গূঢ়াৰ্থ বুজা টান। সেয়েহে গুৰুৰ সহায় অবিহনে ইয়াৰ মৰ্ম উপলব্ধি কৰিব নোৱাৰি। নানান ৰূপক আৰু উপমাৰ সহায়ত নিৰ্বাণ লাভৰ উপায়সমূহ বৰ্ণনা কৰিছে।

### ৩.২.২ চৰ্যাপদৰ ভাষা

'চৰ্যাপদ প্ৰাচ্য অপভ্ৰংশৰ শেষস্তৰৰ ৰচনা অৰ্থাৎ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ ভেদি নব্য ভাৰতীয় আৰ্যভাষাই স্বকীয় ৰূপ পৰিগ্ৰহ কৰাৰ পূবভাৰতৰ পূৰ্বৱৰ্তী কালৰ ভাষাটোৱেই চৰ্যাপদৰ ভাষা। সেয়েহে বঙলা, উৰিয়া, মৈথিলী আদিৰ ভাষাৰ সৈতে ইয়াৰ সাদৃশ্য সততে প্ৰত্যক্ষ কৰা যায়। কোনো কোনো ইতিহাসবিদ আৰু পণ্ডিতব্যক্তিয়ে ধাৰণা কৰা মতে সেইকালত বৌদ্ধ সিদ্ধাচাৰ্যসকলে সাহিত্য সৃষ্টিৰ বাবে পূবভাৰতত প্ৰচলিত কথিত ভাষাসমূহৰ আধাৰত এটা উমৈহতীয়া ভাষা প্ৰস্তুত কৰি লৈছিল আৰু সেইবাবেই বিভিন্ন আঞ্চলিক ভাষাৰ বৈশিষ্ট্য ইয়াত বিদ্যমান। ৰচয়িতাসকলৰ বহুকেইজন কামৰূপ অঞ্চলৰ আছিল বাবে চৰ্যাপদত প্ৰাচীন অসমীয়া ভাষাৰ অধিক প্ৰভাৱ পৰাটো নিতান্তই স্বাভাৱিক।

চৰ্যাপদসমূহত এক প্ৰহেলিকা ধৰ্মী ভাষা ব্যৱহাৰ কৰা হৈছে। গুপ্ত সাধন-মাৰ্গৰ সদস্যৰ বাদে আনমানুহে বুজিব নোৱাৰাকৈ ইয়াৰ ভাষাত ইচ্ছাকৃতভাৱে জটিলতা প্ৰয়োগ কৰা হৈছে। 'কাৰণ সেই ভাষা সাংকেতিক, প্ৰতীকী ভাষা, যাৰে তাৰে বাবে নহয়; সি বোবা গুৰুৱে কলা-শিষ্যক বুজোৱা কিছুমান ইংগিত মাত্ৰ। মহামহোপধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে ইয়াক সন্ধ্যা ভাষা, সন্ধ্যা বচন বা সন্ধ্যা সংকেট বুলি নামকৰণ কৰিছে। এই ভাষাৰ মৰ্মাৰ্থ হৃদয়ংগম কৰিবলৈ গভীৰ অনুধ্যানৰ প্ৰয়োজন হয় বাবে বৃত্তিকাৰে তেনেদৰে ব্যক্ত কৰিছে। সন্ধ্যা ভাষাত একোটা শব্দৰ অভিধা অৰ্থৰ সলনি ৰচয়িতাৰ অভিপ্ৰেত অৰ্থ প্ৰতীকাত্মক ৰূপত প্ৰকাশ পায়। যেনে– 'দুলি'ৰ আভিধানিক অৰ্থ হ'ল 'মাইকী দুৰা কাছ'। কিন্তু ইয়াৰ অভিপ্ৰেত প্ৰতীকাত্মক অৰ্থটো হ'ল 'মহাসুখ কমল' বা 'উষ্ণীয় কমল'। সেইদৰে 'শুণ্ডিনী' মানে 'মাইকী হাতী' বা 'হস্তিনী'। কিন্তু ইয়াৰ প্ৰতীকাত্মক অৰ্থটো হ'ল শুঁড়ী তিৰোতা অৰ্থাৎ সুৰা বিলনীয়া মহিলা। ডোম্বী (ডোম্বৰ তিৰোতা), চণ্ডালী (চণ্ডালৰ তিৰোতা) আৰু শবৰী (শবৰৰ তিৰোতা) শব্দই সন্ধ্যা ভাষাত নিজা অৰ্থ পৰিহাৰ কৰি 'শুদ্ধাৱধৃতিকা' 'নৈৰাত্মা দেৱী'ক বুজায়। এইভাৱে কেতিয়াবা স্পষ্টৰূপক আৰু অস্পষ্ট প্ৰতীকী ভাষাৰে আপ্তজন গ্ৰাহ্যৰূপে ধৰ্মতত্বৰ ব্যাখ্যা কৰা হৈছে।

### ৩.২.৩ চৰ্যাপদৰ দৰ্শন

বৌদ্ধধৰ্মৰ মূল দৰ্শন হৈছে নিৰ্বাণ লাভ। জাগতিক দুখ নিৰোধ কৰি মোক্ষ বা নিৰ্বাণ লাভ কৰাই মূল কথা। জগতত থাকিও কঠোৰ সাধনাৰ দ্বাৰা যেতিয়া বুদ্ধি চিত্ত স্থিৰপ্ৰাপ্ত হয় তেতিয়া ই দ্ৰব্যৰ দৰে কঠিন অভেদ্য আৰু অবিচল হয় আৰু অবিদ্যাৰ মোহ আঁতৰ হয়।

মহাযান ধৰ্মৰ মতবোৰৰ ভিতৰত দুটা মত প্ৰধানভাৱে উল্লেখযোগ্য। এটা হল নাগাৰ্জুন প্ৰৱৰ্তিত - "শূণ্যবাদ বা মাধ্যমিকবাদ", আৰু আনটো মৌত্ৰেয়ী অসংগ বসুবন্ধু প্ৰৱৰ্তিত - "বিজ্ঞানবাদ বা যোগচাৰবাদ" । এই প্ৰসিদ্ধ মতবাদ দুটাৰ মাজত যি প্ৰভেদ আছে, চৰ্যাপদৰ মাজত সেই প্ৰভেদ ৰক্ষিত হোৱা নাই। নাগাৰ্জুনৰ শূণ্যতত্ত্ব উপনিষদৰ শূণ্যতত্ত্বৰ লগত তুলনীয়। গতিকে বৌদ্ধৰ শূণ্যবাদ আৰু শংকৰাচাৰ্যৰ অদ্বৈতবাদৰ মাজৰ কোনো প্ৰভেদ নাই।

হিন্দুধৰ্মৰ বেদান্তদৰ্শনৰ মতে - নিৰ্বাণপ্ৰাপ্তি বা মোক্ষপ্ৰাপ্তিত আত্মাৰ লগত পৰমাত্মাৰ মিলন হয়। বৌদ্ধধৰ্মত প্ৰচাৰিত মূল মৰ্ম হিন্দু ধৰ্মৰেই নামান্তৰ। বৌদ্ধধৰ্মত আত্মা-পৰআত্মাৰ অস্তিত্ব স্বীকাৰ কৰি লোৱা নাই যদিও হিন্দুৰ 'পৰআত্মা' বৌদ্ধৰ শূণ্যতাত পৰিণত হৈছে আৰু 'জীৱাত্মা' 'কৰুপা'লৈ পৰ্যবেক্ষিত হৈছে।

বৌদ্ধধৰ্মৰ মতে - মোক্ষ বা নিৰ্বাণ লাভেই দুখ নিবাৰণৰ উৎকৃষ্ট উপায়। নিৰ্বাণৰ তাৎপৰ্য হল - "ই নিত্য, কৰুণা স্বভাৱ আৰু আনন্দময়"। চৰ্যাপদত মহাসুখৰ লগতে 'কৰুণা' আৰু 'শূণ্যতা'কো স্থান দিছে। বৌদ্ধ সহজীয়া ধৰ্মভিত্তিক চৰ্যাপদৰ কেন্দ্ৰবিন্দু হ'ল - "সাধনতত্ত্ব আৰু নিৰ্বাণপ্ৰাপ্তিৰ অভিলাষ। ই গুৰুমুখী। গুৰুৰ সহায় অবিহনে কোনো শিষ্যই সিদ্ধি লাভ কৰিব নোৱাৰে। ভালেমান চৰ্যাত উল্লেখ আছে যে যোগ সাধনাৰ দ্বাৰা সাধকৰ ভেদজ্ঞান আৰু দ্বৈতভাৱ নাশ হয়। এই স্তৰত যোগীয়ে স্থুলদেহ ত্যাগ কৰি বা অতিক্ৰম কৰি সুক্ষ্ম দেহত প্ৰৱেশ কৰে আৰু তেতিয়াই জগতত জৰা মৃত্যুৱে তেওঁক স্পৰ্শ কৰিব নোৱাৰে। তেওঁ এক বিকাৰশূণ্যভাবত নিমৰ্জিত হয়। অৰ্থাৎ মহাসুখৰ পুৰীত বিলীন হৈ যায়।

বৌদ্ধদেৱে আত্মা-পৰমাত্মাত বিশ্বাস নকৰি 'ধৰ্মকায়ত'হে বিশ্বাস কৰিছে। এই ধৰ্মকায় হৈছে শূণ্যতা। জাগতিক মোহ মুক্ত হব পাৰিলে 'ধৰ্মকায়'ত লীন হব পাৰি। বেদান্তৰ যিদৰে মোক্ষপ্ৰাপ্তি বোলা হৈছে ঠিক একেদৰে বৌদ্ধশাস্ত্ৰত নিৰ্বাণপ্ৰাপ্তি বোলা হয়। জাগতিক সুখ সৃষ্টিৰে মহাসুখ প্ৰতিস্থা কৰাই সহজযান পন্থাৰ মূল দৰ্শন।

বৌদ্ধ সহজীয়া পন্থৰ সাধন বিষয়ক চৰ্যাপদসমূহৰ বিষয়বস্তুৰ লগতে দাৰ্শনিক দিশ গভীৰ তত্ত্বসমৃদ্ধ। প্ৰতীক ধৰ্মী ভাষাৰে ৰচিত এই গীতসমূহ অসমীয়া ভাষা-সাহিত্যৰ আদি স্তৰৰ উল্লেখযোগ্য নিদৰ্শন। সাহিত্যিক দিশৰ পৰাও মূল্যবান চৰ্যাসমূহত প্ৰাচীন সমাজজীৱনৰো খণ্ডিত চিত্ৰ এখন পোৱা যায়। জীৱৰ দুখৰ কাৰণ হ'ল - 'মায়া' বা 'অবিদ্যা' জীৱই মুক্তি বা নিৰ্বাণ লাভ কৰিবৰ বাবে কঠোৰ সাধনাৰে আত্মজ্ঞান লাভ কৰিব লাগিব। বাসনাৰ নিবৃত্তি বা অহংভাবৰ বিলোপসাধনেই হৈছে নিৰ্বাণ প্ৰাপ্তি। সংসাৰৰ দুখ নাশ কৰা মহাসুখ লাভৰ উপায় বৰ্ণনা কৰি চৰ্যাপদসমূহ ৰচনা কৰা হৈছে।

আত্মমূল্যায়ন – ১

**চৰ্যাপদৰ ভাষা সম্পৰ্কে চমুকৈ লিখা।**

.................................................................................................................

.................................................................................................................

.................................................................................................................

.................................................................................................................

.................................................................................................................

### ৩.২.৪ চৰ্যাপদৰ সাংগীতিক ৰূপ

চৰ্যাপদসমূহ মূলতঃ গীত ৰূপে পৰিবেশন কৰিব পৰাকৈ ৰচিত হৈছিল। ‘চৰ্যাগীতি’ নামটোৱেও তাকেই সূচায়। একবিশেষ গায়নশৈলী বিশিষ্ট এই গীতবোৰত প্ৰত্যেকটোতে ৰাগৰ নাম উল্লেখ আৰু ভণিতাত ৰচকৰ নামৰ উল্লেখ থকাটো মনকৰিবলগীয়া কথা। গীতি সাহিত্য হিচাপেও চৰ্যাপদৰ মূল্য অপৰিসীম। ছন্দ অলংকাৰৰ সুষম প্ৰয়োগে আৰু শব্দচয়নৰ পৰিশীলিত ব্যৱস্থাই ইয়াক কলাত্মক ৰূপ দান কৰিছে। ইয়াৰ ছন্দই অপভ্ৰংশ আৰু মধ্য ভাৰতীয় আৰ্যভাষাৰ মাজৰ স্তৰ প্ৰতিফলিত কৰে। পিচৰকালৰ পয়াৰ বা ত্ৰিপদীৰ ৰূপ ইয়াত নাপালেও মাত্ৰাবৃত্তৰ পদানুকুলক ‘চউ-পই’ ছন্দ ধ্বনিত হৈছে। ছন্দ সৃষ্টিত অন্ত্যানুপ্ৰাস প্ৰয়োগে সোণত সুৱগা চৰাইছে। শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ স্বাভাৱিক সংযোগে চৰ্যাগীতসমূহক দান কৰিছে অধিক সুকুমাৰত্ব।

**সাৰাংশ ঃ**

- ‘চৰ্যাগীতি’ হ’ল তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ সহজযান শাখাৰ গুপ্ত সাধন পদ্ধতি বিষয়ক ৰচনাৰে সমৃদ্ধ এক আপুৰুগীয়া সাহিত্য সম্পদ।
- ইয়াত ব্যৱহৃত ভাষা প্ৰত্ন অসমীয়া ভাষাৰ বিৰল নিদৰ্শন।
- চৰ্যাপদত ৪৬ টা পূৰ্ণাঙ্গ আৰু এটি খণ্ডিত গান বা দোহা অন্তৰ্ভূক্ত কৰা হৈছে।
- বৌদ্ধ সিদ্ধাচাৰ্যসকলে সাহিত্য সৃষ্টিৰ বাবে পূৱভাৰতত প্ৰচলিত কথিত ভাষাসমূহৰ আধাৰতে এটা উমৈহতীয়া ভাষা প্ৰস্তুত কৰি লৈছিল আৰু সেইবাবেই বিভিন্ন আঞ্চলিক ভাষাৰ বৈশিষ্ট্য ইয়াত বিদ্যমান।
- মহামহোপধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে ইয়াক সন্ধ্যাভাষা, সন্ধ্যা বচন বা সন্ধ্যা সংকেট বুলি নামকৰণ কৰিছে।

**আত্মমূল্যায়নৰ সম্ভাব্য প্ৰশ্নোত্তৰ**

**আত্মমূল্যায়ন ১ ঃ**

'চৰ্যাপদ' প্ৰাচ্য অপভ্ৰংশৰ শেষ স্তৰৰ ৰচনা। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ ভেদি নব্য ভাৰতীয় আৰ্যভাষাই স্বকীয় ৰূপ পৰিগ্ৰহ কৰাৰ পূৰ্ব্ববৰ্তী কালৰ পূব-ভাৰতৰ ভাষাটোৱেই চৰ্যাপদৰ ভাষা। সেয়েহে বঙলা, উৰিয়া, অসমীয়া মৈথিলী আদি নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ আদি স্তৰৰ সৈতে চৰ্যাপদৰ ভাষাৰ নিকট সম্বন্ধ লক্ষ্য কৰা যায়। কোনো কোনো ইতিহাসবিদ পণ্ডিতে ধাৰণা কৰা মতে সেই কালত বৌদ্ধ সিদ্ধাচাৰ্যসকলে সাহিত্য সৃষ্টিৰ বাবে পূব ভাৰতত প্ৰচলিত কথিত ভাষাসমূহৰ আধাৰত এটা উমৈহতীয়া ভাষা প্ৰস্তুত কৰি লৈছিল আৰু সেইবাবেই ইয়াত বিভিন্ন আঞ্চলিক ভাষাৰ বৈশিষ্ট্য বিদ্যমান। ৰচয়িতাসকলৰ বহুকেইজন লোক কামৰূপ অঞ্চলৰ আছিল বাবে চৰ্যাপদত প্ৰাচীন অসমীয়া ভাষাৰ প্ৰভাৱ স্বাভাৱিকতেই অধিক পৰিছে।

আনহাতে, গুপ্ত সাধন মাৰ্গৰ সদস্যৰ বাদে আনে বুজিব নোৱাৰাকৈ ইয়াত সাঁথৰধৰ্মী জটিল সাংকেতিক ভাষা প্ৰয়োগ কৰা হৈছে। এই প্ৰহেলিকাধৰ্মী ভাষাক মহামহোপধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে 'সন্ধ্যা ভাষা', 'সন্ধ্যা বচন' বা 'সন্ধ্যা সংকেত' বুলি উল্লেখ কৰিছে।

## অনুশীলনী- ৩

**(১) চমুকৈ প্ৰকাশ কৰাঁ—**

(ক) ক'ত, কোনে, কেনেকৈ 'চৰ্যাপদ' আৱিস্কাৰ কৰিছিল?

(খ) 'চৰ্যাপদ'ৰ বিষয়বস্তু কি ?

**(২) বহলাই আলোচনা কৰাঁ—**

(ক) চৰ্যাপদৰ ভাষা সম্পৰ্কে বহলাই আলোচনা কৰাঁ।

(খ) চৰ্যাপদৰ দৰ্শন আৰু বিষয়বস্তু সম্পৰ্কে আলোচনা কৰাঁ।

(গ) 'চৰ্যাপদ'সমূহক প্ৰত্ন অসমীয়াৰ নিদৰ্শন হিচাপে গ্ৰহণ কৰিব পাৰিলে য চমুকৈ আলোচনা কৰা।

**অধ্যয়ন কৰিবলগীয়া প্ৰাসংগিক গ্ৰন্থপঞ্জী ঃ**

(১) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত - ড০ সত্যেন্দ্ৰ নাথ শৰ্মা

(২) অসমীয়া সাহিত্যৰ ৰূপৰেখা - ড০ মহেশ্বৰ নেওগ

(৩) চৰ্যাপদ - পৰীক্ষিত হাজৰিকা

(৪) চৰ্যাপদ আৰু বৰগীত - কৰবী ডেকা হাজৰিকা আৰু মঞ্জু চক্ৰৱৰ্তী

# খণ্ড - ২
# প্ৰাচীন অসমীয়া সাহিত্য

### গোট - ১ ঃ প্ৰাক্-শংকৰী যুগৰ সাহিত্য
### গোট - ২ ঃ শংকৰী যুগৰ সাহিত্য
### গোট - ৩ ঃ উত্তৰ শংকৰী যুগৰ সাহিত্য

## খণ্ড পৰিচয়

এই কাকতখনৰ দ্বিতীয় খণ্ডটো হৈছে 'প্ৰাচীন অসমীয়া সাহিত্য'। আলোচনাৰ সুবিধাৰ বাবে এই খণ্ডটি তিনিটা গোটত ভাগ কৰা হৈছে –

(১) প্ৰাক্-শংকৰী যুগৰ সাহিত্য

(২) শংকৰী যুগৰ সাহিত্য

(৩) উত্তৰ-শংকৰী যুগৰ সাহিত্য।

চতুৰ্দশ শতিকাৰ পৰা পঞ্চদশ শতিকাত শংকৰদেৱৰ আৱিৰ্ভাৱৰ সময়লৈকে এই সময়ছোৱাক সাহিত্যৰ ইতিহাসত প্ৰাক্-শংকৰী যুগ নামে জনা যায়। অসমীয়া সাহিত্যৰ বাবে এই যুগটোৱে নতুনত্বৰ বাৰ্তা বহন কৰি আনে। মহাকাব্যৰ অনুবাদ আৰু মহাকাব্যিক বিষয়বস্তুৰ ৰূপান্তৰণে এই যুগৰ কবিতাৰ পৰম্পৰা গঢ়ি তুলিছিল। আলোচ্য খণ্ডটিৰ প্ৰথম গোটটিৰ জৰিয়তে প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ সকলো দিশ সামৰি আলোচনা কৰা হৈছে। অসমীয়া সাহিত্যৰ সোণালী যুগ বুলি এই সময়ছোৱাকে ক'ব পাৰি। এই সময়ছোৱাত শংকৰদেৱ, মাধৱদেৱৰ লগতে কেইবাজনো কবি সাহিত্যিকে এই সময়ৰ সাহিত্যক সমৃদ্ধ কৰিছিল। বৈষ্ণৱ কবিসকলৰ বিশেষকৈ শংকৰদেৱ-মাধৱদেৱৰ সমসাময়িক কেইজনমান কবিয়ে বৈষ্ণৱ আদৰ্শৰ পৰা ফালৰি কাটি কেৱল লৌকিক মনোৰঞ্জনৰ প্ৰতি দৃষ্টি দি কবিতা ৰচনা কৰিছিল। এওঁলোকক পাঁচালি কবি বা বৈষ্ণৱ যুগৰ 'অবৈষ্ণৱ কবি' নামে জনা যায়। তেওঁলোকৰ বিশেষ বৈশিষ্ট্য সম্পন্ন কবিতাসমূহক পাঁচালি কবিতা বুলি কোৱা হয়। আলোচ্য গোটটিত এই সম্পৰ্কেও আলোচনা কৰা হৈছে। এই খণ্ডৰ তৃতীয় গোটটিত শংকৰদেৱৰ পৰৱৰ্তী সময়ত প্ৰায় অষ্টাদশ শতিকাৰ প্ৰায় আৰম্ভণিলৈকে বিকাশ লাভ কৰা অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰাসমূহৰ বিষয়ে আলোচনা কৰা হৈছে।

# গোট - ১
# প্ৰাক্-শংকৰী যুগৰ সাহিত্য

গঠন ঃ

১.০ উদ্দেশ্য
১.১ প্ৰস্তাৱনা
১.২ প্ৰাক্-শংকৰী যুগৰ সাহিত্য
১.২.১ প্ৰাক্-শংকৰী যুগৰ পৰিচয়
১.২.২ প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য
১.২.৩ প্ৰাক্-শংকৰী যুগৰ কবি আৰু কাব্যকৃতি
১.৩ সাৰাংশ

## ১.০ উদ্দেশ্য

- প্ৰাক্ শংকৰী সাহিত্যৰ স্বৰূপ সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিবা।
- প্ৰাক্ শংকৰী সাহিত্যৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিবা।
- প্ৰাক্ শংকৰী সাহিত্যৰ কবিসকলৰ সম্যক পৰিচয় লাভ কৰিব পাৰিবা।
- প্ৰাক্ শংকৰী কবিসকলৰ ৰচনাৰাজি সম্পৰ্কত সুস্পষ্ট ধাৰণা ল'ব পাৰিবা।

## ১.১ প্ৰস্তাৱনা

চতুৰ্দশ শতিকাৰ পৰা পঞ্চদশ শতিকাত শংকৰদেৱৰ আৱিৰ্ভাৱৰ সময়লৈকে এই সময়ছোৱাক সাহিত্যৰ ইতিহাসত প্ৰাক্-শংকৰী যুগ নামে জনা যায়। অসমীয়া সাহিত্যৰ বাবে এই যুগটোৱে নতুনত্বৰ বাৰ্তা বহন কৰি আনে। মহাকাব্যৰ অনুবাদ আৰু মহাকাব্যিক বিষয়বস্তুৰ ৰূপান্তৰণে এই যুগৰ কবিতাৰ পৰম্পৰা গঢ়ি তুলিছিল। আলোচ্য খণ্ডটিৰ প্ৰথম গোটটিৰ জৰিয়তে প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ সকলো দিশ সামৰি আলোচনা কৰা হৈছে।

## ১.২ প্ৰাক্-শংকৰী যুগৰ সাহিত্য

### ১.২.১ প্ৰাক্-শংকৰী যুগৰ পৰিচয়

শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট বৈষ্ণৱ সাহিত্যৰাজিৰ পূৰ্বৱৰ্তী স্তৰৰ সাহিত্য সম্ভাৰকে প্ৰাক্-শংকৰী যুগৰ সাহিত্য বুলি কোৱা হৈছে। চৰ্যাপদ ৰচনাকালৰ পৰা হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত্ৰ ৰচনা কাললৈকে অৰ্থাৎ প্ৰায় তিনিটা শতিকাৰ ভিতৰত ৰচিত কোনো সাহিত্যক নিদৰ্শন আজিকোপতি উদ্ধাৰ হোৱা নাই। আছিল যদিও হয়তো কালৰ বুকুত বিলীন হৈ গ'ল। তথাপি, সেই সময়ছোৱাত যে অসমীয়া ভাষাই অধিক প্ৰকাশিকা শক্তি আহৰণ কৰি আত্ম বিকাশৰ পথত সময়োচিতভাৱে আগবাঢ়ি গৈছিল সেইকথা খৃষ্টীয় চতুৰ্দশ শতিকাত আৱিভাৰ্ৱ হোৱা (১) হেমসৰস্বতী, (২) ৰুদ্ৰ কন্দলী, (৩) হৰিহৰ বিপ্ৰ, (৪) কবিৰত্ন সৰস্বতী আৰু (৫) মাধৱ কন্দলিৰ উচ্চস্তৰীয় সাহিত্যৰাজিয়েই প্ৰমাণ কৰে। এই পাঁচজন কবিৰ ৰচনাসম্ভাৰেই প্ৰাকবৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যক ঐতিহাসিক মৰ্যাদা প্ৰদান কৰিছে।

> *'এইসময়ৰ কবিসকলৰ ভাষালৈ লক্ষ্য কৰিলে দেখা পাওঁ যে অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্য লভা কৰাৰ উপৰিও উচ্চ সাহিত্যৰ ভাৰ প্ৰকাশ কৰিব পৰা ক্ষমতাও অৰ্জন কৰে। মাধৱ কন্দলীৰ ভাষা আৰু বৰ্ণনা সৌষ্ঠৱে প্ৰমাণ কৰে যে এক দীৰ্ঘকালীন সাহিত্যিক পৰম্পৰাৰ তেওঁ উত্তৰাধিকাৰী আছিল।'*
>
> *ড° সত্যেন্দ্ৰনাথ শৰ্মা*

### ১.২.২ প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য

প্ৰাক্-শংকৰী যুগৰ সাহিত্য হ'ল মাথো কাব্য সাহিত্য। ৰাজ-পৃষ্ঠপোষকতাত কবিসকলে সাহিত্য চৰ্চাত ব্ৰতী হৈছিল। তেওঁলোকে বিষয়বস্তু আৰু কাব্য ধাৰণা আহৰণ কৰিছিল প্ৰধানকৈ ৰামায়ণ আৰু মহাভাৰতৰ পৰা। এই সাহিত্যৰাজি আছিল অনবদ্য সাহিত্য গুণসম্পন্ন।

প্ৰাক্-শংকৰী যুগৰ অসমীয়া কবিতাসমূহৰ কিছুমান লক্ষণ বা বৈশিষ্ট্য লক্ষ্য কৰা যায়। এনেধৰণৰ বৈশিষ্ট্যবোৰৰ ভিতৰত কিছুমান প্ৰধান বৈশিষ্ট্য হ'ল - (১) ৰাজ পৃষ্ঠপোষকতা, (২) অনুবাদৰ ওপৰত গুৰুত্ব, (৩) ছন্দৰ প্ৰয়োগ, (৪) অলংকাৰ প্ৰয়োগ, (৫) ৰসৰ বৈশিষ্ট্য, (৬) ভাষাৰ অভিনৱত্ব আদি।

তলত এই বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা হৈছে -

**(১) ৰাজপৃষ্ঠপোষকতা ঃ**

প্ৰাক্-শংকৰী যুগৰ অসমীয়া কবিতাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল - ৰজাসকলৰ অনুপ্ৰেৰণাত কবিসকলে কাব্য ৰচনা কৰে। ভাৰতৰ অন্যান্য ঠাইতো ৰজা-মহাৰজাসকলৰ অনুপ্ৰেৰণাত কাব্য ৰচনা কৰাৰ উল্লেখ পোৱা যায়। প্ৰাক্-শংকৰী যুগৰ বৰাহী ৰজা মহামাণিক্যই মাধৱ কন্দলিক ৰামায়ণ ৰচনা কৰিবলৈ

উৎসাহ যোগাইছিল। সেইদৰে দুৰ্লভনাৰায়ণে কবিৰত্ন সৰস্বতীক জয়দ্ৰথ বধ আৰু তাম্ৰধ্বজ ৰজাই ৰুদ্ৰ কন্দলীক সাত্যকী প্ৰবেশ ৰচনা কৰাত প্ৰেৰণা যোগাইছিল।

**(২) অনুবাদক ওপৰত গুৰুত্ব ঃ**

অনুবাদৰ ওপৰত গুৰুত্ব প্ৰদান প্ৰাক্-শংকৰী সাহিত্যৰ আন এটা প্ৰধান বৈশিষ্ট্য। এই যুগৰ কবিসকলে ৰামায়ণ, মহাভাৰত, ভাগৱত, পুৰাণ আদিৰ পৰা কাব্যৰ বিষয়বস্তু আহৰণ কৰিছিল। প্ৰাক্-শংকৰী যুগৰ কাব্য-সাহিত্যবোৰ প্ৰধানকৈ অনুবাদ প্ৰধান। এই কবিসকলে থলুৱা পটভূমিত স্বতন্ত্ৰ সৃষ্টিশীলতাৰ সমাহাৰেৰে যি অনুবাদ কৰিছিল, সেই অনুবাদক পুনঃসৃজন বুলি ক'ব পাৰি। এই সময়ৰ অসমীয়া কবিসকলৰ ভিতৰত মাধৱ কন্দলিয়ে সপ্তকাণ্ড ৰামায়ণৰ অনুবাদ, হৰিবৰ বিপ্ৰই মহাভাৰতৰ জৈমিনীয়াশ্বমেধৰ অন্তৰ্গত লৱ-কুশৰ যুদ্ধ, তাম্ৰধ্বজৰ যুদ্ধ আৰু বব্ৰুবাহনৰ যুদ্ধৰ পদ ৰচনা কৰিছিল। হেমসৰস্বতীয়ে বামণ পুৰাণৰ পৰা প্ৰহ্লাদ চৰিত্ৰ অনুবাদ কৰিছিল। কিন্তু এই কবিসকলৰ কোনোজনেই মূলৰ আক্ষৰিক অনুবাদ কৰা নাছিল। তেওঁলোকৰ প্ৰয়োজন সাপেক্ষে কোনো অংশ মূলতকৈ দীঘলীয়া আৰু কেতিয়াবা চুটি কৰিছিল।

**(৩) ছন্দৰ প্ৰয়োগ ঃ**

প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ কাব্যৰ আন এটা বৈশিষ্ট্য হ'ল ছন্দৰ প্ৰয়োগ। প্ৰাক্-শংকৰী যুগৰ অসমীয়া কবিতাসমূহত প্ৰধানকৈ পদ, দুলড়ী, ছবি, ঝুমুৰী আদি ছন্দৰ প্ৰয়োগ দেখা যায়। ছন্দ কবিতাৰ অপৰিহাৰ্য অংগ। প্ৰাক্-শংকৰী যুগৰ কবিসকলে বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ কবিতাসমূহত বিবিধছন্দৰ প্ৰয়োগ কৰিছিল। অসমীয়া কবিতাত প্ৰাক্-শংকৰী যুগৰ কবিসকলে পোন প্ৰথমে আক্ষৰিক ছন্দৰ প্ৰৱৰ্তন কৰে। পৰৱৰ্তী যুগৰ কবিসকলেও প্ৰাক্-শংকৰী যুগৰ কবিসকলে পোন-প্ৰথমে আক্ষৰিক ছন্দৰ প্ৰৱৰ্তন কৰে। পৰৱৰ্তী যুগৰ কবিসকলেও প্ৰাক্-শংকৰ যুগৰ কবিসকলৰ দ্বাৰা বিশেষভাৱে অনুপ্ৰাণিত হোৱা দেখা যায়।

**(৪) অলংকাৰ প্ৰয়োগ ঃ**

কাব্যত অলংকাৰৰ স্থান বিশেষভাৱে গুৰুত্বপূৰ্ণ। কাব্যক স্পষ্ট, প্ৰভাৱশালী আৰু ৰমণীয় কৰি তুলিবলৈ অলংকাৰৰ প্ৰয়োজন হয়। প্ৰাক্-শংকৰী যুগৰ অসমীয়া কবিতাবোৰত প্ৰধানকৈ উপমা, অনুপ্ৰাস, নিদৰ্শনা, সমাসোক্তি আদি বিভিন্ন অলংকাৰৰ প্ৰয়োগ দেখা যায়। এই কবি সাহিত্যিকসকলে মূল আধাৰ গ্ৰন্থৰ অলংকাৰসমূহ কাব্যত স্থান দিছিল যদিও, যিবোৰ অলংকাৰ সৃষ্টি কৰিছিল, সেইবোৰ জনজীৱনৰ অভিজ্ঞতাৰ পৰিসৰৰ পৰা বুটলি লৈছিল।

**(৫) ৰস সৃষ্টি ঃ**

প্ৰাক্-শংকৰী যুগৰ কবি সাহিত্যিকসকলে তেওঁলোকাৰ ৰচনাত শৃংগাৰ, বীৰ, হাস্য, কৰুণ, শান্ত, ৰৌদ্ধ, বীভৎস আদি ৰসৰ কৰিছে। মুঠতে বিবিধ চৰিত্ৰৰ সমাবেশত, পৰিবেশ চিত্ৰণত, যুদ্ধ আদিৰ বৰ্ণনাত ৰস সৃষ্টিৰ ক্ষেত্ৰত সাৰ্থকতা লাভ কৰিছে।

**(৬) ভাষা ঃ**

পুৰণি অসমীয়া কবিতাৰ এটা বৈশিষ্ট্য হৈছে ভাষা। প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ কবিতাত অসমীয়া ভাষাৰ প্ৰাচীন ৰূপ সংৰক্ষিত হোৱা দেখা যায়। বিশেষকৈ মাধৱ কন্দলিৰ ৰামায়ণত বিভক্তি, কাল, বহুবচনাত্মক প্ৰত্যয়, তৎসম, দেশী-বিদেশী বিভিন্ন শব্দৰ প্ৰয়োগ দেখা যায়।

গোটেই পাঠ্যপুথিখনতে একো সালসলনি নাই। চকুত পৰা বানান ভুল, ছপাভুলসমূহ পাঠতে নিৰ্দেশ কৰি দিয়া হৈছে।

## ১.২.৩ প্ৰাক্-শংকৰী যুগৰ কবি আৰু কাব্যকৃতি

হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ'ৰ পৰা মাধৱ কন্দলিৰ ৰামায়ণলৈকে প্ৰাক্-শংকৰী যুগৰ কাব্যকৃতি অসমীয়া সাহিত্যৰ উজ্জ্বল আলোকস্তম্ভ। (১) হেম সৰস্বতী, (২) ৰুদ্ৰ কন্দলি, (৩) হৰিবৰ বিপ্ৰ, (৪) কবিৰত্ন সৰস্বতী আৰু (৫) মাধৱ কন্দলি- – এই পাঁচজন কবি প্ৰাক্-শংকৰী যুগৰ সাহিত্য জগতৰ পঞ্চৰত্ন স্বৰূপ।

**(১) হেম সৰস্বতী**

কমতাধিপতি দুৰ্লভ নাৰায়ণৰ ৰাজত্ব কালত হেম সৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত' আৰু 'হৰগৌৰী সংবাদ' ৰচনা কৰে। তেওঁ পিতৃ ৰুদ্ৰ সৰস্বতী সংস্কৃত ভাষাত ব্যুৎপত্তি থকা বিদ্বান লোক আছিল। পাণ্ডিত্যসূচক 'সৰস্বতী' উপাধি তাৰেই পৰিচায়ক। পুৰুষানুক্ৰমে লাভ কৰা পাণ্ডিত্যৰ উপৰিও হেম সৰস্বতীৰ আছিল অনন্য কবি প্ৰতিভা। তেওঁ ৰচনা কৰা 'প্ৰহ্লাদ চৰিত্ৰ' বিশুদ্ধ অসমীয়া ভাষাৰ প্ৰথমখন গ্ৰন্থ বুলি কোৱা হয়। এইখন এখনি সৰু বৰ্ণনাত্মক কাব্য। দৈত্যৰাজ হিৰণ্যকশিপুৱে বিষ্ণুভক্ত পুত্ৰ প্ৰহ্লাদৰ ওপৰত চলোৱা অত্যাচাৰ উৎপীড়ন আৰু পৰিণামত বিষ্ণুৰ অৱতাৰ নৰসিংহৰ হাতত হিৰণ্যকশিপুৰ নিধন হোৱাৰ বিৱৰণেই ইয়াৰ ঘাই উপজীব্য। তাৰ মাজেদিয়েই প্ৰকাশ কৰা হৈছে বিষ্ণু ভক্তিৰ মাহাত্ম্য। পৰিণত বয়সত ৰচনা কৰা তেওঁৰ আনখন গ্ৰন্থ 'হৰগৌৰী সংবাদ'ত তাৰকাসুৰৰ দৌৰাত্ম্য, মহাদেৱৰ তপস্যা, আৰু তপস্যা ভংগকাৰী মদনক ভষ্ম, হৰ-গৌৰীৰ বিবাহ আৰু কাৰ্তিকৰ জন্ম বিৱৰণ কাব্য ৰূপত হোৱা যায়। উচ্চমানৰ সাহিত্য কলাৰ নিদৰ্শন অথবা সুদূৰপ্ৰসাৰী কল্পনাৰ প্ৰকাশ তেওঁৰ ৰচনা সম্ভাৰত সণ্ঢালনিকৈ নাথাকিলেও ইয়াৰ ঐতিহাসিক মূল্য অধিক।

**(২) কবিৰত্ন সৰস্বতী**

চতুৰ্দশ শতিকাৰ মাজভাগৰ কবি কবিৰত্ন সৰস্বতীয়ে ৰচনা কৰা মহাভাৰতৰ দ্ৰোণপৰ্বৰ জয়দ্ৰথ বধৰ কাহিনী, শকুন্তলাৰ উপাখ্যান, যযাতিৰ চৰিত্ৰ আৰু কৈলাস বৰ্ণনাৰ জৰিয়তে তেওঁৰ কাব্য প্ৰতিভাৰ সুন্দৰ নিদৰ্শন পোৱা যায়। কমতাধিপতি দুৰ্লভ নাৰায়ণৰ পুত্ৰ ইন্দ্ৰনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰা এইজনা কবিৰ পিতৃৰ নাম আছিল চক্ৰপাণি চিক্দাৰ। তেওঁৰ কাব্যাংশ বিশেষ কৈলাসবৰ্ণনাত কৈলাসৰ গছ-লতা, ফল-ফুলৰ অনুপম শোভা, প্ৰমথগণৰ বিস্ময়কৰ বৰ্ণনা, কৈলাসবাসীৰ

কাম-চঞ্চল ৰূপ যৌৱনৰ সুন্দৰ বিৱৰণ ইয়াত পোৱা যায়। মহাভাৰতৰ দ্ৰোণ পৰ্বৰ অন্তৰ্গত জয়দ্ৰথ বধৰ কাহিনীটো এইজনা কবিয়ে কাব্যৰূপ দিছে। ইয়াতো তেওঁৰ কবি প্ৰতিভাৰ কিছু আভাস পোৱা যায়।

**(৩) ৰুদ্ৰ কন্দলি**

কামৰূপৰ কোনো এক অঞ্চলৰ শাসনকৰ্তা তাম্ৰধ্বজৰ পৃষ্ঠপোষকতাত ৰুদ্ৰ কন্দলিয়ে দ্ৰোণপৰ্বৰ অন্তৰ্গত জয়দ্ৰথ বধ নামৰ উপপৰ্বৰ ভিতৰুৱা শিনিপুত্ৰ সাত্যকীৰ যুদ্ধ যাত্ৰাৰ কাহিনীৰ আধাৰত কাব্য ৰচনা কৰিছিল। বৈষ্ণৱ সাহিত্যৰ বধকাব্যৰ দৰে তেওঁৰ ৰচনাসমূহ পাঠকৰ হৃদয়গ্ৰাহী হৈ পৰিছে।

**(৪) হৰিবৰ বিপ্ৰ**

'বব্ৰুবাহনৰ যুদ্ধ', 'লৱকুশৰ যুদ্ধ' আৰু 'তাম্ৰধ্বজৰ যুদ্ধ' নামৰ তিনিখন কাব্য হৰিবৰ বিপ্ৰৰ নামত পোৱা গৈছে। এইজনা কবিয়ে চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্ধত কমতাপুৰত ৰাজত্ব কৰা ৰজা দুৰ্লভ নাৰায়ণৰ পৃষ্ঠ পোষকতা লাভ কৰিচে। 'বব্ৰুবাহনৰ যুদ্ধ', 'লৱকুশৰ যুদ্ধ' আৰু 'তাম্ৰধ্বজৰ যুদ্ধ' তিনিওখন কাব্যৰ আখ্যান ভাগ 'জৈমিণীয় অশ্বমেধিক পৰ্ব'ৰ পৰা আহৰণ কৰা। জৈমিনীয় কাব্যত বব্ৰুবাহনৰ যুদ্ধৰ মূল কাহিনীৰ লগত 'লৱকুশৰ যুদ্ধ' প্ৰাসংগিক ৰূপত অৱতাৰণা কৰা হৈছে। কবি হৰিবৰ বিপ্ৰই একে লক্ষণযুক্ত আখ্যান দুটা দুখন স্বতন্ত্ৰ কাব্য ৰূপে ৰচনা কৰি প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। 'তাম্ৰধ্বজৰ যুদ্ধ' পূৰ্ণাংগ ৰূপত এতিয়াও উদ্ধাৰ হোৱা নাই।

**(৫) মাধৱ কন্দলি**

উত্তৰ ভাৰতীয় প্ৰান্তীয় ভাষাত পোণ প্ৰথম বাৰৰ বাবে ৰামায়ণ ৰচনাৰ গৌৰৱ অৰ্জন কৰিছিল মাধৱ কন্দলিয়ে। এই ৰামায়ণ অসমীয়া ৰামায়ণী সাহিত্যৰ কীৰ্তিস্তম্ভ স্বৰূপ। প্ৰাক্‌শংকৰী যুগৰ কবিসকলৰ ভিতৰত অপ্ৰতিদ্বন্দ্বীভআৱনে শ্ৰেষ্ঠ স্থান পোৱা মাধৱ কন্দলিক মহাপুৰুষ শংকৰদেৱেও 'পূবকবি অপ্ৰমাদী মাধৱ কন্দলি আদি . . . ' বুলি সন্মান জনাইছে।

মাধৱ কন্দলিৰ ৰামায়ণৰ সকলো প্ৰতিলিপিতে আদিকাণ্ড আৰু উত্তৰাকাণ্ড পোৱা নাযায়। পৰৱৰ্তীসময়ত বৈষ্ণৱ কবি মাধৱদেৱে 'আদি কাণ্ড' আৰু শংকৰদেৱে উত্তৰাকাণ্ড ৰচনা কৰি সপ্তকাণ্ড ৰামায়ণৰ পূৰ্ণাংগ ৰূপ দিয়ে। বাল্মীকি ৰামায়ণৰ আখ্যান ভাগৰ মৌলিকতা কন্দলি ৰামায়াণত অকণো হীন-ডেঢ়ি ঘটা নাই যদিও কবিয়ে ইয়াক অসমীয়া ৰূপত সজাই তুলিবলৈ যত্ন কৰিছে।

> *'কন্দলিৰ লেখাত এটি ৰাংঢালী প্ৰকৃতিৰ পৰিচয় পোৱা যায়, উপমা বা চিত্ৰকল্প ৰূপেই হওক, কিম্বা ভাষাৰ জতুৱা প্ৰয়োগৰ যোগেদিয়েই হওক ঠায়ে ঠায়ে তেওঁৰ হাস্যানুভূতিয়ে তেওঁৰ ৰচনাক সোৱাদ কৰি তুলিছে। জতুৱা কথা আৰু ঘৰুৱা প্ৰকাশভংগী তেওঁৰ ৰচনাৰ এটি বিশিষ্ট আকৰ্ষক লক্ষণ।'*
>
> *ড° মহেশ্বৰ নেওগ*

কোনো বিশেষ বিশেষ ঠাইৰ বৰ্ণনা; গৃহ-প্ৰাসাদ আদিৰ বৰ্ণনা; প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা; মানৱীয় সৌন্দৰ্যৰ বৰ্ণনা; দানৱীয় কদৰ্য ৰূপৰ বৰ্ণনা; যুদ্ধৰ বৰ্ণনা-– এই সকোল বিষয়ত কন্দলিয়ে মনোৰম প্ৰকাশভংগীৰে জীৱন্ত আৰু গতিশীল ৰূপ প্ৰদান কৰিছে। সুন্দৰাকাণ্ড ইয়াৰ যথাৰ্থ নিদৰ্শন। জীৱন আৰু জনজীৱনৰ না না প্ৰতিৰূপ নগৰ-চহৰ আৰু বন-উপবন আদি বিষয়ৰ বৰ্ণনাত কবিয়ে অসমৰ জাতীয় জীৱনৰ ৰূপ ছবি সততে চকুৰ আগত ৰাখিছে। সংঘটনাৰ পৰিস্থিতিৰ চিত্ৰণত, নৈসৰ্গিক সৌন্দৰ্যৰ বৰ্ণনাত আৰু বীৰ, কৰুণ, হাস্য আদি কলাৰস সৃষ্টিৰ ক্ষেত্ৰত কন্দলিয়ে অপৰিসীম দক্ষতাৰ পৰিচয় দিছে।

অনুবাদ কাৰ্যত কন্দলিয়ে মূল বাল্মীকি ৰামায়ণৰ অপৰিহাৰ্য আৰু ৰসোত্তীৰ্ণ শ্লোকবোৰ সযতনে ৰাখি যোৱাৰ উপৰিও কোনো কোনো ঠাইত থকা তেনে সংক্ষিপ্ত বিষয়-বিশেষৰ বিস্তাৰ ঘটাইছে। শব্দ চয়নৰ ক্ষেত্ৰতো কন্দলিৰ দক্ষতা অতুলনীয়।

মাধৱ কন্দলিৰ ভাষা, ছন্দ, উপমা, অনুপ্ৰাস, শৈলী আৰু শব্দাৱলীয়ে পৰৱৰ্তীকালৰ বৈষ্ণৱ কবিসকলৰ ওপৰত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।

মাধৱ কন্দলিৰ ভণিতা থকা ‘দেৱজিৎ’, ‘তাম্ৰধ্বজৰ যুদ্ধ’ আৰু ‘পাতাল কাণ্ড’ নামৰ আন তিনিখন কাব্যও পোৱা যায়। ভাৱ-ভাষা, সাহিত্যিক মান্যতা আৰু কালগত বিচাৰত সেই কেইখন তেওঁৰ ৰচনা নহয় বুলি বৰ্তমান প্ৰমাণিত হৈছে।

**আত্মমূল্যায়ন -১**

প্ৰাক্-শংকৰী যুগৰ প্ৰধান কবিকেইজনৰ নাম লিখা।

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## ১.৩ সাৰাংশ

- শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট বৈষ্ণৱ সাহিত্যৰাজিৰ পূৰ্বৱৰ্তী স্তৰৰ সাহিত্য সম্ভাৰকে প্ৰাক্শংকৰী যুগৰ সাহিত্য বুলি কোৱা হৈছে।
- প্ৰাক্-শংকৰী যুগৰ কবিসকল হ'ল (১) হেম সৰস্বতী, (২) ৰুদ্ৰ কন্দলি, (৩) হৰিবৰ বিপ্ৰ, (৪) কবিৰত্ন সৰস্বতী আৰু (৫) মাধৱ কন্দলি।

- প্ৰাক্‌বৈষ্ণৱ যুগৰ সাহিত্যৰাজি মাথো কাব্য সাহিত্য। ৰাজকীয় পৃষ্ঠপোষকতাত কবিসকলে একান্তভাৱে সাহিত্য চৰ্চা কৰিছিল।
- এই যুগৰ সাহিত্যৰ বিষয়বস্তুৰ মূল উৎস আছিল ৰামায়ণ আৰু মহাভাৰত।
- হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত্ৰখনেই স্বতন্ত্ৰ অসমীয়া ভাষাত ৰচিত প্ৰথম গ্ৰন্থ।
- উত্তৰ ভাৰতীয় প্ৰান্তীয় ভাষাত পোন প্ৰথমবাৰৰ বাবে ৰামায়ণ ৰচনাৰ গৌৰৱ অৰ্জন কৰিছিল মাধৱ কন্দলিয়ে।

**আত্মমূল্যায়নৰ উত্তৰ ঃ**

আত্মমূল্যায়ন - **১**

**প্ৰাক্‌বৈষ্ণৱ যুগৰ প্ৰধান কবিকেইজন হ'ল – মাধৱ কন্দলি, হেম সৰস্বতী, ৰুদ্ৰ কন্দলি, হৰিবৰ বিপ্ৰ আৰু কবিৰত্ন সৰস্বতী।**

## অনুশীলনী - ২

**১। চমুকৈ লিখাঁ—**

(ক) প্ৰাক্‌বৈষ্ণৱ যুগৰ কবিসকল কোন কোন ?

**(২) বহলাই আলোচনা কৰাঁ—**

(ক) প্ৰাক্‌বৈষ্ণৱ যুগৰ সাহিত্য সম্ভাৰ সম্পৰ্কে আলোচনা কৰাঁ।

(খ) মাধৱ কন্দলিক প্ৰাক্‌বৈষ্ণৱযুগৰ শ্ৰেষ্ঠ কবি বুলি কিয় কোৱা হয় আলোচনা কৰা।

**(৩) সঠিক উত্তৰ বাচি উলিওৱা—**

(ক) 'প্ৰহ্লাদ চৰিত্ৰ'ৰ ৰচয়িতা হৰিবৰ বিপ্ৰ/ হেম সৰস্বতী/ ৰুদ্ৰ কন্দলি।

(খ) মাধৱ কন্দলিৰ ৰামায়ণৰ সাতটা কাণ্ড/ ছয়টা কাণ্ড/ পাঁচটা কাণ্ড।

(গ) 'বব্ৰুবাহনৰ যুদ্ধ' মাধৱ কন্দলি/ অনন্ত কন্দলি/ ৰুদ্ৰ কন্দলিৰ ৰচনা।

(ঘ) 'তাম্ৰধ্বজৰ যুদ্ধ' মাধৱ কন্দলিৰ ৰচনা হয়/ নহয়/ প্ৰমাণ নাই।

# গোট - ২
# শংকৰী যুগৰ সাহিত্য

গঠন ঃ

**২.০ উদ্দেশ্য**

**২.১ প্ৰস্তাৱনা**

**২.২ অসমীয়া বৈষ্ণৱ সাহিত্যৰ স্বৰূপ**

**২.৩ শংকৰদেৱ আৰু তেওঁৰ অনুগামীসকল**

২.৩.১ শংকৰদেৱৰ সাহিত্য
২.৩.২ মাধৱদেৱৰ সাহিত্য
২.৩.৩ শংকৰদেৱৰ অনুগামীসকলৰ সাহিত্য

**২.৪ পাঁচালি সাহিত্য**

**২.৪.১ পাঁচালি সাহিত্যৰ স্বৰূপ**

**২.৪.২ পাঁচালি সাহিত্যৰ বৈশিষ্ট্য**

**২.৫ পাঁচালি সাহিত্যৰ কবিসকল**

২.৫.১ পৌৰাণিক শাখা
২.৫.২ মনসা শাখা

**২.৬ সাৰাংশ**

## ২.০ উদ্দেশ্য

এই গোটটো অধ্যয়ন কৰিলে তোমালোকে—

- বৈষ্ণৱ ধৰ্ম আৰু ইয়াৰ আঁতিগুৰি সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- অসমীয়া বৈষ্ণৱ সাহিত্যৰ স্বৰূপ সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিবা।
- শংকৰদেৱৰ সাহিত্য সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব পাৰিবা।
- মাধৱদেৱ প্ৰমুখ্যে শংকৰদেৱৰ অন্যান্য অনুগামীসকলৰ সাহিত্যৰাজিৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব পাৰিবা।
- ‘পাঁচালি’ শব্দৰ আঁতিগুৰি বুজি ল’ব পাৰিবা।
- পাঁচালি সাহিত্যৰ স্বৰূপ সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিবা।
- পাঁচালি সাহিত্যৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিবা।
- পাঁচালি সাহিত্যৰ কবিসকলৰ সম্যক পৰিচয় লাভ কৰিব পাৰিবা।
- পাঁচালি কবিসকলৰ ৰচনাৰাজি সম্পৰ্কত সুস্পষ্ট ধাৰণা ল’ব পাৰিবা।

## ২.১ প্ৰস্তাৱনা

'বিষ্ণু' শব্দৰ লগত 'ষ্ণ' তদ্ধিত প্ৰত্যয় সংযুক্ত হৈ 'বৈষ্ণৱ' শব্দটো নিষ্পন্ন হৈছে। ইয়াৰ অৰ্থ বিষ্ণু সম্বন্ধীয় বা বিষ্ণু সম্পৰ্কীয়। অৰ্থাৎ যি বিষয়ৰ লগত বিষ্ণুদেৱতাৰ অবিকল্প সম্পৰ্ক আছে তেনে বিষয়। বিষ্ণুক শ্ৰেষ্ঠ দেৱতাৰ আসনত অধিষ্ঠিত কৰি উপাসনা কৰা ধৰ্মীয় পদ্ধতিয়েই হ'ল 'বৈষ্ণৱ ধৰ্ম'।

ঋক বেদত আদিত্যসকলৰ এজন হৈছে সূৰ্য। সূৰ্যৰ বিকল্প ৰূপেই বিষ্ণু। শতপথ ব্ৰাহ্মণত বিষ্ণুদেৱতাই অধিক প্ৰাধান্য পাইছে। বিষ্ণুৰ লগত সম্পৰ্ক নাথাকিলেও সেই গ্ৰন্থত নাৰায়ণ শব্দটোৰ উল্লেখ ঘটিচে। ঐতৰেয় ব্ৰাহ্মণত বিষ্ণুক দেৱ শ্ৰেষ্ঠ ৰূপত প্ৰতিষ্ঠা দিয়া হৈছে। অৱশ্যে ধৰ্মীয় পন্থা ৰূপে 'বৈষ্ণৱ' নামটোৰ উল্লেখ মহাভাৰতৰ অন্তিম খণ্ডতহে পোৱা গৈছে। গীতাত ভগৱন্তই অৰ্জুনৰ আগত ব্যক্ত কৰা এই ধৰ্মৰ বাণীসমূহ নাৰদ মুনিয়ে স্বয়ং নাৰায়ণৰপৰাই লাভ কৰা বুলি তাত কোৱা হৈছে।

বৈষ্ণৱ ধৰ্মৰ পৰম্পৰা অতি প্ৰাচীন। কিন্তু ভক্তি আন্দোলন বহুকাল পিচৰ। এসময়ত দক্ষিণ ভাৰতত না না জাতকুলৰ মানুহ একত্ৰিত হৈ সৃষ্টি হোৱা 'আল্বাৰ' (আলোৱাৰ) সম্পদায়ে দেৱ শ্ৰেষ্ঠ বিষ্ণু বা নাৰায়ণৰ অৱতাৰ বিষয়ক বিশেষকৈ 'বামণ অৱতাৰ' আৰু 'কৃষ্ণ অৱতাৰৰ' কাহিনীৰে তামিল ভাষাত গীত ৰচনা কৰিছিল। তেওঁলোকৰে আধ্যাত্মিক উত্তৰাধিকাৰী আছিল 'নাথমুনি'। তেওঁ সম্ভৱতঃ একাদশ শতিকাৰ আচাৰ্য আছিল। তেওঁলোকৰ হাততেই ভক্তিধৰ্মৰ বীজ ৰোপিত হৈছিল। ভক্তিধৰ্ম প্ৰচাৰত অগ্ৰণী ভূমিকা লৈছিল দক্ষিণ ভাৰতৰ 'ৰামানুজাচাৰ্য'ই। নাথ মুনিৰ নাতিয়েক যমুনাচাৰ্য আছিল ৰামানুজৰ গুৰু। ৰামানুজাচাৰ্যই ভক্তিক দাৰ্শনিক ভেটিত প্ৰতিষ্ঠা কৰি এক মহৎ বৈষ্ণৱ সম্প্ৰদায় সৃষ্টি কৰে আৰু ভক্তি আন্দোলনৰ শুভ সূচনা কৰে। ৰামানুজী শিষ্য পৰম্পৰাৰ পঞ্চম পুৰুষৰ ৰামানন্দই আৰ্যাৱৰ্তত ভক্তিৰ দুৱাৰ সকলোৰে বাবে মুকলি কৰি দিয়ে। ৰামানন্দৰ শিষ্যত্ব গ্ৰহণ কৰি ইছলাম সম্প্ৰদায়ৰ 'কবিৰ',চমাৰ সম্প্ৰদায়ৰ 'ৰৈদাস' আদি বৈষ্ণৱ ধৰ্মত দীক্ষিত হ'ল। ইয়াৰ পৰৱৰ্তী কালত সমগ্ৰ উত্তৰ ভাৰততে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰ ঘটিল। পঞ্চদশ শতিকাৰ অসমতো শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰে। এই ধৰ্মত নিৰ্গুণ, সচ্চিদানন্দ, নিৰ্ভেদ পৰমাত্মাই ভজনীয় পৰমেশ্বৰ। জ্ঞানৰ দ্বাৰা যদিও তেওঁক পাব পাৰি তথাপি অচলা ভক্তিৰ দ্বাৰা ভক্তই ভগৱানৰ অনুগ্ৰহ লাভ কৰিব পাৰে। গতিকে একান্ত ভক্তিয়েই এই ধৰ্মৰ মূল উপাসনাৰ পথ। এই পথ নৱধা বিভক্ত— শ্ৰৱণ, কীৰ্তন, অৰ্চন, বন্দন, দাস্য, সখিত্ব, ধ্যান, পদসেৱন আৰু আত্মনিবেদন। শংকৰদেৱৰ ভক্তিধৰ্মত নৱবিধা ভক্তিৰ ভিতৰত 'নিৰ্গুণ কৃষ্ণৰ গুণ'ৰ শ্ৰৱণ-কীৰ্তনকে শ্ৰেষ্ঠাতা দিয়া হৈছে। সেইবাবেই ইয়াক 'ভক্তিধৰ্ম' বুলি কোৱা হয়।

শংকৰদেৱ প্ৰৱৰ্তিত নৱবৈষ্ণৱ আন্দোলনে অসমৰ আকাশ-বতাহ আলোড়িত কৰি থকা সময়তে কেইগৰাকীমান অবৈষ্ণৱ কবিয়ে লৌকিক আদৰ্শেৰে এক পৃথক ধাৰাৰ কাব্য ৰচনা কৰি কবি প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। এই কাব্যসমূহৰ

ৰচনাকাল ষোড়শ শতিকাৰ আদিৰ পৰা অন্তলৈকে বিস্তৃত। এনে কাব্যৰ গীতপদসমূহ নিৰ্দিষ্ট অনুষ্ঠানত বিশিষ্ট গায়ন পদ্ধতিৰে পৰিৱেশন কৰা হয়। আৰু ইয়াকে 'পাঁচালি' বোলে। অসমীয়া সাহিত্যৰ ইতিহাসত পাঁচালিৰ প্ৰচলন সণ্ঢালনীকৈ পোৱা নাযায়। বংগদেশীয় বিশ্বাস-পৰম্পৰাৰ আধাৰতহে অসমত পাঁচালিৰ সৃষ্টি হৈছে। শংকৰী যুগত পশ্চিম অসমৰ বংগীয় সংস্কৃতি প্ৰভাৱিত অঞ্চলত পাঁচালি গীত-পদৰ বিশেষ সমাদৰ আছিল বুলি জনা যায়। শক্তি তান্ত্ৰিক পূজা পদ্ধতিৰ লগত পাঁচালিৰ যোগসূত্ৰ থকা বাবে ই বৈষ্ণৱ সাহিত্যৰ আৱৰ্তত প্ৰবেশ কৰিব পৰা নাছিল।

## ২.২ অসমীয়া বৈষ্ণৱ সাহিত্যৰ স্বৰূপ

দ্বাদশ শতিকাৰ পৰা ষোড়শ শতিকাৰ ভিতৰত ৰামানুজনকে আদি কৰি বিভিন্ন দাৰ্শনিকে ভক্তি-মাৰ্গকে মূল পথ হিচাপে লৈ বেদান্তৰ ভেটিত নিজৰ নিজৰ দাৰ্শনিক সিদ্ধান্ত প্ৰতিষ্ঠা কৰে। শংকৰাচাৰ্যৰ বিশুদ্ধ জ্ঞান মাৰ্গৰ বিপৰীত প্ৰতিক্ৰিয়াৰ ফলতেই ভক্তি আন্দোলনৰ সূত্ৰপাত হয় আৰু এই আন্দোলনক গতিশীল কৰিবলৈকে সৃষ্টি হ'ল বৈষ্ণৱ সাহিত্যৰ।

মহাপুৰুষ শংকৰদেৱেও অসমত বৈষ্ণৱ আন্দোলন অধিক শক্তিশালী ৰূপত আগবঢ়াই নিবলৈ বৈষ্ণৱ সাহিত্য সৃষ্টিত আত্ম নিয়োগ কৰে। শংকৰদেৱ প্ৰৱৰ্তিত ভক্তিমাৰ্গীয় নৱবৈষ্ণৱ ধৰ্মৰ মূল লক্ষণসমূহ এনেধৰণৰ ঃ

(১) শাস্ত্ৰৰ উত্তম গীতা আৰু ভাগৱত, ধৰ্মৰ উত্তম হৈছে নাম ধৰ্ম আৰু দেৱতাৰ উত্তম হৈছে দৈৱকীনন্দন কৃষ্ণ (বিষ্ণু)।

(২) নৱধা বিভক্ত ভক্তিৰ ভিতৰত বিষ্ণু উপাসনাত শ্ৰৱণ-কীৰ্তনৰ প্ৰাধান্য।

(৩) অব্যভিচাৰী ভক্তিৰ দ্বাৰা বিষ্ণুৰ পৰমপদত আত্মসমৰ্পণ (অন্য দেৱী দেৱ নকৰিবা সেৱ . . .)

(৪) যাগ-যজ্ঞ, তপ-জপ, তন্ত্ৰ-মন্ত্ৰ, ব্ৰত-সমাধি আদি কৃচ্ছ্ৰ সাধনা সাপেক্ষ

(৫) সৎ গুৰু আৰু সৎসংগত আস্থা স্থাপন।

(৬) প্ৰেম, অহিংসা, দয়া, ক্ষমা আদি মানবীয় সৎ প্ৰবৃত্তিসমূহৰ কৰ্ষণ-চৰ্চনৰ ওপৰত গুৰুত্ব।

(৭) বৰ্ণবাদী সমাজৰ জাত-পাত উচ্চ-নীচ বিভেদৰ বিপৰীতে ('ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল . . .) জাতি-বৰ্ণ নিৰ্বিশেষে সকলো স্তৰৰে লোকৰ সম অধিকাৰ স্থাপন আদি।

এই লক্ষণসমূহৰ লগত জড়িত নীতি আদৰ্শসমূহ কলাত্মক উপায়েৰে জনমানসত ৰূপত বিলাই দিবলৈ আৰু জনসাধাৰণে শ্ৰৱণ-কীৰ্তনৰ যোগেদি নিজে নিজেই উপাসনা কৰিব পৰাৰ সুবিধাৰ বাবে বৈষ্ণৱ গুৰুসকলে কাব্য-নাট, গীত-উপাখ্যান আদি ৰচনা কৰিলে। এইদৰেই সৃষ্টি হ'ল অসমীয়া বৈষ্ণৱ সাহিত্যৰ অমূল্য ভাণ্ডাৰ। ইয়াৰ অধিক সংখ্যক ৰচনাই অনুবাদমূলক যদিও বৈষ্ণৱ কবিৰ প্ৰতিভাৰ পৰশত ৰচনাসমূহ আকৰ্ষণীয় আৰু গভীৰ আবেদনশীল হৈ উঠিছে। এইটোও বাস্তৱাৰ্থত সত্য যে এই সাহিত্য ভাণ্ডাৰত গীত-নাট, চৰিতপুথি আদিৰ দৰে কিছুসংখ্যক মৌলিক ৰচনাইও ঠাই পাইছে।

সাহিত্যৰ শ্ৰেণী বিভাগ অনুসাৰে বিচাৰ কৰিলে দেখা যায় যে অসমীয়া বৈষ্ণৱ সাহিত্যত প্ৰধানকৈ (১) কাব্য, (২) নাট, (৩) গীত, (৪) চৰিত পুথি (গদ্য আৰু পদ্যত) আৰু (৫) গদ্য ৰচনা বিদ্যমান। এই সাহিত্য সম্ভাৰৰ বিষয়বস্তুসমূহৰ উৎস হৈছে ৰামায়ণ, মহাভাৰত, পুৰাণ আৰু ইতিহাস।

অসমৰ বৈষ্ণৱ সাহিত্য ৰচিত হৈছে এটা ঠাঁচৰ কৃত্ৰিম অসমীয়া ভাষাত। প্ৰাকশংকৰী, শংকৰী আৰু উত্তৰ শংকৰী যুগৰ বৈষ্ণৱ কবিসকলে প্ৰয়োগ কৰা ভাষাত কথিত অসমীয়া আৰু কৃত্ৰিম সাহিত্যিক ভাষাৰ ব্যাকৰণগত সমল দেখিবলৈ পোৱা যায়। জতুৱা শব্দাৱলী আৰু গ্ৰাম্য জীৱনৰ পৰিচিত চিত্ৰ দাঙি ধৰিব পৰা শব্দ-চয়নৰ নৈপুণ্যও মনকৰিবলগীয়া। কল্পচিত্ৰ, প্ৰতীক, কবিপ্ৰসিদ্ধি, শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ প্ৰয়োগত বৈষ্ণৱ কবিসকলে সংস্কৃত সাহিত্যক অনুসৰণ কৰিছে। ছন্দসজ্জাৰ ক্ষেত্ৰত সাধাৰণ বিষয়বস্তু বৰ্ণনাত পদ (পয়াৰ); অনুভূতিমূলক বৰ্ণনাত ত্ৰিপদী অৰ্থাৎ ছবি, দুলড়ী আদি; প্ৰাৰ্থনা কাকূতি বিলাপ আদিত দীৰ্ঘ-ত্ৰিপদী বা লেচাৰী; যুদ্ধ-বিগ্ৰহৰ বৰ্ণনাত ঝুমুৰী ছন্দৰ প্ৰয়োগ বৈচিত্ৰ্য দেখা যায়। 'অংক'ৰ গীতৰ ছন্দৰীতি কিছু পৃথক। ইয়াত চপয়, ভটিমা আৰু মাত্ৰাবৃত্ত ছন্দৰীতিৰ প্ৰয়োগ সততে লক্ষ্য কৰা যায়।

বৈষ্ণৱ সাহিত্যত হাস্য, কৰুণ, শৃংগাৰ আদি ৰসৰ সমাবেশ থাকিলেও সকলো ৰসৰে কেন্দ্ৰ বিন্দু হ'ল ভক্তিৰস।

আদৰ্শত অটল আৰু প্ৰচাৰ উন্মুখ হোৱা বাবে বৈষ্ণৱ সাহিত্যত জনজীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা আদিৰ সম্যক প্ৰতিচ্ছবি স্বাভাৱিকতে অনুপস্থিত।

**আত্মমূল্যায়ন - ১**

**'বৈষ্ণৱ সাহিত্য' বুলিলে কি বুজা ?**

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ২.৩ শংকৰদেৱ আৰু মাধৱদেৱ প্ৰমুখ্যে তেওঁলোকৰ অনুগামীসকল

শংকৰদেৱ কেৱল বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক বা ধৰ্মীয় গুৰুৱেই নহয় উচ্চস্তৰীয় বৈষ্ণৱ সাহিত্যৰো অন্যতম সৃষ্টিকৰ্তা। তেওঁৰ প্ৰপন্ন শিষ্য মাধৱদেৱেও বৈষ্ণৱ সাহিত্য সৃষ্টিত প্ৰভূত অৱদান যোগাইছে। এই সাহিত্য যাত্ৰাত সহযোগিতা কৰা বৈষ্ণৱ কবিসকলৰ ভিতৰত অনন্ত কন্দলি, ৰাম সৰস্বতী, কংসাৰি কায়স্থ, ৰত্নাকৰ

কন্দলি, সাৰ্বভৌম ভট্টাচাৰ্য আৰু শ্ৰীধৰ কন্দলিয়েই প্ৰধান। তেনে আন কেইজনমান কবি হ'ল কলাপচন্দ্ৰ, গোপালচৰণ দ্বিজ, বৈকুণ্ঠনাথ ভট্টদেৱ, হৰিদেৱ, নাৰায়ণ দাস ঠাকুৰ আতা, ভৱানী পুৰীয়া গোপাল আতা, গোপালদেৱ, ৰামচৰণ ঠাকুৰ আদি।

### ২.৩.১ শংকৰদেৱৰ সাহিত্য

পৃথিৱীত এজনেই মাথো বিৰল প্ৰতিভাধৰ ধৰ্মপ্ৰচাৰক আছে যিজনে মানৱীয় মূল্যবোধ প্ৰতিষ্ঠাৰে সমাজ সংস্কাৰৰ আঁচনি বুকুত বান্ধি সুকুমাৰ কলাক ধৰ্ম প্ৰচাৰৰ মাধ্যম ৰূপে গ্ৰহণ কৰি বিপুল সাৰ্থকতা লভিবলৈ সমৰ্থ হৈছিল। চিত্ৰকলা, সংগীতকলা, স্থাপত্য কলা আৰু ভাস্কৰ্য কলাৰ লগতে সাহিত্য কলাক তেওঁ নৱৰূপ দি ৰসোত্তীৰ্ণ আৰু কালোত্তীৰ্ণ ৰূপত প্ৰতিষ্ঠা কৰিলে। পূৰ্বকবিসকলৰ কিছু সাহিত্যিক আদৰ্শ গ্ৰহণ কৰিছিল যদিও শংকৰদেৱে নিজৰ অনন্য প্ৰতিভাশক্তিৰে ভাষাৰ কমনীয়তা বঢ়াই মনোৰম ছন্দ অলংকাৰ সংযোগ কৰি বৈষ্ণৱ সাহিত্যক মহত্ব প্ৰদান কৰি গৈছে। নাট আৰু বৰগীতত প্ৰয়োগ কৰা ব্ৰজাৱলী ভাষাৰ বিশিষ্ট ভংগীটো তেওঁ নিজেই সৃষ্টি কৰা। 'মধুদানৱ দাৰণ দেৱ বৰং . . .' স্তোত্ৰটি আৰু 'ভক্তি ৰত্নাকৰ' নামৰ প্ৰকৰণ গ্ৰন্থখনি গুৰুজনাই সংস্কৃত ভাষাত ৰচনা কৰিছিল। অসমীয়া ভাষাত ৰচনা কৰা শংকৰদেৱৰ সাহিত্যৰাজি এনেদৰে শ্ৰেণী বিভাগ কৰি দেখুওৱাব পাৰিঃ

**(১) কাব্য ঃ** হৰিচন্দ্ৰ উপাখ্যান, ৰুক্মিণীহৰণ কাব্য, বলিচলন, অমৃতমন্থন, অজামিল উপাখ্যান আৰু কুৰুক্ষেত্ৰ।

**(২) ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ ঃ** ভক্তিপ্ৰদীপ, ভক্তিৰত্নাকৰ (সংস্কৃত ভাষাত), নিমিনৱসিদ্ধ সংবাদ আৰু অনাদি পাতন।

**(৩) অনুবাদমূলক ঃ** ভাগৱত (১ম আৰু ৬ষ্ঠ)

**(৪) অংকীয়া নাট ঃ** পত্নীপ্ৰসাদ, কালিয় দমন, কেলিগোপাল, ৰুক্মিনীহৰণ, পাৰিজাত হৰণ আৰু ৰামবিজয়।

**(৫) গীত ঃ** বৰগীত, নাটৰ গীত, ভটিমা, টোটয় আৰু চপয়।

**(৬) নামপ্ৰসংগ ঃ** কীৰ্তন আৰু গুণমালা।

অসমৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক জীৱনলৈ শংকৰদেৱৰ অৱদান বহুমুখী। সেই স্বকীয় ধ্যান-ধাৰণা আৰু দাৰ্শনিক তত্ত্বাদি বিধৃত হৈ আছে তেওঁৰ দ্বাৰা ৰচিত সমগ্ৰ সাহিত্যৰাজিৰ মাজত।

ড০ বাণীকান্ত কাকতিৰ মত অনুসৰি অসমীয়া আধ্যাত্মিক জীৱনৰ উৎকৰ্ষ বিষয়ত শংকৰদেৱৰ চতুৰংগ দান হ'ল।

(১) বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান দানৰ যোগে বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি সামাজিক চৈতন্যৰ জাগৰণ;

(২) কৰ্ম-ধৰ্মৰ বিভীষিকা নিবাৰণ;

(৩) বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰক আধ্যাত্মিক উপলব্ধিৰ প্ৰধান লীলাক্ষেত্ৰ বুলি ডাঠকৈ কৰা প্ৰতিপাদন আৰু

(৪) সামাজিক শ্ৰেণীবন্ধনৰ ব্যৱধান অপসাৰণ।

বিষয়বস্তুৰ বিশ্লেষণৰ জৰিয়তে শংকৰদেৱৰ সৃষ্ট সাহিত্যৰাজিৰ উক্ত 'চতুৰংগ দান'ৰ বিস্তাৰ আৰু বিকাশ দেখিবলৈ পোৱা যায়। সেই সাহিত্যৰাজি হ'ল-

(১) উপাখ্যানমূলক,

(২) অনুবাদমূলক,

(৩) তত্ত্বালোচনামূলক,

(৪) গীত-কীৰ্তনমূলক আৰু

(৫) নাট্য-কলামূলক

'হৰিচন্দ্ৰ উপাখ্যান' আৰু 'ৰুক্মিণীহৰণ' শংকৰদেৱৰ আদি বয়সৰ কাব্যকৃতিৰ অপূৰ্ব নিদৰ্শন। উপাখ্যান বা কাহিনীকথন ইয়াৰ মুখ্য উদ্দেশ্য হ'লেও কবিয়ে দুয়োখন ৰচনাকে কাব্য গুণেৰে ৰসোত্তীৰ্ণ কৰি তুলিছে। ড০ মহেশ্বৰ নেওগে কীৰ্তন পুথিত সন্নিবিষ্ট 'অজামিল উপাখ্যান', 'গজেন্দ্ৰোপাখ্যান', 'অমৃতমথন', 'বলিচলন' আৰু 'কুৰুক্ষেত্ৰ' কাব্যকো উপাখ্যান শ্ৰেণীত সামৰিছে।

অনুবাদ বিষয়ত শংকৰদেৱ অনন্যোপম। ভাগৱতৰ বিভিন্ন স্কন্ধ আৰু ৰামায়ণৰ 'উত্তৰাকাণ্ড'ৰ ভাঙনিত ইয়াৰ প্ৰমাণ স্পষ্ট হৈ আছে। অৱশ্যে তত্ত্বৰ মৌলিক ৰূপটো প্ৰকাশ কৰাই ঘাই উদ্দেশ্য হোৱা বাবে কবিয়ে বাহুল্য বৰ্জন কৰিব লগা হৈছে। শংকৰদেৱৰ তত্ত্ব-দৰ্শনৰ জ্ঞান, অনুবাদ প্ৰতিভা আৰু কবিত্ব শক্তিৰ উজ্জ্বলতম নিদৰ্শন হ'ল ভাগৱতৰ দশম স্কন্ধৰ অসমীয়া ভাঙনি।

ভক্তিতত্ত্ব নিৰূপণৰ বাবে ৰচনা কৰা শংকৰদেৱৰ গ্ৰন্থসমূহ হ'ল 'ভক্তি-প্ৰদীপ', 'অনাদিপাতন' আৰু 'নিমিনৱসিদ্ধ সংবাদ'। দুৰূহ তত্ত্বপ্ৰধান বিষয়সমূহৰ সহজ-সৰল প্ৰকাশ এই ৰচনা কেইখনিৰ প্ৰধান বৈশিষ্ট।

মাংগলিক অনুষ্ঠানত ভক্তসকলে নিজে কণ্ঠদান কৰি গাব পৰাকৈ শংকৰদেৱে 'বৰগীত' আৰু কীৰ্তন-ঘোষা' আদি ৰচনা কৰিছিল। নাটসমূহৰ মাজত সংযোগ কৰিবলৈও গীত, ভটিমা আদি সৃষ্টি কৰা হৈছিল। গভীৰ আধ্যাত্মিক ভাৱ-বস্তুৰ প্ৰকাশৰ লগতে ছন্দ বৈচিত্ৰ্য আৰু উপমা-অনুপ্ৰাসাদি কাব্যালংকাৰৰ সুষম প্ৰয়োগে শংকৰদেৱৰ গীতিসাহিত্যক যুগজয়ী কৰি ৰাখিছে।

অংকীয়া নাট শংকৰদেৱৰ অনবদ্য সৃষ্টি। নাট্য-কলাৰ বিকাশ-প্ৰকাশৰ বাবে তেওঁ ছয়খন পূৰ্ণ পৰ্যায়ৰ নাট ৰচনা কৰিছিল। পৰৱৰ্তী কালত এই নাটসমূহেই 'অংকীয়া নাট'ৰূপে পৰিচিত হ'বলৈ ধৰিলে। ভৰতৰ নাট্যশাস্ত্ৰ, অসমৰ থলুৱা নাট্যধৰ্মী অনুষ্ঠান আৰু শংকৰদেৱৰ সৃষ্টিশীল নাট্য প্ৰতিভাৰ ত্ৰিবেণী সংগমত এই নাট্য-ধাৰাই প্ৰাণ পাইছিল।

## ২.৩.২ মাধৱদেৱৰ সাহিত্য

শংকৰদেৱৰ একান্ত অনুগামী আৰু প্ৰপন্নশিষ্য মহাপুৰুষ মাধৱদেৱেও গুৰুৰ পদাংক অনুসৰণ কৰি ধৰ্মপ্ৰচাৰৰ লগতে সাহিত্য সৃষ্টিত মনোনিবেশ কৰিছিল। এওঁ বৈষ্ণৱ আন্দোলনৰ শক্তি-সামৰ্থ আৰু সাৰ্থকতাৰ অন্যতম অংশীদাৰ। শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱন এনেদৰে সম্পৃক্ত যে ইজনক বাদ দি সিজনৰ ব্যক্তিত্বৰ মূল্যাংকন কৰিব পৰা অসম্ভৱ কথা।

শংকৰদেৱৰ দৰে মাধৱদেৱো আছিল অনন্য প্ৰতিভাৰ অধিকাৰী। সাহিত্য সৃষ্টি তেওঁৰ মহৎ প্ৰতিভাৰ স্বাক্ষৰ।

**মাধৱদেৱৰ ৰচনাৱলী ঃ**

**(১) আখ্যানমূলক ৰচনা ঃ** ৰামায়ণৰ আদিকাণ্ড, ৰাজসূয় কাব্য।

**(২) তত্বমূলক ৰচনা ঃ** জন্ম ৰহস্য, ভক্তি ৰত্নাৱলী, নামঘোষা আৰু নামমালিকা।

**(৩) ঝুমুৰা ঃ** চোৰধৰা, পিম্পৰা গুছোৱা, দধিমথন, ভূমি লেটোৱা আৰু ভোজন বিহাৰ।

**(৪) গীত ঃ** বৰগীত, নাটৰ গীত আৰু ভটিমা

মাধৱদেৱৰ নামত প্ৰচলিত হৈ থাক ৰাস ঝুমুৰা, কোটোৱা খেলা, ভূষণহৰণ আৰু ব্ৰহ্মামোহন— এই নাটকেইখন যে তেৰাৰ ৰচনা নহয় সেয়া বৰ্তমান প্ৰমাণিত হৈছে।

মাধৱদেৱৰ আখ্যানমূলক ৰচনা হ'ল– 'ৰামায়ণৰ আদিকাণ্ড' আৰু 'ৰাজসূয়' কাব্য। অন্যান্য ৰচনাত শিশুকৃষ্ণই প্ৰাধান্য পোৱাৰ দৰে তেওঁৰ আদিকাণ্ড ৰামায়ণত তৰুণ বয়সৰ শ্ৰীৰাম চৰিত্ৰই প্ৰাধান্য পোৱাটো তাৎপৰ্যপূৰ্ণ কথা। মৌলিক ৰচনা যেন লগা ইয়াৰ অনুবাদমূলক পদখিনিৰ জৰিয়তে স্থান, চৰিত্ৰ, যুদ্ধ-বিগ্ৰহ আদিয়ে জীৱন্ত ৰূপ লাভ কৰিছে। 'ৰাজসূয়' কাব্যতো মাধৱদেৱৰ দক্ষতা বিদ্যমান।

'জন্মৰহস্য', 'নামঘোষা', 'ভক্তিৰত্নাৱলী' আৰু 'নামমালিকা' হ'ল মাধৱদেৱৰ ভক্তিতত্বমূলক ৰচনা। ভক্তি ধৰ্মৰ গূঢ়াৰ্থ তত্ব এই গ্ৰন্থৰাজিৰ মাজেৰে সহজ-সৰল ৰূপত উপস্থাপন কৰা হৈছে। 'নামঘোষা' এইসমূহৰ ভিতৰত অন্যতম। উচ্চ আধ্যাত্মিক তত্ব আৰু উচ্চ সাহিত্যিক আদৰ্শ সম্বলিত এই নামঘোষাত মাধৱদেৱৰ শক্তি, ভক্তি, তত্ব, কবিত্বৰ অতুলনীয় প্ৰতিভা প্ৰতিভাত হৈছে। 'ভক্তিৰত্নাৱলী' গ্ৰন্থতো সেই প্ৰতিভা অক্ষুন্ন আছে।

শংকৰদেৱৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ মাধৱদেৱে নাটৰচনাত হাত দিছিল যদিও তেওঁৰ নাটসমূহত স্বকীয় প্ৰতিভাৰ স্বাক্ষৰ বিদ্যমান। 'অৰ্জুনভঞ্জন' নামৰ নাটখনিৰ

বাহিৰে 'ঝুমুৰা' ৰূপে পৰিচিত বাকী নাটসমূহত অংকীয়া নাটৰ ভালেমান উপাদান অনুপস্থিত। বিষয়বস্তুৰ পৰিসৰৰ হ্ৰস্বতা, নৃত্যগীত আৰু নাৰী চৰিত্ৰৰ প্ৰাধান্য, কেন্দ্ৰীয় চৰিত্ৰৰ স্থানত শিশুকৃষ্ণৰ ভূমিকা আদি ঝুমুৰাৰ প্ৰধান বৈশিষ্ট্য।

বৰগীত, নাটৰগীত আৰু ভটিমা আদিৰ জৰিয়তে মাধৱদেৱৰ গীতৰচনাৰ দক্ষতা সুন্দৰকৈ প্ৰকাশ পাইছে। উচ্চস্তৰীয় আধ্যাত্মিক ভাৱাদৰ্শ, উচ্চস্তৰীয় সাহিত্যিক মূল্য আৰু উচ্চস্তৰীয় সাংগীতিক উপাদানে বৰগীতসমূহক অধিক মহিমামণ্ডিত কৰি তুলিছে। নাটৰ গীত আৰু ভটিমা আদিতো মাধৱদেৱৰ কবিত্ব শক্তিৰ স্বাক্ষৰ বিদ্যমান।

### ২.৩.৩ শংকৰদেৱৰ অনুগামীসকলৰ সাহিত্য

শংকৰ-মাধৱৰ একান্ত অনুগামী আৰু সহকৰ্মী অনন্ত কন্দলি আৰু ৰামসৰস্বতীয়ে বৈষ্ণৱ সাহিত্য সমৃদ্ধিশালী কৰি যোৱাৰ উপৰিও অসমীয়া সমাজত ধৰ্ম আৰু শিক্ষা বিস্তাৰৰ বেলিকা যথেষ্ট সহযোগিতা আগবঢ়াই গৈছে।

ৰামায়ণ (অনুবাদ), কুমৰ হৰণ কাব্য, ভাগৱত (ষষ্ঠ স্কন্ধ), বৃত্তাসুৰ বধ, মধ্য আৰু শেষ দশম, মহীৰাৱণ বধ কাব্য আৰু সীতাৰ পাতাল প্ৰবেশ নাট অনন্ত কন্দলিৰ উল্লেখযোগ্য ৰচনা। অনন্ত কন্দলিৰ অক্ষয় কীৰ্তি হ'ল মধ্য দশম আৰু শেষ দশম।

অধিক সংখ্যক পদ ৰচনা কৰোঁতা হিচাপে ৰামসৰস্বতীৰ বিশেষ সুখ্যাতি হ'ল প্ৰত্যক্ষভাৱে মহাভাৰতীয় উপাদান। আৰু আনটো হ'ল 'হংসকাকী', 'যামলসংহিতা', 'শিৱ ৰহস্য' আদিৰ পৰা সংগ্ৰহ কৰা কৌৰৱ-পাণ্ডৱ সম্পৰ্কীয় আখ্যানসমূহ। প্ৰথম শ্ৰেণীৰ ৰচনাসমূহৰ মূল মহাভাৰতৰ বিষয়বস্তুৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰে এবিধ মহাভাৰতৰ পৰ্বসমূহৰ অনুবাদ আৰু আনবিধ মহাভাৰতৰ কিছুমান আখ্যানৰ অসমীয়া ৰূপান্তৰ। দ্বিতীয় শ্ৰেণীত অন্তৰ্ভুক্ত ৰচনাসমূহৰ মূল উৎস মহাভাৰতত পোৱা নাযায়।

**মহাভাৰতীয় প্ৰত্যক্ষ উৎসৰ ৰচনাসমূহ হ'ল ঃ**

(১) আদিপৰ্ব, (২) সভাপৰ্ব (ইয়াৰ অংশ বিশেষ পুত্ৰ গোপীনাথ পাঠকৰ দ্বাৰা ৰচিত), (৩) বনপৰ্ব, (৪) বিৰাটপৰ্ব, (৫) উদ্যোগপৰ্ব, (৬) ভীষ্মপৰ্ব (অধিকাংশ),(৭) দ্ৰোণপৰ্ব (একাংশ), (৮) কৰ্ণপৰ্ব, (৯) গদাপৰ্ব আৰু (১০) শান্তিপৰ্বৰ সাবিত্ৰী আখ্যান।

প্ৰথম শ্ৰেণীৰ ৰচনাসমূহ মূল মহাভাৰতীয় কাহিনীৰ ভাবনুবাদ। নিৰক্ষৰ প্ৰকাশৰ বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। বীৰত্ব, ভয়, ক্ৰোধ, ঈৰ্ষা, প্ৰতিশোধ পৰায়ণতা ভাতৃপ্ৰেম পুত্ৰস্নেহ আদি সহজাত প্ৰবৃত্তিসমূহৰ চিত্ৰণত কবিয়ে পাৰদৰ্শিতা দেখুৱাইছে। সামগ্ৰিকভাৱে মূলৰ চৰিত্ৰ আৰু কাৰ্যকলাপ তথা আখ্যান ভাগৰ ৰূপৰেখা কবি ৰাম সৰস্বতীয়ে হেৰফেৰ হ'বলৈ দিয়া নাই।

দ্বিতীয় শ্ৰেণীৰ ৰচনাসম্ভাৰক সামগ্ৰিকভাৱে বধকাব্য আখ্যা দিয়া হৈছে। কাৰণ ইয়াৰ প্ৰতিখন কাব্যৰ কাহিনীত একোটা দুষ্কৃতিকাৰী দৈত্য বা দানৱক নায়ক বা নায়িকাৰ দ্বাৰা বধ কৰোৱা হৈছে। বধকাব্যসমূহ একপ্ৰকাৰ ৰূপকধৰ্মী সাহিত্য। বৈষ্ণৱধৰ্মৰ আদৰ্শসমূহ প্ৰতিখন কাব্যৰ আখ্যান ভাগৰ মাজেদি দাঙি ধৰা হৈছে। জগতত দুষ্কৃতি বা আসুৰিক শক্তি বিনাশ কৰি সাম্যভাৱ প্ৰদৰ্শনৰ চেষ্টা কাহিনীসমূহৰ অন্তৰালত নিহিত হৈ আছে। বধকাব্যসমূহৰ প্ৰধান বৈশিষ্ট্যবোৰ হৈছে— (১) বীৰ, অদ্ভূত আৰু ৰৌদ্ৰ ৰসাত্মক বৰ্ণনাৰ প্ৰাধান্য; (২) যুদ্ধৰ পুংখানুপুংখ বিৱৰণ, (৩) ভক্তসমাজৰ প্ৰতিভূস্বৰূপ পঞ্চপাণ্ডৱৰ সখা কৃষ্ণৰ সহায়ত শেষ ফলত বিজয় প্ৰাপ্তি আৰু (৪) গল্পৰ চলেৰে নৈতিক আদৰ্শ প্ৰচাৰ।

চিত্ত বিনোদনৰ জৰিয়তে নিৰক্ষৰী তথা স্বল্পাক্ষৰী জনতাক সাহিত্যপ্ৰেমী পাঠক নাইবা ৰসগ্ৰাহী শ্ৰোতা হিচাপে গঢ়ি তোলাত বধকাব্যসমূহৰ ভূমিকা অপৰিসীম। অৱশ্যে উচ্চস্তৰীয় কল্পনা বা সাহিত্য কৌশল ৰামসৰস্বতীৰ ৰচনাত বিৰল। তথাপি মহাপুৰুষ দুজনাৰ পিচত ৰামসৰস্বতীৰ স্থান তৃতীয়।

কংসাৰি কায়স্থ, ৰত্নাকৰ কন্দলি, সাৰ্বভৌম ভট্টাচাৰ্য আৰু শ্ৰীধৰ কন্দলি আদি শংকৰদেৱৰ অনুগামী সমসাময়িক কবি। বিবিধ কাব্য ৰচনাৰে এইসকলে বৈষ্ণৱ সাহিত্য বৰ্ণাঢ্য কৰি থৈ গৈছে। কিৰাটপৰ্ব আৰু বিৰাটপৰ্বৰ ‘দক্ষিণ গো-গ্ৰাহ’ৰ কিছু অংশ আৰু ‘উত্তৰ গো-গ্ৰাহ’ কংসাৰি কায়স্থৰ ৰচনা। সংখ্যাত তাকৰীয়া হ’লেও কবি প্ৰতিভাৰ স্বাক্ষৰ তেওঁৰ ৰচনাত আছে।

মহাপুৰুষ শংকৰদেৱৰ কীৰ্তন পুথিৰ অন্তৰ্ভুক্ত ‘সহস্ৰ নাম বৃত্তান্ত’ৰ ৰচকজনেই হৈছে ৰত্নাকৰ কন্দলি। ভক্তিভাৱৰ গভীৰতাৰ লগতে সাহিত্য সৌষ্ঠৱো তেওঁৰ ৰচনাত আছে। ‘ব্ৰহ্মগীতা’ আৰু ‘গীতা-কীৰ্তন’ নামৰ গ্ৰন্থ দুখনৰ গ্ৰন্থকাৰ হিচাপেও তেওঁৰ নাম জড়িত।

সাৰ্বভৌম ভট্টাচাৰ্যৰ নামত ‘স্বৰ্গখণ্ড’ আৰু ‘বৃহৎস্বৰ্গখণ্ড’ নামৰ দুখন পুথি পোৱা গৈছে। পণ্ডিতসকলে কিন্তু এই নামৰ ব্যক্তিৰ অস্তিত্বত সন্দেহ প্ৰকাশ কৰিছে। আৰু ইয়াক আন কোনোবা ছদ্মবেশী কবিৰ প্ৰৱোচনামূলক ৰচনা বুলি অনুমান কৰিছে।

‘কাণখোৱা’ আৰু ‘ঘুনুচা-কীৰ্তন’ নামৰ দুখন প্ৰসিদ্ধগ্ৰন্থৰ গ্ৰন্থকাৰ হ’ল শ্ৰীধৰ কন্দলি। দুয়োখন জনপ্ৰিয় গ্ৰন্থৰ মাজেদি কবিজনাৰ সাহিত্য প্ৰতিভাৰ সুন্দৰ স্বাক্ষৰ পোৱা যায়।

আত্মমূল্যায়ন - ২

**বৈষ্ণৱ যুগৰ সাহিত্যৰাজিৰ চমু আভাস দিয়া।**

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ২.৪ পাঁচালী সাহিত্য

### ২.৪.১ পাঁচালী সাহিত্যৰ স্বৰূপ

'পাঁচালি' শব্দৰ মূল হৈছে সংস্কৃত পাঞ্চালী বা পাঞ্চালিকা– ইয়াৰ অৰ্থ হৈছে পুতলা। পূৰ্বতে পুতলা নাট বা পুতলা নাচৰ লগত সাংগীতিক ৰূপত জড়িত হৈ আছিল বাবে সম্ভৱতঃ এই শ্ৰেণীৰ সাহিত্যই পাঁচালি সাহিত্য নাম পাইছে। কোনো কোনো পণ্ডিতে 'পাঁচালি সাহিত্য' পাঞ্চাল দেশত (কনৌজ) উদ্ভৱ আৰু বিকাশ হোৱা বাবে সেই নাম হোৱা বুলি অনুমান কৰে। আনহাতে পাঁচালিৰ গায়ন পদ্ধতিত পাঁচজন বিশেষ ব্যক্তি জড়িত থাকে আৰু ইয়াৰ গীত-পদত মালিতা, ৰাগ, দিহা, বানা আৰু থোকা ৰূপে পাঁচটা অংগ নিহিত হৈ থাকে। সেইকাৰণেও এই শ্ৰেণীৰ সাহিত্যৰ নাম 'পাঁচালি' হোৱা বুলি কোনো কোনোৱে মত পোষণ কৰে। পাঁচালিৰ বিকল্প নাম হৈছে 'ওজাপালি'।

পাঁচালি সাহিত্যৰ বিষয়বস্তুত বৈষ্ণৱ ভাৱাদৰ্শ পোৱা নাযায়। যিহেতু নৱবৈষ্ণৱ আন্দোলনৰ ভৰপকৰ সময়তো পাঁচালি কবিসকল তাৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত আছিল। বিষয়বস্তুৰ উৎস বিচাৰত পাঁচালি সাহিত্যৰ দুটা ৰূপ পোৱা যায়। প্ৰথমটো পৌৰাণিক শাখা আৰু দ্বিতীয়টো মনসাশাখা।

মনসা শাখাটো পদ্মা বা বিষহৰিৰ মাহাত্ম্য প্ৰকাশক কাহিনী সম্বলিত। ইয়াৰো আকৌ দুটা উপশাখা আছে। এটা সৰ্পদেৱী মনসাৰ মহত্ব প্ৰকাশক বৃত্তান্ত আৰু আনটো হৈছে বেউলা-লক্ষিন্দাৰৰ জনপ্ৰিয় কাহিনী সম্বলিত। মনসাৰ পাঁচালি গোৱা শিল্পীদলক 'মাৰৈ গোৱা ওজাপালি' আৰু পুৰাণ ভিত্তিক পাঁচালি গোৱা শিল্পীদলক 'বিয়াহ গোৱা ওজাপালি' বুলি কোৱা হয়। ব্যাস বিৰচিত মহাভাৰতীয় কাহিনীৰ প্ৰাধান্য থকা বাবে ইয়াক 'ব্যাস গোৱা' বা 'বিয়াহ গোৱা' বোলে। আনহাতে মনসা শাখাৰ পাঁচালিসমূহক বিষহৰিৰ গীত বা মাৰৈ পূজাৰ গীত আৰু ওজাপালিৰ উদ্দেশ্যে ৰচনা কৰা মহাভাৰতৰ কাহিনী সম্বলিত পাঁচালিসমূহক বিয়াহৰ গীত বুলি কোৱা হয়। ইয়াত মহাভাৰতৰ লগতে ৰামায়ণ আৰু পুৰাণ উপপুৰাণৰ গীতো পাঁচালিৰ ৰূপত পোৱা যায়। বিষয়গত পাৰ্থক্য থাকিলেও দুয়োটা শাখাৰে সাহিত্যিক মূল্য অভিন্ন।

আত্মমূল্যায়ন - ৩

'পাঁচালী' শব্দটোৰ আঁতিগুৰি বিচাৰ কৰা।

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

## ২.৪.২ পাঁচালী সাহিত্যৰ বৈশিষ্ট্য

(১) বৈষ্ণৱ আদৰ্শৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত।

(২) ইয়াৰ ঘাই উদ্দেশ্য ধৰ্ম পথৰ সন্ধান নহয় কাব্যৰস আৰু লৌকিক ৰুচিৰ যোগেদি শ্ৰুতিনন্দন ভাষাৰে জনসাধাৰণৰ চিত্ত বিনোদন কৰাটোহে মূল উদ্দেশ্য।

(৩) শৃংগাৰ আৰু বীভৎস ৰস সৃষ্টিত কবিসকলৰ উৎসাহবোধ ইয়াত বিশেষভাৱে পৰিলক্ষিত হয়।

(৪) কাব্যৰীতিৰ বৈচিত্ৰ্যহীনতা আৰু অনুপ্ৰাস, উপমা আদি অলংকাৰ প্ৰয়োগৰ সীমাবদ্ধতা ইয়াত লক্ষ্য কৰা যায়।

(৫) অলৌকিক বৰ্ণনাৰ মাজেৰে লৌকিক চিত্ত আকৰ্ষণ কৰোৱাৰ প্ৰৱণতা ইয়াত আছে।

(৬) লৌকিকতা আৰু গ্ৰাম্যতাৰ বহুল প্ৰকাশ ইয়াত বিদ্যমান।

(৭) ইয়াত প্ৰয়োগ হোৱা ভাষা সৰ্বসাধাৰণৰ কথিত ভাষা, সাহিত্যিক ভাষাৰ কৃত্ৰিমতা ইয়াত নিচেই কম।

(৮) বিশিষ্ট গায়ন পদ্ধতিৰে পৰিবেশিত এই গীতসমূহ ৰাগ সংগীতৰ ভিতৰুৱা।

(৯) ই আংশিকভাৱে ধৰ্মীয় চাপ থকা গীতি সাহিত্য আৰু অনুষ্ঠানমূলক পৰম্পৰাগত পৰিবেশ্য কলাৰ সৈতে জড়িত।

## ২.৫ পাঁচালী সাহিত্যৰ কবিসকল

পাঁচালি সাহিত্যক প্ৰাণৱন্ত কৰি জনসমাজত প্ৰতিষ্ঠা লাভ কৰা কবিসকলৰ ভিতৰত চাৰিজনৰ নাম বিশেষভাৱে উল্লেখনীয়। সেইকেইজন হ'ল–

(১) পীতাম্বৰ,

(২) দুৰ্গাবৰ,

(৩) নাৰায়ণদেৱ আৰু

(৪) মনকৰ।

এই আটাইকেইজন পাঁচালী কবি নৱবৈষ্ণৱ ভক্তি আন্দোলনৰ সমসাময়িক আছিল যদিও বৈষ্ণৱ আদৰ্শৰ প্ৰভাৱৰ পৰা মুক্ত আছিল। সেয়েহে এওঁলোকক 'বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবি' বুলি কোৱা হয়। এওঁলোকে ৰচনা কৰা গীতপদক 'পাঁচালী' বোলা হয়। কাৰণ এইবোৰত পাঁচালী ছন্দ ব্যৱহাৰ হৈছে। এই ৰচনাবোৰত বিশেষ ৰীতি আনুগত্য, অনুপ্ৰাস, উপমা আদি অলংকাৰ ব্যৱহাৰৰ প্ৰাচুৰ্য দেখা নাযায়। আদি ৰসাত্মক বৰ্ণনা, বীভৎস ৰস আৰু অলৌকিকতাৰ মাজেদি লোকমনক আকৰ্ষণ কৰাৰ প্ৰয়াসহে দেখিবলৈ পোৱা যায়।

বিষয়বস্তুৰ উৎস অনুসৰি পাঁচালি সাহিত্য দুটা শাখাত বিভক্ত—

(১) পৌৰাণিক শাখা

(২) মনসা শাখা।

### ২.৫.১ পৌৰাণিক শাখা

পুৰাণৰ কাহিনীৰ আধাৰত সৃষ্টি হোৱা পাঁচালি সাহিত্যৰাজিক পৌৰাণিক শাখাত ধৰা হৈছে। এই শাখালৈ অৰিহণা যোগোৱা কবিসকলৰ ভিতৰত পীতাম্বৰ কবি অন্যতম। এতিয়ালৈকে আৱিস্কৃত হোৱা ঊষাপৰিণয়, ভাগৱতৰ দশম স্কন্ধ, মাৰ্কণ্ডেয় চণ্ডি আৰু নল-দময়ন্তী পীতাম্বৰৰ ৰচনা। ঊষা পৰিণয় আৰু নল দময়ন্তীৰ বাহিৰে বাকীকেইখন কাব্যত পাঁচালিৰ লক্ষণ সীমিত। গীতৰ সলনি তাত কেৱল বৰ্ণনাত্মক পদানুবাদহে পোৱা যায়। ১৫৩৩ খৃষ্টাব্দত (১৪৫৫ শক) ৰচনা কৰা 'ঊষা পৰিণয়' কাব্য কবিৰ প্ৰথম ৰচনা। এই কাব্যত নিজকে 'শিশুমতি' বুলি পৰিচয় দিয়া কবিয়ে শৃংগাৰ ৰস সৃষ্টিত অত্যুৎসাহ দেখুওৱালৈ চাই 'নবীন যুৱা কাল'ৰ ৰচনা বুলি পতিয়ন যাব পাৰি। হৰিবংশৰ অন্তৰ্ভুক্ত বিষ্ণুপৰ্বৰ আধাৰত ৰচিত ঊষাপৰিণয়ত কবিয়ে কিছু কাব্য কথা সংযোগ কৰিছে যদিও সাহিত্য-সৌন্দৰ্য সম্বলিত গীতবোৰ কবিৰ মৌলিক ৰচনা। তেওঁৰ দ্বিতীয়খন গ্ৰন্থ হ'ল ভাগৱতৰ দশম স্কন্ধ। পয়াৰ আৰু ত্ৰিপদী ছন্দত ৰচিত এই কাব্য গীতি-সাহিত্যৰ মনোৰম নিদৰ্শন। মূল সংস্কৃত মাৰ্কণ্ডেয় চণ্ডিৰ পদানুবাদ আৰু নল-দময়ন্তী কাব্যৰ মাজেদিও কবিৰ কাব্য প্ৰতিভা প্ৰতিভাত হৈছে।

অপ্ৰমাদী কবি মাধৱ কন্দলিৰ ৰামায়ণৰ পিচত অসমীয়া ভাষাত ৰামায়ণ ৰচনা কৰা দ্বিতীয়জন ব্যক্তিয়েই হ'ল দুৰ্গাবৰ কায়স্থ। এওঁৰ দ্বাৰা ৰচিত দুখন গ্ৰন্থ পোৱা যায়— এখন গীতিৰামায়ণ আৰু আনখন হ'ল বেউলা আখ্যান। বেউলা

আখ্যান মনসা শাখাৰ অন্তৰ্গত। চন্দ্ৰধৰ কায়স্থৰ পুত্ৰ দুৰ্গাবৰ নীলাচলবাসী আছিল বুলি অনুমান কৰা হয়। গীতি ৰামায়ণৰ সঠিক ৰচনাকাল জনা নগ'লেও এয়া যে কবিৰ পুৰঠ বয়সৰ ৰচনা সেই কথা প্ৰতীয়মান হয়। এই কাব্যত বাল্মীকি ৰামায়ণৰ প্ৰভাৱ অনুপস্থিত। ইয়াক কন্দলি ৰামায়ণৰ এক জনপ্ৰিয় সংস্কৰণ বুলিহে অভিহিত কৰিব পাৰি। তথাপি কবিৰ কাব্য প্ৰতিভাৰ প্ৰকাশ ইয়াত উজ্জ্বল হৈয়ে আছে।

### ২.৫.২ মনসা শাখা

সৰ্পভয় নিবাৰণৰ অৰ্থে সৰ্প পূজা কৰাৰ প্ৰথা বিশ্বৰ বহুতো জনগোষ্ঠীৰ মাজত প্ৰচলিত। ভাৰতবৰ্ষ তথা অসমতো সৰ্পদেৱী মনসা বা পদ্মাক বিধিবদ্ধ পূজাৰে সন্তুষ্ট কৰিব পাৰিলে সৰ্পভয় নিবাৰণৰ লগতে অমংগল বিনাশ হয় আৰু আয়ুস, যশ-গৌৰৱ, ধনদৌলত আদি বৃদ্ধি হয় বুলি উপাসকসকলে বিশ্বাস কৰে। অসমত প্ৰচলিত পাঁচালি সাহিত্যৰ মনসা শাখাত দুটা ৰূপ পৰিলক্ষিত হয়। এটা হ'ল মনসাৰ জন্ম ৰহস্য আৰু মাহাত্ম্য ব্যাখ্যান, আনটো হ'ল বেউলা-লক্ষিন্দাৰৰ মনোগ্ৰাহী আখ্যান। এই শাখাক পৰিপুষ্ট কৰিছে দুৰ্গাবৰৰ 'বেউলা আখ্যান', সুকবি নাৰায়ণদেৱৰ 'পদ্মা পুৰাণ' আৰু মনকৰৰ একে নামৰ 'পদ্মাপুৰাণ' কাব্যই। দুৰ্গাবৰৰ 'বেউলা আখ্যান'ত মনসাবিৰোধী স্থিতিত থকা বাবে প্ৰতিশোধ পৰায়ণা মনসা দেৱীয়ে চান্দ সদাগৰক দিয়া সীমাহীন দুৰ্গতি, নৱবিবাহিত পুত্ৰ লক্ষিন্দাৰৰ সৰ্প দংশনত মৃত্যু, নৱপৰিনীতা পত্নী বেউলাৰ সতীত্বৰ বলত লক্ষিন্দাৰৰ পূৰ্ণ জীৱন লাভ আৰু অৱশেষত চান্দ সদাগৰে বাওঁহাতেৰে মনসাক পূজা দিবলৈ সন্মত হোৱা বিস্তৃত কাহিনী বিদ্যমান। সুকবি নাৰায়ণদেৱৰ পদ্মাপুৰাণত অনুৰূপ কাহিনীৰ বৰ্ণনা থাকিলেও কবিয়ে আন ভালেমান প্ৰাসংগিক কাহিনীৰ সংযোগ ঘটাইছে। কবি মনকৰৰ ৰচনাৰ ভিতৰত কেৱল পদ্মাপুৰাণৰ অংশ বিশেষহে পোৱা গৈছে। তেওঁ ৰচনা কৰা 'বেউলা আখ্যান' বৰ্তমানলৈকে উদ্ধাৰ হোৱা নাই। মনকৰ ৰচনাত ঘাইকৈ জনসমাজৰ লৌকিকতাৰ বৰ্ণনা পোৱা যায়। সাহিত্যিক গাম্ভীৰ্যৰ বিপৰীতে স্থান বিশেষে লঘু হাস্যোদ্দীপক চিত্ৰ অংকনৰ ক্ষেত্ৰত কবি অধিক সচেষ্ট যেন অনুভৱ হয়। মনকৰৰ ভাষাত পাণ্ডিত্যৰ প্ৰভাৱ নাই। ঘৰুৱা পৰিবেশ আৰু অভিজ্ঞতাৰ চিত্ৰৰে পৰিপূৰ্ণ তেওঁৰ ৰচনাত দেৱদেৱীও সাধাৰণ মানুহৰ ৰূপত অৱতীৰ্ণ হৈছে। শৃংগাৰ আৰু হাস্যৰস প্ৰকাশ কৰিবলৈ যাওঁতে কবিয়ে সুৰুচিৰ পৰিসীমাও অতিক্ৰম নকৰা নহয়। উত্তৰ বংগৰ মনসা কবিসকলৰ মনসাকাব্য বা মনসামংগলৰ লগত মনকৰৰ ৰচনাৰ ভাষাগত, বিষয়গত আৰু চিত্ৰগত সাদৃশ্য লক্ষ্য কৰা যায়। দুৰ্গাবৰ

কায়স্থৰ পদ্মাপুৰাণ মনসা শাখাৰ আন এখন উল্লেখযোগ্য কাব্য। ইয়াত বেউলাৰ আখ্যানটো বিস্তৃতভাৱে বৰ্ণিত হৈছে। দুৰ্গাবৰৰ হাতত ছয় ৰিপুৰ বশৱৰ্তী দেৱতাসকল ইতৰ মনুষ্যৰ শাৰীলৈ নামিছে আৰু উচ্চতম ব্যক্তিত্বৰ অধিকাৰী মানুহ দেৱতাৰ শাৰীলৈ উত্তীৰ্ণ হৈছে। চন্দ্ৰধৰৰ মহত্ব, দৃঢ়তা, পৌৰুষ আৰু একনিষ্ঠতা, সোনেকাৰ পুত্ৰবৎসলতা, বেউলাৰ সতীত্বৰ মহত্ব আৰু পদ্মাৰ প্ৰতিশোধ পৰায়ণতাৰ চিত্ৰ কাব্যখনত সাৰ্থকভাৱে বৰ্ণিত হৈছে।

আত্মমূল্যায়ন - ৪

**পাঁচালী সাহিত্যক প্ৰধানকৈ কেইটা শাখাত ভাগ কৰা হৈছে আৰু শাখা কেইটা কি কি ?**

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ২.৬ সাৰাংশ

- শংকৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মত নৱবিধা ভক্তিৰ ভিতৰত ‘নিৰ্গুণ কৃষ্ণৰ গুণ’ শ্ৰৱণ-কীৰ্তনত অধিক গুৰুত্ব দিয়া হৈছে বাবে নৱবৈষ্ণৱ ধৰ্মক ভক্তিধৰ্ম বা নামধৰ্ম বুলিও কোৱা হয়।
- মহাপুৰুষ শংকৰদেৱে অসমত বৈষ্ণৱ আন্দোলন অধিক শক্তিশালী ৰূপত আগবঢ়াই নিবলৈ বৈষ্ণৱ সাহিত্য সৃষ্টিত আত্মনিয়োগ কৰে।
- বৈষ্ণৱ সাহিত্যত হাস্য, কৰুণ, শৃংগাৰ আদি ৰসৰ সমাবেশ থাকিলেও সকলো ৰসৰে কেন্দ্ৰ বিন্দু হ’ল ‘ভক্তিৰস’।
- এই সাহিত্য যাত্ৰাত শংকৰদেৱৰ প্ৰতি অকুণ্ঠ সহযোগিতা আগবঢ়াইছিল তেওঁৰ অনুগামীসকলে।
- শংকৰদেৱ আৰু মাধৱদেৱ আছিল বৈষ্ণৱ আন্দোলন আৰু বৈষ্ণৱ সাহিত্যৰ চালিকা শক্তি।
- পুতলা অৰ্থসূচক ‘পাঞ্চালিকা’ বা ‘পাঞ্চালি’ শব্দৰ পৰাই ‘পাঁচালি’ শব্দটো উদ্ভৱ হোৱা বুলি কোৱা হয়। পূৰ্বতে পুতনা নাচৰ লগত ইয়াৰ মূল সম্পৰ্ক আছিল বুলি কোৱা হয়।
- পাঞ্চাল দেশত (কণৌজ) ইয়াৰ উদ্ভৱ হোৱাৰ বিশ্বাসত সেই নামৰ উৎপত্তি

বুলি কোনো কোনোৱে ভাবে। গায়ন পদ্ধতিত পাঁচজন ব্যক্তি জড়িত থকা আৰু গীত-পদত পাঁচটা অংগ থকা বাবেও 'পাঁচালি' নামটো উৎপত্তি হোৱা বুলি এচামে মত পোষণ কৰে।

- পাঁচালি সাহিত্য বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত।
- ধৰ্মীয় আদৰ্শ প্ৰতিষ্ঠা কৰা মূল আদৰ্শ নহ'লেও সৰ্পদেৱী মনসাৰ মাহাত্ম্য প্ৰতিষ্ঠাৰ প্ৰচেষ্টা ইয়াত আছে।
- পাঁচালিৰ দুটা শাখা– প্ৰথমটো শাখা আৰু দ্বিতীয়টো 'মনসা শাখা'। পুৰাণৰ আধাৰত ৰচিত (ৰামায়ণ, মহাভাৰত আৰু অন্যান্য পুৰাণাদি) পাঁচালিসমূহ পৌৰাণিক শাখাৰ আৰু সৰ্পদেৱী মনসাৰ মাহাত্ম্য প্ৰকাশকসমূহ মনসা শাখাৰ পাঁচালি।
- পাঁচালি সাহিত্য সু প্ৰতিষ্ঠিত কৰা কবিসকল হ'ল পীতাম্বৰ, দুৰ্গাবৰ, নাৰায়ণ, মনকৰ।
- পাঁচালিত ব্যৱহৃত ভাষা সৰ্বসাধাৰণৰ ভাষা। সাহিত্যিক কৃত্ৰিমতা ইয়াত নাই।
- অলৌকিক অভিব্যঞ্জনাৰ মাজেৰে লৌকিক চিত্ত আকৰ্ষণ কৰাত এই কবিসকল সিদ্ধহস্ত।

## অনুশীলনী -১

**(১) চমু উত্তৰ লিখা—**

(ক) 'বৈষ্ণৱ ধৰ্ম' বুলিলে কি বুজা ?

(খ) বৈষ্ণৱ সাহিত্য কি ?

(গ) অসমীয়া বৈষ্ণৱ সাহিত্যৰ আৰম্ভণি কেতিয়াৰ পৰা আৰু কাৰ হাতত ঘটে ?

(ঘ) 'পাঁচালি' শব্দটোৰ আঁতিগুৰি কি ?

(ঙ) পাঁচালি সাহিত্যৰ বিষয়বস্তু কি ?

**(২) বহলাই লিখাঁ—**

(ক) শংকৰদেৱৰ সাহিত্য কৃতি সম্পৰ্কে আলোচনা কৰা।

(খ) বৈষ্ণৱ সাহিত্যলৈ মাধৱদেৱৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(গ) পাঁচালি সাহিত্যৰ কবিসকলৰ কাব্যকৃতি সম্পৰ্কে আলোচনা কৰা।

(ঘ) পাঁচালি সাহিত্যৰ বৈশিষ্ট্য কি কি ?

(ঙ) পাঁচালী কবি সকলৰ কিয় বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবি বুলি কোৱা হয়।

(চ) মনকৰৰ সাহিত্যকৃতি সম্পৰ্কে আলোচনা কৰা ?

**(৩) শুদ্ধ উত্তৰ বাচি উলিওৱা—**

(ক) 'পাঁচালি' পৰিবেশ্য কলাৰ ভিতৰুৱা হয় / নহয়।

(খ) ওজাপালিত চাৰিজন শিল্পী থাকে হয়/ নহয়।

(গ) মাৰৈ পূজা আৰু মনসাপূজা একে হয়/ নহয়।

(ঘ) 'বেউলা আখ্যান'ৰ ৰচয়িতা মনকৰ/ দুৰ্গাবৰ।

**আত্মমূল্যায়নৰ সাম্ভাব্য উত্তৰ ঃ**

**আত্মমূল্যায়ন ১ ঃ**

বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয় বিষয়বস্তুৰ আধাৰত ৰচিত সাহিত্যৰাজিয়েই হৈছে বৈষ্ণৱ সাহিত্য। বৈষ্ণৱ আন্দোলনক অধিক শক্তিশালী কৰি তুলিবৰ বাবেই ইয়াৰ সৃষ্টি হৈছিল। বৈষ্ণৱ ধৰ্মৰ মতাদৰ্শসমূহ আখ্যান, উপাখ্যান, গীত-পদ আদি ৰূপত কলাসন্মতভাৱে প্ৰকাশ কৰা বাবে এই সাহিত্যই সাৰ্বজনীন আবেদন লাভ কৰিছে। বৈষ্ণৱ আন্দোলনৰ লগত সংগতি ৰাখি অসমত শংকৰদেৱে বৈষ্ণৱ-সাহিত্য সৃষ্টিত আত্মনিয়োগ কৰিছিল।

**আত্মমূল্যায়ন ২ ঃ**

বৈষ্ণৱ ধৰ্মৰ নীতি-আদৰ্শসমূহ কলাত্মক উপায়েৰে জনমানসত বিলাই দিয়াৰ উদ্দেশ্যে আৰু জন-সাধাৰণে শ্ৰৱণ-কীৰ্তনৰ যোগেদি নিজে নিজেই উপাসনাত ভাগ ল'ব পৰাৰ সুবিধাৰ অৰ্থে বৈষ্ণৱ গুৰুসকলে বিভিন্ন সাহিত্য-সম্ভাৰ সৃষ্টি কৰিছিল। এইবোৰ হ'ল– (১) কাব্য, (২) নাট, (৩) গীত-ভটিমা, (৪) চৰিত পুথি (পদ্য আৰু গদ্যত) আৰু (৫) গদ্য ৰচনা। ছন্দ, অলংকাৰ আদিৰ সুষম প্ৰয়োগে বৈষ্ণৱ কাব্যসমূহক আকৰ্ষণীয় কৰি তুলিছে। ইয়াত হাস্য, কৰুণ, শৃংগাৰ আদি ৰসৰ সমাবেশ থাকিলেও সকলোৰে কেন্দ্ৰবিন্দু হ'ল ভক্তি ৰস। নাটকসমূহ অভিনয়োপযোগীকৈ ৰচনা কৰা হৈছিল। ভট্টদেৱৰ 'কথা-ভাগৱত' আৰু 'কথা-গীতা' আদি গদ্য ৰচনাৰো মূল উদ্দেশ্য বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ।

**আত্মমূল্যায়ন ৩ ঃ**

‘পাঁচালী’ শব্দটোৰ মূল হৈছে সংস্কৃত ‘পাঞ্চালী’ বা ‘পাঞ্চালিকা’। ইয়াৰ অৰ্থ হৈছে পুতলা। পূৰ্বতে পুতলা-নাট বা পুতলা-নাচৰ সাংগীতিক দিশৰ লগত জড়িত হৈ আছিল বাবে সম্ভৱতঃ এই শ্ৰেণীৰ সাহিত্যই ‘পাঁচালী সাহিত্য’ নাম পাইছে। কোনো কোনো পণ্ডিতে ‘পাঁচালী’সমূহ পাঞ্চাল দেশ (কণৌজ)ত উদ্ভৱ আৰু বিকাশ হোৱা বাবে এই নাম হোৱা বুলি বিশ্বাস কৰে। আনহাতে পাঁচালীৰ গায়ন পদ্ধতিত পাঁচজন বিশেষ ব্যক্তি জড়িত হৈ থাকে আৰু ইয়াৰ গীত-পদত ‘মালিতা’, ‘ৰাগ’, ‘দিহা’, ‘বানা’ আৰু ‘থোকা’ ৰূপে মুঠ পাঁচটা অংগ নিহিত হৈ থাকে। সেই কাৰণেও এই শ্ৰেণীৰ সাহিত্যৰ নাম ‘পাঁচালী’ হোৱা বুলি কোনো কোনো বিশেষজ্ঞই মত পোষণ কৰে।

**আত্মমূল্যায়ন ৪ ঃ**

পাঁচালী সাহিত্যৰ প্ৰধানকৈ দুটা শাখাত ভাগ কৰা হৈছে- (১) পৌৰাণিক শাখা আৰু (২) মনসা শাখা। ৰামায়ণ, মহাভাৰতে আদি কৰি পুৰাণভিত্তিক কাহিনীৰ আধাৰত সৃষ্টি হোৱা পাঁচালী সাহিত্যৰাজিক পৌৰাণিক শাখাত অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে মনসাদেৱীৰ মাহাত্ম্য প্ৰকাশক গীত-পদবোৰক মনসা শাখাত ধৰা হয়।

**অধ্যয়ন কৰিবলগীয়া প্ৰাসংগিক গ্ৰন্থ ঃ**


(১) অসমীয়া সাহিত্যৰ ৰূপৰেখা - ডঃ মহেশ্বৰ নেওগ

(২) অসমীয়া সাহিত্যৰ ইতিবৃত্ত - ডঃ সত্যেন্দ্ৰনাথ শৰ্মা

(৩) অসমীয়া সাহিত্যত দৃষ্টিপাত - ডঃ হেমন্ত কুমাৰ শৰ্মা

(৪) মাধৱদেৱৰ অধ্যয়নৰ ভূমিকা - (সম্পা. ভৱপ্ৰসাদ চলিহা)

(৫) শংকৰী সাহিত্য সমীক্ষা - (সম্পা. ভৱপ্ৰসাদ চলিহা)

# গোট - ৩
# শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্য

## গঠন

৩.০ উদ্দেশ্য
৩.১ প্ৰস্তাৱনা
৩.২ শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য
৩.৩ শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্য
৩.৩.১ কাব্য সাহিত্য
৩.৩.২ নাট্য সাহিত্য
৩.৩.৩ গীত
৩.৩.৪ গদ্য সাহিত্য
৩.৩.৫ চৰিত সাহিত্য
৩.৩.৬ ব্যৱহাৰিক সাহিত্য
৩.৩.৭ বুৰঞ্জী সাহিত্য
৩.৪ সাৰাংশ

## ৩.০ উদ্দেশ্য ঃ

এই গোটটি অধ্যয়নৰ পাছত তোমালোকে –

- শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বিকাশৰ ধাৰা সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- শংকৰদেৱৰ উত্তৰসূৰী বিশিষ্ট সাহিত্যিকৰ সাহিত্য প্ৰতিভাই অসমীয়া সাহিত্যক কেনেদৰে সমৃদ্ধিশালী কৰি তুলিছে তাৰ ব্যাখ্যা আগবঢ়াব পাৰিবা।
- শংকৰোত্তৰ যুগত অসমীয়া সাহিত্য কোনবোৰ প্ৰভাৱেৰে পৰিপুষ্ট হৈছিল, সেই বিষয়ে আলোচনা কৰিব পাৰিবা।
- শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ প্ৰকৃতিগত দিশ চিনাক্ত কৰিব পাৰিবা।
- অসমীয়া সাহিত্যৰ আলোচনাত শংকৰোত্তৰ যুগৰ স্থান নিৰ্ণয় কৰিব পাৰিবা।

## ৩.১ প্ৰস্তাৱনা ঃ

তোমালোকে পূৰ্বৰ গোটত শংকৰদেৱৰ আৰু তেঁওৰ সমসাময়িক সাহিত্যিক সকলৰ বিশাল সৃষ্টিৰাজিয়ে অসমীয়া সাহিত্যক কিদৰে সমৃদ্ধিশালী কৰি তুলিছিল তাৰ কিছু আভাসো পালা। এই গোটত তোমালোকক শংকৰদেৱৰ পৰৱৰ্তী সময়ত অসমীয়া সাহিত্যৰ সেই বিকাশৰ ধাৰাবাহিকতা কেনেধৰণৰ হৈছিল সেই বিষয়ে আভাস দিবলৈ বিচাৰিছোঁ। শংকৰদেৱ আৰু তেঁওৰ সমসাময়িক সকলে অসমীয়া সাহিত্যৰ যি সুদৃঢ় পথ প্ৰদৰ্শন কৰি থৈ গৈছিল, পৰৱৰ্তী সাহিত্যিক সকলেও সেই পথেদি অগ্ৰসৰ হৈছিল। অৱশ্যে চৰিত সাহিত্য আৰু গদ্য সাহিত্যক এই সময়ছোৱাৰ উল্লেখযোগ্য অৱদান বুলিব পাৰি। শংকৰ-মাধৱৰ তিৰোধানৰ পাছত আধুনিক সাহিত্যৰ উদ্ভৱ হোৱালৈকে অৰ্থাৎ ঊনবিংশ শতিকাৰ আৰম্ভলৈকে এই সময়ছোৱাক অসমীয়া সাহিত্যৰ আলোচনাত শংকৰোত্তৰ যুগ হিচাপে চিহ্নিত কৰা হয়। শংকৰোত্তৰ যুগত শংকৰদেৱৰ দৰে বহুমুখী প্ৰতিভাসম্পন্ন উজ্জ্বল ব্যক্তিত্ব নাছিল। তথাপি ভট্টদেৱ, গোপাল আতা, দৈত্যাৰি ঠাকুৰ আদি সাহিত্যিক সকলৰ প্ৰতিভা কিছু পৰিমাণে জিলিকি উঠিছিল। এই গোটটোত তোমালোকক শংকৰোত্তৰ যুগৰ বিশিষ্ট সাহিত্যিকসকলৰ অৱদান সম্পৰ্কেও কবলৈ লোৱা হৈছে। গোটটিৰ অধ্যয়নৰ লগতে তোমালোকে অসমীয়া সাহিত্যৰ বিভিন্ন যুগৰ বিস্তৃত বৰ্ণনা সমৃদ্ধ অন্যান্য গ্ৰন্থ, আলোচনা অধ্যয়ন কৰা উচিত। ই তোমালোকক শংকৰোত্তৰ যুগৰ সাহিত্য সম্পৰ্কে ল'বলগীয়া ধাৰণা স্পষ্ট হোৱাত সহায় কৰিব।

## ৩.২ শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য ঃ

শংকৰোত্তৰ যুগৰ সাহিত্যৰ প্ৰধান বৈশিষ্ট্য সমূহ হৈছে -

- এই যুগৰ সাহিত্য ঘাইকৈ শংকৰদেৱে দেখুৱাই যোৱা আদৰ্শ অনুকৰণত ৰচিত। গীত, পদ, নাট আদি ৰচনাত বৈষ্ণৱ যুগৰ ৰচনাশৈলীকে অনুকৰণ কৰা হৈছিল।

- শংকৰোত্তৰ সাহিত্যৰ সিংহভাগেই আছিল সত্ৰীয়া সাহিত্য। কাৰণ শংকৰদেৱে দেখুৱাই যোৱা পথেৰে বাট বুলি উত্তৰসূৰী শিষ্যসকলে অসমৰ বিভিন্ন ঠাইত সত্ৰ স্থাপন কৰিছিল। এই সত্ৰবোৰত ধৰ্ম চৰ্চা কৰাৰ উপৰিও সাহিত্য চৰ্চা হৈছিল। কালক্ৰমত এই চৰ্চা ইমান বিস্তৃত হৈ পৰিল যে প্ৰায়

প্ৰতিখন সত্ৰৰ সত্ৰাধিকাৰ সকলে সাহিত্য ৰচনা নকৰাকৈ নিজৰ মান্যতা ৰক্ষা কৰা টান হৈ পৰিছিল।

➢ শংকৰোত্তৰ যুগত সাহিত্য কাৰ্যত সমসাময়িক ৰজাসকলৰ পৰা পৃষ্ঠপোষকতা আগবঢ়োৱা হৈছিল। এই সময়ত দৰঙী ৰাজ্যৰ তৰফৰ পৰা বিশেষ অনুপ্ৰেৰণা দিয়া হৈছিল। বৈষ্ণৱ যুগৰ তুলনাত কিছু কমকৈ হলেও কোচ বিহাৰতো সাহিত্য চৰ্চাৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ যত্ন কৰা হৈছিল। এই সময়ত আহোম ৰাজ্য শক্তিশালী হৈ উঠিছিল আৰু সাহিত্য সংস্কৃতি দিশলৈ তেওঁলোকে ৰজাঘৰীয়া সাহাৰ্য্য আগবঢ়াইছিল। সেয়ে শংকৰোত্তৰ যুগৰ বহুখিনি সাহিত্য ৰাজ পৃষ্ঠপোষকতাত সৃষ্টি হৈছিল।

➢ এই যুগৰ সাহিত্যৰ অধিকাংশই অনুবাদ কৰ্ম আছিল। ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ লগতে ভক্তিতত্ব সম্পৰ্কীয় বিভিন্ন সংস্কৃত সাহিত্যৰ অনুবাদ কৰ্ম আৰম্ভ হৈছিল।

➢ শংকৰোত্তৰ যুগত অসমীয়া সাহিত্যৰ ভড়াল প্ৰচুৰ পৰিমাণে সমৃদ্ধ হৈছিল। গীত, নাট, পদ আদি সাহিত্যিৰ বিভিন্ন ৰূপত সাহিত্যিকসকলে প্ৰচুৰ সাহিত্যিক অৱদান আগবঢ়াইছিল। তথাপি সংখ্যাৰ প্ৰচুৰতাৰ বাদে সাহিত্যৰ বিষয়বস্তুত বিশেষ নতুনত্ব নাছিল। পূৰ্বসূৰী সকলৰ আংগিককে অনুকৰণ কৰি থকা হেতু এই সময়ৰ সাহিত্য সমূহত এক প্ৰকাৰ যান্ত্ৰিকতা সোমাই পৰিছিল। সেয়ে কব পাৰি শংকৰোত্তৰ যুগ আছিল সাহিত্য বিস্তাৰৰ যুগ, সাহিত্যিক গভীৰতাৰ নহয়।

➢ শংকৰোত্তৰ যুগৰ সাহিত্যক কিছু পৰিমাণে নতুনত্ব প্ৰদান কৰিছিল গদ্য সাহিত্যই। ভট্টদেৱৰ হাতত সৃষ্ট গদ্য সাহিত্যই গদ্যক মাধ্যম কৰি সাহিত্য ৰচনাৰ এক নতুন দৃষ্টান্ত দেখুৱালে।

➢ এই যুগৰ সাহিত্যৰ আন এটা বৈশিষ্ট্য হ'ল চৰিত পুথিৰ উদ্ভৱ। তাৰোপৰি সপ্তদশ শতিকাৰ শেষৰফালে আহোম ৰজাসকলৰ নিৰ্দেশত সৃষ্টি হোৱা বুৰঞ্জী সাহিত্য আৰু অন্যান্য সাহিত্যৰ ভিতৰত ব্যৱহাৰিক সাহিত্যসমূহে যুগটোক বৈশিষ্ট্যমণ্ডিত কৰাত কিছুপৰিমাণে অৰিহণা আগবঢ়ালে।

**আত্মমূল্যায়ন - ১**

শংকৰোত্তৰ যুগৰ তিনিটা প্ৰধান বৈশিষ্ট্য লিখা।

......................................................................................

......................................................................................

......................................................................................

......................................................................................

## ৩.৩ শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ

ইতিমধ্যে তোমালোকে শংকৰোত্তৰ যুগৰ সময় সম্পৰ্কে জানিব পাৰিলা। অসমীয়া সাহিত্যৰ যুগ বিভাজনত সমালোচকসকলে অষ্টাদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ তৃতীয় দশকৰলৈকে অৰ্থাৎ ১৮২৬ চনলৈকে সময়চোৱাক বিস্তাৰ আৰু অৱসাদৰ কাল হিচাপে আলোচনা কৰিছে। কিন্তু, যিহেতু **১৮২৬** চনৰ পাছতহে অসমীয়া সাহিত্য জগতলৈ বেলেগ এটা গতিধাৰাৰ আগমন ঘটিছে, সেয়ে সাহিত্যৰ সাধাৰণ আলোচনাত বিস্তাৰ আৰু অৱসাদৰ কালছোৱাকো শংকৰোত্তৰ যুগত অন্তৰ্ভূক্ত কৰি আলোচনা কৰিব পাৰি। শংকৰোত্তৰ যুগৰ সাহিত্যৰ অধিকাংশ শংকৰদেৱৰ ৰচনা আদৰ্শৰ অনুকৰণত ৰচিত হৈছিল। ফলস্বৰূপে দীৰ্ঘদিন ধৰি একেবোৰ বিষয়বস্তুৰে চৰ্বিত চৰ্বণ আৰু আঙ্গিকগত দুৰ্বলতাই সাহিত্যত ঠাই পাইছিল। সেই সময়তে অৱশ্যে ভট্টদেৱৰ গদ্য সাহিত্য আৰু চৰিত পুথিৰ উদ্ভৱে অসমীয়া সাহিত্যলৈ নতুনত্ব কঢ়িয়াই আনিছিল। এই যুগৰ শেষৰ ফালে সৃষ্ট ব্যৱহাৰিক সাহিত্য আৰু বুৰঞ্জী সাহিত্যইও অৱসাদৰ মাজলৈ কিছু পৰিমাণে পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল। তথাপি সামগ্ৰিকভাৱে বিচাৰ কৰিলে দেখা যায় এই যুগৰ অসমীয়া সাহিত্য আছিল শংকৰদেৱৰ আদৰ্শৰ অনুগামী। উল্লেখযোগ্য যে শংকৰোত্তৰ যুগত সংখ্যাৰ লেখেৰে প্ৰচুৰ সাহিত্য সৃষ্টি হৈছিল আৰু এইবোৰে অসমীয়া সাহিত্যৰ ভঁৰাল টনকীয়াল কৰাত বিশেষ অৰিহণা যোগাই থৈ গৈছে। শংকৰোত্তৰ যুগৰ সাহিত্যিক আৰু সাহিত্যকৃতি সম্পৰ্কে তলত আলোচনা কৰা হ'ল-

### ৩.৩.১ কাব্য সাহিত্য ঃ

শংকৰদেৱৰ তিৰোধানৰ পিছত সপ্তদশ শতিকাত অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনলৈ বহুতো পৰিৱৰ্তন আহিল। শংকৰদেৱৰ সময়ত

সাহিত্য চৰ্চা কাৰ্যত সমসাময়িক আহোম ৰজাসকলৰ পৰা অহা বাধা আৰু কোচৰাজ্যৰ পৰা অহা পৃষ্ঠপোষকতাৰ ছবিখন এই সময়ত বিপৰীত ৰূপতহে প্ৰকাশিত হৈছিল। সপ্তদশ শতিকাৰ প্ৰাৰম্ভৰ পৰা কোচ ৰাজ্য ভাগি দুখণ্ডত পৰিণত হয়। ৰাজনৈতিক সংঘৰ্ষ আৰু অস্থিৰ ৱাতাৱৰণ চলি থকাৰ ফলশ্ৰুতিত কোচবিহাৰে অসমীয়া সাহিত্যৰ কেন্দ্ৰস্থল হিচাপে থকা মৰ্যাদা হেৰুৱায়। তাৰ পৰিৱৰ্তে দৰঙী ৰজাই অসমীয়া সাহিত্য সংস্কৃতিৰ বিকাশৰ দিশত গুৰুত্ব পোষণ কৰে। সেই শতিকাৰ শেষৰ ফালে আহোমৰ ৰাজধানী গড়গাঁও-ৰংপুৰত সাহিত্যৰ এটি নতুন কেন্দ্ৰ গঢ়ি উঠে। ৰাজ-পৃষ্ঠপোষকতা লাভ কৰি শংকৰোত্তৰ যুগৰ সাহিত্যিক সকলে অন্যান্য সাহিত্যৰ লগতে কাব্য সৃষ্টিতো বিশেষ মনোনিৱেশ কৰিছিল।

কাব্য সাহিত্যলৈ বিশেষ অৰিহণা যোগোৱা শংকৰোত্তৰ যুগৰ কবিসকলৰ ভিতৰত ৰামচৰণ ঠাকুৰ অন্যতম। **১০৩৮** টা পদত সম্পূৰ্ণ হোৱা ঠাকুৰৰ **পদ-ভক্তি-ৰত্নাকৰত** মূলত থকা **৩৮** টা মাহাত্ম্যৰ **৩৫** টাৰ ভাঙনি পোৱা যায়। অন্য এজন কবি গোপাল মিশ্ৰ কবিৰত্ন উপাধিৰে বিভূষিত আছিল। গোপাল মিশ্ৰ দামোদৰদেৱৰ শিষ্য আৰু খুদীয়া সত্ৰৰ প্ৰতিষ্ঠাতা। **ঘোষাৰত্ন** গোপাল মিশ্ৰৰ এখন উল্লেখনীয় গ্ৰন্থ। ঘোষাৰত্ন নামঘোষা শ্ৰেণীৰ গ্ৰন্থ। নানা পুৰাণ, গীতা, সংহিতা আদিৰ পৰা বিষয় সংগ্ৰহ কৰি নৱধা ভক্তি, শৰণ, ভজন আদিৰ মাহাত্ম্য আৰু উপযোগিতা কাব্যখনিত বৰ্ণনা কৰা হৈছে। গোবিন্দ মিশ্ৰই সৰল আৰু প্ৰাঞ্জল অসমীয়া পদত পদগীতা ৰচনা কৰি অসমীয়া কাব্যজগতলৈ আন এক অৰিহণা আগবঢ়ায়। এই গীতাৰ ব্যাখ্যা সংস্কৃত টীকা অনুসৃত যদিও অসমীয়া বৈষ্ণৱসকলৰ উপযোগী কৰি শ্ৰৱণ-কীৰ্ত্তনেৰে ভক্তিধৰ্মৰ প্ৰাধান্য দেখুৱাই ৰচনা কৰা হৈছে। সেয়ে গোবিন্দ মিশ্ৰৰ **পদ-গীতা** লোক সমাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

শংকৰোত্তৰ যুগত ৰচিত অধিকাংশ কাব্যই সংস্কৃত গ্ৰন্থৰ ভাঙনি স্বৰূপ আছিল। এনে অনূদিত কাব্যকৰ্মৰ ভিতৰত মহাভাৰত আৰু ৰামায়ণৰ অনুবাদিত পদৰূপ উল্লেখযোগ্য। কোচৰজাৰ ৰাজসভাৰ মন্ত্ৰী তথা কবি কবীন্দ্ৰ পাত্ৰৰ **মহাভাৰতৰ অষ্টাদশ পৰ্বৰ** পদ ভাঙনি উল্লেখযোগ্য। সেইদৰে, ৰাম সৰস্বতীৰ পুত্ৰ গোপীনাথ পাঠকে দৰঙৰাজ ধৰ্মনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰি মহাভাৰতৰ **দ্ৰোণ-পৰ্ব, সভা-পৰ্ব** আৰু **স্বৰ্গাৰোহণ-পৰ্ব** ৰচনা কৰে। সপ্তদশ শতিকাৰ

প্রথমাৰ্দ্ধত দামোদৰ দাসে মহাভাৰতৰ **শল্য-পৰ্ব** আৰু **দ্ৰোণ-পৰ্ব** ৰচনা কৰে। আনহাতে কোচৰাজ্যৰ মকৰধ্বজ ৰজাৰ অনুৰোধ ক্ৰমে দামোদৰ দ্বিজেও শল্য-পৰ্ব ৰচনা কৰে। আহোম ৰজা জয়ধ্বজ সিংহৰ পৃষ্ঠপোষকতাত ৰাম মিশ্ৰই প্ৰথমবাৰৰ বাবে **হিতোপদেশ** আৰু **পুতলা চৰিত্ৰ** নামে দুখন গ্ৰন্থ পদত অনুবাদ কৰে। তেঁও মহাভাৰতৰ **ভীষ্ম-পৰ্ব** আৰু **বৃন্দাবন চৰিত** নামে বৃন্দাবনৰ বিৱৰণ থকা পুথিও ৰচনা কৰে। সেইদৰে বিদ্যাপঞ্চাননৰ **ভীষ্ম-পৰ্ব**, অনিৰুদ্ধ দাসৰ **আদি-পৰ্ব** উল্লেখযোগ্য সৃষ্টি।

সপ্তদশ শতিকাৰ ৰামায়ণ ৰচকসকলৰ ভিতৰত হৃদয়ানন্দ বা অনন্ত কায়স্থ অন্যতম। তেঁওৰ **শ্ৰীৰাম-কীৰ্ত্তন** গ্ৰন্থত মহাপুৰুষ শংকৰদেৱৰ কীৰ্ত্তনৰ প্ৰভাৱ পৰিলক্ষিত হয়। ৰঘুনাথ মহন্তৰ **অদ্ভুত ৰামায়ণ** আৰু **শত্ৰুঞ্জয়** কাব্যত কবিৰ কল্পনা প্ৰতিভাৰ সুন্দৰ পৰিস্ফূৰণ ঘটিছে। ভট্টদেৱ বিপ্ৰই শ্ৰীৰামচন্দ্ৰৰ **অশ্বমেধ যজ্ঞ** নামৰ পদ ৰামায়ণ ৰচনা কৰে। কৃতিবাস পণ্ডিতে দূৰ্গাবৰৰ গীতি-ৰামায়ণৰ আৰ্হিত **অঙ্গদ ৰায়বৰ** ৰচনা কৰে। কবি ধনঞ্জয়ৰ **গণক চৰিত্ৰ** বা **মন্দোদৰীৰ মণিহৰণ** লংকাকাণ্ডৰ অন্তৰ্গত এখন পদ-ৰামায়ণ। কবি দ্বিজৰামে ৰচনা কৰা **কাব্য পুৰাণ** নামৰ পদ-ৰামায়ণ খনিও এই যুগৰ উল্লেখযোগ্য সাহিত্য।

কোচবিহাৰ ৰাজসভাৰ অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা পৃষ্ঠপোষকতা কিছুদিনলৈ ছেগা-চোৰোকাকৈ চলি আছিল। সেই ৰাজ অনুপ্ৰেৰণাত সৃষ্ট শ্ৰীনাথ দ্বিজৰ **আদি-পৰ্ব**, **দ্ৰোপদী-সয়ম্বৰ**, **দ্ৰোণ-পৰ্ব**, কবিশেখৰৰ মহাভাৰতৰ **কিৰাত-পৰ্ব**, দ্বিজ কবিৰাজৰ **ভীষ্ম-পৰ্ব** আৰু **দ্ৰোণ-পৰ্ব** বিশেষ উল্লেখযোগ্য অৱদান। শংকৰোত্তৰ যুগত আহোম ৰজাসকলো অসমীয়া সাহিত্য সংস্কৃতিৰ ঘাই পৃষ্ঠপোষক হৈ উঠিছিল। জয়ধ্বজ সিংহৰ দিনত বাঢ়িবলৈ আৰম্ভ কৰা সাহিত্য চৰ্চা ৰুদ্ৰ সিংহৰ দিনত বিস্তাৰিত হৈ পৰিছিল। আহোম ৰাজ পৃষ্ঠপোষকতাত সৃষ্ট প্ৰধান কাব্য সাহিত্য সমূহৰ ভিতৰত কবিৰাজ চক্ৰৱৰ্তীৰ ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ **কৃষ্ণজন্ম খণ্ড**, **শংখচূড় বধ কাব্য**, জয়দেৱৰ **গীত-গোবিন্দৰ সচিত্ৰ পদ ভাঙনি** আৰু **শকুন্তলা কাব্য** অন্যতম। এইজন কবিয়ে ঘাইকৈ ৰুদ্ৰ সিংহ আৰু তেওঁৰ পুত্ৰ শিৱ সিংহৰ অনুপ্ৰেৰণা লাভ কৰিছিল। সেইদৰে অনন্ত আচাৰ্যৰ তত্বমূলক পদ-পুথি **আনন্দ- লহৰী**, ৰুচিনাথ কন্দলীৰ **কল্কি পুৰাণ** আৰু **মাৰ্কণ্ডেয় চণ্ডী**, ৰাম মিশ্ৰৰ **ভীষ্ম-পৰ্বৰ** পদ ভাঙনি, বাগীচৰ **নীতি-লতাঙ্কুৰ** আদি উল্লেখযোগ্য কাব্য সাহিত্য।

পুৰাণৰ কাহিনীসমূহক লৈও শংকৰোত্তৰ যুগৰ বহুতো কবিয়ে কাব্য ৰচনা কৰিছিল। ৰাম সৰস্বতীৰ পুত্ৰ হিচাপে পৰিচয় দিয়া কলাপ চন্দ্ৰ দ্বিজে **ৰাধা-চৰিত** নামে এখন সৰু কাব্য ৰচনা কৰে। পুৰাণৰ কাহিনীৰ আলমত হলেও ইয়াত কবিৰ মৌলিক প্ৰতিভাৰ চানেকি পৰিস্ফুট হৈছে। পূব কোচৰাজ্যৰ ৰজা ৰঘূদেৱৰ অনুপ্ৰেৰণাত অনিৰুদ্ধ কায়স্থই **পঞ্চম স্কন্ধ ভাগৱত** ৰচনা কৰে। এই সৃষ্টিকাৰ্যত কবিজনে বিশেষ কৃতিত্বৰ পৰিচয় দি থৈ গৈছে। ভৱানীপুৰীয়া গোপাল আতাৰ প্ৰধান শিষ্য অনিৰুদ্ধদেৱেও **ভাগৱতৰ চতুৰ্থ** আৰু **পঞ্চম স্কন্ধৰ** পদ ভাঙনি কৰে। সেইদৰে **ধ্ৰুৱ চৰিত্ৰ** আৰু **ভাগৱত ৰত্ন** নামে দুখন পুথি ৰচনা কৰি বিষ্ণু ভাৰতীয়ে দক্ষতাৰ পৰিচয় দিয়ে। গোপালচৰণ দ্বিজৰো গ্ৰন্থ পোৱা যায়- **ভাগৱতৰ তৃতীয় স্কন্ধ, অষ্টম স্কন্ধ, হৰিবংশৰ কিছু অংশ**। **ভাগৱতৰ সপ্তম** আৰু **নৱম স্কন্ধ** অনুবাদ কৰা কবিৰ ভিতৰত কেশৱ কায়স্থও অন্যতম।

অন্যান্য কবিসকলৰ ভিতৰত চন্দ্ৰচূড় আদিত্যৰ **উৎকল খণ্ড,** ৰত্নাকৰ মিশ্ৰৰ **গীতা কীৰ্ত্তন**, পুৰুযোত্তম ঠাকুৰৰ **ন-ঘোষা** অন্যতম। শংকৰোত্তৰ যুগত অসমীয়া সাহিত্য ইছলামী প্ৰভাৱেৰেও পৰিপুষ্ট হৈছিল। উদাহৰণ স্বৰূপে হিন্দু-মুছলমানৰ প্ৰেমপূৰ্ণ সন্মিলনৰ অভিব্যক্তি **প্ৰেমাখ্যান কাব্য,** কবিৰাজ চক্ৰৱৰ্তীয়ে পাঁচালী কাব্যৰ আৰ্হিত ৰচনা কৰা **চন্দ্ৰকেতু** আৰু **কামকলাৰ আখ্যান,** ৰামদ্বিজৰ **চাহাপৰী উপাখ্যান** বা **মৃগাৱতী চৰিত্ৰ**, দ্বিজ পশুপতিৰ বঙলা মিহলি অসমীয়া কাব্য **চন্দ্ৰাৱলী** এই ধাৰাৰ উল্লেখযোগ্য কাব্য সাহিত্য।

উল্লেখযোগ্য যে শংকৰোত্তৰ যুগৰ কাব্য সাহিত্য হিচাপে যি সমূহ সৃষ্টিক অন্তভূৰ্ক্ত কৰা হৈছে সেইসমূহ প্ৰায় অনুবাদমূলক। ৰামায়ণ, মহাভাৰত, পুৰাণ, শংকৰদেৱৰ সৃষ্ট ভক্তি-তত্ত্বমূলক গ্ৰন্থৰ পৰা পদত ভাঙনি কৰা। ইয়াৰে কিছু সংখ্যক গ্ৰন্থক ভক্তি তত্ত্বমূলক গ্ৰন্থৰ শ্ৰেণীত অন্তভূৰ্ক্ত কৰি পৃথক আলোচনা কৰিব পাৰি। কিন্তু সমগ্ৰ সৃষ্টিৰাজিৰ মূল বিষয়বস্তু আৰু উদ্দেশ্য ভক্তিতত্ত্ব প্ৰকাশ। সেয়ে এইসমূহৰ পৃথক পৰিচয় প্ৰদানত কিছু জটিলতা আছে। তোমালোকে এটা কথা জানি থোৱা উচিত যে সেই সময়ত অসমীয়া গদ্যৰ আৰম্ভণি ঘটিছিলহে মাথো, বেছিভাগ সাহিত্যই পদত ৰচিত, কবিত্ব গুণসম্পন্ন আৰু ছন্দ-লালিত্যযুক্ত আছিল। ভক্তিতত্ত্বমূলক গ্ৰন্থসমূহৰো বেছিভাগ পদত ৰচিত হৈছিল। সেয়ে, সাহিত্যৰ সাধাৰণ আলোচনাত পদত ৰচিত এনেধৰণৰ সাহিত্যসমূহক কাব্য

সাহিত্যৰ ভিতৰুৱা কৰিব পাৰি। অৱেশ্য নাটকসমূহে ৰচনাশৈলী আৰু পৰিৱেশন ৰীতিৰ দিশেৰে পৃথক সাহিত্যৰূপ হিচাপে স্বীকৃত হৈছিল।

## ৩.৩.২ নাট্য সাহিত্য ঃ

মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে যি আৰ্হিৰে নাট ৰচনা কৰিছিল তেখেত সকলৰ চানেকিকেই ্অনুসৰণ কৰি শংকৰোত্তৰ যুগৰ নাট্যকাৰসকলে নাট ৰচনা কৰিছিল। তথাপি শংকৰদেৱে প্ৰতিষ্ঠা কৰা অংকীয়া নাটৰ আৰ্হি আৰু বৈশিষ্ট্য সম্পূৰ্ণৰূপে এই নাটবোৰত ৰক্ষিত হোৱা দেখা নাযায়। প্ৰকৃততে এই নাটবোৰ অংকীয়া নাটৰ আৰ্হিৰ পৰা বহু দিশত ফালৰি কাটি অহা বুলিব পাৰি। অভিনয়ৰ দিশত শংকৰোত্তৰ নাটত লোকমনোৰঞ্জনৰ হেতু 'বহুৱা' নামৰ এটি চৰিত্ৰৰ অৱতাৰণা হ'ল। অংকীয়া নাটৰ নান্দীশ্লোকৰ বিপৰীতে স্তুতি গীতেৰে আৰম্ভণি, শ্লোকৰ অব্যৱহাৰ, মুক্তিমংগল ভটিমাৰ প্ৰয়োগ হ্ৰাস আদি বহুতো পৰিৱৰ্তন ঘটিল। তদুপৰি শংকৰোত্তৰ নাটত আখ্যানৰ নতুনত্বৰ বাদে নাটকৰ কলা-কৌশলত কোনো মৌলিকতা নাছিল। তথাপি নাট্য সাহিত্য সৃষ্টিৰ তাগিদা কিন্তু কমি যোৱা নাছিল।

শংকৰোত্তৰ যুগৰ নাট্য সাহিত্যৰ আলোচনাত গোপালদেৱৰ অৱদান প্ৰণিধানযোগ্য। কাল সংহতিৰ প্ৰৱৰ্ত্তক গোপালদেৱ মাধৱদেৱৰ শিষ্য আছিল। গোপালদেৱে লিখা তিনিখন নাট হ'ল- **জন্মযাত্ৰা**, **নন্দোৎসৱ**, আৰু **উদ্ধৱযান** বা **গোপী উদ্ধৱ সংবাদ**। জন্মযাত্ৰা আৰু নন্দোৎসৱ প্ৰায় একেটা কাহিনীৰে দুটা খণ্ড বুলিব পাৰি। 'শ্ৰীকৃষ্ণৰ বাল্যলীলা'ৰ বিষয়বস্তুলৈ ৰচা জন্মযাত্ৰা আৰু উদ্ধৱযান নাটত শংকৰদেৱৰ দশমস্কন্ধৰ সুস্পষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। শংকৰদেৱৰ অংকীয়া নাটৰ বৈশিষ্ট্য বহু পৰিমাণে ৰক্ষিত আন এখন নাট হৈছে ৰামচৰণ ঠাকুৰৰ **কংসবধ**। এইখন নাট নান্দীশ্লোক, নাটৰ মাজত শ্লোক আৰু ভটিমা সমৃদ্ধ। নাৰদৰ মুখে গোকুলত থকা কৃষ্ণৰ বতৰা শুনি কংসই বন্দীশালত থকা বসুদেৱক মাৰিবলৈ উদ্যত হোৱাৰ পৰা কংসবধলৈকে সমগ্ৰ ঘটনা ইয়াত বৰ্ণিত হৈছে। নাটকীয় কলা-কৌশল প্ৰদৰ্শনত ইয়াত নাট্যকাৰ গৰাকীৰ মৌলিক প্ৰতিভাৰ দক্ষতা প্ৰকাশি উঠিছে। ভৱানীপুৰীয়া গোপালদেৱৰ শিষ্য বৰ যদুমণিদেৱৰ **ফল্গুযাত্ৰা** নাটখনি অসমীয়া নাট্য সাহিত্যলৈ বিশেষ সংযোজন। এই নাটখনিৰ আধাৰ স্কন্দপুৰাণৰ উৎকলখণ্ডত থকা ফল্গুৎসৱ বা দৌলযাত্ৰাৰ বৰ্ণনাৰ লগত সাদৃশ্যযুক্ত। সমগ্ৰ অসমীয়া সাহিত্যলৈ ফল্গুবিষয়ক সাহিত্যৰ ক্ষেত্ৰত ই অন্যতম

অৱদান। সেইদৰে শ্ৰীৰাম আতাৰ **সুভদ্ৰা হৰণ** নাট শংকৰদেৱৰ নাট্যকলাৰ প্ৰভাৱেৰে পৰিপুষ্ট। এইখন নাটত একুৰি সংস্কৃত শ্লোক সন্নিৱিষ্ট হৈছে আৰু সিবোৰ পণ্ডিতজনৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। নাটখনি নান্দীশ্লোক আৰু তিনিটা ভটিমা সন্নিৱিষ্ট। কবিচন্দ্ৰ দ্বিজৰ **কামকুমাৰ হৰণ নাট** অঙ্কীয়া নাটৰ আৰ্হিত ৰচিত **৬** অঙ্কৰ সংস্কৃত নাটক। এই নাটকখন আহোম ৰজা শিৱ সিংহ আৰু প্ৰমথেশ্বৰীৰ আদেশ ক্ৰমে ৰচিত হৈছিল। সেইদৰে উদিতৰামৰ **অজামিল উপাখ্যান** নাট আন এখন উল্লেখনীয় নাট্য সাহিত্য। আহোম ৰজাসকলৰ দিনত ৰাজসভাত ভাওনা অনুষ্ঠানে বিশেষ সমাদৰ লাভ কৰিছিল। বুৰঞ্জীত প্ৰাপ্ত তথ্য অনুসৰি ৰাজেশ্বৰ সিংহৰ দিনত ৰাৱন বধ, গৌৰীনাথ সিংহৰ দিনত পছুমৰীয়া গোসাঁয়ে পদ্মাৱতী হৰণ, কমলেশ্বৰ সিংহৰ দিনত বাৰেঘৰীয়া গোসাঁয়ে ৰুক্মিণী হৰণ আৰু দিহিঙৰ নমাটি গোসাঁয়ে অক্ৰূৰাগমন ভাওনা অভিনয় কৰিছিল। আহোম ৰজাসকলৰ অনুপ্ৰেৰণাত অংকীয়া নাটৰ কৌশলত আন এক শ্ৰেণীৰ সংস্কৃত নাটক ৰচিত হৈছিল। উদাহৰণস্বৰূপে, ধৰ্মদেৱ ভট্টৰ **ধৰ্মোদয়**, কবি-সূৰ্যৰ **বিঘ্নেশ-জন্মোদয়** আদি নাটৰ কাহিনী বৰ্ণনা আৰু সংলাপ সংস্কৃত ভাষাত ৰচিত যদিও নাটৰ মাজত অসমীয়া গীতৰ প্ৰয়োগ কৰা হৈছে। সেইদৰে, অষ্টাদশ শতিকাত সংস্কৃত ৰূপক নাটৰ আৰ্হিতো এক শ্ৰেণীৰ নাটক ৰচিত হৈছিল। দ্বিজ মহীন্দ্ৰৰ **বোধোদয়**, ৰামানন্দ দ্বিজৰ **মহামোহ কাব্য** আদি এনেধৰণৰ অনুপম ৰূপক কাব্য।

এই সময়ৰ অন্যান্য নাটৰ ভিতৰত ৰুচিদেৱৰ কুমৰ হৰণ আৰু **শতস্কন্ধ ৰাৱণ বধ**, হৰেন্দ্ৰ দাসৰ **দুৰ্বাসা ভোজন**, গোপীকান্তৰ **কৰ্ণবধ**, অজ্ঞাত নাট্যকাৰৰ **স্যামন্তহৰণ**, **অভিমন্যু বধ**, শ্ৰীৰামদেৱৰ **সুভদ্ৰা হৰণ**, লক্ষ্মীদেৱৰ **ৰাৱণ বধ**, **নৃসিংহযাত্ৰা**, **গোৱৰ্ধনযাত্ৰা**, **জন্মযাত্ৰা** আদি বিশেষ উল্লেখযোগ্য নাট্য সাহিত্য।

শংকৰোত্তৰ যুগৰ নাটসমূহ শংকৰদেৱৰ নাটৰ অনুকৰণ কৰা হৈছিল, তথাপি পূৰ্ণাঙ্গ অংকীয়া নাট সৃষ্টিটো সফলতা দেখুৱাব পৰা নাছিল। কিন্তু তথাপি যিসকল নাট্যকাৰে নাট্যধাৰাটি বৰ্তাই ৰখাত অহোপুৰুষাৰ্থ কৰিছিল তেঁওলোকৰ ভিতৰত উক্ত নাট্যকাৰ সকল অন্যতম।

### ৩.৩.৩ গীত ঃ

শংকৰদেৱ, মাধৱদেৱ আৰু তেওঁৰ সমসাময়িক সাহিত্যিকসকলে ওজাপালি, বৰগীত, ভটিমা, আদিৰে অসমীয়া গীতৰ ধাৰাক প্ৰাণময় আৰু বৰ্ণাঢ্য কৰি তুলিছিল। শংকৰোত্তৰ যুগত অনুগামী সাহিত্যিকসকলে এই ধাৰা সবল কৰাত অৰিহণা আগবঢ়াইছিল। ৰামচৰণ ঠাকুৰৰ '**কংসবধ**' নাটৰ মাজত **১৬** টা গীত আৰু পয়াৰ সন্নিৱিষ্ট কৰা হৈছে। সেইদৰে গোপালদেৱৰ **উদ্ধৱযান** নাটত **২৫** টা, **নন্দোৎসৱ**ত ৪ টা আৰু **জন্মযাত্ৰা**ত **১৫** টা গীত উল্লেখ কৰা হৈছে। নাটৰ গীতখিনিৰ বাহিৰেও তেঁওৰ বড়াঘোষাৰ ঘোষা গীত সমূহ উল্লেখনীয়। বড়াঘোষাৰ গীতসমূহত কৃষ্ণৰ শ্ৰেষ্ঠত্ব ঘোষণা আৰু শংকৰদেৱৰ গুণানুকীৰ্ত্তন পোৱা যায়। কবি অনিৰুদ্ধদেৱে **১৮২** টা গীত ৰচনা কৰিছিল বুলি চৰিত পুথিত উল্লেখ পোৱা যায়। তেঁওৰ গীতসমূহ কবিত্ব গুণ ভক্তিভাৱেৰে সংপৃক্ত। এই গীতসমূহতো শ্ৰীকৃষ্ণৰ পৰম পুৰুষত্ব আৰু মানৱী লীলাৰ মহিমা প্ৰকাশ পাইছে। ভট্টদেৱৰ দ্বাৰা ৰচিত ভালেসংখ্যক ভক্তিমূলক গীত পোৱা যায়। এই গীতসমূহ কৃষ্ণ ভক্তিমূলক, ভক্তি তত্বৰ গভীৰ ভাৱেৰে পুষ্ট আৰু গুৰু দামোদৰদেৱৰ গুৰুবন্দনা সংযুক্ত। পুৰুষোত্তম ঠাকুৰে ৰচনা কৰা গীতৰ সংখ্যা কুৰিটা। বৈষ্ণৱ যুগৰ কবিসকলৰ দৰেই এই গীতসমূহো ভগৱৎ প্ৰেমেৰে সিক্ত।

শংকৰোত্তৰ যুগৰ অন্যান্য গীতিকাৰ সকলৰ ভিতৰত চতুৰ্ভূৰ্জ ঠাকুৰ, পৰমানন্দ ঠাকুৰ, ৰামঠাকুৰ, দৈত্যাৰি ঠাকুৰ আৰু পদ্মপ্ৰিয়া উল্লেখযোগ্য। পদ্মপ্ৰিয়া আই অসমৰ প্ৰথম মহিলা কবি তথা গীতিকাৰ হিচাপে জনাজাত। গোপাল আতাৰ জীয়ৰী পদ্মপ্ৰিয়াৰ এতিয়ালৈকে মুঠ চাৰিটা গীত সংগৃহীত হৈছে।

শংকৰোত্তৰ যুগৰ গীতিকাৰ সকলে নাটৰ গীতৰ বাদে বাকী গীতসমূহ বৰগীত আৰ্হিত ৰচনা কৰিছিল। গীতবোৰৰ মাজত গীতিকাৰৰ মৌলিকতা বিশেষ পৰিলক্ষিত নহ'লেও কৃষ্ণভক্তি মাহাত্ম্য প্ৰকাশত গীতসমূহ সফল বুলিব পাৰি। শকৰোত্তৰ যুগত ৰচিত বহুতো গীত পৰৱৰ্তী সময়ত অৰ্থাৎ আধুনিক যুগত সংগ্ৰহ আৰু সংকলন কৰি প্ৰকাশ কৰা হৈছে। এনে প্ৰকাশিত গীতৰ পুথিৰ ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত **শ্ৰীৰাম আৰু ৰমানন্দৰ গীত**, ৰাজীৱলোচন গোস্বামী সম্পাদিত **গীত মন্দাকিনী**, কুমুদচন্দ্ৰ মহন্ত সম্পাদিত **যদুমণিদেৱৰ গীতঘোষা**, কেশৱানন্দ দেৱগোস্বামী **শংকৰোত্তৰ গীত-সংকলন**, সতেন্দ্ৰনাথ শৰ্মাৰ **ভক্তিগীতপদ-সঞ্চয়ন** আদি উল্লেখনীয়।

## ৩.৩.৪ গদ্য সাহিত্য ঃ

শংকৰোত্তৰ যুগত আধুনিক অসমীয়া গদ্য সাহিত্যৰ ভেটি স্থাপন হয়। এই সময়ৰ প্ৰতিভাশালী সাহিত্যিক বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য বা ভট্টদেৱ আছিল অসমীয়া গদ্য সাহিত্যৰ জন্মদাতা। অৱশ্যে ইয়াৰ পূৰ্বে শংকৰদেৱৰ অংকীয়া নাটত গদ্যৰ চানেকি ৰক্ষিত হৈছিল। তথাপি অংকীয়া নাটৰ গদ্যত ব্ৰজাৱলী ভাষাৰ প্ৰভাৱৰ হেতু সেই সমূহক শুদ্ধ অসমীয়া গদ্য সাহিত্যৰ প্ৰথম নিদৰ্শন বুলিব নোৱাৰি। সমসাময়িক সাহিত্য ৰচনাৰ প্ৰচলিত পদ বা কাব্যৰ মাধ্যম এৰি ভট্টদেৱে গদ্যত সাহিত্য ৰচনাৰ মাধ্যম গ্ৰহণ কৰি এক প্ৰশংসনীয় পদক্ষেপ আগবঢ়ালে। তদুপৰি **কথা ভাগৱত, কথা গীতা** আৰু **কথা ৰত্নাৱলী** এই তিনিখন প্ৰসিদ্ধ গ্ৰন্থৰ সৃষ্টিৰ যোগেদি তেওঁ অসমীয়া ভাষা সাহিত্যৰ মৰ্য্যদা বৃদ্ধি কৰিলে। ভট্টদেৱৰ ৰচনাৰ গদ্যশৈলীৰ মাজত দৈনন্দিন ব্যৱহৃত জনসাধাৰণৰ কথ্য ভাষা ব্যৱহাৰ কৰা নাই। তেওঁ কথ্য ভাষাৰে এটা মাৰ্জিত আৰু গম্ভীৰ ৰূপ ব্যৱহাৰ কৰিছে। বাক্য সমূহ বৈয়্যাকৰণিক প্ৰণালীৰে নিখুত ৰূপত প্ৰকাশিত আৰু স্থান বিশেষে সংস্কৃতীয়া সমাসবদ্ধ বাক্যৰ প্ৰয়োগ লব্ধ। ভট্টদেৱ আছিল দামোদৰদেৱৰ প্ৰধান শিষ্য। সেয়ে তেওঁ ৰচনা সমূহত নিজৰ নাম কবিৰত্ন বুলি ব্যৱহাৰ কৰি নিজকে 'শ্ৰী দামোদৰ পাদপদ্ম মধুব্ৰত কবিৰত্ন' ৰূপে পৰিচয় প্ৰদান কৰিছে। অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ চাৰিখন মূল পুথিৰ ভিতৰত **শ্ৰীমদ্ভাগৱত, গীতা** আৰু **ভক্তিৰত্নাৱলী** অন্যতম। ভট্টদেৱে এই তিনিওখন গ্ৰন্থকে গদ্যত প্ৰাঞ্জল আৰু মধুৰ ৰচনাশৈলীৰে সৃষ্টি কৰি অসমীয়া ভাষা সাহিত্যলৈ এক ব্যতিক্ৰমী অৱদান আগবঢ়াই থৈ গ'ল।

ভট্টদেৱে প্ৰদৰ্শন কৰা গদ্যৰ আৰ্হি অনুকৰণ কৰি শংকৰোত্তৰ যুগৰ আন কেইজনমান সাহিত্যিকেও গদ্যত সাহিত্য ৰচনা কৰিছিল। এওঁলোকৰ ভিতৰত সৰ্বাধিক প্ৰতিভাশালী কবি হিচাপে ৰঘূনাথ মহন্তই খ্যাতি অৰ্জন কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত **কথা-ৰামায়ণ** গ্ৰন্থত সাহিত্যিকজনৰ মৌলিক প্ৰতিভাৰ চানেকি ৰক্ষিত হৈছিল।

## ৩.৩.৫ চৰিত সাহিত্য ঃ

শংকৰোত্তৰ যুগৰ আন এক বিশেষ অৱদান হৈছে চৰিত সাহিত্যৰ উৎপত্তি। শংকৰদেৱ মাধৱদেৱ আৰু তেওঁলোকৰ প্ৰধান শিষ্যসকলে অসমৰ চুকে-কোণে স্থাপন কৰা সত্ৰ সমূহত নাম প্ৰসংগ, ধৰ্মালোচনা আদিৰ উপৰিও

আন এক কাৰ্যৰ প্ৰথা প্ৰচলিত হ'বলৈ ধৰিলে। নৱবৈষ্ণৱ ধৰ্মৰ গুৰু কেইজনক বৈষ্ণৱ ধৰ্মৰ শিষ্য প্ৰশিষ্য সকলে ঈশ্বৰ অংশৰূপে বিশ্বাস কৰিছিল। সেয়ে তেওঁলোকৰ তিৰোধামৰ পাছত গুৰুৰ জীৱনী, কাৰ্যকলাপৰ গুণানুকীৰ্ত্তন আদি সত্ৰসমূহত নিতৌ চৰ্চিত হ'বলৈ ধৰে। এইদৰে ভকত সমাজত গুৰুৰ গুণানুকীৰ্ত্তন কৰি 'চৰিত তোলা' প্ৰথা প্ৰৱৰ্ত্তন কৰে। গুৰুসকলৰ জীৱনী আৰু কাৰ্য্যাৱলী বৰ্ণনাৰে চৰিত পুথি ৰচিত হয়। অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত ব্যক্তি জীৱন চৰিত্ৰ সম্পৰ্কে গ্ৰন্থ সৃষ্টি ই প্ৰথম নিদৰ্শন। শংকৰোত্তৰ যুগৰ চৰিত পুথি ৰচোতাসকলৰ ভিতৰত ৰামচৰণ ঠাকুৰ, ভূষণদ্বিজ, দৈত্যাৰী ঠাকুৰ, ৰামানন্দ দ্বিজ অন্যতম। ৰামচৰণ ঠাকুৰে ৰচনা কৰা **শংকৰ চৰিত** গ্ৰন্থত শংকৰদেৱৰ জীৱনৰ সকলো কথা বিশদভাৱে পোৱা যায়। সেইদৰে ভূষণদ্বিজেও আন এখন **শংকৰ চৰিত** ৰচনা কৰে। এইখন চৰিত পুথিত পূৰ্বৰখনৰ দৰে শংকৰদেৱৰ জীৱনৰ অলৌকিক বিৱৰণ পোৱা নাযায়। লেখকজনে চমুকৈ অথচ সত্য নিষ্ঠাৰে শংকৰদেৱৰ জীৱনৰ তথ্য প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। দৈত্যাৰী ঠাকুৰৰ দ্বাৰা ৰচিত চৰিত পুথিখনৰ নাম **শংকৰদেৱ-মাধৱদেৱ চৰিত্ৰ**। এইখন গ্ৰন্থত শংকৰদেৱতকৈ মাধৱদেৱৰ জীৱনৰ ঘটনা আৰু কাৰ্য্যকলাপৰ বিৱৰণ অধিক। ৰামানন্দদ্বিজে ৰচনা কৰা **গুৰুচৰিত** গ্ৰন্থত মহাপুৰুষ শংকৰদেৱৰ জীৱনী আৰু ঘটনাৱলীৰ লগতে প্ৰাসংগিক ভাৱে মাধৱদেৱ আৰু গোপাল আতাৰ জীৱনীৰ বৰ্ণনা পোৱা যায়। এওঁলোকৰ বাদেও শংকৰোত্তৰ যুগৰ আনকেইজনমান সাহিত্যিকে চৰিত সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিছিল। কৃষ্ণ ভাৰতীয়ে গদ্যত **সন্ত-নিৰ্ণয়** নামে এখন পুথি ৰচনা কৰে য'ত বৈষ্ণৱ ধৰ্ম প্ৰচাৰক সকলৰ চমু পৰিচয় পোৱা যায়।

দামোদৰদেৱৰ অন্যতম শিষ্য ৰামৰায়ৰ **গুৰুলীলা** বা **সন্ত যশামৃত** নামে এখন চৰিত পুথি পোৱা যায়। এই গ্ৰন্থত দামোদৰদেৱৰ জন্মৰ পৰা ভট্টদেৱৰ মৃত্যুলৈকে বিশদ বিৱৰণ আছে। সেইদৰে বৈকুণ্ঠনাথ দ্বিজৰ **সন্তমালা** গ্ৰন্থত মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱৰ জীৱনৰ পৰা আৰম্ভ কৰি পুৰুষোত্তম চতুৰ্ভুজলৈকে বিশদ বিৱৰণ আছে। বংশীগোপালদেৱৰ শিষ্য ৰমানন্দই তেখেতৰ জীৱনীক লৈ ৰচনা কৰা **বংশীগোপালদেৱ চৰিত**, ৰমাকান্তৰ **বনমালীদেৱ চৰিত**, বিদ্যানন্দন ওজাৰ **ঠাকুৰ চৰিত**, এই সময়ৰ উল্লেখযোগ্য চৰিত সাহিত্য।

চৰিত পুথি সমূহত নৱবৈষ্ণৱ ধৰ্মৰ গুৰু সকলৰ জীৱন কাৰ্য, ধৰ্মীয় কাৰ্য, বৈষ্ণৱ অনুষ্ঠান প্ৰতিষ্ঠা আৰু প্ৰসাৰৰ হেতু কৰা ত্যাগ, সমসাময়িক সামাজিক

আৰু ৰাজনৈতিক অৱস্থাৰ ধৰ্মীয় ৰীতি-নীতি, প্ৰসংগ প্ৰণালী সাংস্কৃতিক সম্পদৰাজি আদিৰ বিস্তৃত উপাদান পোৰা যায়। সেইবাবে ক'ব পাৰি চৰিত সাহিত্য কেৱল অসমীয়া ভাষা সাহিত্যৰ মূল্যবান সম্পদেই নহয় ই সমসাময়িক সমাজৰ দলিল স্বৰূপ।

**আত্মমূল্যায়ন - ২**

চৰিত সাহিত্য বুলিলে কি বুজা ?

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৩.৩.৬ ব্যৱহাৰিক সাহিত্য ঃ

শংকৰোত্তৰ যুগত বিভিন্ন বিষয়ৰ ব্যৱহাৰিক জ্ঞানৰ সংস্কৃত পুথি অসমীয়ালৈ অনুবাদ হৈছিল। এই ব্যৱহাৰিক পুথি সমূহক সামগ্ৰিকভাৱে ব্যৱহাৰিক সাহিত্য হিচাপে চিহ্নিত কৰিব পাৰি। ব্যৱহাৰিক গ্ৰন্থসমূহ পদ্যত ৰচনা কৰা হৈছিল। প্ৰধানকৈ অংকৰ আৰ্য্যা, জ্যোতিষ, নৃত্য গীতৰ পুথি, নিদান, আয়ুৰ্ব্বেদ শাস্ত্ৰ, চিকিৎসা শাস্ত্ৰ আদি বিষয়ক ব্যৱহাৰিক পুথি ৰচিত হৈছিল। কবিৰাজ চক্ৰৱৰ্তীয়ে সপ্তদশ শতিকাত **ভাস্বতী** নামে জ্যোতিষ শাস্ত্ৰৰ পুথি অনুবাদ কৰে। শুভংকৰে নৃত্য আৰু মুদ্ৰা বিষয়ৰ পুথি **শ্ৰীহস্ত মুক্তাৱলী** অনুবাদ কৰে। অংক শাস্ত্ৰৰ পুথিৰ ভিতৰত কাশী নাথৰ **অংকৰ আৰ্য্যা** উল্লেখযোগ্য। ইয়াত অংকৰ উপৰিও মাটি জোখাৰ নিয়ম আৰু বৰ্গমূল উলিওৱাৰ প্ৰণালী আলোচনা কৰা হৈছে। সপ্তদশ শতিকাৰ কবি চূড়ামণিয়ে পদ্যত এখন **অংক শাস্ত্ৰ** ৰচনা কৰে। এই পুথিত বিভিন্ন প্ৰশ্নাৱলীও দিয়া হৈছে। সপ্তদশ শতিকাৰ মাজভাগত স্বৰ্গদেউ শিৱসিংহ আৰু ৰাণী অম্বিকা দেৱীৰ আজ্ঞা অনুসৰি সুকুমাৰ বৰকাথে **হস্তী বিদ্যাৰ্ণৱ** পুথি ৰচনা কৰে। ইয়াত বিভিন্ন হাতীৰ প্ৰকৃতি আৰু লক্ষণ, হাতীৰ ৰোগ আৰু ঔষধৰ ব্যৱস্থা, হাতী-বশ কৰাৰ প্ৰণালী আদি কথা আছে। দিলবৰ আৰু দোছাই নামৰ দুজন মোগল শিল্পীয়ে এই পুথিৰ চিত্ৰ অংকণ কৰিছিল।

আন এজন অজ্ঞাত লেখকৰ সম্ভৱতঃ অষ্টাদশ শতিকাত ৰচিত **ঘোঁৰানিদান** নামে পুথি পোৱা যায়। এই পুথিত ঘোঁৰাৰ জাতি আৰু লক্ষণ, সিহঁতৰ ৰোগ আৰু চিকিৎসাৰ সম্পৰ্কে আলোচনা কৰা হৈছে। শংকৰোত্তৰ যুগত সংস্কৃত তান্ত্ৰিক শাস্ত্ৰৰ অসমীয়াৰ অনুবাদ পুথিও ৰচিত হৈছিল। গোৰক্ষ নাথৰ **কামৰত্ন-তন্ত্ৰ** এনে এখন তান্ত্ৰিক মন্ত্ৰৰ পুথি। বকুল কায়স্থ গণিতৰ পুথি **কিতাপত মঞ্জৰী**, কবিৰত্ন দ্বিজৰ আন এখন প্ৰসিদ্ধ পুথি **লীলাৱতী** অসমীয়াৰ ব্যৱহাৰিক সাহিত্যৰ ভঁৰাললৈ আপুৰুগীয়া অৱদান। এই ব্যৱহাৰিক জ্ঞানৰ পুথিসমূহ ৰচনা কৰাৰ ক্ষেত্ৰত সমসাময়িক আহোম স্বৰ্গদেউ সকল, কোঁচৰজা নৰনাৰায়ণ, দৰঙী ৰজাই যথেষ্ট পৃষ্ঠপোষকতা আগবঢ়াইছিল।

**আত্মমূল্যায়ন - ৩**

শংকৰোত্তৰ যুগত ৰচিত চাৰিখন ব্যৱহাৰিক পুথিৰ নাম লিখা।

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## ৩.৩.৭ বুৰঞ্জী সাহিত্য ঃ

আহোম ৰজাসকলৰ অসমীয়া সাহিত্যলৈ আগবঢ়োৱা শ্ৰেষ্ঠ অৱদান সমূহৰ ভিতৰত বুৰঞ্জী সাহিত্য অন্যতম। সাহিত্য আলোচনাত বুৰঞ্জী সাহিত্যক শংকৰোত্তৰ যুগত অন্তৰ্ভুক্ত কৰা হয়। বুৰঞ্জীবোৰ প্ৰথমে আহোম ভাষাত লিখা হৈছিল। পিছলৈ সপ্তদশ শতিকা মানৰ পৰা অসমীয়া ভাষাত বুৰঞ্জী লিখা প্ৰথা প্ৰচলন হ'ল। এতিয়ালৈকে প্ৰাপ্ত বুৰঞ্জীসমূহৰ ভিতৰত **পুৰণি অসম বুৰঞ্জী**কে প্ৰাচীন বুলি চিহ্নিত কৰা হৈছে। অন্যান্য উল্লেখযোগ্য বুৰঞ্জীৰ ভিতৰত ৰাজমন্ত্ৰী আতন বুঢ়াগোঁহাইৰ দ্বাৰা সংগৃহীত **বাঁহগড়ীয়া বুৰঞ্জী,** সুকুমাৰ মহন্তৰ ঘৰৰ পৰা উদ্ধাৰ হোৱা আৰু ড° সূৰ্যকুমাৰ ভূঞাই সম্পাদনা কৰা **অসম বুৰঞ্জী** অন্যতম। তদুপৰি ৰত্ন কন্দলি, আৰু অৰ্জুন দাস বৈৰাগীৰ **ত্ৰিপুৰা বুৰঞ্জী, কছাৰী বুৰঞ্জী,** শ্ৰীনাথ দুৱৰা বৰুৱাৰ **তুংখুঙীয়া বুৰঞ্জী**, **জয়ন্তীয়া বুৰঞ্জী, পাদশাহ**

**বুৰঞ্জী** আদিও এই সময়তে ৰচিত বুৰঞ্জী। বৰ্তমান সময়ত বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে পুৰণি বুৰঞ্জী সমূহ প্ৰকাশ কৰি উলিয়াইছে। গুৱাহাটিত বিশ্ববিদ্যালয়ৰ পৰা ড° সূৰ্যকুমাৰ ভূঞাই **১৯৬০** চনত সাতখন পুৰণি বুৰঞ্জী সংযুক্ত কৰি **সাতসৰী অসম বুৰঞ্জী** নামেৰে সম্পাদনা কৰি উলিয়ায়।

বুৰঞ্জীসমূহক সাধাৰণতে দুটা শ্ৰেণীত ভাগ কৰি আলোচনা কৰা হয়- (ক) অসম বা আহোম ৰাজ্যৰ বুৰঞ্জী (খ) আহোম ৰাজ্যৰ বহিৰ্ভূত আন ৰাজ্য বা দেশৰ বুৰঞ্জী। আহোম ৰাজত্বৰ প্ৰথমৰ পৰা গদাধৰ সিংহৰ দিনলৈকে বৰ্ণনা থকা **পুৰণি অসম বুৰঞ্জী**, গদাধৰ সিংহৰ পৰা চন্দ্ৰকান্ত সিংহৰ দিনলৈকে বৰ্ণনা থকা তুংখুঙীয়া বুৰঞ্জী, গদাধৰ সিংহৰ দিনলৈকে বৰ্ণনা থকা **অসম বুৰঞ্জী** আদি প্ৰথম শ্ৰেণীৰ আৰু **ত্ৰিপুৰা বুৰঞ্জী, কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী** আদি দ্বিতীয় শ্ৰেণীৰ বুৰঞ্জী পুথি।

এইবোৰৰ লগতে ৰজাঘৰীয়া চিঠি পত্ৰ আৰু ভূমিদান ফলিকো এই যুগৰ গদ্য সাহিত্যত অন্তৰ্ভুক্ত কৰিব পাৰি। বুৰঞ্জী সমূহ কথ্য ভাষাত ৰচিত কাৰণে ইয়াৰ ভাষা সহজ-সৰল আৰু অনাড়ম্বৰ। শব্দযোজনা আৰু জঁটুৱা ঠাঁচৰ ব্যৱহাৰ প্ৰচুৰ। বুৰঞ্জী সমূহ সত্যনিষ্ঠ তথ্যৰ আধাৰত ৰচিত। ইয়াত অতিৰঞ্জনৰ ঠাই নাই। অসমীয়া গদ্য সাহিত্যৰ বিকাশৰ দিশত বুৰঞ্জী সমূহৰ উল্লেখযোগ্য বৰঙণি আছে।

**আত্মমূল্যায়ন - ৪**

বুৰঞ্জী সাহিত্যসমূহৰ মূল বিষয়বস্তু কি আছিল?

....................................................................................

....................................................................................

....................................................................................

....................................................................................

ইতিমধ্যে তোমালোকে শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্য সম্পৰ্কে এটা থূল-মূল ধাৰণা পালা। শংকৰোত্তৰ যুগ বৈষ্ণৱ সাহিত্যৰ বিস্তাৰৰ যুগ। ঘাইকৈ

ভক্তিমূলক সাহিত্যই এই সময়ত বিস্তৃতি লাভ কৰিলে। অৱশ্যে কথা-সাহিত্যৰ আৰম্ভণি স্বৰূপে এই যুগ বিশেষ বৈশিষ্ট্যমণ্ডিত। শংকৰদেৱ, মাধৱদেৱ আদিয়ে নাটত যি গদ্য আৰম্ভ কৰিলে শংকৰোত্তৰ যুগত ভট্টদেৱৰ হাতত সাহিত্য সৃষ্টিৰ মাধ্যম হিচাপে ই প্ৰতিষ্ঠা লাভ কৰিলে। ৰঘুনাথ মহন্ত আদিয়ে সেই গদ্যৰ উৎকৰ্ষ সাধন কৰিলে। ভট্টদেৱৰ ৰচনা-ৰীতি অনুকৰণ কৰি সমসাময়িক অনেক পণ্ডিতে সংস্কৃত শাস্ত্ৰৰ কথা-ভাঙনি কৰে। আহোম ৰজাসকলে প্ৰৱৰ্তন কৰা বুৰঞ্জী লিখা প্ৰথা এই সময়ৰ বিশেষ উল্লেখনীয় কাৰ্য। সেইদৰে বৈষ্ণৱ সাধকসকলৰ চৰিত তোলা প্ৰথাৰ পৰা সৃষ্ট চৰিত সাহিত্যিসমূহেও এই যুগৰ সাহিত্যৰ ভঁৰাল টনকীয়াল কৰাত সহায়ক হ'ল। পূৰ্বৰ যুগৰ তুলনাত এই যুগটোৰ সাহিত্য ক্ষেত্ৰত যদিও কিছু পৰিমাণে অৱসাদৰ আগমন ঘটিছিল, তথাপি উপৰোক্ত সাহিত্যকৃতি সমূহে যুগটোক অসমীয়া সাহিত্যৰ জগতত নিজস্ব স্থান নিৰ্ণয় কৰালে। তদুপৰি সাহিত্যকৃতিৰ সংখ্যাৰ প্ৰচুৰতাৰ বাবেও এই যুগটোৱে অসমীয়া সাহিত্যৰ ক্ষেত্ৰখন সমৃদ্ধ হোৱাত অৰিহণা যোগালে।

## ৩.৪ সাৰাংশ ঃ

শংকৰ মাধৱ আৰু সমসাময়িক বৈষ্ণৱ কবি সকলৰ তিৰোধানৰ পাছত অৰ্থাৎ ষষ্ঠদশ শতিকাৰ শেষৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈকে এই সময়ছোৱাত অসমীয়া সাহিত্যৰ আলোচনাত শংকৰোত্তৰ যুগ হিচাপে চিহ্নিত কৰা হয়।

- শংকৰোত্তৰ যুগ ঘাইকৈ বৈষ্ণৱ সাহিত্য বিস্তাৰৰ যুগ।
- এই যুগৰ সাহিত্যৰ অধিকাংশ শংকৰদেৱৰ ৰচনাৰ আদৰ্শ বা অনুকৰণত ৰচিত হৈছিল।
- এই যুগৰ সাহিত্যই প্ৰচুৰ পৰিমাণে ৰাজ পৃষ্ঠপোষকতা লাভ কৰিছিল।
- সংখ্যাৰ লেখেৰে এই যুগৰ সাহিত্য প্ৰচুৰ। কিন্তু বিষয়বস্তু আৰু আঙ্গিকলৈ ই বিশেষ নতুনত্ব কঢ়িয়াই আনিব পৰা নাছিল।
- কাব্য সাহিত্যৰ দিশত শংকৰোত্তৰ যুগ যথেষ্ট চহকী। এই সময়ত **মহাভাৰত, ৰামায়ণ**ৰ বিভিন্ন পৰ্ব আৰু কাহিনী পদ ভাঙনি কৰি কবিসকলে সুখ্যাতি অৰ্জন কৰিছিল।

- নাট সমূহত শংকৰদেৱৰ অংকীয়া নাটৰ আৰ্হিকে অনুসৰণ কৰা হৈছিল। তথাপি শংকৰদেৱৰ অংকীয়া নাটৰ সম্পূৰ্ণ আৰ্হি আৰু বৈশিষ্ট্য ৰক্ষা কৰিব পৰা নাছিল।
- শংকৰোত্তৰ নাটত লোক মনোৰঞ্জনৰ হেতু 'বহুৱা' চৰিত্ৰ অৱতাৰণা কৰা হৈছিল। শ্লোকৰ ব্যৱহাৰ আৰু মুক্তি মঙ্গল ভটিমাৰ প্ৰয়োগ কমি আহিছিল। নাটকৰ আখ্যান নতুন আছিল যদিও নাটকীয়া কলা-কৌশলত নাট্যকাৰ সকলে বিশেষ মৌলিকতা প্ৰদৰ্শন কৰিব পৰা নাছিল।
- এই যুগত যথেষ্ট পৰিমাণে ভক্তিমূলক গীত ৰচনা হৈছিল। নাটসমূহৰ মাজতো যথেষ্ট সংখ্যক গীত অন্তৰ্ভুক্ত হৈছিল।
- শংকৰোত্তৰ যুগত অসমীয়া গদ্য সাহিত্যৰ ভেটি স্থাপন হয়। ভট্টদেৱ আছিল অসমীয়া গদ্য সাহিত্যৰ জন্মদাতা।
- চৰিত সাহিত্যৰ উদ্ভৱে এই যুগৰ সাহিত্যক গুৰুত্ব প্ৰদান কৰে। সত্ৰসমূহত হোৰা চৰিত তোলা প্ৰথাৰেই ফলশ্ৰুতিত চৰিত পুথিৰ উদ্ভৱ হয়।
- চৰিত সাহিত্য সমূহত শংকৰদেৱ মাধৱদেৱৰ লগতে তেওঁলোকৰ প্ৰধান শিষ্য বৈষ্ণৱ সাধক সকলৰ জীৱনী পোৱা যায়।
- এই যুগৰ শেষৰ ফালে আহোম ৰজাসকলৰ নিৰ্দেশত বুৰঞ্জী সাহিত্যৰ সৃষ্টি হয়। বুৰঞ্জীৰ গদ্যই অসমীয়া ভাষা সাহিত্য অধিক সমৃদ্ধিশালী কৰি তোলে।
- বিভিন্ন বিষয়ৰ ব্যৱহাৰিক জ্ঞানৰ পুথি ৰচনা এই যুগৰ আন এক উল্লেখযোগ্য কৰ্ম। তাৰ ভিতৰত অংক শাস্ত্ৰ, জ্যোতিষ শাস্ত্ৰ, আয়ুৰ্বৈদিক শাস্ত্ৰ, নিদান আদিয়েই প্ৰধান।

অসমীয়া সাহিত্যৰ ইতিহাসত শংকৰোত্তৰ যুগৰ গুৰুত্বপূৰ্ণ স্থান আছে। বিশেষকৈ অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত এই যুগৰ অৱদান স্বীকাৰ্য।

**আত্মমূল্যায়নৰ উত্তৰ - ১**

শংকৰোত্তৰ যুগৰ ৩ টা প্ৰধান বৈশিষ্ট্য হৈছে -

১। শংকৰোত্তৰ যুগৰ সাহিত্য ঘাইকৈ শংকৰদেৱৰ আদৰ্শৰ অনুগামী, গীত-পদ-নাট আদি ৰচনাত শংকৰী যুগৰ বৈষ্ণৱ সাহিত্যৰ ৰচনাশৈলী অনুকৰণ কৰা হৈছে।

২। শংকৰোত্তৰ যুগৰ সাহিত্যৰ অধিকাংশই অনুবাদ কৰ্ম আছিল। ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ লগতে ভক্তি-তত্ব সম্পৰ্কীয় বিভিন্ন সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনুদিত হৈছিল।

৩। গদ্য সাহিত্য আৰু চৰিত পুথিৰ উদ্ভৱ আছিল এই যুগৰ আন এক প্ৰধান বৈশিষ্ট্য। শংকৰ-মাধৱৰ নাটত ব্যৱহৃত গদ্যৰ আৰম্ভণি এই যুগত ভট্টদেৱৰ হাতত সাহিত্য ৰচনাৰ মাধ্যম হিচাপে প্ৰতিষ্ঠা লাভ কৰে।

**আত্মমূল্যায়ন উত্তৰ - ২**

শংকৰদেৱ-মাধৱদেৱকে মুখ্য কৰি সমসাময়িক বৈষ্ণৱ সাধক সকলৰ তিৰোধানৰ পাছত সত্ৰসমূহত ধৰ্মচৰ্চাৰ উপৰিও গুৰুসকলৰ গুণানুকীৰ্ত্তন কাৰ্য আৰম্ভ হ'ল। নিতৌ নাম-প্ৰসঙ্গৰ অন্তত হোৱা গুৰু-চৰিত কীৰ্ত্তন প্ৰথা লাহে লাহে 'চৰিত তোলা প্ৰথা' হিচাপে পৰিচিত হৈ পৰিল। উৎসাহী বৈষ্ণৱ ভকত সকলে গুৰু সম্পৰ্কে আলোচিত এই তথ্যসমূহক সংগ্ৰহ কৰি গুৰুৰ জীৱনী গ্ৰন্থ প্ৰকাশ কৰিলে। গুৰুৰ জীৱন চৰিত্ৰ আৰু কাৰ্যকলাপৰ বিৱৰণ থকা এই সাহিত্যসমূহকে চৰিত সাহিত্য বুলি কোৱা হয়।

**আত্মমূল্যায়ন উত্তৰ - ৩**

শংকৰোত্তৰ যুগত ৰচিত ৪ খন ব্যৱহাৰিক পুথি হ'ল -

ক) কবিৰাজ চক্ৰৱৰ্তীৰ জ্যোতিষ চৰ্চাৰ গ্ৰন্থ - 'ভাস্বতী'।

খ) শুভংকৰ নৃত্য আৰু মুদ্ৰা বিষয়ক গ্ৰন্থ - 'শ্ৰীহস্তমুক্তাৱলী'।

গ) সুকুমাৰ বৰকাথৰ - 'হস্তীবিদ্যাৰ্ণৱ'।

ঘ) অজ্ঞাত লেখকৰ দ্বাৰা ৰচিত - 'ঘোঁৰা নিদান'।

**আত্মমূল্যায়ন উত্তৰ - ৪**

বুৰঞ্জী সাহিত্য সমূহৰ মূল বিষয়বস্তু আছিল আহোম ৰাজ-পৰিয়ালৰ ঘৰুৱা বৃত্তান্ত। ৰজাঘৰীয়া কাৰ্যকলাপ, যুদ্ধ-বিগ্ৰহ, ৰাজ-কৰ্মচাৰীসকলৰ বিভিন্ন ক্ৰিয়াকলাপ আদিৰ নিৰপেক্ষ বিৰৰণ বুৰঞ্জী সমূহত পোৱা যায়। ইয়াৰ লগতে সমসাময়িক ৰজাসকলৰ শাসন কাৰ্য, সামাজিক-ৰাজনৈতিক পৰিস্থিতি আদিৰ বিষয়েও বুৰঞ্জী সমূহত উল্লেখ থাকে।

**অনুশীলনী ঃ**

**চমু প্ৰশ্ন ঃ**

১। কোনখিনি সময়ক সাহিত্যৰ আলোচনাত শংকৰোত্তৰ যুগ হিচাপে চিহ্নিত কৰা হয়?

২। শংকৰোত্তৰ যুগৰ সাহিত্যৰ মাজত অনুৰণিত হোৱা ঘাই সুৰটি কি?

৩। বুৰঞ্জী সাহিত্যসমূহ কাৰ পৃষ্ঠপোষকতাত সৃষ্টি হৈছিল?

৪। শংকৰোত্তৰ যুগত প্ৰধানকৈ কোনবোৰ বিষয়ৰ ব্যৱহাৰিক গ্ৰন্থ ৰচিত হৈছিল?

**ৰচনাধৰ্মী প্ৰশ্ন ঃ**

৫। শংকৰোত্তৰ যুগৰ সাহিত্যৰ মূল বৈশিষ্ট্য সমূহ লিখা।

৬। শংকৰোত্তৰ যুগৰ সাহিত্যিক অৱদানৰ বিষয়ে আলোচনা কৰা।

৭। অসমীয়া সাহিত্যৰ ইতিহাসত শংকৰোত্তৰ যুগৰ সাহিত্যৰ স্থান নিৰ্ণয় কৰা।

## পঢ়িবলগীয়া পুথি ঃ


নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা।

বৰ্মন, শিৱনাথ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড)।

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।

শৰ্মা, হেমন্ত কুমাৰ ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত।

# খণ্ড - ৩
# আধুনিক অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠা

**গোট - ১ ঃ অৰুণোদয় স্তৰ**

**গোট - ২ ঃ হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা স্তৰ**

**গোট - ৩ ঃ প্ৰাক্-ৰোমাণ্টিক স্তৰ**

## খণ্ড পৰিচয় ঃ

এই কাকতখনৰ তৃতীয় খণ্ডটো হৈছে '**আধুনিক অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠা**'। আলোচনাৰ সুবিধাৰ বাবে এই খণ্ডটি তিনিটা গোটত ভাগ কৰা হৈছে –

**গোট - ১ ঃ অৰুণোদয় স্তৰ**

**গোট - ২ ঃ হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা স্তৰ**

**গোট - ৩ ঃ প্ৰাক্-ৰোমাণ্টিক স্তৰ**

১৮২৬ চনত ইংৰাজে শাসন ভাৰ নিজৰ হাতলৈ অনাৰে পৰা ১৮৭৩ চনত অসমীয়া ভাষা পুনৰ প্ৰৱৰ্তনলৈকে প্ৰায় পঞ্চাশ বছৰ কাল ছোৱাত ভাষা-সাহিত্যৰ বিশেষ চৰ্চা হোৱা নাছিল। যিখিনি চৰ্চা হ'ল সেয়েই আধুনিকতাৰ বুনিয়াদ গঢ়ি অসমীয়া ভাষা-সাহিত্যক নতুন প্ৰতিষ্ঠা দিলে। বিশেষকৈ ১৮৪৬ চনত অৰুণোদয় প্ৰকাশৰ জৰিয়তে মিচনেৰীসকলে অসমৰ বাবে এক মহৎ উপকাৰ সাধন কৰিলে। ১৮৩০ৰ পৰা ১৮৭৩ চনলৈকে এইছোৱা সময়কে অসমীয়া সাহিত্যত মিচনেৰী যুগ বুলি আখ্যা দিয়া হয়। এই খণ্ডৰ প্ৰথম গোটত মিছেনৰী সাহিত্যৰ সম্পৰ্কে আলোচনা কৰা হৈছে।

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত 'অৰুনোদই সংবাদ পত্ৰ'ই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। তদুপৰি পাশ্চাত্যৰ শিক্ষা আৰু বংগদেশত হোৱা সামাজিক সংস্কাৰৰ আন্দোলনৰ প্ৰভাৱেও অসমত আধুনিকতাৰ সূচনা কৰে। অসমত এই আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বাটকটীয়াসকলৰ ভিতৰত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাও আছিল। ঊনবিংশ শতিকাৰ এই দুয়োগৰাকী সাহিত্য সাধক আৰু সমাজ সংস্কাৰকৰ জীৱন আৰু সাহিত্যকৰ্মৰ বিষয়ে দ্বিতীয় গোটত আলোচনা কৰা হৈছে।

হেমচন্দ্ৰ-গুণাভিৰামৰ পাছৰ পৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদিত জোনাকী (১৮৮৯) আলোচনী প্ৰকাশলৈকে এই সময়ছোৱাক প্ৰাক্-ৰোমান্টিক স্তৰ বুলি কব পাৰি। কাৰণ অসমীয়া ৰোমান্টিক সাহিত্যৰ ভেঁটি জোনাকী যুগতহে প্ৰতিষ্ঠা হয়। সেয়ে জোনাকী যুগৰ আগৰ  কালছোৱাক প্ৰাক্ ৰোমান্টিক স্তৰ বুলি অভিহিত কৰিব পাৰি। তৃতীয় গোটটোত তোমালোকে ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্য আৰু বিভিন্ন লেখকৰ বিষয়ে চমুকৈ পঢ়িবলৈ পাবা।

# গোট - ১
# অৰুণোদয় স্তৰ

গঠন ঃ

১.০ উদ্দেশ্য
১.১ প্ৰস্তাৱনা
১.২ অসমীয়া ভাষা-সাহিত্যলৈ মিচনেৰীসকলৰ অৱদান
১.৩ অৰুণোদয়ৰ প্ৰকাশ
১.৩.১ অৰুণোদয়ৰ ভূমিকা
১.৩.২ অৰুণোদয়ৰ লেখকসকল
১.৪ সাৰাংশ

## ১.০ উদ্দেশ্য ঃ

এই ব্যষ্টিটো অধ্যয়ন কৰি তোমালোকে –

- ➢ ঊনৈশ শতিকাৰ প্ৰথম ভাগত আমেৰিকাৰ পৰা অহা খৃষ্টান মিচনেৰীসকলে অসমীয়া ভাষা-সাহিত্যলৈ কোন কোন দিশত অৱদান আগবঢ়াইছে সেইকথা আলোচনা কৰিব পাৰিবা।
- ➢ অৰুণোদয় বাৰ্তালোচনীৰ প্ৰকাশৰ ক্ষেত্ৰত খৃষ্টিয়ান মিচনেৰীসকলৰ উদ্যোগ আৰু ব্যৱস্থাপনা সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিবা।
- ➢ অসমীয়া জাতীয় জীৱনত নতুন ধ্যান-ধাৰণা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অৰুণোদয় কাকতে লোৱা ভূমিকাৰ বিষয়ে যথাযথ জ্ঞান আহৰণ কৰিব পাৰিবা।
- ➢ অৰুণোদয়ৰ জৰিয়তে লেখক ৰূপে প্ৰতিষ্ঠা লাভ কৰা বিদেশী আৰু স্বদেশী খৃষ্টিয়ান আৰু অনা-খৃষ্টিয়ান ব্যক্তিসকলৰ বিষয়ে বিশদভাৱে জানিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা ঃ

১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ লগে লগে ইংৰাজে কৌশলগতভাৱে অসমৰ শাসনভাৰ নিজৰ হাতলৈ নিয়ে। ইয়াৰ দহ বছৰৰ পিচত ইংৰাজে অসমীয়া মানুহৰ অনাথিতি আৰু অসচেতনতাৰ সুযোগ লৈ কেতবোৰ বঙলাভাষী আমোলা-বিষয়াৰ

প্ৰৰোচনাত ১৮৩৬ খৃষ্টাব্দত অসমৰ পৰা অসমীয়া ভাষা বিতাৰণ কৰি বঙলা ভাষাক ৰাজভাষা ৰূপে স্বীকৃতি প্ৰদান কৰিলে। ফলত অসমত ভাষা-সাহিত্য চৰ্চাৰ পৰিবেশ বিনষ্ট হৈ পৰিল। ১৮৩৬ খৃষ্টাব্দৰ পৰা ১৮৭৩ খৃষ্টাব্দলৈকে প্ৰায় দুকুৰি বছৰ পঢ়াশালী, অফিচ-আদালত আদিত বঙলা ভাষাই প্ৰভাৱ বিস্তাৰ কৰি আছিল। ১৮৩৬ চনত আমেৰিকাৰ বেপ্তিষ্ট মিচনেৰীসকল অসমলৈ আহে। এই প্ৰথম দলটোত ৰেভাৰেণ্ড নাথান্ ব্ৰাউন আৰু অলিভাৰ থমাচ কট্টাৰ সপৰিয়ালে আহিছিল। তাৰ দুমাহমান পিচতেই ডক্টৰ মাইলচ্ ব্ৰনচন্ আৰু জেকব থমাচ অসমত উপস্থিত হয়হি। দুৰ্ভাগ্যজনকভাৱে ব্ৰহ্মপুত্ৰৰ নাও দুৰ্ঘটনাত জেকভৰ সলীল সমাধি হ'ল। বাকীসকলে শদিয়া আৰু জয়পুৰত ধৰ্ম প্ৰচাৰত আত্মনিয়োগ কৰিছিল যদিও সফল হ'ব নোৱাৰি তেওঁলোকে শিৱসাগৰ, নগাঁও আৰু গুৱাহাটীত ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰ স্থাপন কৰিলেহি। গুৱাহাটীত ১৮৪৩ চনত ব্ৰাউন, ব্ৰন্সন, বাৰ্কাৰ আৰু অন্যান্য দেশী খৃষ্টিয়ান সমবেত হৈ উত্তৰ পূৰ্বাঞ্চল বেপ্তিষ্ট সমাজ প্ৰতিষ্ঠা কৰে আৰু ইয়াৰ ভিতৰত নগাঁও, গুৱাহাটী আৰু শিৱসাগৰ শাখাকো সামৰি লয়।

## ১.২ অসমীয়া ভাষা সাহিত্যলৈ মিচনেৰীসকলৰ অৱদান ঃ

মিচনেৰীসকলে খৃষ্ট ধৰ্মৰ প্ৰচাৰ চলাবলৈ ককাঁলত টঙালি বান্ধোতেই সন্মুখীন হ'ল ভাষা সমস্যাৰ। তেওঁলোকৰ দৃঢ় উপলব্ধি হ'ল যে অসমত ধৰ্ম প্ৰচাৰ চলাবলৈ হ'লে অসমীয়া ভাষাৰ বিকল্প নাই। সেইসময়ত অসমত স্কুল-আদালতত মাতৃভাষাৰ সলনি বঙলা ভাষাৰ প্ৰচলন হৈ থকাটো মিচনেৰীসকলৰ বাবেও অভিশাপ স্বৰূপ হৈ পৰিল। এই অভিশাপৰ পৰা মুক্ত হ'বৰ বাবে তেওঁলোকে সংগ্ৰাম আৰম্ভ কৰিলে। এই সংগ্ৰামৰ অংশস্বৰূপে তেওঁলোকে অসমীয়া ভাষাত বিভিন্ন পুথি-পাঁজি প্ৰণয়ন কৰিলে আৰু ইংৰাজ চৰকাৰৰ ভুল ভাষানীতিৰ বাবে দুৰ্ঘোৰ প্ৰতিবাদ সাব্যস্ত কৰিলে। মিচনেৰীসকলৰ লগত সহযোগিতা কৰিলে আনন্দৰাম ঢেকীয়াল ফুকন প্ৰমুখ্যে কেইবাজনো স্বদেশপ্ৰেমী শিক্ষিত যুৱকে। ডেন্‌ফৰ্থ চাহাবে ১৮৫৩ চনত মোফাট্‌মিলচ্ চাহাবক অসমত সম্পৰ্কে দিয়া টোকাটোত অসম বঙালী ভাষাৰ পৰিবৰ্তে অসমীয়া ভাষা প্ৰচলন কৰাৰ সপক্ষে মত দিছিল। তদুপৰি মোফাট্‌মিলচ্‌ৰ ১৮৫৪ চনৰ প্ৰতিবেদনত অসমীয়াৰ ঠাইত বঙলা ভাষা প্ৰৱৰ্তন কৰা কাৰ্য নিন্দা কৰাৰ লগতে অসমত পুনৰ অসমীয়া ভাষা প্ৰৱৰ্তন কৰা সম্পৰ্কে সবল যুক্তি দাঙি ধৰে। তথাপি উচ্চ পদস্থ জনচেৰেক বঙলাভাষী বিষয়া কৰ্মচাৰীৰ বাধাদানৰ ফলত পুনৰ কুৰিবছৰ মানলৈ অসমীয়া ভাষাই নায্য স্থান পোৱাৰ পৰা বঞ্চিত হৈ থাকিল। অৱশেষত নিজৰ ভুলৰ পৰিসমাপ্তি ঘটাই ইংৰাজ চৰকাৰে বঙলা ভাষা আঁতৰাই ১৮৭৩ চনত অসমত অসমীয়া ভাষাৰ নায্য মৰ্যাদা ঘূৰাই দিবলৈ বাধ্য হ'ল। অসমৰ পঢ়াশালী আৰু আদালতত পুনৰ অসমীয়া ভাষাৰ প্ৰচলন হ'ল যদিও জাতিটো ভাষা-সাহিত্যৰ দিশত বহু যোজন পিচ পৰি থাকিল।

১৮২৬ চনত ইংৰাজে শাসন ভাৰ নিজৰ হাতলৈ অনাৰে পৰা ১৮৭৩ চনত অসমীয়া ভাষা পুনৰ প্ৰৱৰ্তনলৈকে প্ৰায় পঞ্চাশ বছৰ কাল ছোৱাত ভাষা-সাহিত্যৰ বিশেষ চৰ্চা হোৱা নাছিল। যিখিনি চৰ্চা হ'ল সেয়েই আধুনিকতাৰ বুনিয়াদ গঢ়ি অসমীয়া ভাষা-সাহিত্যক নতুন প্ৰতিষ্ঠা দিলে। বিশেষকৈ ১৮৪৬ চনত অৰুণোদয় প্ৰকাশৰ জৰিয়তে মিচনেৰীসকলে অসমৰ বাবে এক মহৎ উপকাৰ সাধন কৰিলে। ১৮৩০ৰ পৰা ১৮৭৩ চনলৈকে এইছোৱা সময়কে অসমীয়া সাহিত্যত মিচনেৰী যুগ বুলি আখ্যা দিয়া হয়।

মিচনেৰী যুগটোক আকৌ দুটা স্তৰত ভাগ কৰা হৈছে। ১৮৩০ চনৰ পৰা ১৮৪৬ চনলৈকে 'প্ৰাক্ অৰুণোদয় স্তৰ' আৰু ১৮৪৬ চনৰ পৰা ১৮৭০ চনলৈকে 'অৰুণোদয় স্তৰ'।

প্ৰাক্ অৰুণোদয় স্তৰৰ সাহিত্যসমূহ হ'ল শ্ৰীৰামপুৰ প্ৰেছৰ পৰা প্ৰকাশ পোৱা আত্মাৰাম শৰ্মাৰ বাইবেলৰ অসমীয়া ভাঙনি (২য় সংস্কৰণ, ১৮৩৩ চন), ৰবিন্সন চাহাবৰ 'অসমীয়া ব্যাকৰণ' (১৮৩৯, ইংৰাজীত ৰচিত), কাশীনাথ তামুলী ফুকনৰ 'অসম বুৰঞ্জী' (১৮৪৪), শ্ৰীমতী কট্টাৰৰ অসমীয়া শব্দাৱলী আৰু খণ্ড বাক্য (১৮৪০), বিশ্বেৰ বিদ্যধিপৰ 'বেলি মাৰৰ বুৰঞ্জী' (১৮৩৩-৩৮), যাদুৰাম ডেকাবৰুৱাৰ প্ৰথম অসমীয়া অভিধান (১৮৩৯) আৰু মণিৰাম বৰ ভাণ্ডাৰ বৰুৱাৰ 'বুৰঞ্জী বিবেক ৰত্ন' (১৮৩৮) ৰ ২য় খণ্ড ইত্যাদি।

আত্মমূল্যায়ন -১

**অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ মুখ্য অৱদান কি আছিল ?**

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ১.৩ অৰুণোদয় স্তৰ ঃ

১৮৪৪ চনত শিৱসাগৰ মিচনেৰী প্ৰেছৰ পৰা অসমৰ প্ৰথমখন আলোচনী 'অৰুণোদই' (অৰুণোদয়) প্ৰকাশ পায়। এই মাহেকীয়া আলোচনীখনৰ প্ৰথম সম্পাদক আছিল নাথান ব্ৰাউন। তাৰ পাছত যথাক্ৰমে এ. এইচ্ ডেন্‌ফোৰ্থ, এচ্ এম. হুইটিং, মাইলচ্ ব্ৰন্সন, উইলিয়াম ৱাৰ্ড, ৰেভাৰেণ্ড ক্লাৰ্ক, শ্ৰীমতী ছুছান আৰ. ৱাৰ্ড, এ. কে.

গাৰ্ণি আদিয়ে সম্পাদনা কৰি আলোচনীখন ১৮৮০ চনলৈকে প্ৰকাশ কৰে। ১৮৪৬ চনৰ পৰা ১৮৬৭ চনলৈকে নিয়মীয়াকৈ প্ৰকাশ পাই আছিল যদিও ১৮৬৯ চনৰ পৰা শেষ পৰ্যন্ত (১৮৮৩) আলোচনীখনৰ প্ৰকাশ অনিয়মীয়া হৈ পৰে।

খৃষ্টধৰ্মৰ মুখ-পত্ৰ বুলি গণ্য কৰা হ'লেও অৰুণোদয় কাকতে খৃষ্টান জগতৰ সৰু-বৰ খবৰ-বাতৰি প্ৰকাশৰ লগতে অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বিভিন্ন বাৰ্তা আৰু 'দেশ-বিদেশৰ সংবাদ'ও সামৰি লৈছিল। ১৮৫৬ চনত কাকতখনত আলোচনী আৰু সংবাদ-পত্ৰ ৰূপে দুটা খণ্ড সন্নিবিষ্ট হৈছিল। কিন্তু ইয়াৰ পিচত সংবাদ-পত্ৰ অংশটো প্ৰত্যাহাৰ কৰা হয়। বিভিন্ন দেশৰ ঐতিহাসিক ঘটনাৰ পৰিচয় 'ধৰমৰ কথা'ৰে বাইবেলৰ কাহিনীৰ অনুবাদ, জীৱনী, সাঁথৰ, জ্ঞান-বিজ্ঞানৰ বা-বতৰা, প্ৰকৃতি অধ্যয়ন, নৈতিক শিক্ষা, জ্যোতিষ তত্ত্ব, হিন্দুস্থানৰ বিৱৰণ, পুৰণি অসমৰ বুৰঞ্জী, চুতীয়া বুৰঞ্জী, চুটি সাধু, ভূগোল বিষয়ক ৰচনা, বৈজ্ঞানিক আবিস্কাৰ, স্তুতি গীত, বৰ্ণনাত্মক কবিতা, কোনো কোনো জনজাতিৰ বিৱৰণ আদি বিবিধ বিষয়-সম্ভাৰ অৰুণোদয়ে প্ৰকাশ কৰিছিল। তদুপৰি জন্ বান্ য়ানৰ 'Pilgrims Progress'ৰ অসমীয়া ভাঙনি 'যাত্ৰিকৰ যাত্ৰা'ৰ একাংশ, দেওধাই অসম বুৰঞ্জী, পুৰণি অসম বুৰঞ্জী আৰু কামৰূপৰ বুৰঞ্জী ইয়াত ছোৱা-ছোৱাকৈ প্ৰকাশ পাইছিল। বিষয়-বস্তুৰ লগত সংগতি ৰাখি বিভিন্ন চিত্ৰ আৰু নক্সা আদি কাটিও ইয়াত ছপোৱা হৈছিল। 'অৰুণোদই' সমাজৰ দ্বাৰা বাৰ্তালোচনীখন সৰ্বাংগ সুন্দৰ কৰি তোলাৰ প্ৰচেষ্টা আছিল শলাগিবলগীয়া। অৰুণোদয়ে এইদৰে অসমীয়া পাঠকৰ বৌদ্ধিক আৰু মানসিক দিগন্ত প্ৰসাৰিত কৰাৰ লগতে বাস্তৱ-জ্ঞান, আত্ম সচেতনতা আৰু আত্ম প্ৰত্যয়ৰ অভিনৱ শিক্ষা দান কৰিলে।

আত্মমূল্যায়ন - ২

**মিছনেৰী যুগটোক কেইটা স্তৰত ভাগ কৰা হৈছে ? স্তৰ কেইটা কি কি ?**

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

### ১.৩.১ অৰুণোদয়ৰ অৱদান ঃ

অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত 'অৰুণোদই'ৰ এক সন্মানীয় স্থান আছে। এই কাকতে আত্মবিস্মৃত অসমীয়া মানুহখিনিক দেশ-বিদেশৰ জ্ঞান-ভাণ্ডাৰৰ সন্তেদেৰে বাহিৰৰ জগতখনৰ লগত পৰিচয় কৰাই দিলে। পাশ্চাত্য ধ্যান-ধাৰণাৰ সুবাসেৰে ই অসমীয়া মানসত আধুনিকতা প্ৰতিষ্ঠা কৰাত বৰঙণি যোগালে। পঢ়াশালী আৰু আদালতত চলা বঙলা ভাষাৰ বিৰোধিতা কৰি অসমীয়া ভাষাই নায্য প্ৰাপ্য ঘূৰাই পোৱাত সহায় কৰিলে। এই কাকতেই আনন্দৰাম ঢেকীয়াল ফুকন, নিধিৰাম ফাৰৱেল, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিক সাহিত্য বিষয়ত দীক্ষিত কৰি সাহিত্য সৃষ্টিৰ প্ৰেৰণা যোগায়। আলোচনী আৰু বাতৰি কাকত অসমীয়া ভাষাত প্ৰৱৰ্তন কৰি সাহিত্য-সাংবাদিকতাৰ সূচনা কৰাৰ লগতে অসমীয়া সমাজত এই উদ্যোগক লৈ ব্যৱসায়িক আদৰ্শ প্ৰতিষ্ঠা কৰে। 'অৰুণোদই'ৰ আদৰ্শত পৰবৰ্তী কালত 'আসাম বিলাসিনী' (১৮৭১-৮৩), 'আসাম মিহিৰ' (১৮৭২-৭৩), 'আসাম দৰ্পণ' (১৮৭৪-৭৫) আদি আলোচনীৰ প্ৰকাশে অসমীয়া ভাষা-সাহিত্যৰ বিকাশ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগায়। অৰুণোদয়ে হাবি কাটি বাট উলিয়াই নিদিয়াহেঁতেন অসমীয়া ভাষা-সাহিত্যই আধুনিকতাৰ সঠিক স্থানত উপনীত হ'বলৈ বহু কাল অপেক্ষা কৰিব লাগিবহেঁতেন। অৰুণোদয়ে পৰাপক্ষত অন্য ভাষাৰ শব্দ ধাৰ নকৰি প্ৰয়োজন মতে অসমীয়া শব্দ সৃষ্টিৰ ধাৰা অনুসৰি নতুন শব্দ তৈয়াৰ কৰি লোৱাৰ আদৰ্শ প্ৰতিষ্ঠা কৰে।

### ১.৩.২ অৰুণোদয়ৰ লেখকসকল ঃ

অৰুণোদয়ৰ জৰিয়তে ভালেকেইজন দেশী-বিদেশী লেখকে অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰি আত্ম প্ৰতিষ্ঠা লাভ কৰিছিল। এই সকলৰ ভিতৰত খৃষ্টিয়ান আৰু অখৃষ্টিয়ান দুয়ো শ্ৰেণীৰ সাহিত্যিকেই আছিল। বিদেশী তথা খৃষ্টান লেখকসকলৰ ভিতৰত ডক্টৰ নাথন্ ব্ৰাউন, এলিজা ব্ৰাউন, ডক্টৰ মাইলচ্ ব্ৰন্সন, অলিভাৰ টমাচ্ কট্টাৰ, শ্ৰীমতী কট্টাৰ, এ. কে. গাৰ্ণি, শ্ৰীমতী গাৰ্ণি আদিৰ নাম উল্লেখযোগ্য। দেশীয় খৃষ্টান নিধি লিবাই ফৰৱেলও এইসকলৰ ভিতৰত অন্যতম। দেশীয় অৰ্থাৎ অনা-খৃষ্টিয়ান অসমীয়া লেখকসকলৰ ভিতৰত আনন্দৰাম ঢেকীয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ নাম লেখত ল'বলগীয়া। তদুপৰি বলৰাম ফুকন, কিনাৰাম সত্ৰীয়া, দয়াৰাম চেতিয়া, ধৰ্মকান্ত বুঢ়াগোহাঁই, গোবিন্দৰাম ভূঞা আদিৰ নামো লেখকৰ তালিকাত ল'ব পাৰি।

খৃষ্টধৰ্ম প্ৰচাৰৰ বাবে আমেৰিকাত জন্ম গ্ৰহণ কৰা নাথান্ ব্ৰাউন (১৮০৭-১৮৮৬) আৰু সহযোগী অলিভাৰ টি. কট্টাৰে সপৰিয়ালে বাৰ্মাৰ পৰা আহি ১৮৩৬ চনত অসমৰ শদিয়াত পদাৰ্পণ কৰেহি। তেওঁলোকে লগত এটি ছপাকল লৈ আহিছিল। শদিয়াত থিতাপি লৈ অসমীয়া আৰু খামতি ভাষাৰ মাধ্যমত পঢ়াশালী পতাৰ লগে

লগে তেওঁলোকে বাইবেলৰ নিউটেষ্টামেণ্ট বা নতুন নিয়ম অনুবাদ কৰিবলৈ লয়। ১৮৩৯ চনত খামতিসকলে কৰা বিদ্ৰোহত আতংকিত হৈ তেওঁলোক জয়পুৰলৈ গুচি আহে আৰু তাত ৰোমান আৰু অসমীয়া লিপিত বিবিধ ভাষাৰ পুথি ছপাবলৈ লয়। চাৰিবছৰ মানৰ পিচত তেওঁলোক ১৮৪৩ চনত শিৱসাগৰলৈ যায় আৰু তাতে নিগাজিকৈ থাকি ধৰ্ম প্ৰচাৰৰ চলেৰে অসমীয়া ভাষাৰ উন্নতিকল্পে অলেখ কাম কৰি খ্যাতি ৰাখে।

নিউটেষ্টামেণ্টৰ অসমীয়া অনুবাদ, আমাৰ ত্ৰাণকৰ্তা যীশুখৃষ্টৰ নতুন নিয়ম আৰু সুকীয়াকৈ উলিওৱা 'খ্ৰিষ্টৰ বিবৰণ' আৰু 'সুভবাত্ৰা' (১৮৪৫) আৰু কিছুসংখ্যক স্তুতিগীত ব্ৰাউনৰ প্ৰধান ৰচনা। পৰৱৰ্তী কালত নিধিৰাম ফাৰৱেল, হোৱাইটিং ৱাৰ্ড আৰু এ. কে. গাৰ্ণিৰ সহযোগত ব্ৰাউনৰ বাইবেলৰ অনুবাদ কাৰ্য ১৯০৩ চনত সম্পূৰ্ণ হয়। যোচেফৰ কাহিনী, যিশুখৃষ্টৰ জীৱনী, Grammatical Notices of The Assamese Language (1848) নামৰ অসমীয়া ব্যাকৰণখন ব্ৰাউনে ৰচনা কৰিছিল অসমত অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰিবৰ বাবে। নাথান ব্ৰাউনৰ অক্ষয় কীৰ্তি হ'ল অলিভাৰ টি. কট্টৰৰ সহযোগিতাত প্ৰকাশ কৰা সৰ্বপ্ৰথম বাতৰিকাকত অৰুণোদই। এই কাকতৰ সম্পাদনাৰ দায়িত্বত তেওঁ ৯ বছৰ কাল কাৰ্যনিৰ্বাহ কৰিছিল। অনুবাদক, গ্ৰন্থকাৰ, প্ৰকাশক, মুদ্ৰাকৰ, সম্পাদক, শিক্ষক আৰু ধৰ্মপ্ৰচাৰক ৰূপে ডক্টৰ নাথান ব্ৰাউনে অসম আৰু অসমীয়ালৈ আগবঢ়োৱা বহুমুখী অৱদান যাউতিযুগীয়া হৈ থাকিব। ব্ৰাউনৰ সুযোগ্যা সহধৰ্মিণী তথা সহকৰ্মিণী এলিজা ব্ৰাউনে শিশু উপযোগী এখন সাধুকথাৰ পুথি আৰু গণনাৰ পুথি ৰচনা কৰাৰ লগতে ভূগোলৰ বিৱৰণ এখনো প্ৰকাশ কৰে।

***'অৰুণোদই'ৰ প্ৰথম সম্পাদক আছিল ডক্টৰ নাথান ব্ৰাউন আৰু প্ৰথম প্ৰকাশক আছিল অলিভাৰ টমাচ কট্টাৰ।***

অলিভাৰ কট্টাৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ১৮৩১ চনত ধৰ্ম প্ৰচাৰৰ অৰ্থে বাৰ্মালৈ আহে আৰু তাৰ পৰা পাটকাই পৰ্বত পাৰহৈ ১৮৩৬ চনত নাথান ব্ৰাউনৰ সহযোগী হৈ শদিয়ালৈ আহে। আৰু তাতে ছপাশাল স্থাপন কৰি অসমীয়া ভাষাৰ লগতে খামতি আৰু চিংফৌ ভাষাৰ পুথি প্ৰকাশ কৰে। পিচত শিৱসাগৰত ধৰ্মপ্ৰচাৰৰ কেন্দ্ৰ স্থাপন কৰি 'অৰুণোদই' প্ৰকাশ কৰে। আৰম্ভণিৰে পৰা তেওঁ 'অৰুণোদই'ৰ মুদ্ৰক আৰু প্ৰকাশকৰ দায়িত্ব মূৰপাতি লৈছিল। তেওঁৰ সুযোগ্যা পত্নী শ্ৰীমতী কট্টাৰে ৰচনা কৰা ইংৰাজী-অসমীয়া Vocabulary and Phrases গ্ৰন্থখন মিচন প্ৰেছে ১৮৪০ চনত ছপা কৰি উলিয়ায়।

১৮১২ খৃষ্টাব্দৰ আমেৰিকাৰ নিউয়ৰ্কত জন্মলাভ কৰা মাইলচ্ ব্ৰন্সন ১৮৩৭ চনত অসমলৈ আহে। ধৰ্ম প্ৰচাৰৰ দায়িত্বত অহা ব্ৰন্সনৰ লগত আছিল তেওঁৰ সুহৃদ জেকব থমাচ আৰু তেওঁৰ পৰিয়াল। ব্ৰহ্মপুত্ৰৰ নাও দুৰ্ঘটনাত জেকবৰ মৃত্যু হয়। তাৰ পিচত তেওঁ ক্ৰমে দ্বিতীয়া পত্নী, ভগিনীৰ আৰু নিজৰ দুহিতা মেৰিয়াকে আদি

কৰি কেইবাজনো আত্মীয়ক চিৰকালৰ বাবে হেৰুৱাব লগা হয়। তথাপি তেওঁ বিচলিত নহৈ আশাশুধীয়া ভাৱে ধৰ্মপ্ৰচাৰ আৰু সাহিত্য ৰচনাৰ কাম কৰি গ'ল। নগাভূমিত কিছুদিন ধৰ্মপ্ৰচাৰ কৰাৰ পিচতে সুবিধা যেন নেদেখি ১৮৪১ চনত নগাঁৱত থিতাপি লয়। নিজ কৰ্ম সম্পাদন কৰি তেওঁ ১৮৭৮ চনত আমেৰিকালৈ প্ৰত্যাৱৰ্তন কৰে আৰু ১৮৮৩ চনত আমেৰিকাৰ মিচিগানত তেওঁৰ মৃত্যু হয়।

বাইবেলৰ পৰা বিভিন্ন কাহিনী গুটীয়াকৈ অনুবাদ কৰাৰ উপৰিও ব্ৰন্সনে কিছুমান স্তুতি-প্ৰাৰ্থনাৰ গীতো ৰচনা কৰিছিল। অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা অসমীয়া অভিধান ব্ৰন্সনৰ এক যুগান্তকাৰী অৱদান। ১৮৬৭ চনত প্ৰকাশ পোৱা এই অভিধানত ১৪০০০ (চৈধ্য হাজাৰ) নিভাঁজ অসমীয়া শব্দই ঠাই পাইছিল। অসমৰ শিক্ষাধিকাৰ ৰবিন্সন চাহাবৰ ভাষানীতিৰ বিৰুদ্ধে ব্ৰন্সনে অকাট্য যুক্তিসহ তীব্ৰ প্ৰতিবাদ কৰিছিল।

ৰেভাৰেণ্ড ব্ৰাউন আৰু ব্ৰন্সনৰ পিচতে ১৮৭৪ চনত এ. কে. গাৰ্ণি মিচনেৰীৰ দায়িত্ব লৈ অসমলৈ আহে। শিৱসাগৰত খৃষ্টিয়ান ধৰ্ম-যাজকৰ পদ গ্ৰহণ কৰি তেওঁ ১৮৭৪ চনৰ পৰা ১৯০৭ চনলৈকে কাৰ্যনিৰ্বাহ কৰে। তেওঁ কেইবাবছৰো অৰুণোদয়ৰ সম্পাদনা কৰিছিল আৰু কেইবাখনো পুথি প্ৰণয়ন কৰিছিল। প্ৰাচীন নিয়ম, ৰুথ্ আৰু যোচেফৰ কাহিনী (১৮৮১), এল'কেশী বেশ্যাৰ কথা (১৮৭৭), কমিনী কান্তৰ চৰিত্ৰ (১৮৭৭), আৰু 'কানি বেহেৰুৱাৰ কথা' (১৮৭৮) তেওঁৰ উল্লেখযোগ্য ৰচনা। ১৯০৫ চনৰ পৰা ছটা সংখ্যা প্ৰকাশ পোৱা 'দীপ্তি' নামৰ আলোচনীখন গাৰ্ণিয়েই সম্পাদনা কৰিছিল। 'ফুলমণি আৰু কৰুণাৰ কাহিনী' নামৰ অনুদিত গ্ৰন্থখনৰ বাবে গাৰ্ণিৰ পত্নী শ্ৰীমতী গাৰ্ণিৰ নামো লেখত ল'বলগীয়া।

শোণিতপুৰ জিলাৰ কলংপুৰ মৌজাৰ সূতাৰ গাঁৱত জন্মলাভ কৰা নিধিৰাম সুতক (১৮২৩-১৮৭৩) শিৱসাগৰৰ মিচনেৰীসকলে তুলি লৈছিল। পিচত ব্ৰন্সন চাহাবে তেওঁক ১৮৪১ চনত বুঢ়ীদিহিঙত খৃষ্টধৰ্মত দীক্ষিত কৰি 'নিধিৰাম ফাৰৱেল' নাম দিয়ে। মিচনেৰীৰ আশ্ৰয়ত শিক্ষা-দীক্ষা লৈ নিধিৰামে কালক্ৰমত মুখ্য ধৰ্ম প্ৰচাৰক আৰু অৰুণোদয়ৰ নিয়মিত লেখক হিচাপে আত্ম প্ৰতিষ্ঠা লাভ কৰে। তেওঁৰ বিনয় বচন, সৰগৰ বিৱৰণ, তীৰ্থৰ বিৱৰণ, নৰকৰ বিৱৰণ, হিন্দুস্থানৰ বুৰঞ্জী আদি ভালেমান কাব্য-কথা অৰুণোদয়ত প্ৰকাশ পাইছে। নিধিৰামে অসমীয়ালৈ অনুবাদ কৰা 'ভাৰতীয় দণ্ডবিধি আইন' নামৰ গ্ৰন্থখন ১৮৬৫ চনত শিৱসাগৰ মিচনেৰীয়ে প্ৰকাশ কৰিছিল। খৃষ্টধৰ্ম সম্পৰ্কীয় পুস্তিকাৰ লগতে তেওঁৰ পদাৰ্থসাৰ নামৰ আন এখন পুথিও (১৮৫৫) প্ৰকাশিত হৈছিল। ন. ল. ফ. এই সংক্ষিপ্ত নামটোহে তেওঁ প্ৰায়বোৰ ৰচনাত ব্যৱহাৰ কৰিছিল।

ব্ৰাউন, ব্ৰন্সন, ফাৰৱেলৰ উপৰিও আন ভালেমান খৃষ্টিয়ান লেখক-লেখিকাই অৰুণোদয় যুগলৈ সাহিত্যিক বৰঙণি যোগাই গৈছে। 'ধৰ্মৰ গীত' নামৰ গ্ৰন্থত সংকলিত ৩৯ জন ৰচকৰ সৰহভাগেই দেশীয় খৃষ্টান। তদুপৰি 'জাত্ৰিকৰ যাত্ৰা', 'হেন্ৰি আৰু

তেওঁৰ লগুৰা', 'অপৰিমিতাচাৰৰ পৰিণাম', 'যোচেফৰ কাহিনী', 'আমেৰিকা আবিস্কাৰ', 'পণ্ডিত আৰু ধৰ্ম প্ৰচাৰ', 'তুতি গীত', 'বাইবেলৰ সাধু', 'ৰামগতিৰ কাহিনী', 'ধাৰ্মিক চহা', 'মাউৰী ছোৱালী', 'আফ্ৰিকাৰ কোঁৱৰ', 'কৃষ্ণ আৰু খৃষ্টৰ তুলনা', 'আপত্তি নাশক', 'স্বৰূপ আশ্ৰয়', 'সুবৰ্ণৰ তুল', 'নিস্তাৰৰ উপায়', 'সৃষ্টি আৰু প্ৰলয়' আদি পুস্তক-পুস্তিকাই অৰুণোদয় যুগক ঐতিহাসিক মৰ্যাদা দান কৰি গৈছে।

অসমীয়া ভাষা-সাহিত্যৰ পুনৰোদ্ধাৰৰ ব্ৰতী হোৱা মিচনেৰীসকলৰ লগত সৰ্বতোপ্ৰকাৰে সহযোগিতা আগবঢ়োৱা অসমপ্ৰাণ আনন্দৰাম ঢেকীয়াল ফুকনৰ জন্ম হৈছিল ১৮২৯ চনত। তেওঁৰ পিতৃ আছিল হলিৰাম ঢেকীয়াল ফুকন। শিক্ষা জীৱনৰ জেম্চ মেথি আৰু জেন্‌কিন্স চাহাবৰ সহায়ত ইংৰাজী ভাষাত বিশেষ বুৎপত্তি লাভ কৰি আনন্দৰামে কলিকতাৰ হিন্দু কলেজত অধ্যয়ন কৰে। কিন্তু সেই শিক্ষা সম্পূৰ্ণ নকৰাকৈ ১৮৪৪ চনত তেওঁ পুনৰ গুৱাহাটীলৈ ঘূৰি আহে। ১৭ বছৰ বয়সৰে পৰা তেওঁ 'অৰুণোদই'ত প্ৰবন্ধপাতি লিখিবলৈ আৰম্ভ কৰে। বঙলা ভাষা প্ৰচলনৰ বিৰুদ্ধে 'অসমীয়া ল'ৰাৰ মিত্ৰ' নামৰ স্কুলীয়া পাঠ্যপুথিৰ আৰ্হিৰ এখন গ্ৰন্থ তেওঁ ৰচনা কৰিছিল। A Native ছদ্মনামত 'A Few Remarks on the Assamese Language, and on Vernacular Education in Assam' নামৰ পুস্তিকা ৰচনাৰে তেওঁ অসমীয়া ভাষা আন্দোলনক শক্তিশালী কৰি তুলিছিল।

**১.৪ সাৰাংশ ঃ**

- সাহিত্য সৃষ্টি যৎ সামান্য হ'লেও মিচনেৰীসকলে অসমীয়া ভাষা-সাহিত্যৰ সঠিক উপায়েৰে নতুনকৈ বাট কাটি উলিয়ালে।
- অসমীয়া ব্যাকৰণ, অভিধান, পঢ়াশলীয়া পুথি, জ্ঞান-বিজ্ঞানৰ পুথি আদি প্ৰকাশ কৰি তেওঁলোকে ভাষা-সাহিত্যৰ প্ৰাথমিক অভাৱ পূৰণ কৰিলে।
- পঢ়াশালী পাতি আধুনিক শিক্ষা ব্যৱস্থাৰ প্ৰচলন কৰিলে।
- অসমত পোন প্ৰথমবাৰৰ বাবে উচ্চমান সম্পন্ন বাৰ্তালোচনী 'অৰুণোদই' (অৰুণোদয়) প্ৰকাশেৰে নতুন যুগৰ সূচনা কৰিলে।
- অসমৰ পঢ়াশালী আৰু আদালতত বঙলা ভাষাৰ সলনি অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ বাবে ইংৰাজ শাসকৰ বিৰুদ্ধে যুঁজ দি সফল হৈছিল।
- অসমীয়া লেখকসকলক নতুনকৈ ভাষা-সাহিত্য চৰ্চা কৰিবলৈ উদ্গনি দি এচাম লেখক-সাহিত্যিক সৃষ্টি কৰিছিল।
- শব্দ ভাণ্ডাৰত বাচকবনীয়া ইংৰাজী শব্দৰ সংযোগ ঘটোৱাৰ লগতে বাক্য গঠন প্ৰণালীত ইংৰাজী প্ৰভাৱ খটুৱাই অসমীয়া ভাষাক মৃত সঞ্জীৱনীৰে নতুন জীৱন দিলে।

- আধুনিক সাহিত্য সৃষ্টিৰ বাবে পৰিবেশ ৰচনা কৰি অসমীয়া সাহিত্যৰ আধুনিকতাৰ ভেটি স্থাপন কৰিলে।
- আত্ম সচেতনতা হীন আৰু হীনমন্যতাত ভোগা অসমীয়া জাতিক আত্ম-প্ৰত্যয়ৰ শিক্ষাৰে শক্তিশালী কৰি তুলিলে।

**আত্মমূল্যায়নৰ সাম্ভাব্য উত্তৰ ঃ**

**আত্মমূল্যায়ন ১ ঃ**

মিছনেৰীসকলে খৃষ্টধৰ্ম প্ৰচাৰৰ মূল উদ্দেশ্য লৈ অসমলৈ আহিছিল যদিও অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰলৈ বিবিধ অৱদান আগবঢ়াই থৈ গৈছে। অসমীয়া ভাষা-সাহিত্যলৈ তেওঁলোকৰ মুখ্য অৱদান হৈছে– 'অৰুনোদই' বাৰ্তালোচনীখন।

**আত্মমূল্যায়ন ২ ঃ**

মিছনেৰী যুগটোক অসমীয়া সাহিত্যৰ বুৰঞ্জীত দুটা স্তৰত ভাগ কৰা হৈছে। সেইকেইটা হ'ল –

(১) প্ৰাক্-'অৰুনোদই' স্তৰ আৰু

(২) 'অৰুনোদই' স্তৰ।

## অনুশীলনী – ২

**(১) চমু উত্তৰ লিখাঁ** –

(ক) 'অৰুণোদয়'ৰ প্ৰকাশ সম্পৰ্কে লিখা (৫০ টা শব্দৰ ভিতৰত)

(খ) ইয়াণ্ডাবু সন্ধি কি ?

**(২) বহলাই লিখাঁ** –

(ক) অসমীয়া ভাষা-সাহিত্যলৈ মিচনেৰীসকলৰ অৱদান।

(খ) অসমীয়া সাহিত্যৰ নতুন যুগৰ সূচনাত 'অৰুণোদয়'ৰ ভূমিকা।

# গোট - ২

## হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ স্তৰ


২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠা আৰু হেমচন্দ্ৰ বৰুৱা

২.২.১ হেমচন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য কৰ্ম

২.২.২ ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত হেমচন্দ্ৰ বৰুৱাৰ অৱদান

২.২.২.১ অসমীয়া ব্যাকৰণ প্ৰণয়ন

২.২.২.২ অসমীয়া অভিধান প্ৰণয়ন

২.২.২.৩ পাঠ্যপুথি প্ৰণেতা হেমচন্দ্ৰ বৰুৱা

২.২.২.৪ নাট্যসাহিত্যৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱা

২.২.২.৫ হেমচন্দ্ৰ বৰুৱাৰ ব্যংগাত্মক ৰচনা

২.২.২.৬ হেমচন্দ্ৰ বৰুৱাৰ বিবিধ ৰচনা

২.২.২.৭ কাকতৰ সম্পাদক হেমচন্দ্ৰ বৰুৱা

২.৩ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠা আৰু গুণাভিৰাম বৰুৱা

২.৩.১ গুণাভিৰাম বৰুৱাৰ জীৱন আৰু সাহিত্য কৰ্ম

২.৩.২ ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত গুণাভিৰাম বৰুৱাৰ অৱদান

২.৩.২.১ গুণাভিৰাম বৰুৱাৰ নাট্যকৃতি

২.৩.২.২ জীৱন চৰিত লেখক গুণাভিৰাম বৰুৱা

২.৩.২.৩ বুৰঞ্জী লেখক গুণাভিৰাম বৰুৱা

২.৩.২.৪ গুণাভিৰাম বৰুৱাৰ বিবিধ অৱদান

২.৩.২.৫ গুণাভিৰাম বৰুৱা সম্পাদিত 'আসাম-বন্ধু'ৰ অৱিহণা

২.৪ হেমচন্দ্ৰ-গুণাভিৰামৰ সাহিত্যৰাজিৰ সামগ্ৰিক বিশেষত্ব

২.৫ সামৰণি

২.৬ সাৰাংশ

আত্মমূল্যায়নৰ সম্ভাব্য প্ৰশ্নোত্তৰ

প্ৰাসংগিক গ্ৰন্থ (ছাত্ৰ-ছাত্ৰীৰ বাবে)

অনুশীলনী

সহায়ক গ্ৰন্থপঞ্জী

## ২.০ উদ্দেশ্য ঃ

"আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠা" শীৰ্ষক খণ্ডৰ 'হেমচন্দ্ৰ বৰুৱাৰ আৰু গুণাভিৰাম বৰুৱাৰ স্তৰ' - এই গোটটোৰ যোগেদি তোমালোকে ---

- আধুনিক অসমীয়া ভাষা-সাহিত্যৰ পটভূমি কেনেদৰে নিৰ্মাণ হৈছিল সেই সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিবা ;
- আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই কি কি ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিছিল, সেই বিষয়ে বিচাৰ কৰিব পাৰিবা ;
- হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ জীৱন আৰু সাহিত্যকৰ্মৰ পৰিচয় পাবা ;
- হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই ৰচনা কৰা সাহিত্যকৃতিৰ আলোচনাৰ যোগেদি সেই সাহিত্যসমূহত প্ৰতিফলিত হোৱা তেওঁলোকৰ সময়ছোৱাৰ সময় আৰু সমাজ-জীৱনৰ বিষয়ে বৰ্ণনা আগবঢ়াব পাৰিবা;
- সাম্প্ৰতিক সময়ৰ প্ৰেক্ষাপটত হেমচন্দ্ৰ-গুণাভিৰামৰ অৱদানৰ বিষয়েও তোমালোকে ব্যাখ্যা কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে গ্ৰহণ কৰা ভূমিকাৰ বিষয়ে তোমালোকে প্ৰথম গোটত পঢ়িলা। লগতে মিছনেৰীসকলে ১৯৪৬ চনত অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বাবে প্ৰকাশ কৰা 'অৰুনোদই সম্বাদ পত্ৰ'ৰ বিষয়েও অৱগত হ'লা। এই 'অৰুনোদই' ৰ পাততে কেইবাজনো খ্ৰীষ্টান লেখকৰ উপৰিও অসমীয়া লেখকে লেখিবলৈ আৰম্ভ কৰিছিল। 'অৰুনোদই' সম্বাদ পত্ৰই সাহিত্য চৰ্চাৰ বাবে অসমত যি পৰিবেশ সৃষ্টি কৰিছিল সেই পৰিৱেশে আন এচাম অসমীয়া লেখকক লিখিবলৈ অনুপ্ৰাণিত কৰে। সেইসকলৰ ভিতৰত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাও অন্যতম। কিন্তু 'অৰুনোদই' আলোচনীৰ পাতত সাহিত্য চৰ্চা কৰা নাথান ব্ৰাউন, মাইলচ্ ব্ৰন্সন, এ. কে. গাৰ্ণি, নিধিৰাম ফাৰৱেল, আনন্দৰাম ঢেকিয়াল ফুকন আদি লেখকসকলৰ তুলনাত হেমচন্দ্ৰ-গুণাভিৰামৰ কিছু পাৰ্থক্য দেখা পোৱা যায়। হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই অন্যান্য লেখকসকলতকৈ এটা বিশেষ দিশত গুৰুত্ব দিছিল। সেয়া হৈছে -- সমাজৰ বিভিন্ন দিশৰ প্ৰতিফলন

হেমচন্দ্ৰ-গুণাভিৰামৰ ৰচনাত পৰিলক্ষিত হয়। সেয়েহে মিছনেৰীসকলে সৃষ্টি কৰা সাহিত্যতকৈ হেমচন্দ্ৰ-গুণাভিৰামৰ সাহিত্যই অধিক সৃষ্টিশীলতা দাবী কৰে। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰে যে হেমচন্দ্ৰ আৰু গুণাভিৰাম বৰুৱা দুয়োজনেই পাশ্চাত্যৰ শিক্ষাৰে শিক্ষিত হৈ উঠিছিল। আধুনিক শিক্ষাই তেওঁলোকৰ চিন্তাক এক নতুন দিশ প্ৰদান কৰিছিল। তদুপৰি বংগদেশত (বৰ্তমানৰ কলকাতাত) বাল্য বিবাহৰ বিৰোধিতা, বিধৱা বিবাহৰ প্ৰচলন আদি নানা দিশত সমাজ সংস্কাৰৰ এটা আন্দোলনৰ সূচনা হৈছিল। গুণাভিৰাম বৰুৱাক সেই আন্দোলনেও বিশেষভাৱে প্ৰভাৱিত কৰিছিল। ইংৰাজ শাসন কালতো কানিৰ প্ৰচলনে অসমীয়া সমাজক পংগু কৰি তুলিছিল। অসমীয়া মানুহক কানিৰ অপকাৰিতা আৰু অন্যান্য সামাজিক কু-সংস্কাৰসমূহৰ পৰা মুক্ত কৰাৰ প্ৰয়াস হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজিতো দেখা পোৱা যায়।

তোমালোকে ইতিমধ্যে এটা কথা মন কৰিছা যে 'অৰুনোদই সম্বাদ পত্ৰ'ত প্ৰকাশিত ৰচনাসমূহ বস্তুনিষ্ঠ বা পৰিচয়মূলক আছিল। তাৰ বিপৰীতে হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাৰ সময়ত অসমীয়া সাহিত্যই নাটক, জীৱনী, ভ্ৰমণ কাহিনী, কাব্য আদি বিভিন্ন দিশত পৰিপূৰ্ণতা লাভ কৰে। তোমালোকে এই গোটটোত হেমচন্দ্ৰ-গুণাভিৰামৰ জীৱন আৰু সাহিত্যকৰ্মৰ বিষয়ে চমুকৈ পঢ়িবলৈ পাবা।

## ২.২ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠা আৰু হেমচন্দ্ৰ বৰুৱা ঃ

তোমালোকে নিশ্চয় অৱগত হৈছা যে, আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত 'অৰুনোদই সংবাদ পত্ৰ'ই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। তদুপৰি পাশ্চাত্যৰ শিক্ষা আৰু বংগদেশত হোৱা সামাজিক সংস্কাৰৰ আন্দোলনৰ প্ৰভাৱেও অসমত আধুনিকতাৰ সূচনা কৰে। অসমত এই আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বাটকটীয়াসকলৰ ভিতৰত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাও আছিল। ঊনবিংশ শতিকাৰ এই দুয়োগৰাকী সাহিত্য সাধক আৰু সমাজ সংস্কাৰকৰ জীৱন আৰু সাহিত্যকৰ্মৰ বিষয়ে তলৰ আলোচনাত আলচ কৰা হৈছে।

### ২.২.১ হেমচন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্যকৰ্ম ঃ

হেমচন্দ্ৰ বৰুৱাৰ জন্ম হৈছিল ১৮৩৫ চনত শিৱসাগৰ জিলাৰ ৰজাবাহৰ

গাঁৱৰ বিখ্যাত বেজবৰুৱা বংশত। হেমচন্দ্ৰ বৰুৱাৰ পিতৃৰ নাম আছিল মুক্তাৰাম বৰুৱা। তেওঁ সংস্কৃত আৰু বৈদ্যশাস্ত্ৰত পাৰ্গত লোক আছিল। ইংৰাজ ৰাজত্বৰ সময়ত মিছামৰা মৌজাৰ মৌজাদাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰা হেমচন্দ্ৰ বৰুৱাৰ দেউতাকে তেওঁক ন বছৰ বয়সতে বৰ্ণমালা নিশিকোৱাকৈ মুখে মুখে সংস্কৃত শিক্ষা দিছিল। হেমচন্দ্ৰ বৰুৱাৰ বাৰ বছৰ বয়সতে পিতৃৰ মৃত্যু ঘটাত তেওঁক খুড়াক লক্ষীৰাম বৰুৱাই তত্বাৱধানত ৰাখে। খুড়াকৰ তত্বাৱধানতে হেমচন্দ্ৰ বৰুৱাই সংস্কৃত শিক্ষা লাভ কৰে আৰু কেইবছৰমানৰ পাছতেই মাহে চাৰি টকা দৰমহাত শিৱসাগৰ কাছাৰীত নকল নবিচৰ কামত যোগদান কৰে। হেমচন্দ্ৰ বৰুৱাই দিনৰ ভাগত চাকৰি কৰাৰ লগতে উৰ্বীধৰ বৰুৱাৰ পঢ়াশালিত পুৱা-গধূলি সংস্কৃত অধ্যয়ন কৰিছিল। এইখিনিতে তোমালোকে জানি থোৱা ভাল যে হেমচন্দ্ৰ বৰুৱাই চাকৰি আৰু সংস্কৃত অধ্যয়নৰ  লগে লগে ইংৰাজী শিক্ষাও গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে, হেমচন্দ্ৰ বৰুৱাৰ খুড়াক এজন ৰক্ষণশীল ভাৱৰ মানুহ আছিল। নিজৰ দেশ, নিজৰ জাতি আৰু ভাষা-সংস্কৃতিক সহজে মানিব পৰা নাছিল। কিন্তু হেমচন্দ্ৰ বৰুৱাই সেইসময়ৰ শিৱসাগৰ জিলাৰ অধিপতি কেপ্তেইন ব্ৰোডী চাহাবৰ অনুপ্ৰেৰণা আৰু সহায়ত লুকাই-চুৰকৈ ইংৰাজী শিক্ষা গ্ৰহণ কৰিছিল। খুড়াকে নজনাকৈ হেমচন্দ্ৰই ইংৰাজী শিক্ষা লাভ কৰি এটা ক্ষেত্ৰত তেওঁৰ বিশেষ সহায় হৈছিল। ইংৰাজী ভাষাত হেমচন্দ্ৰৰ জ্ঞান থকাৰ বাবেই চাকৰিৰ উন্নতি লাভ কৰি টেনশ্লেটৰ বা ভাষাভঙা কাকতি হৈছিলগৈ। তদুপৰি ইয়াৰ পাছত তেওঁ জুডিচিয়েল কমিচনাৰৰ অফিচৰ অধীক্ষকৰ পদ লাভ কৰিছিল। গুৱাহাটীৰ জুডিচিয়েল কমিছনাৰৰ কাৰ্যালয়ত হেমচন্দ্ৰ বৰুৱাই টেনশ্লেটৰ হিচাপে নিযুক্ত হোৱাৰ পূৰ্বে ১৮৫৮ চনত তেওঁ শিৱসাগৰ ইংৰাজী স্কুলত তেওঁ শিক্ষকতা কৰিছিল। ইয়াৰ মাজতে ১৮৬২ চনত গোলাঘাটত ছমাহৰ বাবে শিক্ষা বিভাগত উপ-পৰিদৰ্শকৰ চাকৰিও পাইছিল। একে সময়তে কাম কৰি থকা কাৰ্যালয়ত মুখ্য সহকাৰী পদ পোৱাত পিছৰ চাকৰিকে বাচি লয়। হেমচন্দ্ৰ বৰুৱাই ১৮৮২ চনত চৰকাৰী চাকৰিৰ পৰা অৱসৰ লৈ গুৱাহাটীতে স্থায়ীভাৱে বাস কৰে। ১৮৯৬ চনত ১৭ মে'ত হেমচন্দ্ৰ বৰুৱাৰ মৃত্যু হয়।

হেমচন্দ্ৰ বৰুৱাই সাহিত্যিক জীৱনৰ আৰম্ভ কৰিছিল 'অৰুনোদই'ৰ পাতত। তোমালোকে প্ৰথম গোটটোত 'অৰুনোদই' কাকতৰ বিষয়ে পঢ়ি আহিছা। কাকতখন প্ৰকাশ হৈছিল ১৮৪৬ চনৰপৰা। এই 'অৰুনোদই'তে ১৮৫৬ চনত হেমচন্দ্ৰ বৰুৱাই

লেখা-মেলা কৰা আৰম্ভ কৰিছিল। ‘অৰুনোদই’ত লিখোঁতে তেওঁ কিন্তু নিজৰ নামটো ব্যৱহাৰ কৰা নাছিল। হেমচন্দ্ৰ বৰুৱাই ‘সোণাৰচাঁদ’ ছদ্মনামলৈহে সাহিত্য চৰ্চা কৰিছিল ‘অৰুনোদই’ত তেওঁ কেইবাটাও প্ৰবন্ধ ৰচনা কৰিছিল। তদুপৰি *অসমীয়া ভাষাৰ ব্যাকৰণ, আদিপাঠ, অসমীয়া ল’ৰাৰ ব্যাকৰণ, পঢ়াশলীয়া অভিধান, সংক্ষিপ্ত হেমকোষ, হেমকোষ* আদি পাঠ্যপুথি, ব্যাকৰণ, অভিধান ৰচনা কৰে। তদুপৰি *কানীয়াৰ কীৰ্ত্তন, বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী* আদি ব্যংগাত্মক নাটক ৰচনাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি থৈ গৈছে। হেমচন্দ্ৰ বৰুৱাই এই সাহিত্য কৰ্মসমূহৰ উপৰিও ‘আসাম নিউচ’ নামৰ এখন বাতৰি কাকত সম্পাদনা কৰি প্ৰকাশ কৰিছিল। পিছৰ অংশত হেমচন্দ্ৰ বৰুৱাৰ সাহিত্য কৰ্মসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। তোমালোকে মন দি পঢ়িলেই হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজিৰ বিবিধ দিশৰ গুৰুত্ব সম্পৰ্কে অৱগত হ’বা।

**আত্মমূল্যায়ন - ১**

(ক) আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰা প্ৰধান তিনিটা কাৰক কি কি ?

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

(খ) হেমচন্দ্ৰ বৰুৱাই ইংৰাজী শিক্ষা গ্ৰহণ কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ সমস্যাৰ সন্মুখীন হৈছিল ? এই সমস্যাৰ দ্বাৰা তেওঁৰ কিছুপ্ৰকাৰে লাভ হৈছিল নেকি ?

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

## ২.২.২ ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত হেমচন্দ্ৰ বৰুৱাৰ অৱদান ঃ

২.২.১ অংশত তোমালোকে হেমচন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য কৰ্ম থূলমূল পৰিচয় পালাহঁক। তেখেতৰ সাহিত্য কৰ্মৰ বিষয়ে সেই অংশত কেৱল উল্লেখহে কৰা হ'ল। এতিয়া এই অংশত হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজিৰ শ্ৰেণীবদ্ধ বিশ্লেষণ আগবঢ়োৱা হৈছে।

## ২.২.১ অসমীয়া ব্যাকৰণ প্ৰণয়ন ঃ

তোমালোকে বিদ্যালয় পৰ্যায়ৰ পৰা বিভিন্ন ব্যাকৰণ পঢ়ি আহিছো। ব্যাকৰণে ভাষা এটাক বিশুদ্ধ ৰূপত ক'বলৈ আৰু লিখিবলৈ শিকায়। তোমালোকে জানানে -- অসমীয়া ভাষাত বা অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ কোনে লিখিছিল ? অসমীয়া ব্যাকৰণ ৰচনাৰ ক্ষেত্ৰত তোমালোকে হেমচন্দ্ৰ বৰুৱাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে অৱগত হ'বা। তোমালোকে প্ৰথম গোটটোত মিছনেৰী আৰু অৰুনোদই স্তৰৰ বিষয়ে পঢ়োঁতে উইলিয়াম ৰবিন্সন, নাথান ব্ৰাউন -- এই নামবোৰৰ সৈতে নিশ্চয় পৰিচিত হৈছা। এটা কথা ঠিক যে অসমীয়া ভাষাৰ প্ৰথম আৰু দ্বিতীয় দুয়োখন ব্যাকৰণেই দুজন বিদেশী লোকে ইংৰাজী ভাষাত লিখিছিল। অৰুনোদই কাকতখন যেনেদৰে আমেৰিকান খ্ৰীষ্টান মিছনেৰীসকলে প্ৰকাশ কৰিছিল, সেইদৰে ব্যাকৰণ ৰচনাৰ ক্ষেত্ৰতো মিছনেৰীসকলেই ভূমিকা গ্ৰহণ কৰিছিল। অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ ৰচনা কৰিছিল উইলিয়াম ৰবিন্সন নামৰ খ্ৰীষ্টান মিছনেৰীজনে ১৮৩৯ চনত। তেওঁৰ ব্যাকৰণখনৰ নাম A Grammar of the Assamese Language। ৰবিন্সনৰ এই ব্যাকৰণখন প্ৰকাশৰ ন বছৰৰ পাছত ১৮৪৮ চনত ড০ নাথান ব্ৰাউনে অসমীয়া ভাষাৰ দ্বিতীয়খন ব্যাকৰণ Grammatical Notices of the Assamese Language প্ৰকাশ কৰে।

তোমালোকে এটা কথা মন কৰিছা যে অসমীয়া ভাষাৰ প্ৰথম দুয়োখন ব্যাকৰণেই ইংৰাজী ভাষাত ৰচনা কৰা হৈছিল। কিন্তু এই পৰম্পৰা ভংগ কৰি হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাত এখন ব্যাকৰণ ৰচনা কৰে। সেইফালৰপৰা অসমীয়া ভাষাৰ বিষয়ে প্ৰথমখন ব্যাকৰণ উইলিয়াম ৰবিন্সনৰ A Grammear of the Assamese Language হ'লেও অসমীয়া ভাষাত লিখা প্ৰথমখন ব্যাকৰণ হেমচন্দ্ৰ বৰুৱাৰ *অসমীয়া ভাষাৰ ব্যাকৰণ*খনহে। অসমীয়া ভাষাৰ ব্যাকৰণৰ ইতিহাসত হেমচন্দ্ৰ

বৰুৱাৰ এই *অসমীয়া ভাষাৰ ব্যাকৰণ* তৃতীয়খন অসমীয়া ব্যাকৰণ। ৰবিন্সনৰ ব্যাকৰণখন ৰচনাৰ কুৰিবছৰৰ পাছত আৰু ব্রাউনৰ ব্যাকৰণ ৰচনাৰ এঘাৰ বছৰৰ পাছত, অৰ্থাৎ ১৮৫৯ চনত হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰে।

হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা *অসমীয়া ভাষাৰ ব্যাকৰণ*খনত মুঠ এঘাৰটা ভাগ বা প্ৰকৰণ আছে। সেই ভাগসমূহ হৈছে -- বৰ্ণবিন্যাস, সন্ধি, শব্দবৃত্তি, কাৰক, সমাস, তদ্ধিত, আখ্যাত, কৃদন্ত, বাক্য বিন্যাস, অন্বয় আৰু চিহ্ন প্ৰকৰণ। ব্যাকৰণখনৰ শেহত অৰ্থাৎ পৰিশিষ্ট বা উপসংহাৰ ভাগত শব্দ বিকৃতি আৰু উপসৰ্গৰ কথাও আলোচনা কৰিছে।

হেমচন্দ্ৰ বৰুৱাৰ অসমীয়া ভাষাৰ ব্যাকৰণখনৰ বাহিৰেও আৰু এখন আছে। সেইখন হৈছে -- অসমীয়া ল'ৰাৰ ব্যাকৰণ। এইখন ব্যাকৰণ ১৮৮২ চনত ৰচনা কৰিছিল। কিন্তু সেয়ে হ'লেও 'অসমীয়া ভাষাৰ ব্যাকৰণে' তিনিটা দিশত আজিও বিশেষত্ব বহন কৰিছে। সেইকেইটা হৈছে --

- প্ৰথম অসমীয়া লেখকে লিখা আৰু অসমীয়া ভাষাত লিখা ব্যাকৰণ ;
- পাঠ্যপুথিৰূপে বহুল ব্যৱহৃত আৰু সমাদৃত ;
- পৰৱৰ্তী কালৰ ব্যাকৰণ প্ৰণেতাসকলৰ প্ৰধান আৰ্হিস্বৰূপ আছিল।

সেয়েহে আমি ক'ব পাৰোঁ যে, অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ' এক মহৎ অৱদান।

**আত্মমূল্যায়ন - ২**

(ক) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা ব্যাকৰণখনৰ পূৰ্বে অসমীয়া ভাষাৰ বিষয়ে ৰচনা কৰা ব্যাকৰণ কেইখন কি কি আছিল ?

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ২.২.২.২ অসমীয়া অভিধান প্ৰণয়ন ঃ

অসমীয়া ব্যাকৰণ প্ৰণয়নৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ অৱদানৰ বিষয়ে তোমালোকে ২.২.২.১ অংশত পঢ়িলা। লগতে অসমীয়া ব্যাকৰণ ৰচনাৰ ইতিহাস সম্পৰ্কেও কিছু তথ্য লাভ কৰিলাহঁক। এতিয়া একেদৰে অসমীয়া অভিধান প্ৰণয়নৰ ক্ষেত্ৰতো হেমচন্দ্ৰ বৰুৱাই আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানৰ বিষয়ে পঢ়িবলৈ পাবা।

প্ৰথমতে তোমালোকে অসমীয়া অভিধানৰ ইতিহাস সম্পৰ্কে কিছু তথ্য লৈ লোৱাঁ। তোমালোকে অভিধান শব্দটোৰ অৰ্থ কি জানানে ? ইংৰাজীত Dictionary শব্দৰ প্ৰতিশব্দ হিচাপে অসমীয়াত ব্যৱহাৰ কৰা 'অভিধান' শব্দটোৱে শব্দৰ কোষ বা ভঁৰালক বুজায়। অসমীয়া ভাষাত তেনেধৰণৰ শব্দৰ কোষ বা ভঁৰাল বা অভিধান প্ৰণয়ন কৰা সেই অভিধানখনত উজনি অসমীয়া আৰু কামৰূপী শব্দৰ অৰ্থ পোৱা যায়। সেইদৰে ১৮৩৯ চনত যাদুৰাম ডেকাবৰুৱাই অসমীয়া-বাংলা অভিধান এখন প্ৰণয়ন কৰিছিল। কিন্তু দুয়োখন অভিধানকে প্ৰকৃত অৰ্থত অভিধান বুলিব নোৱাৰি। সঁচা অৰ্থত অসমীয়া ভাষাৰ প্ৰথমখন অভিধান ৰচনা কৰে খ্ৰীষ্টান মিছনেৰী মাইল্‌ছ ব্ৰন্সনে। ১৮৬৭ চনত *অচমিয়া-ইংৰাজী অভিধান* নামেৰে প্ৰকাশ পোৱা অভিধানখনত প্ৰায় চৌধ্যহাজাৰ শব্দ অন্তৰ্ভুক্ত হৈছে। মাইল্‌ছ ব্ৰন্সনৰ এই অভিধানখনত শব্দবোৰৰ অৰ্থ অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে দিয়া হৈছে।

কিন্তু অসমীয়া অভিধানৰ ইতিহাসত নজহা-নপমা কীৰ্তি হ'ল হেমচন্দ্ৰ বৰুৱাৰ *হেমকোষ*। সুবৃহৎ এই *হেমকোষ* অভিধানখন হেমচন্দ্ৰ বৰুৱাৰ মৃত্যুৰ পাছতহে প্ৰকাশ হৈছিল। সেইসময়ত অসমৰ চীফ কমিছনাৰ মিঃ গৰ্ডন চাহাবৰ যত্নত লাভ কৰা অৰ্থ সাহাৰ্য্যতহে ১৯০০ চনত *হেমকোষ* ছপা হৈ ওলায়। এইক্ষেত্ৰত বিশেষ উদ্যোগ গ্ৰহণ কৰিছিল হেমচন্দ্ৰ গোস্বামীয়ে।

*হেমকোষ* অসমীয়া ভাষাৰ প্ৰধান মেৰুদণ্ড হিচাপে চিহ্নিত হৈছে। ঊনবিংশ শতিকাত মিছনেৰীসকলে ব্যৱহাৰ কৰা আখৰ জোঁটনিক ভুল প্ৰতিপন্ন কৰি প্ৰকৃত সংস্কৃতমূলীয় অসমীয়া আখৰ জোঁটনি প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাই যুঁজ কৰিবলগীয়া হৈছিল। এই যুঁজৰ প্ৰধান অস্ত্ৰ আছিল *অসমীয়া ভাষাৰ ব্যাকৰণ* আৰু *হেমকোষ* এই দুয়োখনেই।

*হেমকোষ*ৰ প্ৰথম সংস্কৰণত ২২,৩৪৬টা শব্দ আছিল। এইখন অভিধান ৰচনা কৰোঁতে হেমচন্দ্ৰ বৰুৱাই মাইল্‌ছ ব্ৰন্সনৰ অভিধানৰ উপৰিও উইলছনৰ

*সংস্কৃত-ইংৰাজী অভিধান, টম্প্ছনৰ হিন্দী আৰু উৰ্দু-ইংৰাজী অভিধান,* উইলিয়াম কেৰীৰ *বঙ্গলা অভিধান,* গেমলৰ *Manual of Indian Timbers,* ড০ ওৱাইৰ *Dictionary of Economic products,* হুটনৰ *Bengali English-Sanskrit* আদিৰপৰাও আহি গ্ৰহণ কৰিছিল।

*হেমকোষ* অভিধানখনত হেমচন্দ্ৰ বৰুৱাই তিনিটা আধাৰৰ ওপৰত নিৰ্ভৰ কৰি বৰ্ণবিন্যাস কৰিছিল। এই সম্পৰ্কত তেওঁ উল্লেখ কৰিছে এনেদৰে --

> "আমাৰ ভাষাত বৰ্ণবিন্যাস তিনিপ্ৰকাৰে কৰা দেখা যায়। প্ৰথমে উচ্চাৰণ অনুসৰি, দ্বিতীয়তে মূল শব্দৰ দৰে, তৃতীয়তে জনালোকসকলে বহুদিন চলোৱা নিয়ম মতে। কিন্তু বৰ্ণবিন্যাসৰ কথাত উচ্চাৰণেই ঘাই বাট দেখাওঁতা। এতেকে যদি মূল শব্দৰ আখৰ ৰাখিলে কোনো অসমীয়া শব্দৰ উচ্চাৰণ ল'ৰে, তেনেহ'লে তাৰ মূললৈ নেচাই উচ্চাৰণৰ অনুগামী হ'ব লাগে।"

গতিকে এটা কথা ঠিক যে, হেমচন্দ্ৰ বৰুৱাই প্ৰধানভাৱে *হেমকোষত* উচ্চাৰণগত দিশটোকে অধিক গুৰুত্ব দিছিল। এই দিশটোৰ উপৰিও *হেমকোষত* অইন কেতবোৰ বিশেষত্ব আমি বিচাৰি পাম। তেনেকেইটিমান বিশেষত্ব এনেধৰণৰ-

- অসমীয়া ভাষাত ব্যৱহৃত সৰহভাগ শব্দই *হেমকোষ*ত সোমাইছে।
- *হেমকোষ*ৰ আখৰ জোঁটনি বিজ্ঞানসন্মত আৰু উৎকৃষ্ট নীতি হিচাপে প্ৰতিপন্ন হৈছে।
- *হেমকোষ*ৰ শব্দবোৰ বৰ্ণানুক্ৰমিকভাৱে সজোৱা হৈছে।
- শব্দৰ অৰ্থৰ ক্ষেত্ৰত প্ৰথমতে মূল অৰ্থ দিয়া হৈছে। প্ৰয়োজনমতে উদাহৰণো সংযোগ কৰিছে। কিছুমান বস্তুক চিনাকি কৰি দিবলৈ ছবিও আঁকি দিয়া হৈছে। তোমালোকে *হেমকোষ*খন মেলি চালেই এই দিশবোৰ দেখিবলৈ পাবা।

*হেমকোষ*ৰ বাহিৰেও হেমচন্দ্ৰ বৰুৱাই *সংক্ষিপ্ত হেমকোষ* নামেৰে *হেমকোষ*তকৈ সৰু অভিধান এখন প্ৰস্তুত কৰে। *সংক্ষিপ্ত হেমকোষ* নামৰ এই অভিধানখনত শব্দবিলাকৰ মূল, সমাৰ্থক অৰ্থ আৰু খণ্ডবাক্য নাছিল। *পঢ়াশলীয়া অভিধান* হেমচন্দ্ৰ বৰুৱাৰ আন এখন অভিধান। সেয়ে হ'লেও হেমচন্দ্ৰ বৰুৱাৰ *হেমকোষ* অসমীয়া জাতি

তথা ভাষা-সাহিত্যৰ বৰখুঁটা সদৃশ। অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত ওখ দেউলৰ দৰে জিলিকি থকা *হেমকোষ* ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ মহৎ অৱদান হিচাপে স্বীকৃত হৈছে।

**আত্মমূল্যায়ন - ৩**

(ক) ঊনবিংশ শতিকাৰ সময়ছোৱাত অসমত কি কি অভিধান প্ৰণীত হৈছিল ?

................................................................................................

................................................................................................

................................................................................................

................................................................................................

................................................................................................

### ২.২.২.৩ পাঠ্যপুথি প্ৰণেতা হেমচন্দ্ৰ বৰুৱা ঃ

ব্যাকৰণ আৰু অভিধান প্ৰণেতা হিচাপে হেমচন্দ্ৰ বৰুৱাৰ কৃতিত্ব সম্পৰ্কে ইতিমধ্যে তোমালোকে অৱগত হ'লা। আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ আন এক অৱদান হ'ল -- পাঠ্যপুথি প্ৰণেতা হিচাপে। তোমালোকে এইখিনিতে এটা কথা জানি থোৱা যে ১৮২৬ চনত ইংৰাজসকলে অসম অধিকাৰ কৰে। তেওঁলোকে অসমৰ বেপাৰ-বাণিজ্য, শিক্ষা-অৰ্থনীতি সকলো দিশ নিজৰ অধীন কৰি লয়। ফলস্বৰূপে বিদ্যালয়, কাৰ্যালয়, কছাৰী আদি সকলোতে তেওঁলোকে নিজৰ ইচ্ছা খটুৱাবলৈ ধৰে। ১৮৩৬ চনত ইংৰাজ চৰকাৰে অসমৰ বিদ্যালয়, কাৰ্যালয় সকলোতে আগৰেপৰা চলি অহা অসমীয়া ভাষা উঠাই দি বঙলা ভাষা প্ৰৱৰ্তন কৰে। অসমৰ স্কুল-আদালতত অসমীয়া ভাষাৰ ঠাইত বঙলা ভাষা প্ৰচলনৰ ক্ষেত্ৰত কিছুসংখ্যক উচ্চপদস্থ বঙালী বিষয়াৰ অভিপ্ৰায়ো জড়িত হৈ আছিল। ১৮৩৬ চনত অসমত বঙলা ভাষা প্ৰৱৰ্তনৰ লগে লগে অসমত ইয়াৰ বিৰোধিতা কৰি পুনৰ অসমীয়া ভাষা প্ৰচলন কৰিবলৈ প্ৰায় ৩৭ বছৰৰ প্ৰয়োজন হ'ল। অৰ্থাৎ ১৮৭৩ চনৰপৰা অসমৰ পঢ়াশালিসমূহত পুনৰ অসমীয়া ভাষাৰ প্ৰচলন হয়। ইয়াৰ লগে লগে অসমীয়া ভাষাত লিখা পাঠ্যপুথিৰো আৱশ্যক হৈ পৰে।

অসমীয়া ভাষাত লিখা পাঠ্যপুথিৰ অভাৱ দূৰ কৰিবৰ বাবে হেমচন্দ্ৰ বৰুৱাই 'পঢ়াশলীয়া পুথি' ৰচনা কৰে। ১৮৭৩ চনতে জৰ্জ কেম্বেল চাহাবৰ জাননী অনুসৰি হেমচন্দ্ৰই *আদিপাঠ* নামৰ পাঠ্যপুথি লিখে। প্ৰায় পঞ্চাশখন পুথিৰ ভিতৰত হেমচন্দ্ৰ বৰুৱাই *আদিপাঠ*ৰ বাবে প্ৰথম স্থান দখল কৰে। এই *আদিপাঠ*খনৰ সুকীয়া সুকীয়াকৈ তিনিটা খণ্ড পোৱা যায়। *অসমীয়া ল'ৰাৰ আদিপাঠ* (আগছোৱা) প্ৰথম প্ৰকাশ হয় ১৮৭৫ চনত। ওঠৰ পৃষ্ঠাৰ এই পুথিত 'ৰ'ৰ ব্যৱহাৰ সম্পৰ্কে যুক্তিপূৰ্ণ দিছে। আনহাতে *অসমীয়া ল'ৰাৰ আদিপাঠ* (মাজছোৱা) ১৮৭৬ চনত প্ৰকাশ হয়। ইয়াত সংযোগী আখৰ, ইয়াক শব্দ আৰু বাক্যত কেনেদৰে প্ৰয়োগ কৰা হয় ; উপদেশমূলক বাক্য ; মাহ, বাৰৰ নাম ; গোটা অংক, ভগা অংক, ধনৰ অংক, মাটিৰ অংক এই বিষয়সমূহ অন্তৰ্ভুক্ত হৈছে। *আদিপাঠ*ৰ তৃতীয় খণ্ড *অসমীয়া ল'ৰাৰ আদিপাঠ* (শেহছোৱা) ১৮৭৬ চনত প্ৰকাশিত হয়। শেহছোৱা আদিপাঠত বিভিন্ন পাঠ দিয়া হৈছে। সেইবোৰৰ ভিতৰত 'সজ আলচ', 'ল'ৰাৰ কালহে বিদ্যা শিকাৰ সময়', 'ভাইয়া-ভনীয়াক মৰম কৰিবা' আদি লেখত ল'বলগীয়া।

এই আদিপাঠখনৰ বাহিৰেও হেমচন্দ্ৰ বৰুৱাৰ *পাঠমালা* নামৰ আন এখন পাঠ্যপুথি ৰচনা কৰিছিল। এই *পাঠমালাত* পাঁচটা ভাগ বা অধ্যায় আছে। সেইকেইটা হৈছে -- নীতিসাৰ, সন্মান জ্ঞাপন, পশু-পক্ষীৰ বিষয়ে, গছ-গছনি, ইতিহাস আৰু উপাখ্যানৰ কাহিনী বৰ্ণিত হৈছে।

তোমালোকে এই অংশত হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা পাঠ্যপুথি সম্পৰ্কে বিতংকৈ জানিলা। কিন্তু *অসমীয়া ভাষাৰ ব্যাকৰণ, সংক্ষিপ্ত হেমকোষ, পঢ়াশলীয়া অভিধান* -- এই কেইখনো বিদ্যালয় পৰ্যায়ত পাঠ্য হিচাপে ব্যৱহৃত হৈ আছে।

**আত্মমূল্যায়ন** - ৪

(ক) হেমচন্দ্ৰ বৰুৱাই স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ ৰচনা কৰা পুথিকেইখনৰ নাম উল্লেখ কৰা।

..............................................................................................

..............................................................................................

..............................................................................................

**২.২.২.৪ নাট্যসাহিত্যৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱা ঃ**

তোমালোকে ইতিমধ্যে ২.২.২ অংশৰ আটাইকেইটা উপ-অংশতে আধুনিক ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ব্যাকৰণ, অভিধান, পাঠ্যপুথি ৰচনাত হেমচন্দ্ৰ বৰুৱাই কেনেধৰণৰ ভূমিকা লৈছিল, সেই বিষয়ে পঢ়িলা। এই অংশত এতিয়া নাট্যকাৰ হেমচন্দ্ৰ বৰুৱাৰ কৃতি সম্পৰ্কে আমি আলোচনা কৰিমহঁক।

অসমীয়া জাতীয় জীৱনৰ মহাপুৰুষ শংকৰদেৱৰ বিষয়ে তোমালোকে বহুকথাই জানা। তেওঁ সৃষ্টি কৰা নাট, বৰগীত, কাব্য এইবোৰৰ বিষয়ে ইতিমধ্যে জ্ঞান লাভ কৰিছা। শংকৰদেৱে অসমত অসমীয়া মানুহক ধৰ্ম জ্ঞান দিবৰ বাবে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। নৱবৈষ্ণৱ ধৰ্মৰ ধৰ্মীয় জ্ঞান আৰু আদৰ্শবোৰ প্ৰচাৰ কৰিবৰ বাবে শংকৰদেৱে কাব্য, নাট, গীত আদি ৰচনা কৰিছিল। শংকৰদেৱে ৰচনা কৰা নাটকসমূহেই অসমীয়া নাটকৰ প্ৰথম নিদৰ্শন। অৰ্থাৎ অসমীয়া নাটকে শংকৰদেৱৰ হাতত জন্ম লাভ কৰে। বিভিন্ন পুৰাণ, মহাভাৰত, ৰামায়ণ আদি গ্ৰন্থৰ কাহিনীৰ আধাৰত শংকৰদেৱ-মাধৱদেৱ আৰু তেওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলে বহুত নাট ৰচনা কৰে। গুৰু দুজনাই ৰচনা কৰা এই নাটসমূহক অংকীয়া নাটবুলি কোৱা হয়। ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ধৰ্মীয় কাহিনীক বিষয়-বস্তু হিচাপে লৈ ৰচনা কৰা অসমীয়া নাটকে ঊনবিংশ শতিকাৰ মাজভাগত বেলেগ ৰূপ ধাৰণ কৰে। এইক্ষেত্ৰত অসমীয়া নাটকৰ আগৰ ধৰ্মীয় বিষয়বস্তুৰ ঠাইত সামাজিক বিষয়ত গুৰুত্ব দি নাট ৰচনা হ'বলৈ আৰম্ভ হয়। গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী নাট* এইক্ষেত্ৰত প্ৰথম নিদৰ্শন। ১৮৫৭ চনত গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী নাট*ৰ যোগেদি আধুনিক অসমীয়া সামাজিক নাটকৰ আৰম্ভ হয়। এইবিষয়ে তোমালোকে ২.৩ অংশত পঢ়িবলৈ পাবা।

গুণাভিৰাম বৰুৱাই *ৰাম-নৱমী নাট*ৰ যোগেদি আধুনিক অসমীয়া নাটকৰ বাট কাটি দিলে। এই বাটেৰেই ওলাই আহিল দ্বিতীয়গৰাকী নাট্যকাৰ হেমচন্দ্ৰ বৰুৱা। ১৮৫৭ চনত *ৰাম-নৱমী নাট*ৰ পাছত ১৮৬১ চনত হেমচন্দ্ৰ বৰুৱাই *কানীয়াৰ কীৰ্ত্তন* নাট ৰচনা কৰে। এই নাটখনৰ বিষয়ে তোমালোকে সত্যেন্দ্ৰনাথ শৰ্মাৰ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত গ্ৰন্থত এইদৰে উল্লেখ পাবা ---

> 'কানীয়া কীৰ্ত্তন' বৰ্তমান যুগৰ দ্বিতীয় নাটক। কানি বৰবিহৰ গৰাহত পৰি কেনেকৈ চৰিত্ৰ আৰু সম্পত্তি দুয়োটাই নষ্ট পায় তাক ইয়াত

অংকন কৰি দেখুৱাইছে। নাটখন উদ্দেশ্যধৰ্মী, কিন্তু কানিখোলাৰ হাস্যাম্পদ ব্যংগ চিত্ৰই আৰু নাটখনৰ প্ৰভাৱশীলতাই নাট্য সাহিত্যৰ বুৰঞ্জীত ইয়াক বিশেষ স্থান দিছে।

নাটকখনত সৰ্বমুঠ চাৰিটা অংকত তেৰটা দৰ্শনী আছে। *কানীয়াৰ কীৰ্ত্তন*ত কানিৰ অপকাৰিতা আৰু সমাজৰ একশ্ৰেণীৰ লোকৰ ভণ্ডামিক ব্যংগ কৰিছে। ভদ্ৰেশ্বৰ বৰুৱা মৌজাদাৰৰ পুতেক কীৰ্তিকান্তই কানিৰ গৰাহত সৰ্বশ্ৰান্ত হৈছে। শেষত মিছা সাক্ষী দিয়াত জেলখাটিবলগীয়া হয়। জেলতেই সি গ্ৰহণী ৰোগত পৰি মৃত্যু ঘটে। কানিৰ বাবেই কানীয়াই কেনেকৈ লাজ-মান কাতি কৰি সকলো হেৰুৱাবলগীয়া হয় তাকে দেখুৱাইছে। তদুপৰি সমসাময়িক সমাজখনত সংঘটিত ভণ্ডামিকো পোহৰলৈ আনিছে।

**আত্মমূল্যায়ন - ৫**

(ক) পুৰণি অসমীয়া নাটক আৰু আধুনিক অসমীয়া নাটকৰ মাজত বিষয়বস্তুৰ ক্ষেত্ৰত কি পাৰ্থক্য দেখা যায় ?

............................................................

............................................................

............................................................

............................................................

**২.২.২.৫ হেমচন্দ্ৰ বৰুৱাৰ ব্যংগাত্মক ৰচনা**

হেমচন্দ্ৰ বৰুৱাই সাহিত্যৰ অন্যান্য দিশসমূহৰ উপৰিও অসমীয়া হাস্য-ব্যংগাত্মক সাহিত্যকো চহকী কৰি থৈ গৈছে। অসমীয়া ভাষাত ৰচনা কৰা তেনেধৰণৰ হাস্য-ব্যংগাত্মক সাহিত্যৰ বিষয়ে তোমালোকে জানানে ? একপ্ৰকাৰে হেমচন্দ্ৰ বৰুৱাৰ হাততে অসমীয়া হাস্য-ব্যংগাত্মক ৰচনাই নতুন ৰূপ লাভ কৰে। ২.২.২.৪ অংশত তোমালোকে হেমচন্দ্ৰ বৰুৱাৰ নাটকৰ বিষয়ে পঢ়োতে *কানীয়াৰ কীৰ্ত্তন* নাটকতো হাস্য-ব্যংগৰ বিষয়েঅৱগত হৈছা। আচলতে ঊনবিংশ শতিকাত হেমচন্দ্ৰ বৰুৱাৰ হাতত অসমীয়া হাস্যৰসাত্মক সাহিত্যৰ উদ্ভৱ হ'লে পুৰণি অসমীয়া কাব্য

কিছুমানতো হাস্যৰ প্ৰভাৱ পোৱা যায়। ৰাম সৰস্বতীৰ ‘ভীমচৰিত’ পুথিখনৰ বিষয়ে তোমালোকে নিশ্চয় শুনিছা। ভীমে বকাসুৰৰ বলি হৈ বকাসুৰৰ সমস্ত খাদ্য ভীমে ভক্ষণ কৰাৰ পাছত ভীম-বকাসুৰৰ তয়াময়া যুঁজ লগা কাব্যখনৰ কথা এতিয়া নিশ্চয় মনত পৰিছে।

এনেধৰণৰ ভীমচৰিত, শিশুপাল বধ আদি কাব্যসমূহৰ মাজত প্ৰকাশ পোৱা হাস্যজনক চিত্ৰই হেমচন্দ্ৰ বৰুৱাৰ হাতত আধুনিক ৰূপ লাভ কৰে। *বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী* হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা হাস্য-ব্যংগাত্মক ৰচনা। সমাজৰ তথাকথিত বৰমূৰীয়াসকলৰ ফোঁপোলাস্বৰূপ *বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰীত* হাস্য-ব্যংগৰ মাজেৰে ফুটাই তুলিছে। সমাজত বৰমানুহ বোলাই আগভাগ লৈ ফুৰা ব্যক্তিসকলে সমাজৰ আঁৰত কিদৰে ভণ্ডামি আৰু অনৈতিক কাম কৰে -- তাক ব্যংগাত্মক ৰূপত প্ৰতিফলিত কৰিছে। কোৰখনীয়া সত্ৰৰ সত্ৰাধিকাৰ গোৱৰ্ধন আতাৰ আখ্যান বৰ্ণনা কৰা *বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী* গ্ৰন্থত গোৱৰ্ধন আতাৰ ধৰ্মৰ নামত ভণ্ডামিৰ আশ্ৰয় লোৱাৰ কাহিনী আছে। ধৰ্মৰ নামত ভণ্ডামি, বিচাৰৰ নামত ভেকোভাওনা, সমাজৰ ব্যভিচাৰ, নীতি নিয়মৰ প্ৰতি অনীহা এই দিশবোৰ *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰীত* পোহৰলৈ আহিছে।

এতিয়া তোমালোকে এটা কথা সঠিকভাৱে উল্লেখ কৰিব পাৰা যে, আধুনিক অসমীয়া সাহিত্যত কাহিনীৰ আধাৰত ব্যংগাত্মক সাহিত্য সৃষ্টিৰ প্ৰথম প্ৰয়াস *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰীত* দেখা পোৱা যায়। তদুপৰি ব্যাজস্তুতি, অপ্ৰস্তুত প্ৰশংসা, শ্লেষোক্তি আদি অলংকাৰৰ প্ৰয়োগৰ ফলত হেমচন্দ্ৰৰ ব্যংগই তীব্ৰতা লাভ কৰিছে।

**আত্মমূল্যায়ন - ৬**

(ক) বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰীৰ মূল নায়কজনৰ নাম কি ? এই ব্যংগাত্মক ৰচনাখনে কি দিশ সূচিত কৰিছে ?

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

**২.২.২.৬ হেমচন্দ্ৰ বৰুৱাৰ বিবিধ ৰচনা ঃ**

তোমালোকে ইতিমধ্যে পূৰ্বোল্লিখিত অংশসমূহৰপৰা হেমচন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য কৰ্মৰ বিষয়ে আগবঢ়োৱা বিশ্লেষণ পঢ়িলা। এই অংশত হেমচন্দ্ৰ বৰুৱাৰ আন কিছুমান ৰচনাৰ বিষয়ে উল্লেখ কৰা হৈছে।

অভিধান, ব্যাকৰণ, পাঠ্যপুথি প্ৰণেতা হেমচন্দ্ৰ বৰুৱাই আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত নাটক, ব্যংগৰচনাৰ যোগেদিও অৰিহণা আগবঢ়াইছে। তদুপৰি তেওঁ ইংৰাজীৰপৰা অসমীয়ালৈ গ্ৰন্থ অনুবাদ কৰিছে। Way to Health নামৰ ইংৰাজী পুথিৰ অসমীয়া অনুবাদ হেমচন্দ্ৰ বৰুৱাই 'স্বাস্থ্য ৰক্ষা' বা 'গা ভালে ৰাখিবৰ উপায়' নামেৰে কৰিছে। ১৮৯২ চনত প্ৰকাশিত Notes on the Marriage Systems of the People of Assam হেমচন্দ্ৰ বৰুৱাৰ আন এক কীৰ্তি। এই গ্ৰন্থখনত উজনি-নামনি সামৰি অসমৰ প্ৰচলিত হিন্দুশাস্ত্ৰীয় বিয়াৰপৰা ঘৰজোঁৱাই প্ৰথালৈকে বিবাহৰ বিভিন্ন বিৱৰণ আগবঢ়াইছে।

বিভিন্ন কাকত-আলোচনীতো হেমচন্দ্ৰ বৰুৱাই বিভিন্ন ৰচনা প্ৰকাশ কৰিছিল। 'জোনাকী'ত প্ৰকাশ পোৱা 'আত্মজীৱন চৰিত' শীৰ্ষক ৰচনাখনত হেমচন্দ্ৰ বৰুৱাৰ জীৱন সম্পৰ্কীয় আভাস আছে। তোমালোকে এটা কথা জানি থোৱা ভাল যে, হেমচন্দ্ৰ বৰুৱাৰ এই ৰচনাখনেই প্ৰথম অসমীয়া আত্মজীৱনীমূলক ৰচনাৰ নিদৰ্শন।

'অৰুনোদই সম্বাদ পত্ৰ'তো হেমচন্দ্ৰ বৰুৱাই তিনিটা ছদ্মনামত ৰচনা লেখিছিল। হ.চ বা H. Chunder, সোণাৰচাঁদ আদি ছদ্মনামেৰে 'অৰুনোদই'ত 'আচৰিত গচ';

'অনেক বিয়া কৰা অজুগুত', 'দেশ হিতৈষী অৰুণোদয়ৰ সম্পাদকলৈ চিঠি', 'স্ত্রী শিক্ষাৰ বিষয়ে' আদি ৰচনা প্ৰকাশিত হৈছিল।

**আত্মমূল্যায়ন - ৭**

(ক) হেমচন্দ্ৰ বৰুৱাই Way to Health নামৰ ইংৰাজী পুথিখন অসমীয়ালৈ কি নামেৰে অনুবাদ কৰিছিল ?

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ২.২.২.৭ কাকতৰ সম্পাদক হেমচন্দ্ৰ বৰুৱা ঃ

তোমালোকে ওপৰৰ অংশসমূহত হেমচন্দ্ৰ বৰুৱাৰ সাহিত্য প্ৰতিভাৰ বিষয়ে পঢ়িলাহঁক। হেমচন্দ্ৰ বৰুৱাই ব্যাকৰণ, অভিধান, পাঠ্যপুথি, নাটক, ব্যংগ ৰচনা আদিৰ ৰচনাৰ যোগেদি আধুনিক অসমীয়া সাহিত্যক বিশেষত্বপূৰ্ণ ৰূপত প্ৰতিষ্ঠা কৰে। এইক্ষেত্ৰত বাতৰি কাকতৰ সম্পাদক হিচাপেও হেমচন্দ্ৰ বৰুৱাৰ লেখত ল'বলগীয়া ভূমিকা গ্ৰহণ কৰিছিল। এই অংশত সাংবাদিক হেমচন্দ্ৰ বৰুৱাৰ বিষয়ে আৰু অসমীয়া ভাষাৰ প্ৰতিষ্ঠাত তেওঁ সম্পাদনা কৰা বাতৰি কাকতখনৰ ভূমিকাৰ বিষয়ে পৰিচয় হওঁ আহাঁ।

চাকৰিৰপৰা অৱসৰ লোৱাৰ পাছত হেমচন্দ্ৰ বৰুৱাই ১৮৮২ চনত এখন কাকত সম্পাদনা কৰে। মাণিকচন্দ্ৰ বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকনৰ উদ্যোগত হেমচন্দ্ৰ বৰুৱাই সম্পাদনা কৰা 'আসাম-নিউচ' দ্বিতীয়খন অসমীয়া সাপ্তাহিক কাকত। ইয়াৰ আগেয়ে চিদানন্দ চৌধুৰীৰ সম্পাদনাত ১৮৭২ চনত 'আসাম মিহিৰ' প্ৰথমখন অসমীয়া সাপ্তাহিক কাকত আছিল। ফুলস্কেপ কাগজৰ আঠ পৃষ্ঠাৰে সাদিনীয়াকৈ প্ৰকাশ পোৱা 'আসাম নিউচ' কাকতখন অসমীয়া আৰু ইংৰাজীৰ দ্বিভাষিক কাকত আছিল। হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা 'আসাম-নিউচ' এই 'বাতৰি কাকত' শব্দটো প্ৰথম ব্যৱহাৰ কৰিছিল।

হেমচন্দ্ৰ বৰুৱাই 'আসাম নিউচ'ৰ যোগেদি চৰকাৰী নীতি কেতবোৰৰ আলোচনাৰ উপৰিও আখৰ জোঁটনিৰ ক্ষেত্ৰতো গুৰুত্ব দিছিল। আধুনিক অসমীয়া ভাষাৰ আখৰ জোঁটনি সম্পৰ্কে নিৰ্দিষ্ট গঢ় প্ৰদান কৰি অসমীয়া আখৰ জোঁটনিক মিছনেৰীৰ প্ৰভাৱৰপৰা মুক্ত কৰে।

**আত্মমূল্যায়ন - ৮**

(ক) তলৰ কোনটো মত ভুল বিচাৰ কৰাঁ --

- হেমচন্দ্ৰ বৰুৱাৰ আসাম নিউচে ----

(১) চৰকাৰী নীতি কেতবোৰৰ সমালোচনা কৰিছিল।

(২) অসমীয়া আখৰ জোঁটনিক এটা সুস্থিৰ ৰূপ দিছিল।

(৩) বৃহৎ নদীবান্ধৰ বিৰোধিতা কৰিছিল।

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

এই কাকতখনৰ প্ৰকাশ ১৮৮৫ চনত বন্ধ হয়। লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণ* ত এই সম্পৰ্কে এনেদৰে লিখা হৈছে -

> 'আসাম নিউচ'খন ভালকৈ পঢ়া ৰোগে মোক বৰকৈ ধৰিছিল। কেতিয়া 'আসাম নিউচ' আহিব মই বাটলৈ চাই থাকোঁ আৰু এটাইৰে আগয়ে মই কাকতখন মেলি পঢ়োঁ বুলিলে ঠিক কোৱা নহয়, গিলোঁ বুলিলেহে ঠিক হ'ব। বাস্তৱিকতে 'আসাম নিউচ' পঢ়ি তাৰ অসমীয়া লিখাৰ গঢ়ৰ ফালে ভালকৈ মন দিহে প্ৰথমতে অসমীয়া ভাষাত ৰচনা লিখিবলৈ শিকোঁ। 'আসাম নিউচে' নিশ্চয় অসমীয়া ভাষাৰ যুগান্তৰ উপস্থিত কৰিলে।

এতিয়া তোমালোকে নিশ্চয় মন কৰিছা যে 'আসাম নিউচে' আখৰ জোঁটনিক এটা নির্দিষ্ট ৰূপ দিয়াৰ লগতে নতুন লেখকসকলৰ ভাষা শিক্ষাৰ মাধ্যমো আছিল। এইক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব।

## ২.৩ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠা আৰু গুণাভিৰাম বৰুৱা ঃ

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত হেমচন্দ্ৰ বৰুৱাই কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছিল, সেই সম্পৰ্কে তোমালোকে ২.২ অংশত অৱগত হ'লা। হেমচন্দ্ৰ বৰুৱাৰ দৰে গুণাভিৰাম বৰুৱায়ো আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিছিল। এই দুয়োগৰাকী বৰেণ্য ব্যক্তিৰ চিন্তা আৰু সৃষ্টিয়ে আধুনিক অসমীয়া সাহিত্যৰ ভেটি টনকিয়াল কৰি তুলিছিল। এই অংশত তোমালোকে আধুনিক অসমীয়া ভাষা-সাহিত্যলৈ গুণাভিৰাম বৰুৱাৰ অৱদান, জীৱন আৰু কৰ্ম-সাধনা সম্পৰ্কে জানিব পাৰিবা।

### ২.৩.১ গুণাভিৰাম বৰুৱাৰ জীৱন আৰু সাহিত্য-কৰ্ম ঃ

ঊনবিংশ শতিকাৰ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ অন্যতম ব্যক্তিত্ব গুণাভিৰাম বৰুৱাই ১৮৩৭ চনত যোৰহাটত জন্মগ্ৰহণ কৰে। চাৰি বছৰ বয়সতে তেওঁৰ পিতৃ ৰণৰাম বৰুৱা আৰু বাৰ বছৰৰ বয়সত মাতৃৰ মৃত্যু হোৱাত সম্পৰ্কীয় ভতিজাক আনন্দৰাম ঢেকিয়াল ফুকনে গুণাভিৰাম বৰুৱাৰ পঢ়া-শুনাৰ দায়িত্ব লয়। গুণাভিৰাম বৰুৱাই কলিকতাৰ বিদ্যালয়ৰপৰাই প্ৰৱেশিকা পৰীক্ষাত বৃত্তিসহ উত্তীৰ্ণ হয় আৰু কলিকতাৰ প্ৰেচিডেন্সি কলেজত অধ্যয়ন কৰে। কিন্তু দ্বিতীয় বাৰ্ষিকৰ পৰীক্ষাত উত্তীৰ্ণ নোহোৱাৰ বাবে গুণাভিৰাম বৰুৱাই সিমানতে পঢ়া-শুনা এৰি দিয়ে। সেই সময়ত আনন্দৰাম ঢেকিয়াল ফুকনে কলিকতাত 'নিউ প্ৰেছ' নামেৰে এটা ছপাশাল প্ৰতিষ্ঠা কৰিছিল আৰু গুণাভিৰাম বৰুৱাই সেই ছপাশালৰ অধ্যক্ষ হিচাপে কাম-কাজ চলায়।

১৮৫৭ চনত গুণাভিৰাম বৰুৱা অসমলৈ ঘূৰি আহে। ১৮৫৯ চনত তেওঁ চৰকাৰী চাকৰিত সোমাই এবছৰৰ পাছতে অতিৰিক্ত সহকাৰী আয়ুক্ত (Extra Astt. Commisoner) পদত নিযুক্ত হয়। পৰৱৰ্তী সময়ত তেওঁ মহকুমাধিপতি,

কালেক্টৰ আদি বিভিন্ন পদবীত তেজপুৰ, গোৱালপাৰা, নগাঁও, ধুবুৰী আদি অসমৰ বিভিন্ন ঠাইত কাৰ্যনিৰ্বাহ কৰে। ১৮৯০ চনত তেওঁ চাকৰি জীৱনৰপৰা অৱসৰ গ্ৰহণ কৰে। গুণাভিৰাম বৰুৱাই চাকৰিৰ কাৰ্যকালতে, ১৮৮৭ চনত 'ৰায়বাহাদুৰ' খিতাপ লাভ কৰে।

গুণাভিৰাম বৰুৱাই বংগৰ সমাজ সংস্কাৰৰ আন্দোলনৰ দ্বাৰা বিশেষভাৱে অনুপ্ৰেৰণা লাভ কৰিছিল। বাল্য বিবাহৰ বিৰোধ, বিধবা বিবাহৰ প্ৰচলন আদি সমাজৰ নানি দিশৰ পৰিৱৰ্তন তথা সংশোধনৰ ক্ষেত্ৰত গুণাভিৰাম বৰুৱাই মনে-প্ৰাণে চেষ্টা কৰিছিল। ১৮৬৯ চনত সেয়ে তেওঁ ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰিছিল। তদুপৰি গুণাভিৰাম বৰুৱাই বিধবা বিবাহৰ সমৰ্থন কৰি নিজেও বিধবা বিবাহ কৰি সমাজ সংশোধনৰ আহি স্বৰূপে থিয় দিছিল। গুণাভিৰাম বৰুৱাই প্ৰথম বিবাহ সম্পন্ন কৰিছিল ১৮৫৭ চনত, আনন্দৰাম ঢেকিয়াল ফুকনৰ খুলশালী ব্ৰজসুন্দৰীৰ লগত। ১৮৬৭ চনত ব্ৰজসুন্দৰীৰ মৃত্যু হোৱাত ১৮৭০ চনত পৰশুৰাম বৰুৱাৰ বিধবা পত্নী বিষ্ণুপ্ৰিয়াক বিয়া কৰায়। বিষ্ণুপ্ৰিয়াৰ গৰ্ভতে জন্মলাভ কৰে কৰুণাভিৰাম বৰুৱা, জ্ঞানদাভিৰাম বৰুৱা আদি বৰেণ্য অসমীয়া ব্যক্তিয়ে। উল্লেখযোগ্য যে, গুণাভিৰাম বৰুৱা-বিষ্ণুপ্ৰিয়াৰ বিবাহ খনেই অসমৰ প্ৰথম ৰেজিষ্ট্ৰি বিবাহ আৰু সম্ভৱতঃ যাদুৰাম ডেকাবৰুৱাৰ পাছত বৰ্ণহিন্দু অসমীয়া সমাজত দ্বিতীয় বিধবা বিবাহ।

১৮৯০ চনত গুণাভিৰাম বৰুৱাই চাকৰি জীৱন শেষ কৰি পুনৰ পত্নী বিষ্ণুপ্ৰিয়াৰ সৈতে কলিকতালৈ ৰাওনা হয় আৰু তাতে ১৮৯৪ চনত মৃত্যুবৰণ কৰে।

হেমচন্দ্ৰ বৰুৱাৰ দৰে গুণাভিৰাম বৰুৱায়ো সাহিত্য চৰ্চাৰ শুভাৰম্ভ কৰিছিল 'অৰুনোদই'ৰ যোগেদি। ১৮৫৭ চনত ৰচনা কৰা 'ৰাম-নৱমী নাট' যিদৰে প্ৰথম অসমীয়া আধুনিক নাটক হিচাপে গণ্য কৰা হৈছে, সেইদৰে গুণাভিৰাম বৰুৱাৰ প্ৰথম সাহিত্যিক প্ৰচেষ্টা হিচাপে আলোচনা কৰা হয়। তেওঁৰ 'বিবাহ-ৰহস্য' নামৰ আন এখন নাটকৰ বিষয়ে পোৱা যায়। ১৮৮০ চনত গুণাভিৰাম বৰুৱাই আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত ৰচনা কৰে। তোমালোকে জানানে অসমীয়াত এইখনেই প্ৰথম উল্লেখযোগ্য জীৱন চৰিত। ১৮৮৪ চনত তেওঁৰ 'আসাম বুৰঞ্জী' প্ৰকাশ হৈ ওলায়। তদুপৰি নিভাঁজ হাস্যৰস আৰু কৌতুকপূৰ্ণ 'কঠিন শব্দৰ ৰহস্য ব্যাখ্যা' পুথিয়ে গুণাভিৰাম ৰসিকতাৰ পৰিচয় দিয়ে। হেমচন্দ্ৰ বৰুৱাই যিদৰে 'আসাম

নিউচ' সম্পাদনা কৰি ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত সহায় কৰিছিল, গুণাভিৰাম বৰুৱায়ো ১৮৮৫ চনত 'আসাম বন্ধু' আলোচনী প্ৰকাশেৰে অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিছিল। তোমালোকে তলৰ অংশত গুণাভিৰাম বৰুৱাৰ সাহিত্য কৰ্মৰ শ্ৰেণীবদ্ধ বিশ্লেষণ সহ চমু পৰিচয় পঢ়িবলৈ পাবা।

**আত্মমূল্যায়ন - ৯**

(ক) গুণাভিৰাম বৰুৱাৰ পঢ়া-শুনাৰ দায়িত্ব কোনে লৈছিল ?

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ২.৩.২ ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত গুণাভিৰাম বৰুৱাৰ অৱদান ঃ

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ দৰে গুণাভিৰাম বৰুৱায়ো সমান ভূমিকা গ্ৰহণ কৰিছিল। তোমালোকে ২.৩.১ অংশত গুণাভিৰাম বৰুৱাৰ জীৱন আৰু সাহিত্য কৰ্মৰ চমু পৰিচয় লাভ কৰিলা। এতিয়া এই অংশত গুণাভিৰাম বৰুৱাৰ সাহিত্য কৰ্মৰ শ্ৰেণীবদ্ধ বিশ্লেষণ সহ পৰিচয় পাবাহঁক।

### ২.৩.২.১ গুণাভিৰাম বৰুৱাৰ নাট্যকৃতি ঃ

তোমালোকে ২.২.২.৪ অংশত নাট্যসাহিত্যৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ বিষয়ে পঢ়োতে এটা কথা অৱগত হৈছিল যে শংকৰদেৱৰ হাততে অসমীয়া নাটকৰ জন্ম লাভ হয়। কিন্তু আধুনিক অসমীয়া নাটকৰ সূচনা হৈছিল ১৮৫৭ চনত গুণাভিৰাম বৰুৱাৰ হাতত। গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী নাট* প্ৰথম অসমীয়া সামাজিক নাটক। তোমালোকে সেই অংশটোত পুৰণি আৰু আধুনিক অসমীয়া নাটকৰ মাজত থকা বিষয়বস্তুৰ পাৰ্থক্যৰ কথা পঢ়ি আহিছা। এতিয়া ইয়াত সেইবোৰ কথাকে পুনৰ দোহৰাৰ প্ৰয়োজন নাই। কিন্তু এইখিনিতে তোমালোকক *ৰাম-নৱমী নাট*ৰ বিষয়ে

ক'বলৈ যোৱাৰ আগত গুণাভিৰাম বৰুৱাই এই নাটকখন ক'ত, কেনেকৈ লিখিবলৈ পালে -- সেই বিষয়ে থূলমূলকৈ কৈ থ'ব লাগিব।

২.৩.১ অংশত গুণাভিৰাম বৰুৱাৰ জীৱন সম্পৰ্কে পঢ়োঁতে পাইছিলা যে, কলিকতাত পঢ়া-শুনা আধাতে সামৰি তেওঁ ১৮৫৭ চনত অসমলৈ ঘূৰি আহে। সেইসময়ছোৱাত কলিকতাত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ নেতৃত্বত সমাজ-সংস্কাৰৰ আন্দোলন চলিছিল। বাল্য বিবাহ বন্ধ কৰা, বিধৱাসকলৰ পুনৰ বিবাহৰ অধিকাৰ দিয়া, স্ত্ৰী জাতিৰ শিক্ষা আদি নানানটা বিষয় লৈ এই আন্দোলনে ভৰপক ৰূপ লৈছিল। কলিকতাৰ এই সমাজ সংশোধনৰ জাগৰণে গুণাভিৰাম বৰুৱাৰ চিন্তাতো প্ৰভাৱ পেলাইছিল। তেওঁ বাৰে বাৰে কলিকতাৰ সমাজৰ লগত অসমৰ সমাজখনক তুলনা কৰি চাইছিল। অসমৰ সমাজতো যে বিধৱাসকল অৱহেলিত হৈ থাকে, নাৰীৰ শিক্ষা আৰু স্বাধীনতাৰ যে কোনো গুৰুত্ব নাই -- সেই কথা তেওঁ উপলব্ধি কৰিব পাৰিছিল। সেয়েহে ১৮৫৭ চনত কলিকতাৰপৰা অসমলৈ জাহাজেৰে আহি থাকোঁতেই গুণাভিৰাম বৰুৱাই *ৰাম-নৱমী-নাট* ৰচনা কৰে।

*ৰাম-নৱমী নাট* ৰচনা কৰাৰ মূলত আৰু এটা দিশ প্ৰধানভাৱে জড়িত হৈ আছে। এফালে ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ আদৰ্শৰ প্ৰভাৱ আৰু আনফালে উমেশ চন্দ্ৰ মিত্ৰৰ *বিধৱা বিবাহ* নাট -- এই দুয়োটাই *ৰাম-নৱমী নাট* ৰচনাত গুণাভিৰাম বৰুৱাক অনুপ্ৰাণিত কৰিছিল। তদুপৰি পাশ্চাত্য দেশৰ নাট্যসাহিত্যৰ সৈতেও গুণাভিৰাম বৰুৱাৰ যথেষ্ট জ্ঞান লাভ হৈছিল। বিদেশৰ নাটকসমূহ কি কি পদ্ধতিৰে ৰচনা কৰে -- সেই শিক্ষাও গুণাভিৰাম বৰুৱাই লাভ কৰিছিল।

*ৰাম-নৱমী নাট*খন ১৮৭০ চনত পুথিৰ আকাৰে ছপা হৈ ওলায়। নাটকখনত ৰামচন্দ্ৰ আৰু নৱমীৰ প্ৰেমৰ সম্পৰ্ক আৰু সমাজৰ বিৰোধিতাত পৰি দুয়োৰে শোকাবহ আত্মহত্যাৰ কাহিনী চিত্ৰিত হৈছে। নৱমীক সৰুতে বিয়া দিয়া হৈছিল। যিটোক আমি বাল্য বিবাহ বুলি কওঁ। কিন্তু স্বামীৰ ঘৰলৈ যোৱাৰ আগতেই তাইৰ স্বামীৰ বিয়োগ ঘটে। স্বামীৰ মৃত্যু হোৱাৰ লগে লগে নৱমীয়ে বিধৱাৰ সাজ পিন্ধিবলগীয়া হয় আৰু লগতে কঠোৰ সামাজিক নিয়ম কিছুমানো মানিবলৈ বাধ্য হয়। তেনেতে ৰামচন্দ্ৰ সৈতে নৱমীৰ দেখা হোৱাৰ পাছত দুয়োৰে মাজত প্ৰেমৰ সম্পৰ্কই গঢ় লৈ উঠে। কিন্তু বিধৱা নৱমীক দুয়োৰে মাজত প্ৰেমৰ সম্পৰ্কই গঢ় লৈ উঠে। কিন্তু

বিধৱা নবমীক বিয়া কৰাবলৈ ৰামচন্দ্ৰ আগবাঢ়ি যোৱাটো অত্যন্ত টান কাম আছিল। একেদৰে বিধৱা নবমীৰো একেই দশা। কঠোৰ সামাজিক নিয়ম মানি চলিবলৈ বাধ্য হোৱা নবমীয়ে ৰামচন্দ্ৰ সৈতে পুনৰ বিবাহত বহা সেইসময়ৰ সমাজত আকাশত চাং পতা বিষয়। কিন্তু দুয়ো প্ৰচলিত সামাজিক নিয়মৰ বিৰোধিতা কৰি আত্মহত্যাৰ পথ বাচি লয়।

গুণাভিৰাম বৰুৱাৰ *ৰাম-নবমী নাট*ত উদাৰ ভাৱৰ ডেকা ৰামচন্দ্ৰ আৰু বাল বিধৱা নবমীৰ সমাজ বিৰোধী প্ৰণয়ৰ শোকাবহ পৰিণতি অংকিত হৈছে। একেদৰে গুণাভিৰাম বৰুৱাৰ 'বিবাহ ৰহস্য' নামৰ আন এখন নাটকৰ বিষয়ে জনা যায়। এই নাটকখন 'আসাম-বন্ধু' আলোচনীত দুটা খণ্ড প্ৰকাশিত হৈছিল। এই 'বিবাহ ৰহস্য' নাটখনৰো উদ্দেশ্য আছিল সমাজ সচেতনতা।

**আত্মমূল্যায়ন - ১০**

(ক) গুণাভিৰাম বৰুৱাই ৰাম-নবমী নাট লিখাৰ ক্ষেত্ৰত অনুপ্ৰেৰণা লাভ কৰা বঙলা ভাষাৰ নাটখনৰ নাম কি ?

.........................................................................................................

.........................................................................................................

.........................................................................................................

.........................................................................................................

### ২.৩.২.২ জীৱন চৰিত লেখক গুণাভিৰাম বৰুৱা ঃ

আধুনিক নাট্যসাহিত্যৰ দৰে আধুনিক জীৱনী সাহিত্য লিখাৰ ক্ষেত্ৰটো গুণাভিৰাম বৰুৱা বাটকটীয়া আছিল। ১৮৮০ চনত প্ৰকাশ হোৱা গুণাভিৰাম বৰুৱাই লেখা *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত* প্ৰথম অসমীয়া জীৱনী গ্ৰন্থ। অৱশ্যে ইয়াৰ আগেয়ে শংকৰদেৱৰ মৃত্যুৰ পাছত সত্ৰসমূহত তেওঁৰ শিষ্য-প্ৰশিষ্যসকলে গুৰুজনাৰ চৰিত্ৰ সম্বন্ধীয়, জীৱন আৰু কৰ্ম সম্বন্ধীয় বিভিন্ন বিষয় আলোচনা কৰিছিল। এই পৰম্পৰাক চৰিত তোলা প্ৰথা বুলি কোৱা হয়। পিছলৈ শংকৰ-মাধৱৰ

চৰিত্ৰ গুণানুকীৰ্ত্তন কৰা এই কথাবোৰ লিপিবদ্ধ কৰি ৰাখে। সেইবোৰক চৰিত পুথি বা চৰিত সাহিত্য বুলি আখ্যা দিয়া হয়। এই চৰিতপুথিসমূহ গদ্য আৰু পদ্য দুয়োটা ৰূপতে ৰচিত হৈছিল। ৰামচৰণ ঠাকুৰ, ভূষণ দ্বিজ, দৈতাৰি ঠাকুৰ, ৰামানন্দ দ্বিজ আদি উত্তৰ বৈষ্ণৱ যুগৰ লেখকসকলে শংকৰ, মাধৱৰ জীৱন চৰিত লিপিবদ্ধ কৰিছিল।

শংকৰ-মাধৱৰ পৰৱৰ্তী সময়ত ৰচনা কৰা চৰিত পুথিসমূহ সম্পূৰ্ণ সত্ৰীয়া পৰিৱেশ আৰু ভকতীয়া ঠাঁচত ৰচিত হৈছিল। পুৰণি অসমীয়া সাহিত্যৰ সেই ধাৰা গুণাভিৰাম বৰুৱাই *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত* গ্ৰন্থত আধুনিক ৰূপত উপস্থাপন কৰিলে। সেয়েহে গুণাভিৰাম বৰুৱাই গ্ৰন্থখনৰ পাতনিত উল্লেখ কৰিছে-

"আমাৰ ভাষাত আধুনিক জীৱন চৰিত বিভাগৰ এই পুস্তকেই প্ৰথম।"

গ্ৰন্থখনত ঢেকিয়াল ফুকনৰ প্ৰতি গুণাভিৰাম বৰুৱাৰ গভীৰ শ্ৰদ্ধাভাৱ ফুটি উঠিছে। গ্ৰন্থখনত এফালে আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন বৃত্তান্ত আৰু আনফালে সমসাময়িক সমাজখনৰ চিত্ৰও প্ৰতিফলিত হৈছে। জীৱনী গ্ৰন্থখনত প্ৰতিটো বিষয়ৰ পুংখানুপুংখ বিৱৰণ, পৰিৱেশ পৰিস্থিতিৰ প্ৰকৃত চিত্ৰণ আৰু লেখকৰ জ্ঞান-অভিজ্ঞতাই গ্ৰন্থখনক বিশেষ পৰিচয় প্ৰদান কৰিছে। আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱনৰ সৰু-বৰ দিশ সকলোবোৰ গ্ৰন্থখনত ফুটি উঠিছে। একেধৰণে তোমালোকে গুণাভিৰাম বৰুৱাৰ জীৱনৰ বহুতো দিশৰ প্ৰতিফলনো গ্ৰন্থখনত বিচাৰি পাবা।

**আত্মমূল্যায়ন - ১১**

(ক) আধুনিক অসমীয়া সাহিত্যৰ প্ৰথমখন জীৱনীগ্ৰন্থৰ নাম কি ?

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

### ২.৩.২.৩ বুৰঞ্জী লেখক গুণাভিৰাম বৰুৱা ঃ

তোমালোকে ইতিমধ্যে গুণাভিৰাম বৰুৱাৰ নাটক, জীৱনীগ্ৰন্থৰ বিষয়ে পঢ়িলা। নাট্যসাহিত্য আৰু জীৱনী সাহিত্যৰ উপৰিও বুৰঞ্জী প্ৰণেতা হিচাপেও গুণাভিৰাম বৰুৱাৰ এটা সুকীয়া পৰিচয় আছে।

১৮৫৭ চনত গুণাভিৰাম বৰুৱাই ৰচনা কৰা *আসাম বুৰঞ্জী* প্ৰকাশ হৈ ওলায়। বুৰঞ্জীখনৰ ২৯টা অধ্যায়ত প্ৰাচীন কালৰপৰা অসমত বৃটিছৰ আগমনলৈকে ঐতিহাসিক ঘটনালানিৰ বৰ্ণনা কৰিছে। ঠায়ে ঠায়ে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ঘটনাৰ আলোচনাও বুৰঞ্জীখনত লিপিবদ্ধ হৈছে। নগেন শইকীয়াই আসাম বুৰঞ্জীৰ বিষয়ে এইদৰে কৈছে ---

> "সমাজৰ সকলো দিশৰ ইতিবৃত্ত সামৰি লিখা এইখনেই প্ৰথম আধুনিক অসমীয়া বুৰঞ্জী। বুৰঞ্জীখনৰ মাজত যেন ঊনবিংশ শতিকাৰ শিক্ষিত অসমীয়াৰ মনটোৱেও ভুমুকিয়াই গৈছে।"

গুণাভিৰাম বৰুৱাই *আসাম বুৰঞ্জী*ৰ উপৰিও 'আসাম-বন্ধু', 'জোনাকী', 'বিজুলী' আদি আলোচনীত ভালেমান বুৰঞ্জীমূলক লেখা ৰচনা কৰিছিল। 'আসাম-বন্ধু'ত 'আগৰ দিন এতিয়াৰ দিন' ; জোনাকীত 'সৌমাৰ ভ্ৰমণ' ; 'অসমত মান', 'অলিখিত বুৰঞ্জী'; বিজুলীত 'আসাম যাত্ৰা' আদি লেখত ল'বলগীয়া উদাহৰণ। সেয়েহে লক্ষ্মীনাথ বেজবৰুৱাই গুণাভিৰাম বৰুৱাক "আসামত সৰ্বজনবিদিত বুৰঞ্জী বিজ্ঞ' হিচাপে আখ্যা দিছে।

**আত্মমূল্যায়ন - ১২**

(ক) গুণাভিৰাম বৰুৱাই ৰচনা কৰা বুৰঞ্জীখনৰ নাম ---

(১) সাতসৰী অসম বুৰঞ্জী

(২) অসম বুৰঞ্জী

(৩) আসাম বুৰঞ্জী

(৪) আসামৰ বুৰঞ্জী

..........................................................................................

..........................................................................................

**২.৩.২.৪ গুণাভিৰাম বৰুৱাৰ বিবিধ অৱদান ঃ**

আমি ইতিমধ্যে গুণাভিৰাম বৰুৱাৰ নাট্যকৃতি, বুৰঞ্জী, জীৱনী গ্ৰন্থৰ বিষয়ে আলোচনা কৰিলোঁ। এই অংশত সানমিহলিভাৱে গুণাভিৰাম বৰুৱাৰ প্ৰতিভা বা অৱদানৰ আন কেইটিমান দিশৰ বিষয়ে আলোচনা কৰিছোঁ। এই অংশত হাস্য-ব্যংগ লেখা, পাঠ্যপুথি ৰচক, পুথি সম্পাদক, আৰু আলোচনীত বিভিন্ন বিষয়ৰ প্ৰবন্ধ লেখক গুণাভিৰাম বৰুৱাৰ চমু পৰিচয় আগবঢ়াম। আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বিকাশত এই প্ৰতিটো দিশৰে গুৰুত্বপূৰ্ণ অৱদান স্বীকাৰ কৰা হয়।

গুণাভিৰাম বৰুৱা হাস্য-ব্যংগাত্মক ৰচনা *কঠিন শব্দৰ ৰহস্য ব্যাখ্যা* ১৯১১ চনত পুথি আকাৰে প্ৰকাশ হৈ ওলায়। ইয়াৰ আগতে এই ৰচনাখন 'বিজুলী' আলোচনীত প্ৰকাশিত হৈছিল। নৰাই অধ্যাপক যদু পাচনি আৰু ৰমাই মহন্ত -- এই তিনিটা চৰিত্ৰৰ যোগেদি *কঠিন শব্দৰ ৰহস্য ব্যাখ্যা*ত কঠিন শব্দৰ ৰহস্যত হাস্যৰস সৃষ্টি কৰিছে।

গুণাভিৰাম বৰুৱাই 'বিজুলী' আলোচনীত কবিতাও ৰচনা কৰিছিল। তেওঁ কবিতা লিখিবৰ বাবে যে 'গুৰু দত্ত' ছদ্মনাথ গ্ৰহণ কৰিছিল, জানানে ? তদুপৰি গুণাভিৰাম বৰুৱাই অসমীয়া পুৰণি কবিতাৰ নিৰ্বাচিত সংকলন এটাও সংকলন-সম্পাদনা কৰিছিল। *কাব্য-কুসুম* নামৰ এই কাব্য সংকলনখন ১৮৮৪ চনত প্ৰকাশিত হৈছিল।

হেমচন্দ্ৰ বৰুৱাৰ দৰে গুণাভিৰাম বৰুৱায়ো পঢ়াশলীয়াপুথি ৰচনাত আগভাগ লৈছিল। আনন্দৰাম ঢেকিয়াল ফুকনে ৰচনা কৰা প্ৰথম পাঠ্যপুথি *অসমীয়া ল'ৰাৰ মিত্ৰ* (১৮৪৯) গুণাভিৰাম বৰুৱাই পিছত সংশোধন আৰু ন-কৈ সম্পাদনা কৰি প্ৰকাশ কৰে। ১৮৭৪ চনত প্ৰকাশিত *ল'ৰাপুথি,* ১৮৭৯ চনত প্ৰকাশিত *অসমীয়া ল'ৰাৰ ভূগোল* আদি পাঠ্যপুথিৰ জৰিয়তে অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস চকুত পৰে। তদুপৰি গুণাভিৰাম বৰুৱাৰ *পদাৰ্থবিদ্যা* নামৰ অইন পুথিৰ বিষয়েও তথ্য পুথি যায়।

১৮৪৬ চনত প্ৰকাশিত 'অৰুনোদই'ৰপৰা ১৯০৩ চনত প্ৰকাশিত 'বিজুলী' আলোচনীলৈকে গুণাভিৰাম বৰুৱাই আটাইকেইখন আলোচনীতে প্ৰবন্ধ ৰচনা কৰিছিল। নিজৰ দেশৰ প্ৰতি গভীৰ ভালপোৱা আৰু শ্ৰদ্ধা তথা সমাজক শুদ্ধ ৰূপত প্ৰতিষ্ঠা

কৰা -- এই দুটা প্ৰধান মন্ত্ৰ লৈয়ে গুণাভিৰাম বৰুৱাই 'অৰুনোদই', 'আসাম-বন্ধু', 'জোনাকী', 'বিজুলী'ত প্ৰবন্ধ, কবিতা আদি ৰচনা কৰিছিল।

**আত্মমূল্যায়ন - ১৩**

'ক' অংশৰ লগত 'খ' অংশ শুদ্ধকৈ মিলাই চোৱা --

| **'ক' অংশ** | **'খ' অংশ** |
|---|---|
| (১) গুণাভিৰামৰ ছদ্ম নাম | কাব্য-কুসুম |
| (২) গুণাভিৰামৰ সম্পাদিত পাঠ্যপুথি | আসাম-বন্ধু |
| (৩) গুণাভিৰামৰ সংকলিত কাব্যগ্ৰন্থ | অসমীয়া ল'ৰাৰ মিত্ৰ |
| (৪) গুণাভিৰামৰ সম্পাদিত আলোচনী | গুৰুদত্ত |

### ২.৩.২.৫ গুণাভিৰাম বৰুৱা সম্পাদিত 'আসাম-বন্ধু'ৰ অৰিহণা ঃ

গুণাভিৰাম বৰুৱাই আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল, সেই সম্পৰ্কে আগৰ অংশসমূহত তোমালোকে পঢ়ি আহিছা। নাটক, বুৰঞ্জী, জীৱনী, পঢ়াশলীয়া পুথি ৰচনাৰ যোগেদি অসমীয়া ভাষা-সাহিত্যলৈ যি দৰে আধুনিকতা বোৱাই আনিছিল, সেইদৰে তেওঁ সম্পাদনা কৰা 'আসাম-বন্ধু' আলোচনীয়েও অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

তোমালোকে ইতিমধ্যে পঢ়ি আহিছা যে, 'অৰুনোদই' অসমীয়া বাতৰি কাকত আৰু আলোচনীৰ পথ প্ৰদৰ্শক আছিল। 'অৰুনোদই' আৰু গুণাভিৰাম বৰুৱা সম্পাদিত 'আসাম-বন্ধু'ৰ মাজৰ সময়ছোৱাত (১৮৪৬ চনৰপৰা ১৮৮৫ চনলৈকে) মুঠ সাতখন কাকত প্ৰকাশ হৈছিল। সেই কেইখন হৈছে -- 'আসাম বিলাসিনী' (১৮৭১), 'আসাম মিহিৰ' (১৮৭২), 'আসাম দৰ্পণ' (১৮৭৪), 'চন্দ্ৰোদয়' (১৮৭৬) ; 'আসাম দীপক' (১৮৭৬), 'গোৱালপাৰা হিতসাধিনী' (১৮৭৬), 'আসাম নিউচ' (১৮৮২)। কিন্তু এই আটাইকেইখনেই আছিল সংবাদ পত্ৰ। সেই ফালৰপৰা গুণাভিৰাম বৰুৱা সম্পাদিত মাসিক পত্ৰ আসাম বন্ধু প্ৰথমখন পূৰ্ণাংগ অসমীয়া আলোচনী।

'আসাম-বন্ধু' আলোচনীখন ১৮৮৫ চনৰ জানুৱাৰী মাহৰপৰা প্ৰকাশ পাইছিল।

আলোচনীখনৰ সৰ্বমুঠ চৈধ্যটা সংখ্যা প্ৰকাশিত হৈছিল। ১৮৮৫ চনৰ সময়ছোৱাত মুঠ বাৰটা সংখ্যা আৰু ১৮৮৬ চনৰ জানুৱাৰীৰপৰা এপ্ৰিললৈকে মুঠা দুটা সংখ্যা প্ৰকাশ পাইছিল। আলোচনীখনে ভাষা-সাহিত্যৰ ক্ষেত্ৰত বিশেষ বৰঙণি যোগোৱাৰ উপৰিও জাতীয় চেতনা আৰু সাহিত্য চেতনা জাগ্ৰত কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। অসমত প্ৰকৃত অৰ্থত সাহিত্য চৰ্চা কৰিবলৈ এখন যথোপযুক্ত ক্ষেত্ৰ নিৰ্মাণ কৰি দিয়াত 'আসাম-বন্ধু'ৰ অৱদান অপৰিসীম।

'আসাম-বন্ধু'ৱে অসমীয়া ভাষা-সাহিত্যৰ বিভিন্ন দিশৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত পৃষ্ঠপোষকৰ ভূমিকা গ্ৰহণ কৰিছিল। সেইবোৰৰ ভিতৰত বিশেষকৈ বিজ্ঞান বিষয়ত গুৰুত্ব আৰোপ আসাম-বন্ধুৰ অন্যতম কৃতিত্ব। সাধাৰণ জ্ঞান-বিজ্ঞানমূলক ৰচনাৰ উপৰি পদাৰ্থ বিজ্ঞান সম্পৰ্কীয় ৰচনাৰ প্ৰকাশ 'আসাম-বন্ধু'ত দেখা পোৱা যায়। বিজ্ঞান আৰু বুৰঞ্জী বিষয়ক ৰচনাসমূহে আসাম-বন্ধুৰ গদ্যৰ নিদৰ্শন দাঙি ধৰে। ব্যংগ ৰচনাৰ প্ৰকাশৰ ক্ষেত্ৰতো আলোচনীখনে বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। সমাজ অধ্যয়নৰ দিশটোতো আলোচনীখনৰ ৰচনাৰ মাজত স্ত্ৰী শিক্ষাৰ পোষকতা লক্ষ্য কৰা যায়। তদুপৰি জনগোষ্ঠীয় অধ্যয়নৰ নিদৰ্শনো 'আসাম-বন্ধু'ত দেখা পোৱা যায়।

সাধাৰণ আৰু চিন্তামূলক ৰচনাৰ প্ৰকাশো আলোচনীখনত এটা মনকৰিবলগীয়া বৈশিষ্ট্য। যিকোনো বিষয়ৰ চিন্তা উদ্ৰেককাৰী ৰচনাৰ সংযোজনে নব্য শিক্ষিত অসমীয়া ৰ চিন্তাৰ প্ৰতিফলন ঘটাইছে। তদুপৰি অসমীয়া ভাষা সন্দৰ্ভত আসাম-বন্ধুত প্ৰণালীবদ্ধভাৱে আলোচনা আগবঢ়াইছে।

অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধিত 'আসাম-বন্ধু'ৰ আন এক অৱদানৰ বিষয়ে তোমালোকে জানি থোৱা। হেমচন্দ্ৰ বৰুৱাই সম্পাদনা কৰা 'আসাম নিউচ' কাকতৰ পাছতেই 'আসাম-বন্ধু'ৱে সাহিত্য সমালোচনাৰ আহি প্ৰতিষ্ঠা কৰে। অৰুনোদইত পুথিৰ দুই-এক সংবাদ প্ৰকাশ হৈছিল যদিও প্ৰকৃতাৰ্থত সমালোচনাৰ দৃষ্টিভংগী 'আসাম-বন্ধু'ৱে প্ৰতিষ্ঠা কৰে। এইক্ষেত্ৰত ল'ৰাবোধ, প্ৰাকৃত ভূগোল, গীত গোবিন্দ আদিৰ সমালোচনা প্ৰণিধানযোগ্য। পুৰণি সাহিত্য আলোচনাৰ ক্ষেত্ৰতো 'আসাম-বন্ধু'ৱে বিশেষ মাত্ৰা গ্ৰহণ কৰিছিল।

আমি আলোচনা কৰি অহা বিজ্ঞান, বুৰঞ্জী, প্ৰবন্ধ, পুথি, সমালোচনা আদি দিশসমূহৰ উপৰিও সৃষ্টিশীল সাহিত্য ৰচনাৰ ক্ষেত্ৰতো 'আসাম-বন্ধু'ৰ উল্লেখযোগ্য অৱদানৰ বিষয়ে তোমালোকে আলোচনা কৰিব পাৰিবা। তোমালোকে এইক্ষেত্ৰত গদ্য কাহিনী, কবিতা আৰু নাটকৰ বিশ্লেষণ আগবঢ়াব পাৰা। বিশেষকৈ গদ্য কাহিনীসমূহৰ

মাজত একোটা অৱস্থাৰ চিত্ৰণ, চৰিত্ৰ চিত্ৰণ, সংলাপ আৰু বিৱৰণৰ মাজত গল্প কোৱাৰ ৰীতিৰ সূচনা ঘটিছে। গুণাভিৰাম বৰুৱাৰ 'বিবাহ ৰহস্য' নাটখনো যে 'আসাম-বন্ধু'ত দুটা খণ্ড প্ৰকাশিত হৈছিল, সেই বিষয়ে তোমালোকে ২.৩.২.১ অংশত পঢ়ি আহিছা। কবিতাৰ ক্ষেত্ৰতো 'আসাম-বন্ধু'ৰ কবিতাৰ বিষয়বস্তুৱে সামৰি লৈছে দেশপ্ৰেম, ঈশ্বৰৰ বিশ্বাস, প্ৰকৃতি ভাৱনা, চিন্তামূলক, নাট্যধৰ্মী আৰু নিৰ্জীৱ বিষয়। সেইদিশৰপৰা অসমীয়া ৰোমাণ্টিক কবিতাই জোনাকী আলোচনীত লাভ কৰা ৰূপৰ পূৰ্ণতাৰ আৰম্ভণি ঘটিছে 'আসাম-বন্ধু'ৰ পৰা।

ভাষাৰ ব্যৱহাৰ দিশতো 'আসাম-বন্ধু'ত দুই-এক বৈশিষ্ট্য লক্ষ্য কৰা যায়। প্ৰধানভাৱে 'ই'-কাৰ আৰু 'ঈ'-কাৰৰ বাধাহীন ব্যৱহাৰ ; 'ই'ৰ ঠাইত 'য়'ৰ ব্যৱহাৰ (যেনে - 'ময়'< মই), ঐকাৰৰ সলনি 'ই'ৰ ব্যৱহাৰ (হইছে, গইছে) আদি মন কৰা যায়। তদুপৰি কামৰূপী কথিত ভাষাৰ নিদৰ্শনো আলোচনীখনত লক্ষ্য কৰা যায়।

আলোচনীখনে ঊনবিংশ শতিকাৰ এছোৱা সময়ৰ অসমৰ ভাষা-সাহিত্য, সমাজ-সংস্কৃতিৰ বিভিন্ন দিশক প্ৰতিনিধিত্ব কৰিছে। এই আলোচনাৰপৰা তোমালোকে নিশ্চয় অৰুনোদইত আৰম্ভ হোৱা অসমীয়া ভাষা-সাহিত্যৰ আধুনিক স্তৰৰ পৰম্পৰাৰ বাহক হিচাপে আসাম-বন্ধুৰ অৱদান আলোচনা কৰিব পাৰিবা।

**আত্মমূল্যায়ন - ১৪**

(ক) পূৰ্ণাংগ ৰূপত প্ৰকাশ পোৱা অসমীয়া মাহেকীয়া আলোচনীখনৰ নাম লিখা।

..............................................................................................

..............................................................................................

(খ) আসাম-বন্ধুত প্ৰকাশ পোৱা নাটকখনৰ নাম হৈছে ---

(১) বিবাহ ৰহস্য

(২) বিধবা বিবাহ

(৩) ৰাম-নৱমী নাট

(৪) কানীয়াৰ কীৰ্ত্তন

## ২.৪ হেমচন্দ্ৰ-গুণাভিৰামৰ সাহিত্য ৰাজিৰ সামগ্ৰিক মূল্যায়ন ঃ

তোমালোকে ইতিমধ্যে ২.২. আৰু ২.৩ অংশত ক্ৰমে হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ জীৱন আৰু সাহিত্য কৰ্ম সম্পৰ্কে জ্ঞান আহৰণ কৰিলা। আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত দুয়োগৰাকী বৰেণ্য সাহিত্য সাধকে পালন কৰা দায়িত্ব আৰু ভূমিকাই তোমালোকক উৎসাহিত কৰা নাইনে ? অনেক সমস্যা আৰু বাধা-নিষেধৰ মাজতো অসমীয়া ভাষা আৰু সাহিত্যক প্ৰতিষ্ঠা কৰিবলৈ দুয়োজনেই কুণ্ঠাবোধ কৰা নাছিল। সেই বিষয়ে তোমালোকে পূৰ্বৱতী অংশসমূহত পঢ়ি আহিছা। দুয়োজন সাহিত্য সাধকৰ বিষয়ে তোমালোকে পঢ়াৰ পাছত বাৰু কি সিদ্ধান্তত উপনীয় হ'ব পাৰিছা ? হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা দুয়োগৰাকীয়েই একেটা সময়ৰ লেখক আৰু সমাজ সংস্কাৰক। সাহিত্য ৰচনাৰ যোগেদি যে সমাজ সংশোধন কৰিব পাৰি -- সেই সম্পৰ্কে তেওঁলোক দুয়োজনৰে বিশ্বাস আছিল। আনকি অসমীয়া সমাজ আৰু সাহিত্যৰ ইতিহাসলৈ যদি তোমালোকে মন কৰা, তেতিয়া দেখিবা যে, শংকৰদেৱেও সাহিত্য ৰচনাৰ যোগেদি সমাজখনক এটা শুদ্ধ পথ দেখুৱাবলৈ যত্ন কৰিছিল। গতিকে হেমচন্দ্ৰ-গুণাভিৰামেও সমকালীন সমাজৰ দোষ-ত্ৰুটি, অন্যায়, অবিচাৰবোৰ সংশোধনৰ বাবে নাটক, ব্যংগৰচনাৰ সৃষ্টি কৰিছিল। একেদৰে ভাষা-সাহিত্যৰ দুৰ্যোগৰ সময়তো ব্যাকৰণ, অভিধান, পাঠ্যপুথিৰ ৰচনাৰে ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্যক নতুন ৰূপত উপস্থাপন কৰে। এই অংশত হেমচন্দ্ৰ বৰুৱা-গুণাভিৰাম বৰুৱাৰ সাহিত্যৰাজিৰ এটি সামগ্ৰিক মূল্যায়ন কৰা হৈছে।

তোমালোকে এটা কথা ইতিমধ্য লক্ষ্য কৰিছা যে, হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা দুয়োগৰাকীয়ে এজনে ভাষা আৰু আনজনে সাহিত্যক্ষেত্ৰক বিশেষভাৱে সমৃদ্ধ কৰিছে। হেমচন্দ্ৰ বৰুৱাৰ অসমীয়া ভাষাৰ প্ৰতিষ্ঠা আৰু প্ৰকৃত বৰ্ণবিন্যাস ৰীতিৰ প্ৰৱৰ্তনৰ ক্ষেত্ৰত আগভাগ লৈছিল। ব্যাকৰণ, অভিধান, পাঠ্যপুথি প্ৰণয়নৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ অৱদান যিদৰে মহত্বপূৰ্ণ, গুণাভিৰামৰ জীৱনী, নাটক, বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰতো মহত্বপূৰ্ণ ভূমিকা পৰিলক্ষিত হয়।

হেমচন্দ্ৰ বৰুৱাৰ আৰু গুণাভিৰাম বৰুৱা দুয়োগৰাকীয়ে স্বদেশ, স্বজাতি আৰু স্বভাষাৰ প্ৰতি দায়বদ্ধ আছিল। নিজৰ দেশক, মাতৃভাষাক অন্তৰৰপৰা ভালপোৱাৰ বাবেই দুয়োজন সাহিত্য সাধকে অনেক অৰিহণাৰে আধুনিক অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাত গুৰুত্ব প্ৰদান কৰে। একেধৰণেই সমসাময়িক সমাজখনৰ বিভিন্ন সমস্যাৱলীৰ

প্ৰতিও তেওঁলোক সচেতন আছিল। এই সমস্যাবোৰ কি কি আছিল তোমালোকে আগৰ অংশসমূহত পঢ়ি আহিছা। এতিয়া মনত পেলাই চোৱাচোন। এই যে আখৰ জোঁটনিৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা, পাঠ্যপুথিৰ অভাৱ, ভাষিক দুৰৱস্থা আদি সমস্যা দূৰ কৰিবৰ নিমিত্তে দুয়োজনেই প্ৰচেষ্টা গ্ৰহণ কৰিছিল। একেধৰণে সমসাময়িক সমাজখনকো কানি-বৰবিহ, ধৰ্মীয় ভণ্ডামি, বাল্যবিবাহ, বিধৱাৰ প্ৰতি চৰম অন্যায় আৰু অন্যান্য বহুতো সমস্যাই ভাৰাক্ৰান্ত কৰি তুলিছিল। এই সমস্যাবোৰৰ বিৰুদ্ধেও যে দুয়োজন লেখকে সৰৱ ভূমিকা গ্ৰহণ কৰিছিল -- সেই বিষয়ে তোমালোকে পঢ়ি আহিছা।

ঊনবিংশ শতিকাৰ শেহৰ সময়ছোৱাত দুয়োজন লেখকেই আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠাত যথোচিত প্ৰচেষ্টা গ্ৰহণ কৰিছিল। আধুনিক অসমীয়া ভাষা, গদ্য, সৃষ্টিশীল ৰচনা, ব্যংগাত্মক আৰু বুদ্ধিদীপ্ত হাস্যৰসাত্মক সাহিত্যৰ সৃষ্টিয়ে হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাক আধুনিক অসমীয়া ভাষা-সাহিত্যৰ ভেটি নিৰ্মাতা হিচাপে থিয় কৰালে।

**আত্মমূল্যায়ন - ১৫**

তলৰ মতসমূহ ভুল নে শুদ্ধ বিচাৰ কৰাঁ --

(ক) হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা দুয়োজনেই বিংশ শতিকাৰ শেষৰ পৰ্যায়ৰ সাহিত্য সাধক আছিল।

..........................................................................................

..........................................................................................

(খ) সমসাময়িক সমাজখনক সংশোধন কৰাও হেমচন্দ্ৰ-গুণাভিৰামৰ সাহিত্য সৃষ্টিৰ উদ্দেশ্যৰ ভিতৰুৱা আছিল।

..........................................................................................

..........................................................................................

(গ) হেমচন্দ্ৰ বৰুৱাই বিশেষকৈ সাহিত্য আৰু গুণাভিৰাম বৰুৱাই বিশেষভাৱে ভাষাৰ ক্ষেত্ৰত অৱদান আগবঢ়াইছে।

..........................................................................................

..........................................................................................

## ২.৫ সামৰণি ঃ

তোমালোকে 'আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠা ঃ হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ স্তৰ' শীৰ্ষক এই গোটটোত আধুনিক অসমীয়া ভাষা-সাহিত্যৰ সৃষ্টিত দুয়োজন লেখকে আগবঢ়োৱা অৰদানৰ বিষয়ে জানিলা। তেওঁলোক দুয়োজনৰ জীৱন আৰু সাহিত্য কৰ্মৰ বিষয়েও যথোচিত জ্ঞান অৰ্জন কৰিলা। এতিয়া আমি আহি গোটটোৰ শেষৰ অংশ পাইছোঁহি। তোমালোকে সমগ্ৰ গোটটো অধ্যয়ন কৰা পাছত তলত উল্লেখ কৰা সিদ্ধান্তসমূহ আলোচনা কৰিব পাৰিবা।

আধুনিক অসমীয়া ভাষাৰ প্ৰাণ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই যথোচিত ভূমিকা গ্ৰহণ কৰিছিল। ব্যাকৰণ, অভিধান, পাঠ্যপুথি কাকত আৰু আলোচনী সম্পাদনাৰ দ্বাৰা শুদ্ধ অসমীয়া ভাষাৰ নিৰ্মাণ আৰু প্ৰকৃত আখৰ জোঁটনিৰ গঠনত গুৰুত্ব দিছিল।

আধুনিক গদ্যশৈলীৰ সৃষ্টি হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ আন এক উল্লেখযোগ্য বৰঙনি। এইক্ষেত্ৰত গুণাভিৰাম বৰুৱাৰ *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত*ৰ গদ্যৰ নিদৰ্শন, *আসাম বুৰঞ্জী*, 'আসাম-বন্ধু'ৰ গদ্যৰ নিদৰ্শন আৰু হেমচন্দ্ৰ বৰুৱাৰ 'আসাম নিউচ' আদিৰ ভূমিকাই অসমীয়া গদ্যশৈলীক এটা সুস্থিৰ ৰূপ প্ৰদান কৰে। সুস্থিৰ ৰূপ বুলি এই কাৰণেই কোৱা হৈছে যে মিছনেৰীসকলে 'অৰুনোদই'ত আৰু তেওঁলোকৰ ৰচনাসমূহত ব্যৱহাৰ কৰা গদ্যৰীতি বহু পৰিমাণে আচহুৱা আছিল। সাধাৰণভাৱে অসমীয়া মানুহ এজনে যেনেধৰণে কথা কয় বা লিখে সেই কথাকোৱা আৰু লিখাৰ ধৰণৰপৰা 'মিছনেৰীসকলৰ লিখাৰ শৈলী বেলেগ আছিল। হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই আধুনিক গদ্যৰীতিৰ সেই আচহুৱা ঠাঁচবোৰ আঁতৰাই ব্যাকৰণসিদ্ধ আৰু নিভাঁজ কথিত অসমীয়া গদ্যৰীতি বা কথ্যশৈলী গঢ় দিয়ে।

সৃষ্টিশীল সাহিত্য ৰচনাতো দুয়োজন সাহিত্যিকৰে অৰদানৰ বিষয়ে তোমালোকে আগৰ অংশসমূহত পঢ়ি আহিছা। অসমীয়া নাটক, জীৱনীসাহিত্য, আত্মজীৱনীমূলক ৰচনাৰ উন্মেষ ঘটোৱাত গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ অৰদান অসমীয়া সাহিত্যত চিৰদিন থাকিব।

ব্যংগাত্মক আৰু বুদ্ধিদীপ্ত হাস্যৰসযুক্ত ৰচনাও দুয়োগৰাকী সাহিত্যিকৰ অবিস্মৰণীয় কৃতি। গুণাভিৰাম বৰুৱাৰ *কঠিন শব্দৰ ৰহস্য ব্যাখ্যা*, হেমচন্দ্ৰ বৰুৱাৰ *বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী* ৰচনাত আধুনিক অসমীয়া হাস্যৰসাত্মক আৰু ব্যংগ সাহিত্যৰ পৰিক্ৰমা সূচনা হয়।

ঠিক একেদৰে আলোচনী আৰু বাতৰি কাকতৰ সম্পাদক হিচাপেও হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই আধুনিক অসমীয়া ভাষা-সাহিত্যক প্ৰতিষ্ঠা কৰি থৈ গৈছে। পাশ্চাত্যৰ আধুনিক শিক্ষাৰে শিক্ষিত, উদাৰ সংস্কাৰবাদী মনোভাৱৰ হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই ঊনবিংশ শতিকাৰ অসমীয়া সমাজ আৰু আধুনিক অসমীয়া সাহিত্যক সুসন্নত ৰূপত প্ৰতিষ্ঠা কৰিলে।

**২.৬ সাৰাংশ ঃ**

- আধুনিক অসমীয়া ভাষা-সাহিত্যৰ অন্যতম প্ৰতিষ্ঠাতা হেমচন্দ্ৰ বৰুৱাৰ মূল্যবান অৱদান হৈছে -- *হেমকোষ*। ১৯০০ চনত প্ৰকাশিত *হেমকোষ*ৰ প্ৰথম সংস্কৰণত ২২,৩৪৬ টা শব্দ আছিল।
- *কানীয়াৰ কীৰ্ত্তন* হেমচন্দ্ৰ বৰুৱাৰ একমাত্ৰ নাট্যকৃতি। ই অসমীয়া আধুনিক নাট্য সাহিত্যৰ দ্বিতীয়খন নাটক।
- *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী* হেমচন্দ্ৰ বৰুৱাৰ ব্যংগাত্মক ৰচনাৰ নিদৰ্শন।
- 'জোনাকী'ত প্ৰকাশিত হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত' অসমীয়া আত্মজীৱনীমূলক সাহিত্যৰ প্ৰথম নিদৰ্শন।
- হেমচন্দ্ৰ বৰুৱাই 'অৰুনোদই'ত তিনিটা ছদ্মনামেৰে ৰচনা প্ৰকাশ কৰিছিল। সেইকেইটা হৈছে -- হ.চ., H. Chunder আৰু সোণাবঁচাদ।
- হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা 'আসাম নিউচ' দ্বিভাষিক সাপ্তাহিক কাকত আছিল। ১৮৮২ চনত প্ৰকাশ পোৱা কাকতখনে পোন প্ৰথমে বাতৰি কাকত শব্দটোৰ ব্যৱহাৰ কৰিছিল।

- গুণাভিৰাম বৰুৱাই ৰচনা কৰা *ৰাম-নৱমী নাট* প্ৰথম অসমীয়া আধুনিক নাটক। ১৮৫৭ চনত এই নাটকখন প্ৰকাশিত হোৱাৰ পূৰ্বে অৰুনোদইত প্ৰকাশিত হৈছিল।
- গুণাভিৰাম বৰুৱাই ৰচনা কৰা *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত* (১৮৮০) প্ৰথম অসমীয়া আধুনিক জীৱনী গ্ৰন্থ।
- গুণাভিৰাম বৰুৱাই গুৰুদত্ত ছদ্মনামেৰে বিজুলী আলোচনী কাব্য ৰচনা কৰিছিল। তদুপৰি *কাব্য-কুসুম* নামৰ প্ৰাচীন কবিতা সংকলন এখনো সম্পাদনা কৰিছিল।
- ১৮৮৫ চনৰ জানুৱাৰীৰপৰা প্ৰকাশিত 'আসাম-বন্ধু' গুণাভিৰাম বৰুৱা সম্পাদিত মাহেকীয়া আলোচনী। অসমীয়া আলোচনীৰ ইতিহাসত 'আসাম-বন্ধু' প্ৰথম পূৰ্ণাংগ মাহেকীয়া আলোচনী।
- 'আসাম-বন্ধু'ত সাধাৰণ আৰু চিন্তামূলক ৰচনাৰ প্ৰকাশো এটা মনকৰিবলগীয়া বৈশিষ্ট্য। সাহিত্য সমালোচনাৰ ক্ষেত্ৰতো 'আসাম-বন্ধু'ৰ অৱদান স্বীকাৰ্য।
- গদ্য কাহিনী, কবিতা আৰু নাটকৰ ক্ষেত্ৰতো 'আসাম-বন্ধু'ৰ অৱদান পৰিলক্ষিত হয়।
- হেমচন্দ্ৰ আৰু গুণাভিৰাম বৰুৱাই পাশ্চাত্য চিন্তাধাৰা আৰু আধুনিক শিক্ষাৰ প্ৰভাৱত নতুন মূল্যবোধৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল।

**প্ৰাসংগিক গ্ৰন্থ (ছাত্ৰ-ছাত্ৰীৰ বাবে)**

(১) সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং কোং, গুৱাহাটী

(২) মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৮৬

(৩) মহেশ্বৰ নেওগ (সংক.-সম্পা.) ঃ *অৰুনোদই* (পাতনি)
অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮৪

(৪) নগেন শইকীয়া (সংক.-সম্পা.) ঃ *আসাম-বন্ধু*
অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮৪

(৫) হেমচন্দ্ৰ বৰুৱা ঃ *হেমকোষ*
হেমকোষ প্ৰকাশন, গুৱাহাটী

(৬) শিৱনাথ বৰ্মণ (সম্পা.) ঃ *আধুনিকতাৰ অগ্ৰদূত পণ্ডিত হেমচন্দ্ৰ বৰুৱা*
ষ্টুডেণ্টছ ষ্ট'ৰচ, গুৱাহাটী, ১৯৯৬

(৭) বসন্ত কুমাৰ গোস্বামী (সম্পা.) ঃ *হেমকোষ স্মৰণ*
অসম সাহিত্য সভা, যোৰহাট, ২০০০

(৮) বীৰেন্দ্ৰ নাথ বৰুৱা (সম্পা.) ঃ *হেমকোষ আৰু অন্যান্য প্ৰসঙ্গ*
বুক হাউচ, গুৱাহাটী, ২০০০।

**আত্মমূল্যায়নৰ সম্ভাৱ্য উত্তৰসমূহ ঃ**

**আত্মমূল্যায়ন - ১**

(ক) ২.২ অংশ চোৱা। অৰুনোদইৰ প্ৰকাশ, পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ আৰু বংগদেশৰ সামাজিক সংস্কাৰৰ আন্দোলনৰ বিষয়ে পঢ়িবলৈ পাবা।

(খ) ২.২.১ অংশ চোৱা।

**আত্মমূল্যায়ন - ২**

(ক) উইলিয়াম ৰবিন্সনৰ A Grammar of the Assamese Language (১৮৩৯) আৰু নাথান ব্ৰাউনৰ Grammatical Notices of the Assamese Language (১৮৪৮)।

**আত্মমূল্যায়ন - ৩**

(ক) মাইল্‌ছ ব্ৰন্সনৰ এচমিয়া-ইংৰাজী অভিধান (১৮৬৭), হেমচন্দ্ৰ বৰুৱাৰ হেমকোষ (১৯০০), সংক্ষিপ্ত হেমকোষ আৰু পঢ়াশলীয়া অভিধান।

**আত্মমূল্যায়ন - ৪**

(ক) আদিপাঠৰ অন্তৰ্গত অসমীয়া ল'ৰাৰ আদিপাঠ আগছোৱা, মাজছোৱা আৰু শেহছোৱা, পাঠমালা।

**আত্মমূল্যায়ন - ৫**

(ক) পুৰণি অসমীয়া নাটকৰ বিষয়বস্তু বিভিন্ন ধৰ্মীয় গ্ৰন্থ, মহাভাৰত, ৰামায়ণ আদিৰপৰা গ্ৰহণ কৰিছিল, আধুনিক অসমীয়া নাটকৰ বিষয়বস্তু গ্ৰহণ কৰা হৈছিল সমাজৰ বিভিন্ন ঘটনাৱলীৰপৰা।

**আত্মমূল্যায়ন - ৬**

(ক) ২.২.২.৫ অংশ ছোৱা।

**আত্মমূল্যায়ন - ৭**

(ক) স্বাস্থ্য ৰক্ষা বা গা ভালে ৰখাৰ উপায়।

(খ) অৰুনোদইত লিখিবৰ বাবে হ.চ., H. Chunder আৰু সোণাৰচাঁদ নাম লৈছিল।

**আত্মমূল্যায়ন - ৮**

(ক) বৃহৎ নদীবান্ধৰ বিৰোধিতা কৰিছিল।

**আত্মমূল্যায়ন - ৯**

(ক) সম্পৰ্কীয় ভতিজাক আনন্দৰাম ঢেকিয়াল ফুকনে।

(খ) সপক্ষে।

**আত্মমূল্যায়ন - ১০**

(ক) উমেশ চন্দ্ৰ মিত্ৰৰ 'বিধৱা বিবাহ'।

**আত্মমূল্যায়ন - ১১**

(ক) গুণাভিৰাম বৰুৱাৰ আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত।

**আত্মমূল্যায়ন - ১২**

(ক) ৩। আসাম বুৰঞ্জী

**আত্মমূল্যায়ন - ১৩**

১। গুৰুদত্ত, ২। অসমীয়া ল'ৰাৰ মিত্ৰ, ৩। কাব্য কুসুম, ৪। আসাম-বন্ধু।

**আত্মমূল্যায়ন - ১৪**

(ক) আসাম-বন্ধু

(খ) ১। বিবাহ ৰহস্য।

**আত্মমূল্যায়ন - ১৫**

(ক) ভুল, (খ) শুদ্ধ, (গ) ভুল।

**অনুশীলনী ঃ**

*আত্মমূল্যায়নৰ প্ৰশ্নসমূহ শিক্ষাৰ্থীসকলে অনুশীলনত ব্যৱহাৰ কৰিব পাৰিব।

**চমু উত্তৰ দিয়া ঃ**

১। মিছনেৰীসকলে সৃষ্টি কৰা সাহিত্যতকৈ হেমচন্দ্ৰ-গুণাভিৰামৰ সাহিত্যই কি কি ক্ষেত্ৰত অধিক সৃষ্টিশীলতাৰ দাবী কৰিব পাৰে ?

২। হেমচন্দ্ৰ বৰুৱাই কাৰ অনুপ্ৰেৰণাত ইংৰাজী শিক্ষা লাভ কৰিছিল ?

৩। আধুনিক অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত কানীয়াৰ কীৰ্ত্তন আৰু ৰাম-নবমী নাটৰ স্থান কেনেধৰণৰ ?

৪। 'আসাম-বন্ধু'ৰ আগেয়ে অসমত কি কি কাকত আলোচনীৰ প্ৰচলন আছিল ?

৫।	হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই কোনকেইখন আলোচনীত বা কাকতত প্ৰবন্ধ, কবিতা আদি ৰচনা কৰিছিল ?

**ৰচনাধৰ্মী প্ৰশ্ন ঃ**

১।	আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠাত হেমচন্দ্ৰ বৰুৱাই কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছিল, লিখাঁ।

২।	অসমীয়া অভিধান আৰু ব্যাকৰণ প্ৰণয়নৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ অৱদানৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰাঁ।

৩।	হেমচন্দ্ৰ বৰুৱাৰ কানীয়াৰ কীৰ্ত্তনৰ মাজত প্ৰতিফলিত অসমীয়া সমাজখনৰ বিষয়ে চমুকৈ লিখাঁ।

৪।	আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত 'আসাম-নিউচ'ৰ ভূমিকাৰ বিষয়ে আলোচনা কৰাঁ।

৫।	আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত গুণাভিৰাম বৰুৱাই কি কি ক্ষেত্ৰত অৱদান আগবঢ়াইছিল -- আলোচনা কৰাঁ।

৬।	আধুনিক অসমীয়া নাটকৰ বিকাশত গুণাভিৰাম বৰুৱাৰ অৱদান সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ।

৭।	অসমীয়া ভাষা-সাহিত্যলৈ 'আসাম-বন্ধু'ৰ অৱদানৰ বিষয়ে এটি প্ৰবন্ধ লিখাঁ।

৮।	হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ সাহিত্য সৃষ্টিৰ নেপথ্যত কেনেধৰণৰ সামাজিক পটভূমি জড়িত হৈ আছে আলোচনা কৰাঁ।

৯।	আধুনিক অসমীয়া ব্যংগ সাহিত্যৰ সৃষ্টিত হেমচন্দ্ৰ-গুণাভিৰামৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰাঁ।

১০।	হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ সাহিত্যকৃতিৰ এটি সামগ্ৰিক বিশ্লেষণ আগবঢ়োৱা।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

গোস্বামী, বসন্ত কুমাৰ (সম্পা.) ঃ *হেমকোষ স্মৰণ* অসম সাহিত্য সভা, যোৰহাট, ২০০০

বৰ্মণ, শিৱনাথ ঃ *অসমীয়া জীৱনী অভিধান* বনলতা, গুৱাহাটী, ২০০৮

বৰ্মণ, শিৱনাথ (সম্পা.) ঃ *আধুনিকতাৰ অগ্ৰদূত পণ্ডিত হেমচন্দ্ৰ বৰুৱা*
ষ্টুডেণ্ট্ছ ষ্ট'ৰছ, গুৱাহাটী, ২০০০

বৰুৱা, বীৰেন্দ্ৰ নাথ (সম্পা.) ঃ *হেমকোষ আৰু অন্যান্য প্ৰসংগ*
বুক হাইভ, গুৱাহাটী, ২০০০

বৰুৱা, হেমচন্দ্ৰ ঃ *হেমকোষ*
হেমকোষ প্ৰকাশন, চতুৰ্থ তাঙৰণ, ২০০৭

বেজবৰুৱা, লক্ষ্মীনাথ ঃ *মোৰ জীৱন সোঁৱৰণ*
বনলতা, ডিব্ৰুগড়, ১৯৯৮

মজুমদাৰ, পৰমানন্দ ঃ *প্ৰবাদ প্ৰতিবাদ*
ষ্টুডেণ্ট্চ্ ষ্ট'ৰচ, গুৱাহাটী, ১৯৯৬

শইকীয়া, নগেন (সংক.-সম্পা.) ঃ *আসাম-বন্ধু*
অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮৪

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*
সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং কোং, গুৱাহাটী।

# গোট - ৩
# প্ৰাক্-ৰোমান্টিক স্তৰ

৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা

৩.২ প্ৰাক্-ৰোমান্টিক স্তৰৰ পটভূমি

৩.৩ ৰোমান্টিক স্তৰৰ সাহিত্য

৩.৩.১ প্ৰাক্-ৰোমান্টিক স্তৰৰ কবিতা

৩.৪ উপসংহাৰ

৩.৫ সাৰাংশ

প্ৰাসঙ্গিক গ্ৰন্থ (ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবৰ বাবে)

আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ

অনুশীলনী

সহায়ক গ্ৰন্থপঞ্জী

**৩.০ উদ্দেশ্য ঃ**

অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠা - প্ৰাক্-ৰোমান্টিক স্তৰ - এই গোটটি অধ্যয়ন কৰাৰ পাছত তোমালোকে -

- এই সময়ছোৱাৰ সাহিত্যৰ পটভূমি সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্যৰ সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- এই সময়ৰ লেখকসকলৰ পৰিচয় জানিব পাৰিবা।
- লেখকসকলৰ সাহিত্যিক বৈশিষ্ট্য সম্পৰ্কে বিচাৰ কৰিব পাৰিবা।

**৩.১ প্ৰস্তাৱনা ঃ**

তোমালোকে আগৰ গোটত - অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠাত মিচনেৰী যুগ, অৰুণোদই স্তৰ আৰু হেমচন্দ্ৰ-গুণাভিৰাম বৰুৱাৰ অৱদান সম্পৰ্কে জ্ঞান লাভ কৰিলা। এতিয়া এই গোটত আমি প্ৰাক্-ৰোমান্টিক স্তৰ সম্পৰ্কে আলোচনা কৰোঁ আহাঁ।

১৮৪৬ চনত প্ৰকাশ লাভ কৰা অৰুণোদই কাকতে অসমীয়া ভাষা-সাহিত্যলৈ নতুন পোহৰ কঢ়িয়াই আনিলে। বিভিন্ন সামাজিক সমস্যাৰ প্ৰতি সচেতন হৈ অসমীয়া শিক্ষিত ডেকাসকলেও অসমীয়া সাহিত্যৰ বিকাশত অৰিহণা যোগালে। বিশেষকৈ হেমচন্দ্ৰ-গুণাভিৰাম বৰুৱাৰ হাততে অসমীয়া ভাষা-সাহিত্যই বিকাশ লাভ কৰাৰ লগতে অসমীয়া গদ্যই নতুন ৰূপ লাভ কৰিলে। সেয়ে এই দুজনাৰ সাহিত্য সৃষ্টিৰ কালছোৱাক হেমচন্দ্ৰ-গুণাভিৰামৰ যুগ বুলি কোৱা হৈছে। এই বিষয়ে তোমালোকে আগৰ গোটত বহলভাৱে পঢ়িবলৈ পাইছা। বিশেষকৈ হেমচন্দ্ৰ-গুণাভিৰামৰ পাছত পৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদিত জোনাকী (১৮৮৯) আলোচনী প্ৰকাশলৈকে এই সময়ছোৱাক প্ৰাক্-ৰোমান্টিক স্তৰ বুলি কব পাৰি। কাৰণ অসমীয়া ৰোমান্টিক সাহিত্যৰ ভেঁটি জোনাকী যুগতহে প্ৰতিষ্ঠা হয়। সেয়ে জোনাকী যুগৰ আগৰ কালছোৱাক প্ৰাক্ ৰোমান্টিক স্তৰ বুলি অভিহিত কৰিব পাৰি। এই গোটটোত তোমালোকে ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্য আৰু বিভিন্ন লেখকৰ বিষয়ে চমুকৈ পঢ়িবলৈ পাবা।

### ৩.২ প্ৰাক্-ৰোমান্টিক স্তৰৰ পটভূমি ঃ

আধুনিক অসমীয়া সাহিত্যৰ সূচনা হোৱা *অৰুণোদই* কাকতখন অসমীয়া সাহিত্যৰ অন্যতম কীৰ্তি। এই কাকতে অসমীয়া ভাষা-সাহিত্যৰ বিকাশত প্ৰধান ভূমিকা গ্ৰহণ কৰিলে। বিভিন্ন বৈজ্ঞানিক আৱিষ্কাৰ, দেশ-বিদেশৰ বাতৰি অসমীয়া ৰাইজক দিছিল যদিও এই কাকতৰ প্ৰধান উদ্দেশ্য আছিল খ্ৰীষ্টধৰ্ম প্ৰচাৰ। সেয়ে ইয়াত প্ৰকাশ পোৱা সাহিত্যও আছিল উদ্দেশ্যধৰ্মী। ভাষা সমস্যাৰ বাহিৰে অসমৰ ৰাজনৈতিক, সামাজিক আদি বিভিন্ন সমস্যা অৰুণোদইত প্ৰকাশ পোৱা নাছিল। অসমীয়া জন-জীৱনৰ নিজস্ব পৰম্পৰা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ প্ৰতিফলনো অৰুণোদইত সীমিত ৰূপতহে দেখিবলৈ পোৱা গৈছিল। সেইসময়তে কলিকতালৈ গৈ ইংৰাজী শিক্ষাৰে শিক্ষিত বহুসংখ্যক অসমীয়া লোকৰ বাহিৰৰ জগতৰ লগত পৰিচয় ঘটে। এইসকল লোকে সমাজ-সংস্কাৰমূলক ধাৰণা আৰু জাতীয় সচেতনতাৰে অসমৰ বিভিন্ন সমস্যা সাহিত্যত প্ৰতিফলিত কৰিবলৈ ধৰে। এনে প্ৰচেষ্টাৰ ফলতেই লাহে লাহে অসমীয়া সাহিত্যত নতুন নতুন ধাৰাৰ সাহিত্য-কবিতা, নাটক আদি ৰচনা হবলৈ ধৰে।

**আত্মমূল্যায়ন - ১**

(ক) অসমীয়া ভাষা-সাহিত্যৰ বিকাশত অৰুণোদই কাকতৰ ভূমিকা আছেনে ?

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

### ৩.৩ প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্য ঃ

হেমচন্দ্ৰ-গুণাভিৰামৰ কালছোৱাতে ইংৰাজী শিক্ষাৰ পোহৰ পোৱা আৰু দুই চাৰিজন অসমীয়া ডেকাই ভাষা-জননীৰ সেৱাত আত্মনিয়োগ কৰিছিল। এফালে যেনেকৈ ইংৰাজী শিক্ষা আৰু সাহিত্যৰ লগত এওঁলোকৰ পৰিচয় ঘটিছিল, আনফালে তেওঁলোক বঙলা সাহিত্যৰ সংস্পৰ্শলৈও আহিছিল। অসমত বঙলা ভাষা প্ৰৱৰ্তনৰ

ফলতেই হওক নাইবা কলিকতাত উচ্চ শিক্ষা লাভ কৰিবলৈ যোৱাৰ ফলতেই হওক বঙলা সাহিত্য অধ্যয়ন কৰাৰ সুবিধা এওঁলোকে লাভ কৰিছিল। এই দুই প্ৰভাৱৰদ্বাৰা অনুপ্ৰাণিত হৈ শিক্ষিত ডেকাসকলে সৃষ্টিধৰ্মী সাহিত্য ৰচনা কৰিবলৈ প্ৰয়াস কৰে। ফলত কাব্য, খণ্ড-কবিতা, নাটক, উপন্যাস আদি সাহিত্যৰ বিবিধ দিশত এচাম লেখক ওলাই অহা পৰিলক্ষিত হয়।

১৮৭৭ চনত এ.কে গাৰ্ণীৰ কামিনীকান্ত নামৰ কাহিনী এটি প্ৰকাশ পায়। এই একে সময়তে এ.কে গাৰ্ণীৰ পত্নী শ্ৰীমতী গাৰ্ণীয়েও ইংৰাজ মহিলা শ্ৰীমতী মূলেনৰ বঙলা কাহিনী *ফুলমণি ও করুণা* অসমীয়ালৈ অনুবাদ কৰে। মিছনেৰীসকলে ৰচনা কৰা এই কাহিনী দুটাই অসমীয়া উপন্যাসৰ প্ৰথম প্ৰয়াস বুলি কব পাৰি। কিন্তু খ্ৰীষ্টীয়ান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য প্ৰত্যক্ষৰূপে প্ৰকাশ পোৱাত কাহিনী দুটা প্ৰকৃত উপন্যাসৰ শাৰীলৈ উঠিব নোৱাৰিলে। ইয়াৰ পিছত পদ্মাৱতী দেৱী ফুকননীৰ *সুধৰ্মাৰ উপাখ্যান* (১৮৮৪) আন এখন পুথি প্ৰকাশ পায়। এই কাহিনী প্ৰচাৰধৰ্মী নোহোৱাৰ কাৰণে আগৰ দুখনতকৈ অলপ উন্নত, কিন্তু প্ৰকৃত উপন্যাসৰ লক্ষণ ইয়াতো ফুটি নুঠিল। এই কাহিনীক উপন্যাসৰ বুৰবুৰণি বুলিহে ক'ব পাৰি।

সেইসময়ৰ নাটকলৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰধানকৈ পৌৰাণিক আৰু হাস্যৰসাত্মক নাটকৰ ৰচনা অধিক হৈছিল। হয়তো সমসাময়িক সমাজত ব্যঙ্গ বা হাস্য-ৰসাত্মক নাটকৰ সমল লেখকসকলে সহজে বিচাৰি পাইছিল বাবেই এনে নাটকৰ প্ৰতি লেখকৰ আগ্ৰহ বাঢ়িছিল আৰু এইবোৰ জনপ্ৰিয়ও হৈছিল। নাটৰ কাহিনীৰ ক্ষেত্ৰত পৌৰাণিক কাহিনীৰ প্ৰয়োগ সহজ আছিল। এইসময়তে গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী* (১৮৫৭) আৰু *বিবাহ-ৰহস্য* (১৮৮৬), হেমচন্দ্ৰ গোস্বামীৰ ধেমেলীয়া নাটক *কানীয়া-কীৰ্তন* (১৮৬১) নাটকেইখনে জন্ম লাভ কৰে। এই নাটবিলাকে পুৰণি ধাৰাৰ শংকৰদেৱ-মাধৱদেৱৰ অংকীয়া নাটৰ পৰা বহুখিনি আঁতৰি আহি আধুনিক নাটকৰ আৰম্ভ কৰে। গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী* নাটকখনে প্ৰথম অসমীয়া সামাজিক নাটকৰ সূচনা কৰে। নগাঁৱৰ ৰুদ্ৰৰাম বৰদলৈৰ *বঙ্গাল-বঙ্গালনী* (১৮৭১) নামৰ অন্য এখন আধুনিক সামাজিক নাটক এই সময়ছোৱাতে প্ৰকাশ পায়। ৰমাকান্ত চৌধুৰীৰে *সীতাহৰণ* নাট নামৰ এখন পৌৰাণিক নাটক ১৮৭৮ চনত প্ৰকাশ পায়। এইখনেই আধুনিক অসমীয়া সাহিত্যৰ প্ৰথম পৌৰাণিক নাটক।

প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্যত অসমীয়া জীৱনী সাহিত্যৰো উন্মেষ ঘটা দেখা যায়। গুণাভিৰাম বৰুৱাৰ *আনন্দৰাম ঢেকীয়াল ফুকনৰ জীৱন চৰিত* (১৮৮০) এখন বৰ্ণনাবহুল জীৱনী। কাব্যৰ ক্ষেত্ৰতো সেইদৰে নতুন বিষয়বস্তু আৰু আংগিকে অসমীয়া সাহিত্যত ভুমুকি মাৰিলে। নতুন চেতনাৰে অনুপ্ৰাণিত কবিসকলে অসমীয়া কাব্য জগতত আলোড়ন সৃষ্টি কৰিলে।

**আত্মমূল্যায়ন - ২**

ক) প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্যত বিশেষকৈ তিনিটা সাহিত্যৰ ধাৰাৰ আহি গ্ৰহণ কৰা দেখা যায় সেইকেইটা কি কি ?

................................................................................

................................................................................

................................................................................

................................................................................

### ৩.৩.১ প্ৰাক্-ৰোমান্টিক স্তৰৰ কবিতা ঃ

ঊনবিংশ শতিকাৰ আৰম্ভণিতে অসমৰ সমাজ-জীৱনলৈ যি অন্ধকাৰ নামি আহিল তাৰফলত অসমীয়া ভাষা-সাহিত্যৰ অৱস্থা শোচনীয় হৈ পৰিল। সেইসময়তে মিছনেৰীসকলৰ চেষ্টাত এঁকাজলি পোহৰ হৈ *অৰুণোদই* কাকতে ভুমুকি মাৰিলে। *অৰুণোদই* কাকততে সাহিত্যৰ বিভিন্ন শাখাসমূহৰ লগতে কবিতাৰো প্ৰকাশ ঘটে যদিও অধিকাংশ কবিতাই আছিল ধৰ্মমূলক। সেয়ে বিষয়বস্তু আৰু প্ৰকাশৰীতিৰ ফালৰপৰা *অৰুণোদই*ত প্ৰকাশিত বেছিভাগ কবিতাক ছন্দোবদ্ধ ৰচনা বা পদ্যহে বুলিব পাৰি, কিয়নো প্ৰায়বোৰ কবিতা আছিল বৰ্ণনা প্ৰধান আৰু সিবোৰত গীতিময়তাৰ অভাৱ দেখা গৈছিল। বিভিন্ন নীতিমূলক কবিতাও এই কাকতত প্ৰকাশ পায় যদিও কবিতাৰ প্ৰকৃত লক্ষণবোৰ এনে ৰচনাত দেখিবলৈ পোৱা নাযায়। প্ৰকৃতপক্ষে অসমীয়া কবিতাই প্ৰাক্-ৰোমান্টিক স্তৰতহে গঢ় লৈ উঠে। পৰৱৰ্তী স্তৰত নতুন নতুন বিষয়বস্তুৰে আৰু নতুন নতুন ৰূপেৰে অসমীয়া কবিতাই বিকাশৰ পথত আগবাঢ়ে। প্ৰাক্-ৰোমান্টিক স্তৰত কাব্যিক অৱদান আগবঢ়োৱা প্ৰধান কবিকেইজন

হৈছে - ৰমাকান্ত চৌধুৰী, ভোলানাথ দাস, কমলাকান্ত ভট্টাচাৰ্য আৰু ৰত্নেশ্বৰ মহন্ত। এইসকল কবিয়ে অসমীয়া কবিতাৰ নানা দিশত নতুনত্ব আনিলে। অমিত্রাক্ষৰ ছন্দৰ প্রয়োগ, স্বদেশপ্রীতিৰ উন্মেষ আৰু জাতীয় চেতনাৰে এই সময়ৰ কবিতাই অসমীয়া কাব্য সাহিত্যক জিলিকাই তুলিলে। এইসকল কবিৰ পৰিচয়ৰ লগতে তেওঁলোকৰ সাহিত্যিক বৈশিষ্ট্যসমূহ আলোচনা কৰোঁ আহাঁ।

**ৰমাকান্ত চৌধুৰী (১৮৪৬-১৮৮৯)**

অসমীয়া কবিতাৰ জগতত এটি নমস্য নাম হ'ল - ৰমাকান্ত চৌধুৰী। পিতৃৰ নাম লক্ষ্মীকান্ত চৌধুৰী। গুৱাহাটীৰ পৰা এন্ট্রেঞ্চ পাছ কৰি গুৱাহাটী আৰু আন আন ঠাইত কাছাৰীত কেৰাণী কামত নিযুক্ত হয়। এওঁৰ প্রধান কীৰ্তি হ'ল - বঙ্গৰ কবি মাইকেল মধুসূদন দত্তৰ দৰে অমিত্রাক্ষৰ ছন্দৰ সুপ্রয়োগ। এই ছন্দেৰে তেওঁ *অভিমন্যু বধ* কাব্যখন ৰচনা কৰি ১৮৭৫ চনত প্রকাশ কৰে।

কাব্যখনিৰ কাহিনী বিন্যাসলৈ মন কৰিলে দেখা যায় যে কাব্যখনি তিনিটা সৰ্গত বিভক্ত হৈছে - অভিশাপ সৰ্গ, বলহাৰী সৰ্গ আৰু মিলন সৰ্গ। কাব্যখনত, দ্বিতীয় সৰ্গত বীৰৰস আৰু তৃতীয় সৰ্গত আদি বা শৃঙ্গাৰ ৰসে প্রাধান্য পাইছে।

অমিত্রাক্ষৰ ছন্দৰ আৰ্হিত তেওঁ কাব্য ৰচনা কৰিছিল যদিও তেওঁৰ কাব্যৰ আধুনিক ভাষাৰ মাজত বৈষ্ণৱ কাব্যৰ আৰ্হিও নিহিত হৈ আছে -

দশ দিন যুদ্ধ কৰি ভীষ্ম মহাবলী
যেতিয়া শুইলা বীৰে শৰ আসনত
মহাৰথী পাশুৱেও আনন্দ মনেৰে
বজাইলা ঢাক, ঢোল, শিংঙ্গা, কৰতাল
জগ ঝম্প, ভেৰি দবা আপুনি শ্রীহৰি
নিজ বাদ্য শঙ্খ লই, ফুৱায় বিজয়
ঘোৰ নাদে বুজুৱায় সকল শবদ
হৰষিলা পাণ্ডৱক। সাগৰ সমান
হাহাকাৰ ৰণ থলি, স্বামী নিধনত।

(অভিমন্যু বধ কাব্য)

তেওঁৰ কাব্যৰ অলংকাৰ প্রয়োগ সীমিত। সৰল প্রকৃতিৰ উপমা আদি

অলংকাৰৰ সহায়ত তেওঁ কিছুমান জীৱন্ত ছবি অংকন কৰিছে। মাইকেল মধুসূদন দত্তৰ *মেঘনাদ বধ* কাব্যৰ আৰ্হিত তেওঁ এই কাব্য ৰচনা কৰিছে যদিও মাইকেলৰ দৰে কঠিন শব্দৰ অত্যাধিক ব্যৱহাৰ কৰা নাই। ইয়াৰ সলনি তেওঁ সৰল আৰু মনোৰম ভাষা শৈলীৰ মাজত কথিত ৰূপৰ ভালেমান শব্দ ঠায়ে ঠায়ে সুমুৱাই দিছে। তাৰফলত ভাষাৰ গাম্ভীৰ্য কমিলেও সৌন্দৰ্য হ্ৰাস পোৱা নাই। ইয়াৰ মাজতে কবিজনাৰ মৌলিক প্ৰতিভাও ফুটি উঠিছে। যেনে -

আহিলা ৰজনীদেৱী মনোহাৰী বেশে
আগুৰিলা কুৰুক্ষেত্ৰ, আবৰিলা ধৰা
আঁতৰাই ৰশ্মিজাল আগুৰাণ দিয়া।
পিন্ধিলা ভালত ভাল ভেল্‌কি লগোৱা
চান্দ-সিন্দূৰৰ ফোটা। অপৰূপ ৰূপে
ৰূপৰ টোপেৰে তৰাবোল ভূষিলাহা
নীলবৰ্ণ আকাশক। বহিয়া মলয়া বাও
ধীৰে ধীৰে, দেহী-দেহ কৈলা সুশীতল।

(অভিমন্যু বধ কাব্য)

বঙ্গ কবিৰ কাব্য অনুকৰণৰ লগতে নিজৰ মৌলিক প্ৰতিভা সংযোজনেৰে ৰচনা কৰা ৰমাকান্ত চৌধুৰীৰ *অভিমন্যু বধ* অসমীয়া সাহিত্যত উল্লেখযোগ্য কাব্য। আনহাতে প্ৰকৃত ৰোমান্টিক সাহিত্যৰ বিকাশৰ আগমুহূৰ্তত বৈষ্ণৱ কাব্যৰ আদৰ্শৰ সৰোগত কৰি লিখা এই কাব্যখন অসমীয়া সাহিত্যজগতত সচাঁকৈয়ে লেখত ল'বলগীয়া।

**ভোলানাথ দাস (১৮৫৮-১৯২৯)**

এই সময়ৰে আন এজন কবি ভোলানাথ দাস। ৰমাকান্ত চৌধুৰীৰ দৰে দাসেও স্বচ্ছন্দ অমিত্ৰাক্ষৰেৰে ভৰা কবিতা ৰচনা কৰিছিল। নগাওঁ আৰু কলিকতাত শিক্ষা লাভ কৰাৰ পিছত চৰকাৰৰ শিক্ষা আৰু ভূমি বিভাগত চাকৰি কৰে। তেওঁ আছিল এজন প্ৰতিভাৱান কবি। মনোৰম কোমল শব্দৰে ভৰপূৰ গীতিময় সৌন্দৰ্যেৰে ওপচা দুই-এটা কবিতাই তেওঁৰ প্ৰতিভাৰ উমান দিয়ে। তেওঁৰ কবিতা পুথি-পাচঁখন। তাৰে দুখন *কবিতামালা* (দুটা খণ্ড), দুখন *চিন্তা-তৰঙ্গিনী* (দুটা খণ্ড) আৰু *সীতাহৰণ কাব্য*।

ভোলানাথ দাসৰ কবিতা মালাৰ প্ৰথম খণ্ডৰ প্ৰথম সংস্কৰণৰ কথা জনা নাযায়, কিন্তু প্ৰথম খণ্ডৰ তৃতীয় সংস্কৰণ প্ৰকাশ হয় ১৮৮৪ চনত আৰু দ্বিতীয় খণ্ড ১৮৮৩ চনত প্ৰকাশ হয়। দুয়োটা খণ্ডতে কুৰিটিকৈ কবিতা সন্নিৱিষ্ট আছে। *কবিতামালা* মূলতঃ শিশুৰ উপযোগী কৰি ৰচনা কৰা কাব্যপুথি। সেয়ে নীতিকথা, উপদেশেৰে পুথিখনি পৰিপূৰ্ণ। তদুপৰি পুথিখনিৰ প্ৰাকৃতিক বৰ্ণনাখিনিও অতি আকৰ্ষণীয়।

তেওঁৰ *চিন্তা-তৰঙ্গিনী* কবিতা পুথিখন ১৮৮৪ চনত প্ৰকাশ পায়। এই পুথিৰ প্ৰথম খণ্ডৰ মাজত থকা নানা ভাৱৰ ভিতৰত এটি লক্ষণ হৈছে - দেশপ্ৰেম আৰু পৰাধীন দেশৰ প্ৰতি সচেতন মনোভাৱ। তেওঁৰ কবিতাৰ মাজত সমাজ সচেতনতাৰ সুৰ ধ্বনিত হৈছে এইদৰে ---

থাকোঁতে তোসব, মোৰ হেৰ’ ভীৰুগণ!
শিৰত পাদুকাভাৰ, চৰণে শঙ্খল।
ক’তেবা সিদিনা হায় ক’তেবা ইদিন,
ক’ত স্বৰ্ণসিংহাসন ক’ত পদতম।

*চিন্তা-তৰঙ্গিনী*ৰ দ্বিতীয় খণ্ডত কবিৰ মনৰ কোমল অনুভূতিখিনি আৰু অলপ বেছিকৈ জীৱন্ত হৈ উঠিছে। দুই এটি কবিতাত স্বদেশ চেতনাৰ লক্ষণো দেখা যায় যদিও কোমল বৰ্ণনাযুক্ত কবিতাসমূহততে তেওঁৰ কবিপ্ৰাণ উজ্বলি উঠিছে। এনে এটি কোমল কবিতা হ’ল - ‘মেঘ’। কবিতাটিৰ মাজেৰে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই ধৰা দিছেহি। বিশাল আকাশত ভাঁহি ফুৰা শুকুলা মেঘৰ ৰূপ চাই কবিয়ে কৈছে -

কৃষ্ণবক্ষে জ্বলে যেন স্ফটিকৰ মণি
কিম্বাশ্যাম দুৰ্বাদলে যথা জলবিন্দু জ্বলে
ছায়াবৃত জলে যেন শোভে কমলিনী
বিস্তীৰ্ণ সমুদ্ৰে কিম্বা ধবল তৰণী।

এই মেঘেই যে কেতিয়াবা কৃষ্ণবৰ্ণ আৰু ভয়ংকৰ ৰূপ ধাৰণ কৰে সেই কথা কবিয়ে অনুভৱ কৰে। কিন্তু কবিৰ মানস পটত ভাঁহি প্ৰকৃতিৰ এই মনোৰম ৰূপক কবিয়ে কবিতাটিত সুন্দৰভাৱে অংকণ কৰিছে। সুন্দৰ উপমাই কবিতাটিক মনোমোহা কৰি তুলিছে।

ভোলানাথ দাসৰ অন্যতম কীৰ্তি-*সীতাহৰণ কাব্য* অসমীয়া সাহিত্যত লেখত লবলগীয়া। তেওঁ ছাত্ৰাৱস্থাত থাকোঁতে (১৮৭১-৮৩) লৈ *আসাম বিলাসিনী* কাকতত এই কাব্য প্ৰকাশ পায় আৰু ই পুথি আকাৰে ১৯০২ চনতহে প্ৰকাশ লাভ কৰে।

কাব্যখনি সাতোটা সৰ্গত বিভক্ত। কাব্যখনিৰ বৰ্ণনা ৰীতি জটিল আৰু অলংকাৰেৰে ভৰপূৰ। তেওঁৰ সন্মুখত আছিল সুখ্যাত কবি মাইকেল মধুসূদন দত্তৰ *মেঘনাদ বধ* কাব্যৰ আদৰ্শ আৰু প্ৰেৰণা। তদুপৰি তেওঁৰ আগতেই ৰচনা কৰি উলিওৱা ৰমাকান্ত চৌধুৰীৰ *অভিমন্যু বধ* কাব্যয়ো তেওঁৰ সন্মুখৰ পথ মুকলি কৰিছিল। ৰামায়ণৰ কাহিনীক আশ্ৰয় কৰি কাব্যখনিৰ শৰীৰ গঢ় লৈ উঠিছে। যদিও প্ৰচুৰ পৰিমানে কবিৰ কল্পনাৰো মিশ্ৰণ ঘটিছে।

ভোলানাথ দাসৰ ৰচনাৰ বৈশিষ্ট্য হ'ল - অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ। মাইকেল মধুসূদনৰ দৰে ভোলানাথ দাসৰ ভাষা শৈলী সুন্দৰ আৰু নিমজ নহয় যদিও এই ছন্দৰ অনুসৰণ কৰাটোৱেই তেওঁৰ ডাঙৰ কৃতিত্ব। তদুপৰি অসমীয়া কবিতাৰ আধুনিক যুগৰ দ্বিতীয় বৰ্ণানাত্মক কাব্য হিচাপেও এই কাব্য হিচাপেও এই কাব্য পুথিখনি আদৰণীয়। ভোলানাথ দাস সম্পৰ্কে ড০ মহেশ্বৰ নেওগে তেওঁৰ গ্ৰন্থ - অসমীয়া সাহিত্যৰ ৰূপৰেখাত কৈছে - অসমীয়া কাব্যলৈ এওঁৰ বৰঙণিৰ দুটা ঘাই বৈশিষ্ট্য অমিত্ৰাক্ষৰ ছন্দৰ প্ৰৱৰ্তন আৰু সবলভাৱে লিৰিক কবিতাৰ প্ৰচলন। কাব্যখনিৰ প্ৰাকৃতিক চিত্ৰ অংকণত কবিৰ মৌলিক প্ৰতিভাৰ সুন্দৰ প্ৰতিফলন ঘটিছে।

**কমলাকান্ত ভট্টাচাৰ্য (১৮৫৩-১৯৩৬)**

কমলাকান্ত ভট্টাচাৰ্যৰ জন্ম হয় তেজপুৰৰ নদুৱাৰত। দেউতাক বানেশ্বৰ ভট্টাচাৰ্য বৃটিছৰ ডাৰোগা আছিল। তেওঁ তেজপুৰ আৰু গুৱাহাটীত শিক্ষা গ্ৰহণ কৰি পিছত তেজপুৰ কাছাৰীত এটি চাকৰিত সোমায়। তেওঁৰ কাব্যিক জীৱনৰ উজ্বল চানেকি *চিন্তানল* (আগছোৱা) (১৮৯০), (শেষছোৱা) (১৮৯২) আৰু *চিন্তাতৰঙ্গ* (১৯৩৩) চনত প্ৰকাশ পোৱা উল্লেখযোগ্য কবিতা পুথি।

কমলাকান্ত ভট্টাচাৰ্যৰ কবিতাত খং আৰু বিদ্ৰোহৰ জুইকুৰা ইমানে বেছিকৈ জ্বলি আছিল যে তেওঁ ঘাইকৈ অগ্নিকবি বুলিহে জনাজাত। এওঁৰ ৰচনাৰ প্ৰধান বৈশিষ্ট্য হৈছে - তীব্ৰ স্বদেশপ্ৰেম। ভট্টাচাৰ্যৰ কবিতাত কবিসুলভ কোমলতাৰ ঠাইত দেশৰ মানুহক ধিক্কাৰ দিয়া কঠোৰ মনোবৃত্তি এটি ফুটি উঠা দেখা যায়। তেওঁ দেখিছে

আন দেশৰ তুলনাত আপোন দেশ কিমান পিছপৰা, অথচ অসমবাসী এতিয়াও অচেতন। সেয়ে তেওঁৰ কবিতাৰ প্ৰধান সুৰ আক্ষেপেৰে জৰ্জৰিত হৈ পৰিছে। নিজৰ দেশৰ লোকৰ প্ৰতি কৰা এনে আক্ষেপ তেওঁৰ কলমেৰে অগ্নিৰ দৰে বৰষিছে। কেৱল আক্ষেপ বা ক্ষোভ কবিয়ে কবি ক্ষান্ত থকা নাই, বৰঞ্চ অসমৰ উন্নতিৰ হকে কাম কৰিবলৈ, চিন্তা কৰিবলৈ তেওঁ দেশবাসীক আহ্বান জনাইছে। দেশৰ সভ্যতা, সংস্কৃতি, সমাজ, ধৰ্ম, শিক্ষা, সাহিত্য আদি সকলো বিষয়তে কবিগৰাকীৰ গভীৰ দৃষ্টি আছিল -

এই নে অসম নহয় শ্মশান
মনুষ্যত্বহীন যত নাৰী নৰ।
ঊনৈশ শতিকা সভ্য জগতত
কি বাবে সকলো ভিখাৰী পৰৰ

(পূৰ্ণিমা ৰাতিলৈ চাই)

তেওঁৰ অন্য এটি হৃদয় পৰশা কবিতা ‘পাহৰণি’ৰ মাজত কবিৰ হৃদয়ে যেন বিলাপ কৰি উঠিছে -

চিঞৰি মাতিছে শুনা ব্ৰহ্মপুত্ৰে
শিলনি ভৰাত নিৰলে বহি
বিলাপে ই নদে যেই দিন ধৰি
আৰ্যৰ গৌৰৱ পৰিল খহি।

তেওঁৰ চকুত পৰে জাতিভেদ আদি নানা কু-সংস্কাৰত এতিয়াও বুৰ গৈ আছে দুৰ্ভগীয়া দেশ। পৰাধীনতাৰ শিকলিত আবদ্ধ এই দেশৰ অন্ধকাৰৰ ভৱিষ্যতৰ কথা ভাবি তেওঁৰ প্ৰাণে কৈ উঠে -

নাই মিল কাৰো দুৰ্ম্মতি সন্তান
চৌষষ্টি পয়ষষ্টি বেলেগ জাত
ই হেন জাতিক হায় কোন দিনে
দিব একতাই সাদৰৰ মাত !

(পাহৰণি)

দেশ আৰু স্বজাতিৰ বাবে সেয়ে কবিজনাৰ কবিতাত ফুটি উঠিছে আক্ষেপৰ অগ্নি। কিন্তু এই অগ্নি স্বদেশপ্ৰেমৰ দেশৰ জনতাৰ প্ৰতি থকা আকুল আহ্বান।

**আত্মমূল্যায়ণ - ৩**

(ক) ৰমাকান্ত চৌধুৰী আৰু ভোলানাথ দাসৰ কাব্যৰ প্ৰধান বৈশিষ্ট্য কি?

........................................................................................................

........................................................................................................

(খ) বঙ্গলা সাহিত্যৰ আহিঁৰে কাব্য সৃষ্টি কৰা ৰমাকান্ত চৌধুৰীৰ নিজস্ব মৌলিক প্ৰতিভাৰ সংযোজন আছিল নে ?

........................................................................................................

........................................................................................................

(গ) কমলাকান্ত ভট্টাচাৰ্যৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য কি ?

........................................................................................................

........................................................................................................

**ৰত্নেশ্বৰ মহন্ত (১৮৬৪-১৮৯৩)**

গুৱাহাটীত ৰত্নেশ্বৰ মহন্তৰ জন্ম হয়। গুৱাহাটীতে তেওঁ স্কুলীয়া শিক্ষা লাভ কৰে যদিও নগাঁৱৰ পৰাহে এন্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। আৰ্থিক অনাটনৰ বাবে তেওঁ উচ্চ শিক্ষা গ্ৰহণ কৰিব নোৱাৰিলে। অৱশেষত তেওঁ নগাঁৱৰ কাছাৰীত চাকৰি জীৱনৰ পাতনি মেলে।

ৰত্নেশ্বৰ মহন্তই আসাম বন্ধু, জোনাকী আৰু বিজুলী আদি কাকতত বহুতো প্ৰবন্ধ লিখিছিল। এগৰাকী প্ৰবন্ধকাৰ, নাট্যকাৰ্ হোৱাৰ উপৰিও তেওঁ আছিল এগৰাকী কবি। দুটা খণ্ডত তেওঁ *কবিতাহাৰ* নামৰ এখন কবিতা পুথি লিখে।

*কবিতাহাৰ* আছিল ৰত্নেশ্বৰ মহন্তৰ কবিত্ব প্ৰতিভাৰ অপূৰ্ব চানেকি। তেওঁৰ স্তুতি, দুপৰ-নিশা, গাঁৱলীয়া বোৱাৰী, পত্নী-বিলাপ, সংসাৰ সুখ ঠাই আদি কবিতাই এক বিশেষ স্থান লাভ কৰিছে।

'গাঁৱলীয়া বোৱাৰী' কবিতাটোত তেওঁ গাঁৱৰ বোৱাৰীৰ অৱস্থা বৰ্ণনা কৰিছে। লগতে নিৰক্ষৰ গাঁৱৰ বোৱাৰীৰ শিক্ষাবিহীন জীৱনৰ অন্ধসংস্কাৰৰ কথাও উল্লেখ কৰি লিখিছে ---

গাৱঁলীয়া বোৱাৰীৰ অন্তৰ এন্ধাৰ,
শিক্ষাৰ পোহৰ নাই যত কুসংস্কাৰ,
কুসংস্কাৰে বশ হই,
শাহু আইৰ বাক্য লই,
সাংসাৰিক কাম কৰে এলাহ নকৰি,
কাৰ্য-ক্ষম নাই গাঁৱলীয়া সৰিবৰি!

বাস্তৱ সত্যৰ ওপৰত নিৰ্ভৰ কৰিয়েই তেওঁ কবিতাৰ বিষয়বস্তু গঢ়ি লয়। মন কৰিলে দেখা যায় যে কবিতাত তেওঁ অতি ঘৰুৱা ভাষাৰে একোটা বিষয় সুন্দৰভাৱে দাঙি ধৰে।

তোমালোকে এইকেইজন কবিৰ পৰিচয় লগতে তেওঁলোকৰ কাব্যিক প্ৰতিভাৰ সম্পৰ্কে জ্ঞান আহৰণ কৰিলা। এই প্ৰাক্-ৰোমান্টিক স্তৰৰ আৰু অন্য কেইজনমান কবিৰ বিষয়ে আলোচনা কৰোঁ আহাঁ ----

এই কালৰ এজন ভাল কবি আছিল বলদেৱ মহন্ত (১৮৫০-১৮৯৭)। তেওঁৰ কবিতাবোৰ আছিল ঘাইকৈ লৰা-ছোৱালীৰ বাবে লিখা কবিতা। সেয়ে তেওঁৰ কবিতাবোৰ কেতিয়াবা নীতিশিক্ষামূলক, কেতিয়াবা সৰল হাস্যৰসাত্মক আৰু কেতিয়াবা উপদেশমূলক। তেওঁৰ *উজুপাঠ* নামৰ কবিতাপুথি ১৮৭৪ চনত প্ৰকাশ হয়। তেওঁৰ কবিতাৰ সৌন্দৰ্য হ'ল - নিমজ আৰু সৰল ছন্দৰীতি। সাৱলীল কথনভংগীৰ মাজেৰে ওৰেজীৱন মনত ৰৈ যাব পৰা কবিতা তেওঁ ৰচনা কৰিছিল। --

সুখ নাই সুখ নাই কতো ধৰুৱাৰ,
অনুমাত্ৰ সুখ নাই চিৰ ৰুগীয়াৰ।
সুখ নাই যিটো সদা গোচৰত ফুৰে,
মাতৃৰ অসুখ যদি পুত্ৰ থাকে দুৰে।

(কাৰ সুখ নাই)

তেওঁৰ এনে সহজ-সৰল কবিতাবোৰে কিছুমান চিৰন্তন সত্যক নতুন ৰূপত সজাই তোলে। এনেকুৱা শুৱলা আৰু ঘৰুৱা ঠাঁচেৰে কবিতা ৰচনা কৰা কবি সাহিত্য জগতত বিৰল বুলি ক'ব পাৰি।

**আত্মমূল্যায়ন** - ৪

(ক) বলদেৱ মহন্তৰ কবিতাক কি কবিতা বুলি ক'ব পাৰি ? তেওঁৰ কবিতাৰ বৈশিষ্ট্য উল্লেখ কৰা ?

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

এই সময়ৰে আন এগৰাকী কবি হ'ল - পদ্মাৱতী দেৱী ফুকননী (১৮৫৩-১৯২৭)। সুধৰ্মাৰ উপাখ্যান নামৰ প্ৰথম অসমীয়া উপন্যাসৰ আদিতম ৰূপৰ বাবে খ্যাত লেখকগৰাকীৰ কবি মনৰো পৰিচয় পোৱা যায়। সহজ-সৰল প্ৰকাশভঙ্গী তেওঁৰ কবিতাৰ প্ৰধান সৌন্দৰ্য। ব্যক্তিগত কোমলতাৰ ওপৰত প্ৰতিষ্ঠিত কবি গৰাকীৰ কবিতা আছিল অলংকাৰ বিহীন। 'ফুলৰাণী' নামৰ কবিতাটিত তেওঁৰ মনোৰম ৰচনাশৈলীৰ পৰিচয় পোৱা যায় ---

চোৱাচোন সখী, মোক কেনে দেখি, ৰূপহী হৈছোনে মই
ফুলেৰেই সাজিছোঁ, কি ৰূপ ধৰিছোঁ, দেখিলে খাবানে ভয়
সুগন্ধি ফুলৰ গাঁথি চন্দ্ৰহাৰ হিয়াত পিন্ধিছো সখী
নৱৰত্নমালা গাঁথি যতনেৰে থৈছোঁ হাতত ৰাখি।
দহো আঙুলিত ফুলৰ আঙঠি পিন্ধিছো হেঁপাহত মই,
খোপাৰ ওপৰত মালতীৰ থোপা পৰিছে ভোমোৰায়

ব্যক্তিগত অনুভৱৰ কোমলতাই কবিতাটিক মনোৰম কৰি তুলিছে। 'প্ৰাৰ্থনা' নামৰ অন্য এটি কবিতাত তেওঁৰ সৰল প্ৰাণৰ ভগৱৎ বিশ্বাস ফুটি উঠা দেখা যায়।

অসমীয়া সাহিত্যলৈ তেতিয়াও প্ৰকাশ লাভ নকৰা ৰমন্যাসবাদৰ ৰেঙণি ফুকননীৰ কবিতাত দেখিবলৈ পোৱা যায়।

**৩.৪ উপসংহাৰ ঃ**

দেখা গল যে অসমীয়া সাহিত্যৰ এই প্ৰাক্-ৰোমান্টিক কালছোৱাৰ সাহিত্য কিছুমান স্বকীয় বৈশিষ্ট্যৰে ভৰা আছিল। এইকালৰ সাহিত্য যেনেকৈ নিৰ্মাণ হৈছিল ইংৰাজী সাহিত্য আৰু বঙ্গীয় সাহিত্যৰ আৰ্হিত, তেনেকৈ আছিল আপোন মাটিৰ শংকৰদেৱ - মাধৱদেৱৰ বৈষ্ণৱ সাহিত্যৰ আদৰ্শৰ অনুপ্ৰেৰণা। স্বদেশৰ ভাষা সাহিত্যৰ বিপৰ্যয়ৰ সময়ছোৱাতে ওলাই অহা এইসকল কবি সাহিত্যিকে নিজৰ মৌলিক প্ৰতিভাৰে অসমীয়া সাহিত্যক জীপাল কৰি তুলিলে। নতুন ৰচনাৰীতি, প্ৰকাশভঙ্গীয়ে সাহিত্যত প্ৰকাশ লাভ কৰিলে। কিন্তু এটা কথা স্বীকাৰ কৰিব লাগিব যে এইসকল সাহিত্যিকৰ সন্মুখত অসমীয়া প্ৰাচীন কবিসকলৰ ভক্তিমূলক সাহিত্যৰ বাহিৰে আন কোনো আধুনিক সাহিত্যৰ চানেকি নাছিল। তেনে ক্ষেত্ৰত এনে চানেকিৰ আৰ্হি গ্ৰহণ কৰি আৰু নিজস্ব প্ৰতিভাৰে এই সাহিত্যিকসকলে সৃষ্টি কৰিছিল নতুন প্ৰকাশৰীতি, বাট মুকলি কৰিছিল ৰোমান্টিক জাগৰণৰ বাবে। সেয়ে এইকালৰ সাহিত্য আৰু সাহিত্যিক উভয়ে আছিল অসমীয়া সাহিত্যৰ নতুন নতুন ভাৱ আৰু শৈলীৰ পথ পদৰ্শক। গতিকে প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্য আৰু সাহিত্যিকসকলৰ অৱদান বিশেষ গুৰুত্বপূৰ্ণ বুলি অনুভৱ কৰিব পাৰি।

**৩.৫ সাৰাংশ ঃ**

- প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্যৰ পটভূমি নিৰ্মাণ হৈছিল বিশেষকৈ অসমীয়া ভাষা-সাহিত্যৰ দুৰ্যোগে সৃষ্টি কৰা আত্ম পৰিচয়ৰ মনোভাৱ আৰু কলিকতালৈ উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ যোৱাৰ ফলস্বৰূপে।
- এই স্তৰৰ সাহিত্য আছিল বিশেষকৈ অলংকাৰপূৰ্ণ। অমিত্ৰাক্ষৰ ছন্দৰ জাগৰণ এই স্তৰৰ বিশেষত্ব।
- প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্য তিনিটি সাহিত্যৰ ধাৰাৰ আৰ্হিৰে গঢ় লৈ উঠিছে - ইংৰাজী সাহিত্য, বঙ্গীয় সাহিত্য আৰু শংকৰদেৱ - মাধৱদেৱৰ বৈষ্ণৱ আদৰ্শ।
- প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্যত ব্যঙ্গ-হাস্য সাহিত্যৰ ধাৰাও দেখিবলৈ পোৱা যায়।
- বিভিন্ন আধুনিক সাহিত্যৰ ধাৰা যেনে --- সামাজিক নাটক, নতুন আৰ্হিৰ পৌৰানিক নাটক, উপন্যাস, কবিতাৰ সৃষ্টিৰ পাতনি হৈছিল।
- প্ৰাক্-ৰোমান্টিক স্তৰৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য স্বদেশপ্ৰীতি।

**পঢ়িবলগীয়া পুথি ঃ**


নন্দ তালুকদাৰ ঃ **কবি আৰু কবিতা**
প্ৰকাশক - বনলতা, ডিব্ৰুগড়, তৃতীয় প্ৰকাশ, জুলাই, ১৯৯৫

নমিতা ডেকা ঃ **কবি আৰু কবিতা ; মধ্যযুগৰ পৰা সাম্প্ৰতিকলৈ,**
প্ৰকাশক - বাণী মন্দিৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ -২০০৭


**সহায়ক গ্ৰন্থপঞ্জী ঃ**


সত্যেন্দ্ৰনাথ শৰ্মা ঃ **অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,**
প্ৰকাশিকা- প্ৰতিমা দেৱী, ৰিহাবাৰী, গুৱাহাটী - ৮, পুনৰ মুদ্ৰন, ২০০০, আগষ্ট

মহেশ্বৰ নেওগ ঃ **অসমীয়া সাহিত্যৰ ৰূপৰেখা**
প্ৰকাশক- চন্দ্ৰ প্ৰকাশ, গুৱাহাটী -১, নৱম তাওৰণ, আগষ্ট, ২০০০

কৰবী ডেকা হাজৰিকা ঃ **অসমীয়া কবি আৰু কবিতা**
প্ৰকাশক-বনলতা, ডিব্ৰুগড়-১, দ্বিতীয় বনলতা সংস্কৰণ - ২০১১

অৰবিন্দ ৰাজখোৱা (সম্পা.) ঃ **অসমীয়া কাব্য পৰিক্ৰমা**
প্ৰকাশক - দত্ত প্ৰকাশন, লক্ষিমপুৰ, প্ৰথম প্ৰকাশ - আগষ্ট, ২০০৮


**আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ**

**আত্মমূল্যায়ন - ১**

(ক) আছে ।

**আত্মমূল্যায়ন - ২**

(ক) প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্যত বিশেষকৈ ইংৰাজ সাহিত্য, বঙ্গলা সাহিত্য আৰু শংকৰদেৱ মাধৱদেৱৰ বৈষ্ণৱ সাহিত্যৰ আৰ্হি গ্ৰহণ কৰা দেখা যায়।

**আত্মমূল্যায়ন - ৩**

(ক) ৰমাকান্ত চৌধুৰী আৰু ভোলানাথ দাসৰ কাব্যৰ প্ৰধান বৈশিষ্ট্য হৈছে - বঙ্গৰ কবি মাইকেল মধুসূদন দত্তৰ আহিঁৰে অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ।

(খ) আছিল।

(গ) কমলাকান্ত ভট্টাচাৰ্যৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য - স্বদেশপ্ৰেম।

**আত্মমূল্যায়ন - ৪**

(ক) বলদেৱ মহন্তৰ কবিতাক বিশেষকৈ লৰা কবিতা বুলি ক'ব পাৰি। নীতিশিক্ষামূলক, হাস্যৰসাত্মক আৰু উপদেশমূলক তেওঁৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য।

## অনুশীলনী ঃ

**চমু উত্তৰ দিয়া - (এটা বা দুটা শাৰীত)**

(ক) সূধৰ্মাৰ উপ্যাখ্যান কোনে লিখে ?

(খ) প্ৰথম অসমীয়া আধুনিক সামাজিক নাটক কোনখন ?

(গ) প্ৰথম আধুনিক পৌৰাণিক নাটকখনৰ নাম লিখা। সেইখন কোনে ৰচনা কৰিছিল ?

(ঘ) গুণাভিৰাম বৰুৱাই ৰচনা কৰা জীৱনীখনৰ নাম কি ?

(ঙ) সীতাহৰণ কাব্য কাৰ ৰচনা ?

(চ) কমলাকান্ত ভট্টাচাৰ্যক কি কবি নামেৰে জনাজাত ?

(ছ) উজুপাঠ কোনে ৰচনা কৰে ?

**প্ৰশ্ন (বৰ্ণনাধৰ্মী) ঃ**

(ক) প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্যৰ চমু আলোচনা কৰাঁ।

(খ) প্ৰাক্-ৰোমান্টিক স্তৰৰ সাহিত্যিকসকলৰ সাহিত্যকৃতি আলোচনা কৰাঁ।

(গ) কমলাকান্ত ভট্টাচাৰ্যৰ কবিতাত কেনে সুৰ শুনা যায় তেওঁৰ কবিতাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ।

(ঘ) ৰমাকান্ত চৌধুৰীৰ সাহিত্যিক বৈশিষ্ট্য নিৰূপন কৰাঁ।

**চমু টোকা লিখা ঃ**

(ক) ৰমাকান্ত চৌধুৰী

(খ) ভোলানাথ দাস

(গ) কমালাকান্ত ভট্টাচাৰ্য

(ঘ) পদ্মাৱতী দেৱী ফুকননী।

# খণ্ড - ৪
# জোনাকী যুগৰ সাহিত্য

**খণ্ড পৰিচয় ঃ**

এই কাকতখনৰ চতুৰ্থ খণ্ডটো হৈছে '**জোনাকী যুগৰ সাহিত্য**'। আলোচনাৰ সুবিধাৰ বাবে এই খণ্ডটি দুটা গোটত ভাগ কৰা হৈছে –

**গোট - ১ ঃ জোনাকী যুগৰ কবিতা, নাটক**

**গোট - ২ ঃ জোনাকী যুগৰ উপন্যাস, চুটিগল্প**

অৰুনোদই যুগত আধুনিক অসমীয়া সাহিত্যৰ ভেটি প্ৰতিষ্ঠা হৈছিল যদিও জোনাকী যুগতহে ই বিকাশ লাভ কৰে। ১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহত কলিকতাত শিক্ষা-গ্ৰহণ কৰিবলৈ যোৱা কেইজনমান ছাত্ৰৰ আশাশুধীয়া চেষ্টাত কলিকতাৰপৰা জোনাকী আলোচনী প্ৰকাশ পায়। জোনাকী আলোচনী প্ৰকাশৰপৰা আৱাহন আলোচনী প্ৰকাশলৈকে ১৮৮৯ চনৰপৰা ১৯২৯ চনলৈকে অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগ হিচাপে ধৰা হৈছে। অসমীয়া সাহিত্যৰ ইতিহাসক বিভিন্ন যুগত বিভাজন কৰোঁতে বিভিন্ন সময়ত প্ৰকাশ পোৱা আলোচনীসমূহৰ প্ৰকাশৰ সময়ক বিশেষ গুৰুত্ব দিয়া হৈছে। এই কথাৰপৰা বিভিন্ন সময়ত প্ৰকাশ পোৱা আলোচনীসমূহে অসমীয়া সাহিত্যৰ গতি প্ৰদানত বিশেষ ভূমিকা যে পালন কৰিছিল এই কথা নিশ্চয় বুজি পাইছা। একেদৰে জোনাকী যুগত জোনাকী আলোচনীয়ে ৰোমান্টিক কবিতা, চুটিগল্প, উপন্যাস, হাস্যৰসাত্মক নাটক, ছনেট কবিতা, সাহিত্য সমালোচনা আদি বিভিন্ন প্ৰকাৰৰ সাহিত্য সৃষ্টি কৰাত অৰিহণা যোগালে। এনেদৰে ন-ন প্ৰকাৰৰ সাহিত্য সৃষ্টিৰে জোনাকী যুগত অসমীয়া সাহিত্যৰ ভেটিটো টনকিয়াল হৈ উঠিল। আলোচ্য খণ্ডটোৰ প্ৰথম গোটত জোনাকী যুগৰ কবিতা, নাটক আৰু দ্বিতীয় গোটত 'উপন্যাস আৰু চুটিগল্পৰ বিষয়ে আলোচনা কৰা হৈছে।

# খণ্ড - ৪
# জোনাকী যুগৰ সাহিত্য

## গোট - ১ ঃ জোনাকী যুগৰ কবিতা, নাটক


১.০ উদ্দেশ্য

১.১ প্রস্তাৱনা

১.২ জোনাকী যুগৰ পটভূমি আৰু পৰিচয়

১.২.১ জোনাকী যুগৰ পৰিচয়

১.২.২ অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ গুৰুত্ব

১.৩ জোনাকী যুগ আৰু অসমীয়া কবিতা

১.৩.১ ৰোমান্টিক কবিতাৰ সাধাৰণ লক্ষণ

১.৩.২ অসমীয়া ৰোমান্টিক কবিতাৰ সাধাৰণ পৰিচয়

১.৩.৩ জোনাকী যুগৰ কবিসকল

১.৩.৩.১ চন্দ্ৰকুমাৰ আগৰৱালা আৰু তেওঁৰ কবিতা

১.৩.৩.২ লক্ষ্মীনাথ বেজবৰুৱা আৰু তেওঁৰ কবিতা

১.৩.৩.৩ হেমচন্দ্র গোস্বামী আৰু তেওঁৰ কবিতা

১.৩.৩.৪ জোনাকী যুগৰ অন্যান্য কবিসকল

১.৪ জোনাকী যুগ আৰু অসমীয়া নাটক

১.৪.১ জোনাকী যুগৰ অসমীয়া নাটকৰ চমু পৰিচয়

১.৪.২ জোনাকী যুগৰ অসমীয়া নাট্যকাৰ

১.৪.৩ জোনাকী যুগৰ অসমীয়া নাটকৰ বিশেষত্ব

১.৪.৪ জোনাকী যুগৰ অসমীয়া নাটকৰ বিভিন্ন ধাৰাসমূহ

১.৪.৪.১ পৌৰাণিক নাটক

১.৪.৪.২ ঐতিহাসিক নাটক

১.৪.৪.৩ সামাজিক নাটক

১.৪.৪.৪ হাস্যৰসাত্মক নাটক

১.৫ সামৰণি

১.৬ সাৰাংশ

আত্মমূল্যায়নৰ প্রশ্নোত্তৰ

প্রাসংগিক গ্রন্থ (ছাত্র-ছাত্রীয়ে পঢ়িবৰ বাবে)

অনুশীলনী

সহায়ক গ্রন্থ

**১.০ উদ্দেশ্য ঃ**

জোনাকী যুগৰ কবিতা, নাটক - এই গোটটো পঢ়াৰ পাছত তোমালোকে - -

- জোনাকী যুগৰ কবিতা আৰু নাটকৰ এটা পৰিচয় লাভ কৰিবা।
- অসমীয়া সাহিত্যৰ ইতিহাসত ৰোমান্টিক ভাবধাৰাৰ সূচনা জোনাকী যুগতে যে হৈছিল, তাৰ বিষয়ে অৱগত হ'ব।
- জোনাকী যুগৰ কবিতা আৰু নাটকে অসমীয়া সাহিত্যৰ গতি প্ৰদানত কেনে ভূমিকা পালন কৰিছিল, তাৰ ব্যাখ্যা আগবঢ়াব পাৰিবা।
- জোনাকী যুগৰ অসমীয়া নাটকৰ বিভিন্ন প্ৰকাৰ সমূহৰ বিষয়ে পৰিচিত হ'ব।
- জোনাকী যুগৰ কবি আৰু নাট্যকাৰসকলৰ লগত পৰিচিত হ'ব পাৰিবা।

**১.১ প্ৰস্তাৱনা ঃ**

তোমালোকে গোট - ৩-ত আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠা আৰু অৰুনোদই স্তৰ, হেমচন্দ্ৰ - গুণাভিৰামৰ স্তৰ আৰু প্ৰাক্-ৰোমান্টিক স্তৰৰ লগত পৰিচিত হ'লাঁ। এতিয়া তোমালোকে অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ আন এটা গুৰুত্বপূৰ্ণ যুগৰ বিষয়ে অৱগত হোৱাঁহঁক। এই যুগটো হৈছে -জোনাকী যুগ। গোট - ৩ ৰ জৰিয়তে তোমালোকে অৰুনোদই সম্বাদপত্ৰৰ যোগেদি অসমীয়া ভাষা-সাহিত্যত নতুন ভাবধাৰাৰ সূচনা হোৱাৰ কথা গম পাইছা। অৰুনোদই সম্বাদপত্ৰখনে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ ভেটিটো প্ৰতিষ্ঠা কৰিলে। তোমালোকে এটা কথা মনত ৰাখিবা যে অৰুনোদই যুগত আধুনিক অসমীয়া সাহিত্যৰ ভেটি প্ৰতিষ্ঠা হৈছিল যদিও জোনাকী যুগতহে ই বিকাশ লাভ কৰে। ১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহত কলিকতাত শিক্ষা-গ্ৰহণ কৰিবলৈ যোৱা কেইজনমান ছাত্ৰৰ আশাশুধীয়া চেষ্টাত কলিকতাৰপৰা জোনাকী আলোচনী প্ৰকাশ পায়। জোনাকী আলোচনী প্ৰকাশৰপৰা আৱাহন আলোচনী প্ৰকাশলৈকে ১৮৮৯ চনৰপৰা ১৯২৯ চনলৈকে অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগ হিচাপে ধৰা হৈছে। তোমালোকে এটা কথা লক্ষ্য কৰিবা যে অসমীয়া সাহিত্যৰ ইতিহাসক বিভিন্ন যুগত বিভাজন কৰোঁতে বিভিন্ন সময়ত প্ৰকাশ পোৱা আলোচনীসমূহৰ প্ৰকাশৰ সময়ক বিশেষ গুৰুত্ব দিয়া হৈছে। এই কথাৰপৰা বিভিন্ন সময়ত প্ৰকাশ পোৱা আলোচনীসমূহে অসমীয়া সাহিত্যৰ গতি প্ৰদানত বিশেষ ভূমিকা যে পালন কৰিছিল এই কথা নিশ্চয় বুজি পাইছা। একেদৰে জোনাকী

যুগত জোনাকী আলোচনীয়ে ৰোমান্টিক কবিতা, চুটিগল্প, উপন্যাস, হাস্যৰসাত্মক নাটক, ছনেট কবিতা, সাহিত্য সমালোচনা আদি বিভিন্ন প্ৰকাৰৰ সাহিত্য সৃষ্টি কৰাত অৰিহণা যোগালে। এনেদৰে ন-ন প্ৰকাৰৰ সাহিত্য সৃষ্টিৰে জোনাকী যুগত অসমীয়া সাহিত্যৰ ভেটিটো টনকিয়াল হৈ উঠিল। এই গোটটোত তোমালোকে জোনাকী যুগত ৰচিত হোৱা অসমীয়া কবিতা আৰু নাটকৰ বিষয়ে পঢ়িবলৈ পাবা।

## ১.২ জোনাকী যুগৰ পটভূমি আৰু পৰিচয় ঃ

অৰুনোদই সম্বাদপত্ৰৰ জৰিয়তে অসমীয়া সাহিত্যৰ জগতখনত যে আধুনিকতাৰ সূচনা হল, সেয়া তোমালোকে ইতিমধ্যে গম পাইছা। অৰুনোদই যুগে অসমৰ শৈক্ষিক ক্ষেত্ৰখনত এক সচেতনতাৰ সৃষ্টি কৰিলে। ১৮২৬ চনৰ ইয়াণ্ডাবু চুক্তি মতে অসম বৃটিছৰ অধীন হল। বৃটিছসকলে অসমত শিক্ষাৰ প্ৰসাৰত বিশেষ ভূমিকা ললে। এই কথাখিনিৰ লগত তোমালোক ইতিমধ্যে পৰিচিত হৈছাহঁক। অসমৰ উঠি অহা ডেকাচামে শিক্ষাগ্ৰহণ কৰিবলৈ কলিকতালৈ গল। কলিকতা সেই সময়ৰ উত্তৰ-পূব ভাৰতৰ শিক্ষাৰ কেন্দ্ৰস্বৰূপ আছিল। কলিকতালৈ শিক্ষাগ্ৰহণ কৰিবলৈ যোৱা ব্যক্তিসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, সত্যনাথ বৰা, পদ্মনাথ গোহাঞিবৰুৱা, ৰমাকান্ত বৰকাকতি, কনকলাল বৰুৱা আদি উল্লেখযোগ্য আছিল। এওঁলোকৰ চেষ্টাতে ১৮৮৮ চনত কলিকতাত অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা গঠন হয়। এই সভাৰ এখন মুখপত্ৰ উলিয়াবলৈও স্থিৰ কৰা হয়। এই সভাক চমুকৈ অ.ভা.উ.সা.সভা বুলি কোৱা হয়। অ.ভা.উ.সা. সভাৰ সদস্যসকলৰ চেষ্টাৰ ফলতে ১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহত চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত জোনাকী আলোচনীয়ে প্ৰকাশ লাভ কৰিলে, আৰু তাৰ লগে লগে অসমৰ সাহিত্যৰ ক্ষেত্ৰখনত এক নতুন দিগন্তৰ সূচনা হ'ল।

**আত্মমূল্যায়ন ঃ ১**

ক) কলিকতাত শিক্ষাগ্ৰহণ কৰিবলৈ যোৱা দুজন ব্যক্তিৰ নাম লিখাঁ।

..........................................................................................

..........................................................................................

..........................................................................................

খ) অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা কিমান চনত প্ৰতিষ্ঠা হৈছিল ?

..........................................................................................

..........................................................................................

..........................................................................................

### ১.২.১ জোনাকী যুগৰ পৰিচয় ঃ

১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহত কলিকতাৰপৰা জোনাকী আলোচনী যে প্ৰকাশ পাইছিল, সেয়া তোমালোকে ইতিমধ্যে গম পালাঁ। জোনাকী আলোচনীৰ প্ৰথমজন সম্পাদক আছিল চন্দ্ৰকুমাৰ আগৰৱালা। তোমালোকে এটা কথা মনত ৰাখিবা যে, জোনাকী আলোচনীত চন্দ্ৰকুমাৰ আগৰৱালাৰ নামটো চন্দ্ৰকুমাৰ গুপ্ত বুলিহে আছে। চন্দ্ৰকুমাৰ আগৰৱালাই সেই সময়ত নিজৰ নামটো চন্দ্ৰকুমাৰ গুপ্ত বুলিহে লিখিছিল। চন্দ্ৰকুমাৰ আগৰৱালাৰ পিছত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ৰমাকান্ত বৰকাকতি, কনকলাল বৰুৱা আদিয়ে জোনাকী আলোচনী সম্পাদনা কৰিছিল। ১৮৮৯ চনৰপৰা ১৮৯৮ চনলৈ, এই দহ বছৰত জোনাকীৰ প্ৰকাশ বন্ধ হৈ আছিল। ১৯০১ চনত সত্যনাথ বৰাৰ সম্পাদনাত গুৱাহাটীৰপৰা জোনাকীৰ পুনৰ প্ৰকাশ হয়। ১৯০৪ চনৰ পাছত জোনাকীৰ প্ৰকাশ বন্ধ পায়। জোনাকী আলোচনীত নতুন নতুন বিষয়ৰ সাহিত্য সৃষ্টিয়ে আধুনিক অসমীয়া সাহিত্যৰ ভেটিটো গজ গজীয়া কৰি তুলিলে। জোনাকী আলোচনীৰ প্ৰকাশৰ লগে লগে অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ আৰম্ভ হল। ১৯২৯ চনত প্ৰকাশ পোৱা আৱাহন আলোচনীৰ সময়লৈকে অৰ্থাৎ ১৮৮৯ চনৰপৰা ১৯২৯ চনলৈ-এই সময়ছোৱা অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগ নামেৰে অভিহিত কৰা হৈছে। এই কথাৰ সামান্য আভাস তোমালোকে প্ৰস্তাৱনাতে পাইছা।

**আত্মমূল্যায়ন ঃ ২**

ক) জোনাকী আলোচনী কিমান চনৰ কোন মাহত প্ৰকাশ পাইছিল ?

..........................................................................................

..........................................................................................

খ) জোনাকী আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল ?

..........................................................................................

..........................................................................................

গ) কিমান চনৰপৰা কিমান চনলৈ জোনাকী যুগ হিচাপে ধৰা হয় ?

..........................................................................................

..........................................................................................

জোনাকী যুগে অসমৰ সাহিত্যৰ ক্ষেত্ৰখনত নতুন যুগৰ সঞ্চাৰ কৰিলে। জোনাকী আলোচনীতে নতুন নতুন ভাবধাৰাৰ, নতুন নতুন ৰূপৰ সাহিত্যৰ সৃষ্টি হবলৈ ধৰিলে। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামী - এই তিনিজনে জোনাকী যুগৰ সাহিত্যৰ গতি প্ৰদানত বিশেষ ভূমিকা গ্ৰহণ কৰিলে। তোমালোকে মনত ৰখাটো ভাল যে, লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীক জোনাকী যুগৰ ত্ৰিমূৰ্তি বুলি কোৱা হয়। জোনাকী আলোচনীৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ এটা কবিতা প্ৰকাশ পায়। অসমীয়া সাহিত্যৰ ইতিহাসত 'বনকুঁৱৰী'য়েই প্ৰথমটো ৰোমান্টিক কবিতা। এই সংখ্যাটোতে লক্ষ্মীনাথ বেজবৰুৱাৰ 'লিটিকাই' নামৰ প্ৰহসন নাটকখন প্ৰকাশ পায়। ১৮৯০-৯১ চনত জোনাকী আলোচনীত লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদ্মকুমাৰী' নামেৰে এখন উপন্যাস ধাৰাবাহিকভাবে প্ৰকাশ পায়। ১৯০৫ চনত এইখন 'পদুম কুঁৱৰী' নামেৰে কিতাপ আকাৰত প্ৰকাশ পায়। জোনাকী আলোচনীতে অসমীয়া চুটিগল্পৰো সূচনা হয়। লক্ষ্মীনাথ বেজবৰুৱা আছিল অসমীয়া চুটিগল্পৰ জনক। শ্যেক্সপীয়েৰৰ নাটকৰ প্ৰথম অসমীয়া অনুবাদ 'ভ্ৰমৰঙ্গ' (মূল 'Comedy of Errors') নামৰ নাটকখনৰ সমালোচনা সত্যনাথ বৰাই জোনাকী আলোচনীতে কৰিছিল। এনেদৰে অসমীয়া সাহিত্যৰ জগতখনত জোনাকী আলোচনীখনে নতুন ভাব শক্তিৰ সূচনা কৰিলে, যাৰ ফলত অসমীয়া আদিৰ জগতত উপন্যাস, চুটিগল্প ৰোমান্টিক কবিতা, সমালোচনা সাহিত্য আদিৰ সূচনা ঘটিল। এইদৰে জোনাকী যুগত অসমীয়া সাহিত্যৰ ধাৰাটো প্ৰবল হৈ উঠিল।

তোমালোকে এটা কথালৈ লক্ষ্য ৰাখিবা যে, জোনাকী যুগত জোনাকী আলোচনীৰ লগতে আৰু কেইবাখনো আলোচনী প্ৰকাশ পাইছিল। এই আলোচনীবোৰৰ ভিতৰত *বিজুলী* (১৮৯০-৯২) *ঊষা* (১৯০৭-১৬), *বাঁহী* (১৯০৯-৩৩), *আলোচনী* (১৯১০-১৭), *চেতনা* (১৯১৯-২৬) আদি উল্লেখযোগ্য। জোনাকীকে আৰম্ভ কৰি এই আলোচনীবোৰে এদল নতুন সাহিত্যিকৰ সৃষ্টি কৰিলে। তোমালোকে বৰ্তমান সময়ত প্ৰকাশ পাই থকা বিভিন্ন অসমীয়া আলোচনীবোৰ নিশ্চয় দেখা পাইছা। দুই-এখন পঢ়িও চাইছা ছাগৈ। এই আলোচনীবোৰত নতুন নতুন সাহিত্যিকে লেখা-মেলা কৰা দেখিছা। একেদৰে জোনাকী যুগৰ বিভিন্ন আলোচনীবোৰে বিভিন্নজন ব্যক্তিক লেখা-মেলা কৰিবলৈ উৎসাহ যোগাইছিল। জোনাকী যুগত বহুতো সাহিত্যিকে

আত্মপ্ৰকাশ কৰিছিল। তাৰ ভিতৰত উল্লেখযোগ্য কেইজনমান সাহিত্যিক হ'ল লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৪-১৯৩৮), চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮), হেমচন্দ্ৰ গোস্বামী (১৮৭২-১৯২৮), পদ্মনাথ গোহাঞিবৰুৱা (১৮৭১-১৯৪৬), আনন্দচন্দ্ৰ আগৰৱালা (১৮৭৪-১৯৩৯), সত্যনাথ বৰা (১৮৬০-১৯৫২), চন্দ্ৰধৰ বৰুৱা (১৮৭৬-১৯৩৯), ৰঘুনাথ চৌধাৰী (১৮৭৯-১৯৬৮), অম্বিকাগিৰি ৰায়চৌধুৰী (১৮৮৫-১৯৬৭), ৰজনীকান্ত বৰদলৈ (১৮৬৭-১৯৩৯), শৰৎচন্দ্ৰ গোস্বামী (১৮৮৭-১৯৪৪), যতীন্দ্ৰনাথ দুৱৰা (১৮৯২-১৯৬৪), নলিনীবালা দেৱী (১৮৯৮-১৯৭৭), ধৰ্মেশ্বৰী দেৱী বৰুৱানী (১৮৯২-১৯৬০) আদি। ওপৰত উল্লেখ কৰা বহুকেইজন সাহিত্যিকে জোনাকী যুগৰ পিছলৈও সাহিত্য ৰচনা কাৰ্যত ব্ৰতী হৈ আছিল। জোনাকী যুগৰ পিছৰ আৱাহন যুগ, যুদ্ধোত্তৰ যুগ আদিবোৰতো এইসকল সাহিত্যিকৰ ভিতৰৰ কিছুমান সাহিত্যিকৰ বিষয়ে তোমালোকে পাবা।

**আত্মমূল্যায়ন ঃ ৩**

ক) জোনাকী যুগৰ ত্ৰিমূৰ্তি কোন ?

..........................................................................................

..........................................................................................

খ) প্ৰথম অসমীয়া ৰোমান্টিক কবিতা কোনটো ?

..........................................................................................

..........................................................................................

গ) জোনাকী যুগত প্ৰকাশ পোৱা দুখন আলোচনীৰ নাম লিখাঁ।

..........................................................................................

..........................................................................................

ঘ) জোনাকী যুগৰ তিনিজন উল্লেখযোগ্য সাহিত্যিকৰ নাম লিখাঁ।

..........................................................................................

..........................................................................................

### ১.২.২ অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ গুৰুত্ব ঃ

তোমালোকে ১.২.১ অংশত জোনাকী যুগৰ এটা চমু পৰিচয় লাভ কৰিলা। এই যুগত আত্মপ্ৰকাশ কৰা বিভিন্নজন সাহিত্যিক আৰু প্ৰকাশ পোৱা আলোচনীবোৰৰ বিষয়ে গম পালাঁ। এতিয়া তোমালোকৰ সৈতে অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰনো গুৰুত্ব কেনেধৰণৰ - সেই বিষয়ে আলোচনা কৰিম। জোনাকী যুগে অসমীয়া সাহিত্যৰ জগতখনত বিভিন্ন বিষয়ৰ সাহিত্যৰ সৃষ্টিত অৰিহণা যোগালে। নগেন শইকীয়াই একত্ৰ সংকলন কৰা জোনাকী ৰ ভূমিকাত জোনাকী আলোচনীখনৰ বিষয়ে এনেদৰে কৈছে -

"জোনাকী কেৱল এটি নাম নহয়, ই কেৱল এখন আলোচনীয়ে নহয়,
ই এটা যুগ, এটা আন্দোলন আৰু নিজেই ই এক ইতিহাস।"

এই বক্তব্যই জোনাকী আলোচনীৰ লগতে জোনাকী যুগৰো গুৰুত্ব প্ৰতীয়মান কৰে। অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ স্থান কেনেকুৱা সেয়া তোমালোকে ওপৰত উল্লেখ কৰা এই উক্তিৰ পৰাই ধৰিব পাৰিছা নিশ্চয়। অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ গুৰুত্বৰ বিষয়ে আমি তলত দিয়া ধৰণে বিচাৰ কৰি চাব পাৰোঁ -

- জোনাকী যুগত ৰোমান্টিক ভাবধাৰাৰ আত্মপ্ৰকাশে অসমীয়া কবিতাৰ জগতখনত নতুন ধাৰাৰ সূচনা কৰিলে। প্ৰকৃতিবিষয়ক, প্ৰেমবিষয়ক, মানৱতাবাদী, বেলাড, ছনেট, শোক কবিতা, ব্যংগ কবিতা আদি নতুন নতুন ধাৰাৰ কবিতা ৰচনা হ'বলৈ ধৰিলে।
- জোনাকী যুগত উপন্যাস, চুটিগল্প, সমালোচনা সাহিত্য আদিৰ আৰম্ভণিয়ে অসমীয়া গদ্য-সাহিত্যৰ ক্ষেত্ৰখনত নতুনত্বৰ সূচনা কৰিলে।
- জোনাকী যুগে অসমত সাহিত্যৰ জগতখনৰ প্ৰতি সচেতনতা আৰু অনুৰাগৰ সৃষ্টি কৰিলে।
- জোনাকী যুগত কমেডী (Comedy), ট্ৰেজেডী (Tragedy), প্ৰহসন (Farce) আদি পশ্চিমীয়া নাটকৰ আদৰ্শত অসমীয়া সাহিত্যটো নাটক ৰচনা হবলৈ ধৰিলে। এইবোৰে অসমীয়া নাটকৰ জগতখন বৈচিত্ৰ্যময় কৰি তুলিলে।
- জোনাকী যুগত প্ৰকাশ পোৱা আলোচনীসমূহে নতুন নতুন সাহিত্যিকক আত্মপ্ৰকাশ কৰিবলৈ এখন মঞ্চ তৈয়াৰ কৰি দিলে। জোনাকী যুগত আত্মপ্ৰকাশ কৰা এই সাহিত্যিকসকলে অসমীয়া সাহিত্যৰ পুষ্টি আৰু বিকাশত অৱদান যোগালে।

ওপৰত দিয়া দিশকেইটাৰপৰা অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ গুৰুত্বৰ বিষয়ে তোমালোকে নিশ্চয় বিচাৰ কৰি চাব পাৰিবা।

**আত্মমূল্যায়ন ঃ ৪**

ক) জোনাকী যুগৰ গুৰুত্বৰ দুটা দিশ উল্লেখ কৰাঁ।

.................................................................................................

.................................................................................................

খ) জোনাকী যুগত সৃষ্টি হোৱা দুবিধ গদ্য-সাহিত্যৰ নাম লিখাঁ।

.................................................................................................

.................................................................................................

## ১.৩ জোনাকী যুগ আৰু অসমীয়া কবিতা ঃ

অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ গুৰুত্বৰ বিষয়ে তোমালোকে ইতিমধ্যে বুজি উঠিছা। কলিকতাত শিক্ষাগ্ৰহণ কৰা যুৱকসকলে পশ্চিমীয়া সাহিত্যৰ লগত পৰিচিত হৈ অসমীয়া সাহিত্যত ৰোমান্টিক ভাবধাৰাৰ সূচনা কৰিলে। কবিতাৰ ক্ষেত্ৰখনত ৰোমান্টিক ভাবে বিশেষ স্থান দখল কৰিবলৈ সমৰ্থ হ'ল। কেৱল কবিতাতে নহয়, সাহিত্যৰ জগতখনত ৰোমান্টিক ভাবধাৰাই এনেভাবে বিস্তাৰ লাভ কৰিছিল যে, জোনাকী যুগক ৰোমান্টিক যুগ বুলিও অভিহিত কৰা হয়। তোমালোকে ৰোমান্টিক শব্দটো ৰমন্যাস, নৰন্যাস আদি বিভিন্ন নামেৰে কিতাপত পাবা। অসমীয়া সাহিত্যলৈ ৰোমান্টিক ভাবধাৰা পাশ্চাত্য সাহিত্যৰপৰা বাংলা সাহিত্যৰ জৰিয়তে আগমন ঘটিছিল। এই বিষয়ে অধিক জানিবলৈ তোমালোকে অসমীয়া সাহিত্যৰ ইতিহাস সম্পৰ্কীয় বিভিন্ন কিতাপ চাব পাৰাঁ।

**আত্মমূল্যায়ন ঃ ৫**

ক) জোনাকী যুগক আৰু কি নামেৰে অভিহিত কৰা হৈছে ?

..........................................................................................

..........................................................................................

খ) অসমীয়া সাহিত্যলৈ ৰোমান্টিক ভাবধাৰাৰ আগমন হিন্দী সাহিত্যৰ জৰিয়তে হৈছিল - শুদ্ধ নে ভুল কোৱাঁ।

..........................................................................................

..........................................................................................

*ড০ মহেন্দ্ৰ বৰাই ৰোমান্টিছিজিম (Romanticism) শব্দটোৰ অসমীয়া প্ৰতিশব্দ হিচাপে 'ৰমন্যাসিক' শব্দটো ব্যৱহাৰ কৰিছে।

**১.৩.১ ৰোমান্টিক কবিতাৰ সাধাৰণ লক্ষণ ঃ**

অসমীয়া সাহিত্য জগতত ৰোমান্টিক ভাবৰ সূচনা পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱত যে হৈছিল, সেই কথা তোমালোকে গম পালাঁ। এতিয়া তোমালোকৰ সৈতে ৰোমান্টিক কবিতাৰ লক্ষণনো কেনেকুৱা - সেই বিষয়ে আলোচনা কৰিম। পশ্চিমীয়া সাহিত্যৰ ক্ষেত্ৰখনত ফৰাচী বিপ্লৱ, ৰুচ বিপ্লৱ, শিল্প বিপ্লৱ আদি বিপ্লৱসমূহে নতুন চিন্তা-চৰ্চাৰ সূচনা ঘটোৱাত বিশেষ অৰিহণা যোগালে। যাৰ ফলত পুৰণি ধ্ৰুপদী (Classic) সাহিত্যৰ ঠাই ৰোমান্টিক সাহিত্যই অধিকাৰ কৰিলে। ধ্ৰুপদী সাহিত্য নিৰ্দিষ্ট ধৰা-বন্ধা ৰীতিৰ মাজত আবদ্ধ আছিল। আনহাতে ৰোমান্টিক সাহিত্য হল বন্ধনৰপৰা মুক্ত সাহিত্য। ধ্ৰুপদী সাহিত্যৰ ধৰা-বন্ধা গণ্ডীৰপৰা মুক্ত হৈ ৰোমান্টিক সাহিত্যই বিশাল আয়তন লাভ কৰিলে। ৰোমান্টিক দৃষ্টিভংগীক আমি মানুহৰ নিজস্ব ভাব-অনুভূতিৰ লগত জড়িত দৃষ্টিভংগী বুলি ক'ব পাৰোঁ। সাধাৰণভাৱে কবলৈ হলে যি কবিতাৰ জৰিয়তে জগত আৰু জীৱনৰ ভাব-চিন্তাক নিজস্ব অনুভূতিৰ মাজেৰে প্ৰকাশ কৰা হয়, সিয়েই ৰোমান্টিক কবিতা। ৰোমান্টিক কবিতাৰ লক্ষণসমূহনো কেনেকুৱা সেই বিষয়ে বিচাৰ কৰি চাওঁ আহাঁচোন -

■ **বন্ধনমুক্তি ঃ** ধ্রুপদী কবিতাৰ ধৰা-বন্ধা বান্ধোনৰপৰা মুক্ত হৈ ৰোমান্টিক কবিতাই আত্মপ্ৰকাশ কৰিলে। ৰোমান্টিক কবিসকলে নীতি-নিয়মৰ বান্ধোন পৰিহাৰ কৰি স্বকীয় প্ৰতিভাৰে কবিতা ৰচনা কৰিছিল।

■ **প্ৰকৃতিপ্ৰীতি ঃ** ৰোমান্টিক ভাবধাৰাই প্ৰকৃতিক এক সজীৱ সত্বা বুলিয়ে গণ্য কৰে। প্ৰকৃতিয়ে ৰোমান্টিক কবিতাত বিশেষ গুৰুত্ব লাভ কৰিবলৈ সমৰ্থ হল।

■ **অতীত প্ৰীতি ঃ** অতীতৰ প্ৰতি ৰোমান্টিক কবিতাৰ বিশেষ অনুৰাগ দেখা যায়।

■ **কল্পনা প্ৰৱণতা ঃ** ৰোমান্টিক কবিতাত কল্পনাৰ মুক্ত প্ৰকাশ আমি দেখিবলৈ পাওঁ। কল্পনাৰ জৰিয়তে পৰিচিক বস্তু এটাও অচিন-আচহুৱাৰূপে ৰোমান্টিক কবিতাত উপস্থাপিত হৈছিল।

■ **সৌন্দৰ্যপ্ৰিয়তা ঃ** ৰোমান্টিক কবিতাত পৃথিৱীৰ প্ৰতিটো বস্তুতে অনুপম সৌন্দৰ্যৰ সন্ধান কৰা দেখা যায়।

■ **মানৱতাবাদ ঃ** ৰোমান্টিক কবিতাত মানৱতাবাদে বিশেষ স্থান অধিকাৰ কৰিছে। ৰোমান্টিক কবিতাত মানুহক মানুহ হিচাপে অংকন কৰা হৈছে।

■ **গীতিধৰ্মিতা ঃ** ৰোমান্টিক কবিতাবোৰ প্ৰায়ে গীতিধৰ্মী। গীতিধৰ্মী হোৱাৰ বাবে ৰোমান্টিক কবিতাবোৰত লয়ৰ উপস্থিতি অনুভৱ হয়।

■ **অলৌকিকতা ঃ** ৰোমান্টিক কবিতাত ৰহস্যময় অলৌকিক উপাদানে স্থান পোৱা দেখা গৈছে। ভূত-প্ৰেত, পৰী, যখিনী আদি আলৌকিক বস্তুবোৰৰ বৰ্ণনাও ৰোমান্টিক কবিতাত পোৱা যায়।

■ **ছন্দৰ নতুনত্ব ঃ** ৰোমান্টিক কবিতাৰ ছন্দসজা ধ্ৰুপদী কবিতাৰ ছন্দসজাৰপৰা বেলেগ আছিল। অমিত্ৰাক্ষৰ ছন্দশৈলী ইয়াৰ নিদৰ্শন হিচাপে আমি ল'ব পাৰোঁ।

■ **ঘৰুৱা ভাষাৰ ব্যৱহাৰ ঃ** ঘৰুৱা সহজ-সৰল ভাষাৰে ৰোমান্টিক কবিতা ৰচিত হোৱা দেখা যায়।

ধ্ৰুপদী কবিতাৰ ধৰা-বন্ধা বান্ধোনৰপৰা মুক্তি পাবলৈকে ৰোমান্টিক কবিতাৰ সৃষ্টি হৈছিল। ওপৰত ৰোমান্টিক কবিতাৰ সাধাৰণ লক্ষণ কেইটামানৰহে উল্লেখ কৰা হৈছে। ৰোমান্টিক কবিতাৰ আৰু বহুতো লক্ষণ আছে। তোমালোকে এই বিষয়ে বিস্তৃতভাবে জানিবলৈ হ'লে ড০ মহেন্দ্ৰ বৰাৰ ৰমন্যাসবাদ আৰু ড০ বসন্ত কুমাৰ শৰ্মাৰ ৰমন্যাসবাদৰ পটভূমি কিতাপ দুখন পঢ়ি চাব পাৰাঁ।

**আত্মমূল্যায়ন ঃ ৬**

ক) ৰোমান্টিক কবিতা কাক বোলে ?

.............................................................................................................

.............................................................................................................

খ) ৰোমান্টিক কবিতাৰ দুটা লক্ষণ লিখাঁ।

.............................................................................................................

.............................................................................................................

## ১.৩.২ অসমীয়া ৰোমান্টিক কবিতাৰ সাধাৰণ পৰিচয় ঃ

ৰোমান্টিক কবিতাৰ লক্ষণসমূহৰ সৈতে তোমালোকে ১.৩.১ অংশত পৰিচিত হলাঁহঁক। অসমীয়া ৰোমান্টিক কবিতাৰ বিষয় তোমালোকৰ লগত এতিয়া কথা পাতিম। ১.২.১ অংশত তোমালোকে প্ৰথমটো অসমীয়া ৰোমান্টিক কবিতা বনকুঁৱৰীৰ বিষয়ে পাইছা। বনকুঁৱৰী কবিতাটোৰ কবি চন্দ্ৰকুমাৰ আগৰৱালা প্ৰথমজন অসমীয়া ৰোমান্টিক কবি। চন্দ্ৰকুমাৰ আগৰৱালাই আৰম্ভ কৰা ৰোমান্টিক কবিতাৰ ধাৰাটোৰ বিকাশ সাধনত জোনাকী যুগৰ আন কবিসকলে ইন্ধন যোগালে। এইসকল কবিৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, মফিজুদ্দিন আহমেদ হাজৰিকা, আনন্দ চন্দ্ৰ আগৰৱালা, হিতেশ্বৰ বৰুবৰুৱা, ৰঘুনাথ চৌধাৰী, পদ্মধৰ চলিহা, নলিনীবালা দেৱী আদি উল্লেখযোগ্য। আচলতে এইসকল সাহিত্যিকে জোনাকী যুগৰ অসমীয়া সাহিত্যৰ জগতখন টনকিয়াল হৈ উঠাত সহায় কৰিলে।

ৰোমান্টিক কবিতাৰ সাধাৰণ লক্ষণসমূহৰপৰা অসমীয়া ৰোমান্টিক কবিতাৰ লক্ষণ বেলেগ নহয়। তোমালোকে পাই অহা বন্ধনমুক্তি, প্ৰকৃতিপ্ৰীতি, অতীতপ্ৰীতি, সৌন্দৰ্যচেতনা, অলৌকিকতা, কল্পনা-প্ৰবনতা, গীতিময়তা আদি লক্ষণবোৰ অসমীয়া ৰোমান্টিক কবিতাতো বিদ্যমান। ৰোমান্টিক কবিতা হবলৈ হলে এই লক্ষণসমূহ থাকিবই লাগিব নহয় জানো অসমীয়া ৰোমান্টিক কবিতাসমূহ প্ৰধানভাবে গীতিধৰ্মী আছিল। তদুপৰি প্ৰকৃতি প্ৰীতি, স্বদেশৰ প্ৰতি অনুৰাগ, সৰল গাঁৱলীয়া জীৱনৰ চিত্ৰণ, মানৱ প্ৰেম আদি দিশবোৰে অসমীয়া ৰোমান্টিক  কবিতাক সমৃদ্ধশালী কৰি তুলিছে। নতুন নতুন ছন্দসজা আৰু বিষয়-বস্তুৰে কবিতা ৰচিত হ'বলৈ ধৰিলে। তাৰ ফলতেই ছনেট কবিতা আৰু বেলাডৰ সূচনা হ'ল। চন্দ্ৰকুমাৰ আগৰৱালাৰ বীণ-বৰাগী, মানৱ-

বন্দনা আদি কবিতাত মানৱতাবাদৰ সুৰ প্ৰকাশ পাইছে। তেনেদৰে লক্ষ্মীনাথ বেজবৰুৱাৰ অসম সঙ্গীত, বীণ-বৰাগী আদি কবিতাত অতীত প্ৰীতি আৰু স্বদেশৰ প্ৰতি অনুৰাগৰ ভাবে গুৰুত্ব পোৱা দেখিবলৈ পোৱা গৈছে। ৰঘুনাথ চৌধাৰীৰ কবিতাত গছ, ফুল, চৰাই, পৰ্বত আদিয়ে ঘাই স্থান দখল কৰিছে। প্ৰধানকৈ চৰাই বিষয়ক কবিতা ৰচনা কৰাৰ বাবে অসমীয়া সাহিত্যৰ ইতিহাসত ৰঘুনাথ চৌধাৰীক 'বিহগী কবি' বুলি কোৱা হৈছে। তোমালোকে এই কবিতাবোৰ পঢ়ি চালে এই কথাবোৰ ভালদৰে বুজি পাবা।

**আত্মমূল্যায়ন ঃ ৭**

ক) প্ৰথমজন অসমীয়া ৰোমান্টিক কবি কোন ?

..........................................................................

..........................................................................

খ) অসমীয়া দুজন ৰোমান্টিক কবিৰ নাম লিখাঁ।

..........................................................................

..........................................................................

গ) অসম সঙ্গীত কবিতাটোৰ কবি কোন ?

..........................................................................

..........................................................................

ঘ) বিহগী কবি কোন ?

..........................................................................

..........................................................................

### ১.৩.৩ জোনাকী যুগৰ কবিসকল ঃ

অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ গুৰুত্ব, জোনাকী যুগৰ সাহিত্য আৰু জোনাকী যুগৰ কবি সাহিত্যিকসকলৰ বিষয়ে তোমালোকৰ সৈতে এতিয়ালৈকে আলোচনা কৰিলোঁ। জোনাকী যুগৰ কেইজনমান উল্লেখনীয় কবিৰ কবিতাৰ বিষয়ে এতিয়া তোমালোকৰ সৈতে কথা পাতিম। জোনাকী যুগৰ উল্লেখনীয় কবি বুলিলে আমি কাৰ কথা কম বাৰু তোমালোকে ১.২.১ অংশত জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ বিষয়ে

গম পাইছিলা। জোনাকী যুগৰ উল্লেখনীয় কবি বুলি কলে স্বাভাৱিকতে এই ত্ৰিমূৰ্তিৰ কথা আহিব। তাৰ লগতে জোনাকী যুগৰ কবিতাৰ জগতখন সমৃদ্ধ কৰা বাকী কবিসকলকো আমি আলোচনাৰ ভিতৰলৈ আনিব লাগিব। এইসকল কবিৰ লগতো তোমালোকে অলপ-অচৰপ পৰিচিত হৈছিলা। এতিয়া, আহাঁচোন জোনাকী যুগৰ এই কবিসকলৰ কবিতাৰ বিষয়ে আমি কথা পাতোঁ।

**১.৩.৩.১ চন্দ্ৰকুমাৰ আগৰৱালা আৰু তেওঁৰ কবিতা ঃ**

অসমীয়া সাহিত্য-জগতৰ চন্দ্ৰকুমাৰ আগৰৱালা প্ৰথমজন ৰোমান্টিক কবি - এই কথা তোমালোকে গম পাইছা। চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া সাহিত্য-জগতত ৰোমান্টিক ভাৱধাৰাৰ আৰম্ভণি কৰিছিল। প্ৰকৃতি বন্দনা, মানৱপ্ৰেম, সৌন্দৰ্যৰ আৰাধনা, বিদ্ৰোহী মনোভাব আদি বিভিন্ন দিশে চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা সমৃদ্ধ কৰি তোলা আমি দেখিবলৈ পাওঁ। চন্দ্ৰকুমাৰ আগৰৱালাই প্ৰধানকৈ জোনাকী আৰু বাঁহী আলোচনীত কবিতা লেখিছিল। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাসমূহ *প্ৰতিমা* (১৯১৩) আৰু *বীণ-বৰাগী* (১৯২৩) - নামৰ কবিতা-পুথি দুখনত সংকলিত হৈছে। 'প্ৰতিমা' নামৰ কবিতা-পুথিখনত পঁচিশ (২৫)টা কবিতা আৰু 'বীণ-বৰাগী' নামৰ কবিতা-পুথিখনত বাৰ (১২)টা গীতি-কবিতা আছে। 'প্ৰতিমা' নামৰ কবিতা-পুথিখনৰ সম্পৰ্কত লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল যে - 'প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ'। এই কথাষাৰৰপৰাই চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ গুৰুত্ব আমি অনুধাৱন কৰিব পাৰোঁ। তোমালোকে এটা কথা মনত ৰাখিবা যে, চন্দ্ৰকুমাৰ আগৰৱালাক অসমৰ সাহিত্য-জগতত 'প্ৰতিমাৰ খনিকৰ' আখ্যা দিয়া হৈছে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰকৃতি-বিষয়ক কবিতাৰ ভিতৰত প্ৰকৃতি, পখিলা, ফুলা সৰিয়হ ডৰা, নিয়ৰ আদি কবিতা উল্লেখযোগ্য। এই কবিতাবোৰত কবিৰ প্ৰকৃতিৰ লগত একাত্মবোধ দেখিবলৈ পোৱা যায়। চন্দ্ৰকুমাৰ আগৰৱালাৰ মতে প্ৰকৃতি সুন্দৰ আৰু সুন্দৰৰ আৰাধনাই জীৱনৰ খেল। মাধুৰী, কিশোৰী, বনকুঁৱৰী আদি কবিতাত কবিয়ে সৌন্দৰ্যৰ আৰাধনা কৰিছে। চন্দ্ৰকুমাৰ আগৰৱালাৰ তেজীমলা কবিতাটোক মালিতা বা বেলাড বুলি কোৱা হয়। বেলাড বা মালিতা মানে কি - তোমালোকে জানা নিশ্চয়। বেলাড বা মালিতা হৈছে কাহিনী গীত। আমাৰ সমাজত মুখে মুখে কিছুমান গীতমাত চলি আহিছে। মুখে মুখে চলি অহা এই গীত-মাতবোৰক

আমি মৌখিক লোক সাহিত্য বুলি কওঁ। এই মৌখিত-লোক-সাহিত্যৰ ভিতৰৰে এটা ভাগ হ'ল বেলাড বা মালিতা। তেজীমলা নামৰ আমাৰ সমাজত প্ৰচলিত সাধুটো তোমালোকে ককা-আইতাৰ মুখত নিশ্চয় শুনিছা। সাধুটোৰ দৰে চন্দ্ৰকুমাৰ আগৰৱালাৰ তেজীমলা কবিতাটোত তেজীমলাৰ কাহিনী বৰ্ণিত হোৱা নাই। প্ৰকৃতিৰ মধুৰ পৰিবেশৰ মাজত কবিয়ে তেজীমলাক স্থান দিছে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত প্ৰধানভাবে ক্ৰিয়া কৰা দিশটো হৈছে - মানৱতাবাদ। মানুহক কবিয়ে দেৱতাৰ স্থানত উপস্থাপন কৰিছে। 'মানৱ-বন্দনা' কবিতাটোত কবিয়ে কৈছে -

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেউ,
কৰা কৰা পূজা পাদ্য অৰ্ঘ লই
জয় জয় মানৱ দেৱ।"

('মানৱ-বন্দনা', চন্দ্ৰকুমাৰ আগৰৱালা)

মানুহেই যে পৃথিৱীৰ মূল সম্পদ - এই ভাবটো 'মানৱ-বন্দনা' কবিতাটোত প্ৰকাশ পাইছে। 'বীণ-বৰাগী' কবিতাটোত নটা ছেদ আছে। এই কবিতাটোত কবিৰ বিদ্ৰোহী মনোভাবৰ উমান আমি পাওঁ। বিভিন্ন অন্যায়-বৈষম্যৰ জগতখন মষিমূৰ কৰি এখন নতুন জগত গঢ়াৰ কল্পনা কবিয়ে কৰিছে। তাৰ বাবে কবিয়ে প্ৰলয়ৰ কামনা কৰিছে -

আঙুলি বুলাব জনা হলে আজি
পেলালোঁহেঁতেন টানি,
হিমালয় চূড়া বুৰালোঁহেঁতেন
উছালি কলীয়া পানী।

('বীণ-বৰাগী' ; চন্দ্ৰকুমাৰ আগৰৱালা)

অতপৰে আমি চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাসমূহত দেখা পোৱা দিশ কিছুমানৰ বিষয়ে আলোচনা কৰিলোঁ। এই দিশবোৰৰপৰা আমি চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাক প্ৰধানভাবে চাৰিটা ভাগত ভগাব পাৰোঁ --

- প্ৰকৃতি-বিষয়ক কবিতা

- মানৱ-প্ৰেম-বিষয়ক কবিতা
- বিশ্বপ্ৰেম-বিষয়ক কবিতা
- সৌন্দৰ্যৰ আৰাধনা-বিষয়ক কবিতা

তোমালোকে সময় আৰু সুবিধা পালে চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাসমূহ পঢ়ি চাব পাৰাঁ। তেতিয়া এই দিশবোৰ ভালদৰে ধৰিব পাৰিবাঁ।

**আত্মমূল্যায়ন ঃ ৮**

ক) চন্দ্ৰকুমাৰ আগৰৱালাৰ দুখন কবিতা-পুথিৰ নাম লিখাঁ।

..........................................................................................

..........................................................................................

খ) প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ - কোনে কৈছিল ?

..........................................................................................

গ) প্ৰতিমাৰ খনিকৰ কোন ?

..........................................................................................

ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ দুটা দিশ লিখাঁ।

..........................................................................................

..........................................................................................

ঙ) বেলাড বা মালিতা মানে কি ?

..........................................................................................

..........................................................................................

### ১.৩.৩.১ লক্ষ্মীনাথ বেজবৰুৱা আৰু তেওঁৰ কবিতা ঃ

লক্ষ্মীনাথ বেজবৰুৱাক অসমীয়া সাহিত্য জগতত ৰসৰাজ আৰু সাহিত্যৰথী আখ্যাৰে বিভূষিত কৰা হৈছে। এই কথা তোমালোকে নিশ্চয় জানা। তেওঁ খুহুটীয়া ৰচনাৰ সেই সময়ৰ সমাজত চলি থকা সমাজৰ অনিষ্টকাৰী দিশসমূহ আৰু অসমীয়া মানুহৰ স্বভাৱ-চৰিত্ৰক ব্যংগ কৰিছিল। এই কামৰ জৰিয়তে তেওঁ সমাজক শুদ্ধ কৰি তুলিব বিচাৰিছিল। তেওঁ নাটক, উপন্যাস, চুটিগল্প, ব্যংগ ৰচনা, কবিতা, আত্মজীৱনী,

সাহিত্য-সমালোচনা আদি সাহিত্যৰ প্ৰায়বোৰ দিশতে হাত দিছিল। তোমালোকে এটা কথা মনত ৰাখিবা যে লক্ষ্মীনাথ বেজবৰুৱাই কৃপাবৰ বৰবৰুৱা ছদ্মনামত ব্যংগ সাহিত্যসমূহ ৰচনা কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ পিছৰ সময়ত অসমীয়া সাহিত্যত কৃপাবৰী-গদ্য নামেৰে গদ্য-সাহিত্যৰ এটি শৈলী গঢ় লৈ উঠে। কবিতা হয় যদি হওক, নহয় যদি নহওক বুলি ৰচনা কৰা বেজবৰুৱাৰ কবিতাসমূহ জোনাকী যুগৰ এক অমূল্য সম্পদ। 'জোনাকী', 'বাঁহী' আদি আলোচনীত প্ৰকাশিত কবিতাবোৰ 'কদমকলি' (১৯১৩) নামৰ কবিতা পুথিখনত সন্নিবিষ্ট কৰা হৈছে। 'পদুম কলি' নামেৰে কবিতা-পুথি এখন বেজবৰুৱাৰ মৃত্যুৰ পাছত প্ৰকাশ পাইছে। কদমকলি নামৰ কবিতা-পুথিখনত সৰ্বমুঠ একাশী (৮১)-টা কবিতা আছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাসমূহত বিভিন্ন বিষয়-বস্তু আৰু বিভিন্ন দিশ দেখিবলৈ পোৱা যায়। প্ৰেমৰ অনুভূতি, স্বদেশ প্ৰেমৰ অনুভূতি, প্ৰকৃতিপ্ৰীতি আদি দিশসমূহ দেখিবলৈ পোৱা যায়। ব্যংগ কবিতা কিছুমানো লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰিছিল। চালনী আৰু বেজী, বৃন্দা-চন্দ্ৰাৱলী সংবাদ আদি কবিতাত সেই সময়ত সমাজত প্ৰচলিত বিষয় কিছুমানৰ ব্যংগ কৰিছে। লক্ষ্মীনাথ বেজবৰুৱাৰ এই ব্যংগ কবিতাসমূহ পঢ়ি চালে তোমালোকে অসমীয়া কবিতাৰ নতুন সোৱাদ পাবলৈ সমৰ্থ হবাঁ। লক্ষ্মীনাথ বেজবৰুৱাৰ এই ব্যংগ কবিতাসমূহে অসমীয়া সাহিত্যক বিশেষভাবে সমৃদ্ধ কৰিছে।

স্বদেশ আৰু স্বজাতিৰ প্ৰতি তীব্ৰ অনুৰাগ লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত দেখিবলৈ পোৱা যায়। তোমালোকে অসমৰ জাতীয় সংগীতটোৰ বিষয়ে নিশ্চয় জানা। অ মোৰ আপোনাৰ দেশ - এই জাতীয় সংগীতটো লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰিছিল। অসমৰ জাতীয় সংগীতটোৰ মাজত জাতীয়বোধৰ ভাব কেনেদৰে নিহিত হৈ আছে, তোমালোকে নিশ্চয় গম পাইছা। বেজবৰুৱা স্বদেশ প্ৰেমৰ ভাব প্ৰকাশক বাকীবোৰ কবিতাতো এই ভাব প্ৰবল ৰূপতে দেখিবলৈ পোৱা যায়। 'বীণ-বৰাগী', 'অসম সঙ্গীত' আদি কবিতাসমূহ ইয়াৰ নিদৰ্শন। 'অসম-সঙ্গীত' কবিতাটোত অসমৰ অতীতৰ যশ-কীৰ্তিৰ কথা স্মৰণ কৰি অসমবাসীক জাগ্ৰত কৰি তুলিবলৈ বিচাৰিছে --

"আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম।
সকলো আছিল সকলো আছে, নুগুনো নলওঁ গম।"

('অসম সঙ্গীত', লক্ষ্মীনাথ বেজবৰুৱা)

প্ৰেমৰ অনুভূতি আৰু প্ৰকৃতিৰ বন্দনাও আমি লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত দেখিবলৈ পাওঁ। প্ৰেম যে গোটেই জগততে ব্যাপ্ত হৈ আছে, তাক অনুভৱ কৰি কবিয়ে কৈছে -

"প্ৰেমত ঘূৰিছে ভূমণ্ডল
প্ৰেমত ফুলিছে শতদল।"

('ৰেণুকা', লক্ষ্মীনাথ বেজবৰুৱা)

জোনাকী যুগত ৰচিত কবিতাসমূহৰ এটা ভাগ হৈছে, বেলাড বা মালিতা। লক্ষ্মীনাথ বেজবৰুৱাই ধনবৰ ৰতনী, ৰতনীৰ বেজাৰ, নিমাতী কইনা, তিলকা আদি মালিতা ৰচনা কৰিছিল। এই মালিতাসমূহতো পুৰণি ঐতিহ্যৰ সোঁৰৰণ আমি দেখিবলৈ পাওঁ।

ইমান সময়ে আমি লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাৰ দিশ কিছুমানৰ বিষয়ে কথা পাতিলোঁ। এই দিশসমূহৰপৰা আমি লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাক আমি তলত দিয়া ধৰণে ভগাব পাৰোঁ -

- প্ৰেমৰ কবিতা
- জাতীয় ভাবৰ কবিতা
- বেলাড
- খুহুটীয়া বা ব্যংগ কবিতা

লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাবোৰ পঢ়ি চালে তোমালোকে জোনাকী-যুগৰ কবিতাৰ বিষয়-বৈচিত্ৰ্যৰ বিষয়ে জানিব পাৰিবা।

**আত্মমূল্যায়ন ঃ ৯**

ক) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত প্ৰকাশিত দুটা দিশ উল্লেখ কৰাঁ।

..........................................................................................

..........................................................................................

খ) অসমৰ জাতীয় সংগীতটোৰ ৰচক কোন ?

..........................................................................................

..........................................................................................

গ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা এটা মালিতাৰ নাম লিখাঁ।

.....................................................................................................

.....................................................................................................

ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ ছদ্মনামটো কি ?

.....................................................................................................

.....................................................................................................

**১.৩.৩.৩ হেমচন্দ্ৰ গোস্বামী আৰু তেওঁৰ কবিতা ঃ**

অসমীয়া কবিতাৰ ক্ষেত্ৰখনত হেমচন্দ্ৰ গোস্বামীৰ বিশেষ স্থান ছনেট কবিতাৰ আৰম্ভণি কৰা কবি হিচাপে। জোনাকী যুগৰ কবিতাৰ দিশসমূহ হেমচন্দ্ৰ গোস্বামীৰ কবিতাতো আমি দেখিবলৈ পাওঁ। হেমচন্দ্ৰ গোস্বামীয়ে প্ৰধানকৈ 'আসাম-বন্ধু' আৰু 'জোনাকী' আলোচনীত কবিতা ৰচনা কৰিছিল। এই আলোচনীসমূহত প্ৰকাশ পোৱা কবিতাসমূহ 'ফুলৰ চাকি' নামৰ সংকলনখনত সন্নিবিষ্ট হৈছে। জোনাকীত প্ৰকাশ পোৱা 'প্ৰিয়তমাৰ চিঠি' নামৰ কবিতাটোৱেই অসমীয়া কবিতাৰ ইতিহাসৰ প্ৰথমটো ছনেট।

ছনেট (Sonnet) বা চতুৰ্দশপদী কবিতাৰ অসমীয়া সাহিত্যত জোনাকী যুগতে সূচনা ঘটিছিল। চৈধ্যটা শাৰী বা পদ আছে বাবেই এই শ্ৰেণীৰ কবিতাক ছনেট বা চতুৰ্দশপদী কবিতা বুলি কোৱা হৈছে। ছনেট কবিতাৰ আৰম্ভণি হৈছিল ইটালী দেশত পেট্ৰাকৰ হাতত। ভাৰতীয় সাহিত্যত বাংলা কবি মাইকেল মধুসূদন দত্তই পোন-প্ৰথমে ছনেট ৰচনা কৰে। মাইকেল মধুসূদন দত্তই 'চতুৰ্দশপদী কবিতা' নামেৰে নামাংকিত কৰে। এটা মাথোঁ ভাব বা কল্পনাক বিশেষ ছন্দৰীতিৰে চৈধ্যশৰীয়া কবিতাৰ মাজেৰে প্ৰকাশ কৰা হয়, তেতিয়া তাক ছনেট কবিতা বোলা হয়। ছনেট কবিতাত চৈধ্যটা শাৰী থাকে। ইয়াৰে প্ৰথম আঠশাৰীক 'অষ্টক' (Octave) আৰু পিছত ছয় শাৰীক ষড়ক (Sestect) বুলি কোৱা হয়। পেট্ৰাকীয় বা ইটালীয় ধ্ৰুপদী ছনেট আৰু শ্যেক্সপীয়েৰীয় বা ইংৰাজী ৰমন্যাসিক ছনেট - এই দুই ধাৰাৰ

ছনেট অসমীয়া সাহিত্যত দেখা যায়। পেট্ৰাকীয় ছনেটৰ শাৰীবোৰৰ অন্ত্যমিল এনেধৰণৰ - ক খ খ ক, ক খ খ ক, গ ঘ গ, ঘ গ ঘ। হেমচন্দ্ৰ গোস্বামীৰ ‘প্ৰিয়তমাৰ চিঠি’ কবিতাটো পেট্ৰাকীয় আৰ্হিৰ ছনেট। আনহাতে শ্যেক্সপীয়েৰীৰ ছনেটৰ শাৰীৰ অন্ত্যমিল এনেধৰণৰ - ক খ, ক খ, গ ঘ, গ ঘ, চ ছ, ছ ছ, জ, জ। পদ্মনাথ গোহাঞিবৰুৱাৰ ‘উৰ্মিলা’ কবিতাটো ইয়াৰ নিদৰ্শন। তোমালোকে ছনেটৰ বিষয়ে ভালদৰে জানিবলৈ অসমীয়া সাহিত্যৰ তত্ব সম্পৰ্কীয় ৰামমল ঠাকুৰীয়াৰ ‘সাহিত্য বিচাৰ’ নামৰ কিতাপখন চাব পাৰাঁ।

হেমচন্দ্ৰ গোস্বামীৰ - পৰৱৰ্তী সময়ত পদ্মনাথ গোহাঞিবৰুৱা হিতেশ্বৰ বৰুৱৰুৱা, নীলমণি ফুকন আদিয়ে ছনেট কবিতা ৰচনা কৰিছিল। বৰ্তমান সময়ত অসমীয়া কবিতাৰ ক্ষেত্ৰখনত ছনেট কবিতা ৰচনাৰ পৰম্পৰা কমি আহিছে।

‘ফুলৰ চাকি’ (১৯০৭) কবিতা-পুথিখনত মুঠ বত্ৰিশ (৩২)-টা কবিতা আছে। হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ ভাব-ভাষা সহজ-সৰল। তেওঁৰ কবিতাসমূহ প্ৰধানকৈ চিত্ৰপ্ৰধান। হেমচন্দ্ৰ গোস্বামীৰ কবিতাত প্ৰেম, প্ৰকৃতি, দেশ প্ৰেম আদি ভাবৰ আমি প্ৰকাশ দেখা পাওঁ। ‘পুৰা’ নামৰ কবিতাটোত প্ৰকৃতিৰ এখন সুন্দৰ ছবি প্ৰতিফলিত হোৱা আমি দেখিবলৈ পাওঁ। ৰোমান্টিক কবিতাত প্ৰকৃতিয়ে ৰহস্যময় ৰূপত আত্মপ্ৰকাশ কৰাৰ বিপৰীতে হেমচন্দ্ৰ গোস্বামীৰ কবিতাত সৌন্দৰ্যময় ৰূপত আত্মপ্ৰকাশ কৰিছে। প্ৰেমৰ অনুভৱ হেমচন্দ্ৰ গোস্বামীৰ ‘প্ৰিয়তমাৰ চিঠি’ নামৰ ছনেটটোৰ মাজেৰে ব্যঞ্জিত হৈ উঠা আমি দেখা পাওঁ। কবিৰ বাবে চিঠিত থকা কুকুৰা-ঠেঙীয়া আখৰকেইটাৰ মাজতে প্ৰেয়সীৰ পাৰ উপচা মৰম সোমাই আছে।

> “তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী
> নিতৌ নোহোৱা বাহী ন ন ফুল মেলে।”
>
> (‘প্ৰিয়তমাৰ চিঠি’, হেমচন্দ্ৰ গোস্বামী)

একেদৰে কটাক্ষ, কাকো নিবিলাও হিয়া, কাকুতি আদি কবিতাতো প্ৰেমৰ চিত্ৰন দেখা যায়। হেমচন্দ্ৰ গোস্বামীৰ কিছুমান কবিতাৰ মাজত স্বদেশ প্ৰেমৰ সুৰ আমি দেখিবলৈ পাওঁ। কিন্তু এই ভাব লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে তীব্ৰ নহয়। ‘জাহাজ’ কবিতাটোত কবিয়ে প্ৰগতিক স্বাগতম জনাইছে।

আমি ইমান সময়ে হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ বিষয়ে আলোচনা কৰিলোঁ। এই আলোচনাৰপৰা আমি হেমচন্দ্ৰ গোস্বামীৰ কবিতাক তিনিটা দিশত ভগাব পাৰোঁ -

- প্ৰকৃতি-বিষয়ক
- প্ৰেমৰ অনুভূতি প্ৰকাশক
- স্বদেশ প্ৰেমৰ সুৰ প্ৰকাশক

তোমালোকে হেমচন্দ্ৰ গোস্বামীৰ কবিতাসমূহ পঢ়ি চালে এই দিশবোৰ বিস্তৃতভাৱে জানিবলৈ সমৰ্থ হ'বা।

**আত্মমূল্যায়ন ঃ ১০**

ক) প্ৰথম অসমীয়া ছনেট কবিতা কোনটো ?

.................................................................................................

.................................................................................................

খ) হেমচন্দ্ৰ গোস্বামীৰ কবিতা-পুথিখনৰ নাম কি ?

.................................................................................................

.................................................................................................

গ) হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ মূল দিশ তিনিটা কি কি ?

.................................................................................................

.................................................................................................

### ১.৩.৩.৪ জোনাকী যুগৰ অন্যান্য কবিসকল ঃ

আগৰ অংশকেইটাত আমি জোনাকী যুগৰ কবিতা আৰু উল্লেখযোগ্য তিনিজন কবিৰ বিষয়ে আলোচনা কৰিলোঁ। তোমালোকে এটা কথালৈ লক্ষ্য ৰাখিবা যে জোনাকী যুগত অসমীয়া কবিতাই বিশাল পৰিসৰ লাভ কৰিলে। এই পৰিসৰৰ লাভত সহায় কৰিলে জোনাকী যুগত আত্মপ্ৰকাশ কৰা খ্যাত অখ্যাত কবিসকলে। আমি আলোচনা কৰি অহা কবি তিনিজনৰ বাহিৰেও জোনাকী যুগৰ আন কেইজনমান কবিৰ বিষয়ে আমি আলোচনা কৰোঁ আহাঁচোন।

জোনাকী যুগৰ কবিতাক সমৃদ্ধ কৰা এজন কবি হ'ল পদ্মনাথ গোহাঞিবৰুৱা। পদ্মনাথ গোহাঞিবৰুৱা অসম সাহিত্য সভাৰ প্ৰথমখন অধিবেশনৰ সভাপতি আছিল। ১৯১৭ চনত শিৱসাগৰ জিলাত এই অধিৱেশন অনুষ্ঠিত হৈছিল। পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা কবিতা-পুথি তিনিখন। এইকেইখন হ'ল - 'লীলা' (১৮৯৯), 'জুৰণি' (১৯০০) আৰু 'ফুলৰ চানেকি' (১৯০১)। প্ৰকৃতি-চিত্ৰন, মানৱ-প্ৰেম, পৌৰাণিক চৰিত্ৰক আধুনিক দৃষ্টিভংগীৰে উপস্থাপন আদি দিশসমূহ দেখা যায়। 'জ্ঞান মালিনী' কবি হিচাপে পৰিচিত মফিজুদ্দিন আহমেদ হাজৰিকাৰ কবিতা-পুথিখন হৈছে 'জ্ঞানমালিনী' (১৮৯৬)। এওঁৰ কবিতাত পৰমাৰ্থিক ভাব এটাৰ প্ৰকাশ দেখা যায়। হেমচন্দ্ৰ গোস্বামীৰ পিছৰ সময়ত ছনেট কবিতা ৰচনাত বিশেষভাবে ব্ৰতী হোৱা হিতেশ্বৰ বৰবৰুৱাৰ কবিতা পুথিসমূহ হৈছে - 'ঢোপাকলি' (১৯০২), 'কমতাপুৰ' 'ধ্বংস' (১৯১২), 'বিৰহিনী-বিলাপ' (১৯১২), 'তিৰোতাৰ আত্মদান কাব্য' (১৯১৩), 'আভাস' (১৯১৪), 'যুদ্ধক্ষেত্ৰত আহোম ৰমণী' (১৯১৫), 'ডেচডিমনা আৰু ৰঙ্গিলা' 'কাব্য' (১৯১৭), 'মালচ' (১৯১৯) আৰু 'চকুলো' (১৯২২)। এটা কথা গুৰুত্বপূৰ্ণ যে হিতেশ্বৰ বৰবৰুৱাৰ 'মালচ' খনেই প্ৰথমখন অসমীয়া ছনেট কবিতাৰ সংকলন।

জোনাকী যুগত আত্মপ্ৰকাশ কৰা আন এজন কবি হ'ল - বেণুধৰ ৰাজখোৱা। এওঁৰ কবিতাসমূহ 'চন্দ্ৰসম্ভৱ' নামৰ কিতাপখনত সংকলিত হৈছে। চন্দ্ৰধৰ বৰুৱা হৈছে জোনাকী যুগৰ আন এজন উল্লেখনীয় কবি। এওঁৰ কবিতা-পুথিখন হৈছে 'ৰঞ্জন' (১৯২৭)। দাৰ্শনিক কবি ৰূপে অসমৰ সাহিত্য জগতত পৰিচিত দূৰ্গেশ্বৰ শৰ্মাৰ কবিতা-পুথিৰ নাম হ'ল - 'অঞ্জলি' (১৯১০) আৰু 'নিবেদন' (১৯২০)। অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাত প্ৰেমৰ অনুভূতি আৰু স্বদেশ-প্ৰেমৰ অনুৰাগে মুখ্য স্থান অধিকাৰ কৰিছে। 'তুমি' (১৯১৫), 'বীণা' (১৯১৬) আদি কবিতা পুথিসমূহ এওঁ জোনাকী যুগত ৰচনা কৰিছিল। জোনাকীৰ পৰৱৰ্তী সময়তো এওঁ কবিতাৰ চৰ্চা কৰি আছিল। জোনাকী যুগতে কবিতা ৰচনা কৰিবলৈ আৰম্ভ কৰা আৰু কেইজনমান কবি হ'ল - ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, নলিনীবালা দেৱী, ধৰ্মেশ্বৰী দেৱী বৰুৱানী আদি। ৰঘুনাথ চৌধাৰীৰ 'সাদৰী '(১৯১০), 'কেতেকী' (১৯১৮), 'কাৰবালা' (১৯২৩), যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰ তীৰ্থ' (১৯২৬) নলিনীবালা দেৱীৰ 'সন্ধিয়াৰ সুৰ' (১৯২৮), ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ 'ফুলৰ শৰাই' (১৯২৯) আদি জোনাকী যুগৰ শেষৰ ফাললৈ প্ৰকাশ পোৱা উল্লেখযোগ্য কবিতা-পুথি। তোমালোকে জোনাকী যুগৰ কবিসকলৰ বিষয়ে বিস্তৃতভাবে জানিবলৈ অসমীয়া সাহিত্যৰ বুৰঞ্জী-সম্পৰ্কীয় বিভিন্ন কিতাপবোৰ চাব পাৰাঁ।

জোনাকী যুগত কিছুমান অনুবাদ কবিতাও ৰচনা হৈছিল। অনুবাদৰ বিষয়ে তোমালোকে জানা নিশ্চয়। আন ভাষাৰ সাহিত্যক আমাৰ নিজৰ ভাষালৈ ৰূপান্তৰ কৰা কাৰ্যই অনুবাদ। যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰ তীৰ্থ' কবিতা পুথিখন ওমৰ খয়ামৰ ৰুবায়ৎ-ৰ অনুবাদ। আনন্দচন্দ্ৰ আগৰৱালাই জোনাকী যুগৰ অনুবাদ কবিতাক বিশেষ পুষ্টি সাধন কৰিছিল। ইংৰাজী আদি বিভিন্ন বিদেশী ভাষাৰ কবিতা কিছুমান আমাৰ অসমীয়া ভাষালৈ আনন্দচন্দ্ৰ আগৰৱালাই অনুবাদ কৰিছিল। আমাৰ নিজা ভাষাটোত এই কবিতাসমূহ তেওঁ এনেদৰে ৰচনা কৰিছিল যে বাহিৰৰ ভাষাৰপৰা অনা বিষয় নহৈ আমাৰ নিজা চিনাকি বিষয় এটাহে যেন। জীৱন-সংগীত, সুখৰ ঠাই, চহা আৰু পণ্ডিত আদি কবিতাবোৰ ইয়াৰ নিদৰ্শন। আনন্দচন্দ্ৰ আগৰৱালাৰ কবিতাসমূহ 'জিলিকনি' (১৯২০) নামৰ পুথিখনত সংকলিত হৈ আছে। আনন্দচন্দ্ৰ আগৰৱালাক আমি ভাঙনি কোঁৱৰ আখ্যাৰে আখ্যায়িত কৰিছোঁ। আনন্দ চন্দ্ৰ আগৰৱালাৰ এই কবিতাসমূহ পঢ়িবলৈ পালে তোমালোকে নপঢ়াকৈ নেৰিবা। অসমীয়া কবিতাৰ এটা নতুন সোৱাদ তোমালোকে এই কবিতাবোৰত পাবলৈ সক্ষম হ'বা।

**আত্মমূল্যায়ন ঃ ১১**

ক) অসম সাহিত্য সভাৰ প্ৰথম সভাপতি কোন আছিল ?

..............................................................................................

খ) প্ৰথম অসমীয়া ছনেট কবিতাৰ সংকলন কোনখন ?

..............................................................................................

গ) অ অংশৰ সৈতে আ অংশ মিলোৱা -

| অ | আ |
|---|---|
| ১) ভাঙনি কোঁৱৰ | ক) অম্বিকাগিৰি ৰায়চৌধুৰী |
| ২) চকুলো | খ) যতীন্দ্ৰনাথ দুৱৰা |
| ৩) কেতেকী | গ) আনন্দচন্দ্ৰ আগৰৱালা |
| ৪) সন্ধিয়াৰ সুৰ | ঘ) ৰঘুনাথ চৌধাৰী |
| ৫) ওমৰ -তীৰ্থ | ঙ) হিতেশ্বৰ বৰবৰুৱা |
| | চ) নলিনীবালা দেৱী |

## ১.৪ জোনাকী যুগ আৰু অসমীয়া নাটক ঃ

তোমালোকে ইমান সময়ে জোনাকী যুগৰ অসমীয়া কবিতাৰ বিষয়ে অৱগত হলাহঁক। এতিয়া সাহিত্যৰ আন এটা ধাৰা নাটকৰ বিষয়ে আলোচনা কৰোঁ আহাঁচোন। অসমীয়া নাটকৰ সৃষ্টি মহাপুৰুষ শংকৰদেৱৰ হাতত যে হৈছিল সেই কথা তোমালোকে নিশ্চয় জানা। শংকৰদেৱৰ নাটসমূহক আমি অংকীয়া নাট বুলি অভিহিত কৰিছোঁ। আধুনিক অসমীয়া নাটকৰ সূচনা গুণাভিৰাম বৰুৱাৰ হাতত হৈছিল। গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী' নাটকখন প্ৰথম অসমীয়া আধুনিক নাটক। এই কথা তোমালোকে খণ্ড-৩-ৰ গোট-২-ত ভালদৰে পঢ়িবলৈ পাইছা। জোনাকী যুগত অসমীয়া সাহিত্যৰ বাকীবোৰ ধাৰাৰ লগতে অসমীয়া নাটকৰ ধাৰাটোৱেও বিকাশ লাভ কৰিছিল। এই কথাৰ ইংগিতো তোমালোকে ১.২.২ অংশত পাইছা। জোনাকী যুগত কবিতাৰ দৰে অসমীয়া নাটকেও বিস্তৃতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। জোনাকী যুগত নাটকৰ ধাৰাটো কেনেধৰণৰ আছিল, জোনাকী যুগত নাট্যকাৰসকলে কেনেধৰণৰ নাটক ৰচনা কৰিছিল - আদি দিশবোৰৰ বিষয়ে এতিয়া তোমালোকৰ আগত কম। জোনাকী যুগৰ যিসকল কবিৰ সৈতে তোমালোকে ইতিমধ্যে পৰিচিত হলা, সেইসকল কবিৰ বহুকেইজনে অসমীয়া নাটকৰ বিকাশত অৰিহণা যোগাইছিল। এই বিষয়ে আমি আলোচনা কৰি চাওঁ আহাঁ।

**আত্মমূল্যায়ন ঃ ১২**

ক) শংকৰদেৱৰ নাটসমূহক আমি কি নামেৰে অভিহিত কৰিছোঁ ?

..................................................................................................

..................................................................................................

খ) প্ৰথম আধুনিক অসমীয়া নাটক কোনখন ?

..................................................................................................

### ১.৪.১ জোনাকী যুগৰ অসমীয়া নাটকৰ চমু পৰিচয় ঃ

শংকৰদেৱৰ হাতত অসমীয়া নাটকে জন্মলাভ কৰাৰ কথা তোমালোকে নিশ্চয় জানা। শংকৰদেৱৰ হাতত অৰ্থাৎ পঞ্চদশ ষষ্ঠদশ শতিকাতে অসমীয়া নাটকৰ

সূচনা হলেও আধুনিক অসমীয়া নাটকৰ আৰম্ভণি ঊনবিংশ শতিকাৰ মাজভাগতহে হৈছিল। এই কথাৰ আভাস তোমালোকে হেমচন্দ্ৰ-গুণাভিৰামৰ স্তৰ গোটটো পঢ়োঁতে পাইছা। হেমচন্দ্ৰ-গুণাভিৰামৰ যুগত আৰম্ভণি হোৱা আধুনিক অসমীয়া নাটকৰ ধাৰাটোৱে জোনাকী যুগত বিভিন্নজন নাট্যকাৰৰ হাতত বিশাল পৰিসৰ লাভ কৰিবলৈ সমৰ্থ হল। জোনাকী যুগত প্ৰধানকৈ পৌৰাণিক, ঐতিহাসিক, প্ৰহসনমূহক আৰু সামাজিক - এই চাৰিটা ধাৰাৰ নাটকেই প্ৰধানভাবে ৰচিত হৈছিল। জোনাকী যুগৰ নাটকৰ বিভিন্ন ধাৰাসমূহৰ বিষয়ে পিছলৈ আলোচনা কৰা হৈছে। জোনাকী যুগৰ নাটকবোৰ প্ৰধানভাবে ইতিহাস আৰু পুৰাণ-মহাকাব্যৰ কাহিনীৰ আধাৰত ৰচিত হৈছিল। সমাজৰ লগত সম্পৰ্কযুক্ত কাহিনীৰে খুউব কম নাটকেহে বেছিকৈ প্ৰাধান্য পাইছিল।

তোমালোকে জোনাকী আলোচনীৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাত লক্ষ্মীনাথ বেজবৰুৱাৰ 'লিটিকাই' নামৰ প্ৰহসখন প্ৰকাশ পোৱাৰ কথা ১.২.১ অংশত পাইছা। লক্ষ্মীনাথ বেজবৰুৱাকে আদি কৰি পদ্মনাথ গোহাঞিবৰুৱা, চন্দ্ৰধৰ বৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, ৰত্নেশ্বৰ মহন্ত, বেণুধৰ ৰাজখোৱা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, নকুলচন্দ্ৰ ভূঞা আদিয়ে জোনাকী যুগত জোনাকী যুগৰ নাটকৰ ধাৰাটোৱে গতি লাভ কৰাত অৰিহণা যোগাইছিল। জোনাকী যুগৰ নাটকৰ গঠন-ৰীতি আৰু উপস্থাপনতো নতুন নতুন দিশে ভুমুকি মাৰিছিল। এই ক্ষেত্ৰত চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাদ বধ' (১৯০৫) নাটকখনৰ কথা কব পাৰি। 'মেঘনাদ বধ' নাটকত অমিত্ৰাক্ষৰ ছন্দৰ ব্যৱহাৰ কৰা হৈছে। অসমীয়া সাহিত্যত ৰমাকান্ত চৌধুৰীয়ে অভিমন্যু বধ কাব্যত প্ৰথম অমিত্ৰাক্ষৰ ছন্দৰ ব্যৱহাৰ কৰিছিল। আনহাতে চন্দ্ৰধৰ বৰুৱা হৈছে অসমীয়া নাটকত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ কৰা প্ৰথমজন নাট্যকাৰ। অমিত্ৰাক্ষৰ ছন্দনো কি - এই বিষয়ে জানিবলৈ তোমালোকে অসমীয়া ছন্দৰ বিষয়ে থকা বিভিন্ন কিতাপ চাব পাৰাঁ। এনেদৰে বিভিন্নজন নাট্যকাৰৰ বৰঙণিৰে জোনাকী যুগৰ নাটকৰ ধাৰাটো প্ৰবল হৈ উঠে।

**আত্মমূল্যায়ন ঃ ১৩**

ক) জোনাকী যুগত কোন দুই ধাৰাৰ নাটক প্ৰধানভাৱে ৰচিত হৈছিল ?

..............................................................................................................

..............................................................................................................

খ) অসমীয়া সাহিত্যত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ প্ৰথমে কোনে কৰিছিল ?

..........................................................................................

..........................................................................................

গ) অসমীয়া নাটকত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ প্ৰথমে কোনে কৰিছিল ?

..........................................................................................

..........................................................................................

## ১.৪.২ জোনাকী যুগৰ অসমীয়া নাট্যকাৰ ঃ

তোমালোকে ১.৪.১ অংশত জোনাকী যুগৰ অসমীয়া নাটকৰ এক চমু পৰিচয় লাভ কৰিলাহঁক। এই অংশটোতে তোমালোকে জোনাকী যুগৰ কেইজনমান নাট্যকাৰৰো নাম পাইছিলা। এই নাট্যকাৰসকলৰ বিষয়ে আমি এতিয়া চমুকৈ আলোচনা কৰিম।

জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ কথা তোমালোকৰ মনত আছে নিশ্চয়। এই ত্ৰিমূৰ্তিৰে এজন লক্ষ্মীনাথ বেজবৰুৱাই জোনাকী যুগৰ অসমীয়া নাটকক সমৃদ্ধশালী কৰি তুলিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ নাটককেইখন হৈছে - 'লিতিকাই' (১৯১০), 'চিকৰপতি নিকৰপতি' (১৯১৩), 'নোমল' (১৯১৩), 'পাচনি' (১৯১৩), 'চক্ৰধ্বজ সিংহ' (১৯১৫), 'জয়মতী কুঁৱৰী' (১৯১৫) আৰু 'বেলিমাৰ' (১৯১৫)। লক্ষ্মীনাথ বেজবৰুৱাৰ নাটকসমূহ নাটকীয়া গাঁথনিৰ দিশৰপৰা আটিল নাছিল। জোনাকী যুগৰ আন এজন নাট্যকাৰ পদ্মনাথ গোহাঞিবৰুৱাৰ নাটকসমূহ এনেধৰণৰ - 'গাঁওবুঢ়া' (১৮৯৯), 'জয়মতী' (১৯০০), 'গদাধৰ' (১৯০৭), 'সাধনী' (১৯১০), 'টেটোন তামুলী' (১৯০৯), 'লাচিত বৰফুকন' (১৯১৫), 'ভূত নে ভ্ৰম' (১৯২৪)। অতুলচন্দ্ৰ হাজৰিকাৰ 'কনৌজ কুঁৱৰী' (১৯২৩), 'ছত্ৰপতি শিৱাজী' (১৯২৭), কমলানন্দ ভট্টাচাৰ্যৰ 'মৰাণ জীয়ৰী' (১৯২৪), নকুল চন্দ্ৰ ভূঞাৰ 'বদন বৰফুকন' (১৯২৭), বেণুধৰ ৰাজখোৱাৰ 'সেউতী কিৰণ' (১৮৯৪), 'দৰবাৰ' (১৯০২), 'কুৰি শতিকাৰ সভ্যতা' (১৯০৮), দুৰ্য্যোধনৰ বৰুৱাৰ 'মেঘনাদ বধ' (১৯০৫), তিলোত্তমা 'সম্ভৱ' (১৯২৯), দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ 'মহৰী' (১৮৯৬), 'গুৰু দক্ষিণা' (১৯০১), জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী' (১৯২৪) আদি নাটক জোনাকী যুগত ৰচিত হৈছিল। এই নাট্যকাৰসকলে জোনাকী যুগৰ অসমীয়া নাটকৰ ধাৰাটো শক্তিশালী

কৰি তুলিলে। ইয়াত উল্লেখযোগ্য কেইজনমান 'উৰুভঙ্গ' (১৯০৩), ৰত্নেশ্বৰ মহন্তৰ 'হৰিশ্চন্দ্ৰ', 'দ্ৰৌপদীৰ বেণীবন্ধন' চন্দ্ৰধৰ বিষয়ে উল্লেখহে কৰা হৈছে। তোমালোকে ড০ সত্যেন্দ্ৰনাথ শৰ্মাৰ 'অসমীয়া নাট্য-সাহিত্য আৰু হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্যৰ 'অসমীয়া নাট্য-সাহিত্যৰ জিলিঙনি' কিতাপ দুখন পঢ়ি চালে জোনাকী যুগৰ আৰু বহুতো নাট্যকাৰ আৰু নাটকৰ বিষয়ে ভালদৰে জানিব পাৰিবা।

**আত্মমূল্যায়ন ঃ ১৪**

'ক' অংশৰ লগত 'খ' অংশ মিলোৱাঁ --

| ক | খ |
|---|---|
| ১) জয়মতী | অ) দূৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা |
| ২) মেঘনাদ বধ | আ) চন্দ্ৰকুমাৰ আগৰৱালা |
| ৩) শোণিত কুঁৱৰী | ই) পদ্মনাথ গোহাঞি বৰুৱা |
| ৪) চক্ৰধ্বজ সিংহ | ঈ) জ্যোতিপ্ৰসাদ আগৰৱালা |
| ৫) মহৰী | উ) লক্ষ্মীনাথ বেজবৰুৱা |
| | ঊ) চন্দ্ৰধৰ বৰুৱা |

### ১.৪.৩ জোনাকী যুগৰ অসমীয়া নাটকৰ বিশেষত্ব ঃ

ইমান পৰে আমি জোনাকী যুগৰ নাটক আৰু নাট্যকাৰসকলৰ বিষয়ে আলোচনা কৰিলোঁ। এই আলোচনাৰপৰা জোনাকী যুগৰ অসমীয়া নাটকে গতি-প্ৰদানত কি ভূমিকা পালন কৰিছে তাৰ বিষয়েও সামান্যভাবে অবগত হ'লোঁ। জোনাকী অসমীয়া নাটকৰ বিশেষত্বসমূহৰ বিষয়ে আমি এতিয়া আলোচনা কৰিম -

- জোনাকী যুগত পৌৰাণিক আৰু ঐতিহাসিক ধাৰাৰ নাটকেই বেছিকৈ ৰচিত হৈছিল। ইয়াৰ মূল কাৰণ আছিল জাতীয়তাবোধৰ উন্মেষ ঘটোৱা।
- জোনাকী যুগত সামাজিক ধাৰাৰ নাটকৰ ৰচনা সীমিত আছিল।
- জোনাকী যুগত হাস্যৰসাত্মক নাটকে বিশেষ প্ৰাধান্য লাভ কৰিছিল। প্ৰচলিত সমাজ-ব্যৱস্থাক ব্যংগ কৰি এই শ্ৰেণীৰ নাটকসমূহে ৰচিত হৈছিল।
- অসমীয়া নাটকত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ জোনাকী যুগতে আৰম্ভ হৈছিল।

- জোনাকী যুগৰ নাটকবোৰৰ কিছুমান নাটক ইংৰাজ নাট্যকাৰ শ্যেক্সপীয়েৰৰ আৰ্হিত ৰচিত হৈছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ 'চক্ৰধ্বজ সিংহ' নাটকত শ্যেক্সপীয়েৰৰ প্ৰভাৱ সুস্পষ্ট।
- পৌৰাণিক চৰিত্ৰক নতুন দৃষ্টিভংগীৰে মূল্যায়ন কৰাৰ পৰম্পৰা জোনাকী যুগতে আৰম্ভ হৈছিল। চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাদ বধ' নাটকত মেঘনাদ আৰু ৰাৱণক নতুন দৃষ্টিভংগীৰে উপস্থাপন কৰা হৈছে।
- জোনাকী যুগৰ নাটকবোৰ নাটকৰ গাঁথনিক দিশৰপৰা আটিল নাছিল। মঞ্চত উপস্থাপন কৰিব নোৱৰা বহুবোৰ উপাদান জোনাকী যুগৰ নাটকত আমি দেখিবলৈ পাওঁ।

ওপৰত উল্লেখ কৰা বিবিধ বিশেষত্বৰে জোনাকী যুগৰ নাটকসমূহ পুষ্ট হৈ অসমীয়া নাটকৰ গতি প্ৰদানত বিশেষ ভূমিকা গ্ৰহণ কৰিলে। এই বিশেষত্ববোৰৰ আলম লৈ জোনাকী যুগৰ অসমীয়া নাটকৰ বিষয়ে তোমালোকে এতিয়া নিশ্চয় বিচাৰ কৰি চাব পাৰিবা।

**আত্মমূল্যায়ন ঃ ১৫**

ক) জোনাকী যুগৰ নাটকৰ দুটা বিশেষত্ব লিখাঁ।

.......................................................................................................

.......................................................................................................

খ) জোনাকী যুগৰ অসমীয়া নাটকত শ্যেক্সপীয়েৰৰ প্ৰভাৱ পৰিছে নে ?

.......................................................................................................

.......................................................................................................

### ১.৪.৪ জোনাকী যুগৰ অসমীয়া নাটকৰ বিভিন্ন ধাৰাসমূহ ঃ

ইমান সময়ে আমি জোনাকী যুগত ৰচিত হোৱা নাটকসমূহৰ বিভিন্ন বিশেষত্ববোৰৰ বিষয়ে আলোচনা কৰিলোঁ। এতিয়া আমি জোনাকী যুগত ৰচিত হোৱা নাটকসমূহৰ বিভিন্ন ধাৰাৰ বিষয়ে কথা পাতোঁ আহাঁ। নাটকক আমি বিভিন্ন ধাৰাক ভগাব পাৰোঁ। নাকটৰ বিষয়-বস্তুৰ দিশৰপৰা ঐতিহাসিক নাটক, পৌৰাণিক নাটক, সামাজিক নাটক, হাস্যৰসাত্মক নাটক, গীতি নাটক, ৰূপকধৰ্মী নাটক আদি বিভিন্ন

ভাগত ভগাব পাৰোঁ। আকৌ কাহিনী প্ৰধান, চৰিত্ৰপ্ৰধান, পৰিস্থিতি প্ৰধান আদি ধৰণেও নাটকক ভাগ কৰিব পাৰি। জোনাকী যুগৰ নাটকসমূহক আমি প্ৰধানকৈ চাৰিটা ধাৰাত ভাগ কৰিব পাৰোঁ। এইকেইটা হ'ল - পৌৰাণিক নাটক, ঐতিহাসিক নাটক, সামাজিক নাটক আৰু হাস্যৰসাত্মক নাটক। জোনাকী যুগত প্ৰকৃত সামাজিক নাটক ৰচিত হোৱা নাছিল। জোনাকী যুগত ৰচিত সামাজিক নাটকসমূহত হাস্যৰসেই প্ৰধান গুৰুত্ব পাইছিল। সেয়েহে সত্যেন্দ্ৰনাথ শৰ্মাই জোনাকী যুগত ৰচিত হোৱা সামাজিক নাটকসমূহক লঘু-কমেডী আখ্যা দিছে। জোনাকী যুগৰ নাটকৰ বিভিন্ন ধাৰাসমূহৰ বিষয়ে তলত দিয়াৰ ধৰণে আমি আলোচনা কৰিব পাৰোঁ।

### ১.৪.৪.১ পৌৰাণিক নাটকঃ

পৌৰাণিক নাটক বুলিলে আমি কি বুজোঁ বাৰু ? পুৰাণ, মহাকাব্য, ধৰ্মীয় কাব্য আদিৰ আধাৰত যিবোৰ নাটক ৰচনা কৰা হয়, সেইবোৰ নাটককে আমি পৌৰাণিক নাটক বুলি ক'ব পাৰোঁ। জোনাকী যুগত পৌৰাণিক নাটক ৰচনাৰ পৰম্পৰা বিশাল ৰূপ ধাৰণ কৰিছিল। জোনাকী যুগত আত্মপ্ৰকাশ কৰা প্ৰায়সকল নাট্যকাৰেই পৌৰাণিক নাটক ৰচনাত হাত দিছিল। ইয়াৰ মূল কাৰণ হিচাপে আমি নাটকৰ বিষয়-বস্তু হিচাপে গ্ৰহণ কৰিবলৈ ইতিহাসৰ কাহিনী আৰু পুৰাণ, মহাকাব্যৰ কাহিনীয়েই মূল সমল আছিল। তদুপৰি জোনাকী যুগত আধুনিক অসমীয়া নাটকে বিকাশৰ পথত আগবাঢ়িছিল মাত্ৰ। সেইবাবেই নাটকৰ বিষয়-বস্তুৰ বাবে পুৰাণ, মহাকাব্য আদি পৌৰাণিক বিষয়ৰ কাষ চপাটো স্বাভাৱিক কথা বুলিয়েই আমি ভাবিব পাৰোঁ।

জোনাকী যুগত ৰচিত হোৱা পূৰ্ণকান্ত শৰ্মাৰ 'হৰধনু ভঙ্গ' (১৮৯৩), দুৰ্গানাথ চাংকাকতিৰ 'চন্দ্ৰহংস' (১৯০০), দেৱনাথ বৰদলৈৰ 'বৈদেহী-বিচ্ছেদ' (১৯০১), আদি পৌৰাণিক নাটকসমূহ প্ৰাচীন ভাৰতীয় নাটক আৰু অংকীয়া নাটৰ প্ৰভাৱৰপৰা সম্পূৰ্ণ মুক্ত হব পৰা নাছিল। জোনাকী যুগৰ আৰম্ভণিৰ সময়ৰ আন কেইখনমান পৌৰাণিক নাটক হ'ল - পূৰ্ণকান্ত শৰ্মাৰ 'হৰিশ্চন্দ্ৰ' (১৮৯৩) বেণুধৰ ৰাজখোৱাৰ 'দুৰ্যোধনৰ উৰুভঙ্গ' (১৯০৩) আৰু 'দক্ষযজ্ঞ' (১৯০৮), দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱাৰ 'বৃষকেতু' আৰু গুৰুদক্ষিণা দুৰ্গেশ্বৰ শৰ্মাৰ 'পাৰ্থ-পৰাজয়' (১৯০৯) আৰু 'বালীবধ' (১৯১৯) চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাদ বধ' (১৯০৫) অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'জয়দ্ৰথ বধ' (১৯১২) আৰু 'ভক্তগৌৰৱ' (১৯১২), জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'শোণিত-

কুঁৱৰী' (১৯২৪) ; ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ 'শ্ৰীবৎস-চিন্তা' (১৯২৭) ইত্যাদি। এই নাটকবোৰে জোনাকী যুগৰ অসমীয়া নাটকক সমৃদ্ধশালী কৰিছিল। বিশেষ দৃষ্টিভংগীৰ অৱস্থিতিয়ে এই নাটকসমূহৰ কিছুমানক সুকীয়া মৰ্যাদা প্ৰদান কৰিলে। এই ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী', চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাদ বধ' আদি নাটকৰ প্ৰসংগ উল্লেখ কৰিব পাৰি। জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী' নাটকত থলুৱা সংগীতৰ সুৰৰ ব্যৱহাৰ কৰিছে। চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাদ বধ' নাটকত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগৰ কথা আমি ইতিমধ্যে পাই আহিছোঁ। জোনাকী যুগৰ পৌৰাণিক নাটসমূহৰ ভিতৰত ওপৰত উল্লেখ কৰা নাটসমূহেই বিশেষ উল্লেখযোগ্য। জোনাকী যুগৰ পৌৰাণিক নাটসমূহৰ বিষয়ে তোমালোকে নাটকৰ ইতিহাস সম্পৰ্কীয় অসমীয়া কিতাপ কিছুমান পঢ়ি চাব পাৰাঁ।

**আত্মমূল্যায়ন ঃ ১৬**

ক) পৌৰাণিক নাটক কাক বোলে ?

..............................................................................................

..............................................................................................

খ) শোণিত কুঁৱৰী কাৰ ৰচনা ?

..............................................................................................

..............................................................................................

### ১.৪.৪.২ ঐতিহাসিক নাটক ঃ

১.৪.৪.১ অংশত আমি জোনাকী যুগত ৰচিত হোৱা পৌৰাণিক নাটক কিছুমানৰ বিষয়ে গম পালোঁ। এতিয়া আমি জোনাকী যুগত ৰচিত হোৱা ঐতিহাসিক নাটকৰ বিষয়ে কথা পাতিম। ঐতিহাসিক নাটক কাক বোলে - তোমালোকে জানা নে বাৰু ? ইতিহাস বা বুৰঞ্জীৰ কাহিনীৰ আধাৰত যিবোৰ নাটক ৰচিত হয়, সিয়েই ঐতিহাসিক নাটক। জোনাকী যুগত বিভিন্ন ধাৰাৰ-নাটকসমূহৰ ভিতৰত ঐতিহাসিক নাটকেই সৰ্বাধিক পৰিমাণে ৰচিত হৈছিল। ইয়াৰ মূল কাৰণ আছিল নাটকৰ জৰিয়তে ইতিহাসৰ গৌৰৱময় দিশসমূহ উপস্থাপন কৰি জাতীয়তাবোধৰ ভাব জাগ্ৰত কৰি তোলা। ভাৰত তথা অসম সেই সময়ত বৃটিছৰ অধীনত যে আছিল - এই কথা

তোমালোকে নিশ্চয় জানা। সেইবাবে জোনাকী যুগৰ নাট্যকাৰসকলে নাটকৰ মাজত ইতিহাসৰ বীৰত্ব-ব্যঞ্জক কাহিনীক স্থান দি অসমবাসীক জাগ্রত কৰি তুলিব বিচাৰিছিল। তদুপৰি সাহিত্যৰ আহিঁ হিচাপে সেইসময়ত আধুনিক অসমীয়া নাটকৰ সংখ্যা তেনেই সীমিত আছিল। সেইবাবেই জোনাকী যুগত ঐতিহাসিক ধাৰাৰ নাটকে আধিপত্য বিস্তাৰ কৰিবলৈ সমৰ্থ হৈছিল।

জোনাকী যুগত ৰচিত হোৱা উল্লেখযোগ্য ঐতিহাসিক নাটকসমূহ আমি এনেদৰে চিহ্নিত কৰিব পাৰোঁ - লক্ষ্মীনাথ বেজবৰুৱাৰ 'বেলিমাৰ' (১৯১৫), 'জয়মতী কুঁৱৰী' (১৯১৫) আৰু 'চক্ৰধ্বজ সিংহ' (১৯১৫) ঐতিহাসিক নাটক। নাটকীয় ক্ৰিয়া-কৌশলৰ দিশৰপৰা জয়মতী কুঁৱৰী নাটকখনেই লক্ষ্মীনাথ বেজবৰুৱাৰ শ্ৰেষ্ঠ ঐতিহাসিক নাটক। এই নাটকখনৰ আলমতে জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰথমখন অসমীয়া বোলছবি জয়মতী ৰ চিত্ৰনাট্য প্ৰস্তুত কৰিছিল। পদ্মনাথ গোহাঞিবৰুৱাৰ 'জয়মতী' (১৯০০), 'গদাধৰ' (১৯০৭), 'সাধনী' (১৯১০), 'লাচিত বৰফুকন' (১৯১৫) ৰাধাকান্ত সন্দিকৈৰ 'মূলাগাভৰু' (১৯২৪) ; নকুল চন্দ্ৰ ভূঞাৰ 'বদন বৰফুকন' (১৯২৭) পজিৰুদ্দিন আহমেদৰ 'গুলেনাৰ' (১৯২৪) আৰু 'সিন্ধু বিজয়' (১৯২৮) ; শৈলধৰ ৰাজখোৱাৰ 'বিদ্যাৰতী' (১৯১৮) প্ৰসন্নলাল চৌধুৰীৰ 'নীলাম্বৰ' (১৯২৬) আদি নাটকসমূহ জোনাকী যুগৰ উল্লেখনীয় ঐতিহাসিক নাটক। এই নাটকবোৰে অসমীয়া ঐতিহাসিক নাটকৰ ধাৰাটো শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিলে।

**আত্মমূল্যায়ন ঃ ১৭**

ক) জোনাকী যুগত ঐতিহাসিক নাটক বেছিকৈ ৰচিত হোৱাৰ মূল কাৰণ কি ?

..................................................................................................................

..................................................................................................................

খ) জোনাকী যুগৰ দুজন ঐতিহাসিক নাট্যকাৰৰ নাম লিখাঁ।

..................................................................................................................

..................................................................................................................

### ১.৪.৪.৩ সামাজিক নাটক ঃ

জোনাকী যুগত যি হাৰত ঐতিহাসিক বা পৌৰাণিক উপন্যাস ৰচিত হৈছিল তাৰ তুলনাত সামাজিক নাটক ৰচনাৰ পৰিমান কম আছিল। যদিও আধুনিক অসমীয়া নাটকৰ আৰম্ভণি সামাজিক নাটকৰ জৰিয়তে হৈছিল, তথাপি তাৰ পিছৰ সময়ত পৌৰাণিক আৰু ঐতিহাসিক ধাৰাৰ নাটকেহে বেছি প্ৰাধান্য বিস্তাৰ কৰিলে। সমাজ জীৱনৰ বিষয়-বস্তুক গুৰুত্ব দি ৰচনা কৰা নাটকেই হৈছে সামাজিক নাটক। জোনাকী যুগত ৰচিত হোৱা সামাজিক নাটককেইখন হাস্যৰসৰ প্ৰভাৱৰপৰা সম্পূৰ্ণ মুক্ত হ'ব পৰা নাই। বিশুদ্ধ পৰ্যায়ৰ সামাজিক নাটক জোনাকী যুগত নাই বুলিবই পাৰি। জোনাকী যুগৰ সামাজিক নাটকসমূহৰ বিষয়ে আমি এতিয়া বিচাৰ কৰি চাওঁচোন আহাঁ।

জোনাকী যুগত ৰচিত হোৱা সামাজিক নাটকসমূহৰ ভিতৰত বেণুধৰ ৰাজখোৱাৰ 'সেউতী-কিৰণ' (১৮৯৪) নামৰ নাটকখন উল্লেখযোগ্য। প্ৰেমৰ ঈৰ্ষা আৰু শোকাবহ পৰিণতিৰ বিষয়ে নাটকখনত বৰ্ণিত হৈছে। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ 'গৃহলক্ষ্মী' (১৯১১); ঘনকান্ত বৰুৱাৰ 'উমা' লক্ষ্মীধৰ শৰ্মাৰ 'নিৰ্মলা' (১৯২৬) আদি জোনাকী যুগত ৰচিত হোৱা আন কেইখনমান সামাজিক নাটক। এই সামাজিক নাটক কেইখনে জোনাকী যুগৰ অসমীয়া সামাজিক নাটকৰ ভেটিটো গঢ় লৈ উঠে। এনেদৰেই আমি জোনাকী যুগত ৰচিত হোৱা সামাজিক নাটসমূহৰ বিষয়ে উল্লেখ কৰিব পাৰোঁ।

**আত্মমূল্যায়ন ঃ১৮**

ক) সামাজিক নাটক কাক বোলে ?

............................................................

............................................................

খ) জোনাকী যুগত সামাজিক নাটক ৰচনা কৰা দুজন নাট্যকাৰৰ নাম লিখাঁ।

............................................................

............................................................

**১.৪.৪.৪ হাস্যৰসাত্মক নাটক ঃ**

জোনাকী যুগৰ নাটকৰ বিষয়ে আমি আলোচনা কৰি আছোঁ। পৌৰাণিক, ঐতিহাসিক আৰু সামাজিক ধাৰাৰ নাটকৰ লগতে জোনাকী যুগত হাস্যৰসাত্মক নাটকেও বিশেষ গুৰুত্ব পাইছিল। সাধাৰণতে কোনো ব্যক্তি বা সমাজৰ কোনো দোষ-ক্ৰুটি বা অসামঞ্জস্য আচৰণক সমল হিচাপে লৈ নাট্যকাৰে লঘু দৃষ্টিৰে নাটক ৰচনা কৰে, তেতিয়া, সেই নাটককে হাস্যৰসাত্মক নাটক বুলি অভিহিত কৰা হয়। হাস্যৰসাত্মক নাটকত সমস্যাৰ গভীৰলৈ প্ৰৱেশ কৰা আমি দেখিবলৈ নাপাওঁ। তাৰ বিপৰীকে ব্যক্তি বা সমাজৰ দোষ-ক্ৰুটিক হাস্যৰসৰ জৰিয়তে ব্যংগ কৰাহে আমি দেখিবলৈ পাওঁ। সামাজিক নাটক আৰু হাস্যৰসাত্মক নাটকৰ মাজৰ ব্যৱধান বৰ বেছি নহয়। জোনাকী যুগৰ পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা 'গাঁওবুঢ়া' (১৮৯৭) নাটকখনক বহুতে সামাজিক নাটকৰ শাৰীত থব খোজে। বিষয়-বস্তুৰ ফালৰপৰা নাটকখন সামাজিক যদিও হাস্যৰসাত্মক পৰিস্থিতিয়ে নাটকখনক আমি হাস্যৰসাত্মক সামাজিক নাটক বুলি অভিহিত কৰিব পাৰোঁ। জোনাকী যুগত ৰচিত হোৱা হাস্যৰসাত্মক নাটকসমূহৰ বিষয়ে আমি এবাৰ চকু ফুৰাই চাওঁ আহাঁচোন।

জোনাকী যুগত হাস্যৰসাত্মক নাটক ৰচনা কৰা নাট্যকাৰসকলৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, বেণুধৰ ৰাজখোৱা, মিত্ৰদেৱ মহন্ত আদি উল্লেখযোগ্য। এইখিনিতে তোমালোকে এটা কথা মনত ৰাখিবা যে, মিত্ৰদেৱ মহন্তই জোনাকী যুগত সাহিত্য-চৰ্চা কৰিবলৈ আৰম্ভহে কৰিছিল। জোনাকীৰ পাছৰ সময়তো তেওঁ সাহিত্য-চৰ্চা কাৰ্যত ব্ৰতী হৈ আছিল। জোনাকী যুগত সাহিত্য-চৰ্চা আৰম্ভ কৰা এনে বহু সাহিত্যিকৰ বিষয়ে আমি আগতে পাই আহিছোঁ।

'গাওঁবুঢ়া' (১৮৯৭), 'টেটোন তামুলী' (১৯০৯) আৰু 'ভূত নে ভ্ৰম' (১৯২৪) - এই তিনিখন পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা হাস্যৰসাত্মক নাটক। 'ভূত নে ভ্ৰম' নাটকত নাট্যকাৰ ভূত যে মনৰ ভ্ৰমৰ বাহিৰে আন একো নহয়, সেই কথা ব্যক্ত কৰিব বিচাৰিছে। সংস্কাৰকামী ভাবে নাটকখনত ক্ৰিয়া কৰাৰ বাবে নাটকীয় গুণ সামান্য হ্ৰাস পাইছে। লক্ষ্মীনাথ বেজবৰুৱাৰ হাস্যৰসাত্মক নাটকেইখন হ'ল - 'লিতিকাই' (১৮৯৪), 'নোমল' (১৯১৩), 'চিকৰপতি নিকৰপতি' (১৯১৩) আৰু 'পাচনি' (১৯১৩)। হাস্যৰসৰ সৃষ্টি কৰিবৰ বাবে বেজবৰুৱাই এই নাটককেইখনত

উদ্ভট পৰিস্থিতি কিছুমানৰ সৃষ্টি কৰিছে। 'দৰবাৰ' (১৯০২), 'কুৰি শতিকাৰ সভ্যতা' (১৯০৮), 'অশিক্ষিতা ঘৈণী' (১৯১২) আৰু 'তিনি ঘৈণী' (১৯২৮) - এই হাস্যৰসাত্মক নাটককেইখনত বেণুধৰ ৰাজখোৱাই বহু বিবাহৰ কুফল, স্ত্রী শিক্ষাৰ অভাৱ আৰু নতুন সভ্যতাই সমাজৰ ওপৰত পেলোৱা বিৰূপ প্ৰভাৱৰ হাস্যাস্পদ ছবি এখন অংকন কৰিছে। দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাই 'মহৰি' (১৮৯৬) আৰু 'নিগ্ৰো' (১৮৯৮) নাটকৰ জৰিয়তে সেই সময়ৰ ঘৃণিত পৰিৱেশ কিছুমান হাস্যকৰভাৱে উপস্থাপন কৰিছে। এই কাৰ্যৰ জৰিয়তে তেওঁ সেই সময়ৰ সমাজৰ ব্যংগ কৰিছে। 'বিয়া বিপৰ্যয়' (১৯২৪) আৰু 'কুকুৰীকণাৰ আঠমঙ্গলা' (১৯১৭) জোনাকী যুগত মিত্ৰদেৱ মহন্তই ৰচনা কৰা হাস্যৰসাত্মক নাটক। এই নাটককেইখনতো প্ৰচলিত সমাজৰ ত্ৰুটি কিছুমানক ব্যংগ কৰা আমি দেখিবলৈ পাওঁ।

অতপৰে তোমালোকৰ সৈতে জোনাকী যুগৰ হাস্যৰসাত্মক নাটকৰ বিষয়ে আলোচনা কৰিলোঁ। সময় আৰু সুবিধা পালে এই নাটকবোৰ তোমালোকে নপঢ়াকৈ নেৰিবা। সময় আৰু সমাজক কেনেদৰে নাটকসমূহত ব্যংগ কৰা হৈছে তোমালোকে নিজেই বুজি পাবা।

**আত্মমূল্যায়ন ঃ ১৯**

ক) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা দুখন হাস্যৰসাত্মক নাটকৰ নাম লিখাঁ।

.............................................................................................................

.............................................................................................................

খ) 'মহৰি' নাটকখন কোনে ৰচনা কৰিছিল ?

.............................................................................................................

.............................................................................................................

## ১.৫ সামৰণি ঃ

ওপৰৰ আলোচনাৰপৰা অসমীয়া সাহিত্যৰ ইতিহাসৰ এটা গুৰুত্বপূৰ্ণ যুগৰ লগত তোমালোকে পৰিচিত হ'লাঁ। জোনাকী যুগ নামেৰে অভিহিত এই যুগটোৰ সময়সীমা ১৮৮৯ চনৰপৰা ১৯২৯ চনলৈ ধৰা হৈছে। চুটিগল্প, উপন্যাস, ৰোমান্টিক কবিতা, সমালোচনা-সাহিত্য, হাস্যৰসাত্মক নাটক আদি সাহিত্যৰ বিভিন্ন ধাৰাসমূহেৰে

এইসময়ৰ অসমীয়া সাহিত্য সমৃদ্ধ হৈ উঠিছিল। এই গোটটোত তোমালোকে বিশেষভাবে জোনাকী যুগৰ কবিতা আৰু নাটকৰ লগত পৰিচিত হলা। অসমীয়া সাহিত্যৰ ভেটিটো টনকিয়াল কৰি তোলাত আৰু গতি-প্ৰদান কৰাত জোনাকী যুগৰ কবিতা আৰু নাটকসমূহৰ যে বিশেষ গুৰুত্ব আছে, সেয়া তোমালোকে অনুধাবন কৰিব পাৰিছা নিশ্চয়। জোনাকী যুগত আত্মপ্ৰকাশ কৰা বিভিন্ন কবি সাহিত্যিকসকলৰ সাহিত্যিক অৱদানৰ বিষয়েও তোমালোক অৱগত হলা। বিভিন্ন সাহিত্যৰ সূচনাৰে অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ এক বিশেষ স্থান আছে। জোনাকী যুগত আত্মপ্ৰকাশ কৰা সাহিত্যৰ বিভিন্ন ধাৰাসমূহে বৰ্তমানৰ সময়ত বিশাল আয়তন লাভ কৰি অসমীয়া সাহিত্যক সমৃদ্ধশালী কৰি তুলিছে।

## ১.৬ সাৰাংশ ঃ

- অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী আলোচনীৰ প্ৰকাশৰপৰা আৱাহন আলোচনী প্ৰকাশলৈকে, অৰ্থাৎ ১৮৮৯ চনৰপৰা ১৯২৯ চনলৈকে জোনাকী যুগ হিচাপে ধৰা হৈছে।
- ১৮৮৮ চনত কলিকতাত শিক্ষাগ্ৰহণ কৰিবলৈ যোৱা ছাত্ৰসকলৰ প্ৰচেষ্টাত অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা গঠিত হয়।
- ১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহত চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত কলিকতাৰপৰা 'জোনাকী' আলোচনী প্ৰকাশ পায়।
- জোনাকী-যুগত অসমীয়া সাহিত্যত ৰোমান্টিক ভাবধাৰাৰ সূচনা হয়। চন্দ্ৰকুমাৰ আগৰৱালাৰ বনকুঁৱৰী প্ৰথমটো অসমীয়া ৰোমান্টিক কবিতা।
- চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীক জোনাকী যুগৰ ত্ৰিমূৰ্তি আখ্যা দিয়া হৈছে।
- জোনাকী যুগত চতুদৰ্শপদী বা ছনেট (Sonnet) কবিতাৰ আৰম্ভণি ঘটিছিল। হেমচন্দ্ৰ গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি' অসমীয়া সাহিত্যৰ প্ৰথমটো ছনেট। হিতেশ্বৰ বৰবৰুৱা 'মালচ' (১৯১৯) প্ৰথমখন অসমীয়া ছনেট কবিতাৰ পুথি।
- চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, হিতেশ্বৰ বৰবৰুৱা আদি কবিসকলে জোনাকী যুগৰ কবিতাক সমৃদ্ধ কৰি তোলাত অৰিহণা যোগাইছিল।

- অসমীয়া নাটকত অমিত্ৰাক্ষৰ ছন্দৰ ব্যৱহাৰ জোনাকী যুগতে হৈছিল। চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাদ বধ' (১৯০৫) নাটকত অমিত্ৰাক্ষৰ ছন্দৰ ব্যৱহাৰ কৰা হৈছে।
- জোনাকী যুগৰ নাটকৰ ক্ষেত্ৰখন সমৃদ্ধ কৰি তোলা নাট্যকাৰসকল হ'ল - লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰধৰ বৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, বেণুধৰ ৰাজখোৱা, দূৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা ইত্যাদি।
- পৌৰাণিক চৰিত্ৰক আধুনিক দৃষ্টিভংগীৰে উপস্থাপন কৰা জোনাকী যুগৰ নাটকত দেখা যায়।
- জোনাকী যুগৰ নাটকসমূহৰ কিছুমান নাটক শ্যেক্সপীয়েৰৰ নাটকৰদ্বাৰা প্ৰভাৱান্বিত হৈছিল।
- পৌৰাণিক, ঐতিহাসিক, সামাজিক আৰু হাস্যৰসাত্মক - এই চাৰিটা ধাৰাৰ নাটক জোনাকী যুগত ৰচিত হৈছিল।
- জোনাকী যুগত ৰচিত হাস্যৰসাত্মক নাটকবিলাকত প্ৰচলিত সমাজৰ দোষ-ক্ৰটিবোৰক তীব্ৰভাবে ব্যংগ কৰা দেখিবলৈ পোৱা যায়।

**আত্মমূল্যায়নৰ প্ৰশ্নোত্তৰ ঃ**

**আত্মমূল্যায়ন - ১**

ক) কলিকতাত শিক্ষাগ্ৰহণ কৰিবলৈ যোৱা দুজন ব্যক্তি হ'ল - লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালা।

খ) অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা ১৮৮৮ চনত প্ৰতিষ্ঠা হৈছিল।

**আত্মমূল্যায়ন - ২**

ক) জোনাকী আলোচনী ১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰকাশ পাইছিল।

খ) জোনাকী আলোচনীৰ প্ৰথম সম্পাদক আছিল - চন্দ্ৰকুমাৰ আগৰৱালা।

গ) ১৮৮৯ চনৰপৰা ১৯২৯ চনলৈ জোনাকী যুগ হিচাপে ধৰা হয়।

**আত্মমূল্যায়ন** - ৩

ক) জোনাকী যুগৰ ত্ৰিমূৰ্তি হ'ল - চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী।

খ) প্ৰথম অসমীয়া ৰোমান্টিক কবিতাটো হ'ল - চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী'।

গ) জোনাকী যুগত প্ৰকাশ পোৱা দুখন আলোচনী হ'ল - 'বিজুলী' (১৮৯০-১৮৯২) আৰু 'বাঁহী' (১৯০৯-৩৩)।

ঘ) জোনাকী যুগৰ তিনিজন উল্লেখযোগ্য সাহিত্যিক হ'ল - চন্দ্ৰকুমাৰ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱা।

**আত্মমূল্যায়ন** - ৪

ক) জোনাকী যুগৰ গুৰুত্বৰ দুটা দিশ হ'ল -

১) চুটিগল্প, উপন্যাস, ৰোমান্টিক কবিতা আদি সাহিত্যৰ নতুন নতুন ধাৰাৰ সৃষ্টি।

২) এচাম নতুন সাহিত্যিকৰ আত্মপ্ৰকাশ

খ) জোনাকী যুগত সৃষ্টি হোৱা দুবিধ গদ্য-সাহিত্য হ'ল - চুটিগল্প আৰু উপন্যাস।

**আত্মমূল্যায়ন** - ৫

ক) জোনাকী যুগক ৰোমান্টিক যুগ নামেৰে অভিহিত কৰা হৈছে।

খ) অসমীয়া সাহিত্যলৈ ৰোমান্টিক ভাবধাৰাৰ আগমন হিন্দী সাহিত্যৰ জৰিয়তে হৈছিল - ভুল।

**আত্মমূল্যায়ন** - ৬

ক) যি কবিতাৰ জৰিয়তে জগত আৰু জীৱনৰ ভাব-চিন্তাক নিজস্ব অনুভূতিৰ মাজেৰে প্ৰকাশ কৰা হয়, সিয়েই ৰোমান্টিক কবিতা।

খ) ৰোমান্টিক কবিতাৰ দুটা লক্ষণ হল - প্ৰকৃতিপ্ৰীতি আৰু মানৱতাবাদ।

**আত্মমূল্যায়ন - ৭**

ক) চন্দ্রকুমাৰ আগৰৱালা প্ৰথমজন অসমীয়া ৰোমান্টিক কবি।

খ) দুজন অসমীয়া ৰোমান্টিক কবি হ'ল - লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী।

গ) 'অসম সঙ্গীত' কবিতাটোৰ ৰচক লক্ষ্মীনাথ বেজবৰুৱা।

ঘ) বিহগী কবি হ'ল ৰঘুনাথ চৌধাৰী।

**আত্মমূল্যায়ন - ৮**

ক) চন্দ্রকুমাৰ আগৰৱালাৰ দুখন কবিতা পুথি হ'ল - 'প্ৰতিমা' (১৯১৩) আৰু 'বীণ-বৰাগী' (১৯২৩)।

খ) 'প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ' - বুলি লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল।

গ) 'প্ৰতিমাৰ খনিকৰ' হৈছে চন্দ্ৰকুমাৰ আগৰৱালা।

ঘ) চন্দ্রকুমাৰ আগৰৱালাৰ কবিতাৰ দুটা দিশ হ'ল - মানৱতাবাদ আৰু সৌন্দৰ্যৰ আৰাধনা।

ঙ) বেলাড বা মালিতা হৈছে কাহিনী গীত ।

**আত্মমূল্যায়ন - ৯**

ক) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত প্ৰকাশিত দুটা দিশ হ'ল তীব্ৰ জাতীয়তা ভাব আৰু প্ৰেমৰ অনুভূতি।

খ) অসমৰ জাতীয় সংগীতটোৰ ৰচক হৈছে - লক্ষ্মীনাথ বেজবৰুৱা।

গ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা এটা মালিতা হৈছে - তিলকা।

ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ ছদ্মনামটো হ'ল - কৃপাবৰ বৰবৰুৱা।

**আত্মমূল্যায়ন - ১০**

ক) প্ৰথম অসমীয়া ছনেট কবিতাটো হৈছে হেমচন্দ্ৰ গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি'।

খ) হেমচন্দ্ৰ গোস্বামীৰ কবিতা- পুথিখনৰ নাম হ'ল - 'ফুলৰ চাকি'(১৯০৭)।

হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ মূল দিশ তিনিটা হ'ল -

- প্ৰকৃতি বিষয়ক
- প্ৰেমৰ অনুভূতি প্ৰকাশক
- স্বদেশ প্ৰেমৰ সুৰ প্ৰকাশক

**আত্মমূল্যায়ন - ১১**

ক) অসম সাহিত্য সভাৰ প্ৰথম সভাপতি আছিল - পদ্মনাথ গোহাঞিবৰুৱা।

খ) প্ৰথম অসমীয়া ছনেট কবিতাৰ কবিতাৰ সংকলনখন হল - হিতেশ্বৰ বৰবৰুৱাৰ 'মালচ' (১৯১৯)।

গ)

| অ | আ |
|---|---|
| ১) ভাওনি কোঁৱৰ | গ) আনন্দচন্দ্ৰ আগৰৱালা |
| ২) চকুলো | ঙ) হিতেশ্বৰ বৰবৰুৱা |
| ৩) কেতেকী | ঘ) ৰঘুনাথ চৌধাৰী |
| ৪) সন্ধিয়াৰ সুৰ | চ) নলিনীবালা দেৱী |
| ৫) ওমৰ তীৰ্থ | খ) যতীন্দ্ৰনাথ দুৱৰা |

**আত্মমূল্যায়ন ঃ ১২**

ক) শংকৰদেৱৰ নাটসমূহক আমি অংকীয়া নাট নামেৰে অভিহিত কৰিছোঁ।

খ) প্ৰথমখন আধুনিক অসমীয়া নাটক হ'ল - গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী নাটক'।

**আত্মমূল্যায়ন ঃ ১৩**

ক) জোনাকী যুগত ঐতিহাসিক আৰু পৌৰাণিক ধাৰাৰ নাটক প্ৰধানভাৱে ৰচিত হৈছিল।

খ) অসমীয়া সাহিত্যত ৰমাকান্ত চৌধুৰীয়ে 'অভিমন্যু বধ' কাব্যত প্ৰথম অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ কৰিছিল।

গ) অসমীয়া নাটকত চন্দ্ৰধৰ বৰুৱাই 'মেঘনাদ বধ' (১৯০৫) নাটকত প্ৰথম অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ কৰিছিল।

**আত্মমূল্যায়ন ঃ ১৪**

| ক | খ |
|---|---|
| ১) জয়মতী | ই) পদ্মনাথ গোহাঞিবৰুৱা |
| ২) মেঘনাদ বধ | ঊ) চন্দ্ৰধৰ বৰুৱা |
| ৩) শোণিত কুঁৱৰী | ঈ) জ্যোতিপ্ৰসাদ আগৰৱালা |
| ৪) চক্ৰধ্বজ সংহ | উ) লক্ষ্মীনাথ বেজবৰুৱা |
| ৫) মহৰি | অ) দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা |

**আত্মমূল্যায়ন ঃ ১৫**

ক) জোনাকী যুগৰ নাটকৰ দুটা বিশেষত্ব হ'ল -

১) গীতৰ বহুল প্ৰয়োগ।

২) পৌৰাণিক চৰিত্ৰক নতুন ধৰণে উপস্থাপন।

খ) জোনাকী যুগৰ অসমীয়া নাটকত শ্যেক্সপীয়েৰৰ প্ৰভাৱ পৰিছে।

**আত্মমূল্যায়ন ঃ ১৬**

ক) পুৰাণ, মহাকাব্য আদিৰ কাহিনীক বিষয়বস্তু হিচাপে লৈ ৰচনা কৰা নাটকেই পৌৰাণিক নাটক।

খ) 'শোণিত কুঁৱৰী' জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক।

**আত্মমূল্যায়ন ঃ ১৭**

ক) জোনাকী যুগত ঐতিহাসিক নাটক বেছিকৈ ৰচিত হোৱাৰ মূল কাৰণ হ'ল - নাটকীয় কাহিনীৰ মাজেৰে জাতীয়তাবোধৰ উন্মেষ ঘটোৱাৰ প্ৰয়াস।

খ) জোনাকী যুগৰ দুজন ঐতিহাসিক নাট্যকাৰ হ'ল - পদ্মনাথ গোহাঞিবৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱা।

**আত্মমূল্যায়ন ঃ ১৮**

ক) সমাজ জীৱনৰ বিষয়-বস্তুক গুৰুত্ব দি ৰচনা কৰা নাটকেই সামাজিক নাটক।

খ) জোনাকী যুগৰ দুজন সামাজিক নাটক ৰচনা কৰা নাট্যকাৰ হ'ল - বেণুধৰ ৰাজখোৱা আৰু নবীনচন্দ্ৰ বৰদলৈ।

**আত্মমূল্যায়ন ঃ ১৯**

ক) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা দুখন হাস্যৰসাত্মক নাটক হৈছে - 'লিতিকাই আৰু নোমল'।

খ) 'মহৰি' নাটকখন দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাই ৰচনা কৰিছিল।

**প্ৰাসংগিক গ্ৰন্থ (ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবৰ বাবে)**


১) অসমীয়া কবি আৰু কবিতা - কৰবী ডেকা হাজৰিকা, বনলতা ডিব্ৰুগড়, ২০০৪।

২) অসমীয়া কবিতা - কৰবী ডেকা হাজৰিকা, বনলতা, ডিব্ৰুগড় ।

৩) অসমীয়া নাট্য সাহিত্য - সত্যেন্দ্ৰ নাথ শৰ্মা, সৌমাৰ প্ৰকাশ, শিলপুখুৰী, গুৱাহাটী, ২০০৫।

৪) অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি - হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ২০০৫।

৫) অসমীয়া সাহিত্যৰ ৰূপৰেখা - মহেশ্বৰ নেওগ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৮৫।

৬) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত - সত্যেন্দ্ৰ নাথ শৰ্মা সৌমাৰ প্ৰকাশ, গুৱাহাটী, ২০০৩ ।

৭) কবি আৰু কবিতা - নন্দ তালুকদাৰ, বনলতা, ডিব্ৰুগড়, ১৯৯৫।

৮) ৰমন্যাসবাদৰ পটভূমি - বসন্ত কুমাৰ শৰ্মা, জাৰ্নাল এম্পৰিয়াম, নলবাৰী, ১৯৯৫।

**অনুশীলনী ঃ**

আত্মমূল্যায়নৰ প্ৰশ্নসমূহ ছাত্ৰ-ছাত্ৰীসকলে অনুশীলনত ব্যৱহাৰ কৰিব পাৰে।

**ৰচনাধৰ্মী প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)**

১) অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ গুৰুত্ব বিচাৰ কৰাঁ।

২) ৰোমান্টিক কবিতাৰ সাধাৰণ লক্ষণসমূহ লিখাঁ।

৩) জোনাকী যুগৰ যিকোনো এজন কবিৰ কবিতাৰ বিষয়ে চমু আলোকপাত আগবঢ়োৱাঁ।

৪) জোনাকী যুগৰ নাটকৰ বিশেষত্বসমূহ বিৱৰি লিখাঁ।

৫) জোনাকী যুগৰ ঐতিহাসিক নাটকৰ ধাৰাটোৰ এক আভাস দিয়াঁ।

৬) অসমীয়া নাটকৰ ক্ষেত্ৰখনক জোনাকী যুগৰ নাটকে কিদৰে সমৃদ্ধশালী কৰি তুলিছে - তাৰ এটি চমু আলোচনা আগবঢ়োৱাঁ।

**সহায়ক গ্ৰন্থ ঃ**

**অসমীয়া ঃ**


গগৈ, লীলা (সম্পা.) ঃ **আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়**
বনলতা, ডিব্ৰুগড় -১

ডেকা হাজৰিকা, কৰবী, ২০০৪ ঃ **অসমীয়া কবি আৰু কবিতা**
বনলতা, ডিব্ৰুগড় - ১

তালুকদাৰ, নন্দ, ১৯৯৫ ঃ **কবি আৰু কবিতা**
বনলতা, ডিব্ৰুগড় - ১

নেওগ, মহেশ্বৰ, ১৯৮৬ ঃ **অসমীয়া সাহিত্যৰ ৰূপৰেখা**
চন্দ্ৰ প্ৰকাশ, গুৱাহাটী

বৰগোহাঞি, হোমেন (সম্পা.), ১৯৮৭ ঃ **বিংশ শতাব্দীৰ অসমীয়া সাহিত্য**
অসম সাহিত্য সভা, যোৰহাট -১

ভট্টাচাৰ্য্য, হৰিশ্চন্দ্ৰ, ২০০৫ ঃ **অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি**
লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী - ১

শইকীয়া, অজিৎ (সম্পা.), ২০০৮ ঃ **ছশ বছৰৰ অসমীয়া নাটক পৰম্পৰা আৰু পৰিৱৰ্তন**
পথাৰ প্ৰকাশন, দুলীয়াজান

শৰ্মা, বসন্ত কুমাৰ, ১৯৯৫ ঃ **ৰমন্যাসবাদৰ পটভূমি**
জাৰ্নাল এম্পৰিয়াম, নলবাৰী

শৰ্মা, সত্যেন্দ্ৰনাথ, ২০০৫ ঃ **অসমীয়া নাট্য সাহিত্য**
সৌমাৰ প্ৰকাশ, শিলপুখুৰী, গুৱাহাটী - ৩

শৰ্মা, সত্যেন্দ্ৰনাথ, ২০০৩ ঃ **অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত**
অৰুণোদয় প্ৰেছ, শিলপুখুৰী, গুৱাহাটী - ৩

**ইংৰাজী ঃ**

Baruah, Birinchi Kumar, 2009 : **History of Assamese Literature**
Sahitya Akademi, Kolkata

আত্ম শিকন সামগ্রী

# অসমীয়া

পাঠ্যক্ৰম — **ASMM : 101**

(অসমীয়া উচ্চমান)

(প্ৰথম প্ৰশ্নকাকত)

## অসমীয়া সাহিত্যৰ বুৰঞ্জী

## (আৰম্ভণিৰ পৰা আশীৰ দশকলৈকে)

### খণ্ড - ৪, ৫

মুক্ত আৰু দূৰশিক্ষা সঞ্চালকালয়
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় - ৭৮৬০০৪

# ASSAMESE

## COURSE : ASMM - 101
## History of Assamese Literature
### (From the beginning up to 1980 AD)

ISBN NO. 978-81-924664-9-1

**Contributors:**

**Mr.Ramen Dutta**
Research Scholar, Dept

**Ms. Dubori Sharma Tamuly**
Lecturer in Assamese,
Directorate of Distance Education, Dibugarh University

**Ms. Deepshikha Gogoi**
Research Scholar, Dept. of Assamese, Dibugarh University

**Mr. Naba Kr. Chamuah**
Research Scholar, Dept. of Assamese, Dibugarh University

**Ms. Krishna Das**
Research Scholar, Dept. of Assamese, Dibugarh University

**Editor:**

**Prof. K.D. Hazarika**
Professor, Dept. of Assamese, Dibugarh University

© Copy right by Directorate of Distance Education, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form of by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Directorate of Distance Education, Dibrugarh University by the Director, DDE, D.U. and printed at A.C. Computer Networld, Dibrugarh University, Dibrugarh.

# অসমীয়া

## পাঠ্যক্ৰম — ASMM : 101

(অসমীয়া উচ্চমান)

(প্ৰথম প্ৰশ্নকাকত)

# অসমীয়া সাহিত্যৰ বুৰঞ্জী

## (আৰম্ভণিৰ পৰা আশীৰ দশকলৈকে)

## সূচীপত্ৰ


| | পৃষ্ঠা |
|---|---|
| **খণ্ড - ৪ ঃ জোনাকী যুগৰ সাহিত্য** | **১** |
| গোট - ১ ঃ জোনাকী যুগৰ কবিতা, নাটক | ৩ |
| গোট - ২ ঃ জোনাকী যুগৰ উপন্যাস, চুটিগল্প | ৪৫ |
| **খণ্ড - ৫ ঃ যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ চমু আভাস (আশীৰ দশকলৈকে)** | **৮১** |
| গোট - ১ ঃ যুদ্ধোত্তৰ যুগৰ কবিতা, উপন্যাস, চুটিগল্প | ৮৩ |
| গোট - ২ ঃ যুদ্ধোত্তৰ যুগৰ নাটক | ১১৯ |
| গোট - ৩ ঃ যুদ্ধোত্তৰ যুগৰ সাহিত্য সমালোচনা | ১৫৩ |

# গোট -২
# জোনাকী যুগৰ উপন্যাস, চুটিগল্প

২.০ উদ্দেশ্য
২.১ প্রস্তৱনা
২.২ জোনাকী যুগ আৰু অসমীয়া উপন্যাস
২.২.১ অসমীয়া উপন্যাসৰ পটভূমি আৰু সূচনা
২.২.২ জোনাকী যুগৰ অসমীয়া উপন্যাস
২.২.২.১ জোনাকী যুগৰ অসমীয়া উপন্যাসৰ বিশেষত্ব
২.২.২.২ জোনাকী যুগত ৰচিত অসমীয়া ঐতিহাসিক উপন্যাস
২.২.২.৩ জোনাকী যুগৰ ৰচিত অসমীয়া সামাজিক উপন্যাস
২.৩ জোনাকী যুগ আৰু অসমীয়া চুটিগল্প
২.৩.১ অসমীয়া চুটিগল্পৰ পটভূমি আৰু সূচনা
২.৩.২ জোনাকী যুগৰ অসমীয়া চুটিগল্প
২.৩.২.১ জোনাকী যুগৰ চুটি গল্পৰ চমু পৰিচয়
২.৩.২.২ জোনাকী যুগৰ চুটি গল্পৰ বিশেষত্ব
২.৩.২.৩ জোনাকী যুগৰ গল্পকাৰ
২.৪ সামৰণি
২.৫ সাৰাংশ
আত্মমূল্যায়নৰ প্রশ্নোত্তৰ
প্রাসংগিক গ্রন্থ (ছাত্র-ছাত্রীয়ে পঢ়িবৰ বাবে)
অনুশীলনী
সহায়ক গ্রন্থ

## ২.০ উদ্দেশ্য ঃ

জোনাকী যুগৰ উপন্যাস, চুটিগল্প - এই গোটটো পঢ়াৰ পাছত তোমালোকে-

- জোনাকী যুগৰ অসমীয়া উপন্যাস আৰু চুটিগল্পৰ বিষয়ে আলোচনা কৰিব পাৰিবা।
- আধুনিক অসমীয়া সাহিত্যৰ ভেটি নিৰ্মাণত জোনাকী যুগৰ অৱদান কেনেধৰণৰ তাৰ ব্যাখ্যা আগবঢ়াব পাৰিবা।
- জোনাকী যুগৰ ঔপন্যাসিক আৰু গল্পকাৰসকলৰ পৰিচয় লাভ কৰিবা।
- অসমীয়া সাহিত্য জগতত উপন্যাস আৰু চুটিগল্পৰ সূচনা আৰু বিকাশত জোনাকী যুগৰ ভূমিকা কি আছিল, তাক বিচাৰ কৰিব পাৰিবা।
- জোনাকী যুগৰ উপন্যাস আৰু চুটিগল্পৰ বিশেষত্বসমূহ ফঁহিয়াই চাব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠা আৰু অৰুনোদই স্তৰ, হেমচন্দ্ৰ-গুণাভিৰামৰ স্তৰ আৰু প্ৰাক্ ৰোমান্টিক স্তৰৰ বিষয়ে গোট -৩ -ত তোমালোকে অৱগত হ'লাহঁক। গোট-৪-ৰ খণ্ড-১-ত তোমালোকে জোনাকী যুগৰ কবিতা আৰু নাটকৰ লগত পৰিচিত হোৱাৰ লগতে অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ গুৰুত্বৰ বিষয়ে গম পালাঁ। এতিয়া তোমালোকে জোনাকী যুগৰ উপন্যাস আৰু চুটিগল্পৰ বিষয়ে অৱগত হোৱাঁহঁক। অসমীয়া সাহিত্যৰ ইতিহাসত কবিতা আৰু নাটকৰ সূচনা জোনাকী যুগৰ পূৰ্বতেই হৈছিল - সেয়া তোমালোকে ইতিমধ্যে গম পাইছাঁ। কিন্তু সাহিত্যৰ দুটা প্ৰধান বিভাগ উপন্যাস আৰু চুটিগল্পৰ সূচনা অসমীয়া সাহিত্যত জোনাকী যুগতহে হৈছিল। জোনাকী যুগৰ আগতে উপন্যাস আৰু চুটিগল্পৰ দৰে কাহিনী ধৰ্মী কিছুমান লেখা ওলাইছিল যদিও প্ৰকৃত উপন্যাস আৰু চুটিগল্পৰ গুণবোৰ এই লেখাসমূহত নাছিল। উপন্যাস আৰু চুটিগল্প গদ্য-সাহিত্যৰ দুটা ভাগ। অষ্টাদশ-ঊনবিংশ শতিকাৰ সময়ছোৱাত পশ্চিমীয়া দেশসমূহৰ সাহিত্যৰ জগতখনত উপন্যাস আৰু চুটিগল্পই ভুমুকি মাৰে। কালক্ৰমত পৃথিৱীৰ সাহিত্যৰ জগতত

উপন্যাস আৰু চুটিগল্পই প্ৰসাৰ লাভ কৰে। বৰ্তমানৰ সময়ছোৱাত সাহিত্যৰ বিশিষ্ট কলাৰূপ হিচাপে উপন্যাস আৰু চুটিগল্পই গোটেই পৃথিৱীতে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। উপন্যাসত মানৱ জীৱনৰ, সমাজ জীৱনৰ এখন বিস্তৃত ছবি জিলিকি উঠে। কিয়নো উপন্যাসৰ কাহিনীৰ পৰিসৰ বহল। আনহাতে চুটিগল্পত মানৱ জীৱনৰ, সমাজ জীৱনৰ মাত্ৰ এটা অংশৰ ছবিহে জিলিকি উঠা দেখা যায়। কিয়নো চুটিগল্পৰ কাহিনীৰ পৰিসৰ চমু। তোমালোকে উপন্যাস আৰু চুটিগল্পৰ বিষয়ে ভালদৰে জানিবলৈ হ'লে উপন্যাস আৰু চুটিগল্পৰ বিভিন্ন কিতাপ চাব পাৰাঁ। আমাৰ অসমীয়া ভাষাতে এনে বিষয়ক ভালেকেইখন কিতাপ আছে। গোট-১-ত যিদৰে তোমালোকে জোনাকী যুগৰ কবিতা আৰু নাটকৰ বিষয়ে পঢ়িবলৈ পালা, একেদৰে এই গোটটোত তোমালোকে জোনাকী যুগৰ উপন্যাস আৰু চুটিগল্পৰ বিষয়ে পঢ়িবলৈ পাবাঁ। লগতে জোনাকী যুগটোৱে অসমীয়া উপন্যাস আৰু চুটিগল্পৰ সূচনা আৰু বিকাশত কেনেদৰে অৰিহণা আগবঢ়াইছিল - সেই বিষয়েও পঢ়িবলৈ পাবাঁ।

## ২.২ জোনাকী যুগ আৰু অসমীয়া উপন্যাস ঃ

ঊনবিংশ শতিকাটোত যে অসমীয়া সাহিত্যৰ ইতিহাসত এক আমূল পৰিৱৰ্তন সাধিত হৈছিল, সেয়া তোমালোকে খণ্ড-৩-তে ধৰিব পাৰিছা নিশ্চয়। ঊনবিংশ শতিকাৰ শেষৰ ফালে শিক্ষা-গ্ৰহণৰ বাবে কলিকতালৈ যোৱা ব্যক্তিসকলে জোনাকী আলোচনী প্ৰকাশ কৰি অসমীয়া ভাষা-সাহিত্যৰ বিকাশত কেনেধৰণৰ অৰিহণা আগবঢ়াইছিল, সেই বিষয়েও তোমালোকে গোট-২-ত অৱগত হ'লাঁ। জোনাকী যুগতে ৰোমান্টিক কবিতা, গল্প, উপন্যাস আদিৰ সূচনাৰে অসমীয়া ভাষা-সাহিত্যৰ ভেটিটো টনকিয়াল হৈ উঠে। এতিয়া তোমালোকৰ সৈতে জোনাকী যুগৰ অসমীয়া উপন্যাসৰ বিষয়ে কথা পাতিম। লগতে অসমীয়া সাহিত্যৰ জগতত উপন্যাসৰ সূচনা আৰু বিকাশ কেনেদৰে হৈছিল, তাৰ বিষয়েও তোমালোকৰ যুগত আলোচনা কৰিম-

### ২.২.১ অসমীয়া উপন্যাসৰ পটভূমি আৰু সূচনা ঃ

তোমালোকে উপন্যাস নিশ্চয় পঢ়িছাঁ। উপন্যাস মানে কি তোমালোকে নিশ্চয় বুজি পোৱাঁ। কোনো কাল্পনিক ঘটনাক আশ্ৰয় কৰি অনেক চৰিত্ৰৰ সমাৱেশেৰে যত কাহিনীৰ ৰূপায়ন কৰা হয়, সেয়াই উপন্যাস (NOVEL)। অতীতৰ ঘটনাৱলী

বা বাস্তৱ কাহিনীৰ পটভূমিতো উপন্যাস ৰচিত হয়। অতীতৰ ঘটনা বা বাস্তৱ কাহিনী বা কাল্পনিক কাহিনী - যি পটভূমিয়েই নহওক, প্ৰত্যেকতে লেখকে নিজৰ কল্পনাশীলতাৰ সংযোজন ঘটায়। উপন্যাস মূলতঃ গদ্যত ৰচিত। তোমালোকে পঢ়া উপন্যাসবোৰত ভিন্ন ভিন্ন বিষয়-বস্তু, ভিন্ন ভিন্ন প্ৰকাশভংগী দেখিবলৈ পাইছাঁ নিশ্চয়। উপন্যাসক আমি সামাজিক উপন্যাস (SOCIAL NOVEL), ঐতিহাসিক উপন্যাস (HISTORICAL NOVEL), পৌৰাণিক উপন্যাস (MYTHOLOGICAL NOVEL), চৰিত্ৰ প্ৰধান উপন্যাস (NOVEL OF CHARACTER), কাহিনী প্ৰধান উপন্যাস (NOVEL OF PLOT) -ইত্যাদি ভিন ভিন ধৰণে ভগাব পাৰোঁ। তলৰ ৰেখাচিত্ৰটোৰ সহায়ত তোমালোকে উপন্যাসৰ শ্ৰেণীবিভাজনৰ এটা থূলমূল পৰিচয় পাবাঁ।




ওপৰৰ এই বিভাজনটো উপন্যাসৰ একেবাৰে ধৰা-বন্ধা বিভাজন নহয়। বৰ্তমানৰ সময়ছোৱাত নতুন বিষয়ৰ, নতুন প্ৰকাশভংগীৰ উপন্যাস ৰচিত হৈ আছে। তোমালোকে বৰ্তমান সময়ত প্ৰকাশ পোৱা দুই-চাৰিখন উপন্যাসত চকু ফুৰালেই এই কথা বুজি পাবাঁ। তোমালোকে এটা কথা সততে মনত ৰাখিবা যে, যি বিষয়ৰে উপন্যাস নহওক, আমি এখন সমাজৰ প্ৰতিফলন উপন্যাসত দেখিবলৈ পাওঁ। সেইবাবে উপন্যাসক বহুতে সমাজৰ দৰ্পণ আখ্যা দিছে।

**আত্মমূল্যায়ন -১**

ক) উপন্যাসৰ তিনিটা ভাগ লিখাঁ।

..........................................................................................

..........................................................................................

খ) উপন্যাসক সমাজৰ দৰ্পণ আখ্যা দিব পাৰি নে ?

..........................................................................................

..........................................................................................

তোমালোকে খণ্ড-৩-ত অৰুনোদই স্তৰৰ বিষয়ে পঢ়োঁতে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত অৰুনোদই সম্বাদপত্ৰৰ ভূমিকাৰ কথা গম পাইছাঁ। অৰুনোদই স্তৰতে অসমীয়া সাহিত্যৰ জগতত উপন্যাস ধৰ্মী কিছুমান ৰচনাই ভুমুকি মাৰিছিল। অৰুনোদই সম্বাদপত্ৰত ১৮৪৮ চনত নাথান ব্ৰাউনৰ *জাত্ৰিকৰ জাত্ৰা* নামৰ এটা লেখা প্ৰকাশিত হয়। এই লেখাটো জন বুনিয়নৰ 'PILGRIMS PROGRESS'-ৰ অসমীয়া ভাঙনি। তাৰ পৰৱৰ্তী সময়ত এ.কে. গাৰ্ণিৰ *কামিনীকান্ত* (১৮৭৭), শ্ৰীমতী গাৰ্ণিৰ *ফুলমণি আৰু কৰুণা* (১৮৭৭), কুমাৰী এম.ই. লেছলিৰ *এলোকেশী বেশ্যাৰ বিষয়* (১৮৭৭), এ.কে. গাৰ্ণিৰ *কানি বেহেৰুৱাৰ কথা* (১৮৭৮) আদি লেখা প্ৰকাশ পায়। এই লেখাসমূহ খ্ৰীষ্টধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে প্ৰকাশ কৰা কিছুমান আখ্যান মাত্ৰ। অৰুনোদই স্তৰত প্ৰকাশ পোৱা এই লেখাসমূহত উপন্যাসৰ প্ৰকৃত গভীৰতা আৰু বিস্তৃতি দেখিবলৈ পোৱা নাযায়। প্ৰচাৰধৰ্মী এই আখ্যানসমূহক আমি উপন্যাস-ধৰ্মী ৰচনা বুলিহে অভিহিত কৰিব পাৰোঁ।

খ্ৰীষ্টান মিছনেৰীসকলৰ বাহিৰেও অৰুনোদই স্তৰত কেইজনমান অসমীয়া লেখকেও সাহিত্য ৰচনাত ব্ৰতী হৈছিল। তোমালোকে খণ্ড-৩-ৰ গোট-২-ত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ বিষয়ে পাইছা। হেমচন্দ্ৰ বৰুৱাৰ **বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী** (১৮৭৬) নামৰ পুথিখনক আমি উপন্যাসধৰ্মী ৰচনাৰ শাৰীত থব পাৰোঁ। এই পুথিখনৰ বিষয়ে তোমালোকে খণ্ড-৩-ৰ গোট-২-ৰ জৰিয়তে অৱগত হৈছাহঁক। পুথিখনত এটা ব্যংগাত্মক কাহিনীৰ অৱলম্বনত সেই সময়ৰ সমাজক তীব্ৰ ভাষাৰে ব্যংগ কৰা হৈছে। এই সময়ছোৱাতে পদ্মাৱতী দেৱী ফুকননীৰ **সুধৰ্মাৰ**

**উপাখ্যান** (১৮৮৪) প্ৰকাশ পায়। এই পুথিখনত সজ আৰু অসজ মানুহৰ কাৰ্যৰ ফল দেখুৱাবলৈ যত্ন কৰা হৈছে আৰু ই ৰোমান্সধৰ্মী কাহিনীৰপৰা মুক্ত হব পৰা নাই। ১৮৮৫ চনত আসাম-বন্ধুৰ অষ্টম সংখ্যাত প্ৰকাশিত কৰুণাভিৰাম বৰুৱাৰ **প্ৰমীলা-**ও উপন্যাস-ধৰ্মী ৰচনাৰ নিদৰ্শনহে। তোমালোকে অসমীয়া উপন্যাস সংক্ৰান্তীয় বিভিন্ন কিতাপত এই পুথিসমূহক অসমীয়া উপন্যাস সাহিত্যৰ নিদৰ্শণ বুলিও পঢ়িবলৈ পাবা। কোনো কোনো আলোচকে **বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী** আৰু আন কোনোবাই **সুধৰ্মাৰ উপাখ্যান** প্ৰথমখন অসমীয়া উপন্যাস বুলি উল্লেখ কৰাও পাবা। কিন্তু এটা কথা তোমালোকে সততে মনত ৰাখিবা যে, এই পুথিসমূহ অসমীয়া সাহিত্যৰ উপন্যাস-ধৰ্মী ৰচনাৰ নিদৰ্শনহে, প্ৰকৃত উপন্যাস নহয়। অৰুনোদই স্তৰ আৰু তাৰ পৰৱৰ্তী সময়ছোৱাত ৰচিত হোৱা উপন্যাস-ধৰ্মী এই ৰচনাসমূহে প্ৰকৃত অসমীয়া উপন্যাস সৃষ্টিৰ পটভূমি তৈয়াৰ কৰি দিলে। অসমীয়া সাহিত্যৰ জগতত অৰুনোদই স্তৰৰ এই উপন্যাস-ধৰ্মী আখ্যানসমূহৰ গইনা লৈয়েই জোনাকী যুগত অসমীয়া উপন্যাস সাহিত্যই জন্ম আৰু বিকাশ লাভ কৰিবলৈ সমৰ্থ হ'ল। এই বিষয়ে অধিক জানিবলৈ তোমালোকে সত্যেন্দ্ৰ নাথ শৰ্মাৰ **অসমীয়া উপন্যাসৰ ভূমিকা** আৰু নগেন ঠাকুৰে সম্পাদনা কৰা **এশ বছৰৰ অসমীয়া উপন্যাস** কিতাপ দুখন পঢ়ি চাব পাৰাঁ।

**আত্মমূল্যায়ন - ২**

ক) অৰুনোদই সম্বাদপত্ৰত কিমান চনত জাত্ৰিকৰ জাত্ৰা প্ৰকাশ পাইছিল ?

.............................................................................................................

.............................................................................................................

খ) সুধৰ্মাৰ উপাখ্যান পুথিখনৰ ৰচক কোন ?

.............................................................................................................

.............................................................................................................

গ) প্ৰমীলা কিমান চনত কত প্ৰকাশ পাইছিল ?

.............................................................................................................

.............................................................................................................

অতপৰে তোমালোকে অসমীয়া উপন্যাস সাহিত্যৰ সূচনাৰ পৰিৱেশ এটা কেনেদৰে গঢ় লৈ উঠিছিল, সেয়া গম পালা। এতিয়া তোমালোকৰ সৈতে অসমীয়া উপন্যাস সাহিত্যৰ আৰম্ভণিৰ বিষয়ে আলোচনা কৰিম। ‘জোনাকী’ আলোচনীয়ে আধুনিক অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত যে নতুন বাতাৱৰণৰ সূচনা কৰিছিল, তাক তোমালোকে গোট -১-ত পাইছা। জোনাকী আলোচনীৰ তৃতীয় বছৰৰ প্ৰথম সংখ্যাৰপৰা অৰ্থাৎ ১৮৯১ খ্ৰীষ্টাব্দৰ জানুৱাৰী-ফেব্ৰুৱাৰী সংখ্যাৰপৰা লক্ষ্মীনাথ বেজবৰুৱাৰ **পদ্মকুমাৰী** উপন্যাস ধাৰাবাহিকভাবে প্ৰকাশ পায়। ‘জোনাকী’ আলোচনীৰ প্ৰায় সমসাময়িকভাবে পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত ‘বিজুলী’ (১৮৯০) আলোচনী প্ৰকাশ পায়। বিজুলী আলোচনীৰ পাতত ১৮৯০-৯৯ খ্ৰীষ্টাব্দত পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী* ধাৰাবাহিকভাবে প্ৰকাশ পায়। লক্ষ্মীনাথ বেজবৰুৱাৰ **পদ্মকুমাৰী** উপন্যাসখন ১৯০৫ চনত পুথি আকাৰে প্ৰকাশ পায়। ‘জোনাকী’ আলোচনীত **পদ্মকুমাৰী** নামেৰে প্ৰকাশ পোৱা উপন্যাসখন পুথি আকাৰত ছপা হওঁতে **পদুম কুঁৱৰী** নামেৰে ছপা হয়। **ভানুমতী**-ক প্ৰথমখন অসমীয়া উপন্যাস আখ্যা দিয়া হৈছে। আনহাতে পদ্মনাথ গোহাঞিবৰুৱাৰ **লাহৰী** উপন্যাসখন ১৮৯২ চনত পুথি আকাৰে প্ৰকাশ পায়। তোমালোকে এই দুটা কথা মনত ৰাখিবা যে, প্ৰথমখন অসমীয়া উপন্যাস হ’ল পদ্মানাথ গোহাঞিবৰুৱাৰ **ভানুমতী** আৰু পুথি আকাৰত প্ৰকাশ পোৱা প্ৰথমখন অসমীয়া উপন্যাস হ’ল পদ্মনাথ গোহাঞিবৰুৱাৰে **লাহৰী**।

আৰম্ভণিৰ এই সময়ছোৱাত পদ্মনাথ গোহাঞিবৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ বাহিৰে আনকেইজনমান লেখকেও উপন্যাস ৰচনাত ব্ৰতী হৈছিল। ১৮৯৪ চনত ৰজনীকান্ত বৰদলৈৰ **মিৰি-জীয়ৰী** উপন্যাস প্ৰকাশ পায়। মিছিং জনজাতিৰ সমাজ-জীৱনক কেন্দ্ৰ কৰি ৰচনা কৰা **মিৰি-জীয়ৰী** প্ৰথমখন অসমীয়া সামাজিক উপন্যাসা। এইখিনি সময়তে প্ৰকাশ পোৱা আনকেইখনমান উপন্যাসৰ নিদৰ্শন হ’ল ১৮৯২ খ্ৰীষ্টাব্দত ‘বিজুলী’ত ধাৰাবাহিকভাবে প্ৰকাশ পোৱা নীলকন্ঠ বৰুৱাৰ **মেম**, হৰেশ্বৰ শৰ্মা বৰুৱাৰ ১৮৯৮ খ্ৰীষ্টাব্দত প্ৰকাশিত **কুসুম-কুমাৰী**, মহীৰাম দাসৰ ১৮৯৮ খ্ৰীষ্টাব্দত প্ৰকাশিত **হৰিদেউ কানীয়াৰ কথা** ইত্যাদি। এনেদৰে ঊনবিংশ শতিকাৰ শেষৰ দশকটোত প্ৰকৃত উপন্যাসৰ গুণেৰে সমৃদ্ধ অসমীয়া উপন্যাস সাহিত্যৰ পূৰ্ণ বিকাশৰ পথ এইকেইখন উপন্যাসেই প্ৰশস্ত কৰি তুলিলে।

**আত্মমূল্যায়ন ঃ ৩**

ক) প্ৰথম অসমীয়া সামাজিক উপন্যাস কোনখন ?

.................................................................................................................................

.................................................................................................................................

খ) পুথি আকাৰে প্ৰকাশ পোৱা প্ৰথমখন অসমীয়া উপন্যাস কি ?

.................................................................................................................................

.................................................................................................................................

গ) ভানুমতী উপন্যাসখন কোন আলোচনীত প্ৰকাশ পাইছিল ?

.................................................................................................................................

.................................................................................................................................

### ২.২.২ জোনাকী যুগৰ অসমীয়া উপন্যাস ঃ

আৰম্ভণি পৰ্যায়ৰ অসমীয়া উপন্যাসৰ বিষয়ে তোমালোকৰ সৈতে ইতিমধ্যে আলোচনা কৰিলোঁ। এতিয়া আমি জোনাকী যুগৰ অসমীয়া উপন্যাসৰ বিষয়ে আলোচনা কৰিম। ওপৰত উল্লেখ কৰি অহা উপন্যাসসমূহ জোনাকী যুগতে ৰচিত হৈছিল। জোনাকী যুগটো হৈছে অসমীয়া উপন্যাস সাহিত্যৰ উদ্ভৱৰ সময়, এই কথা তোমালোকে বুজি উঠিছাঁ নিশ্চয়। জোনাকী যুগত কেনেধৰণৰ উপন্যাস ৰচিত হৈছিল, জোনাকী যুগৰ উপন্যাসৰ বিশেষত্ব কেনেকুৱা, জোনাকী যুগৰ উপন্যাস সাহিত্যৰ বিকাশত কোনে কোনে কেনেধৰণে অৱদান আগবঢ়াইছিল - আদি বিষয়বোৰ এতিয়া আমি আলোচনা কৰিম। গোট-১-ত তোমালোকে যিসকল কবি, নাট্যকাৰৰ নাম পাইছা, সেইসকলৰ ভালেসংখ্যকে উপন্যাসো ৰচনা কৰিছিল। কেইজনমান লেখকে কেৱল উপন্যাস ৰচনা কৰিছে। এই কথাবোৰ আমি এতিয়া বিচাৰ কৰি চাওঁ আহাঁচোন -

### ২.২.২.১ জোনাকী যুগৰ অসমীয়া উপন্যাসৰ বিশেষত্ব ঃ

তোমালোকে এটা কথা ইতিমধ্যে বুজি উঠিছা যে জোনাকী যুগটো হৈছে অসমীয়া উপন্যাস সাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ যুগ। প্ৰকৃত অসমীয়া উপন্যাস সাহিত্যৰ সূচনা জোনাকী যুগতে হৈছিল। জোনাকী যুগৰ উপন্যাসসমূহে অসমীয়া উপন্যাস সাহিত্যৰ আৰম্ভণি সময়ছোৱাৰ নিদৰ্শণ বহন কৰি আহিছে। বস্তু এটা

পোন-প্ৰথমে আৰম্ভ হওঁতে একেবাৰে নিখুঁত নিশ্চয় নহয়। জোনাকী যুগৰ উপন্যাসসমূহো উপন্যাসৰ তাত্ত্বিক আৰু গাঁথনিক দিশৰপৰা একেবাৰে নিখুঁত নাছিল। বিভিন্ন দুৰ্বলতা জোনাকী যুগ ৰচিত উপন্যাসসমূহত আমি দেখিবলৈ পাওঁ। তথাপি জোনাকী যুগত ৰচিত হোৱা উপন্যাসসমূহক আমি উলাই কৰিব নোৱাৰোঁ। অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ উপন্যাসসমূহৰ গুৰুত্ব আজিও আছে আৰু সদায়ে থাকিব। কিয়নো জোনাকী যুগৰ উপন্যাসসমূহেই অসমীয়া উপন্যাস সাহিত্যৰ ভেটিটো গঢ় লৈ উঠাৰ লগতে টনকিয়াল হৈ উঠাত সহায় কৰিলে। জোনাকী যুগত প্ৰধানকৈ ঐতিহাসিক আৰু সামাজিক উপন্যাসেই প্ৰধানকৈ ৰচিত হৈছিল। জনজাতীয় জীৱনক অৱলম্বন হিচাপে লৈও জোনাকী যুগত উপন্যাস ৰচিত হৈছিল। এই কথা তোমালোকে ইতিমধ্যে পাই আহিছা। এতিয়া আমি জোনাকী যুগত ৰচিত হোৱা উপন্যাসসমূহত কেনেধৰণৰ বিশেষত্ব দেখা যায়, সেই বিষয়ে আলোচনা কৰিম। সময়ৰ সলনিৰ লগে লগে সাহিত্যৰো বিষয়-বস্তু, ৰূপ আদিৰ সলনি হয়। তোমালোকে ভিন ভিন সময়ত প্ৰকাশ পোৱা দুই-চাৰিখন উপন্যাস বা অন্যান্য কিতাপ পঢ়ি চালেই এই কথা বুজি উঠিবা। জোনাকী যুগত অসমীয়া কবিতাৰ জগতখনত ৰোমান্টিক কবিতাই বেছিকৈ ৰচিত হৈছিল। কিন্তু বৰ্তমান সময়ত ৰোমান্টিক ভাবধাৰাৰ কবিতা ৰচিত হোৱাটো কমি আহিছে। জোনাকী যুগৰ কবিতা আৰু নাটকৰ বিষয়ে পঢ়োঁতে এই কথাখিনি তোমালোকে পাই আহিছাঁ। এতিয়া আমি জোনাকী যুগৰ অসমীয়া উপন্যাসৰ বিশেষত্ববোৰনো কেনেধৰণৰ তাৰ বিচাৰ কৰি চাওঁ আহাঁচোন -

- জোনাকী যুগত ৰচিত হোৱা সৰহসংখ্যক উপন্যাসেই আছিল ঐতিহাসিক। জোনাকী যুগৰ ঔপন্যাসিকসকলৰ অতীত ঐতিহ্যৰ প্ৰতি আকৰ্ষণ আছিল। অতীতৰ ঐতিহ্যক আকৰ্ষণীয় ৰূপত উপন্যাসৰ মাজত উপস্থাপন কৰি সমাজক অতীত জীৱনৰ গৌৰৱময় দিশসমূহৰ প্ৰতি সমাজৰ সৃষ্টি আকৰ্ষণ কৰিব বিচাৰছিল। পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, ৰজনীকান্ত বৰদলৈ আদি ঔপন্যাসিকসকলৰ লগতে বাকীসকল ঔপন্যাসিকৰ উপন্যাসতো অতীতৰ প্ৰতি অনুৰাগ আমি দেখিবলৈ পাওঁ।

- জোনাকী যুগটো আছিল প্ৰকৃততে ৰোমান্টিকতাৰ যুগ। ৰোমান্টিকতাৰ বিষয়ে তোমালোকে জোনাকী যুগৰ কবিতা আৰু নাটক গোটটোত পাই আহিছা। জোনাকী যুগৰ উপন্যাসসমূহত মানবীয় প্ৰেমৰ কাহিনী আৰু ঘটনাৰ বিৱৰণ আমি

দেখিবলৈ পাওঁ। ৰোমান্টিক কল্পনাৰ প্ৰকাশ জোনাকী যুগত ৰচিত উপন্যাসসমূহত দেখিবলৈ পাওঁ।

● সাহিত্যৰ লগত সংস্কাৰৰ ধাৰণা এটা সততে জড়িত হৈ থাকে। জোনাকী যুগৰ উপন্যাসসমূহত সংস্কাৰধৰ্মী মনোভাৱে ফুটি উঠা আমি দেখিবলৈ পাওঁ। দণ্ডিনাথ কলিতা আৰু দৈৱচন্দ্ৰ তালুকদাৰৰ উপন্যাসসমূহত সংস্কাৰ ধৰ্মী মনোভাৱে বিশেষ গুৰুত্ব পোৱা আমি দেখিবলৈ পাওঁ।

● জোনাকী যুগত ৰচিত হোৱা সৰহসংখ্যক উপন্যাসতেই নাৰী-চৰিত্ৰই প্ৰধান গুৰুত্ব পাইছিল। নাৰী চৰিত্ৰৰ গুৰুত্ব জোনাকী যুগত ৰচিত হোৱা উপন্যাসসমূহৰ অন্যতম বিশেষত্ব। এই সময়ছোৱাত ৰচিত হোৱা সৰহসংখ্যক উপন্যাসৰ নামকৰণো নাৰী চৰিত্ৰক ভিত্তি কৰিয়েই কৰা হৈছিল। পদ্মনাথ গোহাঞিবৰুৱাৰ **লাহৰী, ভানুমতী** লক্ষ্মীনাথ বেজবৰুৱাৰ **পদুম কুঁৱৰী**, ৰজনীকান্ত বৰদলৈৰ **ৰঙ্গিলী, মনোমতী, ৰহদৈ লিগিৰী**, দণ্ডিনাথ কলিতাৰ **ফুল**, - আদি নামকৰণসমূহে এই কথা স্পষ্ট কৰি তোলে। নাৰী চৰিত্ৰক উপন্যাসসমূহত বিশেষ গুৰুত্ব দিয়াৰ মাজেৰে নাৰীয়ে নিজস্বভাৱে আত্ম পৰিচয় প্ৰতিষ্ঠা কৰাৰ চেষ্টা দেখিবলৈ পাওঁ। পৰম্পৰাগত নীতি আৰু মূল্যবোধক সন্মান কৰিও জোনাকী যুগত ৰচিত উপন্যাসসমূহৰ নাৰী-চৰিত্ৰসমূহে নিজৰ অৱস্থিতি প্ৰকাশ কৰা দেখিবলৈ পাওঁ।

● এই সময়ছোৱাত ৰচিত হোৱা উপন্যাসসমূহ গাঁথনিক দিশৰপৰা শিথিল আছিল। বৰ্ণনা -ৰীতিৰ জড়তা আমি উপন্যাসসমূহত দেখিবলৈ পাওঁ। আৰম্ভণি পৰ্যায়ৰ উপন্যাস হিচাপে জোনাকী যুগৰ উপন্যাসসমূহ কাহিনীৰ গতিত জড়তা আৰু শিথিলতা থকাটো স্বাভাৱিক।

● জোনাকী যুগৰ উপন্যাসসমূহত স্বদেশ-প্ৰীতি আৰু জাতীয় চেতনাৰ প্ৰকাশে বিশেষ গুৰুত্ব পোৱা আমি দেখিবলৈ পাওঁ। উপন্যাসৰ কাহিনীৰ বাবে প্ৰধানকৈ অতীতৰ ঘটনাৱলীক গ্ৰহণ কৰাৰ মূল কাৰণটোও আছিল জাতীয়তোবাধৰ সৃষ্টি। কাৰণ সেইসময়ত অসম ইংৰাজৰ অধীনত আছিল, আৰু অসমীয়া ভাষাটো সেই সময়ত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিল। এই কথাবোৰ তোমালোকে বিভিন্ন কিতাপত বিস্তৃতভাৱে পঢ়িবলৈ পাবা। উপন্যাসৰ জৰিয়তে জাতীয়তাবোধ জগাই তোলা জোনাকী যুগৰ ঔপন্যাসিকসকলৰ অন্যতম লক্ষ্য আছিল। জাতীয়তাবোধ আৰু স্বদেশ-প্ৰীতি মনোভাৱৰ গুৰুত্ব জোনাকী যুগত ৰচিত উপন্যাসসমূহৰ আন এক বিশেষত্ব।

- উপন্যাসৰ কাহিনীভাগৰ সৈতে পাঠকক একাত্ম কৰি তুলিবলৈ ঔপন্যাসিকে সূত্ৰধাৰী ভূমিকা গ্ৰহণ কৰাও জোনাকী যুগৰ উপন্যাসসমূহত দেখিবলৈ পোৱা যায়। ৰজনীকান্ত বৰদলৈ, পদ্মনাথ গোহাঞিবৰুৱা আদি ঔপন্যাসিক সকলে প্ৰিয় পাঠক বুলি সম্বোধন কৰিও উপন্যাসৰ কাহিনীৰ আৰম্ভ কৰিছে। অংকীয়া ভাওনাবোৰত সূত্ৰধাৰে 'আহে সামাজিক লোক' বুলি দৰ্শকসকলক সম্বোধন কৰি লোৱা তোমালোকে ভাওনা চাওঁতে নিশ্চয় দেখিছাঁ। এই কৌশলৰ ব্যৱহাৰ জোনাকী যুগৰ উপন্যাসসমূহৰ আন এটা বিশেষত্ব।

- বিয়োগাত্মক সামৰণি জোনাকী যুগৰ উপন্যাসসমূহৰ অন্যতম বিশেষত্ব। জোনাকী যুগৰ প্ৰায়বোৰ উপন্যাসতে নায়ক-নায়িকাৰ হয় মৃত্যু ঘটিছে, নহয় বিচ্ছেদ ঘটিছে। লক্ষ্মীনাথ বেজবৰুৱাৰ **পদুম কুঁৱৰী**, ৰজনীকান্ত বৰদলৈৰ **মিৰি-জীয়ৰী**, পদ্মনাথ গোহাঞিবৰুৱাৰ **ভানুমতী** আদি উপন্যাসমূহত নায়ক-নায়িকাৰ মৃত্যু ঘটিছে। চৰিত্ৰসমূহৰ মৃত্যুৰ বৰ্ণনা লক্ষ্মীনাথ বেজবৰুৱাৰ **পদুম-কুঁৱৰী** উপন্যাসত ইমানেই বেছি আছিল যে লম্বোদৰ বৰাই 'বিজুলী' আলোচনীত **পদুম কুঁৱৰী**ৰ বিষয়ে উপন্যাস নে আত্মহত্যা -বুলি এটা চোকা সমালোচনা লেখিছিল।

- জোনাকী যুগৰ কিছুসংখ্যক উপন্যাসত অস্বাভাৱিক বা অতিপ্ৰাকৃত পৰিৱেশে গুৰুত্ব পোৱা দেখিবলৈ পোৱা যায়। প্ৰধানকৈ ৰজনীকান্ত বৰদলৈৰ **তাম্ৰেশ্বৰী মন্দিৰ, মিৰি-জীয়ৰী** আদি উপন্যাসত অলৌকিক পৰিৱেশৰ বৰ্ণনা আমি দেখিবলৈ পাওঁ। পদ্মনাথ গোহাঞিবৰুৱা বা লক্ষ্মীনাথ বেজবৰুৱাৰ উপন্যাসতো আমি এই বিশেষত্ব দেখা পাওঁ।

ইমান সময়ে আমি জোনাকী যুগৰ উপন্যাসসমূহৰ বিশেষত্বসমূহৰ বিষয়ে আলোচনা কৰিলোঁ। তোমালোকে যদি ৰজনীকান্ত বৰদলৈ, পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদি ঔপন্যাসিকসকলৰ উপন্যাসসমূহৰ লগতে বাকীসকল ঔপন্যাসিকৰো উপন্যাসসমূহ পঢ়ি চোৱাঁ তেতিয়া এই কথাবোৰ বেছি ভালদৰে বুজি উঠিব পাৰিবা। সময় আৰু সুবিধা পালে তোমালোকে জোনাকী যুগত ৰচিত হোৱা উপন্যাসসমূহ পঢ়ি চাবাচোন। তেতিয়া তোমালোকৰ জোনাকী যুগৰ অসমীয়া উপন্যাসৰ বিষয়ে কথাখিনি বেছি ফট-ফটীয়া হৈ পৰিব।

**আত্মমূল্যায়ন ঃ ৪**

ক) জোনাকী যুগৰ উপন্যাসসমূহৰ তিনিটা বিশেষত্ব লিখাঁ।

........................................................................................................

........................................................................................................

খ) সচাঁ নে মিছা কোৱাঁ আৰু যদি মিছা হয় শুদ্ধকৈ লিখাঁ।

অ) জোনাকী যুগত ঐতিহাসিক উপন্যাস ৰচিত হৈছিল।

আ) জোনাকী যুগৰ কোনো উপন্যাসতে নাৰী চৰিত্ৰই গুৰুত্ব পোৱা নাছিল।

ই) **পদুম কুঁৱৰী** ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা উপন্যাস।

........................................................................................................

........................................................................................................

### ২.২.২.২ জোনাকী যুগত ৰচিত অসমীয়া ঐতিহাসিক উপন্যাস ঃ

অতপৰে জোনাকী যুগৰ উপন্যাসৰ বিশেষত্বৰ বিষয়ে আলোচনা কৰিলোঁ। জোনাকী যুগৰ উপন্যাসৰ বিশেষত্বৰ কথা আলোচনা কৰোঁতে আমি পাইছিলোঁ যে জোনাকী যুগত ঐতিহাসিক আৰু সামাজিক উপন্যাসেই প্ৰধানভাৱে ৰচিত হৈছিল। জোনাকী যুগত ঐতিহাসিক উপন্যাস বেছিকৈ ৰচিত হৈছিল। ইয়াৰ কাৰণ হিচাপে আমি সেই সময়ৰ সমাজ-ব্যৱস্থাৰ কথা কব পাৰোঁ। সামাজিক ৰীতি-নীতি আৰু প্ৰবল অনুশাসনে সেই সময়ৰ সমাজক বান্ধি ৰাখিছিল। ফলত ব্যক্তিগত জীৱন-চৰ্যা, মনোজগতৰ ঘাত-প্ৰতিঘাত আদিবোৰে উপন্যাসৰ কাহিনীক ঠাই পোৱা নাছিল। তদুপৰি পৰাধীন জাতি এটাৰ স্বদেশ-প্ৰেম আৰু জাতীয়তাবোধৰ ভাব জাগ্ৰত কৰি তুলিবলৈ ইতিহাসৰ গৌৰৱপূৰ্ণ কাহিনীক পুনৰ প্ৰচাৰ কৰাত ঔপন্যাসিকসকলে গুৰুত্ব দিছিল। সেইবাবে জোনাকী যুগৰ ঔপন্যাসিকসকলে উপন্যাসৰ কাহিনীৰ বাবে ইতিহাসৰ ঘটনাৱলীক গ্ৰহণ কৰিছিল। ফলস্বৰূপে জোনাকী যুগত ঐতিহাসিক উপন্যাস বেছিকৈ ৰচিত হৈছিল।

জোনাকী যুগৰ প্ৰথম যি তিনিখন উপন্যাসৰ কথা আমি পাইছোঁ পদ্মনাথ গোহাঞিবৰুৱাৰ **ভানুমতী** আৰু **লাহৰী**, লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* - এই উপন্যাস তিনিখনৰ কাহিনীও ইতিহাসৰপৰাই লোৱা। কিন্তু এই উপন্যাস তিনিখনত

ইতিহাসৰ ঘটনাতকৈ কল্পনাই বেছি গুৰুত্ব পালে। তদুপৰি পদ্মনাথ গোহাঞি বৰুৱাই নিজে **ভানুমতী** আৰু **লাহৰী** ক পাৰিবাৰিক বুলিহে উল্লেখ কৰিছে। গতিকে এই উপন্যাসকেইখনক প্ৰকৃত ঐতিহাসিক উপন্যাস বুলি ক'ব পৰা নাযায়। অসমীয়া উপন্যাস সাহিত্যৰ জগতত প্ৰকৃত ঐতিহাসিক উপন্যাস ৰচনা কৰা ব্যক্তিজন হ'ল ৰজনীকান্ত বৰদলৈ (১৮৬৯-১৯৩৯)। ১৯০০ চনত ৰজনীকান্ত বৰদলৈৰ **মনোমতী** উপন্যাস প্ৰকাশ পায়। **মনোমতী**ৰ পৰাই প্ৰকৃত অসমীয়া ঐতিহাসিক উপন্যাসৰ পৰম্পৰা আৰম্ভ হয় বুলি আমি কব পাৰোঁ। এতিয়া আমি ৰজনীকান্ত বৰদলৈৰ ঐতিহাসিক উপন্যাসসমূহৰ বিষয়ে আলোচনা কৰোঁ আহাঁচোন -

কলিকতাৰপৰা শিক্ষা-গ্ৰহণ কৰি অহাৰ পাছত ৰজনীকান্ত বৰদলৈয়ে উপন্যাস ৰচনা কৰা কামত লাগি পৰে। তেওঁৰ প্ৰথমখন উপন্যাস **মিৰি-জীয়ৰী** (১৮৯৪)-ৰ বিষয়-বস্তু মিছিং জন-জীৱনৰপৰা গ্ৰহণ কৰিছিল। **মিৰি-জীয়ৰী**ৰ পাছত তেওঁ আঠখনকৈ ঐতিহাসিক উপন্যাস ৰচনা কৰে। এনেদৰে ৰজনীকান্ত বৰদলৈয়ে অসমীয়া ঐতিহাসিক উপন্যাসৰ ভেটিটো সবল কৰি তোলে। ইংৰাজী সাহিত্যত ছাৰ উইলিয়াম স্কটে যিদৰে এলানি ঐতিহাসিক উপন্যাস ৰচনাৰে ইংৰাজী উপন্যাস সাহিত্যক সমৃদ্ধশালী কৰি তুলিছিল, একেদৰে অসমীয়া ঐতিহাসিক উপন্যাস সাহিত্যক ৰজনীকান্ত বৰদলৈয়ে সমৃদ্ধশালী কৰি তুলিছিল। সেইবাবে ৰজনীকান্ত বৰদলৈক অসমীয়া স্কট আখ্যা হয়। অসমীয়া উপন্যাস সাহিত্যক বিশেষ বিস্তৃতি দান কৰাৰ বাবে ৰজনীকান্ত বৰদলৈকে 'উপন্যাস সম্ৰাট' আখ্যা দিয়া হৈছে।

ঐতিহাসিক উপন্যাসেই হওক বা নাটকেই হওক - ইতিহাসক মাথোঁ কাহিনীৰ অৱলম্বন হিচাপেহে লোৱা হয়। ইতিহাসৰ যথাযথ উপস্থাপন ঐতিহাসিক উপন্যাস বা নাটকত নাথাকে। কল্পনাৰ সহায়েৰে ইতিহাসৰ সেই সময়ৰ বিশ্বাসযোগ্য ছবি এখন পাঠকৰ সন্মুখত তুলি ধৰিবলৈ ঔপন্যাসিক বা নাট্যকাৰে প্ৰয়াস কৰে। ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা ঐতিহাসিক উপন্যাসসমূহ হ'ল - **মনোমতী** (১৯০০), **ৰঙ্গিলী** (১৯২৫), **ৰাধা-ৰুক্মিণীৰ ৰণ** (১৯২৫), **নিৰ্মল ভকত** (১৯২৬), **তাম্ৰেশ্বৰী মন্দিৰ** (১৯২৬), **দন্দুৱা দ্ৰোহ** (১৯২৯), **ৰহদৈ লিগিৰী** (১৯৩০) আৰু **থাম্বা-থুইবীৰ সাধু** (১৯৩২)। ৰজনীকান্ত বৰদলৈৰ **ৰাধা-ৰুক্মিণীৰ ৰণ** ১৯২৫ চনত 'আসাম হিতৈষী' কাকতত ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। **থাম্বা-থুইবীৰ সাধু** 'আৱাহন' আলোচনীত প্ৰকাশ পাইছিল। মণিপুৰৰ এটা প্ৰচলিত লোক-কথাক

অৱলম্বন হিচাপে লৈ ৰচনা কৰা এই পুথিখনক প্ৰকৃত ঐতিহাসিক উপন্যাস বুলি কব নোৱাৰি। ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা ঐতিহাসিক উপন্যাস আঠখন বুলিয়েই তোমালোকে মনত ৰাখিবা।

ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা ঐতিহাসিক উপন্যাসকেইখনত অসম বুৰঞ্জীৰ মানৰ আক্ৰমণ, মোৱামৰীয়া বিদ্ৰোহ, দন্দুৱা দ্ৰোহ আদি বিষয়বোৰে ঠাই পাইছে। **মনোমতী** উপন্যাসখনত মানৰ তৃতীয় আক্ৰমণৰ ঘটনাৱলীয়ে ঠাই পাইছে। মনোমতী আৰু লক্ষ্মীকান্তৰ প্ৰণয়-কাহিনী আৰু ক্ষমতাবান লোকৰ ব্যক্তিগত আঁৰিয়া-আঁৰি আৰু ৰাজনৈতিক পৰিস্থিতিয়ে এওঁলোকৰ প্ৰেমত জন্মোৱা বাধা-নিষেধৰ কথা বৰ্ণিত হৈছে। মানৰ প্ৰথম অসম আক্ৰমণ আৰু পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ ৰাজমন্ত্ৰিত্বৰ অন্তিম সময়ছোৱাৰ পটভূমিত **ৰঙ্গিলী** উপন্যাসখন ৰচনা কৰিছে। *নিৰ্মল ভকত* উপন্যাসখনত মানৰ তৃতীয় অসম আক্ৰমণৰ ঘটনাৱলীয়ে গুৰুত্ব পাইছে। মানৰ প্ৰথম আক্ৰমণৰ সময়ছোৱাক পটভূমি হিচাপে লৈ ৰজনীকান্ত বৰদলৈয়ে **ৰহদৈ লিগিৰী** উপন্যাসখন ৰচনা কৰিছে। এইখন এখন বৃহৎ কলেৱৰৰ উপন্যাস। উপন্যাসখন তিনিটা খণ্ডত বিভক্ত। প্ৰথম খণ্ডত ৰহদৈ-দয়াৰামৰ প্ৰণয়, চন্দ্ৰকান্ত সিংহৰ ৰহদৈৰ প্ৰতি আসক্তি, ৰহদৈ-দয়াৰামৰ বিচ্ছেদ দ্বিতীয় খণ্ডত তান্ত্ৰিক যোগীৰ অধীনত ৰহদৈৰ আধ্যাত্মিক সাধনা আৰু তৃতীয় খণ্ডত ৰহদৈয়ে বৈষ্ণৱী দাসীৰ ৰূপ ধাৰণ কৰি মানৰ আক্ৰমণৰ বিৰুদ্ধে অসমৰ ইমূৰৰপৰা সিমূৰলৈ ৰাইজক নৈতিকভাৱে শক্তিশালী কৰি তোলাৰ কথা বৰ্ণিত হৈছে। শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ নৰবলি প্ৰথা আৰু মানৰ শেৰ অসম আক্ৰমণ - এই দুই বিষয়ক অবলম্বন কৰি **তাম্ৰেশ্বৰী মন্দিৰ** উপন্যাসৰ পটভূমি আৰু পৰিস্থিতিৰ ৰচনা কৰিছে। **দন্দুৱাদ্ৰোহ** উপন্যাসখন কামৰূপৰ হৰদত্ত আৰু বীৰদত্তৰ বিদ্ৰোহৰ ভেটিত ৰচনা কৰিছে। হৰদত্ত আৰু বীৰদত্তৰ নেতৃত্বত বদন চন্দ্ৰ বৰফুকনৰ বিৰুদ্ধে হোৱা বিদ্ৰোহৰ কথা **দন্দুৱা-দ্ৰোহ** উপন্যাসত বৰ্ণিত হৈছে। মোৱামৰীয়া বিদ্ৰোহৰ ঘটনাৱলীক বিষয়-বস্তু হিচাপে লৈ ৰজনীকান্ত বৰদলৈয়ে **ৰাধা ৰুক্মিণীৰ ৰণ** উপন্যাসখন ৰচনা কৰিছে।

আমি ইমান সময়ে ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা ঐতিহাসিক উপন্যাসসমূহৰ বিষয়-বস্তু কি- সেই বিষয়ে কথা পাতিলোঁ। ৰজনীকান্ত বৰদলৈৰ ঐতিহাসিক উপন্যাসসমূহত কিছুমান বিশেষত্ব আমি দেখিবলৈ পাওঁ। সেইবোৰ আমি তলত দিয়াধৰণে দেখুৱাব পোৰোঁ -

- ৰজনীকান্ত বৰদলৈৰ প্ৰায়বোৰ উপন্যাস নাৰী-চৰিত্ৰকেন্দ্ৰিক। নাৰী-চৰিত্ৰসমূহে বৰদলৈৰ উপন্যাসত বৈশিষ্ট্যপূৰ্ণ গুৰুত্ব পাইছে।
- ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহৰ বিষয়-বস্তু অসম-বুৰঞ্জীৰ উল্লেখযোগ্য ঘটনা কিছুমান। মানৰ অসম আক্ৰমণ, মোৱামৰীয়া বিদ্ৰোহ, দন্দুৱা-দ্ৰোহ আদি বুৰঞ্জীৰ দিশ সলনি কৰি দিয়া বিষয়সমূহে ৰজনীকান্ত বৰদলৈৰ উপন্যাসত ঠাই পাইছে।
- নায়ক-নায়িকা বা অন্যান্য চৰিত্ৰসমূহৰ প্ৰণয়-কাহিনীৰ ক্ষেত্ৰত নৈতিকতাৰ দিশটোত বিশেষ গুৰুত্ব দিয়া বৰদলৈৰ উপন্যাসসমূহত দেখা যায়।
- কাহিনীৰ বিকাশৰ ক্ষেত্ৰত প্ৰেমৰ প্ৰতিবন্ধকৰূপে বৰদলৈয়ে প্ৰেমৰ প্ৰতিদ্বন্দ্বী সৃষ্টি কৰি, ঐতিহাসিক দুৰ্যোগৰ অৱতাৰণা কৰি আৰু পৰিয়ালৰ বংশগত বা মৰ্যাদাগত বিৰোধ প্ৰদৰ্শন কৰি সংঘাত সৃষ্টিৰ প্ৰয়াস কৰিছে।
- ঐতিহাসিক ঘটনাক বিষয়-বস্তু হিচাপে গ্ৰহণ কৰিলেও ঐতিহাসিক চৰিত্ৰতকৈ কাল্পনিক চৰিত্ৰই ৰজনীকান্ত বৰদলৈৰ উপন্যাসত বেছি প্ৰাধান্য পাইছে। **দন্দুৱা দ্ৰোহ** আৰু **ৰাধা-ৰুক্মিণীৰ ৰণ** উপন্যাসতহে ঐতিহাসিক চৰিত্ৰই গুৰুত্ব পাইছে।
- অলৌকিক পৰিৱেশৰ চিত্ৰণ ৰজনীকান্ত বৰদলৈৰ উপন্যাসত দেখা যায়।
- পাঠকৰ সৈতে একাত্ম হবলৈ ঔপন্যাসিকে সূত্ৰধাৰী ভূমিকা অবলম্বন কৰাও দেখা যায়।

ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহত ওপৰত উল্লেখ কৰা দিশসমূহেই আমি দেখিবলৈ পাওঁ। প্ৰধানকৈ জাতীয়তাবোধ ভাবৰ সূচনা কৰিবলৈকে ৰজনীকান্ত বৰদলৈয়ে উপন্যাস ৰচনা কৰিছিল - এই কথা আমি আগতেই আলোচনা কৰি আহিছোঁ। তোমালোকে সুযোগ আৰু সময় পালে ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহ নপঢ়াকৈ নাথাকিবাঁ।

**আত্মমূল্যায়ন ঃ ৫**

ক) ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ দুটা বিশেষত্ব লিখাঁ।

..........................................................................................................

..........................................................................................................

খ) 'অসমীয়া স্কট' আখ্যা কাক দিয়া হয় ?

..........................................................................................................

..........................................................................................................

গ) মানৰ অসম আক্ৰমণৰ পটভূমিত ৰচনা কৰা ৰজনীকান্ত বৰদলৈৰ তিনিখন উপন্যাসৰ নাম লিখাঁ।

..........................................................................................................

..........................................................................................................

জোনাকী যুগত ৰজনীকান্ত বৰদলৈৰ বাহিৰে আন কেইবাজনো ঔপন্যাসিকে ঐতিহাসিক উপন্যাস কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ উপন্যাসকেইখনৰো বিষয়বস্তু ঐতিহাসিকেই আছিল। এই বিষয়ে আমি আগতেই পাই আহিছোঁ। জোনাকী যুগৰ অন্যান্য ঐতিহাসিক উপন্যাসসমূহৰ বিষয়ে আমি কথা পাতোঁ আহাঁচোন ----

জোনাকী যুগৰ আন এজন ঔপন্যাসিক দণ্ডিনাথ কলিতাৰ **ফুল** (১৯০৮) উপন্যাসখনো মানৰ তৃতীয় অসম আক্ৰমণৰ পটভূমিত ৰচিত। উপন্যাসখনত ঐতিহাসিক ঘটনাৰ লগতে চাঞ্চল্যকৰ ঘটনাৰো সমাবেশ ঘটিছে। হিতেশ্বৰ বৰবৰুৱাৰ **মালিতা** (১৯১৪) ষষ্ঠদশ শতিকাৰ আহোম আৰু কছাৰীৰ সংঘৰ্ষৰ পটভূমিত ৰচিত হৈছে। বুঢ়াৰজা প্ৰতাপসিংহৰ ৰাজত্বকালত কছাৰী কোঁৱৰ ভীমবলৰ লগত হোৱা সংঘৰ্ষৰ কথা উপন্যাসখনত বৰ্ণিত হৈছে। লগতে ভীমবলৰ ভনীয়েক মালিতা আৰু সলাল গোহাঞিৰ পুতেক অভয় গোহাঞিৰ কাল্পনিক শোকাবহ প্ৰণয় কাহিনী এটা যোগ কৰি দিছে। শৰৎ চন্দ্ৰ গোস্বামীৰ **পানীপথ** (১৯৩০) উপন্যাসত মোগল সম্ৰাট বাবৰ আৰু ইব্ৰাহীম লোডীৰ মাজত হোৱা প্ৰথম পানীপথৰ যুদ্ধৰ কথা বৰ্ণিত হৈছে।

ৰজনীকান্ত বৰদলৈৰ বাহিৰে জোনাকী যুগত ঐতিহাসিক উপন্যাস ৰচনাত ব্ৰতী হোৱা ঔপন্যাসিক উপন্যাস ৰচনাত ব্ৰতী হোৱা ঔপন্যাসিক ওপৰত উল্লেখ কৰা কেইজনেই। এই সময়ছোৱাত আৰু উপন্যাস ৰচিত হৈছিল যদিও তাৰ বিস্তৃত তথ্য আমি নাপাওঁ।

**আত্মমূল্যায়ন ঃ ৬**

'ক' অংশৰ লগত 'খ' অংশ মিলোৱাঁ ----

| ক | খ |
|---|---|
| ১) পানীপথ | অ) ১৯০৮ |
| ২) মালিতা | আ) ১৯৩০ |
| ৩) ফুল | ই) ১৯১৪ |

## ২.২.২.৩ জোনাকী যুগত ৰচিত অসমীয়া সামাজিক উপন্যাস ঃ

আমি অতপৰে জোনাকী যুগৰ ঐতিহাসিক উপন্যাসসমূহৰ বিষয়ে আলোচনা কৰিলোঁ। ঐতিহাসিক উপন্যাসৰ লগতে জোনাকী যুগত সামাজিক উপন্যাসো ৰচিত হৈছিল - এই কথা ইতিমধ্যে তোমালোকে গম পাইছা। ঐতিহাসিক উপন্যাসৰ দৰে জোনাকী যুগত সামাজিক উপন্যাস বেছিকৈ ৰচিত হোৱা নাছিল। যি কেইখন ৰচিত হৈছিল, সেইকেইখনো ঐতিহাসিক উপন্যাসসমূহৰ দৰে গুৰুত্বপূৰ্ণ নাছিল। তথাপি অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত জোনাকী যুগত ৰচিত হোৱা সামাজিক উপন্যাসকেইখনৰ মূল্য কোনোগুণে কম নহয়। জোনাকী যুগত ৰচিত হোৱা সামাজিক উপন্যাসসমূহনো কেনেধৰণৰ আছিল, সেই বিষয়ে আমি বিচাৰ কৰি চাওঁ আহাঁচোন -----

ৰজনীকান্তৰ বৰদলৈৰ **মিৰি-জীয়ৰী** (১৮৯৪) উপন্যাসৰ কথা তোমালোকে পাইছা। মিছিং জন-জীৱনক কেন্দ্ৰ কৰি ৰচনা কৰা **মিৰি-জীয়ৰী** প্ৰথমখন অসমীয়া সামাজিক উপন্যাস। **মিৰি-জীয়ৰী**ৰ পূৰ্বে নীলকন্ঠ বৰুৱাৰ **মেম** (১৮৯২) নামৰ এখন সৰু উপন্যাস প্ৰকাশ পাইছিল। কিন্তু উপন্যাসখনত সংস্কাৰবাদী মনোভাব আৰু সামাজিক ব্যংগই বেছি প্ৰাধান্য পালে। গতিকে **মিৰি-জীয়ৰী**ৰ পৰাহে প্ৰকৃত

অসমীয়া সামাজিক উপন্যাসৰ পৰম্পৰা আৰম্ভ হৈছে বুলি আমি কব পাৰোঁ। তোমালোকে এটা কথা মনত ৰাখিবা যে জনজাতীয় জীৱনক লৈ ৰচিত হোৱা প্ৰথমখন অসমীয়া উপন্যাসো **মিৰি-জীয়ৰী**য়েই।

জোনাকী যুগৰ ৰচিত হোৱা সামাজিক উপন্যাসসমূহৰ ভিতৰত হৰেশ্বৰ শৰ্মাৰ **কুসুম কুমাৰী** (১৯০৫), নবীনচন্দ্ৰ ভট্টাচাৰ্য্যৰ **চন্দ্ৰপ্ৰভা** (১৯০৮), চিন্তাহৰণ পাটগিৰিৰ **সংসাৰ চিত্ৰ** (১৯১১), দৈৱচন্দ্ৰ তালুকদাৰৰ **ধুৰলী-কুঁৱলী** (১৯২২), **আগ্নেয়গিৰি** (১৯২৪), দণ্ডিনাথ কলিতাৰ **সাধনা** (১৯২৮), ভৱদেৱ ভাগৱতীৰ **লীলা** (১৯২৪), দণ্ডিধৰ সোণোৱালৰ **চপলা** (১৯২২), স্নেহলতা ভট্টাচাৰ্য্যৰ **বীণা** (১৯২৬) আদি উপন্যাসৰ নাম আমি ল'ব পাৰোঁ। এই উপন্যাসসমূহে জোনাকী যুগৰ অসমীয়া সামাজিক উপন্যাসৰ ধাৰাটো প্ৰবল কৰি তুলিলে।

জোনাকী যুগত ৰচিত হোৱা সামাজিক উপন্যাসসমূহত সমাজ-সংস্কাৰ ধৰ্মী মনোভাবে বিশেষ মাত্ৰা প্ৰদান কৰিছিল। যৌতুক প্ৰথাৰ দৰে কু-ব্যৱস্থা এটাৰ বলি হৈ এগৰাকী নাৰী স্বামীগৃহত কেনেধৰণৰ সমস্যাৰ সন্মুখীন হৈছিল তাৰ এক জীৱন্ত বৰ্ণনা আমি নবীনচন্দ্ৰ ভট্টাচাৰ্য্যৰ **চন্দ্ৰপ্ৰভা** উপন্যাসত দেখিবলৈ পাওঁ। চিন্তাহৰণ পাটগিৰিৰ **সংসাৰ-চিত্ৰ** উপন্যাসখন নাৰী-নিৰ্যাতনৰ দলিল বুলি আমি ক'ব পাৰোঁ। স্বামীগৃহত এগৰাকী নাৰীয়ে শাহু-শহুৰৰ নিৰ্যাতন কেনেদৰে ভোগ কৰিবলগীয়া হয় তাৰ স্পষ্ট ছবি এখন **সংসাৰ-চিত্ৰ**ত আমি দেখা পাওঁ। দণ্ডীধৰ সোণোৱালৰ **চপলা** উপন্যাসত দুঃশ্চৰিত্ৰা নাৰীয়ে সংসাৰ এখন কেনেদৰে ধ্বংস কৰি পেলায়, তাক আমি দেখিবলৈ পাওঁ। **লীলা**-ত এটা প্ৰেম কাহিনীৰ অৱতাৰণা কৰা হৈছে, উপন্যাস বুলি কোৱাতকৈ **লীলা**ক আখ্যান বুলি কোৱাহে যুগুত। স্নেহলতা ভট্টাচাৰ্য্যৰ **বীণা** উপন্যাসত বাল্য-বিধৱা সমস্যাক মূল উপজীব্য হিচাপে লোৱা হৈছে। দণ্ডিনাথ কলিতাৰ **সাধনা** উপন্যাসখনত আধুনিক শিক্ষা আৰু স্ত্ৰী-স্বাধীনতাৰ কথা ব্যক্ত কৰা হৈছে। লগতে অবাধ স্ত্ৰী-স্বাধীনতা আৰু আধুনিকতাই নাৰীক কেনেদৰে বিপথগামী কৰি তোলে ৰম্ভা চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে দেখুৱাইছে। দৈৱচন্দ্ৰ তালুকদাৰৰ **ধুঁৱলী-কুঁৱলী** আৰু **আগ্নেয়গিৰি** উপন্যাসত তৰুণ বয়সৰ কল্পনা-চঞ্চলতা আৰু বিধৱা-বিবাহৰ সমস্যাৰ দৰে দিশবোৰক বিষয়-বস্তু হিচাপে গ্ৰহণ কৰিছে। এনেদৰে জোনাকী যুগত ৰচিত হোৱা এই সামাজিক উপন্যাসবোৰেই পৰৱৰ্তী সময়ত উন্নত মানৰ সামাজিক উপন্যাস ৰচনাৰ এক অনুকূল পৰিৱেশ গঢ় লৈ উঠাত সহায় কৰে।

জোনাকী যুগত ৰচিত হোৱা সামাজিক উপন্যাসসমূহৰ চমু আভাস আমি ইতিমধ্যে পালোঁ। এই সময়ছোৱাত ৰচিত হোৱা সামাজিক উপন্যাসসমূহত আমি ব্যক্তিগত আবেগ-অনুভূতিৰ ছবিতকৈ আদৰ্শ আৰু সংস্কাৰকামী মনোভাবৰ চিত্ৰণহে বেছিকৈ দেখিবলৈ পাওঁ। এই সময়ত ৰচিত হোৱা সামাজিক উপন্যাসসমূহত আমি কিছুমান বিশেষত্ব দেখিবলৈ পাওঁ। এই বিশেষত্বসমূহ তলত দিয়া ধৰণৰ -

- চৰিত্ৰৰ ব্যক্তিগত আবেগ-অনুভূতিতকৈ সামাজিক অনুভূতিৰ অধিক চিত্ৰণ।
- উপন্যাসৰ কাহিনী-বিন্যাসৰ মাজেৰে সমাজ-সংস্কাৰ আৰু আদৰ্শ প্ৰতিষ্ঠাৰ প্ৰয়াস।
- শিথিল গতিৰে কাহিনী-বিন্যাস।
- বিষয়ক গতি প্ৰদান কৰিবলৈ অপ্ৰয়োজনীয় ঘটনাৰ সংযোজন।
- নাৰী-কেন্দ্ৰিক সমস্যাক বিশেষ গুৰুত্ব।
- সুসংহত কাহিনী-বিন্যাসৰ অভাৱ।
- বহিঃঘটনা সংযোজনৰ জৰিয়তে বিষয়-বস্তুৰ তাৎপৰ্য প্ৰতিষ্ঠাৰ চেষ্টা।

জোনাকী যুগত ৰচিত হোৱা সামাজিক উপন্যাসসমূহত তোমালোকে ওপৰত উল্লেখ কৰা দিশসমূহেই ঘাইকৈ দেখা পাবাঁ। উপন্যাসসমূহ যদি তোমালোকে পঢ়ি চোৱাঁ তেতিয়া এই দিশবোৰ ভালদৰে বিচাৰ কৰি চাব পাৰিবা।

**আত্মমূল্যায়ন ঃ ৭**

ক) জনজাতীয় পটভূমিত ৰচিত প্ৰথমখন অসমীয়া উপন্যাস কি ?

..............................................................................................................

..............................................................................................................

খ) জোনাকী যুগৰ সামাজিক উপন্যাসৰ দুটা বিশেষত্ব লিখাঁ।

..............................................................................................................

..............................................................................................................

গ) ক অংশৰ সৈতে খ অংশ মিলোৱাঁ

| ক | খ |
|---|---|
| ১) দৈৱচন্দ্ৰ তালুকদাৰ | অ) সংসাৰ-চিত্ৰ |
| ২) স্নেহলতা ভট্টাচাৰ্য্য | আ) কুসুম-কুমাৰী |
| ৩) দণ্ডীনাথ কলিতা | ই) মিৰি-জীয়ৰী |
| ৪) চিন্তাহৰণ পাটগিৰি | ঈ) সাধনা |
| ৫) হৰেশ্বৰ শৰ্মা | উ) বীণা |
| | ঊ) আগ্নেয়গিৰি |

## ২.৩ জোনাকী যুগ আৰু অসমীয়া চুটিগল্প ঃ

তোমালোকে ইমান সময়ে জোনাকী যুগৰ উপন্যাসৰ বিষয়ে অৱগত হ'লাঁহক। এতিয়া গদ্য-সাহিত্যৰ আনা এটা উল্লেখযোগ্য বিভাগ আৰু বৰ্তমান সময়ৰ আটাইতকৈ জনপ্ৰিয় সাহিত্য চুটিগল্পৰ বিষয় কথা পাতোঁ আহাঁচোন। তোমালোকে চুটিগল্প নিশ্চয় পাঢ়িছাঁ। চুটিগল্প মানে কি - সেই কথাও নিশ্চয় জানা। চুটিগল্প হ'ল এনে এক চমু ৰচনা যত এটা মাথোঁ মূল ভাব থাকে। উপন্যাসৰ দৰে চুটিগল্পৰ পৰিসৰ গভীৰ আৰু বিস্তৃত নহয়। চুটিগল্প ইংগিতময় আৰু ব্যঞ্জনাধৰ্মী। চুটিগল্পৰ বিষয়ে থকা কিতাপ পঢ়ি চালে তোমালোকে এই কথাবোৰ ভালদৰে ধৰিব পাৰিবা। অসমীয়া উপন্যাস সাহিত্যৰ দৰে অসমীয়া সাহিত্যৰ ইতিহাসত চুটিগল্পৰ সূচনাও জোনাকী যুগতে হৈছিল। জোনাকী যুগটোৱে অসমীয়া সাহিত্যৰ ইতিহাসত কেনেধৰণৰ প্ৰভাব পেলাইছিল, তাৰ বিষয়ে তোমালোকে ১.২.২ অংশত পাইছা। জোনাকী যুগত অসমীয়া চুটিগল্পই কেনেদৰে বিস্তৃতি লাভ কৰিবলৈ সমৰ্থ হৈছিল, জোনাকী যুগৰ চুটিগল্পৰ ধাৰাটো কেনেধৰণৰ আছিল, জোনাকী যুগৰ চুটিগল্পসমূহৰ বিশেষত্ব, জোনাকী যুগৰ গল্পকাৰসকল, - আদি দিশবোৰৰ কথা তোমালোকৰ আগত কম। তোমালোকে ইতিমধ্যে জোনাকী যুগৰ কবি, নাট্যকাৰ, ঔপন্যাসিকসকলৰ লগত পৰিচয় হ'লাঁ। এইসকলৰ প্ৰায়সকলেই জোনাকী যুগৰ চুটিগল্পৰ বিকাশতো অৱদান আগবঢ়াইছিল। অসমীয়া চুটিগল্পৰ পটভূমি, উদ্ভৱকে আদি কৰি জোনাকী যুগৰ চুটিগল্পৰ বিষয়ে আমি আলোচনা কৰোঁ আহাঁ ----

### ২.৩.১ অসমীয়া চুটিগল্পৰ পটভূমি আৰু সূচনা ঃ

অসমীয়া সাহিত্যৰ ইতিহাসত ঊনবিংশ শতিকাটোৰ যে এটা গুৰুত্বপূৰ্ণ স্থান আছে - সেই কথা তোমালোকে ধৰিব পাৰিছা নিশ্চয়। ঊনবিংশ শতিকাত প্ৰকাশ পোৱা অৰুনোদই সম্বাদপত্ৰকে আদি কৰি বিভিন্ন কাকত - আলোচনীবোৰে অসমীয়া সাহিত্যৰ জগতত আধুনিকতাৰ সূচনা কৰিলে। ভাষা আৰু সাহিত্যৰ অগ্ৰগতিৰ ক্ষেত্ৰত কাকত-আলোচনীবোৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিলে। বৰ্তমান সময়ত প্ৰকাশ পাই থকা 'গৰীয়সী', 'নতুন পদাতিক', 'সাতসৰী', 'প্ৰান্তিক', 'প্ৰকাশ' - আদি আলোচনীবোৰ তোমালোকে নিশ্চয় দেখিছা আৰু দুই-এখন পঢ়িছাও ছাগৈ। গল্প, কবিতা, উপন্যাস, প্ৰবন্ধ আৰু সামাজিক সমস্যাজনিত বিভিন্ন বিষয়ৰ আলোচনা এই আলোচনীবোৰত আমি দেখিবলৈ পাওঁ। ভাষা-সাহিত্যৰ বিকাশ আৰু পৰিপুষ্টিত এই আলোচনীবোৰে কেনেধৰণৰ ভূমিকা পালন কৰে - তাকো তোমালোকে অনুধাৱন কৰিব পাৰিছা নিশ্চয়। অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশত জোনাকী আলোচনীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসম ইংৰাজৰ অধীনলৈ যায়। ইংৰাজসকল অসমলৈ অহাৰ লগে লগে অসমত নতুন শিক্ষা ব্যৱস্থাৰ প্ৰচলন হ'ল। উচ্চশিক্ষাৰ বাবে  অসমৰ ছাত্ৰসকলে কলিকতালৈ যাবলৈ ধৰিলে। পশ্চিমীয়া সাহিত্য জগতৰ লগত পৰিচিত হৈ এই ছাত্ৰসকলে নতুন নতুন চিন্তা-চৰ্চাৰে সাহিত্য ৰচনা কৰিবলৈ ধৰিলে। ১৮৮৯ চনত প্ৰকাশ পোৱা **জোনাকী** আলোচনীত কবিতা, চুটিগল্প, উপন্যাস, গ্ৰন্থ-সমালোচনা আদিবোৰে ঠাই পালে। এই কথাবোৰ তোমালোকে আগতেই ভালদৰে পাই আহিছা। অৰুনোদই সম্বাদপত্ৰৰপৰা আৰম্ভ  কৰি জোনাকী আলোচনী প্ৰকাশ পোৱাৰ মাজৰ সময়ছোৱাত ভালেসংখ্যক কাকত-আলোচনী যে প্ৰকাশ পাইছিল সেই কথা তোমালোকে জানা। এই কাকত-আলোচনীবোৰে নতুন নতুন চিন্তা-চৰ্চাৰ প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ললে। তাৰ ফলতেই আধুনিক নাটক, উপন্যাস, ৰোমান্টিক কবিতা, চুটিগল্প আদি সাহিত্যৰ নতুন নতুন ধাৰাবোৰৰ অসমীয়া সাহিত্য জগতত আবিৰ্ভাৰ ঘটিল, জোনাকী আলোচনীৰ প্ৰকাশৰ লগে লগে অসমীয়া সাহিত্য জগতত ৰোমান্টিক চিন্তা-চৰ্চাৰ ধাৰাটোৱো সূচনা ঘটিল। এইবোৰ কাৰকেই অসমীয়া চুটিগল্পৰ পটভূমি তৈয়াৰ কৰি দিলে।

'জোনাকী' আলোচনীত লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া চুটিগল্পৰ সূচনা কৰিছিল। তোমালোকে জোনাকী যুগৰ কবিতা আৰু নাটকৰ বিষয়ে পঢ়োঁতে 'জোনাকী' যুগৰ 'ত্ৰিমূৰ্তি'ৰ কথা পাইছিলা। 'জোনাকী' যুগৰ 'ত্ৰিমূৰ্তি'ৰ অন্যতম লক্ষ্মীনাথ বেজবৰুৱাই আছিল অসমীয়া চুটিগল্পৰ জনক। ঊনবিংশ শতিকাৰ শেষ দশকটোত 'জোনাকী' আলোচনীত অসমীয়া চুটিগল্পই জন্ম আৰু বিকাশ লাভ কৰিছিল - এই কথা তোমালোকে সততে মনত ৰাখিবা।

অসমীয়া সাহিত্যৰ প্ৰথম চুটিগল্প কোনটো - তাক লৈ সাহিত্যৰ আলোচকসকলৰ মাজত যথেষ্ট মত-পাৰ্থক্য আছে। তলৰ তথ্যকেইটালৈ চকু ফুৰালে তোমালোকৰ এই কথা স্পষ্ট হৈ উঠিব -

● *সম্বাদ পত্ৰৰ ৰদ-কাঁচলিত অসমীয়া সাহিত্য* গ্ৰন্থখনত নন্দ তালুকদাৰে জোনাকী আলোচনীৰ দ্বিতীয় বছৰৰ তৃতীয় সংখ্যা (১৮৯০ চনৰ এপ্ৰিল মাহ) - ত প্ৰকাশ পোৱা লক্ষ্মীনাথ বেজবৰুৱাৰ কন্যা গল্পটোক প্ৰথম অসমীয়া চুটিগল্প বুলি কৈছে (*সম্বাদপত্ৰৰ ৰদ-কাঁচলিত অসমীয়া সাহিত্য*, পৃ. ৪৮)। কিন্তু কন্যা গল্পটো জোনাকী আলোচনীৰ ষষ্ঠ বছৰৰ পঞ্চম-ষষ্ঠ সংখ্যাত (১৮৯৪ চনৰ জুন-জুলাই মাহ) -হে প্ৰকাশ পাইছিল।

● 'জোনাকী' আলোচনীৰ চতুৰ্থ বছৰৰ অষ্টম সংখ্যা (১৮৯২ চনৰ ছেপ্তেম্বৰ মাহ)-ত প্ৰকাশ পোৱা লক্ষ্মীনাথ বেজবৰুৱাৰ 'পণ্ডিত মহাশয়' গল্পটো প্ৰথম অসমীয়া চুটিগল্প বুলি প্ৰহলাদ কুমাৰ বৰুৱাই **অসমীয়া চুটিগল্পৰ অধ্যয়ন** নামৰ গ্ৰন্থখনত উল্লেখ কৰিছে। (**অসমীয়া চুটিগল্পৰ অধ্যয়ন**, পৃ.-৩১)

● নগেন শইকীয়াই সংকলন-সম্পাদনা কৰা জোনাকীৰ ভূমিকাত জোনাকী আলোচনীৰ চতুৰ্থ বছৰৰ চতুৰ্থ সংখ্যা (১৮৯২ চনৰ মে মাহ)-ত প্ৰকাশ পোৱা লক্ষ্মীনাথ বেজবৰুৱাৰ 'সেউতী' গল্পটোক প্ৰথম অসমীয়া চুটিগল্প আখ্যা দিছে। (*জোনাকী*, ভূমিকা, পৃ.-০৪৩)

এই তথ্যকেইটাৰপৰা প্ৰথম অসমীয়া চুটিগল্পটো যে 'সেউতী' তাক আমি গম পালোঁ। 'জোনাকী' ৰ লগতে 'জোনাকী'ৰ সমসাময়িকভাৱে প্ৰকাশ পোৱা 'বাঁহী' (১৯০৯-২৯), 'ঊষা' (১৯০৭-১২) আদি আলোচনীবোৰে জোনাকী যুগৰ চুটিগল্পৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

**আত্মমূল্যায়ন ঃ ৮**

ক) অসমীয়া চুটিগল্পৰ জনক কোন ?

..............................................................................................................

..............................................................................................................

খ) অসমীয়া সাহিত্যৰ প্ৰথম চুটিগল্প কোনটো ?

..............................................................................................................

..............................................................................................................

গ) বৰ্তমান অসমত প্ৰচলিত দুখন আলোচনীৰ নাম কোৱাঁ।

..............................................................................................................

..............................................................................................................

## ২.৩.২ জোনাকী যুগৰ অসমীয়া চুটিগল্প ঃ

জোনাকী যুগটো আছিল অসমীয়া চুটিগল্পৰ উদ্ভৱৰ যুগ। জোনাকী যুগত অসমীয়া চুটিগল্পই প্ৰতিষ্ঠা লাভ কৰাৰ লগতে সাহিত্যৰ এটা স্বতন্ত্ৰ ধাৰাৰূপে বিকাশ লাভ কৰিবলৈকো সমৰ্থ হ'ল। জোনাকী যুগৰ গল্পবোৰ একেবাৰে নিখুঁত পৰ্যায়ৰ গল্প হৈ উঠা নাছিল। তথাপি লক্ষ্মীনাথ বেজবৰুৱাকে আদি কৰি বিভিন্নজন গল্পকাৰৰ প্ৰচেষ্টাত জোনাকী যুগৰ অসমীয়া চুটিগল্পই সাহিত্যৰ ইতিহাসত বিশেষ গুৰুত্ব পাবলৈ সক্ষম হ'ল। আৰম্ভণি পৰ্যায়ৰ অসমীয়া চুটিগল্পৰ নিদৰ্শন হিচাপে জোনাকী যুগৰ চুটিগল্পসমূহৰ গুৰুত্ব অসমীয়া সাহিত্যৰ ইতিহাসত সদায়ে থাকিব। জোনাকী যুগত অসমীয়া চুটিগল্পৰ ভেটিটো তৈয়াৰ হৈছিল। জোনাকী যুগৰ অসমীয়া চুটিগল্প, গল্পসমূহৰ বিশেষত্ব আৰু জোনাকী যুগৰ গল্পকাৰসকলৰ বিষয়ে আমি এতিয়া কথা পাতিম ----

### ২.৩.২.১ জোনাকী যুগৰ গল্পৰ চমু পৰিচয় ঃ

জোনাকী যুগটো যে অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশৰ যুগ সেয়া তোমালোকে ইতিমধ্যে গম পাইছা। লক্ষ্মীনাথ বেজবৰুৱাৰ লগতে কেইবাজনো গল্পকাৰে জোনাকী যুগৰ গল্পৰ বিকাশত অৰিহণা আগবঢ়াইছিল। 'ভদৰী', 'কন্যা', 'মুক্তি', 'পাটমুগী', 'নকওঁ', 'জগৰা মণ্ডলৰ প্ৰেথভিনয়', 'ভোকেন্দ্ৰ বৰুৱা' আদি জোনাকী যুগৰ আৰম্ভণি পৰ্যায়ৰ গল্পসমূহৰ নিদৰ্শন। এই গল্পসমূহৰ গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱা।

একদৰে শৰৎ চন্দ্ৰ গোস্বামীৰ 'দেখা-দেখি', 'নদৰাম', 'পিয়াহৰ পানী', 'ঘুনুচা', 'সামান্য প্ৰাণী', 'নৈৰ দাঁতিত' আদি চুটিগল্পসমূহ জোনাকী যুগত ৰচিত হোৱা উল্লেখযোগ্য চুটিগল্প। নকুল চন্দ্ৰ ভূঞা, সূৰ্য্যকুমাৰ ভূঞা, দণ্ডিনাথ কলিতা আদি গল্পকাৰসকলেও জোনাকী যুগৰ চুটিগল্পৰ উৎকৰ্ষ সাধনত অৰিহণা আগবঢ়াইছিল, জোনাকী যুগত অসমীয়া চুটিগল্পই সূচনা লাভ কৰাৰ বাবে জোনাকী যুগত অতি উন্নত মানৰ তথা সংখ্যাগত দিশৰপৰাও অতি বেছি গল্প আমি নাপাওঁ। তথাপি যিকেইটা চুটিগল্প জোনাকী যুগত ৰচিত হৈছিল সেইকেইটা চুটিগল্পই অসমীয়া চুটিগল্পক বিকাশৰ পথত আগবঢ়াই নিবলৈ সমৰ্থ হল। জোনাকী যুগৰ গল্পসমূহত সমাজ-সংস্কাৰ আৰু প্ৰচলিত সমাজৰ বিভিন্ন কুপ্ৰথা আৰু মানুহৰ আচৰণক ব্যংগ কৰাৰ প্ৰয়াস সততে দেখিবলৈ পোৱা যায়। প্ৰকৃতপক্ষে জোনাকী যুগত ৰচিত হোৱা বিভিন্ন শ্ৰেণীৰ সাহিত্যসমূহত সমাজ-সংস্কাৰ আৰু প্ৰচলিত সমাজক ব্যংগ কৰাৰ মনোভাব এটা আমি দেখিবলৈ পাওঁ। জোনাকী যুগত ৰচিত হোৱা চুটিগল্পসমূহতো এই ভাবে প্ৰাধান্য পোৱাটো স্বাভাৱিক। অসমীয়া চুটিগল্পৰ সম্পৰ্কীয় কিতাপবোৰ পঢ়ি চালে তোমালোকে জোনাকী যুগৰ অসমীয়া চুটিগল্পৰ বিষয়ে বিস্তৃতভাবে জানিবলৈ সমৰ্থ হ'বা।

### ২.৩.২.২ জোনাকী যুগৰ গল্পৰ বিশেষত্ব ঃ

অসমীয়া চুটিগল্পৰ প্ৰতিষ্ঠা আৰু প্ৰসাৰ পৰ্বৰ চুটিগল্পসমূহৰ নিদৰ্শণ জোনাকী যুগৰ চুটিগল্পসমূহে যে বহন কৰিছে সেই কথা তোমালোকে ধৰিব পাৰিছা নিশ্চয়। আৰম্ভণি পৰ্যায়ৰ চুটিগল্প হোৱাৰ বাবেই জোনাকী যুগৰ প্ৰায়বোৰ চুটিগল্পই চুটিগল্পৰ নিখুঁত ৰূপটো লাভ কৰিবলৈ সমৰ্থ হোৱা নাই। এতিয়া আমি জোনাকী যুগত ৰচিত হোৱা গল্পসমূহৰ বিশেষত্বনো কেনেধৰণৰ তাক বিচাৰ কৰি চাওঁ আহাঁচোন ---

- জোনাকী যুগৰ চুটিগল্পসমূহ বৰ্ণনাধৰ্মী আৰু কাহিনী প্ৰধান।
- জোনাকী যুগৰ গল্পসমূহৰ প্ৰায়বোৰৰ পটভূমি গাঁৱলীয়া অসমীয়া সমাজখন। লক্ষ্মীনাথ বেজবৰুৱাৰ 'নকওঁ', শৰৎচন্দ্ৰ গোস্বামীৰ 'ঘুনুচা' আদি চুটি গল্পৰ প্ৰসংগ এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি।
- গাঁৱলীয়া অসমীয়া মানুহৰ কুসংস্কাৰ, নৰ-নাৰীৰ প্ৰেম আদিবোৰৰ প্ৰকাশ জোনাকী যুগৰ চুটিগল্পসমূহত ঘটিছিল। শৰৎচন্দ্ৰ গোস্বামীৰ 'পিয়াহৰ পানী' চুটিগল্পটো ইয়াৰ নিদৰ্শন।

- সমকালীন সমাজ আৰু ভণ্ডামিৰ প্ৰতি ব্যংগ জোনাকী যুগৰ গল্পসমূহত জিলিকি উঠিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ জগৰা মণ্ডলৰ 'প্ৰেমাভিনয়' গল্পৰ কথা এইক্ষেত্ৰত ক'ব পাৰি।
- নাৰীৰ মানসিক জগতখনৰ প্ৰতিচ্ছবি অংকণৰ প্ৰয়াস জোনাকী যুগৰ চুটিগল্পসমূহত দেখিবলৈ পোৱা যায়। লক্ষ্মীনাথ বেজবৰুৱাৰ 'পাটমুগী' গল্পৰ প্ৰসংগ এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি।
- জোনাকী যুগৰ গল্পসমূহত বাস্তৱ-ধৰ্মী বিষয়-বস্তু আৰু সৰল মানবীয় দৃষ্টিভংগীৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। লক্ষ্মীনাথ বেজবৰুৱাৰ 'নকওঁ' গল্পটোত সৰল মানবীয় দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছে।

অসমীয়া চুটিগল্পৰ আৰম্ভণি-পৰ্যায়ৰ চুটিগল্প হিচাপে জোনাকী যুগৰ কিছুমান চুটিগল্প গাঁথনিক দিশৰপৰা সবল আৰু আটিল হৈ উঠা নাছিল। সেয়া তোমালোকে নিশ্চয় বুজি উঠিছা। প্ৰায়বোৰ চুটিগল্পৰে কাহিনীৰ গতি মন্থৰ আছিল। বৰ্ণনাধৰ্মিতাই গল্পসমূহত বিশেষ গুৰুত্ব লাভ কৰিছিল। মানুহৰ মনোজগতৰ দ্বন্দ্ব, নাৰীৰ অৱস্থা, প্ৰকৃতি আদি চুটিগল্পসমূহত জিলিকি উঠিছিল। সৰহসংখ্যক গল্পই শিথিলধৰ্মী আছিল যদিও লক্ষ্মীনাথ বেজবৰুৱাৰ 'মুক্তি', 'পাতমুগী', শৰৎচন্দ্ৰ গোস্বামীৰ 'ঘুনুচা' আদি চুটিগল্পসমূহ গাঁথনিক দিশৰপৰা আটিল আছিল। সামাজিক কুসংস্কাৰ আৰু মানুহৰ অৰ্থ লিপ্সাৰ ফল কেনে বিষম হ'ব পাৰে তাৰ নিদৰ্শণ 'ঘুনুচা' গল্পটোৱে বহন কৰিছে। 'ভোকেন্দ্ৰ বৰুৱা' গল্পটোত তথাকথিত শিক্ষিত চামৰ মানসিকতাক লক্ষ্মীনাথ বেজবৰুৱাৰ তীব্ৰ ভাষাৰে ব্যংগ কৰিছে। সামাজিক ব্যংগৰ ছবিখন বেজবৰুৱাৰ 'মলক গুইন গুইন', 'জগৰা মণ্ডলৰ প্ৰেমাভিনয়', 'জাতিৰামৰ জাত' আদি গল্পত সুন্দৰ ৰূপত ফুটি উঠিছে। জোনাকী যুগৰ এই গল্পবোৰ পঢ়ি চালে কথাবোৰ বুজি পাবলৈ তোমালোকে বেছি সহজ পাবা।

### ২.৩.২.৩ জোনাকী যুগৰ গল্পকাৰ ঃ

জোনাকী যুগৰ ৰচিত হোৱা চুটিগল্পসমূহৰ বিশেষত্বৰ বিষয়ে ইতিমধ্যে তোমালোক অৱগত হলাহঁক। এতিয়া আমি জোনাকী যুগৰ গল্পকাৰসমূহৰ বিষয়ে আলোচনা কৰিম -

জোনাকী যুগৰ গল্পকাৰ বুলিয়েই প্ৰথমে আমাৰ মনলৈ আহে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ নাম। অসমীয়া চুটিগল্পৰ সূচনা আৰু বিকাশত লক্ষ্মীনাথ বেজবৰুৱাৰ যে অৱদান অপৰিসীম, সেই কথা তোমালোকে নিশ্চয় বুজি উঠিছা। লক্ষ্মীনাথ বেজবৰুৱাই 'জোনাকী' আলোচনীৰ লগতে *বাঁহী* (১৯০৯-২৯), *'আলোচনী'* (১৯১০-১৭) আদি আলোচনীতো চুটিগল্প লিখিছিল। **সুৰভি** (১৯০৯) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰকাশিত প্ৰথমখন চুটিগল্পৰ সংকলন। অসমীয়া সাহিত্যৰ ইতিহাসৰ প্ৰথমখন চুটিগল্পৰ সংকলনো **সুৰভিয়েই**। **সুৰভিৰ** বাহিৰেও **জোনবিৰি** (১৯১৩), **সাধুকথাৰ কুঁকি** (১৯১০) আৰু মৃত্যুৰ পাছত প্ৰকাশ পোৱা **কেহোঁকলি** (১৯৬৮)- লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰকাশিত চুটিগল্পৰ সংকলন। 'মুক্তি', 'কন্যা', 'নকওঁ', 'পাতমুগী', 'ৰতন মুণ্ডা', 'জলকুঁৱৰী', 'ভদৰী'- আদি বেজবৰুৱাৰ উল্লেখযোগ্য চুটিগল্প। অসমৰ গাঁৱলীয়া সমাজখন, বিভিন্ন আচাৰ-ব্যৱহাৰ, কু-সংস্কাৰ, নাৰীৰ মনোজগতৰ ছবি, উদাৰ মানবীয় দৃষ্টিভংগী আদিবোৰ দিশ আমি লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পত দেখিবলৈ পাওঁ। সমাজক ক্ষতি কৰিব পৰা দিশসমূহক তীব্ৰভাবে ব্যংগ কৰা বেজবৰুৱাৰ কিছুমান গল্পত আমি দেখিবলৈ পাওঁ। বেজবৰুৱাৰ চুটিগল্পসমূহৰ প্ৰায়বোৰেই চুটিগল্প আৰু সাধুকথাৰ মাজৰ অৱস্থা বুলি সমালোচকসকলে কব খোজে। তোমালোকে লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পসমূহ পঢ়িলে তেওঁৰ সাহিত্যিক প্ৰতিভাৰ আন এটি দিশৰ পৰিচয় পাবলৈ সক্ষম হ'বা।

লক্ষ্মীনাথ বেজবৰুৱাৰ পিছতেই নাম ল'ব পৰা জোনাকী যুগৰ আন এজন গল্পকাৰ হল - শৰৎচন্দ্ৰ গোস্বামী। **গল্পাঞ্জলি** (১৯১৪), **ময়না** (১৯২০), **বাজিকৰ** (১৯৩০) - আদি শৰৎচন্দ্ৰ গোস্বামীয়ে ৰচনা কৰা চুটিগল্পৰ সংকলন। গাওঁ, চহৰ, মানুহৰ মনোজগত, সামাজিক কু-সংস্কাৰ, শোষণ, অৰণ্যৰ নিমাখিত জীৱ-জন্তু আদিবোৰক বিষয়-বস্তু হিচাপে লৈ শৰৎচন্দ্ৰ গোস্বামীয়ে চুটিগল্প ৰচনা কৰিছে। পিয়াহৰ পানী, 'নদৰাম', 'নৈৰ দাঁতিত', 'ঘুনুচা', 'সামান্যপ্ৰাণী' আদি শৰৎচন্দ্ৰ গোস্বামীৰ উল্লেখযোগ্য চুটিগল্প। শৰৎচন্দ্ৰ গোস্বামীৰ সামান্যপ্ৰাণী গল্পটোত মানুহৰ লোভৰ চিকাৰ হোৱা হৰিণা এহালৰ কৰুণ কাহিনী বৰ্ণনা কৰা হৈছে। সম্ভৱতঃ জীৱ-জন্তুক বিষয়-বস্তু হিচাপে লৈ ৰচনা কৰা অসমীয়া সাহিত্যৰ এইটোৱেই প্ৰথম চুটিগল্প।

জোনাকী যুগৰ আনকেইজনমান গল্পকাৰ হ'ল - দণ্ডিনাথ কলিতা, নকুলচন্দ্ৰ ভূএগ্ৰা আৰু সূৰ্য্যকুমাৰ ভূএগ্ৰা। মিত্ৰদেৱ মহন্ত, লক্ষ্মীনাথ ফুকন আৰু মহীচন্দ্ৰ বৰাই

জোনাকী যুগতে চুটিগল্প লিখিবলৈ আৰম্ভ কৰিছিল যদিও পিছৰ সময়তহে ভালদৰে প্ৰতিষ্ঠা লাভ কৰে। এই সময়ত প্ৰকাশ পোৱা আন কেইটামান চুটিগল্পৰ সংকলন হ'ল - নকুলচন্দ্ৰ ভূঞাৰ **চোৰাংচোৰাৰ চৰা** (১৯১৮), লক্ষ্মীনাথ ফুকনৰ **মালা** (১৯১৮), মিত্ৰদেৱ মহন্তৰ **চন্দ্ৰহাৰ** (১৯২৫), দণ্ডিনাথ কলিতাৰ **সাতসৰী** (১৯২৫), সূৰ্য্যকুমাৰ ভূঞাৰ **পঞ্চমী** (১৯২৭) - ইত্যাদি। লক্ষ্মীনাথ বেজবৰুৱাকে প্ৰমুখ্য কৰি এই গল্পকাৰসকলে অসমীয়া চুটিগল্পৰ ভেটিটো টনকিয়াল হৈ উঠাত সহায় কৰিলে। ইয়াৰ গইনা লৈয়েই পৰৱৰ্তী সময়ত অসমীয়া চুটিগল্পই ক্ৰমবিকাশৰ পথত আগবাঢ়িবলৈ ধৰিলে।

ইমান সময়ে আমি জোনাকী যুগৰ অসমীয়া চুটিগল্পৰ পৰিচয়, আদিৰ লগতে বিশেষত্ব, জোনাকী যুগৰ গল্পকাৰ আদি দিশসমূহ আলোচনা কৰিলোঁ। তোমালোকে এতিয়া নিশ্চয় জোনাকী যুগৰ অসমীয়া চুটিগল্পৰ বিষয়ে আলোচনা কৰিব পাৰিবা।

**আত্মমূল্যায়ন ঃ ৯**

ক) প্ৰথম অসমীয়া চুটিগল্পৰ সংকলন কোনখন ?

খ) জোনাকী যুগৰ গল্পৰ দুটা বিশেষত্ব লিখাঁ।

গ) 'চ' অংশৰ লগত 'ছ' অংশ মিলোৱাঁ ---

| চ | ছ |
|---|---|
| ১) ময়না | অ) লক্ষ্মীনাথ বেজবৰুৱা |
| ২) চোৰাংচোৰাৰ চৰা | আ) দণ্ডিনাথ কলিতা |
| ৩) সুৰভি | ই) চন্দ্ৰকুমাৰ আগৰৱালা |
| ৪) সাতসৰী | ঈ) লক্ষ্মীনাথ ফুকন |
| ৫) মালা | উ) নকুলচন্দ্ৰ ভূঞা |
| | ঊ) শৰৎচন্দ্ৰ গোস্বামী |

## ২.৪ সামৰণি ঃ

জোনাকী যুগৰ অসমীয়া উপন্যাস আৰু চুটিগল্পৰ বিষয়ে এই গোটটোত কৰা আলোচনাৰ জৰিয়তে তোমালোক অৱগত হ'লাঁহঁক। অসমীয়া উপন্যাস আৰু চুটিগল্পৰ উদ্ভৱ আৰু বিকাশত জোনাকী যুগৰ ভূমিকা কেনেধৰণৰ - তাৰ বিষয়েও তোমালোক

অৱগত হলাঁ। অসমীয়া উপন্যাস সাহিত্যৰ উদ্ভৱ আৰু সমৃদ্ধিত জোনাকী যুগৰ ঔপন্যাসিকসকলে কেনেধৰণৰ বৰঙণি আগবঢ়াইছিল তাৰ পৰিচয় পালাঁ। জাতীয়তাবোধৰ উন্মেষ আৰু সমাজ-সংস্কাৰকামী মনোভাবে জোনাকী যুগৰ উপন্যাসসমূহত বিশেষভাবে প্ৰভাৱান্বিত যে কৰিছিল, সেই কথাও তোমালোকে গম পালাঁ। জোনাকী যুগত প্ৰধানকৈ ঐতিহাসিক আৰু সামাজিক উপন্যাস ৰচিত হৈছিল। অসমীয়া ঐতিহাসিক উপন্যাস ৰচনাৰ ক্ষেত্ৰত ৰজনীকান্ত বৰদলৈৰ নাম বিশেষভাবে লেখতলবলগীয়া। জোনাকী যুগত চুটিগল্পৰ উদ্ভৱ আৰু পৰিপুষ্টিত লক্ষ্মীনাথ বেজবৰুৱাই বিশেষ অৱদান আগবঢ়াইছিল। অসমীয়া সাহিত্যৰ ভেটিটো সবল তথা সাহিত্যিক ধাৰাটোক গতি-প্ৰদান কৰাত জোনাকী যুগৰ উপন্যাস আৰু চুটিগল্পসমূহৰ যে বিশেষ ভূমিকা আছে সেয়া তোমালোকে নিশ্চয় ধৰিব পাৰিছাঁ। জোনাকী যুগত প্ৰতিষ্ঠা লাভ কৰা অসমীয়া উপন্যাস আৰু চুটিগল্পই বৰ্তমানৰ সময়ছোৱাত বিশাল আয়তন আৰু ৰূপ-বৈচিত্ৰ্য লাভ কৰি অসমীয়া সাহিত্যক সমৃদ্ধশালী কৰি তুলিবলৈ সক্ষম হৈছে।

**২.৫ সাৰাংশ ঃ**

- জোনাকী যুগটো আছিল অসমীয়া উপন্যাস সাহিত্যৰ জন্ম আৰু বিকাশৰ যুগ। জোনাকী যুগৰ পূৰ্বে অসমীয়া সাহিত্যৰ জগতত উপন্যাস ধৰ্মী লেখা ৰচিত হৈছিল যদিও প্ৰকৃত উপন্যাসৰ গভীৰতা আৰু বিস্তৃততা এইবোৰত নাছিল।
- ১৮৯১ চনত 'বিজুলী' আলোচনীৰ পাতত পদ্মনাথ গোহাঞিবৰুৱাৰ **ভানুমতী** আৰু জোনাকী আলোচনীত লক্ষ্মীনাথ বেজবৰুৱাৰ **পদ্ম-কুমাৰী** (১৯০৫ চনত **পদুম-কুঁৱৰী** নামেৰে পুথিৰূপত প্ৰকাশ) নামৰ দুখন উপন্যাস প্ৰকাশ পায়। এই দুখন উপন্যাসকেই অসমীয়া প্ৰকৃত উপন্যাসৰ প্ৰথম নিদৰ্শণ বুলি কোৱা হয়।
- পদ্মনাথ গোহাঞিবৰুৱাৰ **ভানুমতী** প্ৰথমখন অসমীয়া উপন্যাস। গ্ৰন্থৰূপ লাভ কৰা প্ৰথমখন অসমীয়া উপন্যাস হ'ল পদ্মনাথ গোহাঞিবৰুৱাৰ **লাহৰী** (১৮৯২)।
- ৰজনীকান্ত বৰদলৈৰ **মিৰি-জীয়ৰী** (১৮৯৪) প্ৰথমখন অসমীয়া সামাজিক উপন্যাস। **মিৰি-জীয়ৰী** জনজাতীয় জীৱনভিত্তিক প্ৰথমখন অসমীয়া উপন্যাস।

- জোনাকী যুগত ৰচিত হোৱা উপন্যাসসমূহ প্ৰধানকৈ ঐতিহাসিক আছিল। ৰজনীকান্ত বৰদলৈয়ে এই শ্ৰেণীৰ উপন্যাসৰ সমৃদ্ধিত অৰিহণা যোগাইছিল। ৰজনীকান্ত বৰদলৈক অসমৰ স্কট আৰু 'উপন্যাস সম্ৰাট' আখ্যা দিয়া হয়।
- জোনাকী যুগত ৰচিত হোৱা সামাজিক উপন্যাসসমূহত সমাজ-সংস্কাৰকামী মনোভাবে বিশেষ গুৰুত্ব পাইছিল।
- লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰ জনক। ১৮৯২ চনৰ মে মাহৰ জোনাকী আলোচনীত প্ৰকাশিত 'সেউতী' গল্পটোৱেই প্ৰথম অসমীয়া চুটিগল্প।
- জোনাকী যুগৰ উল্লেখযোগ্য গল্পকাৰজন হ'ল - সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা। ১৯০৯ চনত প্ৰকাশিত বেজবৰুৱাৰ **সুৰভি** পুথিখন অসমীয়া সাহিত্যৰ ইতিহাসৰ প্ৰথমখন চুটিগল্পৰ সংকলন।
- জোনাকী যুগত লক্ষ্মীনাথ বেজবৰুৱাৰ বাহিৰেও শৰৎচন্দ্ৰ গোস্বামী, নকুলচন্দ্ৰ ভূঞা, সূৰ্য্যকুমাৰ ভূঞা, লক্ষ্মীনাথ ফুকন, দণ্ডিনাথ কলিতা আদিয়েও চুটিগল্প ৰচনা কৰি জোনাকী যুগৰ অসমীয়া চুটিগল্পক সমৃদ্ধশালী কৰি তুলিছিল।
- জোনাকী যুগৰ চুটিগল্পসমূহ কাহিনী প্ৰধান, বৰ্ণনাধৰ্মী আৰু গাঁথনিক দিশৰপৰা শিথিল আছিল।

**আত্মমূল্যায়নৰ উত্তৰ ঃ**

**আত্মমূল্যায়ন ঃ১**

ক) উপন্যাসৰ তিনিটা ভাগ হ'ল -

১) পৌৰাণিক উপন্যাস

২) সামাজিক উপন্যাস

৩) ঐতিহাসিক উপন্যাস

খ) উপন্যাসক 'সমাজৰ দৰ্পণ' বুলি আখ্যা দিব পাৰি।

**আত্মমূল্যায়ন ঃ ২**

ক) ‘অৰুনোদই সম্বাদপত্ৰ’ত ১৮৪৮ চনত *জাত্রিকৰ জাত্রা* প্ৰকাশ পাইছিল।

খ) ‘সুধৰ্মাৰ উপাখ্যান’ পুথিখনৰ ৰচক -পদ্মাৱতী দেৱী ফুকননী।

গ) ১৮৮৫ চনত আসাম-বন্ধু ৰ অষ্টম সংখ্যাত প্ৰমীলা প্ৰকাশ পাইছিল।

**আত্মমূল্যায়ন ঃ ৩**

ক) *মিৰি-জীয়ৰী* প্ৰথমখন অসমীয়া সামাজিক উপন্যাস।

খ) পুথি আকাৰে প্ৰকাশ পোৱা প্ৰথমখন অসমীয়া উপন্যাস হ’ল - পদ্মনাথ গোহাঞিবৰুৱাৰ *লাহৰী*।

গ) *ভানুমতী* উপন্যাসখন ‘বিজুলী’ আলোচনীত প্ৰকাশ পাইছিল।

**আত্মমূল্যায়ন ঃ ৪**

ক) জোনাকী যুগৰ উপন্যাসৰ তিনিটা বিশেষত্ব হ’ল -

১) জোনাকী যুগত ৰচিত উপন্যাসসমূহত নাৰী-চৰিত্ৰই বিশেষ প্ৰাধান্য পাইছিল।

২) জোনাকী যুগৰ উপন্যাসসমূহ গাঁথনিক দিশৰপৰা শিথিল আছিল।

৩) জোনাকী যুগৰ উপন্যাসসমূহত সংস্কাৰধৰ্মী মনোভাব দেখিবলৈ পোৱা যায়।

খ) অ) সচাঁ।

আ) মিছা

জোনাকী যুগৰ উপন্যাসসমূহত নাৰী চৰিত্ৰই গুৰুত্ব পাইছিল।

ই) মিছা

পদুম কুঁৱৰী লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা উপন্যাস।

**আত্মমূল্যায়ন ঃ ৫**

ক) ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ দুটা বিশেষত্ব হ’ল ---

১) ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহ নাৰী চৰিত্ৰ কেন্দ্ৰিক

২) পাঠকক উপন্যাসৰ কাহিনীৰ লগত একাত্ম কৰি তুলিবলৈ ঔপন্যাসিকৰ সূত্ৰধাৰী ভূমিকা অবলম্বন

খ) ৰজনীকান্ত বৰদলৈক অসমৰ স্কট আখ্যা দিয়া হয়।

গ) মানৰ অসম আক্ৰমণৰ পটভূমিত ৰচনা কৰা ৰজনীকান্ত বৰদলৈৰ তিনিখন উপন্যাস হ'ল - *ৰঙ্গিলী, মনোমতী* আৰু *ৰহদৈ লিগিৰী*।

**আত্মমূল্যায়ন ঃ ৬**

| **ক** | **খ** |
|---|---|
| ১) পানীপথ | আ) ১৯৩০ |
| ২) মালিতা | ই) ১৯১৪ |
| ৩) ফুল | অ) ১৯০৮ |

**আত্মমূল্যায়ন ঃ ৭**

ক) জনজাতীয় পটভূমিত ৰচিত প্ৰথমখন অসমীয়া উপন্যাস হ'ল- ৰজনীকান্ত বৰদলৈৰ - *মিৰি-জীয়ৰী*।

খ) জোনাকী যুগৰ সামাজিক উপন্যাসৰ দুটা বিশেষত্ব হ'ল -

১) সু-সংহত কাহিনী-বিন্যাসৰ অভাৱ।

২) বিষয়-বস্তুক গতি-প্ৰদান কৰিবলৈ অপ্ৰয়োজনীয় ঘটনাৰ সংযোজন

গ)

| **ক** | **খ** |
|---|---|
| ১) দৈৱচন্দ্ৰ তালুকদাৰ | ঊ) আগ্নেয়গিৰি |
| ২) স্নেহলতা ভট্টাচাৰ্য্য | উ) বীণা |
| ৩) দণ্ডীনাথ কলিতা | ঈ) সাধনা |
| ৪) চিন্তাহৰণ পাটগিৰি | অ) সংসাৰ-চিত্ৰ |
| ৫) হৰেশ্বৰ শৰ্মা | আ) কুসুম-কুমাৰী |

**আত্মমূল্যায়ন ঃ ৮**

ক) অসমীয়া চুটিগল্পৰ জনক হ'ল - সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা।

খ) অসমীয়া সাহিত্যৰ প্ৰথম চুটিগল্পটো হ'ল - 'সেউতী'।

গ) বৰ্তমান অসমত প্ৰচলিত দুখন আলোচনী হ'ল - 'গৰীয়সী' আৰু 'সাতসৰী'।

**আত্মমূল্যায়ন ঃ ৯**

ক) প্ৰথম অসমীয়া চুটিগল্পৰ সংকলন হ'ল - লক্ষ্মীনাথ বেজবৰুৱাৰ সুৰভি।

খ) জোনাকী যুগৰ চুটিগল্পৰ দুটা বিশেষত্ব হ'ল -

১) জোনাকী যুগৰ চুটিগল্পবোৰ বৰ্ণনাধৰ্মী আৰু কাহিনী প্ৰধান

২) জোনাকী যুগৰ চুটিগল্পসমূহত সৰল মানবীয় দৃষ্টিভংগীৰ প্ৰকাশ দেখা যায়।

গ)

| চ | ছ |
|---|---|
| ১) ময়না | ঊ) শৰৎচন্দ্ৰ গোস্বামী |
| ২) চোৰাংচোৱাৰ চৰা | উ) নকুলচন্দ্ৰ ভূঞা |
| ৩) সুৰভি | অ)লক্ষ্মীনাথ বেজবৰুৱা |
| ৪) সাতসৰী | আ) দণ্ডীনাথ কলিতা |
| ৫) মালা | ঈ) লক্ষ্মীনাথ ফুকন |

**প্ৰাসংগিক গ্ৰন্থ ঃ (ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবৰ বাবে)**

১) 'অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি' - শৈলেন ভৰালী (সম্পা.), সাহিত্য অকাডেমী, নতুন দিল্লী, ২০০২

২) 'অসমীয়া উপন্যাসৰ ভূমিকা' - সত্যেন্দ্ৰ নাথ শৰ্মা, সৌমাৰ প্ৰকাশ গুৱাহাটী, ২০০৪

৩) 'অসমীয়া ঐতিহাসিক উপন্যাস' - শৈলেন ভৰালী, বাণী প্ৰকাশ, গুৱাহাটী, ১৯৮৭

৪) ‘অসমীয়া চুটিগল্পৰ অধ্যয়ন’ - প্ৰহলাদ কুমাৰ বৰুৱা, বনলতা ডিব্ৰুগড়, ২০০৮

৫) ‘অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত’ - সত্যেন্দ্ৰ নাথ শৰ্মা, সৌমাৰ প্ৰকাশ, গুৱাহাটী, ২০০৩

৬) ‘অসমীয়া সাহিত্যৰ ৰূপৰেখা’ - মহেশ্বৰ নেওগ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৮৬

৭) ‘আধুনিক গল্প সাহিত্য’ - ত্ৰৈলোক্য নাথ গোস্বামী, বাণী প্ৰকাশ, গুৱাহাটী, ১৯৯৪

৮) ‘উপন্যাস’ - প্ৰহলাদ কুমাৰ বৰুৱা, বনলতা, ডিব্ৰুগড়, ১৯৯৫

৯) ‘চুটিগল্প’ - উদয় দত্ত, অসম সাহিত্য সভা, যোৰহাট, ১৯৯০

১০) ‘এশ বছৰৰ অসমীয়া উপন্যাস’ - নগেন ঠাকুৰ (সম্পা.), জ্যোতি প্ৰকাশন গুৱাহাটী, ২০০০

**অনুশীলনী ঃ**

আত্মমূল্যায়নৰ প্ৰশ্নসমূহ ছাত্ৰ-ছাত্ৰীসকলে অনুশীলনত ব্যৱহাৰ কৰিব পাৰে।

**ৰচনাধৰ্মী প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত) ঃ**

ক) ‘ঐতিহাসিক উপন্যাস ৰচক হিচাপে ৰজনীকান্ত বৰদলৈ’ - শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰাঁ।

খ) জোনাকী যুগত ৰচিত সামাজিক উপন্যাসৰ এটি পৰিচয়মূলক টোকা লিখাঁ।

গ) জোনাকী যুগৰ উপন্যাস সাহিত্যৰ বিশেষত্ব বিচাৰ কৰাঁ।

ঘ) অসমীয়া চুটিগল্পৰ ক্ষেত্ৰখনত লক্ষ্মীনাথ বেজবৰুৱাৰ ভূমিকা বিচাৰ কৰাঁ।

ঙ) জোনাকী যুগৰ চুটিগল্পৰ বিষয়ে এটা টোকা যুগুত কৰাঁ।

চ) জোনাকী যুগৰ চুটিগল্পৰ বিশেষত্বসমূহ বিৰবি লিখাঁ।

ছ) অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত উপন্যাস আৰু চুটিগল্পৰ উদ্ভৱ আৰু বিকাশত জোনাকী যুগৰ অৱদান আছে নে নাই তোমাৰ উত্তৰৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাঁ।

**সহায়ক গ্ৰন্থ ঃ**

**অসমীয়া ঃ**


গগৈ, লীলা (সম্পা.) ২০০২ ঃ *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*
ষ্টুডেন্ট এম্পৰিয়াম, ডিব্ৰুগড়, ১

নেওগ, মহেশ্বৰ, ১৯৮৬ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*
চন্দ্ৰ প্ৰকাশ, গুৱাহাটী

বৰগোহাঞি, হোমেন (সম্পা.), ১৯৮৭ ঃ *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য*
অসম সাহিত্য সভা, যোৰহাট -১

ঠাকুৰ, নগেন (সম্পা.), ২০০০ ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*
জ্যোতি প্ৰকাশন, গুৱাহাটী -১

বৰুৱা, প্ৰহলাদ কুমাৰ, ২০০৮ ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*
বনলতা, ডিব্ৰুগড় -১

--------------------------- ১৯৯৫ ঃ *উপন্যাস,*
বনলতা, ডিব্ৰুগড় -১

গোস্বামী, ত্ৰৈলোক্য নাথ, ১৯৯৪ ঃ *আধুনিক গল্প সাহিত্য,*
বাণী প্ৰকাশ, গুৱাহাটী -১

দত্ত, উদয়, ১৯৯০ ঃ *চুটিগল্প,*
অসম সাহিত্য সভা, যোৰহাট - ১

ভৰালী, শৈলেন, ১৯৮৭ ঃ *অসমীয়া ঐতিহাসিক উপন্যাস*
বাণী প্ৰকাশ, গুৱাহাটী -১

------------------(সম্পা.), ২০০২ ঃ *অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি*
সাহিত্য অকাডেমী, নতুন দিল্লী

শৰ্মা, গোবিন্দ প্ৰসাদ, ১৯৯৫ ঃ *উপন্যাস আৰু অসমীয়া উপন্যাস,*
ষ্টুডেন্টচ ষ্টৰচ, গুৱাহাটী -১

শৰ্মা, সত্যেন্দ্ৰনাথ, ২০০৪ ঃ *অসমীয়া উপন্যাসৰ ভূমিকা,* সৌমাৰ প্ৰকাশ, গুৱাহাটী -৩

------------------------ ২০০৩ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* সৌমাৰ প্ৰকাশ, গুৱাহাটী -৩

**ইংৰাজী ঃ**

. Barua, Birinchi Kumar, 2009 : *History of Assamese Literature* Sahitya Academy, Kolkata

Hudson, W.H., 2001 : *An Introduction to the Study of English Literature* Surjeet Publications, New Delhi.

# খণ্ড - ৫
# যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ চমু আভাস

## খণ্ড পৰিচয় ঃ

এই কাকতখনৰ পঞ্চম খণ্ডটো হৈছে '**যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ চমু আভাস**'। আলোচনাৰ সুবিধাৰ বাবে এই খণ্ডটি তিনিটা গোটত ভাগ কৰা হৈছে –

**গোট - ১ ঃ যুদ্ধোত্তৰ যুগৰ কবিতা, চুটিগল্প**

**গোট - ২ ঃ যুদ্ধোত্তৰ যুগৰ নাটক আৰু উপন্যাস**

**গোট - ৩ ঃ যুদ্ধোত্তৰ যুগৰ সাহিত্য সমালোচনা**

তোমালোকে এইটো খণ্ডটোত যুদ্ধোত্তৰ যুগৰ বিষয়ে জানিবলৈ পাবা। ৰোমান্টিক সাহিত্যৰ ভেঁটিতে যুদ্ধোত্তৰ যুগৰ সাহিত্য গঢ় লৈ উঠিছিল। দৰাচলতে, এইছোৱা সময় বিংশ শতাব্দীৰ চতুৰ্থ দশকৰ পৰৱৰ্তী কালৰ সাহিত্য। সাধাৰণতে, ১৯৪০ চনৰ পিছৰ সময়ছোৱাক যুদ্ধোত্তৰ যুগ বোলা হয়। ১৯৪৫ চনত দ্বিতীয় বিশ্বযুদ্ধৰ সামৰণি পৰে। আনহাতে, ১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। যুদ্ধৰ পৰৱৰ্তী এই সময়ছোৱাতে অসমীয়া সাহিত্যলৈ নানা নতুন নতুন পৰিৱৰ্তন আহে। আকৌ, এই সময়ছোৱাকে কোনো কোনোৱে ৰামধেনু যুগ বুলিও অভিহিত কৰে। ১৯৫০ চনত প্ৰকাশিত সাহিত্যালোচনী ৰামধেনুৱে অসমীয়া সাহিত্যৰ ভেঁটি প্ৰতিষ্ঠাত অগ্ৰণী ভূমিকা লৈছিল। বিংশ শতিকাৰ চতুৰ্থ দশকৰ পৰা যুদ্ধোত্তৰ যুগৰ সূচনা হৈছিল আৰু আশীৰ দশক পৰ্যন্ত এই সময়ছোৱা বিস্তাৰিত হৈ পৰিছিল। এই খণ্ডৰ প্ৰথম গোটত যুদ্ধোত্তৰ যুগৰ কবিতা আৰু চুটিগল্পৰ বৈশিষ্ট্য ধাৰা আদিৰ বিষয়ে জানিব পাৰিবা।

আধুনিক অসমীয়া সাহিত্যত যুদ্ধোত্তৰ যুগটোৰ এটা বিশেষ গুৰুত্ব আছে। ইয়াৰ আগতে বিশেষকৈ ব্ৰিটিশ ৰাজত্বৰ কালছোৱাত ভাৰতীয় শিল্পী সাহিত্যিকে শাসকবৰ্গৰ নিৰ্মম বলি হৈছিল। ফলত ভাৰতীয় সাহিত্যৰ উপৰিও অসমীয়া সাহিত্যত এক পূৰাব নোৱৰা শূণ্যতা থাকি গ'ল। কিন্তু যুদ্ধৰ পাছৰ সময়ছোৱাৰ পৰা

(স্বাধীনতা লাভৰ পিছত) ভাৰতীয় আৰু অসমীয়া সাহিত্য আৰু সাংস্কৃতিক জগতত নতুন গতিৰ সঞ্চাৰ হল। এই খণ্ডৰ দ্বিতীয় গোটত যুদ্ধোত্তৰ যুগৰ চল্লিছৰ দশকৰ পৰা আশী দশকলৈ (১৯৪০-১৯৮৯) এই সময়ছোৱাৰ নাটক আৰু উপন্যাসৰ বিষয়ে আলোচনা কৰিম। যুদ্ধোত্তৰ কালছোৱাত অসমত সৃষ্টিশীল সাহিত্য কৰ্মৰ লগে লগে বুজন পৰিমাণৰ সমালোচনা সাহিত্য ৰচিত হৈছিল। এই যুগটোতে অসমীয়া সমালোচনা সাহিত্যত কেইবাটাও নতুন ধাৰাৰ সৃষ্টি হৈছিল। এই খণ্ডৰ তৃতীয় গোটত সাহিত্য সমালোচনাৰ স্বৰূপ তথা প্ৰকাৰৰ লগতে কেইজনমান সমালোচকৰ সম্পৰ্কে আলোচনা কৰা হৈছে।

# খণ্ড - ৫

# যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ চমু আভাস

## গোট -১ ঃ যুদ্ধোত্তৰ যুগৰ কবিতা, চুটিগল্প

১.০ উদ্দেশ্য
১.১ ভূমিকা
১.২ যুদ্ধোত্তৰ যুগৰ পটভূমি
১.৩ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়
১.৪ যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতা
১.৪.১ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য
১.৪.২ যুদ্ধোত্তৰ যুগৰ আধুনিক কবিতাৰ ধাৰা
১.৫ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া চুটিগল্প
১.৫.১ যুদ্ধোত্তৰ যুগৰ চুটিগল্পৰ সাধাৰণ চুটিগল্প
১.৫.২ যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্পৰ ধাৰা
১.৬ উপসংহাৰ
১.৭ সাৰাংশ
প্ৰাসঙ্গিক গ্ৰন্থ (ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবৰ বাবে)
আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ
অনুশীলনী
সহায়ক গ্ৰন্থপঞ্জী

## ১.০ উদ্দেশ্য ঃ

তোমালোকে এই গোটটো পঢ়াৰ পাছত ---

- যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে জানিব পাৰিবা।
- যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয় সম্পৰ্কে জানিব পাৰিবা।
- যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য, ধাৰা ইত্যাদি বিচাৰ কৰিব পাৰিবা।
- যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া চুটিগল্পৰ বৈশিষ্ট্য, ধাৰা বিচাৰ কৰিব পাৰিবা।
- যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ গতি প্ৰকৃতিৰ বিষয়ে জানিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা ঃ

তোমালোকে ইতিমধ্যে আগৰ গোটত অৰুনোদই আৰু জোনাকী যুগৰ আধুনিক অসমীয়া সাহিত্যৰ বিষয়ে অৱগত হলা। এতিয়া তোমালোকে এইটো গোটত যুদ্ধোত্তৰ যুগৰ বিষয়ে জানিবলৈ পাবা। তোমালোকক কৈ থওঁ যে, ৰোমান্টিক সাহিত্যৰ ভেঁটিতে যুদ্ধোত্তৰ যুগৰ সাহিত্য গঢ় লৈ উঠিছিল। দৰাচলতে, এইছোৱা সময় বিংশ শতাব্দীৰ চতুৰ্থ দশকৰ পৰৱৰ্তী কালৰ সাহিত্য। সাধাৰণতে, ১৯৪০ চনৰ পিছৰ সময়ছোৱাক যুদ্ধোত্তৰ যুগ বোলা হয়। ১৯৪৫ চনত দ্বিতীয় বিশ্বযুদ্ধৰ সামৰণি পৰে। আনহাতে, ১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। যুদ্ধৰ পৰৱৰ্তী এই সময়ছোৱাতে অসমীয়া সাহিত্যলৈ নানা নতুন নতুন পৰিৱৰ্তন আহে। আকৌ, এই সময়ছোৱাকে কোনো কোনোৱে ৰামধেনু যুগ বুলিও অভিহিত কৰে। ১৯৫০ চনত প্ৰকাশিত সাহিত্যালোচনী ৰামধেনুৱে অসমীয়া সাহিত্যৰ ভেঁটি প্ৰতিষ্ঠাত অগ্ৰণী ভূমিকা লৈছিল।

তোমালোকে গোট ১-ত জোনাকী যুগৰ বিষয়ে কিছু কথা অৱগত হ'ব পাৰিলা। এটা কথা তোমালোকে জনা উচিত যে, জোনাকী যুগৰ পিছতে পোনে পোনে যুদ্ধোত্তৰ যুগৰ সূচনা হোৱা নাছিল। অৰ্থাৎ যুদ্ধোত্তৰ যুগৰ আগেয়ে আৰু জোনাকী

যুগৰ পৰৱৰ্তী সময়ত অসমীয়া সাহিত্যত আৰু এটা যুগৰ উন্মেষ ঘটিছিল। অৰ্থাৎ, ১৯২৯ চনত জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ পৃষ্ঠপোষকতাত আৰু ডঃ দীননাথ শৰ্মাৰ সম্পাদনাত **আৱাহন** নামৰ এখন আলোচনীৰ জন্ম হৈছিল। এই আলোচনীখনৰ নামেৰে সেই যুগক 'আৱাহন যুগ' আখ্যা দিয়া হৈছিল। **আৱাহন** ত কবিতা, গল্প, প্ৰবন্ধ, সাহিত্য সমালোচনা আদি নানা দিশৰ বিকাশ হৈছিল। গণেশ গগৈ, দেৱকান্ত বৰুৱা, যতীন্দ্ৰনাথ দুৱৰা আদি কবিয়ে ইয়াতে কাব্য চৰ্চা কৰিছিল। নকুলচন্দ্ৰ ভূঞা, চন্দ্ৰপ্ৰভা শইকীয়ানী, লক্ষ্মীধৰ শৰ্মা, ৰমা দাশ, ছৈয়দ আব্দুল মালিক আদি গল্পকাৰে গল্প লিখি **আৱাহন**ক ঐশ্বৰ্য্যশালী কৰি তুলিছিল। **আৱাহনে** পাশ্চাত্যৰ ৰোমান্টিক সাহিত্যৰ উদাৰনৈতিক মানৱতাবাদক আদৰণি জনাইছিল। **আৱাহন** ৰ শেষৰফালে অসমীয়া সাহিত্যৰ গতি প্ৰকৃতিলৈ নতুনত্ব আহিল। পশ্চিমীয়া মনোবিজ্ঞানৰ লগত সম্পৰ্ক স্থাপন হ'ল। এনেদৰে ডেৰদশক জুৰি আৱাহন আলোচনীয়ে অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত নতুন যুগৰ সূচনা কৰিছিল।

**আৱাহন** ৰ পৰৱৰ্তী সময়খিনি অৰ্থাৎ বিংশ শতিকাৰ চতুৰ্থ দশকৰ পৰা যুদ্ধোত্তৰ যুগৰ সূচনা হৈছিল আৰু আশীৰ দশক পৰ্যন্ত এই সময়ছোৱা বিস্তাৰিত হৈ পৰিছিল।

## ১.২ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি ঃ

তোমালোকে আগৰ গোট - ১ ত জোনাকী যুগৰ পটভূমি, আধুনিক অসমীয়া সাহিত্যৰ ভেঁটি নিৰ্মাণত জোনাকী যুগৰ ভূমিকা ইত্যাদি সম্পৰ্কত পঢ়িলা। এতিয়া তোমালোকে এই গোটটিত যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কত কিছু কথা জানিবলৈ সক্ষম হ'বা। তোমালোকে জানা যে, জোনাকী যুগৰ লেখক সকলে বিংশ শতিকাৰ তৃতীয় দশক পৰ্যন্ত তেওঁলোকৰ সাহিত্যিক প্ৰচেষ্টা অব্যাহত ৰাখিছিল। কিন্তু বিংশ শতিকাৰ চতুৰ্থ দশকৰ পৰা ৰোমান্টিক সাহিত্যৰ ধাৰা ক্ৰমে দুৰ্বল হৈ আছে। এনে সময়তে অসমীয়া সাহিত্যলৈ বাস্তৱবাদী দৃষ্টিভংগীৰ আগমন ঘটে।

১৯৩৯ চনত আৰম্ভ হ'ল দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকা আৰু তাৰ পাছতেই বিয়াল্লিছৰ গণ আন্দোলন। ফলত সৃষ্টি হোৱা ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক বিপৰ্যয়, বস্তুৰ অনাটন, লেখক পাঠকৰ মানসিক উদ্বেগ আদিয়ে অসমীয়া সাহিত্যলৈ

স্থবিৰতা আনিছিল। মহাযুদ্ধই সৃষ্টি কৰিলে মুদ্ৰাস্ফীতি, অনাটন আৰু আনুষঙ্গিক সমস্যাৰ। নৈতিক, সামাজিক আৰু মানৱীয় মূল্যবোধৰ চৰম অৱনতিয়ে জাতীয় জীৱনক প্ৰচণ্ডভাৱে আঘাত কৰিলে। এনে জটিল পৰিৱেশৰ মাজতেই ঐতিহাসিক ভূমিকা গ্ৰহণ কৰিলে **জয়ন্তী** (১৯৪৩) আলোচনীৰ প্ৰকাশে। **জয়ন্তী**ৰ পাতত প্ৰগতিবাদী চেতনা বাজি উঠিল ঘাইকৈ কবিতাত। ৰোমান্টিক ভাৱোচ্ছাস আৰু আত্মকেন্দ্ৰিকতাক তীব্ৰভাৱে আক্ৰমণ কৰি **জয়ন্তী**য়ে আধুনিক সমাজমুখী সাহিত্যৰ পাতনি মেলিলে।

১৯৪৫ চনত দ্বিতীয় বিশ্বযুদ্ধৰ সামৰণি হয়। মহাযুদ্ধই প্ৰচলিত সামাজিক দৃষ্টিভংগী আৰু মূল্যবোধক জোকাৰি থৈ গ'ল। ১৯৪৭ চনত ভাৰত স্বাধীন হ'ল। যুদ্ধৰ তিক্ত অভিজ্ঞতাৰ পাছত স্বাধীনতা লাভে মানুহৰ মনত নতুন আশাৰ সঞ্চাৰ কৰিলে। কিন্তু সেই আশাৰ নিস্ফল ছৰিখনো মানুহৰ চকুত সোনকালেই ভাঁহি উঠিল। ৰাজনৈতিক স্বাধীনতাৰ আগে-পাছে সংঘটিত সাম্প্ৰদায়িক সংঘৰ্ষ, দুৰ্ভিক্ষ ইত্যাদিৰ পৰিণতি স্বৰূপে বহিৰাগতৰ আগমন হয়। ফলত অৰ্থনৈতিক সংকট আৰম্ভ হ'ল। এনেবোৰ পৰিস্থিতিয়ে অসমৰ সমাজ সাংস্কৃতিক মূল্যবোধৰ পৰিৱৰ্তন ঘটায়।

এনেবোৰ পৰিস্থিতিৰ বাহিৰেও আন বহুবোৰ ঘটনাই যুদ্ধোত্তৰ যুগৰ বৌদ্ধিক পৰিৱৰ্তনত সহায় কৰিছিল। তাৰ ভিতৰত উল্লেখযোগ্য মহাত্মা গান্ধীৰ নাৰী মুক্তি আন্দোলন, অসমত স্ত্ৰী শিক্ষাৰ জনপ্ৰিয়তা আদি। মহাত্মা গান্ধীৰ বাণীৰ দ্বাৰা জনসাধাৰণ আকৰ্ষিত হৈছিল আৰু স্বাধীনতা আন্দোলনত নাৰীয়েও অংশগ্ৰহণ কৰিছিল। ১৯৪০ চনৰ পৰা অসমৰ বৌদ্ধিক জগতৰ দ্ৰুত পৰিৱৰ্তন হয়। নতুনৰ প্ৰতি মোহ আৰু পুৰণি প্ৰতি অনীহা আৰু এফালে ঐতিহ্যৰ প্ৰতি সন্মোহন আৰু আনফালে ঐতিহ্যৰ নামত এচামৰ ৰক্ষণশীল মনোভাৱ এই দুই বিপৰীত ধৰ্মী দ্বন্দ্বই সচেতন লোকৰ মনত পীড়া আৰু যন্ত্ৰণাৰ সৃষ্টি কৰিছিল। এনেবোৰ দ্বন্দ্বমুখৰ পৰিস্থিতিয়ে সেই সময়ৰ গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰসকলক প্ৰভাৱান্বিত কৰিছিল। তদুপৰি, বিশ্বসাহিত্যৰ লগত অসমীয়া লেখকসকল পৰিচিত হৈছিল, ফলস্বৰূপে অসমীয়া সাহিত্যলৈ প্ৰতীকবাদ, মাৰ্ক্সবাদ, অস্তিত্ববাদৰ আমদানি ঘটিছিল।

যুদ্ধোত্তৰ যুগত অসমীয়া সাহিত্যলৈ নানা দিশত পৰিৱৰ্তন আহিল। অৰ্থাৎ অসমীয়া সাহিত্যই যুদ্ধোত্তৰ যুগত আধুনিকতাৰ ফালে কেনেদৰে অগ্ৰসৰ হৈছিল সেই সম্পৰ্কত হেম বৰুৱাৰ মন্তব্য মনকৰিবলগীয়া - আধুনিক সাহিত্যৰ প্ৰকাশভংগীত আধুনিক যুগৰ ব্যক্তিগত প্ৰতিভাৰ সাঁচ জিলিকি আছে। প্ৰাচীন নাট্য-সাহিত্যৰ

ধৰণ-কৰণ, নিয়ম প্ৰণালী বাৰ্ণাড শ্ব, ইবছেন আদিৰ ব্যক্তিগত প্ৰতিভা পৰি সুকীয়া গঢ় লৈছে। কবিতাৰ বিষয়বস্তু, প্ৰকাশভংগীত পাউণ্ড, এলিয়ট, ছিটৱেল আদিৰ স্বতন্ত্ৰ ধৰণে সুকীয়া সাঁচ দিছে। সেই একদৰে উপন্যাস সাহিত্যত দৰথী ৰিছাৰ্ডছন, জেমছ জয়েচ, ভাৰ্জিনা উলফাৰ নিচিনা কেইগৰাকীমানে ন-বোল সানিছে। লগে লগে কাব্য জগতত নতুন ছন্দৰ আৱিৰ্ভাৱ হৈছে। ভাৰ্ছ লিবৰে, স্প্ৰাং ভাৰ্চ - এনে ধৰণৰ ছন্দই কাব্য জগতত নতুন এক প্ৰকাশভংগীৰ সৃষ্টি কৰিছে। জীৱন-চৰিত ৰচনাৰ প্ৰণালীত নতুন সাহিত্যৰ চোকা পোহৰৰ পৰা আঁতৰি থাকিব পৰা নাই। লিটন ষ্ট্ৰেছি, আঁৰে মৰে, এমিল লাভউইগ আদিৰ হাতত পৰি জীৱন-চৰিত ৰচনাৰ উপায় নতুন হৈছে। - এই কথাখিনিৰ পৰা এই কথা অনুমেয় যে যুদ্ধোত্তৰ যুগত অসমীয়া সাহিত্যই সকলো ফালৰ পৰাই নতুনত্বক আদৰি লৈ আধুনিকতাৰ পিনে অগ্ৰসৰ হৈছে।

**আত্মমূল্যায়ন ঃ ১**

ক) যুদ্ধোত্তৰ যুগৰ সাহিত্য গঢ় লৈ উঠাত কোনটো ঘটনাই অধিক প্ৰভাৱ পেলাইছিল ?

........................................................................................................

........................................................................................................

........................................................................................................

## ১.৩ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয় ঃ

ইতিমধ্যে তোমালোকে জানিব পাৰিছা যে, দ্বিতীয় বিশ্বযুদ্ধৰ নানা প্ৰভাৱত অসমীয়া সাহিত্যৰ পট পৰিৱৰ্তন হৈছে। সাহিত্যলৈ স্বাধীনতাৰ পৰৱৰ্তী সময়ত বিজ্ঞান, মনস্তত্ত্ব, নৃতত্ত্ব, অৰ্থনীতি আদি বিভিন্ন দিশে ভুমুকি মাৰিছে। এতিয়া, তোমালোকক যুদ্ধৰ পৰৱৰ্তী সময়ত ৰচিত অসমীয়া সাহিত্যৰ কবিতা, গল্প, নাটক, উপন্যাস, সাহিত্য সমালোচনা সম্পৰ্কে চমুকৈ ক'বলৈ যত্ন কৰা হৈছে।

কুৰি শতিকাৰ চল্লিশৰ দশকটো অসমীয়া কবিতাৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ সময়। এই সময়তে দ্বিতীয় বিশ্বযুদ্ধই আনে নতুন যুগৰ বাৰ্তা। নতুন চেতনা, আৰু সামাজিক পৰিৱৰ্তনৰ সূচনা কৰে। পূৰ্বৰ ৰোমান্টিক ভাৱবিলাসিতাৰ পৰা মুক্ত হৈ

বাস্তৱতাৰ ভেঁটিত কবিতাক নতুন যুগৰ বাহক কৰিবলৈ প্ৰচেষ্টা চলায় চল্লিশৰ দশকৰ **জয়ন্তী** (১৯৪৩) আলোচনীয়ে। তাৰ পাছত ক্ৰমে **পছোৱা, ৰামধেনু** আদি আলোচনীত আধুনিক অসমীয়া কবিতাৰ ভেঁটি প্ৰতিষ্ঠা হয়। নতুন আংগিক আৰু বিষয়বস্তুৰ ব্যৱহাৰে আধুনিক কবিতা সুদৃঢ় হৈ পৰিল। শব্দচয়ন, বাক্যবিন্যাস, প্ৰতীক, চিত্ৰকল্প, ছন্দ সজা আদি সকলো দিশৰ নতুন পৰশেৰে আধুনিক কবিতা ৰজিতত হৈ উঠিল। যুদ্ধোত্তৰ যুগৰ কেইজনমান উল্লেখযোগ্য কবি হ'ল নৱকান্ত বৰুৱা, হৰি বৰকাকতি, হীৰেণ ভট্টাচাৰ্য, নিৰ্মল প্ৰভা বৰদলৈ নীলমণি ফুকন, হোমেন বৰগোহাঞি, ভৱেন বৰুৱা, হৰেকৃষ্ণ ডেকা, নলিনীধৰ ভট্টাচাৰ্য্য, মহিম বৰা ইত্যাদি।

আৱাহন যুগৰ চুটিগল্পত যি ভাবাবেগৰ উচ্ছাস আছিল যুদ্ধোত্তৰ কালত সেই প্ৰভাৱ কমি আহিছে। স্বাধীনতাৰ পাছত উদ্ভৱ হোৱা সমস্যাসমূহে জীৱন তথা সমাজ সম্পৰ্কীয় মূল্যবোধৰ ৰূপান্তৰত বৰঙণি যোগালে। তাৰ লগে লগে অসমীয়া চুটিগল্পলৈ আহিল পশ্চিমীয়া মতাদৰ্শৰ প্ৰভাৱ। সমাজবাদী, মনস্তাত্বিক, অৱস্থিতিবাদ আদি বিভিন্ন ভাৱধাৰাৰ প্ৰভাৱে চুটিগল্পক বৈচিত্ৰ্যময় কৰি তুলিলে। যুগৰ জটিলতাই সৃষ্টি কৰা কঠোৰ বাস্তৱতাৰ প্ৰতি লেখকসকলৰ সজাগতা বাঢ়িল। ভাৱঘন পৰিস্থিতি, ব্যঞ্জনাময় প্ৰকাশভংগীৰে কাহিনী বিন্যাস আৰম্ভ হল। যুদ্ধোত্তৰ যুগৰ উল্লেখযোগ্য আলোচনী **ৰামধেনু**তে আধুনিক অসমীয়া চুটি গল্পই সকলো দিশতে পূৰ্ণতা পালে। যুদ্ধোত্তৰ যুগত কেইজনমান উল্লেখযোগ্য গল্পকাৰ হ'ল - বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, হোমেন বৰগোহাঞি, যোগেশ দাস, মহিম বৰা, ভবেন্দ্ৰ নাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, সৌৰভ কুমাৰ চলিহা, চন্দ্ৰ প্ৰসাদ শইকীয়া, স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি, মামনি ৰয়চম গোস্বামী, শীলভদ্ৰ, অতুলানন্দ গোস্বামী, অপূৰ্ব কুমাৰ শৰ্মা আদি।

স্বাধীনতা লাভৰ পাছত আধুনিক অসমীয়া নাটকৰ ইতিহাসত এক নতুন পৰ্য্যায় আৰম্ভ হ'ল। পৰিৱৰ্তিত ৰাজনৈতিক আৰু সামাজিক পটভূমিত নাটকৰ বিষয় আৰু ৰীতিৰ আমূল পৰিৱৰ্তন ঘটিল। নতুন সমাজবোধ, বাস্তৱবোধ আৰু শিল্প ৰুচিৰ আধাৰত সমকালীন সমাজৰ সমস্যাক নাটকত ঠাই দিয়া হ'ল। সামাজিক সমস্যা যেনে যৌথ পৰিয়ালৰ ভাঙোন, স্ত্ৰী-স্বাধীনতা, পুৰণি আৰু নতুনৰ দ্বন্দ্ব, জাতিভেদ সমস্যা, অৰ্থনৈতিক বৈষম্য, ধনী আৰু পুঁজি পতিৰ কৃষক-বনুৱাৰ ওপৰত অত্যাচাৰ, সাম্যবাদী আদৰ্শ, প্ৰেমৰ স্বচ্ছন্দ অভিব্যক্তিৰ পথত সামাজিক সংস্কাৰ আৰু বন্ধনৰ প্ৰতিবন্ধক আদি বৰ্তমান যুগৰ সমস্যাসমূহ চিত্ৰিত কৰাৰ প্ৰয়াস কৰা হ'ল।

যুদ্ধোত্তৰ যুগত প্ৰসিদ্ধি লাভ কৰা নাট্যকাৰসকলৰ ভিতৰত সাৰদা বৰদলৈ, যুগল দাস, প্ৰবীণ ফুকন, ফণী শৰ্মা, সৰ্বেশ্বৰ চক্ৰবৰ্তী, গিৰীশ চৌধুৰী, অনিল চৌধুৰী, লক্ষ্যধৰ চৌধুৰী অমৰেন্দ্ৰ পাঠক, সুৰেন্দ্ৰ শইকীয়া, কুমুদ বৰুৱা, প্ৰফুল্ল বৰা, দৈৱচন্দ্ৰ তালুকদাৰ, অভয় ডেকা, দুৰ্গেশ্বৰ বৰঠাকুৰ, সত্যপ্ৰসাদ বৰুৱা, অৰুণ শৰ্মা, ফণী তালুকদাৰ, প্ৰফুল্ল বৰা আদিৰ নাম উল্লেখযোগ্য।

যুদ্ধোত্তৰ যুগত অসমীয়া সাহিত্যৰ উল্লেখযোগ্য ভাগ উপন্যাস সাহিত্যই চমকপ্ৰদ উন্নতি লাভ কৰিছে। নাগৰিক সভ্যতাৰ পতন, বেপাৰ-বাণিজ্যৰ প্ৰসাৰ, শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ, বাস্তৱমুখী তথা সমাজমুখী চেতনাই উপন্যাস সৃষ্টিত অৰিহণা যোগালে। মহাযুদ্ধই জন্ম দিয়া আৰ্থ-সামাজিক ব্যাধিসমূহে মানুহক সামাজিক দায়িত্বৰ প্ৰতি সজাগ কৰিলে। স্বাধীনতাৰ পূৰ্বে ৰচিত সৰহখিনি উপন্যাসেই আছিল ঐতিহাসিক। কিন্তু স্বাধীনতাৰ পৰৱৰ্তী সমাজমুখী দৃষ্টিভংগীৰ বিকাশে ঐতিহাসিক উপন্যাসৰ জনপ্ৰিয়তাত বাধা দিলে। গ্ৰামীণ অৰ্থনীতিৰ স্বৰূপ, কৃষক শ্ৰমিকৰ দুৰ্দশা, পুৰণি আৰু নতুনৰ সংঘাত, যুদ্ধ-বিগ্ৰহৰ পৰিণতি, বনুৱা আন্দোলন, সমাজবাদী ভাৱধাৰাৰ বিস্তাৰ আদিয়ে উপন্যাসৰ সমল যোগালে। এনেবোৰ দিশৰ পটভূমিত সমাজৰ বিভিন্ন স্তৰৰ নৰ-নাৰীৰ সুখ-দুখ, আশা-আকাংক্ষাৰ স্বাভাৱিক প্ৰতিফলন ঘটা সামাজিক উপন্যাসৰ যুগ আৰম্ভ হ'ল। যুদ্ধোতৰ যুগৰ কেইজনমান উল্লেখযোগ্য ঔপন্যাসিক বীণা বৰুৱা, দীননাথ শৰ্মা, মহম্মদ পিয়াৰ, হিতেশ ডেকা, চৈয়দ আব্দুল মালিক, যোগেশ দাস, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, চন্দ্ৰ প্ৰসাদ শইকীয়া, হোমেন বৰগোহাঞি, লক্ষ্মীনন্দন বৰা, উমাকান্ত শৰ্মা আদিৰ নাম ল'ব পাৰি।

যুদ্ধোত্তৰ যুগৰ অসমীয়া সমালোচনা সাহিত্য এটা গুৰুত্বপূৰ্ণ বিষয়। কিয়নো স্বাধীনতা লাভৰ পৰৱৰ্তী ডেৰ কুৰি বছৰৰ ভিতৰত অসমীয়া সাহিত্যত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ উপৰি ধৰ্ম, বিজ্ঞান, জীৱনী, ভ্ৰমণ কাহিনী ইত্যাদি অনেক বিষয়ৰ গ্ৰন্থ প্ৰকাশ পাইছে। অসমীয়া সাহিত্যক নতুন পদ্ধতি আৰু দৃষ্টিভংগীৰে মূল্যায়ন কৰা হৈছে। দৰাচলতে সাহিত্য সমালোচনাৰ অন্তৰ্গত বিষয় হিচাপে আমি নিম্নলিখিত বিষয়সমূহক ধৰিব পাৰোঁ।

সাহিত্য তত্ত্বৰ ব্যাখ্যা, বিভিন্ন ভাষাৰ সাহিত্যৰ তুলনামূলক অধ্যয়ন, কোনো উৎকৃষ্ট সাহিত্য-কৃতিৰ সুষম পৰিচয়, সাহিত্যৰ বুৰঞ্জী প্ৰণয়ন, মূল্যৱান গ্ৰন্থৰ সম্পাদনা, সাহিত্যৰ একোটা ধাৰাৰ সাফল্যৰ পুঙ্খানুপুঙ্খ বিচাৰ, একোজন সাহিত্যিকৰ

সম্যক মূল্যায়ন, জ্ঞানৰ অন্য বিভাগবোৰৰ পৰা সাহিত্যই কিদৰে পুষ্টি আহৰণ কৰে ইত্যাদি দৃষ্টান্ত সহকাৰে আলোচনা, সাহিত্য -কৰ্মৰ গৱেষণামূলক অধ্যয়ন ইত্যাদি।

যুদ্ধোত্তৰ যুগৰ উল্লেখযোগ্য সমালোচকসকলৰ ভিতৰত হেম বৰুৱা, তীৰ্থনাথ শৰ্মা, ত্ৰৈলোক্যনাথ গোস্বামী, ডিম্বেশ্বৰ নেওগ, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মা, অতুলচন্দ্ৰ বৰুৱা, বাপচন্দ্ৰ মহন্ত, প্ৰফুল্ল দত্ত গোস্বামী, বিৰিঞ্চি কুমাৰ বৰুৱা, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, উপেন্দ্ৰনাথ গোস্বামী, হেমন্ত কুমাৰ শৰ্মা, সত্যপ্ৰসাদ বৰুৱা, নন্দ তালুকদাৰ, মহেন্দ্ৰ বৰা, লীলা গগৈ, বীৰেণ বৰকটকী, নলিনীধৰ ভট্টাচাৰ্য্য, হীৰেণ গোঁহাই, ভবেন বৰুৱা, হোমেন বৰগোহাঞি অন্যতম।

**আত্মমূল্যায়ন ঃ ২**

(ক) যুদ্ধোত্তৰ যুগত আত্মপ্ৰকাশ কৰা আধুনিক অসমীয়া সাহিত্যৰ ভাগকেইটা কি কি ?

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ১.৪ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া কবিতা ঃ

তোমালোকে আগৰ গোটত জোনাকী যুগৰ অসমীয়া কবিতা, ইয়াৰ স্তৰ বিভাজন ইত্যাদি বিষয়ে কিছু কথা জানিব পাৰিলা। এতিয়া তোমালোকে এই গোটটিত যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ বিষয়ে জানিবলৈ পাবা।

আধুনিকতা এটা আপেক্ষিক শব্দ। কবিতাৰ ক্ষেত্ৰত আধুনিকতা বিচাৰ কৰাটো প্ৰকৃততে কঠিত কম। কবিৰ মনৰ জগত আৰু পাঠকৰ মনৰ জগতত একে সময়তে নতুন চেতনা-অনুভূতিৰ আদান প্ৰদান হয় তেতিয়াই কবিতাত আধুনিকতা স্বীকৃতি হয়। আধুনিক কবিতা দৰাচলতে দ্বিতীয় মহাযুদ্ধোত্তৰ কালৰ কবিতা। মহাযুদ্ধই কঢ়িয়াই অনা নতুন চেতনা, সামাজিক পৰিৱৰ্তন আদিয়ে কবিতালৈ নতুন পৰিৱৰ্তন আনিছিল। এই পৰিৱৰ্তন সবল কৰি তুলিছিল **জয়ন্তী** (১৯৪৩) আলোচনীয়ে। **জয়ন্তী**ৰ কবিতাত সমাজ চেতনা বলিষ্ঠ ৰূপত প্ৰকাশ পাইছিল যদিও প্ৰগতিবাদত

বিশেষ গুৰুত্ব দিয়াৰ বাবে তাত জীৱনৰ সামগ্ৰিক ৰূপ প্ৰকাশিত হোৱা নাছিল। অৱশ্যে জয়ন্তী য়ে প্ৰগতিবাদী কবিতাৰ ক্ষেত্ৰত এক ঐতিহাসিক সূচনাৰ সৃষ্টি কৰিছিল। পৰৱৰ্তী কালৰ পছোৱা ৰামধেনু আলোচনীয়ে এই প্ৰৱাহটোক শক্তিশালী ৰূপ দিছিল।

ৰামধেনু যুগৰ কবিতাৰ আঙ্গিক, বিষয় বস্তু দুয়োটাৰে আমূল পৰিৱৰ্তন হৈছিল। দৰাচলতে, এই সময়ৰ কবিতাত বিষয়বস্তুৰ নিৰ্বাচন, শব্দচয়ন, বাক্য-বিন্যাস, প্ৰতীক, চিত্ৰকল্প, ছন্দ সজ্জা আদি সকলো দিশতে নতুনত্ব আছিল। পূৰ্বৰ কবিতাৰ যৌগিক ছন্দৰ পৰা আঁতৰি আহি মুক্তক স্পন্দিত গদ্য ৰূপত আত্মপ্ৰকাশ কৰিলে। শব্দচয়নৰ ক্ষেত্ৰত ইংৰাজী, সংস্কৃত, বাংলা, হিন্দী আদি ভাৰতীয় ভাষাৰ প্ৰভাৱ পৰিল। জাপানী হাইকু কবিতাৰ ৰূপ অসমীয়া কবিতালৈ প্ৰৱাহিত হ'ল। যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাত কবিয়ে প্ৰতীক আৰু চিত্ৰকল্পৰো সংযোজন কৰিলে। কবিতা জটিল আৰু দুৰ্বোধ্য হৈ আহিল। নতুন নতুন ভাৱ, অভিজ্ঞতা, বাস্তৱ দৃষ্টিভংগী, আঙ্গিকাৰ অভিনৱত্ব সোমাই পৰি এই ধাৰাৰ কবিতাই অসমীয়া কাব্য জগতলৈ এটা নতুন যুগ আহবান কৰি আনিলে।

যুদ্ধোত্তৰ যুগৰ কবিসকলৰ ভিতৰত অমূল্য বৰুৱাৰ (১৯২২-১৯৪৬) চমকপ্ৰদ আৱিৰ্ভাৱে অসমীয়া কাব্যমোদীৰ মনত আলোড়নৰ সৃষ্টি কৰিছিল। মাৰ্ক্সীয় দৰ্শনত বিশ্বাসী অমূল্য বৰুৱাৰ কবিতাৰ বিষয়বস্তু আছিল কয়লা, কুকুৰ, বেশ্যা আদি। মৰোণোত্তৰভাৱে প্ৰকাশিত তেওঁৰ একমাত্ৰ কাব্য পুথি **অচিনা** (১৯৬৪, নন্দ তালুকদাৰৰ দ্বাৰা সম্পাদিত)। এই গৰাকী কবিয়ে মাত্ৰ ২৪ বছৰ বয়সতে কলিকতাৰ সাম্প্ৰদায়িক সংঘৰ্ষত প্ৰাণ হেৰুৱায়। অমূল্য বৰুৱাই উন্মোচন কৰা প্ৰগতিবাদী ধাৰাটোৰ গুৰি ধৰে ভৱানন্দ দত্তই (১৯১৯-১৯৫৯) ৰাজপথ, পূৰেৰুণ আদি কবিতাৰ যোগেদি। একেদৰে চক্ৰেশ্বৰ ভট্টাচাৰ্য্যই (১৯১৬-১৯৬৯) মাথোঁ এখন নোট আদি কবিতাৰ যোগেদি পৰৱৰ্তী কেইবাজনো কবিক সাম্যবাদী ভাৱনাৰে উদ্বুদ্ধ কৰিবলৈ সক্ষম হয়। আধুনিক লক্ষণ বিশিষ্ট, প্ৰগতিশীল দৃষ্টিভংগীযুক্ত আৰু বৈপ্লৱিক চেতনাৰ অসমীয়া কবিতা ৰচনা কৰা ধীৰেন্দ্ৰ নাথ দত্ত (১৯১২-১৯৭২) এইক্ষেত্ৰত সৰ্বাগ্ৰণী। ১৯৩৩ চনত প্ৰকাশিত অভিযান কাব্য সংকলনৰ পাতনিত কৈছে - মোৰ অভিযান সকলো প্ৰকাৰ জড়তা, দীনতা, হীনতাৰ বিৰুদ্ধে সমাজৰ কঠোৰ বান্ধোনৰ বিৰুদ্ধে। ইয়াৰ পিছতে আগবাঢ়ি আহিল অন্য এক প্ৰতিভা - হেম বৰুৱা (১৯১৫-১৯৭৭)

তেওঁৰ কবিতাতে প্ৰতীক আৰু চিত্ৰকল্পৰ আধুনিক প্ৰয়োগ প্ৰথম দেখা গৈছিল। **বালিচন্দা** (১৯৪৯) **মনময়ুৰী** (১৯৬৫) তেওঁৰ দুখন কবিতাৰ পুথি। এনেদৰে দেখা যায় যে যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ শুভাৰম্ভ ঘটিছে প্ৰগতিবাদী কবিতাৰ যোগেদি। পৰৱৰ্তী কালত এই বিশিষ্ট মাৰ্ক্সবাদী বা প্ৰগতিবাদী ধাৰাটোক প্ৰতিনিধিত্ব কৰে হীৰেণ গোঁহাই, হীৰেণ ভট্টাচাৰ্য, অমলেন্দু গুহ, কেশৱ মহন্ত, বীৰন্দ্ৰ সৰকাৰ, হেমাঙ্গ বিশ্বাস আদি কবিসকলে।

যুদ্ধোত্তৰ যুগত যিগৰাকী কবিৰ কবিতাই আধুনিক কবিতাক সুপ্ৰতিষ্ঠিত কৰাত আৰু জনপ্ৰিয়তা বৃদ্ধিত সহায় কৰিলে, তেওঁ হ'ল নৰকান্ত বৰুৱা। অসমীয়া কবিতাত মুক্তক আৰু স্পন্দিত গদ্য ব্যৱহাৰত তেখেতে বৈচিত্ৰ্যৰ সৃষ্টি কৰিলে। চল্লিশৰ দশকৰ শেষৰফালে কবি ৰূপে আত্মপ্ৰকাশ কৰি তেওঁ সপ্তম দশকৰ শেষলৈকে ছখন কবিতাৰ পুথি ৰচনা কৰে - **হে অৰণ্য, হে মহানগৰ** (১৯৫১), **এটি দুটি এঘাৰটি তৰা** (১৯৫৭), **ৰাৱণ** (১৯৬৩), **মোৰ আৰু পৃথিৱীৰ** (১৯৭৩), **যতি আৰু কেইটামান স্কেচ** (১৯৬০), **এখন স্বচ্ছ মুখাৰে** (১৯৬০), ইত্যাদি। যান্ত্ৰিক আৰু নাগৰিক সভ্যতাৰ দানৱীয় অভিব্যক্তিৰ প্ৰতি ঘৃণা, প্ৰাচীন ঐতিহ্য সচেতন দৃষ্টিভংগী, মানৱতাবাদ, আধুনিক সমাজ-সভ্যতাই জন্ম দিয়া দ্বিধা, সংকোচ আৰু সুস্থ সমাজ-ব্যৱস্থাৰ প্ৰতি আগ্ৰহ এই কাব্য সংকলনকেইটিত প্ৰকাশ পাইছে।

নৰকান্ত বৰুৱাৰ আৱিৰ্ভাৱৰ লগে লগে অসমীয়া কবিতাত এটা নতুন ধাৰাৰ সৃষ্টি হয়। বহুতে এই ধাৰটোক বুদ্ধিনিষ্ঠ ধাৰা বুলিও অভিহিত কৰিব খোজে। এই ধাৰাটো মূলতঃ পাশ্চাত্যৰ এলিয়ট, অডেন, স্পেণ্ডাৰ, বোডলেয়াৰ, লুইচ, মায়াক ভস্কি, ৰিস্কে আদি ইউৰোপীয় কবিৰ দ্বাৰা প্ৰভাৱিত। নৰকান্ত বৰুৱাক এই ধাৰাটোৰ নায়ক বুলি কোৱা হয়। নীলমণি ফুকন, ভবেন বৰুৱা, মহেন্দ্ৰ বৰা, অজিৎ বৰুৱা, মহিম বৰা, হৰি বৰকাকতি আদি কবিও এই ধাৰাৰ অন্যতম।

নীলমণি ফুকনৰ (১৯৩৩) কবিতা বুদ্ধিদীপ্ত আৰু চিত্ৰময় ৰচনা। তেওঁ যুদ্ধোত্তৰ যুগৰ এজন জনপ্ৰিয় কবি। তেওঁৰ কবিতাৰ পুথিসমূহৰ ভিতৰত **সূৰ্য হেনো নামি আহে এই নদীয়েদি** (১৯৬৩), **নিৰ্জনতাৰ শব্দ** (১৯৬৫), **আৰু কি নৈশব্দ** (১৯৬৮), **ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে** (১৯৭১), **কাঁইট, গোলাপ আৰু কাঁইট** (১৯৭৫), **গোলাপী জামুৰ লগ্ন** (১৯৭৫), **কবিতা** (১৯৭৮), মহেন্দ্ৰ বৰাৰ (১৯২৯-১৯৯৬) কাব্য সাধনাৰ আৰম্ভণি হয় বিংশ শতিকাৰ চল্লিশৰ দশকত।

তেওঁৰ কবিতাৰ পুথিকেইখন হ'ল - **জাতিস্মৰ** (১৯৬১), **এই নদীয়েদি** (১৯৭০) ইত্যাদি। তেওঁৰ কবিতাত ভাৰতীয় দৰ্শনৰ প্ৰভাৱ স্পষ্ট। জন্মান্তৰবাদত বিশ্বাসী এইজনা কবিৰ কবিতাৰ ঘাই সুৰ ৰমন্যাসিক চেতনা। বিংশ শতিকাৰ পঞ্চম আৰু ষষ্ঠ দশকৰ কবি হৰি বৰকাকতি। তেওঁৰ কাব্য পুথি - **কোনোবা শীতৰ এক বগা সন্ধিয়াত** (১৯৭১), **হৰি বৰকাকতিৰ কবিতা** (১৯৭৮), **সময় বালিৰ খোজ** (১৯৮১)। হোমেন বৰগোহাঞি (১৯৩২) বুদ্ধিনিষ্ঠ ধাৰাৰ অন্যতম কবি। তেওঁৰ কবিতাৰ পুথি **হৈমন্তী** (১৯৬৭)। মহিম বৰাৰ (১৯২৪) কবিতাত জন্মান্তৰবাদ, জীৱন, মৃত্যু আৰু কৌতূহল সংশয়ৰ মনোভাৱ আছে। একমাত্ৰ কবিতাৰ পুথি **ৰঙাজিঁয়া** (১৯৭৮)।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য (১৯২৪-১৯৯৭) সমাজবাদী ধাৰাৰ এজন উল্লেখযোগ্য কবি। তেও **জয়ন্তী, পছোৱা** আৰু **ৰামধেনু** আলোচনীত কাব্য চৰ্চা কৰিছিল। বিষ্ণুৰাভা এতিয়া কিমান ৰাতি, ফেঁচা, বৰ ভূঁইকঁপ আদি উৎকৃষ্ট কবিতা। সমাজবাদী ধাৰাৰ আন গ্ৰহন কবি অমলেন্দু গুহ (১৯২৪)। তেওঁৰ কবিতাত শ্ৰমজীৱী, কৃষক-বনুৱা মানুহৰ সংগ্ৰামৰ ছৱি আছে। বাওপন্থী চিন্তা চেতনাৰে সমৃদ্ধ আন এগৰাকী কবি তথা গীতিকাৰ হল কেশৱ মহন্ত (১৯২৬)। **আমাৰ পৃথিৱী** (১৯৪৬), **আগন্তুক** (১৯৬৩), আদি তেওঁৰ উল্লেখযোগ্য কাব্য সংকলন। প্ৰগতিবাদী ধাৰাটোৰ জ্ঞান এগৰাকী বিশষ্ট কবি ৰাম গগৈ (১৯৩৯-৯৪) তেওঁৰ কাব্য পুথি **মাটিৰ স্বপ্ন** (১৯৬৩)।

সুগন্ধি পখিলাৰ কবি ৰূপে খ্যাত হীৰেন ভট্টাচাৰ্যৰ (১৯৩২) কবি প্ৰতিভাই সপ্তম দশকতে পূৰ্ণ বিকাশ লাভ কৰিলে। প্ৰগতিশীল সমাজ চেতনা তেওঁৰ প্ৰথম পৰ্য্যায়ৰ কবিতাত ধৰা দিছিল। প্ৰকাশিত কাব্য পুথি - **ৰৌদ্ৰকামনা** (১৯৬৮), **মোৰ দেশ মোৰ প্ৰেমৰ কবিতা** (১৯৭২), **বিভিন্ন দিনৰ কবিতা** (১৯৭৪), **সুগন্ধি পখিলা** (১৯৮১) আদি। বিপ্লৱী চেতনা, বাস্তৱতা, মানৱতাবোধৰ প্ৰেৰণাৰে সমৃদ্ধ আন এগৰাকী সমাজবাদী কবি হ'ল হেমাঙ্গ বিশ্বাস (১৯১২-৮৭)। **কুল-খুৰাৰ চোতাল** (১৯৭০) তেওঁৰ কাব্যপুথি।

যুদ্ধোত্তৰ যুগৰ ৰমন্যাসিক কবি হ'ল নিৰ্মলপ্ৰভা বৰদলৈ (১৯৩৩-২০০৪)। কাব্যিক অনুভূতিক অতি সংক্ষেপে অথচ সংবেদনশীলভাৱে, মঞ্জুল ভাষা আৰু চিত্ৰধৰ্মী ভাষাত প্ৰকাশ কৰিছে। তেওঁৰ কাব্য সংকলকেইটি হ'ল - **বন ফৰিঙৰ ৰং** (১৯৬৭), **দিনৰ পাছত দিন**, (১৯৭৭), **সমীপেষু**, (১৯৭৭) **অন্তৰংগ** (১৯৭৮) আদি।

ৰমন্যাসবাদ্য, প্ৰতীকবাদ, প্ৰগতিবাদ আদি কেওবিধৰে প্ৰতিফলন থকা কবি গৰাকী হ'ল বীৰেণ বৰকটকী। তেওঁৰ কবিতাৰ সংকলন দুখন-**মন্বন্তৰ** (১৯৫৯),

আৰু **চিৰন্তন** (১৯৭৯)। ১৯৪০ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত আৱিৰ্ভাৱ হোৱা আন আন কবিসকলৰ ভিতৰত বীৰেশ্বৰ বৰুৱা (১৯৩৩), দিলীপ বৰুৱা, হীৰেন্দ্ৰ নাথ দত্ত (১৯৩৭) ভবেন বৰুৱা (১৯৪১), হৰেকৃষ্ণ ডেকা, দীনেশ গোস্বামী (১৯৩৬) নলিনীধৰ (১৯২১) ভট্টাচাৰ্য্য, ৰবীন্দ্ৰ সৰকাৰ আদিৰ নাম উল্লেখ কৰিব পাৰি।

ওপৰত কম-বেছি পৰিমাণে আলোচনা কৰা কবিসকলৰ বাহিৰেও ষাঠিৰ দশক বা তাৰ আগেয়ে আৰু সত্তৰ আৰু আশীৰ দোমোজাত আত্মপ্ৰকাশ কৰি কাব্য-চৰ্চা কৰা আন কেইবাজনো কবিৰ নাম নাথাকিলে এই আলোচনা অসম্পূৰ্ণ হ'ব।

কবীন ফুকন (১৯৪৬) গভীৰ মননশীল ধাৰাটোৰ কবি। তেওঁ ষাঠিৰ দশকৰ কবি। ষাঠিৰ দশকত আত্মপ্ৰকাশ কৰা আন এজন কবি আনিছ উজ জামান (১৯৪৭)। সনন্ত তাঁতী (১৯৫২) সত্তৰৰ দশকত আত্মপ্ৰকাশ কৰা কবিসকলৰ ভিতৰত অন্যতম। তেওঁৰ কবিতা পুথিৰ ভিতৰত **উজ্বল নক্ষত্ৰৰ সন্ধানত**, (১৯৮০), মই **মানুহৰ অমল উৎসৰ** (১৯৮৫)। সত্তৰ দশকৰ পৰা কবিতাৰ জগতত প্ৰতিষ্ঠিত হোৱা কৰবী ডেকা হাজৰিকাই সাম্প্ৰতিক সময়লৈকে কাব্য চৰ্চা অব্যাহত ৰাখিছে। তেওঁৰ কবিতাৰ মাজত অৰ্ন্তজীৱনৰ ছবি, সমাজ-সচেতন ধাৰা এটি উপলব্ধ হয়। তেওঁৰ কবিতা সংকলন - **সুবাসিত যি যন্ত্ৰণা** (১৯৮০)। ৰফিকুল হোচেইন (১৯৫৪) সত্তৰ দশকৰ এখন উল্লেখযোগ্য কবি। সমীৰ তাঁতী (১৯৫৬) সত্তৰৰ দশকৰে এজন লেখত লবলগীয়া কবি। তদুপৰি এই সময়ৰ বিশিষ্ট কবিৰ ভিতৰত জ্ঞান পূজাৰী, অনুভৱ তুলসী (১৯৫৯), বিজয় ৰবি দাস (১৯৫৯), অনুপমা বসুমতাৰী (১৯৬০), নীলিম কুমাৰ আদিৰ নাম ল'ব পাৰি। শোষণৰ বিৰুদ্ধে সংগ্ৰাম আৰু নতুন সমাজ এখনৰ প্ৰতি আগ্ৰহ সৰহভাগ নবীন কবিৰে কেন্দ্ৰীয় চিন্তা।

**আত্মমূল্যায়ন - ৩**

ক) জয়ন্তী যুগৰ দুজন অসমীয়া কবিৰ নাম লিখাঁ।

............................................................................................................

খ) **ৰামধেনু** ৰ পাতত কবিতা চৰ্চা কৰা দুজন কবিৰ নাম লিখাঁ।

............................................................................................................

গ) যুদ্ধোত্তৰ যুগৰ উল্লেখযোগ্য কবিসকলৰ কবিতাৰ দুটা মূল বৈশিষ্ট্য লিখাঁ।

............................................................................................................

............................................................................................................

**১.৪.১ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য ঃ**

আধুনিক কবিতা হ'ল নতুন ধ্যান-ধাৰণাৰ কলাত্মক কাব্যিক প্ৰকাশ। যুদ্ধোত্তৰ যুগৰ পৰিৱৰ্তিত আৰ্থসামাজিক আৰু মানসিক পৰিৱেশে আধুনিক কবিসকলৰ মনত জীৱন আৰু জগতক কেন্দ্ৰ কৰি নতুন উপলব্ধি, নতুন ধ্যান-ধাৰণা, চিন্তা-চেতনাৰ জন্ম দিলে। আধুনিক অসমীয়া কবিতাৰ কিছুমান বৈশিষ্ট্য আছে।

১) বিষয়বস্তুগত বৈশিষ্ট্য।

২) আংগিক গত বৈশিষ্ট্য।

আধুনিক অসমীয়া কবিতালৈ বিষয়বস্তুৰ দিশত নানাভাৱে পৰিৱৰ্তন আহিল। এনে পৰিৱৰ্তনে অসমীয়া কবিতাৰ বিষয়বস্তুত নতুন ৰূপৰ সমাৱেশ ঘটিল। বিষয়বস্তুগত বৈশিষ্ট্যৰ ভিতৰত ---

১) অতি সচেতনতাৰে, বাস্তৱ দৃষ্টিভংগীৰে মানৱীয় মূল্যবোধৰ নৱ-মূল্যায়ন।

২) নগৰকেন্দ্ৰিক যান্ত্ৰিক সভ্যতাৰ ছৱি।

৩) মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱত নতুন সমাজ গঢ়াৰ চেষ্টা।

৪) ফ্ৰয়েডীয় মনঃস্তত্ত্বৰ প্ৰভাৱ।

৫) ধৰ্ম, প্ৰেম, সৌন্দৰ্য্য আদি প্ৰতিষ্ঠিত মূল্যবোধত সংশয়।

৬) জীৱনৰ ক্লান্তি আৰু নৈৰাশ্যবোধ।

৭) বিশ্বৰ, বিভিন্ন ঐতিহ্য আৰু সংস্কৃতি সচেতনভাৱে গ্ৰহণ।

৮) ইতিহাস-চেতনা, বিজ্ঞানৰ সামগ্ৰিক প্ৰভাৱ।

৯) সমাজৰ সনাতন সংস্কাৰ, প্ৰতিষ্ঠিত মূল্যবোধৰ প্ৰতি গভীৰ অনাস্থা আৰু প্ৰথাগত ধৰ্মীয় বিশ্বাসৰ প্ৰতি অৱহেলা।

১০) ৰোমান্টিক প্ৰেমৰ প্ৰতি অনাস্থা আৰু তাৰ ঠাইত দেহজ কামনা-বাসনাক আগত ৰাখি প্ৰেমৰ শৰীৰীৰূপ প্ৰত্যক্ষীকৰণ।

**আধুনিক কবিতাৰ আংগিক বৈশিষ্ট্যসমূহ হ'ল ঃ**

**১) ছন্দ কৌশলৰ ধাৰা ঃ** আধুনিক কবিতাত পূৰ্বৰ যৌগিক ছন্দৰ সলনি মুক্ত আৰু স্পন্দিত গদ্য ব্যৱহাৰ হৈছিল।

**২) কবিতাৰ ভাষাৰ ক্ষেত্ৰত অহা পৰিৱৰ্তন ঃ** যুদ্ধোত্তৰ যুগত অসমীয়া কবিতাত সাধাৰণ মানুহৰ মুখৰ ভাষা ব্যৱহাৰ হৈছিল। অসমীয়া কবিতাত ইংৰাজী, সংস্কৃত, বাংলা, হিন্দী আদি ভাৰতীয় ভাষাৰ শব্দ কবিতাত ব্যৱহাৰ হৈছিল।

৩) প্ৰচলিত কবি প্ৰসিদ্ধিৰ পৰিৱৰ্তে নতুন কবি প্ৰসিদ্ধিৰ ব্যৱহাৰ হৈছিল।

**৪) উদ্ধৃতিৰ সঘন ব্যৱহাৰ ঃ** আধুনিক কবিতাত অন্য কবিতাৰ উদ্ধৃতি দি কবিতাৰ বিষয়বস্তুক অধিক সবল কৰি তোলা হৈছে। হেম বৰুৱা, মহেন্দ্ৰ বৰাই দেশী-বিদেশী বিভিন্ন উৎসৰ পৰা উদ্ধৃতি দিছে।

**৫) নতুন আংগিকৰ ব্যৱহাৰ ঃ** আধুনিক কবিতাৰ দেহ গঠনত জাপানী কবিতাৰ হাইকু আৰু টংকা ৰীতিৰ প্ৰভাৱ দেখা যায়। আধুনিক কবিতাত কম কথাতে এটা বা দুটা বাক্যতে বক্তব্য বিষয়ক উপস্থাপন কৰা হয়।

**৬) চিত্ৰকল্পৰ ব্যৱহাৰ ঃ** আধুনিক অসমীয়া কবিতাৰ এটা বিশিষ্ট লক্ষণ হ'ল চিত্ৰকল্পৰ ব্যৱহাৰ। চিত্ৰকল্প শব্দটোৰ আক্ষৰিক অৰ্থ হ'ল ছবিৰ নিচিনা। মনৰ চকুৰে দেখা পোৱা ছবিয়েই চিত্ৰকল্প। আধুনিক কবিয়ে বৈসাদৃশ্যৰ মাজত সাদৃশ্য, অনৈক্যৰ মাজত ঐক্য ইত্যাদি বুজাবলৈ চিত্ৰকল্পৰ আশ্ৰয় লয়। কবিয়ে চিত্ৰৰ মাজেদিয়েই তেওঁৰ অনুভূতি কবিতাত প্ৰকাশ কৰে। এনে কৰোঁতে চিত্ৰ আৰু কবিৰ ভাবানুভূতিৰ মাজত একধৰণৰ ঐক্য সাধিত হয়। আধুনিক অসমীয়া কবিতাত হেম বৰুৱা, নৱকান্ত বৰুৱা, নীলমণি ফুকন, মহেন্দ্ৰ বৰা, বীৰেশ্বৰ বৰুৱা, হীৰেন ভট্টাচাৰ্য, ভবেন বৰুৱা আদি কবিৰ কবিতাত চিত্ৰকল্পৰ ব্যৱহাৰ মনকৰিবলগীয়া।

উদাহৰণস্বৰূপে, মহেন্দ্ৰ বৰাৰ কবিতাত চিত্ৰকল্পৰ প্ৰয়োগৰ কথা উল্লেখ কৰিব পাৰি। পূৰ্ণিমা ৰাতিৰ আকাশৰ জোনটোক কবিয়ে বিভিন্ন চিত্ৰকল্পৰে কবিতাত অংকন কৰিছে ----

"খিৰিকীৰে চালো, পূৰ্ণিমা ৰাতিৰ জোনটো আছিল শুই
আকাশৰ কোলা জুৰি যেন ৰঙচুৱা এখনি শিশুৰ মুখ"
(শূন্য এখনি সোণৰ পিৰিচ)

আকৌ

"দেখা পালো আকাশৰ দুৱাৰ দলিত পূৰ্ণিমা ৰাতিৰ
ঘূৰণীয়া জোন, ঠিক যেন এইমাত্ৰ বাথৰূমৰ পৰা
ওলাই অহা, এজনী ছোৱালী।"

(Come to my beloved)

**৭) প্ৰতীকৰ ব্যৱহাৰ ঃ** শব্দ এটাই যেতিয়া তাৰ নিৰ্দিষ্ট আক্ষৰিক অৰ্থতকৈ অধিক ব্যঞ্জনা আনি দিয়ে, অথবা ভাৱ-অনুভূতিৰ বাহক হিচাপে ইয়াক ব্যৱহাৰ কৰা হয়,

তেতিয়া তাক প্ৰতীক আখ্যা দিয়া হয়। অৰ্থাৎ প্ৰতীক হল শব্দ বা শব্দ গুচ্ছৰ অৰ্থসম্বলিচ ব্যঞ্জনাময় ৰূপ। প্ৰতীকৰ দ্বাৰা নিৰ্দেশিত অৰ্থ সদায়েই লুকাই থাকে। আধুনিক অসমীয়া কবিতাত বিস্তৃত ভাৱে প্ৰতী কৰ ব্যৱহাৰ হৈছে। প্ৰতীকবাদী কাব্য সম্পৰ্কত মহেন্দ্ৰ বৰাই কৈছে- প্ৰতীকবাদী কাব্যৰ প্ৰতীক এটি স্থিতিস্থাপক শব্দ। তাৰ ৰেখা নাই, ৰং আছে। তাৰ অৰ্থ নাই, ধ্বনিশীলতা আছে। সেইবাবে প্ৰতীকবাদী কবিতাত নিৰ্দিষ্টৰ দ্বাৰা অনিৰ্দিষ্টৰ ব্যঞ্জনা আনিবৰ সফল প্ৰয়াস দেখা যায়। নৰকান্ত বৰুৱাৰ ইয়াত নদী আছিল কবিতাত প্ৰতীকৰ ব্যৱহাৰ মনকৰিবলগীয়া ---

"কিন্তু মৰুভূমি আহে,
লাহে লাহে মাহে মাহে বছৰে বছৰে
আহঁতৰ খোৰোঙত এপাহি কপৌ ফুল সোনকালে সৰে।
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্ৰাণৰ যিমান ৰং, সেউজী সোণালী
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু
ফুঁট-ছাঁই বৰণৰ এখন পৃথিৱী।" (ইয়াত নদী আছিল)

কবিতাটোত আধুনিক সভ্যতাই মানৱ সমাজলৈ অনা পৰিৱৰ্তন, মৃত্যুচেতনা আদি প্ৰতীকি অৰ্থ প্ৰকাশ পাইছে।

**(৮) অতি কাব্যিকতাৰ অৱসান ঃ** আধুনিক কবিতাত কবিসকলে নিজস্ব দৃষ্টিভংগীৰে অনুভূতিতকৈ বুদ্ধিক বেছি প্ৰাধান্য দি কবিতাত ঠাই দিছিল। আড়ম্বৰপূৰ্ণ ভাষাৰ পৰিহাৰ আধুনিক কবিতাৰ বিশিষ্ট লক্ষণ।

এনেবোৰ লক্ষণ বৈশিষ্ট্যৰে বিষয়বস্তু, তথা আংগিকৰ ক্ষেত্ৰত আধুনিক কবিতাই অভিনৱত্ব লাভ কৰিছিল।

**আত্মমূল্যায়ন ঃ ৪**

ক) আধুনিক অসমীয়া কবিতাৰ দুটা বিশিষ্ট লক্ষণ উল্লেখ কৰাঁ।

.....................................................................................................

.....................................................................................................

খ) আধুনিক অসমীয়া কবিতাৰ আংগিকগত দুটা বৈশিষ্ট্য উল্লেখ কৰাঁ।

.....................................................................................................

### ১.৪.২ যুদ্ধোত্তৰ যুগৰ আধুনিক কবিতাৰ ধাৰা ঃ

আধুনিক কবিতা মূলতঃ জনতাৰ কবিতা। জন-জীৱনৰ-হাই-উৰুমিৰে আধুনিক কবিতা মুখৰিত। যুদ্ধোত্তৰ যুগৰ কবিতাৰ বিষয়, ভাৱ আঙ্গিক আদি দিশৰ পৰা আধুনিক কবিতাৰ কেইবাটাও ধাৰা নিৰ্ণয় কৰিব পাৰে।

ভাৱৰ দিশৰ পৰা -

**১) সমাজবাদী ভাৱধাৰাৰ কবিতা ঃ** আধুনিক কবিসকলে মানুহৰ অস্তিত্ব আৰু সমাজ-জীৱনৰ মূল্যায়নৰ ভেঁটিত কবিতা ৰচনা কৰি আহিছে। জড়তাগ্ৰস্ত সমাজ জীৱনৰ বুকুত নতুন দিনৰ প্ৰাণ প্ৰতিষ্ঠা কৰিবৰ বাবে তেওঁলোক জনতাৰ মাজলৈ ওলাই আহিছে। জনজীৱনৰ দুখ-যন্ত্ৰণাৰ উপশম ঘটাবলৈ এইসকল কবিয়ে চেষ্টা কৰিছে। এইদল কবিৰ ভিতৰত ভবানন্দ দত্ত, অমূল্য বৰুৱা, হেম বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, কেশৱ মহন্ত, নলিনীধৰ ভট্টাচাৰ্য্য, বীৰেণ বৰকটকী, ৰাম গগৈ, ৰবীন্দ্ৰ সৰকাৰ নাম ল'ব পাৰি।

সমাজবাদী ধাৰাৰ কবি বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ কবিতাত এক উচ্চ আদৰ্শবাদ, জনতাৰ ওপৰত তেওঁৰ সশ্ৰদ্ধ আস্থা আৰু এখন সাম্যবাদী সমাজ ৰচনাৰ সপোন প্ৰতিফলিত হৈছে। তেওঁৰ 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি', 'শঙ্কৰদেৱ', 'আত্মজ্ঞান' আদি কবিতাত মানৱতাবাদ, ন্যায় আৰু সমতাৰ আদৰ্শৰ প্ৰতি থকা দৃঢ় বিশ্বাসৰ ধ্বনি শুনিবলৈ পোৱা যায়।

"বিহুৰ তলিত চিফুং বাঁহীৰ কৰুণ সুৰ
বড়ো নাচনিৰ নাচোনৰ তাল ভাগে
জনতাৰ চকু চকুৰ পানীৰে পূৰ।"

(বিষ্ণুৰাভা এতিয়া কিমান ৰাতি)

**২) নব্য ৰোমান্টিক ভাৱধাৰাৰ কবিতা ঃ**

যুদ্ধোত্তৰ যুগৰ এচাম কবিয়ে ৰোমান্টিক ভাৱধাৰাকে লৈ আধুনিক দৃষ্টিভংগীৰে কবিতা লিখিছে। এইসকল কবিৰ কবিতাত সামাজিক চেতনাৰ প্ৰভাৱ স্পষ্ট। নব্য-ৰোমান্টিক ভাৱধাৰাৰ কবিসকলৰ চেতনাত ৰোমান্টিক ভাৱধাৰা, সত্য আৰু সুন্দৰৰ আৰাধনাৰ ভেঁটিতহে নতুন সমাজ গঢ়াৰ প্ৰয়াস দেখা হৈছে। এই ভাৱধাৰাৰ কবিতাত আধ্যাত্মিক শুভবুদ্ধি, কলা-সৰ্বস্বতা, প্ৰকৃতি, যৌৱনৰ বিষন্নতা, দীৰ্ঘশ্বাস, যৌনতাৰ প্ৰকাশ, সংশয়, অতৃপ্তি, নিৰাশা-হতাশা, নিস্তেজ-নিষ্ক্ৰিয় সৌন্দৰ্য্যবোধৰ অনুভূতি দেখা

যায়। এই দলৰ কবিসকলৰ ভিতৰত নৰকান্ত বৰুৱা, হৰি বৰকাকতি, ভবেন বৰুৱা, হোমেন বৰগোহাঞি, নীলমণি ফুকন, অজিৎ বৰুৱা, মহেন্দ্ৰ বৰা, হীৰেন ভট্টাচাৰ্য ইত্যাদি কবিৰ নাম উল্লেখ কৰিব পাৰি।

**১) প্ৰতীকবাদী ধাৰা ঃ**

প্ৰতীক হল শব্দ বা শব্দ গুচ্ছৰ অৰ্থসম্বলিত ৰূপ। প্ৰতীকে কবিতাৰ ভাষা ব্যঞ্জণাময় কৰি তোলে। প্ৰতীকবাদ হ'ল এক সাহিত্যিক আন্দোলন যত প্ৰতীকেই কবিতাৰ মূল আত্মা। অৰ্থাৎ প্ৰতীক আৰু প্ৰতীকবাদ একে বস্ত নহয়। প্ৰতীকবাদীসকলে ব্যৱহাৰ কৰা প্ৰতীক তেওঁলোকৰ স্বকীয় অভিজ্ঞতাৰ আধাৰত নিৰ্মিত বাবে সৰ্বাসাধাৰণৰ বাবে বহুসময়ত তাক বুজি পোৱা কঠিন হৈ পৰে। দৰাচলতে প্ৰতীকবাদী কবিসকলে কবিতাত এখন সম্পূৰ্ণ চিত্ৰ ৰচনা কৰি নিদিয়ে, মাথোঁ পাঠকৰ অনুভৱৰ বাবে গোটাই দিয়ে কবিতাৰ শব্দ, ভাৱ আৰু চিত্ৰকল্প।

১৯ শতিকাৰ ফৰাছী প্ৰতীকবাদী আন্দোলনৰ ফলত এই ধাৰা অসমীয়া কবিতালৈ আহিল। প্ৰতীকবাদী কবিসকলৰ ভিতৰত নৰকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, হোমেন বৰগোহাঞি, হেম বৰুৱা, অজিৎ বৰুৱা, ভবেন বৰুৱাৰ নাম উল্লেখযোগ্য। অসমীয়া কবিতাত প্ৰতীকবাদী কবিতাৰ বিভিন্ন উদাহৰণ পোৱা যায়। তাৰ ভিতৰত অজিৎ বৰুৱাৰ 'জেংৰাই ১৯৬৩' কবিতাত আমি প্ৰতীকবাদী প্ৰকাশ দেখা পাওঁ -

"ডকা বজোৱা মোৰ হৃদয় ডংকা
অংক নিমিলে যিনিলে লংকা
ডংকা বজোৱা ডংকা বজোৱা
ডংকা বজোৱা . . ."

**২) চিত্ৰকল্পবাদী ধাৰা ঃ** পশ্চিমীয়া সাহিত্যত বিংশ শতাব্দীৰ দ্বিতীয় দশকত কেইজনমান ইংগমাৰ্কিন কবিয়ে চিত্ৰকল্পবাদী আন্দোলন গঢ়ি তুলিছিল। মনত ৰখা উচিত যে, চিত্ৰকল্প আৰু চিত্ৰকল্পবাদ একে নহয়। চিত্ৰকল্পবাদীসকলৰ মতে চিত্ৰকল্প কবিতাৰ আঙ্গিক নহয় ই কবিতাৰ প্ৰাণ বা আত্মা। চিত্ৰকল্পবাদী আন্দোলনৰ গুৰি ধৰোঁতা টমাচ আৰ্নেষ্ট হিউম আৰু এজৰা পাউণ্ডে চিত্ৰকল্পৰ সম্পৰ্কত এই কথা স্পষ্ট কৰি গৈছে। এই আন্দোলনৰ প্ৰভাৱ বিশ্বৰ বিভিন্ন সাহিত্যত পৰে। অসমীয়া সাহিত্যৰ বিশেষকৈ কবিতাৰ ক্ষেত্ৰত এই প্ৰভাৱ পৰে। চিত্ৰকল্পবাদী ধাৰাৰ অন্তৰ্গত কবি হিচাপে আমি হেম বৰুৱা, নৰকান্ত বৰুৱা, বীৰেশ্বৰ বৰুৱা, মহেন্দ্ৰ বৰা, নীলমণি

ফুকন, হৰি বৰকাকতি, নিৰ্মল প্ৰভা বৰদলৈ, হোমেন বৰগোহাঞি, হীৰেন ভট্টাচাৰ্য আদিৰ কথা উল্লেখ কৰিব পাৰো।

হৰি বৰকাকতিৰ কবিতাত মনোৰম চিত্ৰকল্পৰ সমাৱেশ ঘটিছে প্ৰিয়াৰ চিঠি ত ----

“ . . . কোনো নাই, নাই। সাৰে আছে মাথোঁ
হেজাৰ প্ৰিয়াৰ চকুৰ লোতক গোট মাৰি
হোৱা আকাশৰ চেচাঁ জোন।”

নিৰ্মলপ্ৰভা বৰদলৈয়ে কম শব্দতে নিটোল চিত্ৰকল্প ৰচনা কৰিছে। কবিয়ে ফাগুণৰ চিত্ৰ আঁকিছে এনেদৰে ---

“নীলা পাটৰ সাজযোৰত
ফাকু ৰঙৰ
জকমকীয়া বুটা।”

এনেদৰে, এদল কবিৰ যত্নত চিত্ৰকল্পবাদী ধাৰাই অসমীয়া কবিতাৰ ইতিহাসক উজ্বল কৰি তুলিছিল।

**আত্মমূল্যায়ন - ৫**

ক) আধুনিক অসমীয়া কবিতাৰ মূল ধাৰকেইটা কি কি ?

........................................................................................................................

........................................................................................................................

........................................................................................................................

........................................................................................................................

খ) যুদ্ধোত্তৰ যুগৰ অসমীয়া কাব্যজগতৰ দুজন প্ৰতীকবাদী কবিৰ নাম লিখাঁ।

........................................................................................................................

........................................................................................................................

গ) যুদ্ধোত্তৰ যুগৰ অসমীয়া কাব্যজগতৰ দুজন চিত্ৰকল্পবাদী কবিৰ নাম লিখাঁ।

........................................................................................................................

........................................................................................................................

**১.৫ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া চুটি গল্প ঃ**

তোমালোকে আগৰ আলোচনাত ইতিমধ্যে যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া কবিতাৰ বিষয়ে পঢ়িবলৈ পালা। ১৯৪০-১৯৮০ ৰ সময়ৰ অসমীয়া কবিতালৈ অহা পৰিৱৰ্তন, ধাৰা ইত্যাদিৰ বিষয়ে জানিলা। এতিয়া এইটো গোটত তোমালোকে যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া চুটিগল্পৰ বিষয়ে জানিবলৈ পাবা। এইখিনিতে তোমালোকে জানি থোৱা ভাল যে, যুদ্ধোত্তৰ যুগৰ গল্প আৱাহন যুগৰ গল্পৰ পটভূমিত গঢ় লৈ উঠিছিল।

আৱাহন ৰ যোগেদি অসমীয়া গল্প সাহিত্যলৈ ৰোমান্টিক পৰিৱৰ্তন আহিছিল আৰু ই দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰাৰম্ভিক সময়লৈকে অব্যাহত আছিল। কিন্তু আৱাহন বন্ধ হোৱাৰ লগে লগে গল্প সাহিত্যলৈয়ে দুৰ্দিন আহিল। পৰৱৰ্তী আলোচনী জয়ন্তী, সুৰভি ত দুই এটা গল্প প্ৰকাশ পাইছিল যদিও তাক পৰ্য্যাপ্ত বুলিব নোৱাৰি। পৰৱৰ্তী আলোচনী **ৰামধেনু** ত অসমীয়া চুটিগল্পই হেৰুৱা প্ৰাণ ঘূৰাই পাইছিল। অৰ্থাৎ, **ৰামধেনু** ৰ পাততে চুটিগল্পই সকলো পিনৰ পৰা পৰিপক্কতা লাভ কৰিছিল। পশ্চিমীয়া মতাদৰ্শৰ প্ৰভাৱৰ ফলস্বৰূপে অসমীয়া গল্পলৈ সমাজবাদী, মনস্তাত্ত্বিক, অৱস্থিতিবাদ, অস্তিত্ববাদ আদি ভাৱধাৰা আহিল। ফলত চুটিগল্প বৈচিত্ৰ্যময় হৈ পৰিল।

যুদ্ধোত্তৰ যুগৰ গল্পকাৰসকলৰ ভিতৰত ছৈয়দ আব্দুল মালিক (১৯১৯) সৰ্বাগ্ৰণী। তেওঁ আৱাহন যুগতে গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে কিন্তু যুদ্ধোত্তৰ যুগলৈকে তেওঁৰ সেই প্ৰচেষ্টা অব্যাহত আছে। মালিকৰ **পৰশমণি** (১৯৪৬), **ৰঙা-গড়া** (১৯৫৩), **মৰহা পাপৰি** (১৯৫৪), **এজনী নতুন ছোৱালী** (১৯৬১), **মৰম মৰম লাগে** (১৯৬১), **শিখৰে শিখৰে** (১৯৬২), **শিল আৰু শিখা** (১৯৬২), **অস্থায়ী আৰু অন্তৰা** (১৯৬৫) আদি গল্প সংকলন যুদ্ধোত্তৰ যুগৰ প্ৰকাশ পায়। মালিকৰ প্ৰথম অৱস্থাৰ গল্পবোৰত ৰোমান্টিকতাৰ ৰেশ আছিল যদিও পৰৱৰ্তী সময়ত তেওঁৰ গল্প বাস্তৱধৰ্মী হৈ পৰিলে। তেওঁৰ গল্পত সমাজসচেতনতা, কাহিনী, পৰিৱেশ আৰু ফৰ্মৰ প্ৰতি সচেতনতা আদি বৈশিষ্ট্য লক্ষ্য কৰিব পাৰি।

ৰামধেনু ৰ সম্পাদক তথা গল্পকাৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য (১৯২৪) যুদ্ধোত্তৰ যুগৰ এগৰাকী প্ৰতিষ্ঠিত গল্পকাৰ। তেওঁৰ প্ৰকাশিত গল্প পুথি দুখন - **কলং আজিও বয়** (১৯৬২), **সাতসৰী** (১৯৬৩)। তেওঁৰ গল্পত মানৱীয়তা আৰু

জৈৱিক তাড়না আবেদনশীল ৰূপত প্ৰকাশ পাইছে। তেওঁৰ গল্পতেই সামাজিক বাস্তৱবাদ অধিক স্পষ্ট হৈ উঠিছিল। বীৰেন্দ্ৰনাথ ভট্টাচাৰ্য্যৰ সৰহভাগ গল্পৰে আদৰ্শ হল সমাজতান্ত্ৰিক বাস্তৱবাদ। আনহাতে, তেওঁৰ গল্পত নৰ-নাৰীৰ যৌন মনঃস্তত্বৰ সফল প্ৰয়োগ দেখা যায়। 'ছিৰালা আৰু ছিন্দুইন', 'শলিতা মামী', 'মুন আৰু বাৎসায়ন' আদি এনে প্ৰকৃতিৰ গল্প। তেওঁৰ 'মাকণৰ গোঁসাই', 'ঈদৰ জোন' আদি গল্পত আধ্যাত্মিক চেতনা অনুভূত হয়।

পৰিৱেশ প্ৰধান গল্প লিখি কৃতিত্ব অৰ্জন কৰা গল্পকাৰ মহিম বৰা (১৯২৬) যুদ্ধোত্তৰ যুগৰ এজন উল্লেখযোগ্য গল্পকাৰ। তেওঁৰ গল্প সংকলন - **কাঠনিবাৰীৰ ঘাট** (১৯৬১, **বহভুজী ত্ৰিভুজ** (১৯৬৭), **মই পিপলি আৰু পূজা** (১৯৬৭), **ৰাতি ফুলা ফুল** (১৯৭৭), **এখন নদীৰ মৃত্যু** (১৯৭২), **পুতলাঘৰ** (১৯৭৩), ইত্যাদি। তেওঁৰ গল্পত আঞ্চলিক জনজীৱনৰ ছবি আছে। নৈসৰ্গিক পৰিৱেশনৰ বাস্তৱ বৰ্ণনা আৰু চিত্ৰধৰ্মী কথনভংগীয়ে তেওঁৰ গল্পৰ আৰ্কষণ বৃদ্ধি কৰে। মানুহৰ জীৱন আৰু মনোজগতৰ বিষয়ে নিৰলস সন্ধান তেওঁৰ কিছুমান গল্পত অনুভূত হয়। নিভাঁজ অসমীয়া গদ্যৰীতিৰ ব্যৱহাৰ তেওঁৰ গল্পৰ অন্যতম বৈশিষ্ট্য।

যুদ্ধোত্তৰ যুগৰ কথাশিল্পীৰ ভিতৰত যোগেশ দাস (১৯২৭) অন্যতম। **পপীয়া তৰা** (১৯৫৭), **আন্ধাৰৰ আঁৰে আঁৰে** (১৯৫৯) **ত্ৰিবেণী** (১৯৬১), **মদাৰৰ বেদনা** (১৯৬৩), **হেজাৰ লোকৰ ভিৰ** (১৯৬৫), **পৃথিৱীৰ অসুখ** (১৯৭৯) আদি তেওঁৰ উল্লেখযোগ্য গল্প সংকলন। সহজ সৰলভাৱে কথাবস্তু উপস্থাপন কৰি স্বাভাৱিক পৰিৱেশৰ মাজত সৰু-সুৰা ঘটনাৰ আকৰ্ষণীয় ৰূপ পৰিস্ফুট কৰাত যোগেশ দাস সিদ্ধহস্ত। তেওঁৰ কথনভঙ্গী সহজ-সৰল সাৱলীল আৰু পৰিচ্ছন্ন। সৰল অলংকাৰপূৰ্ণ আৰু নিভাঁজ বাক্ ভংগীৰে গল্প ৰচনা যোগেশ দাসৰ এটা নিজস্ব বৈশিষ্ট্য।

ৰামধেনু যুগৰ পৰা সাম্প্ৰতিক কাললৈকে গল্প ৰচনা কৰা ভবেন্দ্ৰনাথ শইকীয়া অসমীয়া সাহিত্য জগতৰ এটি জাকতজিলিকা নাম। তেওঁৰ গল্প পুথিকেইখন হ'ল **প্ৰহৰী** (১৯৬৩), **বৃন্দাবন** (১৯৬৫), **গহবৰ** (১৯৬৩), **সেন্দুৰ** (১৯৭১), **শৃংখল** (১৯৭৫), **ভবেন্দ্ৰনাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প** (১৯৭৬)। প্ৰাত্যহিক জীৱনৰ সৰু-সুৰা ঘটনা বা সমস্যাই শইকীয়াৰ গল্পৰ বিষয়বস্তু। ঘটনা বা পৰিস্থিতিৰ পুংখানুপুংখ বিশ্লেষণ বা খুটি-নাটিৰ বিচাৰ তেওঁৰ গল্পৰ আন এক বিশেষত্ব।

দৈনন্দিন জীৱন যাত্ৰাৰ সূক্ষ্ম ৰূপদানত শইকীয়াৰ পাৰদৰ্শিতা অপৰিসীম। ড০ মহেন্দ্ৰ বৰাই শইকীয়াৰ গল্প সম্পৰ্কে মন্তব্য দি কৈছে - “ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত আছে ডিটেইলৰ ধাৰ নিছিগা স্ফুৰণ। সত্যজিৎ ৰায়ৰ ছবি চাই যিটো সোৱাদ পোৱা যায়, ডিটেইলচৰ সূক্ষ্মতম কাৰু-কাৰ্যৰ বাবে ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প পঢ়ি পোৱা যায় সেই একেই সোৱাদ, সেই একেটা কাৰণতে।”

ৰামধেনু যুগৰ এগৰাকী সুদক্ষ গল্পকাৰ হ'ল লক্ষ্মীনন্দন বৰা (১৯৩২)। তেওঁৰ গল্পত গাঁৱৰ সুখ-দুখ, হাঁহি-কান্দোন মিহলি জীৱনৰ প্ৰত্যক্ষদৰ্শীৰ দৃষ্টিভংগীৰে কৰা মূল্যায়নৰ খতিয়ান আছে। আনহাতে, যুদ্ধোত্তৰ যুগৰ পৰিৱৰ্তনসমূহে কেনেকৈ অনিবাৰ্যভাৱে সহজ-সৰল গ্ৰাম্য জীৱনৰ ওপৰত ক্ৰিয়া কৰি এখন জীৱন্ত সমাজক ভাঙোনমুখী কৰি তুলিছে তাৰো পৰিচয় বৰাৰ গল্পত আছে। তেওঁৰ গল্পত সংকলনকেইটি হল **অচিন কন্যা** (১৯৬৫), **গৌৰী ৰূপক** (১৯৬২), **দৃষ্টি ৰূপা** (১৯৫৮), **মন মাটি মেঘ** (১৯৬১), **সেই সুৰে উতলা** (১৯৬০), **কাঁচিয়লীৰ কুঁৱলী** (১৯৬৫), **মাজত তুষাৰ নৈ** (১৯৬৭), **গোপন গধূলি** (১৯৬৯)। ৰামধেনু যুগৰ এজন বিশিষ্ট গল্পকাৰ হল সৌৰভ কুমাৰ চলিহা (১৯৩০) চলিহাৰ গল্পত বৈজ্ঞানিক পৰিভাষাই প্ৰতীকী ৰূপত আত্ম প্ৰকাশ কৰে। তেওঁৰ গল্প বস্তুনিষ্ঠ, আত্মগত সংলাপ আৰু বুদ্ধিনিষ্ঠ ৰচনা ৰীতিয়ে গল্পসমূহক স্বকীয়তা প্ৰদান কৰিছে। **অশান্ত ইলেক্ট্ৰন** (১৯৬২), **দুপৰীয়া** (১৯৬৩), **এহাত ডাবা** (১৯৭৩), **গোলাম** (১৯৭৩) আদি গল্প পুথিৰ গল্পত সূক্ষ্ম বিশ্লেষণ, মনঃস্তত্ব, চেতনা প্ৰৱাহৰ প্ৰয়োগ, জীৱন প্ৰৱাহক বৈজ্ঞানিক ভাষা আৰু সংকেতেৰে ৰূপ দিয়াৰ চেষ্টাৰে আন গল্পকাৰতকৈ তেওঁক পৃথক কৰিছে। তেওঁৰ একেটা গল্পতে সাহিত্যৰ বিভিন্ন মতাদৰ্শ, সমাজ সচেতনতা, সমাজ বিশ্লেষণ আৰু বিভিন্ন মতাদৰ্শ, সমাজ সচেতনতা, সমাজ বিশ্লেষণ আৰু বিভিন্ন প্ৰকাৰৰ আঙ্গিক কলা-কৌশলৰ প্ৰয়োগ হোৱা দেখা গৈছে। চলিহাৰ গল্প্য কলা-কৌশলৰ নিগুণতাৰ সম্পৰ্কে হোমেন বৰগোহাঞিয়ে আগবঢ়োৱা মন্তব্য এনেধৰণৰ - চুটিগল্পৰ কলা-কৌশল সৌৰভ চলিহাৰ বিস্ময়কৰ ৰূপে আয়ত্বাধীন। সচাঁ কথা কবলৈ গলে এই বিষয়ে তেওঁতকৈ দক্ষ শিল্পী বৰ্তমান অসমত বোধহয় এজনো নাই।

যুদ্ধোত্তৰ যুগৰ এগৰাকী গল্পকাৰ হল চন্দ্ৰপ্ৰসাদ শইকীয়া। (১৯২৭) **মায়ামৃগ** (১৯৬৪), **নাচপতিফুল** (১৯৭৪) আদি গল্প সংকলনৰ গল্পত মানৱতাবোধ, আদৰ্শবোধ আদি দৃষ্টিভংগী প্ৰকাশ হৈছে।

হোমেন বৰগোহাঞিৰ (১৯২৬) চুটিগল্প যুদ্ধোত্তৰ যুগৰ চুটিগল্পৰ এটা

বিশিষ্ট ধাৰাৰ অন্তৰ্ভুক্ত। তেওঁৰ গল্পই পৰম্পৰাগত কাহিনী প্ৰধান বা বৰ্ণনাধৰ্মী ৰীতিৰ পৰা আঁতৰি আহি নতুন পথ এটাৰ উন্মোচন কৰে। **বিভিন্ন কোৰাচ** (১৯৫৭), **প্ৰেম আৰু মৃত্যুৰ কাৰণে** (১৯৫৭), **বিভিন্ন নৰক** (১৯৬৭), **স্বপ্ন-স্মৃতি** (১৯৬৭), **বিষাদ** (১৯৬৭) তেওঁৰ গল্প সংকলন। হোমেন বৰগোহাঞিৰ গল্পৰ বিষয়বস্তু প্ৰায়েই অসাধাৰণ আৰু সামাজিক ৰাজআলিৰ আঁতৰত অন্ধ গলিৰ মাজত সংঘটিত হোৱা ঘটনা। চৰিত্ৰবোৰ অস্বাভাৱিক মনোবৃত্তিৰ, সিহঁত সামাজিক নীতি শৃংখলাৰ বাহিৰত, সিহঁত উৎকেন্দ্ৰিক, ঈৰ্ষণকামী আৰু দানৱীয় উগ্ৰতাৰ প্ৰতীক। বৰগোহাঞিৰ গল্পত প্ৰেম আৰু মৃত্যুৱে হাতত হাত ধৰা-ধৰি কৰি আছে, সিহঁতৰ বিৰোধ নাই। ফ্ৰয়েডৰ মনঃসমীক্ষণৰ প্ৰভাৱ বৰগোহাঞিৰ গল্পত স্পষ্ট। ডি.এইচ. লৰেঞ্চৰ যৌনতত্ত্বই তেওঁক আকৰ্ষিত কৰা যেন লাগে। মূলতঃ বৰগোহাঞি শিল্প সচেতন শক্তিশালী গদ্যশিল্পী।

যুদ্ধোত্তৰ যুগৰ মহিলা গল্পকাৰসকলৰ ভিতৰত তিনি গৰাকীৰ নাম উল্লেখ কৰিব পাৰি স্নেহ দেৱী (১৯১৬) নিৰুপমা বৰগোহাঞি (১৯৩২) আৰু মামণি ৰয়চম গোস্বামী (১৯৪৩)। স্নেহ দেৱীৰ গল্পত নাৰী জীৱনৰ বিচিত্ৰ ৰূপ সংবেদনশীলভাৱে মূৰ্ত হৈ উঠিছে। **কৃষ্ণা দ্বিতীয়াৰ জোনাক** (১৯৫৮), **স্নেহ দেৱীৰ গল্প** (১৯৬৬), **স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প** (১৯৮১) সংকলনত সন্নিৱিষ্ট গল্পবোৰত সাধাৰণ অসমীয়া মধ্যবিত্ত আৰু নিম্নবিত্ত পৰিয়ালৰ পাৰিবাৰিক ঘটনা, নাৰীৰ মনঃস্তত্ত্ব আদি প্ৰকাশ পাইছে। **ৰামধেনু** আলোচনীত গল্প লিখি জনপ্ৰিয়তা অৰ্জন কৰা গল্পকাৰ নিৰুপমা বৰগোগাঞিৰ গল্প সংকলন কেইটা হ'ল - **অনেক আকাশ** (১৯৬১), **জলছৱি** (১৯৬৬), **শূণ্যতাৰ কাব্য** (১৯৬৯), **জননীৰ সন্ধানত এজন ডেকা মানুহ** (১৯৮১) ইত্যাদি। তেওঁ সমাজ সচেতন গল্পকাৰ, বাস্তৱ দৃষ্টিভংগীৰে সামাজিক বৈষম্য আৰু সংঘাতৰ কাহিনীৰে তেওঁৰ গল্প উজ্বল। অসমীয়া সাহিত্যত এক ব্যতিক্ৰম ধৰ্মী সৃষ্টিশীল লেখিকা ৰূপে পৰিগণিত হৈছে মামণি ৰয়চম গোস্বামী। ৰক্ষণশীল সমাজ ব্যৱস্থা, সংস্কাৰৰ নামত ভণ্ডামি, জৈৱিক কামনা বাসনা তেওঁৰ গল্পৰ অন্যতম বৈশিষ্ট্য।

পলমকৈ গল্প লিখি জনপ্ৰিয়তা অৰ্জন কৰা গল্পকাৰ শীলভদ্ৰই (১৯২৪) ষষ্ঠ সপ্তম দশকত আত্মপ্ৰকাশ কৰিলে। তেওঁৰ গল্পত আমাৰ চৌদিশৰ চিনাকি সমাজখনেই ঘাইকৈ পৰিস্ফুট হ'লেও সিবোৰক তেওঁ নতুন অৰ্থ আৰু গুৰুত্ব দি চাইছে।

প্ৰকাশিত গল্প সংকলন **মধুপূৰ বহুদূৰ, শীলভদ্ৰৰ কুৰিটা গল্প, সমুদ্ৰতীৰ, তৰুৰা কদম** আদি। 'হামদৈ পুলৰ জোন' গল্পৰ লেখক হিচাপে জনপ্ৰিয় হৈ পৰা অতুলানন্দ গোস্বামীৰ (১৯৩৫) গল্পৰীতি সৰল, পোন আৰু আবেদনক্ষম। সাধাৰণতে চকুত নপৰা ঘটনা অথবা সমস্যা সূক্ষ্মদৃষ্টি আৰু ভাষাৰ প্ৰাঞ্জলতাৰে তেওঁৰ গল্প উজ্বল। উল্লেখযোগ্য গল্প সংকলন - **হামদৈ পুলৰ জোন** (১৯৬৬), **গল্প** (১৯৬৭) **ৰাজপাট** (১৯৭৬), **পলাতক** (১৯৮৩) ইত্যাদি। আঙ্গিকৰ প্ৰতি সজাগতা তথা চমৎকাৰিতা প্ৰদৰ্শন কৰা এগৰাকী গল্পকাৰ হ'ল নগেন শইকীয়া (১৯৩৯), **পাৰ্থিৱ অ পাৰ্থিৱ** (১৯৮২), **কুবেৰ হাতীবৰুৱা** (১৯৬৭), **ছবি আৰু ফ্ৰেম** (১৯৬৯), **বন্ধ কোঠাৰ ধুমুহা** (১৯৭১) ইত্যাদি। তেওঁৰ গল্পত মননশীলতা, চৰিত্ৰৰ অন্তদ্বন্দ্ব আৰু ভাষাৰ প্ৰাঞ্জলতা আদি বৈশিষ্ট্য লক্ষ্যণীয়। যুদ্ধোত্তৰ যুগৰ উল্লেখযোগ্য গল্পকাৰ সকলৰ ভিতৰত লুম্বেৰ দাই (১৯৪০) গোবিন্দ প্ৰসাদ শৰ্মা (১৯৪০) ইমৰাণ শ্বাহ (১৯৩৩) ইত্যাদিৰ নাম ল'ব পাৰি। লুম্বেৰ দাইৰ গল্প পুথি **পাহাৰৰ শিলে শিলে** (১৯৬১), **পৃথিৱীৰ হাঁহি** (১৯৬০) ৰ কিছুমান গল্পত অৰুণাচলৰ জনজাতীয় জীৱনক গল্পত ঠাই দিছে। গোবিন্দ প্ৰসাদ শৰ্মাই কম সংখ্যক গল্পৰে সাৰ্থক গল্প সৃষ্টি কৰি জনপ্ৰিয়তা অৰ্জন কৰিছে। **কাঁচৰ হীৰাৰ দৰে** (১৯৬৮), **দূষিত সুবাস** (১৯৭১) আদি উল্লেখযোগ্য গল্প সংকলন। তেওঁৰ গল্পত নাৰীবাদী চিন্তা চৰ্চাৰ প্ৰাসংগিকতা লক্ষ্যণীয়। ইমৰাণ শ্বাহৰ গল্পত সাধাৰণ মানুহৰ সমস্যা, আশা আকাংক্ষাৰ ছবি আছে। তেওঁৰ গল্প সংকলন - **বন্দী বিহংগমে কান্দে** (১৯৫৫), **পিয়া মুখছন্দা** (১৯৫৯), **শিখাৰ মিনতি** (১৯৬০), **ইত্যাদি** (১৯৬৪), **পথিক** (১৯৯৫) ইত্যাদি।

যুদ্ধোত্তৰ যুগৰ এগৰাকী ব্যতিক্ৰমধৰ্মী গল্পকাৰ হল অপূৰ্ব কুমাৰ শৰ্মা (১৯৪৩)। তেওঁৰ গল্পত চৰিত্ৰ আৰু পৰিস্থিতিৰ সমন্বয় আৰু বিষয়ৰ উপযোগী কথিত প্ৰকাশভংগীৰ প্ৰয়োগ সহজে লক্ষ্য কৰিব পাৰি। কথন ভংগীত সৌৰভ কুমাৰ চলিহাৰ বেগী ভাষাৰ সাদৃশ্য মনকৰিবলগীয়া বৈশিষ্ট্য।

১৯৭০ চনৰ পৰৱৰ্তী সময়ত আত্মপ্ৰকাশ কৰা গল্পকাৰসকলৰ ৰচনাতো সামাজিক আৰু ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক সংকটৰ তীব্ৰতা, নৈতিক অৱক্ষয়

আদি বিবিধ সমস্যাৰ ছবি চিত্ৰিত হৈছে। এই সময়ছোৱাত চুটিগল্পৰ উল্লেখনীয় দিশটো হ'ল এচাম গল্পকাৰে গল্প কোৱাৰ ভঙ্গীত নতুনত্ব প্ৰয়োগ কৰিবলৈ প্ৰয়াস কৰাটো। এই সময়তে একাংশ গল্পত বিষয়ৰ অৱতাৰণা নকৰি বা চৰিত্ৰৰ সম্প্ৰসাৰণ নঘটাই একোটা তাৎপৰ্যপূৰ্ণ পৰিস্থিতিক নতুন কৌশলেৰে উপস্থাপন কৰিবলৈ প্ৰয়াস কৰা দেখা যায়। দৃষ্টিৰ অৰ্ন্তমুখিতা আৰু তীৰ্থক প্ৰকাশভংগীৰ গল্প নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ বৈশিষ্ট্য এইছোৱা সময়তে পৰিলক্ষিত হয়।

সত্তৰৰ দশকৰ এগৰাকী প্ৰতিভাশালী গল্পকাৰ হ'ল প্ৰণৱজ্যোতি ডেকা। তেওঁৰ একমাত্ৰ গল্প সংকলন **কৈলাশ নাথ** (১৯৭১)। ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক তথা সাংস্কৃতিকভাৱে জটিল হৈ পৰা আমাৰ নাগৰিক জীৱনৰ মধ্যবিত্ত, নিম্নবিত্ত আৰু সৰ্বহাৰাসকলৰ জীৱনৰ সমস্যাবোৰৰ গভীৰলৈ যাবলৈ চেষ্টা কৰি এই গৰাকী গল্পকাৰ সফল হৈছিল। তেওঁৰ 'ৰেৱাৰিচ লাচ' এটা বহু চৰ্চিত গল্প। অৰুণ গোস্বামী (১৯৪৫) সত্তৰ দশকৰ এখন সচেতন তথা দায়বদ্ধ গল্পকাৰ। **প্ৰতিপদৰ জোন** (১৯৭০), **মুক্তিস্নান** আদি তেওঁ ৰচনা কৰা উল্লেখযোগ্য গল্প সংকলন। দেৱব্ৰত দাস (১৯৫০) সত্তৰ দশকৰ প্ৰতিষ্ঠিত গল্পকাৰসকলৰ ভিতৰত অন্যতম। **অৰ্পিতাৰ এৰাতি** (১৯৮২) আৰু **হয়তোবা ভেশচন** তেওঁৰ গল্প সংকলন। তেওঁৰ গল্পৰ বিষয়বস্তু আৰু আঙ্গিক অতিশয় বৈচিত্ৰ্যপূৰ্ণ। ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী এই সময়ৰে প্ৰতিষ্ঠিত গল্পকাৰ। তেওঁৰ গল্পৰ বাস্তৱ অভিজ্ঞতা আৰু পৰ্যৱেক্ষণশীলতাৰ চাপ গভীৰ। **গল্প লিখাৰ গল্প** তেওঁৰ প্ৰকাশিত গল্প সংকলন।

সাম্প্ৰতিক কালত মহিলা গল্পকাৰ সংখ্যাত বৃদ্ধি পাইছে। তেওঁলোকৰ ভিতৰত অনিমা দত্ত (ভৰালী) (১৯৩৮), প্ৰবীণা শইকীয়া (১৯৩৬), নিলীমা শৰ্মা (১৯৩৯), অৰূপা পটঙ্গীয়া কলিতা, পূৰবী বৰমুদৈ আদি বিশেষভাৱে উল্লেখযোগ্য।

যুদ্ধোত্তৰ বা ৰামধেনু যুগৰ গল্পৰ বিষয়ে আলোচনা কৰোঁতে যিসকলৰ নামোল্লেখ কৰা হৈছে সেইসকলৰ উপৰিও আৰু বহুতো গল্প লেখক লেখিকাৰ নাম বাদ পৰি গল। কিন্তু আলোচনা কৰাসকলৰ পৰাই অনুমান কৰিব পাৰি যে, ৰামধেনু বা যুদ্ধোত্তৰ যুগৰ গল্প বহু দিশত প্ৰতিভাশালী হৈ উঠিল।

**আত্মমূল্যায়ন ঃ ৬**

ক) ৰামধেনু যুগ বা যুদ্ধোত্তৰ যুগৰ দুজন গল্পকাৰৰ নাম আৰু তেওঁলোকৰ গল্পপুথি দুখনৰ নাম লিখাঁ।

.................................................................................................................................

.................................................................................................................................

খ) যুদ্ধোত্তৰ যুগৰ চুটিগল্পই কি কি দিশত পৰিৱৰ্তন লাভ কৰিলে (৫০টামান শব্দৰ ভিতৰত লিখা)।

.................................................................................................................................

.................................................................................................................................

গ) সত্তৰৰ দশকৰ পৰৱৰ্তী সময়ৰ দুজন বিশিষ্ট গল্পকাৰৰ নাম লিখাঁ।

.................................................................................................................................

.................................................................................................................................

### ১.৫.১ যুদ্ধোত্তৰ যুগৰ চুটিগল্পৰ সাধাৰণ লক্ষণ ঃ

দ্বিতীয় বিশ্বযুদ্ধ তথা আন আন আনুষংগিক প্ৰভাৱে অসমীয়া চুটিগল্পক বিশেষভাৱে প্ৰভাৱিত কৰিছিল। আধুনিক যুগৰ গল্পকাৰসকলে জীৱন আৰু জগতক বিভিন্ন দৃষ্টিকোণৰ পৰা পৰ্যৱেক্ষণ কৰিলে আৰু চুটিগল্পলৈ নতুন আংগিক, বিষয়বস্তুৰ আগমন ঘটিল। তলত যুদ্ধোত্তৰ যুগৰ চুটিগল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰা হ'ল ----

১) যুদ্ধোত্তৰ যুগৰ চুটিগল্পৰ সমাজচেতনা আৰু দায়বদ্ধতা এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। ঐতিহ্যৰ প্ৰতি মোহগ্ৰস্ততা, প্ৰাচীন পৰম্পৰাৰ প্ৰতি মোহ এই যুগৰ গল্পৰ অন্যতম বৈশিষ্ট্য। লক্ষ্মীনন্দন বৰাৰ 'দেৱতাৰ ব্যাধি', 'গুৰু পৰ্ব' আদি গল্পত এনে চেতনা প্ৰকাশ পাইছে।

২) যুদ্ধোত্তৰ যুগৰ গল্পত মানৱতাবাদী চেতনা প্ৰকাশ অন্যতম বৈশিষ্ট্য। এই মানবতাবাদী দৃষ্টিভংগীয়ে বহু মনঃসমীক্ষাত্মক মানৱতাবাদ আৰু বাস্তৱবাদী মানৱতাবাদীৰ ৰূপ গ্ৰহণ কৰিলে। ছৈয়দ আব্দুল মালিকৰ চুটিগল্পত অনেক গল্পত বাস্তৱবাদী মানৱতাবাদী লক্ষণ পৰিস্ফুট হৈছে। আনহাতেদি, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য,

যোগেশ দাস, শীলভদ্র আৰু সাম্প্রতিক সময়ৰ প্রণৱজ্যোতি ডেকা, কুমুদ গোস্বামী আদিৰ গল্পত এই চেতনাৰ পৰস্ফুট হৈছে।

৩) যুদ্ধোত্তৰ যুগৰ চুটিগল্পত দেখা পোৱা হাস্য ব্যংগৰ ধাৰা অন্যতম বৈশিষ্ট্য। শিক্ষাৰ সম্প্রসাৰণ, আধুনিক ভোগবাদী সভ্যতাৰ বিকাশ আৰু অন্তঃসাৰশূণ্য আধুনিকতাৰ প্রসাৰে সমাজত তথাকথিত ভদ্ৰ শ্রেণীটোৰ ভণ্ডামি ক্রমশঃ বাঢ়ি আহিছিল। ৰামধেনু যুগৰ অনেক গল্পত এনে ভণ্ডামিক ব্যংগ কৰা হৈছে। মার্জিত ৰূপত ৰুচিবোধ সম্পন্নতাৰে ব্যংগ কৰিব পৰা লেখকৰ ভিতৰত শীলভদ্রৰ নাম উল্লেখ কৰিব পাৰি।

৪) যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্পৰ অন্যতম বৈশিষ্ট্য হ'ল মনঃত্বত্ত্ব। নৰ-নাৰীৰ জৈৱিক বাসনা, আত্মহত্যা আৰু মৃত্যুস্পৃহা, শিশু মনঃস্তত্ত্ব, কিশোৰী মনঃস্তত্ত্ব, নাৰী মনঃস্তত্ত্ব, ৰুগ্ন মানসিকতা, নিজ্ঞান মনৰ সন্ধান আৰু বৃদ্ধ মনঃস্তত্ত্ব - আদি দিশত মনঃসমীক্ষাত্মক দৃষ্টিভংগী অনেক গল্পত প্রতিফলিত হোৱা দেখা যায়। হোমেন বৰগোহাঞিৰ গল্পত এনে বৈশিষ্ট্য আছে। তেওঁৰ ৰুগ্ন মানসিকতাৰ স্বাক্ষৰ থকা গল্প হ'ল 'অসুখ'। বৰগোহাঞিৰ যৌন মনঃস্তত্ত্বৰ প্রভাৱ থকা এটা উল্লেখযোগ্য গল্প হল 'মহাশ্বেতাৰ বিয়া'। তেওঁৰ আশ্রয় গল্পত নৰ-নাৰীৰ যৌন মনঃস্তত্ত্বৰ পৰোক্ষ প্রভাৱ দেখা যায়।

৫) যুদ্ধোত্তৰ যুগৰ চুটিগল্পত বৈজ্ঞানিক যুক্তিবাদৰ প্রয়োগ ইয়াৰ অন্যতম সাধাৰণ লক্ষণ। বিজ্ঞানৰ তত্ত্বকথাৰ দ্বাৰা জীৱনৰ সত্যক অনুসন্ধান কৰিবলৈ এই সময়তে অনেক গল্পকাৰে চেষ্টা কৰিছে। তাৰ ভিতৰত সৌৰভ কুমাৰ চলিহা, নগেন শইকীয়া, ভবেন্দ্রনাথ শইকীয়া আদিৰ নাম উল্লেখ কৰিব পাৰি।

### ১.৫.২ যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্পৰ ধাৰা ঃ

যুদ্ধোত্তৰ যুগতে অসমীয়া সাহিত্যলৈ পাশ্চাত্য জগতত আলোড়ন কৰা নানা দর্শন, চিন্তা-চর্চা বহল ৰূপত বিয়পি পৰিছিল। চুটিগল্পলৈয়ো এনে প্রভাৱ আহিছিল আৰু এই যুগৰ গল্প অভূতপূর্বভাৱে ঐশ্বর্য্যশালী হৈ পৰিছিল। যুদ্ধোত্তৰ যুগৰ গল্পৰ বিষয়, ভাৱ, আঙ্গিক আদি দিশৰ পৰা অসমীয়া চুটিগল্পৰ কেইবাটাও ধাৰা নির্ণয় কৰিব পাৰি।

**১) সমাজ সচেতনতাৰ ধাৰা ঃ** ৰামধেনু বা যুদ্ধোত্তৰ যুগৰ চুটিগল্পত সমাজ

সচেতনতাৰ ভাৱ ফুটি উঠা দেখা যায়। সমসাময়িক সমাজৰ প্ৰতি তীব্ৰভাৱে সচেতন হৈ উঠা এই যুগৰ গল্পকাৰ সকলৰ গল্পত ৰাজনৈতিক বিশৃংখলতা, নগৰীয়া জীৱনৰ প্ৰতি মোহ আদি দিশে প্ৰাধান্য পাইছিল। তদুপৰি গাঁৱলীয়া জীৱনৰ সনাতন জীৱনধাৰা আৰু নগৰীয়া জীৱনত দেখা দিয়া বিভিন্ন পৰিৱৰ্তনে গাঁৱলীয়া জীৱনলৈ অনা ভাঙোন ইত্যাদিক পটভূমি হিচাপে লৈ এই যুগতে অনেক গল্প লিখি উলিয়াইছিল। এইক্ষেত্ৰত ভবেন্দ্ৰনাথ শইকীয়া, স্নেহ দেৱী, হোমেন বৰগোহাঞি আদি গল্পকাৰ অন্যতম। যুদ্ধোত্তৰ যুগৰ গল্পৰ সমাজ-সচেতনতাৰ এটা অন্যতম দিশ হ'ল মধ্যবিত্তীয় পৰিয়ালৰ বিভিন্ন সমস্যা, হা-হুতাশৰ বেদনা আৰু নায্য অধিকাৰৰ পৰা বঞ্চিত হোৱাৰ ক্ৰোধ। তদুপৰি, ভদ্ৰ মানুহৰ মুখা পিন্ধা সমাজৰ বৰমূৰীয়া বোলাওঁতা এক ভণ্ড শ্ৰেণীক সমাজৰ শত্ৰুৰূপে চিহ্নিত কৰাটো সমাজ সচেতনতাৰ অন্য এটা দিশ যুদ্ধোত্তৰ যুগৰ গল্পত দেখা যায়।

**২) হাস্য-ব্যংগৰ ধাৰা ঃ** যুদ্ধোত্তৰ যুগৰ গল্পত হাস্য-ব্যংগৰ ধাৰাৰ উপস্থিতি মনকৰিবলগীয়া। হাস্য-ব্যংগ বিভিন্ন ক্ষেত্ৰৰ পৰা উদ্ভৱ হৈছে। সমকালীন ৰাজনৈতিক নেতাসকলৰ ভণ্ডামি, তথাকথিত ভদ্ৰ অথচ ভণ্ডামিৰে পৰিপূৰ্ণ চৰিত্ৰক যুদ্ধোত্তৰ যুগৰ গল্পত তাচ্ছিল্য কৰা হৈছিল। মহিম বৰা, কুমুদ গোস্বামী আদি গল্পকাৰৰ গল্পত এনে দিশ দেখা গৈছে। আনহাতেদি, সৌৰভ কুমাৰ চলিহাৰ গল্পতো তীব্ৰ ব্যংগ দেখা যায়। তেওঁৰ 'অশান্ত ইলেক্টন' গল্পত অন্তঃসাৰশূণ্য বা আড়ম্বৰ সৰ্বস্ব সাম্যবাদীসকলৰ ফোপোলা মানসিকতাক তীব্ৰ ব্যংগ কৰিছে। এনদৰে - কমিউনিজমৰ উদ্দেশ্য ষ্টেণ্ডাৰ্ড অৱ লিভিং কমোৱাটো নহয়, বঢ়োৱাটোহে।

**৩) মনস্তত্ত্বৰ ধাৰা ঃ** যুদ্ধোত্তৰ যুগৰ চুটিগল্পত মনঃসমীক্ষাত্মক দৃষ্টিভংগী প্ৰতিফলিত হোৱা পৰিলক্ষিত হয়। নৰ-নাৰীৰ জৈৱিক বাসনা, আত্মহত্যা আৰু মৃত্যু স্পৃহা, নাৰী মনঃস্তত্ত্ব, বৃদ্ধ মনঃস্তত্ত্ব, শিশু মনঃস্তত্ত্ব, উৎপীড়ন প্ৰৱণতা আদি ৰুগ্ন মানসিকতা যুদ্ধোত্তৰ যুগৰ গল্পত দেখা গৈছে। নৰ-নাৰীৰ জৈৱিক বাসনাক লৈ গল্প লিখাসকলৰ ভিতৰত অন্যতম হোমেন বৰগোহাঞি। তেওঁৰ 'বৰষুণ','পৰ্দা', 'আশ্ৰয়', 'নৰকত বসন্ত' আদি গল্পত এনে দিশ প্ৰতিফলিত হৈছে।

নাৰী মনঃস্তত্ত্বৰ বিভিন্ন দিশৰ সম্পৰ্কত যুদ্ধোত্তৰ যুগত বহুতো গল্পকাৰে গল্প ৰচনা কৰিছে। তাৰ ভিতৰত স্নেহ দেৱীৰ 'প্ৰেৰণাৰ সমাধি', 'সূচনা', 'উপলব্ধি, অনুসন্ধান যোৱাৰৰ পাছত আদি গল্পত নাৰী মনৰ মাতৃৰ মমতা, স্বামীৰ দ্বাৰা

প্ৰতাৰিতা আদি নাৰীৰ বিভিন্ন অৱস্থাৰ চিত্ৰণ আছে। ৰুগ্ন মানসিকতাৰ বিশ্লেষণ যুদ্ধোত্তৰ যুগৰ গল্পৰ অন্য এটা দিশ। সৌৰভ কুমাৰ চলিহাৰ 'প্ৰশান্ত ইলেকট্ৰন', অতুলানন্দ গোস্বামীৰ 'এক্সপেৰিমেন্ট' আদি গল্পৰ নাম উল্লেখ কৰিব পাৰি।

**৪) অস্তিত্ববাদৰ ধাৰা ঃ** ১৯৪০ চনত অস্তিত্ববাদ পশ্চিমত গঢ় লৈ উঠা এটা ধাৰা। এই ধাৰাৰ অন্তৰ্গত এটা ধাৰাই ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰে আনটোৱে ঈশ্বৰৰ অস্তিত্ব মানি লব নোখোজে। অস্তিত্ববাদৰ মূল তত্ত্ব হ'ল - প্ৰত্যেক মানুহেই নিজৰ বিচাৰ বুদ্ধিৰে নিজৰ জীৱন সম্পৰ্কে সকলো সিদ্ধান্ত ল'ব লাগে আৰু তেনে সিদ্ধান্তৰ অৱশ্যম্ভাৱী পৰিণাম স্বৰূপ দায়িত্বত গ্ৰহণ কৰিব লাগে। যুদ্ধোত্তৰ যুগৰ কিছুসংখ্যক গল্পকাৰৰ গল্পত এই ধাৰাৰ প্ৰভাৱ পৰিছে। তাৰ ভিতৰত হোমেন বৰগোহাঞিৰ যৌৱন গল্পটোৰ কথা কব পাৰি। গল্পটোত পাঁচজন কৈশোৰ আৰু যৌৱনৰ সন্ধিক্ষণত ভৰি দিয়া ল'ৰাৰ চিন্তাধাৰা, কাৰ্যকলাপৰ বৰ্ণনা আছে। গল্পটোৰ প্ৰধান চৰিত্ৰ অমিয়ৰ বক্তব্যত অস্তিত্ববাদৰ তত্ত্ব প্ৰতিফলিত হৈছে ---

> "জীৱনৰ আটাইতকৈ ডাঙৰ স্বাধীনতা কি জান
> মহীউদ্দিন। পাপ কৰিবৰ স্বাধীনতা। কিন্তু
> স্বাধীনতা কোনেও যাঁচি নিদিয়ে। তাক জোৰকৈ
> আদায় কৰিব লাগে। মই আজি এটা পাপ কাম
> কৰিম। মাৰ পৰা টকা খুজি আনিছিলোঁ
> কিতাপ এখন কিনিম বুলি। কিন্তু তাৰে আমি
> এতিয়া চাহ খাম। ঈশ্বৰৰ বিৰুদ্ধে লুচিফাৰৰ
> এই প্ৰথম বিদ্ৰোহ।"

অস্তিত্ববাদী ভাৱাপন্ন অন্য এজন লেখক হল সৌৰভ কুমাৰ চলিহা। তেওঁৰ 'জ্যামিতি' গল্পটো ইয়াৰ শ্ৰেষ্ঠ নিদৰ্শন। গল্পটোত তেওঁ বিজ্ঞানৰ যুক্তিবাদৰ দ্বাৰা অস্তিত্ববাদী চিন্তাধাৰাৰ প্ৰকাশ কৰিছে। গল্পটোৰ চৰিত্ৰসমূহ সাধাৰণ মানৱ জীৱনৰ চৰিত্ৰ নাই জ্যামিতিৰ ক, খ, গ, ঘ, ঙ, প, আৰু ব আদি বিন্দুৰ পৰা লোৱা। গল্পটোত এই বিন্দুবোৰে বাস্তৱ মানুহৰ দৰে ক্ৰিয়া কলাপ আৰু চিন্তা-চৰ্চা কৰে।

**৫) চেতনাস্ৰোতৰ ধাৰা ঃ**চেতনাস্ৰোতৰ ধাৰা পশ্চিমত প্ৰতিষ্ঠা হৈছিল আৰু সাহিত্যত ইয়াক প্ৰতিষ্ঠা কৰিছিল James Joyce, Virginia আদি লেখকে। এনে সাহিত্যৰ ধাৰাত মানুহৰ মনৰ ভাৱ আৰু অনুভূতিক ক্ৰমানুপাতিকভাৱে সজোৱা নহয়। বাস্তৱতো

কোনো মানুহৰ সংগতি নাথাকে। একেটা সময়তে মানুহৰ মনত নানা চিন্তাই ক্রিয়া কৰে, যিবোৰৰ এটাৰ লগত আনটোৰ সামঞ্জস নাথাকে। যুদ্ধোত্তৰ যুগৰ চুটিগল্পত চেতনাস্রোত ভাৱধাৰাৰ প্ৰসাৰ ঘটা দেখা গ'ল। সৌৰভ কুমাৰ চলিহা এই ধাৰাৰ অন্যতম গল্পকাৰ। তেওঁৰ 'দুপৰীয়া' গল্পত এনে প্ৰভাৱ আছে। মানুহৰ মনৰ মাজত একেখিনি সময়তে কিদৰে কোনো কোনো প্ৰকাৰ সংগতি নোহোৱা ভাৱৰ উদ্ৰেক হ'ব পাৰে তাকেই গল্পটোত দেখুওৱা হৈছে। গল্পটোত নায়িকাগৰাকী অনুপস্থিত। এগৰাকী সন্তানহীনা নাৰীৰ হৃদয়ৰ নিসংগতা আৰু কৰুণতা গল্পকাৰে আন দুটা চৰিত্ৰৰ কথোপকথনৰ দ্বাৰা বৰ্ণনা কৰিছে। তদুপৰি হোমেন বৰগোহাঞিৰ দুই এটা গল্পতো চেতনাস্রোত ধৰ্মী দৰ্শন প্ৰকাশ পোৱা দেখা যায়।

**৬) মানৱতাবাদৰ ধাৰা ঃ** মানৱ জাতিৰ কল্যাণৰ কাৰণে যুক্তি আৰু গণতান্ত্ৰিক ভেঁটিত সুখী আৰু কাৰ্যকৰী জীৱন যাপনৰ অৰ্থে আগবঢ়োৱা দৰ্শনেই হৈছে মানৱতাবাদ। মানৱতাবাদীসকলে ভাবে যে, যিহেতু মানুহ এবাৰহে পৃথিৱীত জন্ম গ্ৰহণ কৰে সেয়ে দুৰ্লভ জীৱনটোক মহত্ত্বৰে মহীয়ান কৰা উচিত। জ্যা পল ছাৰ্ত্ৰে এই ধাৰাৰ অন্যতম প্ৰৱক্তা।

যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্পত মানৱতাবাদী দৃষ্টিভংগীৰ প্ৰকাশ পাইছে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'এজনী জাপানী ছোৱালী' গল্পত মানৱতাৰ সপক্ষে এক সাৰ্বজনীন দৃষ্টিভংগী ফুটি উঠিছে। তেওঁৰে 'সাঁথৰ' গল্পত ব্যক্তিবাদী প্ৰেম মানৱতাবাদলৈ সম্প্ৰসাৰিত হৈছে। হোমেন বৰগোহাঞিৰ ইস্মাইল শ্বেখৰ সন্ধানত গল্পত বাস্তৱতাৰ ভিত্তিত মানৱতাবাদৰ প্ৰকাশ দেখুওৱা হৈছে। স্বাধীনতা লাভৰ পিছৰ সময়ত দেশ বিভাজনৰ নামত মানুহ কিমান তললৈ নামি গ'ল আৰু সেই অৱস্থাৰ ভুক্তভোগী মানুহখিনিৰ জীৱনলৈ কি চূড়ান্ত দুৰ্দশা নামি আহিল তাকে গল্পটোত প্ৰকাশ কৰিছে। এই মৰ্মস্পৰ্শী ছবিখনৰ মূল আধাৰ লেখকৰ গভীৰ মানৱীয় চেতনা।

যুদ্ধোত্তৰ যুগৰ চুটিগল্পত পাশ্চাত্য ভাৱাদৰ্শৰ নানা প্ৰভাৱ দৃষ্টিগোচৰ হয়। অৱশ্যে, এই আটাইবোৰ দৰ্শনৰে পৃথক বৈশিষ্ট্য বিশেষভাৱে দৃষ্টিগোচৰ নহয়। সেয়েহে, একোটা গল্পতে অৱস্থিতিবাদী, চেতনাস্রোতধৰ্মী, অভিব্যক্তিবাদী দৰ্শনৰ কোনটো পৰিলক্ষিত হৈছে সেয়া সঠিককৈ ক'ব নোৱাৰি। সম্ভৱত অসমীয়া গল্পকাৰসকলে সেয়েহে কোনো মতবাদৰে পৃথক বৈশিষ্ট্য সম্বলিত গল্প ৰচনাত গুৰুত্ব আৰোপ

নকৰিলে। সি যি কি নহওঁক - যদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্পত পাশ্চাত্য সাহিত্যৰ ভাৱাদৰ্শই পৰম্পৰাগত ভাঙি এক নতুন আয়তন প্ৰদান কৰিছিল।

**আত্মমূল্যায়ন ঃ ৭**

ক) যুদ্ধোত্তৰ যুগৰ চুটিগল্পত দেখা পোৱা মনঃস্তত্ত্বৰ বিভিন্ন দিশসমূহ কি কি ?

................................................................................................

................................................................................................

খ) যুদ্ধোত্তৰ যুগৰ চুটিগল্পলৈ অহা নতুন ধাৰাসমূহ কি কি ?

................................................................................................

................................................................................................

**১.৬ উপসংহাৰ ঃ**

তোমালোকে ইতিমধ্যে যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতা আৰু চুটিগল্পৰ বিষয়ে কিছু কথা জানিলা। যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতা আৰু চুটিগল্পৰ বিষয়বস্তু আঙ্গিক আদিলৈ অহা পৰিৱৰ্তন, নানা মতাদৰ্শ ইত্যাদিৰ বিষয়ে অৱগত হ'লা। তোমালোকক এইখিনিতে এটা কথা কোৱা ভাল হ'ব যে, আমাৰ আলোচনাত যুদ্ধোত্তৰ যুগ বুলি কওঁতে আমি বিংশ শতিকাৰ চল্লিশৰ পৰা আশী দশকলৈকে সামৰি লৈছোঁ। অৰ্থাৎ আমাৰ আলোচনাই বিংশ শতাব্দীৰ আশী দশকৰ কবিতা, চুটিগল্পক সামাৰিছে। অৱশ্যে, এই কালছোৱাৰ পিছতো অসমীয়া কবি আৰু গল্পকাৰ সকলৰ কিছুমানে সাহিত্য চৰ্চা অব্যাহত ৰাখিছে, প্ৰতিভা বিকশিত হৈছে। তেওঁলোকৰ বহুতো কাব্যগ্ৰন্থ, গল্প পুথি আদি প্ৰকাশ পাইছে। কিন্তু আমাৰ আলোচনাত আশী দশকৰ পৰৱৰ্তী সময়ৰ সৃষ্টি ৰাজ্যিক সামৰি লোৱা নাই। তোমালোকে যদি ইচ্ছা কৰা, তেনেহলে বিভিন্ন প্ৰসংগ পুথিত আশী দশকৰ পিছৰ কালৰ অসমীয়া সাহিত্যৰ বিষয়ে জানিবলৈ পাবা।

যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ দুটা বিশেষ দিশ কবিতা আৰু চুটিগল্পৰ অধ্যয়ন কৰি আমি কিছুমান সিদ্ধান্তলৈ আহিব পাৰোঁহক। প্ৰথমতে, অসমীয়া সাহিত্যলৈ দ্বিতীয় বিশ্বযুদ্ধৰ ফলস্বৰূপে ৰোমান্টিক ভাৱাদৰ্শৰ অৱসান ঘটি অসমীয়া সাহিত্য বাস্তৱমুখী হৈ পৰিল। সমাজ সচেতনতা, মানৱতাবাদী, মনঃস্তত্ত্ব আদি দিশে কবিতা,

চুটিগল্পক সমৃদ্ধ কৰিলে। দ্বিতীয়তে, **ৰামধেনু** আলোচনীৰ বুকুতে কবিতা আৰু চুটিগল্পই নিজস্ব বৈশিষ্ট্যৰে ঐশ্বৰ্য্যশালী হৈ উঠিছিল। সাহিত্যৰ আংগিক, কলা-কৌশল সকলোতে নতুনত্ব আহিল। যুদ্ধোত্তৰ যুগৰ গল্পকাৰসকলৰ বিচিত্ৰ উদ্ভাৱনী শক্তি, গভীৰ বিশ্লেষণ - দক্ষতা, তীব্ৰ যুগসচেতনতা আৰু প্ৰচুৰ দায়িত্ববোধৰ ফলত অসমীয়া গল্প সাহিত্য ঐশ্বৰ্য্যশালী হৈ উঠিছিল। আৰু যুদ্ধোত্তৰ যুগৰ পৰৱৰ্তী গল্পকাৰ সকলেও এনে চেতনাৰে অনুপ্ৰাণিত হৈছিল।

## ১.৭ সাৰাংশ ঃ

- যুদ্ধোত্তৰ যুগৰ কবিতা পূৰ্বৰ ৰোমান্টিক কবিতাৰ পৰা সম্পূৰ্ণৰূপে ফালৰি কাটি আহে। কবিতা বাস্তৱবাদী হৈ পৰিল। প্ৰতীক, চিত্ৰকল্প আদি আঙ্গিক কলা-কৌশলৰ উপৰিও প্ৰগতিবাদ, মনঃস্তত্ত্ববাদ আদি দৰ্শনৰ প্ৰভাৱ এই সময়ত স্পষ্ট হৈ পৰিল। তেনেদৰে ছন্দৰ ক্ষেত্ৰত মুক্তক ছন্দ, স্পন্দিত গদ্য আদিৰ প্ৰয়োগ বাঢ়িল।
- অসমীয়া কবিতাত প্ৰগতিবাদী সুৰ বাজি উঠিল **জয়ন্তী** (১৯৪৩) আলোচনীত। অমূল্য বৰুৱা এই ধাৰাৰ অন্যতম হোতা।
- আধুনিক অসমীয়া কবিতাক বিষয়গত আৰু আঙ্গিক দুই দিশৰ পৰা কেইবাটাও ধাৰাত ভাগ কৰিব পৰা যায়। ভাৱৰ দিশৰ পৰা সমাজবাদী, নব্য ৰোমান্টিক, প্ৰগতিবাদী, এইকেইটা ধাৰা দৃষ্টিগোচৰ হয়। অন্যহাতেদি, আঙ্গিকৰ দিশৰ পৰা প্ৰতীকবাদী আৰু চিত্ৰকল্পবাদী এই দুই ধাৰাত অসমীয়া কবিতাক অন্তৰ্ভুক্ত কৰিব পাৰি।
- যুদ্ধোত্তৰ যুগৰ চুটিগল্প আৱাহন যুগৰ গল্পৰ পটভূমিত গঢ় লৈ উঠিছিল।
- পশ্চিমীয়া সাহিত্যৰ অনুকৰণৰ ফলস্বৰূপে অসমীয়া গল্প সাহিত্যলৈ সমাজবাদী, মনঃস্তাত্ত্বিক, অৱস্থিতিবাদ, অস্তিত্ববাদ আদি মতাদৰ্শৰ আমদানি হৈছিল।
- ছৈয়দ আব্দুল মালিক আৱাহন আৰু যুদ্ধোত্তৰ যুগৰ মাজৰ সেতুঁস্বৰূপ গল্পকাৰ। অৰ্থাৎ আৱাহনতে গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰি ৰামধেনু যুগলৈকে গল্প চৰ্চা অব্যাহত ৰাখিলে।

- যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্পৰ কেইবাটাও ধাৰা দৃষ্টিগোচৰ হয়। সমাজ সচেতনতাৰ ধাৰা, হাস্য-ব্যংগৰ ধাৰা, মনঃস্তত্ত্বৰ ধাৰা, অস্তিত্ববাদৰ ধাৰা, অৱস্থিতিবাদৰ ধাৰা আদি অন্যতম।

**প্ৰাসঙ্গিক গ্ৰন্থপঞ্জী ঃ (ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবৰ বাবে)**


১) সত্যেন্দ্ৰনাথ শৰ্মা ঃ **অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত**
প্ৰকাশিকা ঃ প্ৰতিমা দেৱী, ৰিহাবাৰী, গুৱাহাটী-৮ নৱম সংস্কৰণ, পুনৰ মুদ্ৰন, ২০০০ আগষ্ট।

২) মহেশ্বৰ নেওগ ঃ **অসমীয়া সাহিত্যৰ ৰূপৰেখা**
চন্দ্ৰ প্ৰকাশ, পানবজাৰ, গুৱাহাটী-১ নৱম তাঙৰণ, আগষ্ট ২০০০

৩) লীলা গগৈ (সম্পা.) ঃ **আধুনিক অসমীয়া সাহিত্য পৰিচয়**
ষ্টুডেন্টচ এম্পৰিয়াম, কলেজ হোষ্টেল ৰোড, গুৱাহাটী, দ্বিতীয় প্ৰকাশ ১৯৯৪

৪) নন্দ তালুকদাৰ ঃ **কবি আৰু কবিতা**
বনলতা, ডিব্ৰুগড়, ১৯৯৫

৫) প্ৰহলাদ কুমাৰ বৰুৱা ঃ **কবিতাৰ সৌৰভ**
বনলতা ডিব্ৰুগড়,

৬) প্ৰহলাদ কুমাৰ বৰুৱা ঃ **অসমীয়া চুটিগল্পৰ অধ্যয়ন**
বনলতা, ডিব্ৰুগড়, দ্বিতীয় প্ৰকাশ, ২০০৫

৭) হেমন্তকুমাৰ শৰ্মা ঃ **অসমীয়া সাহিত্যত দৃষ্টিপাত**
বীণা লাইব্ৰেৰী, গুৱাহাটী প্ৰথম প্ৰকাশ, ১৯৯৭

৮) চন্দ্ৰ কটকী ঃ **আধুনিক অসমীয়া কবিতা**
অসম সাহিত্য সভাৰ হৈ চন্দ্ৰ প্ৰকাশ, টিহু, দ্বিতীয় সংস্কৰণ, ১৯৮৯

৯) কৰবী ডেকা হাজৰিকা ঃ **অসমীয়া কবিতা**
বনলতা, ডিব্রুগড়, তৃতীয় সংস্কৰণ, ২০০৬

১০) কৰবী ডেকা হাজৰিকা ঃ **অসমীয়া কবি আৰু কবিতা**
বনলতা, ডিব্রুগড়, দ্বিতীয় বনলতা সংস্কৰণ, ২০১১

১১) অৰবিন্দ ৰাজখোৱা (সম্পা.) ঃ **অসমীয়া কাব্য পৰিক্রমা**
দত্ত প্রকাশন, লখিমপুৰ আগষ্ট, ২০০৪

১২) ত্রৈলোক্যনাথ গোস্বামী ঃ **আধুনিক গল্প সাহিত্য**
বাণী প্রকাশ প্রাইভেট লিমিটেড, চতুর্থ প্রকাশ, ১৯৯৪

১৩) মালিনী গোস্বামী, কামালুদ্দিন আহমেদ (সম্পা.) ঃ **আধুনিক অসমীয়া কবিতাৰ তিনিটা স্তৰ**
অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় প্রথম সংস্কৰণ, জুলাই, ২০০৯

**আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ**

১) দ্বিতীয় বিশ্বযুদ্ধ

২) কবিতা, চুটিগল্প, নাটক, উপন্যাস আৰু সমালোচনা সাহিত্য।

৩) ক) অমূল্য বৰুৱা, ধীৰেন্দ্রনাথ দত্ত

খ) বীৰেন্দ্র কুমাৰ ভট্টাচাৰ্য্য, হোমেন বৰগোহাঞি

গ) ১) সমাজবাদী চেতনা

২) প্রতীক, চিত্রকল্পৰ ব্যৱহাৰ।

৪) ক) ১.৪.১. ত চাবা।

খ) ১.৪.১. ত চাবা।

৫) ক) সমাজবাদী ধাৰা, নব্য ৰোমান্টিক ধাৰা, প্রগতিবাদী ধাৰা, প্রতীকবাদী আৰু চিত্রকল্পবাদী ধাৰা।

খ) অজিৎ বৰুৱা, হীৰেন ভট্টাচার্য।

গ) নীলমনি ফুকন, নির্মলপ্রভা বৰদলৈ।

৬) ক) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য - **কলং আজিও বয়** (১৯৬২) **সাতসৰী** (১৯৬৩)

খ) যোগেশ দাস - **পপীয়া তৰা** (১৯৫৭) **আন্ধাৰৰ আঁৰে আঁৰে** (১৯৫৯)

খ) যুদ্ধোত্তৰ যুগৰ চুটিগল্পৰ বিষয়বস্তু ৰোমান্টিকতাৰ পৰা আঁতৰি আহি বাস্তৱবাদী ৰূপ পৰিগ্ৰহণ কৰিলে। অসমীয়া চুটিগল্প পৰম্পৰাগত কাহিনী প্ৰধান বা বৰ্ণনাধৰ্মী ৰীতিৰ পৰা আঁতৰি আহিল। তদুপৰি, ফ্ৰয়েডীয় মনঃস্তত্বৰ প্ৰভাৱ চুটিগল্পত অনুভূত হল। মুঠতে, অসমীয়া চুটিগল্পই বিষয়বস্তু, আংগিক সকলোতে পৰিৱৰ্তন লাভ কৰিলে।

গ) প্ৰণৱজ্যোতি ডেকা

অৰূপা পটঙ্গীয়া কলিতা।

৭) ক) নৰ-নাৰীৰ জৈৱিক বাসনা, আত্মহত্যা আৰু মৃত্যুস্পৃহা, নাৰী মনঃস্তত্ব, বৃদ্ধ মনঃস্তত্ব, শিশু মনঃস্তত্ব, উৎপীড়ন প্ৰৱণতা আদি।

খ) ক) সমাজসচেতনাৰ ধাৰা

খ) হাস্য-ব্যংগৰ ধাৰা

গ) মনঃস্তত্বৰ ধাৰা

ঘ) অস্তিত্ববাদৰ ধাৰা

ঙ) চেতনাস্ৰোতৰ ধাৰা

চ) মানৱতাবাদী ধাৰা। আদি

**অনুশীলনী ঃ**

১) যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ পটভূমি গঢ় লৈ উঠাত দ্বিতীয় বিশ্বযুদ্ধ আৰু ভাৰতৰ স্বাধীনতা আন্দোলনে কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰিছিল আলোচনা কৰাঁ।

২) যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্যায়ত প্ৰগতিবাদী কবিতাৰ ধাৰাটোৰ কেনেদৰে উত্থান ঘটিছিল আৰু এই ধাৰাটোত কোন কোন কবিয়ে অৰিহণা যোগাইছে তাৰ এটি বিশ্লেষণ আগবঢ়োৱাঁ।

৩) যুদ্ধোত্তৰ যুগত কোন কেইগৰাকী কবিয়ে কবিতাত প্ৰতীক, চিত্ৰকল্প আদি আঙ্গিক ব্যৱহাৰ কৰি কবিতা ৰচনা কৰিছিল তাৰ এটি আভাস দিয়াঁ।

৪) আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰাঁ।

৫) ৰামধেনু বা যুদ্ধোত্তৰ যুগৰ চুটিগল্পৰ বৈশিষ্ট্যবোৰৰ বিষয়ে আলোচনা কৰি এই যুগৰ গল্পকাৰ আৰু তেওঁলোকৰ গল্পৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়োৱা।

৬) যুদ্ধোত্তৰ যুগৰ চুটি গল্পলৈ অহা পাশ্চাত্যৰ বিভিন্ন ধাৰণাসমূহৰ বিষয়ে চমুকৈ লিখাঁ।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১) সত্যেন্দ্ৰনাথ শৰ্মা ঃ **অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত**
প্ৰকাশিকাঃ প্ৰতিমা দেৱী, ৰিহাবাৰী, গুৱাহাটী-৮ নৱম সংস্কৰণ, পুনৰ মুদ্ৰণ, ২০০০ ,আগষ্ট।

২) মহেশ্বৰ নেওগ ঃ **অসমীয়া সাহিত্যৰ ৰূপৰেখা**
চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১, নৱম তাঙৰণ, আগষ্ট, ২০০০।

৩) চন্দ্ৰ কটকী ঃ **আধুনিক অসমীয়া কবিতা**
অসম সাহিত্য সভা, যোৰহাট,

৪) কৰবী ডেকা হাজৰিকা ঃ **অসমীয়া কবিতা**
বনলতা, ডিব্ৰুগড়, তৃতীয় সংস্কৰণ, ২০০৬

৫) কৰবী ডেকা হাজৰিকা ঃ **অসমীয়া কবি আৰু কবিতা**
বনলতা, ডিব্ৰুগড়, দ্বিতীয় বনলতা সংস্কৰণ, ২০১১

৬) প্ৰহলাদ কুমাৰ বৰুৱা ঃ **অসমীয়া চুটিগল্পৰ অধ্যয়ন**
বনলতা, ডিব্ৰুগড়, দ্বিতীয় প্ৰকাশ, ২০০৫

৭) প্ৰাপ্তি ঠাকুৰ ঃ **ৰামধেনুৰ চুটিগল্প**
জাগৰণ প্ৰকাশন, গোলাঘাট, প্ৰথম প্ৰকাশ ফেব্ৰুৱাৰী, ২০০৮

৮) পঙ্কজ ঠাকুৰ (সম্পা.)ঃ **শতাব্দীৰ পোহৰত অসমীয়া চুটিগল্প** **সাহিত্য** অকাডেমী, নতুন দিল্লী, ১৯৮৮

৯) লীলা গগৈ (সম্পা.) ঃ **আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়** ষ্টুডেন্টচ্, এম্পৰিয়াম, ডিব্ৰুগড়, ১৯৯৪

১০) হোমেন বৰগোহাঞি (সম্পা.) ঃ **অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)** আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা, ১৯৯৩

১১) হৃদয়ানন্দ গগৈ ঃ **ৰামধেনুৰ ৰং, আকাশ আৰু নক্ষত্ৰ** পূৰেৰুণ প্ৰকাশ, ২০০১

১২) পূৰ্ণ ভট্টাচাৰ্য ঃ **কবিতা আৰু আধুনিক অসমীয়া কবিতা** চন্দ্ৰ প্ৰকাশ, টিহু, প্ৰথম প্ৰকাশ, অক্টোবৰ, ১৯৯৩।

# গোট - ২
# যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটক আৰু উপন্যাস

২.১ প্ৰস্তাৱনা
২.২ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া নাটক
    ২.২.১ যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকৰ সাধাৰণ লক্ষণ
    ২.২.২ যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকৰ ধাৰা
২.৩ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া উপন্যাস
    ২.৩.১ যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ সাধাৰণ লক্ষণ
    ২.৩.২ যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ ধাৰা
২.৪ উপসংহাৰ
২.৫ সাৰাংশ
    আত্মমূল্যায়নৰ সম্ভাব্য প্ৰশ্নোত্তৰ
    প্ৰাসংগিক গ্ৰন্থ (ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবৰ বাবে)
    অনুশীলনা
    সহায়ক গ্ৰন্থপঞ্জী

**২.০ উদ্দেশ্য ঃ**

তোমালোকে যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটক আৰু উপন্যাস এই শীৰ্ষক গোটটো পঢ়াৰ পাছত ঘাইকৈ ----

- যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া নাটকৰ গতি আৰু প্ৰকৃতিৰ বিষয়ে জানিব পাৰিবা।
- যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকৰ বিভিন্ন ধাৰা সৰ্ম্পকে জ্ঞান লাভ কৰিবা।
- যুদ্ধোত্তৰ যুগৰ অসমীয়া নাট্যকাৰসকলৰ বিষয়ে সম্যক পৰিচয় পাবা।
- যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া উপন্যাসৰ গতি আৰু প্ৰকৃতিৰ বিষয়েও জানিব পাৰিবা।
- যুদ্ধোত্তৰ যুগৰ অসমীয়া ঔপন্যাসিকসকলৰ সৰ্ম্পকেও পঢ়িবলৈ পাবা।
- যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ বিভিন্ন ধাৰাৰ বিষয়েও জ্ঞান লাভ কৰিবা।

**২.১ প্ৰস্তাৱনা ঃ**

আধুনিক অসমীয়া সাহিত্যত যুদ্ধোত্তৰ যুগটোৰ এটা বিশেষ গুৰুত্ব আছে। ইয়াৰ আগতে বিশেষকৈ ব্ৰিটিশ ৰাজত্বৰ কালছোৱাত ভাৰতীয় শিল্পী সাহিত্যিকে শাসকবৰ্গৰ নিৰ্মম বলি হৈছিল। ফলত ভাৰতীয় সাহিত্যৰ উপৰিও অসমীয়া সাহিত্যত এক পূৰাব নোৱৰা শূণ্যতা থাকি গল। কিন্তু যুদ্ধৰ পাছৰ সময়ছোৱাৰ পৰা (স্বাধীনতা লাভৰ পিছত) ভাৰতীয় আৰু অসমীয়া সাহিত্য আৰু সাংস্কৃতিক জগতত নতুন গতিৰ সঞ্চাৰ হল। আমাৰ এটা আলোচনাত যুদ্ধোত্তৰ যুগৰ চল্লিছৰ দশকৰ পৰা আশী দশকলৈ (১৯৪০-১৯৮৯) এই সময়ছোৱাৰ নাটক আৰু উপন্যাসৰ বিষয়ে আলোচনা কৰিম।

**২.২ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া নাটক ঃ**

আধুনিক অসমীয়া নাট্য সাহিত্যৰ ইতিহাস আৰম্ভ হয় অৰুণোদয় কালছোৱাত। বিশেষকৈ সামাজিক সমস্যামূলক নাটক গুণাভিৰাম বৰুৱাৰ **ৰাম নৱমীৰ** (১৯৫৭) যোগেদি। এই বিষয়ে তোমালোকে আগৰ গোটত পাই আহিছা। এই গোটত তোমালোকক

যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটক সম্পৰ্কে আলোচনা আগবঢ়াম। যুদ্ধোত্তৰ যুগত অসমীয়া নাটকে নতুন নতুন দৃষ্টিভংগী প্ৰকাশেৰে অভিলেখ সৃষ্টি কৰিলে। এই সময়ছোৱাত অসমীয়া নাটকে জীৱনৰ গভীৰতালৈ সোমাই নতুন ৰূপত গঢ় লৈ উঠিল আৰু বাস্তৱধৰ্মী নাটকসমূহৰ জন্ম হ'ল। বিশেষকৈ লক্ষ্যধৰ চৌধুৰীৰ **নিমিলা অংক** (১৯৬৫), সাৰদা বৰদলৈৰ **পহিলা তাৰিখ** (১৯৫২) আদি নাটকত তাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিল। অৱশ্যে ইয়াৰ আগতেই জ্যোতি প্ৰসাদ আগৰৱালাৰ হাতত এনে নাটকে প্ৰাণ পাই উঠিছিল। জ্যোতিপ্ৰসাদৰ নাটক সম্পৰ্কে আমি আগৰ গোটত পাই আহিছো। যুদ্ধোত্তৰ যুগতো জ্যোতিপ্ৰসাদ আগৰৱালাই নাটক ৰচনা কৰি নিজৰ প্ৰতিভাৰ পৰিচয় দিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত অসমৰ ৰাজনৈতিক পটভূমিত লিখা তেওঁৰ **লভিতা** (১৯৪৮) নাটকখন উল্লেখনীয়। ইয়াৰ উপৰিও **খনিকৰ** জ্যোতিপ্ৰসাদৰ অন্য এখন উল্লেখযোগ্য নাটক।

যুদ্ধোত্তৰ যুগৰ পঞ্চাশ আৰু ষাঠি দশকৰ ভিতৰত বহুতো নাট্যকাৰৰ অৱদান উল্লেখনীয়। ইয়াৰ ভিতৰত অমৰেন্দ্ৰ পাঠকৰ **ইন্টাৰভিউ** (১৯৪৫), অভয় ডেকাৰ **গৰাখহনীয়া** (১৯৫৫), অনিল চৌধুৰীৰ **প্ৰতিবাদ** (১৯৫৩), সৰ্বেশ্বৰ চক্ৰৱৰ্তীৰ **অভিমান** (১৯৫২), দুৰ্গেশ্বৰ বৰঠাকুৰৰ **টেক্সি ড্ৰাইভাৰ** (১৯৫৫), অৰুণ শৰ্মাৰ উৰুখা পজাঁ (১৯৬৪) আদিত সেই সময়ৰ সামাজিক জীৱনৰ নতুন নতুন ছবি ফুটি উঠিল। সেইদৰে ফনী শৰ্মাৰ **কিয়**, প্ৰবীন ফুকনৰ **শতিকাৰ বান** (১৯৫৪), আব্দুল মজিদৰ চোৰ অৰুণ শৰ্মাৰ **নিবাৰন ভট্টাচাৰ্য্য**, অতুল বৰদলৈৰ **বৃক্ষৰ খোজ** ইত্যাদি উল্লেখযোগ্য অসমীয়া সামাজিক নাটক।

এই সময়ছোৱাৰ আন এজন নাট্যকাৰ হ'ল প্ৰবীন ফুকন। তেওঁৰ সামাজিক আৰু ঐতিহাসিক নাটক ৰচনা কৰি বহুতো বৰঙনি আগবঢ়ায়। ইয়াৰ ভিতৰত **শতিকাৰ বান** (১৯৫৪), **চতুৰংগ আৰু বিশ্বৰূপ** (১৯৬১) আদি সামাজিক নাটক আৰু **মনিৰাম দেৱান** (১৯৪৮), **লাচিত বৰফুকন** আদি ঐতিহাসিক নাটক। দুয়োখন নাটকতে অসম বুৰঞ্জীৰ পটভূমিৰ ঘটনা দেখা যায়।

এই সময়ছোৱাৰ এগৰাকী উল্লেখযোগ্য নাট্যকাৰ হ'ল সাৰদা বৰদলৈ। সামাজিক নাটক ৰচনাৰে তেওঁ অসমীয়া নাট্য সাহিত্যলৈ বহুতো বৰঙনি আগবঢ়াইছে। ইয়াৰ ভিতৰত **মগৰিবৰ আজান** (১৯৪৮), **পহিলা তাৰিখ** (১৯৫৬), **সেই বাটেদি** (১৯৫৭), **পোহৰৰ জিলিঙনি** (১৯৭৮) আৰু **উপহাৰ** (১৯৭২) আদি বিশেষভাৱে উল্লেখযোগ্য। গাঁৱলীয়া চৰিত্ৰ আৰু সমাজ চিত্ৰিত কৰাত বৰদলৈৰ বিশেষ দক্ষতা পোৱা যায়।

যুদ্ধোত্তৰ যুগৰ এজন আগশাৰীৰ নাট্যকাৰ হল অভয় ডেকা। তেওঁৰ **গৰাখহনীয়া** (১৯৫৫) আৰু **ফেহুঁজালি** (১৯৫৮) দুখন উল্লেখযোগ্য সামাজিক নাটক। দুয়োখনতে সহজ আদৰ্শবাদে প্ৰাধান্য লাভ কৰিছে। সেইদৰে এই সময়ছোৱাৰে অমৰেন্দ্ৰ পাঠকৰ **ইন্টাৰভিউ** (১৯৫৫) আৰু **প্ৰতিকাৰ** (১৯৭৩) দুখন উল্লেখনীয় সামাজিক নাটক।

এই সময়ছোৱাৰ আন এজন নাট্যকাৰ হল দৈৱচন্দ্ৰ তালুকদাৰ। তেওঁৰ নাটসমূহ **বিপ্লৱ** (১৯৩৭), **ৰেণু** (১৯৫০) আৰু **লহঙা** (১৯৫৫) আদি সামাজিক নাটক। ইয়াৰ উপৰিও এই সময়ছোৱাৰ অন্যান্য নাট্যকাৰসকল হৈছে - গিৰিশ চৌধুৰীৰ **মিনা বজাৰ** (১৯৫৮), পৰাগধৰ চলিহাৰ **সোণ ৰূপ নেওচি** (১৯৫২), সৰ্বেশ্বৰ চক্ৰৱৰ্তীৰ **অভিমান** (১৯৫২) **কঙ্কন** (১৯৫৬), প্ৰফুল্ল কুমাৰ বৰুৱাৰ **আশাৰ বালিৰে** (১৯৫৪), বীনা বৰুৱাৰ **এবেলাৰ নাট** (১৯৫৪), প্ৰেমনাৰায়ণ দত্তৰ **সৎকাৰ** (১৯৫৬), দুৰ্গেশ্বৰ বৰঠাকুৰৰ **চাকনৈয়া** (১৯৫৮), আদি উল্লেখযোগ্য সামাজিক নাটকৰ উপৰিও নগাওঁ নাট্য সমাজৰ **পিয়লী ফুকন** (১৯৪৯), সুৰেন্দ্ৰ নাথ শইকীয়াৰ **কুশল কোঁৱৰ** (১৯৪৯), জানাৰ্দন বৰঠাকুৰৰ **চানক্য** (১৯৫৩), অতুল চন্দ্ৰ হাজৰিকাৰ **টিকেন্দ্ৰজিৎ** (১৯৫৯), চৈয়দ আব্দুল মালিকৰ **ৰাজদ্ৰোহী** (১৯৫৬), তিপমীয়া গোহাঞিৰ **ভোগজৰা** (১৯৫৭), দ্বিজেন্দ্ৰ মোহন গোস্বামীৰ **স্বৰ্গদেউ ৰুদ্ৰসিংহ** (১৯৮০), প্ৰদীপ শইকীয়াৰ **লাচিত বৰফুকন** (১৯৮৭) আৰু ৰমেশ চন্দ্ৰ কলিতাৰ **অভিশপ্ত সিংহাসন** (১৯৭৮) আদি উল্লেখযোগ্য ঐতিহাসিক নাটক। স্বাধীনতা পিছৰ নাট্যকাৰসকলে সাধাৰণতে অসম বুৰঞ্জীৰ পটভূমি লৈ নতুন দৃষ্টিভংগীৰে ঐতিহাসিক নাটক লিখাৰ চেষ্টা কৰিছে।

যুদ্ধোত্তৰ যুগৰ আন এজন উল্লেখযোগ্য নাট্যকাৰ হৈছে উত্তম বৰুৱা। ঐতিহাসিক নাটক ৰচনাৰে তেওঁ উল্লেখযোগ্য বৰঙনি আগবঢ়াইছে। তেওঁৰ **বৰ মানুহৰ দোলা** (১৯৬০), **জেৰেঙাৰ সতী** (১৯৬২), **বৰ ৰজা ফুলেশ্বৰী** (১৯৭২), কুশল কোঁৱৰ আৰু হেংদান আদি সফল ঐতিহাসিক নাটক। বুৰঞ্জীৰ পটভূমি লৈ তেওঁ কল্পনাৰে নাটকীয় কাহিনী দাঙি ধৰিছে। সেইদৰে এই সময়ছোৱাৰে আন এজন নাট্যকাৰ হৈছে যুগল দাস। ঐতিহাসিক আৰু সামাজিক নাটক ৰচনাৰে তেওঁ স্বকীয় প্ৰতিভাৰ পৰিচয় দিয়ে। তেওঁৰ **মীৰাবাঈ** (১৯৫৪), **ওঠৰশ সাতাৰন** (১৯৫৮) আদি ঐতিহাসিক নাটক আৰু **বায়নৰ খোল** দাসৰ এখন উল্লেখনীয় সামাজিক নাটক। নাটকখনত পুৰণি আৰু নতুন দৃষ্টিভংগীৰ দ্বন্দ্ব স্পষ্ট ৰূপত দাঙি ধৰিছে।

যুদ্ধোত্তৰ যুগৰ আন এজন সফল নাট্যকাৰ হৈছে সত্য প্ৰসাদ বৰুৱা। ঐতিহাসিক সামাজিক, অনুবাদ আদি নাটক লিখি অসমীয়া নাট্য সাহিত্যলৈ অমূল্য বৰঙনি আগবঢ়ায়। তেওঁৰ নাটসমূহ হৈছে - **চাঁকৈ চকোৰা, শিখা** (১৯৫৭), **জ্যোতিৰেখা** (১৯৪৮), **নায়িকা নাট্যকাৰ** (১৯৭৬), **জবলা** (১৯৭৬), **মৃণাল মাহী** (১৯৭৭), **দেৱা ন জানন্তি** আদি। ইয়াৰ উপৰিও গ্ৰীক নাট্যকাৰ ছফক্লিছৰ ইডিপান **এন্টিগনী, ৰজা ইডিপাছ** আৰু ইবচেনৰ **ৱাইল্ড ডাক**, শ্বেক্সপীয়েৰৰ **মেকবেথ** আদি অসমীয়ালৈ ৰূপান্তৰ কৰিছে।

যুদ্ধোত্তৰ যুগৰ আন এজন নাট্যকাৰ হৈছে ফণী শৰ্মা। তেওঁৰ **কিয়, নাগপাশ** আদি উল্লেখযোগ্য নাটক। সামাজিক সমস্যাতকৈ পাৰিবাৰিক সমস্যা আৰু ব্যক্তি চৰিত্ৰৰ অভিব্যক্তিৰে তেওঁৰ নাটকত ফুটি উঠা পৰিলক্ষিত হয়।

যুদ্ধোত্তৰ যুগৰ ষাঠি-সত্তৰ দশকৰ এজন বিখ্যাত নাট্যকাৰ হ'ল অৰুণ শৰ্মা। আধুনিক নাট্যকাৰসকলৰ ভিতৰত কলা-কৌশলৰ নতুনত্বৰ ফালৰ পৰা অৰুণ শৰ্মা বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ **জিনটি** (১৯৬২), **উৰুখাপজা, পুৰুষ** (১৯৬৪) **নিবাৰণ ভট্টাচাৰ্য্য, আহাৰ, বুৰঞ্জী পাঠ, চিঞৰ, কুকুৰনেচীয়া মানুহ** আদি নাটকসমূহে গতানুগতিক নাট্যকৌশলৰ পৰা আঁতৰি অহা লক্ষ্য কৰিব পৰা যায়। ইয়াৰে আহাৰ নাটকত চেমুৱেল বেকেতৰ এবছাৰ্দ (absured) নাটকৰ কৌশল অৱলম্বন কৰা দেখা যায়।

যুদ্ধোত্তৰ যুগৰ নতুন আংগিকত পৰীক্ষা-নিৰীক্ষা চলোৱা আন এজন নাট্যকাৰ হল বসন্ত শইকীয়া। তেওঁৰ মৃগতৃষ্ণা এখন মনোবিশ্লেষণাত্মক নাটকৰ উকৃষ্ট উদাহৰণ। ইয়াৰ উপৰিও **মানুহ** (১৯৭৭), **অসুৰ** আদি এবৰ্ছাদ আৰু ফ্লেছবেক তথা বৰ্ণনাত্মক নাট্যৰীতিৰ সফল অনুসৰণ। এই সময়ছোৱাৰে অসমীয়া নাট্য সাহিত্যলৈ অৱদান আগবঢ়োৱা আন এজন নাট্যকাৰ হ'ল ফণী তালুকদাৰ। তেওঁৰ **জুয়ে পোৰা সোণ** (১৯৬০), **অগ্নিপৰীক্ষা** ১৯৬২ চনৰ চীনা আক্ৰমণৰ পটভূমিত ৰচিত উল্লেখযোগ্য নাট।

যুদ্ধোত্তৰ যুগৰ ষাঠি আৰু সত্তৰ দশকৰ সময়ছোৱাত ভালেমান মঞ্চসফল নাট ৰচনা কৰাসকলৰ ভিতৰত প্ৰফুল্ল বৰা এজন। তেওঁৰ নাটকসমূহ **সূৰ্যস্নান** (১৯৬৭), **সাকোঁ** (১৯৬৮), **বৰুৱাৰ সংসাৰ** (১৯৬৯) আৰু **পথ আৰু উপপথ** (১৯৭১)

আদি। নাটকেইখনত নাট্যকাৰৰ সৃজনী শক্তি আৰু চৰিত্ৰ অংকন ক্ষমতাৰ পৰিচয় পোৱা যায়। সত্তৰ দশকৰ এজন উল্লেখযোগ্য নাট্যকাৰ হৈছে মহেন্দ্ৰ বৰঠাকুৰ। তেওঁৰ জন্ম (১৯৭৬) আৰু পিতামহৰ **শৰশয্যা** আদি মঞ্চসফল নাট। দ্বিতীয় নাটকখনত তেওঁ মহাভাৰতৰ পিতামহ ভীষ্মক আধুনিক সামাজিক পটভূমিৰ দৃষ্টিৰে অংকন কৰিবলৈ চেষ্টা কৰা দেখা যায়।

যুদ্ধোত্তৰ যুগৰ নাট্যকাৰসকলৰ ভিতৰত আলি হাইদৰৰ অৱদান লেখত লবলগীয়া। তেওঁৰ **এক ৰজা আছিল, জন্ম ক্ৰন্দন** (১৯৭৬), **এটা চোলাৰ কাহিনী**, **ধুমুহা পক্ষীৰ নীড়** আৰু **অহৈতুকী স্বদেশপ্ৰীতি** (১৯৮০) আদি নাটকত গতানুগতিক নাট্য উপস্থাপন ৰীতি পৰিহাৰ কৰি নতুন অঙ্গিকৰ প্ৰয়োগেৰে লিখিছে। আনকি এই সময়ছোৱাতে ৰত্ন ওজাই **প্ৰলাপ, জোনাকীৰ জুই** আদি নাট ৰচনাৰ উপৰিও 'বাটৰ নাট' নাম দি মুকলি অভিনয়ৰ এটা প্ৰশংসনীয় প্ৰচেষ্টা চলাইছিল।

আধুনিক সমাজৰ বিভিন্ন দিশৰ কাৰ্যৰূপ প্ৰকাশ কৰি নাট ৰচনা কৰা এজন নাট্যকাৰ হৈছে - ৰূপকমল হাজৰিকা। তেওঁৰ **মই ৰহমতে কৈছো** (১৯৭৮) **সংলাপ, সংকেত আৰু আখৰা** (১৯৭৯) আৰু **নক্সা** (১৯৭৯) আদি বিখ্যাত মঞ্চ সফল নাটক। সেইদৰে অতুল বৰদলৈৰ চীনা আক্ৰমনৰ পটভূমিত ৰচনা কৰা তেজেধোৱা **কামেং** আৰু জনতাৰ সংগ্ৰামৰ ভেটিত ৰচনা কৰা **বৃক্ষৰ খোজ** আদি নাটক নাট্যসাহিত্যলৈ উল্লেখযোগ্য বৰঙণি। ইয়াৰ উপৰিও বিৰিঞ্চি ভট্টৰ **সূৰ্যোদয়, পথৰ মানচিত্ৰ, মই, সেই ছোৱালীজনী** আৰু **মানুহবোৰ** ; বসন্ত ভট্টৰ **উজীৱন**, **এখন কম্বলৰ কথা** আদি একাংকিকা নাটকবোৰো আধুনিক সমাজৰ স্বৰূপ বহন কৰাত সফল হৈছে।

যুদ্ধোত্তৰ যুগৰ অন্যান্য নাট্যকাৰসকলৰ ভিতৰত হিমেন বৰঠাকুৰৰ বাঘ (১৯৭১), অৰূপ চক্ৰবৰ্তীৰ **আগমনি**, আব্দুল মজিদৰ **চোৰ**, প্ৰফুল্ল বৰাৰ **বান**, ৰাম গোস্বামীৰ **জন্মবৃত্ত** (১৯৮১) আদি আধুনিক নাট্য কৌশলসম্পন্ন উল্লেখযোগ্য নাটক।

যুদ্ধোত্তৰ যুগতে একাংকিকা নাটসমূহেও বিস্তাৰ লাভ কৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ **ৰজা গদাধৰ নোমল, পাচনি** আদি নাটকৰ জৰিয়তে আধুনিক একাংকিকাৰ শুভাৰম্ভ হয় যদিও ইয়াৰ পূৰ্ণবিকাশ যুদ্ধোত্তৰ যুগতহে লাভ কৰিছিল। বীনা বৰুৱাৰ **এবেলাৰ নাট**, প্ৰবীন ফুকনৰ **তমসা ৰাতি**, লক্ষ্যধৰ চৌধুৰীৰ **এনিশাৰ অতিথি**, ফনী তালুকদাৰৰ **ছাঁ -পোহৰ** আদি যুদ্ধোত্তৰ যুগৰ প্ৰথম পয্যায়ৰ উল্লেখযোগ্য একাংকিকা।

ইয়াৰ উপৰিও সত্য প্ৰসাদ বৰুৱাৰ **শাশ্বতী**, তফজুল আলিৰ **নেপাতি কেনেকৈ থাকো**, যোগেন চেতিয়াৰ **চেনেহৰ সোঁতা, ধানটো পতানটো**, অৰূপ চক্ৰৱৰ্তীৰ **মঞ্চত পঞ্চানন শৰ্মা**, ভবেন শইকীয়াৰ **পুতলা নাচ, বাওনা**, আলি হাইদৰৰ এটা চোলাৰ কাহিনী হিমেন্দ্ৰ বৰঠাকুৰৰ দ্বীপ, অতুল বৰদলৈৰ এখন দুৱাৰ লাগে, ফনী তালুকদাৰৰ **এটা তৰা এমুঠি ছাঁই**, তৰুণ শইকীয়াৰ বিশ্বাসে মিলয় হৰি, অখিল চক্ৰৱৰ্তীৰ **মানিক বিচাৰি, আমি স্বপ্নাতুৰ** ; ভোলা কটকীৰ **বিভ্ৰাট** আদি যুদ্ধোত্তৰ যুগৰ উল্লেখযোগ্য একাংকিকা নাটক।

এনেদৰে বিচাৰ কৰিলে দেখা যায় যে যুদ্ধোত্তৰ যুগত অসমীয়া নাটকে বিকাশ আৰু বিস্তাৰ লাভ কৰে। বিভিন্ন সামাজিক দৃষ্টিভংগীৰ উপৰিও পাশ্চাত্যৰ লেখকসকলৰ বিভিন্ন দৃষ্টিভংগীও অসমীয়া নাটকত প্ৰভাৱ পৰা দেখা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন - ১**

(ক) এবছাৰ্দ নাটকৰ আহিত লিখা প্ৰথম অসমীয়া নাট্যাকৰজন কোন ?

..................................................................................................

..................................................................................................

..................................................................................................

## ২.২.১ যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকৰ সাধাৰণ লক্ষণ ঃ

যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকসমূহ বিচাৰ বিশ্লেষণ কৰিলে কেইবাটাও লক্ষণ চকুত পৰে। তোমালোকে ইয়াৰ আগতে অসমীয়া নাটকৰ গতি সম্পৰ্কে পঢ়ি আহিছো। এতিয়া এই নাটকবোৰৰ প্ৰকৃতি সম্পৰ্কে জানিব পাৰিবা।

(ক) অসম বুৰঞ্জীৰ পটভূমিত ৰচিত নাটক সমূহত লেখকে আধুনিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰে।

(খ) মহাকাব্যিক পদ্ধতি আৰু চিন্তাধাৰাৰে নাটক ৰচনা আৰু মঞ্চ কৌশলে বিশেষ পৰিৱেশ সৃষ্টিত সহায় কৰে।

(গ) যুদ্ধোত্তৰ যুগৰ নাটকত জীৱনবোধৰ গভীৰতা আৰু কাব্যিক অনুভূতিৰ গাঢ়তা এটি প্ৰধান লক্ষণ। যাৰ বাবে নাটকসমূহ বাস্তৱধৰ্মী হৈ উঠিছে।

(ঘ) যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকত বিষয়বস্তু গ্ৰহণ আৰু চৰিত্ৰায়ণত নতুনত্ব আহৰণ কৰাৰ উপৰিও মঞ্চ উপযোগিতালৈ লক্ষ্য।

(ঙ) সামাজিক সমস্যাসমূহক নতুন দৃষ্টিৰে চোৱা আৰু তাক নাটকত চিত্ৰায়ণ কৰা।

(চ) যুদ্ধোত্তৰ যুগৰ কিছুমান নাটকত প্ৰচলিত নাটকৰ সু-সংহত কাহিনীৰ বিপৰীতে ঐক্যহীন বিচ্ছিন্ন কাহিনী চিত্ৰায়ন।

(ছ) এই শ্ৰেণী নাটকত আদৰ্শ আৰু বিশ্বাসযোগ্য চৰিত্ৰৰ বিপৰীতে নিৰ্বিকাৰ আৰু অবিশ্বাস্য চৰিত্ৰ উপস্থাপন ৰীতি দেখা যায়।

(জ) এই শ্ৰেণী নাটকত গতিময় আৰু সাৱলীল সংলাপৰ বিপৰীতে সংগতিবিহীন সংলাপৰ মাধ্যমত প্ৰকাশ কৰা দেখা যায়।

(ঝ) যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকৰ আন এটি প্ৰধান লক্ষণ হল - এইবোৰ নাটকত লোক নাট্যৰ আংগিক প্ৰয়োগ।

(ঞ) যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকত প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন দৃষ্টিভংগীৰ প্ৰভাৱ পৰিলক্ষিত হৈ উঠিল।

এনেদৰে বিভিন্ন লক্ষণসমূহ যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকত দেখা পোৱা যায়। এইবোৰ বৈশিষ্ট্যৰ বাবেই যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকে বিভিন্ন দিশত গতি কৰিলে আৰু ন ন বৈশিষ্ট্যৰে মহিমা মণ্ডিত হৈ উঠিল।

**আত্মমূল্যায়নৰ প্ৰশ্ন - ২**

(ক) **বায়নৰ খোল** নাটকৰ নাট্যকাৰ কোন ?

........................................................................................................

........................................................................................................

........................................................................................................

**২.২.২ যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকৰ ধাৰা ঃ**

যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকসমূহ বিচাৰ কৰিলে ইয়াৰ কেতবোৰ ধাৰা লক্ষনীয় বুলি কব পাৰি। তোমালোকে যিহেতু এই যুগৰ অসমীয়া নাটকৰ গতি আৰু প্ৰকৃতি সম্পৰ্ক আগতে পাই আহিছা। গতিকে এই যুগৰ নাটকৰ বিভিন্ন দিশৰ অতি

লক্ষ্য ৰাখি অসমীয়া নাটকৰ ধাৰাটোক এনেদৰে ভাগ কৰি লব পাৰি যেনে - (১) ঐতিহাসিক নাটকৰ ধাৰা (২) বাস্তৱধৰ্মী সামাজিক নাটকৰ ধাৰা (৩) কাল্পনিক ৰূপক বা প্ৰতীক ধৰ্মী নাটক, (৪) মহাকাব্যিক নাটকৰ ধাৰা (৫) এবছাৰ্ড নাটক (৬) একাংকিকা নাটক (৭) লোকনাট্যৰ আংগিক প্ৰয়োগৰ ধাৰা (৮) অনূদিত নাটকৰ ধাৰা।

### ২.২.২.১ ঐতিহাসিক ধাৰা ঃ

যুদ্ধোত্তৰ যুগত অসমীয়া ঐতিহাসিক নাটকৰ আৰম্ভ হয় বুৰঞ্জীৰ নতুন ব্যাখ্যাৰে সমাজ জীৱনৰ পটভূমিত। অসমীয়া সাহিত্যত ঐতিহাসিক নাটকৰ শুভাৰম্ভ হয় জোনাকী যুগতে। তোমালোকে আগৰ গোটত এই বিষয়ে পঢ়ি আহিছা। যুদ্ধোত্তৰ যুগত ঐতিহাসিক নাটক ৰচনা ক্ষেত্ৰত লেখকসকল উদাসীন হোৱা পৰিলক্ষিত হোৱাৰ বাবে সংখ্যাত তাকৰ। এই সময়ছোৱাৰ ঐতিহাসিক নাটকৰ ভিতৰত নগাওঁ নাট্য সমাজৰ **পিয়লী ফুকন**, প্ৰবীন ফুকণৰ **মণিৰাম দেৱান**, **লাচিত বৰফুকন**, অতুল চন্দ্ৰ হাজৰিকাৰ **টিকেন্দ্ৰজিৎ**, যুগল দাসৰ **মীৰা বাঈ, ১৮৫৭**, সুৰেন শইকীয়াৰ **কুশল কোঁৱৰ**, উত্তম বৰুৱাৰ **জেৰেঙাৰ সতী, বৰ ৰজা ফুলেশ্বৰী**, সুৰেন ভাগৱতীৰ **গোমধৰ কোঁৱৰ**, ভবেন বৰুৱাৰ **কনকলতা** আদিয়েই প্ৰধান বুলিব পাৰি।

### ২.২.২.২ বাস্তৱধৰ্মী সামাজিক নাটক ঃ

যুদ্ধোত্তৰ যুগত বাস্তৱধৰ্মী সামাজিক নাটকসমূহে বিশেষভাৱে প্ৰাধান্য লাভ কৰে। এইসমূহ নাটকত হেনৰিক ইবচেনৰ গভীৰ অৰ্ন্তদৃষ্টিৰ পৰিচয় পোৱা যায়। এনে বাস্তৱবাদী সামাজিক নাটকসমূহৰ ভিতৰত - লক্ষ্যধৰ চৌধুৰীৰ **নিমিলা অংক** (১৯৬৫) সাৰদা বৰদলৈৰ **পহিলা তাৰিখ** (১৯৫২) জ্যোতিপ্ৰসাদ আগৰৱালাৰ **লভিতা** (১৯৪৮) অমৰেন্দ্ৰ পাঠকৰ **ইন্টাৰভিউ** (১৯৫৫) অভয় ডেকাৰ **গৰাখহনীয়া** (১৯৫৫) অনিল চৌধুৰীৰ **প্ৰতিবাদ** (১৯৫৩), সৰ্বেশ্বৰ চক্ৰৱৰ্তীৰ **অভিমান** (১৯৫২), দুৰ্গেশ্বৰ বৰঠাকুৰৰ **টেক্সিড্ৰাইভাৰ** (১৯৫৫) অৰুণ শৰ্মাৰ **উৰুখা পজাঁ** (১৯৬৪), **চিঞৰ**, ফণী শৰ্মাৰ **কিয়**, অতুল বৰদলৈৰ **বৃক্ষৰ খোজ**, প্ৰবীন ফুকনৰ **শতিকাৰ বান** (১৯৫৪) সত্য প্ৰসাদ বৰুৱাৰ **নায়িকা নাট্যকাৰ** (১৯৭৬) **মৃণাল মাহী** (১৯৭৭), আব্দুল মজিদৰ **চোৰ** আদিয়েই প্ৰধান।

**২.২.২.৩ কাল্পনিক ৰূপক বা প্ৰতীক ধৰ্মী নাটক ঃ**

বাস্তৱবাদী নাটকৰ পাছতেই যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকত কাল্পনিক ৰূপক বা প্ৰতীক ধৰ্মী শ্ৰেণীৰ নাটক ৰচনাৰ পৰিলক্ষিত হয়। প্ৰাক্-স্বাধীনতা কালত এই শ্ৰেণীৰ নাটক বিশেষকৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ হাতত জন্ম লাভ কৰিছিল। এই বিষয়ে আমি আগৰ গোটত আলোচনা কৰি আহিছো। আগৰৱালাৰ **নিমাতি কন্যা** (১৯৩৬) **ৰূপালীম**ৰ (১৯৬০) পাছতেই আমি উল্লেখ কৰিব পৰা অতুল হাজৰিকাৰ মানস প্ৰতিমা, জনাৰ্দন ঠাকুৰৰ **ভৈয়ামৰ সেন্দুৰী আলি** (১৯৫২) সুৰেশ গোস্বামীৰ **ৰুনুমী** (১৯৪৬) আদিয়েই প্ৰধান।

**২.২.২.৪ মহাকাব্যিক নাটকৰ ধাৰা ঃ**

যুদ্ধোত্তৰ যুগত অসমীয়া নাট্য সাহিত্যত মহাকাব্যিক নাটক ৰচনাৰ প্ৰয়াস কেইজনমান নতুন নাট্যকাৰৰ মাজত দেখা যায়। মহাকাব্যিক নাটক পৰম্পৰাগত নাট্যৰীতিৰ বিৰুদ্ধে এক প্ৰতিবাদ। এই প্ৰতিবাদী নাট্যধাৰৰ জন্মৰ লগত জড়িত নাট্যকাৰ এৰউইন পিছকাটৰ আৰু বাৰ্টল্ড ব্ৰেখট। বৰ্ত্তমান সময়ত অৱশ্যে এনে নাটকৰ ক্ষেত্ৰত ব্ৰেখটৰ নামেহে বেছি উল্লেখিত হয়। কাৰণ পিছকাটৰ তুলনাত ব্ৰেখটৰ প্ৰতিভা আৰু কৰ্মৰাজি অতি বিস্তৃত। অৱশ্যে এনে নাট্যধাৰা আৰু মন্বত কৌশলে অসমৰ নাট্য জগতত বিশেষ বিস্তৃতি লাভ কৰা নাই যদিও ইয়াৰ এটি ক্ষীণ সুতি বৈ গৈছে। মহাকাব্যিক নাটকৰ চিন্তাধাৰা আৰু ৰচনা কৰা অসমীয়া নাট্যসাহিত্যত মুনিন শৰ্মাৰ **সভ্যতাৰ সংকট** আৰু অৰুণ গোস্বামীৰ **আজি** উল্লেখযোগ্য। ইয়াৰ উপৰিও সীতানাথ লহকৰে এনে পদ্ধতিৰে ৰচনা কৰা কহয় চণ্ডীদাসে এখন মঞ্চসফল নাটক। মহাকাব্যিক চিন্তাধাৰাৰ ক্ষীণ প্ৰভাৱ পৰা অন্যান্য নাটকৰ ভিতৰত আনন্দমোহন ভাগৱতীৰ **জতুগৃহ**, সতীশ ভট্টাচাৰ্য্যৰ **মহাৰাজা**, হিমেন্দ্ৰ বৰঠাকুৰৰ **বাঘ আৰু দ্বীপ**, প্ৰমোদ দাসৰ **হনুমান সাগৰ বান্ধা চাউ**, যোগেন বায়নৰ **বন্তি** আদি অন্যতম।

**২.২.২.৫ এবচাৰ্ড নাটক ঃ**

যুদ্ধোত্তৰ যুগত প্ৰচলিত নাটকৰ সু-সংহত কাহিনীৰ বিপৰীতে ঐক্যহীন বিছিন্ন কাহিনী, আদৰ্শ আৰু বিশ্বাসযোগ্য পৰম্পৰাগত চৰিত্ৰৰ বিপৰীতে নিৰ্বিকাৰ আৰু অবিশ্বাস্য চৰিত্ৰ আৰু গতিময় আৰু সাৱলীল সংলাপৰ বিপৰীতে সংগতিবিহীন

সংলাপৰ মাধ্যমত এক শ্ৰেণীৰ নাটক ৰচনাৰ প্ৰয়াস যুদ্ধোত্তৰ যুগত দেখা যায়। বিশেষকৈ চেমুৱেল বেকেটৰ এবৰ্ছাড নাটকৰ আহিত এই শ্ৰেণী নাটকৰ জন্ম হয়। অৰুণ শৰ্মাৰ **আহাৰ** (১৯৭১) নাটকৰ যোগেদি। কিন্তু ইয়াৰ আগতে তেওঁ ৰচনা কৰা **শ্ৰীনিবাৰণ ভট্টাচাৰ্য্য** নাটকত এবছাৰ্ড ধৰ্মিতাৰ কিছু লক্ষণ দেখা যায়। হলেও ই প্ৰকৃতাৰ্থত এবছাৰ্ড নহয়। যদিও অসমীয়া নাটকত এবৰ্ছাড নাটকৰ ধাৰা ৰক্ষিত নহল তথাপিও এবছাৰ্ডৰ লক্ষণ থকা আন কেইখনমান নাটক হৈছে - বসন্ত শইকীয়াৰ **মৃগতৃষ্ণা** (১৯৭৩), **মানুহ** (১৯৭৭) **অসুৰ** (১৯৭৭) অজিত মহন্তৰ **ঈশ্বৰৰ মৃত্যুত শোক সভা** (১৯৮৯), বিনোদ **শৰ্মা**ৰ **জৰী** আদি উল্লেখনীয় বুলিব পাৰি।

### ২.২.২.৬ একাংকিকা নাটক ঃ

জোনাকী যুগতেই আৰম্ভ হোৱা আধুনিক একাংকিকা নাটকে যুদ্ধোত্তৰ যুগত প্ৰসাৰ আৰু বিকাশ লাভ কৰে। সাম্প্ৰতিক কালত এই শ্ৰেণীৰ নাটকে বিশেষ জনপ্ৰিয়তা লাভ কৰা দেখা যায়। এনে নাটকৰ ভিতৰত বীনা বৰুৱাৰ **এবেলাৰ নাট** (১৯৫৫), প্ৰবীন ফুকনৰ **তমসা, ৰাতি, চকৰি**, লক্ষ্যধৰ চৌধুৰীৰ **এনিশাৰ অতিথি**, ফনী তালুকদাৰৰ **ছাঁ-পোহৰ**, সত্য প্ৰসাদ বৰুৱাৰ **শাশ্বতী, কাঞ্চন** ; যোগেন চেতিয়াৰ **চেনেহৰ সোঁতা, ধানটো পতানটো** ; গিৰীশ চৌধুৰীৰ **যুগে যুগে**, অমৰেন্দ্ৰ পাঠকৰ **বিপন্ন প্ৰহৰী**, বীৰেন্দ্ কুমাৰ ভট্টাচাৰ্য্যৰ **ভাৰতী**, অনিল চৌধুৰীৰ **মাণিক ৰাইটং**, অৰুণ শৰ্মাৰ **পোষ্টাৰ, পদ্মা কুন্তী ইত্যাদি** ; দুৰ্গেশ্বৰ বৰদলৈৰ **নিৰুদ্দেশ, বিহগুটিৰ বিলৈ**। সমৰেন্দ্ৰ নাৰায়ন দেৱৰ **ভেকো ভাওনা**, অৰুণ গোস্বামীৰ **আজি, আখৰা চলিছে**, অৰূপ চক্ৰৱৰ্তীৰ **মঞ্চত পঞ্চানন শৰ্মা**, ভবেন শইকীয়াৰ **পুতলা নাচ, বাওনা**, আলি হাইদৰৰ **এটা চোলাৰ কাহিনী**, অখিল চক্ৰৱৰ্তীৰ **মাণিক বিচাৰি**, অতুল বৰদলৈৰ **এখন দুৱাৰ লাগে** আদিয়েই প্ৰধান।

### ২.২.২.৭ লোকনাট্য আংগিকৰ প্ৰয়োগ ঃ

যুদ্ধোত্তৰ যুগৰ সত্তৰ দশকৰ পৰা অসমীয়া নাটকত লোকনাট্যৰ আংগিকৰ প্ৰয়োগ দেখা যায়। অসমীয়া নাটকে শংকৰদেৱৰ দিনৰে পৰা লোকনাট্যৰ আংগিক বহন কৰি আহিছে। অৱশ্যে আধুনিক নাটকৰ আৰম্ভণিৰ কালছোৱাত পাশ্চাত্য

নাটকৰ আহিঁত ৰচিত হবলৈ ধৰি প্ৰায় স্বাধীনতাৰ সময়ছোৱালৈকে এনে দৃষ্টিভংগী বহন কৰিছিল। হ'লেও পিছলৈ থলুৱা ভাৱাদৰ্শ তথা লোকনাট্যৰ আংগিক গ্ৰহণ কৰি অসমীয়া নাট্যকাৰসকলে নাটক ৰচনা কৰিবলৈ ধৰিলে। ইয়াৰ ভিতৰত যুগল দাসৰ **বায়নৰ খোল**, সতীশ ভট্টাচাৰ্য্যৰ **মহাৰজা**, অখিল চক্ৰৱৰ্তীৰ **এজন ৰজা আছিল**, অৰুণ শৰ্মাৰ **বুৰঞ্জী পাঠ, পুৰুষ** ; বসন্ত শইকীয়াৰ **মানুহ, মৃগতৃষ্ণা**, জগদীশ পাটগিৰীৰ **অজগৰ**, আলি হাইদৰৰ **ধুমুহা পক্ষীৰ নীড়**, আনন্দমোহন ভাগৱতীৰ **জতুগৃহ**, পৰমানন্দ ৰাজবংশীৰ **নাঙল মাটি আৰু মানুহ, তেজীমলা, কমলা কুঁৱৰীৰ সাধু**, পদ্মধৰ চলিহাৰ **ৰংপুৰে কথা কয়**, কৰুণা ডেকাৰ **লুইত কন্যা**, অৰূপ চক্ৰৱৰ্তীৰ **আগমনী**, প্ৰমোদ দাসৰ **হনুমান সাগৰ বান্ধা চাউ**, আদিয়েই প্ৰধান নাটক বুলিব পাৰি।

### ২.২.২.৮ অনূদিত নাটকৰ ধাৰা ঃ

প্ৰাক্-স্বাধীনতাৰ কালতেই আধুনিক অসমীয়া নাটকত অনূদিত নাটকৰ ধাৰা এটিৰ আৰম্ভ হয়। যুদ্ধোত্তৰ যুগত এই অনূদিত, অভিযোজিত নাটকৰ ধাৰাটি ক্ৰমশঃ বিকাশ লাভ কৰা দেখা যায় যদিও সংখ্যাত বৰ বেছি নহয়। প্ৰাচ্য আৰু পাশ্চাত্য বিভিন্ন নাটকৰ পৰা এই নাটকৰ পৰা এই নাটকসমূহ অনূবাদিত। এনে নাটক সমূহ হৈছে - চন্দ্ৰ চৌধুৰীৰ **গংগা যমুনা**, সত্য প্ৰসাদ বৰুৱাৰ **ৰজা ইডিপাছ, অথেল, বনহংসী** (১৯৬২), পদ্ম বৰকটকীৰ **ডলছ্-হাউচ** (১৯৫৯), অতুলচন্দ্ৰ হাজৰিকাৰ **শকুন্তলা, বনিজ কোঁৱৰ** (১৯৪৬), **অশ্ৰুতীৰ্থ** (১৯৫০), সৰ্বানন্দ পাঠকৰ **বিপ্লৱী বীৰ** (১৯৪৯), দয়ানন্দ পাঠকৰ **ৰোমিও এণ্ড জুলিয়েট** (১৯৭৪), **জুলিয়াছ চিজাৰ** (১৯৭৫), **কিং লিয়াৰ** (১৯৭৪), **হেমলেট** (১৯৭৮), মহেন্দ্ৰ বৰাৰ **ভূত** (১৯৬৫), ৰাম গোস্বামীৰ **পিঞ্জৰা** ; শৈলেশ ভৰালীৰ **গডোৰ প্ৰতীক্ষাত**, বসন্ত তালুকদাৰৰ **এখন আকাশ অলেখ তৰা**, মহেন্দ্ৰ বৰঠাকুৰৰ **সম্ৰাট**, দুলাল ৰয়ৰ **চৰকাৰী ইন্সপেক্টৰ, শুনা জন্মাজয়, ফাতেমা বিবিৰ ঘৰ** আদি উল্লেখযোগ্য।

এনেদৰে যুদ্ধোত্তৰ যুগত অসমীয়া নাটকে বিভিন্ন ধাৰাৰ মাজেৰে বিকাশ লাভ কৰি বিস্তাৰ লাভ কৰে।

**আত্মমূল্যায়নৰ প্ৰশ্ন - ৩**

(ক) (১) নম্বৰ অংশ (২) নম্বৰ অংশৰ লগত মিলোৱা -

| (১) | (২) |
|---|---|
| মৃণাল মাহী | অৰুণ শৰ্মা |
| আহাৰ | ভবেন শইকীয়া |
| পুতলা নাচ | যুগল দাস |
| বায়নৰ খোল | সত্য প্ৰসাদ বৰুৱা |

..........................................................................................

..........................................................................................

..........................................................................................

**২.৩ যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া উপন্যাস ঃ**

সমাজ আৰু ব্যক্তি জীৱনৰ দাপোনস্বৰূপ উপন্যাস হ'ল সাহিত্যৰ অন্যতম জনপ্ৰিয় অংগ। অসমীয়া সাহিত্যত এই উপন্যাসৰ শুভাৰম্ভ হয় জোনাকী যুগৰ পৰা। এই বিষয়ে আগতেই আমি আলোচনা কৰি আহিছো। তোমালোকক এই গোটত দ্বিতীয় মহাযুদ্ধৰ পিছত অসমীয়া উপন্যাসৰ বিষয়েহে জনাম। বিশ্বযুদ্ধৰ পাছত অসমৰ জনমানসত এটি নতুন জাগৃতিয়ে জোঁকাৰি যায়। ব্যক্তিৰ প্ৰাত্যহিক আৰু সামাজিক জীৱনত হোৱা পৰিবৰ্তনৰ প্ৰভাৱত সাহিত্যৰ আন আন ভাগবোৰৰ লগতে উপন্যাস সাহিত্যৰো আগৰ দৃষ্টিভংগী আঁতৰি এটি নতুন শক্তিশালী ৰূপৰ সৃষ্টি হ'ল।

চল্লিছৰ দশকতে বিৰিঞ্চি কুমাৰ বৰুৱাই বীনা বৰুৱা ছদ্ম নামত **জীৱনৰ বাটত** (১৯৪৫) উপন্যাস ৰচনাৰে উপন্যাস সাহিত্যক সুদৃঢ় কৰি তুলিলে। গাঁৱলীয়া জীৱনৰ চিত্ৰ, ৰচনাৰ নতুন কৌশল, বিষয়-বস্তুৰ সংগঠন আৰু চৰিত্ৰাংকন আদিৰ দিশত অসমীয়া উপন্যাস সাহিত্যত স্থায়ী আসন লাভ কৰিবলৈ সক্ষম হল। একেজন লেখকৰে ৰাস্না বৰুৱা ছদ্ম নামত প্ৰকাশিত **সেউজী পাতৰ কাহিনী** (১৯৫৮) উপন্যাসত চাহ বাগিছাৰ এটি সুন্দৰ চিত্ৰ ফুটি উঠা পৰিলক্ষিত হয়। চৰিত্ৰ সৃষ্টি ফালৰ পৰা উপন্যাসখন উৎকৃষ্ট মানৰ। ঔদ্যোগিক সভ্যতাৰ প্ৰাচীন প্ৰমূল্য তথা পৰম্পৰাগত নৈতিকতাৰ পতনৰ বিষয়বস্তু ফুটাই তোলা উপন্যাখনি অসমীয়া সাহিত্যৰ এখন লেখত লবলগীয়া উপন্যাস।

১৯৪৭-৫০ চনৰ পৰা অসমীয়া সাহিত্যত বিশেষকৈ চুটিগল্প আৰু উপন্যাসৰ ক্ষেত্ৰত নৱজাগৰণ সৃষ্টি হয়। মহম্মদ পিয়াৰৰ উপন্যাসত বৰ্তমান সমাজৰ দৃষ্টিভংগী দেখা গল। দেশৰ আৰ্থিক সমস্যা, হিন্দু মুছলমানৰ মিলা-প্ৰীতিৰ আদৰ্শ, দ্বিতীয় মহাসমৰৰ ফলত হোৱা মানুহৰ নৈতিক অধঃপতন আদি কথাবোৰেই পিয়াৰৰ উপন্যাসৰ প্ৰধান উপজীব্য। তেওঁৰ **প্ৰীতি উপহাৰ** (১৯৪৭), **সংগ্ৰাম** (১৯৪৮), **জীৱন নৈৰ জাঁজী** (১৯৪৯), **হেৰুৱা স্বৰ্গ** (১৯৫২) আদি উপন্যাস সমূহ আখ্যান প্ৰধান। অৱশ্যে বৰ্ণনা সহজ আৰু আকৰ্ষণীয়।

পাশ্চাত্যত আধুনিক উপন্যাস বুলিলে যি বুজায়, ঠিক তাৰেই উৎকৃষ্ট নিদৰ্শন পাওঁ প্ৰফুল্ল দত্ত গোস্বামীৰ উপন্যাসত। চৰিত্ৰ বিশ্লেষণৰ ওপৰত গুৰুত্ব দি লিখা **শেষ ক'ত** (১৯৪৮) আৰু **কেচঁা পাতৰ কঁপনি** (১৯৫২) উপন্যাস দুখন অসমীয়া সাহিত্যত প্ৰথম বুলিব পাৰি। বিষয়বস্তু আৰু উপস্থাপন ৰীতি এই দুয়োটাতে অভিনৱত্ব স্থাপন কৰা উপন্যাস দুখনত বিষয়বস্তুত ফুটি উঠা আধুনিকতাবাদী ৰীতি আৰু মনোভংগী।

চৰিত্ৰৰ বিবেকৰ তাড়না আৰু মানসিক সংঘাত লৈ ৰচনা কৰা ৰাধিকা মোহন গোস্বামীৰ **চাকনৈয়া** (১৯৫২) আন এখন উল্লেখনীয় উপন্যাস। তেওঁৰ আনখন উপন্যাস হ'ল **বা মাৰলী** (১৯৫৮)। উপন্যাসখনত শিক্ষিতা নাৰীৰ চৰিত্ৰ বিশ্লেষণ কৰা হৈছে। সমসাময়িক সমাজৰ নৈতিক প্ৰমূল্যৰ অৱনতি আৰু সামাজিক নিষ্ঠুৰতা উপন্যাস দুখনত সুন্দৰ ভাৱে ফুটি উঠিছে।

আৰ্থিক তাড়না আৰু আদৰ্শমূলক নৈতিকতাৰ সংঘাতক কেন্দ্ৰ কৰি যিবোৰ উপন্যাস ৰচিত হৈছে তাৰ ভিতৰত দীননাথ শৰ্মাৰ **সংগ্ৰাম** (১৯৫৪), **মাটি আৰু মানুহ, নদাই** (১৯৫৬) আদি উপন্যাসৰ কথা উল্লেখ কৰিব পাৰি।

আৱাহন যুগতে গল্পলেখক হিচাপে সুপ্ৰসিদ্ধ হোৱা চৈয়দ আব্দুল মালিক ৰামধেনু যুগত ঔপন্যাসিক হিচাপেও প্ৰতিষ্ঠিত হয়। চল্লিছৰ দশকতে **ল.সা.গু.** (১৯৪১) নামেৰে উপন্যাস ৰচনা কৰি আত্মপ্ৰকাশ কৰি তেওঁ পঞ্চাশৰ দশকত ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠা লাভ কৰে। এওঁৰ উপন্যাসবোৰ হ'ল - **বনজুই** (১৯৫৬), **ৰথৰ চকৰি ঘূৰে** (১৯৫৮), **ছবিঘৰ** (১৯৬০), **মাটিৰ চাকি** (১৯৫৯), **সূৰুয মুখীৰ স্বপ্ন** (১৯৬০), **কন্ঠহাৰ** (১৯৬০), **জীয়া জুইৰ ঘাট** (১৯৬৯), **অন্য**

**আকাশ অন্য তৰা** (১৯৬৯), **আধাৰ শিলা** (১৯৬৬), **অঘৰী আত্মাৰ কাহিনী** (১৯৬৯), **পহুমৰা হাবিৰ ঠাই** (১৯৭০), **মন জেতুকাৰ পাত** (১৯৭৩), **ডাঃ অৰুনাভৰ অসম্পূৰ্ণ জীৱনী** (১৯৭৫), **ৰজনী গন্ধাৰ চকুলো** (১৯৬৭), **নল বিৰিণা খাগৰি** (১৯৭৪), **প্ৰাচীন আৰু কংকাল** (১৯৬৮), **সোণালী সূতাৰে বন্ধা** (১৯৭২) আদি। ইয়াৰ উপৰিও জ্যোতি প্ৰসাদ আগৰৱালাৰ জীৱনক লৈ ৰচনা কৰা **ৰূপতীৰ্থৰ যাত্ৰী** (১৯৬৫) আৰু শংকৰদেৱৰ জীৱন ভিত্তিত ৰচিত **ধন্য নৰ তনু ভাল** (১৯৮৭) আদি জীৱনীমূলক উপন্যাস ৰচনা কৰে। বাস্তৱ মানুহৰ জীৱনক লৈ উপন্যাসৰ সূচনা আব্দুল মালিকেই কৰিলে।

আধুনিক উপন্যাস সাহিত্যলৈ বৰঙণি আগবঢ়োৱা সকলৰ ভিতৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য উল্লেখযোগ্য। এওঁৰ প্ৰথম উপন্যাস হ'ল - **ৰাজপথে ৰিঙিয়াই** (১৯৫৫)। বিষয়বস্তু আৰু আংগিকৰ ক্ষেত্ৰত **ইয়াৰুইঙ্গম** (১৯৬০), **মৃত্যুঞ্জয়** (১৯৭০) আৰু **প্ৰতিপদ** (১৯৭০) আদি ভট্টাচাৰ্য্যৰ উল্লখযোগ্য ৰাজনৈতিক উপন্যাস। মৃত্যুঞ্জয় উপন্যাসত স্বাধীনতা আন্দোলনৰ চূড়ান্ত পৰ্য্যায়ৰ '৪২ ৰ আন্দোলনৰ সময়ৰ অসমৰ প্ৰতিচ্ছবি এখন দাঙি ধৰিছে। তেওঁ **ইয়াৰুইঙ্গম** উপন্যাসখনত প্ৰাক্-স্বাধীনতা কালৰ নগা পাহাৰৰ ৰাজনৈতিক পৰিস্থিতি এটি দাঙি ধৰিছে। ভট্টাচাৰ্য্যৰ বৈজ্ঞানিক, গণতান্ত্ৰিক, সমাজবাদী আৰু জাতীয়তাবাদী ভাৱধাৰাৰ উপন্যাস হ'ল - **ৰঙা মেঘ** (১৯৭৬), **মুনিচুনিৰ পোহৰত** (১৯৭৯) আৰু **কালৰ হুমুনিয়াহ** (১৯৮৭) আদি। ৰাজনীতিৰ বাহিৰেও ভট্টাচাৰ্য্যৰ আন এটি বিষয়বস্তু হল মানবীয় প্ৰমূল্য। এনে উপন্যাস **আই** (১৯৬০), **বল্লৰী** (১৯৭৩), **শতঘ্নী** (১৯৬৫), **কবৰ আৰু ফুল** (১৯৭৬), **নষ্টচন্দ্ৰ, চিনাকি সুতি** (১৯৭১), **ডাইনী** (১৯৭৬) আদিৰ নাম উল্লেখনীয়।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ পিছতে আধুনিক অসমীয়া উপন্যাস সাহিত্যলৈ বৰঙণি আগবঢ়োৱা সকলৰ ভিতৰত নৱকান্ত বৰুৱা অতি পৰিচিত নাম। এজন সুকবি হিচাপে নৱকান্ত বৰুৱাক তোমালোকে ইয়াৰ আগৰ গোটত পঢ়ি আহিছা। এতিয়া এজন ঔপন্যাসিক হিচাপে আলোচনা কৰিম। তেওঁৰ প্ৰথম ঔপন্যাসিক হ'লে - **কপিলীপৰীয়া সাধু** (১৯৫৪)। কাব্যিক দৃষ্টিভংগী আৰু প্ৰকাশভংগীৰে নগাঁৱৰ কপিলীপাৰৰ এটা অঞ্চল উপন্যাসখনত জীৱন্ত ৰূপত দাঙি ধৰিছিল। ইয়াৰ পাছত দ্বিতীয়খন উপন্যাস তেওঁ কুৰি বছৰৰ পাছতহে প্ৰকাশ কৰিছিল। **ককাদেউতাৰ হাড়** (১৯৭৩) তেওঁৰ দ্বিতীয় উপন্যাস। অষ্টাদশ শতাব্দীৰ অসমীয়া সমাজৰ উচ্চ শ্ৰেণীটোৰ

মাজৰ অৰিয়া অৰি আৰু ক্ষমতাৰ লোভ- এই উপন্যাসখনত স্পষ্টৰূপত ফুটি উঠিছে। তেওঁৰ আন দুখন উপন্যাস হ'ল - **গৰমা কুঁৱৰী** (১৯৭৯) আৰু **মানুহ আটাইবোৰ দ্বীপ** (১৯৮১)।

আধুনিক অসমীয়া উপন্যাস সাহিত্যত যোগেশ দাস অতি চিনাকী নাম। তোমালোকে আগৰ গোটত চুটিগল্পকাৰ হিচাপে যোগেশ দাসৰ বিষয়ে জানি আহিছো। চুটিগল্পত খ্যাতি লাভ কৰাৰ উপৰিও তেওঁ উপন্যাস সাহিত্যতো সৃষ্টিশীল প্রতিভাৰ পৰিচয় দিছে। যোগেশ দাসৰ প্রথম উপন্যাস **সহাঁৰি পাই** (১৯৫২) ত নিতান্ত সহজ-সৰল, উকা ভাষা এটিৰেও মনোময় ৰূপত কাহিনী কব পৰা যি প্রতিভাৰ পৰিচয় দিছিল, সেই প্রতিভা বেছি স্পষ্ট হয় **ডাৱৰ আৰু নাই** (১৯৫৫) উপন্যাসত। উপন্যাসখনত দ্বিতীয় মহাযুদ্ধই অসমৰ সামাজিক, অর্থনৈতিক আৰু নৈতিক দিশত পেলোৱা অশুভ প্রভাৱ ফুটি উঠিছে। তেওঁৰ **জোনাকীৰ জুই** (১৯৫৯), **নিৰুপায় নিৰুপায়** (১৯৬৩), **হেজাৰ ফুল** (১৯৬৭), **ছাঁ জুই খেদি** (১৯৬৯), **উৎকন্ঠ উৎকন্ঠ** (১৯৭০), **নেদেখা জুইৰ ধোৱাঁ** (১৯৭২) আদি উল্লেখযোগ্য উপন্যাস। উপন্যাস কেইখনত মূলতঃ কাহিনীৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা যায়।

**মনৰ দাপোন** (১৯৫৮) উপন্যাসৰ প্রকাশৰ মাজেদি অসমীয়া সাহিত্যত পৰিচিত হৈ উঠা পদ্ম বৰকটকী এজন উল্লেখযোগ্য ঔপন্যাসিক। উচ্চ শ্রেণীৰ লোকৰ প্রতি শ্লেষ আৰু দুর্বল শ্রেণীৰ প্রতি সহানুভূতি তেওঁৰ উপন্যাসৰ প্রধান উপজীব্য। তেওঁৰ আনকেইজন উপন্যাস হ'ল **খবৰ বিচাৰি** (১৯৫৯) আৰু **বিচাৰৰ বাবে** (১৯৬১)। বৰকটকীৰ ঐতিহাসক উপন্যাস হ'ল **কোনো খেদ নাই** (১৯৬৩)। উপন্যাসখনৰ চৰিত্রাংকনত লেখক সফল হ'ব পৰা নাই। বৰকটকীৰ আনবোৰ উপন্যাস হৈছে - **জীৱন এষনা** (১৯৬৫), **নজ্বলা ধূপৰ প্রতীতি** (১৯৬৯), **জীৱন অৰুণী** (১৯৬৯), **দুষ্মন্তৰ চুমা** (১৯৭০), **নতুন দিনৰ কইনা** (১৯৭৯), **ৰঙা ৰঙা ৰং** (১৯৭১) আদি। এইবোৰৰ বেছিভাগেই কাহিনী, ঘটনা আৰু মনোভংগীত সস্তীয়া আকর্ষণেৰে সাধাৰণ উপন্যাসৰ শাৰীতে ৰৈ গৈছে।

আৱাহন যুগতে গল্পকাৰ হিচাপে সুখ্যাতি লাভ কৰা উমাকান্ত শর্মাই যুদ্ধোত্তৰ যুগৰ ষাঠিৰ দশকত পশুপতি ভৰদ্বাজ ছদ্ম নামেৰে উপন্যাস ৰচনাতো হাত দিয়ে। তোমালোকে জানা যে কোনো এটা বিশেষ অনুভূতিক লৈ দার্শনিক ভংগী আৰু অনুভুতিসিক্ত কাব্যিক ৰচনাৰে গল্প ৰচনা কৰা উমাকান্ত শর্মাৰ যি বৈশিষ্ট্য পৰিলক্ষিত

হয় সেই একে দৃষ্টিভংগী উপন্যাসকেইখনতো দেখা যায়। তেওঁ ৰচনা কৰা উপন্যাস হ'ল - **উড়ন্ত মেঘৰ ছাঁ** (১৯৬০), **ছিমছাঙৰ দুটি পাৰ** (১৯৬৪) আৰু **ৰঙা ৰঙা তেজ** (১৯৬৭) আদি। কুৰি বছৰৰ পাছতহে প্ৰকাশ পোৱা তেওঁৰ শ্ৰেষ্ঠ উপন্যাসখনত অসমৰ চাহ বাগিছাৰ বনুৱাসকলৰ গোষ্ঠীগত জীৱন, সমাজ আৰু সংস্কৃতিক বিষয়বস্তু হিচাপে লোৱা হৈছে।

গল্পকাৰ তথা ঔপন্যাসিক ৰোহিনী কুমাৰ কাকতিয়ে ষাঠি-সত্তৰৰ দশকত কেইবাখনো ভিন্ন স্বাদৰ উপন্যাস ৰচনা কৰি অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়ায়। তেওঁৰ উপন্যাসকেইখন হ'ল - **শেতা ৰ'দ** (১৯৬২), **এক নক্ষত্ৰৰ নিশা** (১৯৬৪), **সূৰ্য্য ৰেখা** (১৯৬৫), **ৰ'দ আৰু কুঁৱলী** (১৯৬৭), **ভগ্নাংশ** (১৯৬৯), **ভগ্নদূত** (১৯৭৯) আদি। উপন্যাসকেইখন অতি কল্পনা প্ৰৱনতা, উকা বাস্তৱতাৰ পৰা দূৰত্ব আৰু ভাষাৰ আবেগিক ৰূপে ৰোমান্টিক ধৰ্মী কৰি তুলিছে। এটা কথা উল্লেখনীয় যে প্ৰতিখন উপন্যাসৰ আংগিকতে তেওঁ নতুনত্বৰ স্বাদ দিয়ে।

যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস সাহিত্য জগতলৈ অৱদান আগবঢ়োৱা সকলৰ ভিতৰত অৰুনাচলী লেখক লুম্মেৰ দাই নামো উল্লেখযোগ্য। তেওঁৰ **পাহাৰৰ শিলে শিলে** (১৯৬০), **পৃথিৱীৰ হাঁহি** (১৯৬৩), **মন আৰু মন** (১৯৬৮) আৰু **কইনাৰ দাম** (১৯৮৪) আদি বিখ্যাত উপন্যাস। উপন্যাস কেইখনত অৰুনাচলীয় জীৱন আৰু সমস্যাৰ আকৰ্ষণীয় আৰু সুচিন্তিত একোটি আৰু সমস্যাৰ আকষণীয় আৰু সুচিন্তিত একোটি চিত্ৰ অংকন কৰিছে। **মন আৰু মন** উপন্যাসৰ ঘটনা অগতানুগতিক। এগৰাকী বুঢ়ী আৰু তেওঁৰ পোহনীয়া কুকুৰটোক লৈয়েই উপন্যাসৰ কাহিনী আগবাঢ়ি গৈছে। লুম্মেৰ দাইৰ উপন্যাসসমূহে উপন্যাসৰ বিষয়বস্তু আৰু পটভূমিৰ দিশত বৰ্ণাঢ্যতা বৃদ্ধি কৰা বুলিব পাৰি।

যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস সাহিত্যৰ এক উল্লেখনীয় ব্যক্তি হৈছে হোমেন বৰগোহাঞি। গল্পকাৰ হিচাপে হোমেন বৰগোঁহাঞিক তোমালোকে আগৰ গোটত পাই আহিছা। এই গোটত তেওঁৰ উপন্যাসৰ অৱদানৰ সম্পৰ্কে তোমালোকক জনাম। **সুবালা** (১৯৬৩) বৰগোহাঞিৰ এক ব্যতিক্ৰমধৰ্মী উপন্যাস। তেওঁৰ উপন্যাসত সমসাময়িক পাশ্চাত্য ভাবধাৰা কিছুমান প্ৰকাশিত হোৱা পৰিলক্ষিত হয়। তেওঁৰ এই উপন্যাসকেইখনত দৰাচলতে মোৰাভিয়াৰ **দ্য ৱমেন্ অৱ ৰোম (The Women of Rome**, 1947) উপন্যাসৰ প্ৰভাৱ লক্ষ্য কৰা যায়। তেওঁৰ দ্বিতীয় উপন্যাস

**তান্ত্ৰিক** (১৯৬৭) ত গতানুগতিক কাহিনী প্ৰধান উপন্যাসৰ বিপৰীতে ভাবধাৰা প্ৰধান উপন্যাসৰ বৈশিষ্ট্য ফুটি উঠিছে। প্ৰকৃতিবাদক বিষয়বস্তু হিচাপে লৈ ৰচনা কৰা **অস্তৰাগ** (১৯৮৭) উপন্যাসত আমাৰ স্বকীয় সমাজ আৰু মানসিকতাক স্পষ্ট ৰূপত ফুটাই তুলিছে। উপন্যাসখনৰ অনুভূতিসিক্ত ভাষাই ইয়াৰ আবেদনশীলতা বৃদ্ধি কৰাত সহায় কৰিছে। তেওঁ দেশৰ ৰাজনৈতিক সমস্যাৰ প্ৰতি সচেতনতা দেখা যায় **কুশীলৱ** (১৯৭০) উপন্যাসখনত। ইয়াৰ ভাষাৰ এক আকৰ্ষণীয় সাৱলীলতা আছে। ৰাজনৈতিক দৃষ্টিভংগীৰ অন্য এক উপন্যাস হ'ল **তিমিৰ তীৰ্থ** (১৯৭৫)। বৰগোহাঞিৰ সামাজিক দৃষ্টিভংগীৰ উপন্যাস হ'ল - **হালধীয়া চৰায়ে বাও ধান খায়** (১৯৭৩), **পিতাপুত্ৰ** (১৯৭৫), **মৎস্যগন্ধা** (১৯৮৭) আদি। উপন্যাসকেইখনত তেওঁ সামাজিক বাস্তৱতাৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা যায়। বৰগোহাঞিৰ কিশোৰ জীৱনক লৈ লিখিত আন এক উল্লেখযোগ্য উপন্যাস হ'ল - **সাউদৰ পুতেকে নাও মেলি যায়** (১৯৮৭)। ইয়াৰ উপৰিও তেওঁ নিৰুপমা বৰগোহাঞিৰ লগত যুটীয়াভাৱে আন এখন উপন্যাস ৰচনা কৰে - সেইখন হ'ল - **পুৱাৰ পূৰবী আৰু সন্ধ্যাৰ বিভাস** (১৯৭১)।

যুদ্ধোত্তৰ যুগৰ অন্য এগৰাকী উল্লেখনীয় ঔপন্যাসিক হ'ল নিৰুপমা বৰগোহাঞি। মনোৰম বৰ্ণনা আৰু সুখপাঠ্য কাহিনীৰে ৰচনা কৰা তেওঁৰ এখন উপন্যাস হ'ল সেই **নদী নিৰবধি** (১৯৬৩)। নদীপৰীয়া অঞ্চলৰ মানুহৰ জীৱনপদ্ধতি আৰু আৰ্থসামাজিক অৱস্থা উপন্যাসখনত সুন্দৰভাৱে ফুটি উঠিছে। তেওঁৰ **এজন বুঢ়া মানুহত** (১৯৬৬) নতুন প্ৰজন্মৰ আগমনত সামাজিক প্ৰমূল্যবোৰ কেনেকৈ পৰিবৰ্তন হয় তাৰ হৃদয়গ্ৰাহী ছবি অংকিত হৈছে। সেইদৰে **দিনৰ পিছত দিন** (১৯৬৮) **অন্তঃস্ৰোতা** (১৯৬৯), **হৃদয় এটা নিৰ্জন দ্বীপ** (১৯৭০), **ছায়া আৰু ছবি** (১৯৭১), **সামান্য অসামান্য** (১৯৭১), **কেকটাছৰ ফুল** (১৯৭৬) আৰু **নামি আহে এই সন্ধিয়া** (১৯৭৭) আদি উপন্যাসত নাৰীৰ চিৰন্তন বাসনা আৰু আবেগ অনুভূতিৰ সুখপাঠ্য কাহিনীৰ মাধ্যমত সুন্দৰ প্ৰকাশ লক্ষ্য কৰা যায়। ইয়াৰ উপৰিও তেওঁৰ আনকেইখন উপন্যাস **ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ** (১৯৭৯), **ভৱিষ্যতৰ ৰঙা সূৰ্য্য** (১৯৮০), **অন্য জীৱন** (১৯৮৬), **চম্পাৱতী** (১৯৯০) আদি উল্লেখযোগ্য। উপন্যাসকেইখনৰ ভাষা সহজ সৰল আৰু সাৱলীল। নাৰীবাদী চেতনাৰ সজ্ঞান প্ৰকাশ তেওঁৰ উপন্যাসৰ ঘাই বৈশিষ্ট্য।

এই সময়ছোৱাৰে অন্য এজন কৃতী ঔপন্যাসিক হ'ল হিতেশ ডেকা। তেওঁৰ উপন্যাসবোৰ হৈছে - **আজিৰ মানুহ** (১৯৫২), **নতুন পথত** (১৯৫৬), **মাটি কাৰ** (১৯৫৮), **ভাড়াঘৰ** (১৯৫৭), **বৈৰী মানুহ** (১৯৬৭), **জীৱন-সংঘাত** (১৯৭০) **সীমাৰ কাজিয়া** (১৯৬৮) আদি। তেওঁৰ উপন্যাসত সামাজিক জীৱনৰ বিভিন্ন চিত্ৰ ফুটি উঠিছে। সেইদৰে সমাজবাদী ভাবধাৰা আৰু দুখীয়াৰ ওপৰত শোষক শ্ৰেণীৰ নিস্পেষণ দেখা যায়।

ৰামধেনু যুগত গল্পকাৰ হিচাপে খ্যাতি লাভ কৰা লক্ষ্মীনন্দন বৰা এজন সফল ঔপন্যাসিকো। তেওঁৰ উপন্যাসসমূহ হ'ল - **নিশাৰ পুৰৱী** (১৯৬২), **গঙা চিলনীৰ পাখি** (১৯৬৫), **বলুকাত বিয়লী** (১৯৬৯), **মাটিত মেঘৰ ছাঁ** (১৯৭০), **উত্তৰ পুৰুষ** (১৯৭০), **দহন দুলড়ী, পাতাল ভৈৰবী** (১৯৬৮) আদি। **পাতাল ভৈৰৱী** উপন্যাসৰ বাবে তেওঁ একাডেমী বটাঁও লাভ কৰে। উপন্যাসখনত নিচাযুক্ত দ্ৰব্যৰ চোৰাং বেপাৰৰ মাজেদি ভাৰতীয় ৰাজনীতিৰ যি দুৰ্নীতি আৰু কদৰ্য্যতা তাক প্ৰকাশ কৰিছে।

মহিম বৰা এই সময়ছোৱাৰে এগৰাকী সফল ঔপন্যাসিক। তেওঁৰ প্ৰথম উপন্যাস হ'ল **পুতলা ঘৰ** (১৯৭১)। সেইদৰে তেওঁৰ **হেৰোৱা দিগন্তৰ মায়া** (১৯৭৩) উপন্যাসত ইংগিতধৰ্মীতা আৰু চিত্ৰকল্প, প্ৰতীক আদি ব্যৱহাৰেৰে কাব্যময় ভাষাৰ সাৰ্থক ৰূপায়ন দেখা যায়।

মাত্ৰ তিনিখন উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাসত সাহিত্যৰ ভেটি সুদৃঢ় কৰা ঔপন্যাসিক হ'ল দেৱেন্দ্ৰনাথ আচাৰ্য্য। তেওঁৰ **অন্য যুগ অন্য পুৰুষ** (১৯৭১), **কালপুৰুষ** (১৯৬৭) আৰু **জঙ্গম** (১৯৮২) আদি বিখ্যাত উপন্যাস। ৰাজনৈতিক চেতনা আৰু দেশপ্ৰেমৰ এটি আভাস তেওঁৰ উপন্যাসত পোৱা যায়। সমাজ আৰু ইতিহাস দুয়োটাই তেওঁৰ উপন্যাসত ব্যতিক্ৰমী ৰূপত প্ৰকাশ পাইছে।

যুদ্ধোত্তৰ যুগৰ অন্য এগৰাকী আগশাৰীৰ ঔপন্যাসিক হ'ল শীলভদ্ৰ (ৰেৱতী মোহন দত্ত চৌধুৰী)। তেওঁ এগৰাকী সফল গল্পকাৰ। এই বিষয়ে তোমালোকে আগৰ গোটত পাই আহিছা। তেওঁৰ প্ৰথম দুখন উপন্যাসৰ সংকলন হ'ল - **মধুপুৰ আৰু তৰংগিনী** (১৯৭১)। উপন্যাসখনত অসমীয়া উপন্যাসৰ যি পৰম্পৰাবাদী প্ৰধান ধাৰা, তাৰ ই কিছু ভিন্ন। তেওঁৰ অন্যান্য উপন্যাসবোৰ হ'ল - **আগমনীৰ ঘাট** (১৯৭৩), **আঁহত গুৰি** (১৯৭৩), **গধূলি** (১৯৮১), **অনুসন্ধান** (১৯৮৭) আদি।

এই সময়ছোৱাৰ অন্য এগৰাকী ঔপন্যাসিক হ'ল নীলিমা দত্ত। তেওঁৰ উপন্যাসবোৰ হ'ল - **আকাশ বন্তি** (১৯৬৭), **শৈলশিখৰ** (১৯৬৯), **প্ৰাণশিখা** (১৯৮৭) আৰু **ধুমুহাৰ পিছত** (১৯৯২)। মানুহৰ আবেগ অনুভূতিক লৈ কাহিনীৰ অৱলম্বন তেওঁৰ উপন্যাসৰ ঘাই বৈশিষ্ট্য।

**ৰামধেনু** আলোচনীৰ মাজেদি গল্পৰ দিশত খ্যাতি লাভ কৰা চন্দ্ৰ প্ৰসাদ শইকীয়াই ষাঠিৰ দশকত উপন্যাসৰ বহল ক্ষেত্ৰখনলৈ আহে। তেওঁৰ **মন্দাক্ৰান্তা** (১৯৬০), **সূৰ্য্যস্নান, মেঘমল্লাৰ** (১৯৬৩) **এদিন** (১৯৬৯), **উত্তৰকাল** (১৯৭২) আদি বিখ্যাত উপন্যাস। প্ৰথমছোৱাৰ উপন্যাসত বিশেষকৈ কাহিনীকথনৰ অভিনৱ ভংগী দেখা যায়। **মহাৰথী** উপন্যাসত তেওঁ মহাভাৰতৰ কাহিনী আৰু চৰিত্ৰ অৱলম্বনত সাম্প্ৰতিক সমাজচেতনা আৰু সমস্যা প্ৰতিফলন ঘটোৱা পৰিলক্ষিত হয়।

যুদ্ধোত্তৰ যুগৰ এগৰাকী সফল ঔপন্যাসিক হ'ল প্ৰবীনা শইকীয়া। সুবিন্যস্ত কাহিনীৰ মাজেদিয়ে এওঁৰ উপন্যাসৰ বিষয়বস্তু ফুটি উঠে। ঘটনা উপস্থাপনত ইংগিতময়তা, সূক্ষ্ম তাৎপৰ্য্য, প্ৰতীক আৰু চিত্ৰকল্পৰ সুপ্ৰয়োগ উল্লেখনীয়। তেওঁৰ উপন্যাস দুখন হল - **উত্তৰায়ন** আৰু **সিংহদুৱাৰ** (১৯৮২)।

মেদিনী চৌধুৰী ৰামধেনু যুগৰ এগৰাকী সফল গল্পকাৰ। তেওঁৰ গল্পৰ বিষয়ে তোমালোকে আগৰ অধ্যায়ত পাই আহিছা। এই গোটত আমি তেওঁৰ উপন্যাস সাহিত্যলৈ অৱদান সম্পৰ্কে আলোচনা কৰিম। তেওঁৰ প্ৰথম উপন্যাস হ'ল - **অনন্য প্ৰান্তৰ** (১৯৭২)। উপন্যাসখনত কাল্পনিক কাহিনী, ইতিহাস আৰু কিংবদন্তীৰ সু-সমাহাৰ ঘটিছে। বিষয়বস্তুৰ গুৰুত্ব আৰু টেকনিকৰ অভিনৱত্ব ইয়াৰ প্ৰধান বৈশিষ্ট্য। তেওঁৰ আন আন উপন্যাস হৈছে - **বণ্ডুকা বেহাৰ** (১৯৭৬), **তাত নদী আছিল** (১৯৭৭), **অৰণ্য আদিম** (১৯৭৭), **ফেৰেংগাদাও** (১৯৮২) আদি। ইয়াৰে **বণ্ডুকা বেহাৰ** আৰু **ফেৰেংগাদাও** জীৱনীমূলক উপন্যাস। মাধৱদেৱ আৰু বিষ্ণুৰাভাৰ জীৱনকলৈ উপন্যাস দুখন ৰচিত।

মামণি ৰয়ছম গোস্বামী (ইন্দিৰা গোস্বামী) যুদ্ধোত্তৰ যুগৰ সত্তৰ দশকৰ এগৰাকী জনপ্ৰিয় ঔপন্যাসিক। তেওঁ গল্পকাৰ হিচাপেও খ্যাতি অৰ্জন কৰিছিল। তেওঁৰ উপন্যাসত প্ৰধানকৈ এক অনুভুতিসিক্ত আবেদনশীল ভাষা আৰু বৰ্ণনাৰ ইংগিতময়তা দেখা যায়। তেওঁৰ পৰবৰ্তী উপন্যাস **নীলকন্ঠী ব্ৰজ** (১৯৭৬) ত

সামাজিক চেতনাসম্পন্ন বিষয়বস্তুৰ অগতানুগতিক আংগিকৰ অপৰম্পৰাবাদী বৈশিষ্ট্য ফুটি উঠিছে। ইয়াৰ উপৰিও **অহিৰন** (১৯৭৫), **মামৰে ধৰা তৰোৱাল** (১৯৮০) **দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা** (১৯৮৮) **ছিন্নমস্তাৰ মানুহজন, দাশৰথীৰ খোজ, ঈশ্বৰী জখ্মী যাত্ৰী আৰু অন্যান্য** (১৯৯১) আদি বিখ্যাত উপন্যাস।

যুদ্ধোত্তৰ যুগৰ আন এগৰাকী ঔপন্যাসিক হল ত্ৰৈলোক্য ভট্টাচাৰ্য্য। তেওঁৰ **সাঁচিপাতৰ পুথি** (১৯৭৩) আৰু **চৰাইদেউ** (১৯৭৭) আদি উপন্যাসৰ বিশেষ মূল্য আছে। দুয়োখন উপন্যাসেই ঐতিহাসিক উপন্যাস। সেইদৰে প্ৰগতিবাদী ঔপন্যাসিক অনিল ৰায়চৌধুৰীৰ **কাণ্ডাৰী** (১৯৭৯) আৰু **শত্ৰু** (১৯৮০) আদি উল্লেখযোগ্য উপন্যাস। নিৰস ৰাজনৈতিক ঘটনা সৰস ৰূপত প্ৰকাশ পোৱা এই দুখন ৰাজনৈতিক উপন্যাস। উপন্যাস দুখনৰ কাহিনী অগতানুগতিক আৰু আংগিকৰ ক্ষেত্ৰতো অগতানুগতিক দৃষ্টিভংগী দেখা যায়।

এই সময়ছোৱাৰ আন এগৰাকী বিখ্যাত ঔপন্যাসিক হৈছে ৰংবং তেৰাং। জনজাতীয় জীৱনক লৈ ৰচিত **ৰংমিলিৰ হাঁহি** (১৯৮১) অসমীয়া ভাষাৰ উল্লেখযোগ্য উপন্যাস। জনগোষ্ঠীয় সমাজ জীৱন আৰু সংস্কৃতি উপন্যাসখনত ফুটাই তুলিছে।

ৰামধেনু যুগত চুটিগল্পকাৰ হিচাপে খ্যাতি লাভ কৰা ভবেন্দ্ৰনাথ শইকীয়াই আশীৰ দশকতহে উপন্যাস ৰচনাত হাত দিয়ে। তেওঁৰ উপন্যাস **অন্তৰীপ** (১৯৮৬) ত সমসাময়িক অসমীয়া সমাজত নাৰীৰ পুতৌ লগা স্থানৰ বৰ্ণাঢ্য চিত্ৰ দাঙি ধৰিছে। তেওঁৰ অন্যান্য উপন্যাস হ'ল **আতঙ্কৰ শেষত** (১৯৫২), **ৰম্যভূমি** (১৯৯১), **মৰমৰ দেউতা** (১৯৯১) আদি।

অসমীয়া উপন্যাসক সমৃদ্ধ কৰা আন এজন ঔপন্যাসিক হল য়েছে দৰজে ইংচি। তেওঁৰ প্ৰথম উপন্যাস **নেম** (১৯৮১) ত অৰুনাচলৰ চেৰদুকপেন সমাজৰ কাহিনী চিত্ৰিত হৈছে। ইয়াৰ উপৰিও **লিঙঝিক** (১৯৮৩), **মৌন ওঁঠ মুখৰ হৃদয় বিষকন্যাৰ দেশত, মিচিং** আদি উপন্যাস ৰচনা কৰিছে। তেওঁৰ উপন্যাসত জনজাতীয় সমাজ আৰু জীৱন, সংস্কৃতি, বিশ্বাস আদি বিভিন্ন দৃষ্টিভংগী দেখা যায়।

এই সময়ছোৱাৰ এগৰাকী প্ৰখ্যাত ঔপন্যাসিক হল অৰূপা পটংগীয়া কলিতা। তেওঁৰ **মৃগনাভি** (১৯৮৪)। সমাজত নাৰীৰ পুতৌ লগা স্থানেৰে বাস্তৱতা ফুটাই তোলা এক লিৰিকধৰ্মী উপন্যাস। ইয়াৰ উপৰিও **অয়নান্ত, ফেলানী** আদি তেওঁৰ বিখ্যাত ঔপন্যাসৰ অৱদান। তদুপৰি **অবিৰত যাত্ৰা** উপন্যাসেৰে আৰম্ভ কৰা ৰীতা

চৌধুৰী এগৰাকী সফল ঔপন্যাসিক। তেওঁৰ উপন্যাসৰ অৱদান হ'ল - **মহাজীৱনৰ আধাৰশিলা, তীৰ্থভূমি, ব্যৰ্থমল্লাৰ, জলপদ্ম, ৰাগ-মালকোশ, নয়না-তৰালী-সুজাতা, পপীয়া তৰাৰ সাধু, এইসময় সেই সময়** আদি।

যুদ্ধোত্তৰ যুগৰ আন এজন ঔপন্যাসিক হল ফনীন্দ্ৰ কুমাৰ দেৱচৌধুৰী। তেওঁৰ উপন্যাস **অনুৰাধাৰ দেশ** (১৯৮৯) এখন বিখ্যাত উপন্যাস। ইয়াৰ উপৰিও **সত্যানুসন্ধান, ঈদিপাছ ঈদিপাছু, প্ৰেমৰ ঘৰ** আদি উল্লেখনীয় উপন্যাস। উপলব্ধিৰ সততা, প্ৰকাশভংগীৰ প্ৰাঞ্জলতা, অভিজ্ঞতাৰ বিচিত্ৰ বৰ্ণময় সুক্ষ্ম প্ৰকাশ আদি তেওঁৰ উপন্যাসৰ বৈশিষ্ট্য।

এইসকল ঔপন্যাসিকৰ উপৰিও যুদ্ধোত্তৰ যুগত অসমীয়া উপন্যাস সাহিত্যলৈ বৰঙনি আগবঢ়োৱা আৰু বহুকেইজন ঔপন্যাসিক দেখা যায়। সেইসকলৰ ভিতৰত - সুৰেশ গোস্বামীৰ **সাতৰঙৰ নতুন কাৰেং** (১৯৪৯), **ৰথিৰ কাৰেং** (১৯৬৫), **ভঙাগঢ়া** (১৯৭০), কাঞ্চন বৰুৱাৰ **অসীমত যাৰ হেৰাল সীমা** (১৯৪৫), **পুৱতি তৰা** (১৯৬৪), **অশান্ত প্ৰহৰ** (১৯৭৮), প্ৰেমনাৰায়ন দত্তৰ **নিয়তিৰ নিৰ্মালি** (১৯৫৩)। **প্ৰণয়ৰ সুঁতি** (১৯৫৪), **প্ৰাণৰ পৰশ** (১৯৫৭), **আশাৰ অন্তৰালত** (১৯৬২), কুমাৰ কিশোৰৰ (কিশোৰী মোহন শৰ্মা) **শতাব্দী স্বপ্ন** (১৯৫২), **শিখাৰ কঁপনি** (১৯৫৪), **কবৰ আৰু কঙ্কাল** (১৯৬৩), **এমুঠি তৰাৰ জিলিমিলি** (১৯৬৪), **এৰা সুঁতিৰ স্বপ্ন** (১৯৬৬), **কিঙ্কিনীৰ কলঙ্ক** (১৯৭৪), কৈলাস শৰ্মাৰ **বিদ্ৰোহী নগাৰ হাতত** (১৯৫৮), **ডালিমীৰ সপোন** (১৯৭২), উমা বৰুৱাৰ **চিয়েন নদীৰ ঢৌ** (১৯৬১), মহেন্দ্ৰ বৰঠাকুৰৰ **উদাসী সন্ধানত** (১৯৬২), **বেলিফুল** (১৯৭১), **বৃহন্নলা** (১৯৮৩), কনকসেন ডেকাৰ **টেমচৰ পৰা লুইতলৈ** (১৯৬৭), **সোণৰ পালেঙত** (১৯৭১), গোবিন্দ প্ৰসাদ শৰ্মাৰ **কাঁচৰ দৰে, হীৰাৰ দৰে** (১৯৬৮), চিত্ৰলতা ফুকনৰ **অশ্ৰুকন্যা** (১৯৬৯), নবীন বৰুৱাৰ **কটন কলেজ** (১৯৭০), **ফিনিক্স পখীৰ গান** (১৯৭৩), ভুবন মোহন **মহন্তৰ হৃদয়** (১৯৭৩), **জননী** (১৯৭৯), **বাঢ়নি নৈৰ সোঁত** (১৯৮২), বসন্ত দাসৰ **জংচন** (১৯৭৪), পৰাগ কুমাৰ ভট্টাচাৰ্য্যৰ **অন্ধকুপৰ পৰা** (১৯৭৫), **বোধিদ্ৰুমৰ ছাঁ** (১৯৮৩), অৰুণ শৰ্মাৰ **উভলা শিপা** (১৯৭৯), বীৰেন বৰকটকীৰ **ভৰলীৰ পাৰে পাৰে** (১৯৮১), **মৃত্যু গচকি আনা জয় জিনি** (১৯৮৮), ইমৰাণ শ্বাহৰ **জবান বন্দী** (১৯৮৮), অতুলানন্দ গোস্বামীৰ **নামঘৰীয়া** (১৯৯০) আদি যুদ্ধোত্তৰ যুগৰ চল্লিছৰ দশকৰ পৰা আশীৰ দশকৰ ভিতৰৰ উল্লেখযোগ্য উপন্যাসৰ অৱদান।

যুদ্ধোত্তৰ যুগৰ চল্লিছৰ দশকৰ পৰা আশী দশকৰ ঔপন্যাসিক সকল আৰু এই সময়ছোৱাৰ উপন্যাসসমূহৰ বিভিন্ন দিশ আলোচনা কৰা হল। তোমালোকে বুজিছা যে এই সময়ছোৱাতে অসমীয়া উপন্যাসে এক বিস্তৃত পৰসৰ লাভ কৰিছে। আংগিকৰ ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষা সীমিত হলেও বিষয়বস্তুৰ পিনৰ পৰা এইছোৱাকালৰ উপন্যাসমূহ বহু পৰিমাণে বৰ্ণাঢ্য আৰু গুৰুত্বপূৰ্ণ। পৰম্পৰাগত কাহিনীকথনৰ উপৰিও অনুভুতিসিক্ত কাব্যোপম ভাষা, ইংগিতময়তা, আদিয়ে উপন্যাসসমূহক চহকী কৰি তুলিছে। গতিকে কব পাৰি যে যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস হ'ল এটা সম্পদশালী, সজীৱ, বাস্তৱবাদী, প্ৰধান শাখা।

**আত্মমূল্যায়ন প্ৰশ্ন** - ৪

(ক) ডাইনী উপন্যাসখন কোনে ৰচনা কৰিছিল।

..................................................................................................

..................................................................................................

..................................................................................................

**২.৩.১ যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ সাধাৰণ লক্ষণ ঃ**

কুৰি শতিকাৰ ছল্লিশৰ দশকৰ পৰা আশী দশকৰ সময়ছোৱাৰ উপন্যাসসমূহ বিচাৰ কৰিলে বহুতো লক্ষণ ফুটি উঠা পৰিলক্ষিত হয়। তেনে কিছুমান লক্ষণ উল্লেখ কৰা হ'ল -

(ক) অসমৰ সমাজ জীৱনৰ বিভিন্ন সমস্যাৰ বাস্তৱ আৰু সজীৱ প্ৰতিচ্ছবি।

(খ) ৰোমান্টিক প্ৰেম, দেশপ্ৰেম, সামাজিক সংস্কাৰধৰ্মী আদৰ্শ আৰু নৈতিক মূল্যবোধৰ প্ৰতিফলন।

বিশেষকৈ মহম্মদ পিয়াৰ, সুৰেশচন্দ্ৰ গোস্বামী, তিলক দাস, গোবিন্দ মহন্ত আদিৰ উপন্যাসত এনে বৈশিষ্ট্য দেখা যায়।

(গ) অসমীয়া উপন্যাসৰ মাজত গঢ় লৈ উঠা শিল্পসন্মত বাস্তববাদী চিন্তাধাৰাৰ উন্মেষ বিৰিঞ্চি কুমাৰ বৰুৱা, প্ৰফুল্ল দত্ত গোস্বামী, হোমেন বৰগোহাঞি আদিৰ উপন্যাসত দেখা যায়।

(ঘ) জাতীয়তাবাদী চেতনা আৰু গ্ৰামীণ জীৱনৰ প্ৰতি আকৰ্ষণ হিতেশ ডেকা, চৈয়দ আব্দুল মালিক, মহম্মদ পিয়াৰ আদিৰ উপন্যাসত এনে বৈশিষ্ট্য দেখা যায়।

(ঙ) যুদ্ধোত্তৰ যুগৰ উপন্যাসত ৰাজনৈতিক আদৰ্শ আৰু চেতনা প্ৰকাশ ফুটি উঠা দেখা যায়। বিশেষকৈ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, চৈয়দ আব্দুল মালিক, মেদিনী চৌধুৰী, দেবেন্দ্ৰ নাথ আচাৰ্য্য আদিৰ উপন্যাসত এনে বৈশিষ্ট্য দেখা যায়।

(চ) আঞ্চলিক ভিত্তি, আঞ্চলিক প্ৰাকৃতিক পৰিবেশ, স্থানীয় বিশ্বাস, ৰীতি-নীতি আদিৰ প্ৰতিফলন এইছোৱা উপন্যাসত প্ৰতিফলিত হোৱা লক্ষনীয়। বিশেষকৈ কৈলাশ শৰ্মা, লুম্মেৰ দাই, অমূল্য বৰুৱা, বীৰিন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, শীলভদ্ৰ আদিৰ উপন্যাসত এনে বৈশিষ্ট্য পৰিলক্ষিত হয়।

(ছ) সাধাৰণ মানুহৰ জীৱন সংঘাত, চৰিত্ৰৰ সবলতা-দুৰ্বলতা সহানুভূতিৰে অংকন কৰা দেখা যায়।

(জ) জনজাতীয় জীৱনৰ বিভিন্ন দিশ এইছোৱাৰ কিছু উপন্যাসত প্ৰতিফলন ঘটিছে। বিশষকৈ চাহ জনজাতি, মিচিং, অৰুনাচল-চেৰেকদুকপেন সমাজ আদি বিভিন্ন জনজাতীয় সমাজৰ জীৱন পদ্ধতি, বিশ্বাস, ৰীতি-নীতিৰ প্ৰতিফলন ঘটিছে।

(ঝ) যুদ্ধোত্তৰ যুগৰ উপন্যাস কিছুমানত যৌন জীৱন আৰু যৌন সমস্যাই প্ৰাধান্য লাভ কৰা পৰিলক্ষিত হয়। বিশেষকৈ নগ্ন যৌনবাদ আৰু অসামাজিক উচ্ছৃংখল যৌনাভিব্যক্তিৰ প্ৰতিফলন দেখা যায়।

(ঞ) নাৰীবাদী চিন্তাৰ প্ৰতিফলন যুদ্ধোত্তৰ যুগৰ উপন্যাসৰ এটি প্ৰধান লক্ষণ বুলিব পাৰি। প্ৰায়বোৰ উপন্যাসতে নাৰী সম্পৰ্কীয় চিন্তাৰ উন্মেষ দেখা যায়।

(ট) ৰাজনৈতিক আন্দোলন, যুদ্ধ-বিগ্ৰহ, বিদ্ৰোহ আদি এইছোৱা সময়ৰ উপন্যাসত প্ৰতিফলিত হোৱা দেখা যায়।

এনেধৰণৰ বিভিন্ন লক্ষণেৰে যুদ্ধোত্তৰ যুগৰ উপন্যাসক সমৃদ্ধ কৰি তুলিছে। তোমালোকে এতিয়া হয়তো বুজিব পাৰিছা যে কিয় এইছোৱা সময়ক অসমীয়া উপন্যাসৰ বিস্তাৰৰ যুগ বুলি কোৱা হয়।

**আত্মমূল্যায়ন প্ৰশ্ন -৫**

(ক) যুদ্ধোত্তৰ যুগৰ উপন্যাসৰ এটি প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা ?

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ২.৩.২ যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ ধাৰা ঃ

যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস সমূহ চালি জাৰি চালে কেইবাটাও ধাৰা লক্ষনীয় বুলিব পাৰি। বিষয়বস্তুগত দিশৰ পৰা এনে ধাৰা সমূহক ভগাই লব পাৰি, যেনে - (১) ঐতিহাসিক উপন্যাস (২) জীৱনীমূলক উপন্যাস (৩) বিশিষ্ট সামাজিক জীৱন ভিত্তিত উপন্যাস (৪) ৰাজনৈতিক উপন্যাস (৫)আদৰ্শ নিৰপেক্ষ মানৱিকতাবাদী উপন্যাস (৬) মনোবিশ্লেষণবাদী উপন্যাস (৭) অসমৰ বাহিৰৰ পটভূমিৰ উপন্যাস (৮) নাৰীবাদী চিন্তাৰ উপন্যাস (৯) শিশু উপন্যাস (১০) অনূদিত উপন্যাসৰ ধাৰা।

### ২.৩.২.১ ঐতিহাসিক উপন্যাস ঃ

যুদ্ধোত্তৰ যুগত ঐতিহাসিক উপন্যাস ৰচনাৰ প্ৰতি লেখকসকল বিশেষ আগ্ৰহী নহয়। গতিকে এই যুগত এনে ৰচনাৰ সংখ্যা বেছি নহয়। নৰকান্ত বৰুৱাৰ **গড়মা কুঁৱৰী** নাইবা পদ্ম বৰকটকীৰ **বিচাৰৰ বাবে** পূৰ্বৰ ঐতিহাসিক ঔপন্যাসিকসকলৰ দৃষ্টিভংগীৰ পৰা আঁতৰি আহিছে।

**গড়মা কুঁৱৰী**ত প্ৰেম আৰু দ্বন্দ্বৰ এটি ব্যঞ্জনা আৰু **বিচাৰৰ বাবে** ত মানবীয় দৃষ্টিভংগীৰে বৰৰজা ফুলেশ্বৰী কুঁৱৰীৰ সময়ছোৱা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। সেইদৰে নৰকান্ত বৰুৱাৰ **ককাদেউতাৰ হাড়** উপন্যাসত ব্যঞ্জিত ইতিহাস চেতনাও উল্লেখনীয়। ইয়াত লেখকৰ স্বকীয় ইতিহাস চেতনা আৰু বিচাৰে প্ৰধান ভূমিকা লোৱা দেখা যায়। একেদৰে পৰম্পৰাগত দৃষ্টিভংগীৰে ধীৰেন বৰঠাকুৰৰ **বাঙ্গী চাহেবা** ঐতিহাসিক ৰোমাঞ্চ ধৰ্মী উপন্যাসৰ চৰিত্ৰ গ্ৰহণ কৰিছে। এই সময়ছোৱাত ৰচিত দেবেন্দ্ৰ নাথ আচাৰ্য্যৰ **কালপুৰুষ** নদাই সজাঁতী মুখেৰে ব্যক্ত হোৱা এক ঐতিহাসিক উপন্যাস।

### ২.৩.২.২ জীৱনীমূলক উপন্যাস ঃ

যুদ্ধোত্তৰ যুগৰ ষাঠি দশকৰ পৰা জীৱনীমূলক উপন্যাসৰ এটি নতুন ধাৰাৰ আৰম্ভ হয়। জ্যোতি প্ৰসাদৰ জীৱনৰ ভিত্তিত ৰচিত চৈয়দ আব্দুল মালিকৰ **ৰূপতীৰ্থৰ যাত্ৰী** এই ধাৰাৰ প্ৰধান উপন্যাস। একেদৰে এই একেজন ব্যক্তিৰ জীৱন আধাৰিত আনখন উপন্যাস চন্দ্ৰপ্ৰসাদ **শইকীয়াৰ তোৰে মোৰে আলোকৰে যাত্ৰা**। ইয়াত জ্যোতিপ্ৰসাদৰ জীৱনৰ ইতিহাস বহু পৰিমানে ৰক্ষিত হোৱাত সফলতা অৰ্জন কৰিছে। এনে জীৱনীমূলক উপন্যাসৰ ভিতৰত মেদিনী চৌধুৰীয়ে মাধৱদেৱৰ জীৱনক লৈ লিখা **বণ্ডুকা বেহাৰ**, চৈয়দ আব্দুল মালিকে শংকৰদেৱৰ জীৱনক লৈ লিখা **ধন্য নৰ তনু ভাল**, মাধৱদেৱৰ জীৱনক লৈ লিখা **প্ৰেম অমৃতৰ নদী**, লক্ষ্মীনন্দন বৰাই শংকৰদেৱৰ জীৱনক লৈ লিখা **যাকেৰি নাহিকে উপাম** আৰু মাধৱদেৱৰ জীৱনক লৈ লিখা **সেহি গুননিধি**, মেদিনী চৌধুৰীয়ে বিষ্ণু ৰাভাৰ জীৱনক লৈ লিখা **ফেৰেংগাদাও**, নিৰুপমা বৰগোহাঞিয়ে চন্দ্ৰপ্ৰভা **শইকীয়ানীৰ** জীৱনক লৈ লিখা **অভিযাত্ৰী**, বীৰেন বৰকটকীয়ে কনকলতাৰ জীৱনক লৈ লিখা **মৃত্যু গচকি আনা জয় জিনি** আদি উপন্যাসেই প্ৰধান।

### ২.৩.২.৩ বিশিষ্ট সামাজিক জীৱন ভিত্তিক উপন্যাস ঃ

অসমৰ সমাজ জীৱন বিভিন্ন সামাজিক গোটেৰে গঠিত। যুদ্ধোত্তৰ যুগত ঔপন্যাসত সমাজৰ বিভিন্ন দিশক লৈ উপন্যাস ৰচনা হৈছে। সেই একেদৰেই জন জীৱনক ভিত্তি কৰিও উপন্যাস ৰচনা কৰাৰ ইতিহাস দেখা যায়। ১৮৬৫ চনতে মিচিং জনজাতি সকলক লৈ ৰজনীকান্ত বৰদলৈয়ে **মিৰি-জীয়ৰী** উপন্যাস ৰচনাৰে এই ধাৰাটিৰ আৰম্ভ কৰে। অৱশ্যে ই যুদ্ধোত্তৰ যুগতেই বিস্তাৰ লাভ কৰে। এনে উপন্যাসৰ ভিতৰত ৰাস্না বৰুৱাৰ **সেউজী পাতৰ কাহিনী**, উমাকান্ত শৰ্মাৰ **ভাৰণ্ড পক্ষীৰ জাক আৰু এজাক মানুহ এখন অৰণ্য**, লুম্মেৰ দাইৰ **পৃথিৱীৰ হাঁহি, পাহাৰৰ শিলে শিলে, কইনাৰ মূল্য**, য়েছে দৰজে ঠংচিৰ **চনম, মৌন ওঁঠ মুখৰ হৃদয়**, ৰং বং তেৰাঙৰ **ৰংমিলিৰ হাঁহি**, স্বৰ্ণ বৰাৰ **ডিয়ুং নদীৰ গীত**, যতীন মিপুনৰ **মিকচিজিলি**, ইন্দ্ৰেশ্বৰ পেগুৰ **মিবু** আদিয়েই প্ৰধান বুলিব পাৰি।

**২.৩.২.৪ ৰাজনৈতিক আদৰ্শভিত্তিক উপন্যাস ঃ**

যুদ্ধোত্তৰ যুগৰ আদৰ্শভিত্তিক উপন্যাস ৰাজনৈতিক চেতনা আৰু আদৰ্শই অসমীয়া উপন্যাসত প্ৰতিফলিত হোৱা দেখা যায়। বিশেষকৈ চৈয়দ আব্দুল মালিকৰ **ৰথৰ চকৰি ঘূৰে, ল.সা.গু.**, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ ৰাজপথে ৰিঙিয়াই, **ইয়াৰুইঙ্গম, প্ৰতিপদ, মৃত্যুঞ্জয়**, মেদিনী চৌধুৰীৰ **বিপন্ন সময়**, দেবেন্দ্ৰনাথ আচাৰ্য্যৰ **অন্য যুগ অন্য পুৰুষ**, ত্ৰৈলোক্য ভট্টাচাৰ্য্যৰ **সাঁচি পাতৰ পুথি**, তিলোত্তমা মিশ্ৰৰ **স্বৰ্ণলতা** আদিয়েই প্ৰধান বুলিব পাৰি। উপন্যাসকেইখনত ৰাজনৈতিক আদৰ্শ ফুটাই তোলাত লেখকসকলে সফলতা অৰ্জন কৰিছে।

**২.৩.২.৫ আদৰ্শ নিৰপেক্ষ মানবিকতাবাদী উপন্যাস ঃ**

যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস সাহিত্যৰ আন এটি শক্তিশালী ধাৰা হৈছে আদৰ্শ নিৰপেক্ষ মানৱিকতাবাদী উপন্যাস। এই ধাৰাটোৰ সফল ঔপন্যাসিক হ'ল - চৈয়দ আব্দুল মালিক, যোগেশ দাস, হোমেন বৰগোহাঞি, চন্দ্ৰ প্ৰসাদ শইকীয়া, ৰোহিনী কাকতি, নিৰোদ চৌধুৰী, লক্ষ্মীনন্দন বৰা, মহিম বৰা, মামণি ৰয়ছম গোস্বামী, শীলভদ্ৰ, ভবেন্দ্ৰ নাথ শইকীয়া, কুমাৰ কিশোৰ, কৈলাশ শৰ্মা, দেৱব্ৰত দাস আদি। এওঁলোকৰ উপনস্যাসত এনে দৃষ্টিভংগী মূৰ্তমান হৈ উঠিছে। মালিকৰ **অঘৰী আত্মাৰ কাহিনী** উপন্যাসৰ মাজেদি মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত শ্ৰেণীৰ জীৱনৰ স্বতন্ত্ৰতা আৰু স্বৈৰাচাৰৰ বিলাসৰ মাজত নিংসগতা ছবি ফুটি উঠিছে। হোমেন বৰগোহাঞি উপন্যাসত আধুনিক জীৱনৰ পংকিলতাৰ মাজতো মানবীয়তাৰ অন্বেষণ, চন্দ্ৰপ্ৰসাদ শইকীয়াৰ উপন্যাসত ৰোমান্টিক আদৰ্শবাদ, লক্ষ্মীনন্দন বৰাৰ উপন্যাসত নিম্ন মধ্যবিত্ত আৰু মধ্যবিত্ত জীৱনৰ মাজেদি আধুনিক নগৰ জীৱনৰ দৃষ্টিভংগী ফুটি উঠা দেখা যায়। সেইদৰে মামণি ৰয়চম গোস্বামীৰ উপন্যাসতো মানুহৰ প্ৰতি গভীৰ প্ৰেমৰ চিত্ৰ ফুটি উঠা দেখা যায়।

**২.৩.২.৬ মনোবিশ্লেষণবাদী উপন্যাস ঃ**

ব্যক্তিবাদী দৰ্শনৰ চৰম বিকাশৰ অৱস্থাত ঔপন্যাসিক অৰ্ন্তমুখী হৈ বাহিৰৰ পৰা ভিতৰলৈ প্ৰবেশ কৰে আৰু সামাজিক বাস্তৱতাৰ স্তৰৰ পৰা মনোবৈজ্ঞানিক স্তৰলৈ প্ৰবেশ কৰে। ঔপন্যাসিকে ব্যক্তিৰ মানসিক বিক্ষিপ্তৰ কাৰণ সমাজত নিবিচাৰি

মনৰ গহণত অনুসন্ধান কৰে। এনে দৃষ্টিভংগীৰেই আৰম্ভ হল মনোবিশ্লেষণবাদী উপন্যাসৰ। যুদ্ধোত্তৰ যুগত এনে উপন্যাসৰ বিকাশ ঘটা পৰিলক্ষিত হয়। কুমাৰ কিশোৰ আৰু পদ্ম বৰকটকীৰ দুই এখন উপন্যাসত মানসিক বিক্ষিপ্তিৰ অভিব্যক্তিৰ ৰূপায়ন ঘটিছে। ফ্ৰয়েডৰ মনঃ সমীক্ষণ আৰু যৌন ব্যাখ্যাই আধুনিক যুগৰ ঔপন্যাসিক সকলক অতিশয় প্ৰভাৱান্বিত কৰিছে। এনেদৰেই মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱেও উপন্যাসৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছে। হোমেন বৰগোহাঞি, মামণি ৰয়চম গোস্বামী, নিৰুপমা বৰগোহাঞি, ৰাস্না বৰুৱা, প্ৰফুল্ল দত্ত গোস্বামী, চন্দ্ৰপ্ৰসাদ শইকীয়া, ভবেন্দ্ৰ নাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, শীলভদ্ৰ, অতুলানন্দ গোস্বামী আদিৰ উপন্যাসত এনে দৃষ্টিভংগীৰে ঠাই লোৱা পৰিলক্ষিত হয়।

### ২.৩.২.৭ অসমৰ বাহিৰৰ পটভূমিৰ উপন্যাস ঃ

যুদ্ধোত্তৰ যুগৰ উপন্যাসত অসমৰ বাহিৰৰ পটভূমিয়ে স্থান লাভ কৰিলে। সংখ্যাত বৰ বেছি নহলেও এনে উপন্যাসৰ এটি ক্ষীণ সুঁতিয়েও যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ ভেটি সুদৃঢ় কৰাত সহায় আগবঢ়ালে। মামণি ৰয়ছম গোস্বামীৰ প্ৰথমছোৱাৰ প্ৰায়কেইখন উপন্যাসেই অসমৰ বাহিৰৰ পটভূমিৰ। **চেনাবৰ সোঁত, অহিৰণ, নীলকন্ঠী ব্ৰজ** আৰু **মামৰে ধৰা তৰোৱাল** আদি বাহিৰৰ পটভূমিত ৰচিত উপন্যাস। এনেদৰেই উমা বৰুৱাৰ চিয়েন নদীৰ ঢৌ উপন্যাসো বাহিৰৰ পটভূমিত ৰচিত ৰোমান্টিক কল্পনাৰ ফচল। ইয়াৰ উপৰিও উৰিষ্যাৰ পাৰদ্বীপৰ পটভূমিত ৰচিত ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ **অনুৰাধাৰ দেশ** এখন উল্লেখযোগ্য উপন্যাস। এনেদৰে বাহিৰৰ পটভূমিত ৰচিত উপন্যাসৰ যোগেদিও গভীৰ মানৱিকতা প্ৰকাশ কৰিছিল।

### ২.৩.২.৮ নাৰীবাদী চিন্তাৰ উপন্যাস ঃ

সপ্তদশ, অষ্টাদশ শতিকাত ইউৰোপত উন্মেষিত হোৱা নাৰীবাদী চিন্তাই বিভিন্ন স্তৰৰ মাজেদি বিকাশিত হৈ আহি বৰ্তমানে সমগ্ৰ বিশ্বত এক আলোড়নৰ সৃষ্টি কৰিছে। অসমীয়া উপন্যাসতো নাৰীবাদী চিন্তাৰ বিভিন্ন দিশৰ প্ৰতিফলন ঘটা দেখা যায়। উনবিংশ শতিকাৰ শেষছোৱা আৰু বিংশ শতিকাৰ প্ৰথমছোৱাত অসমীয়া উপন্যাসত নাৰী চিন্তাৰ প্ৰতিফলন দেখা যায়। যুদ্ধোত্তৰ যুগত এই ধাৰাৰ উপন্যাসে বিস্তাৰ লাভ কৰে। এনে উপন্যাসৰ ভিতৰত ৰাস্না বৰুৱাৰ **সেউজী পাতৰ কাহিনী,**

ৰাধিকা মোহন গোস্বামীৰ **চাকনৈয়া**, চিত্ৰলতা ফুকনৰ **অশ্ৰুকন্যা**, মামণি ৰয়ছম গোস্বামীৰ **নীলকন্ঠী ব্ৰজ ; ঈশ্বৰী, জখমী যাত্ৰী আৰু অন্যান্য, দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা**, নিৰুপমা বৰগোহাঞিৰ **ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ অন্যজীৱন, চম্পাৱতী, অভিযাত্ৰী**, লুম্মেৰ দাইৰ **কইনাৰ মূল্য**, তিলোত্তমা মিশ্ৰৰ **স্বৰ্ণলতা**, অৰূপা পটঙ্গীয়া কলিতাৰ **অয়নান্ত** আদিয়েই প্ৰধান।

### ২.৩.২.৯ শিশু উপন্যাস ঃ

যুদ্ধোত্তৰ যুগত অসমীয়া শিশু উপন্যাসে বিকাশ আৰু বিস্তাৰ লাভ কৰে। এইক্ষেত্ৰত নৰকান্ত বৰুৱাৰ অৱদান উল্লেখযোগ্য। তেওঁৰ **শিয়ালী পালেগৈ ৰতনপুৰ, আখৰৰ জখলা**, ভট-উ-কাৰে ভূ, আদিয়ে অসমীয়া শিশু সাহিত্যত **নতুন জোঁৱাৰ** আনিলে। ইয়াৰ উপৰিও প্ৰেমনাৰায়ন দত্তৰ **পোহৰৰ বাটত**, চৈয়দ আব্দুল মালিকৰ **এখন সোণালী দুৱাৰ**, শশী শৰ্মাৰ **মোৰ দেশ মানুহৰ দেশ**, নীলিমা দত্তৰ **মই আৰু আমি**, লক্ষ্মীনাথ ফুকনৰ **বাপুকন**, হোমেন বৰগোহাঞিৰ **সাউদৰ পুতেকে নাও মেলি যায়**, শান্তনু তামুলীৰ **মানী বাণী আৰু এখন ফুলনি**, ৰাধিকা-মোহন ভাগৱতীৰ **ফেহুজাঁলি**, ভবেন্দ্ৰ নাথ শইকীয়াৰ **মৰমৰ দেউতা**, যোগেন শৰ্মাৰ **সূৰুয উঠা দেশৰ পিনে, জলকুঁৱৰীৰ দেশত, আহ পখী আহ**, সন্তোষ কুমাৰ কৰ্মকাৰৰ **সোণটিৰ পৃথিৱী**, প্ৰতিভা গোস্বামীৰ **সোণতৰা চাপৰি**, অৰূপা পটংগীয়া কলিতাৰ **কাঁইটত কেতেকী**, অচিন মোমাইদেউৰ **ভেমপেহাৰ দূৰবীন** আদি উল্লেখযোগ্য শিশু উপন্যাস।

### ২.৩.২.১০ অনুবাদ উপন্যাসৰ ধাৰা ঃ

অসমীয়া উপন্যাস সাহিত্যয়ো আন আন সাহিত্যৰ দৰে অনুবাদৰ জৰিয়তে সমৃদ্ধিলাভ কৰিছে। **জোনাকী** আৰু **আৱাহন** যুগত এনে উপন্যাসে আৰম্ভ আৰু বিকাশ আৱাহন যুগত এনে উপন্যাসে আৰম্ভ আৰু বিকাশ লাভ কৰে যদিও যুদ্ধোত্তৰ যুগতহে ইয়াৰ বিস্তাৰ লাভ ঘটে। এনে উপন্যাসৰ ভিতৰত পালবাৰ্কৰ **গুড আৰ্থৰ** অনুবাদ সুপ্ৰভা গোস্বামীৰ মাটিৰ মানুহ, দীননাথ শৰ্মাৰ মাটি আৰু মানুহ (গ্ৰউথ অব **দি চইল)**, বীৰেন বৰকটকীৰ **কুমাৰী পৃথিৱী (ভাৰজিন চইল)**, সত্যেন্দ্ৰ নাৰায়ন গোস্বামীৰ **বিদায় যুদ্ধ বিদায় (ফেয়াৰৱেল টু আৰ্মচ)**, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ **দেব দুন্দুভি বাজে কাৰ বাবে (ফৰ হুম দ্য বেল টল্চ)**, যতীন্দ্ৰ নাথ গোস্বামীৰ **বুঢ়া আৰু সাগৰ (ওল্ডমেন এণ্ড দ্য ছি)** আদি উল্লেখযোগ্য। ইয়াৰ

উপৰিও বিমল ভাগৱতীৰ **যযাতি**, ফণী, তালুকদাৰৰ **অঘৰী অৱতাৰ**, নিৰুপমা ফুকনৰ **গোদান**, তীৰ্থ ফুকনৰ **তমস**, ৰাজেন শইকীয়াৰ **পুতলা নাচৰ ইতিকথা**, কৈলাশ শৰ্মাৰ **চন্দ্ৰনাথ**, পদ্ম বৰকটকীৰ **এই নদী মিচিচিপি** আদি উল্লেখনীয় অনূদিত উপন্যাস।

এনেদৰে যুদ্ধোত্তৰ যুগত অসমীয়া উপন্যাসে বিভিন্ন ধাৰাৰ মাজেদি বিকাশ আৰু বিস্তাৰ লাভ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন - ৬**

(ক) নৰকান্ত বৰুৱাৰ এখন শিশু উপন্যাসৰ নাম লিখা।

........................................................................................................

........................................................................................................

........................................................................................................

## ২.৪ উপসংহাৰ ঃ

যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটক আৰু উপন্যাস সমূহ বিচাৰ কৰিলে দেখা যায় যে, এই যুগতেই অসমীয়া নাটক আৰু উপন্যাসে বিস্তাৰ লাভ কৰে। পাশ্চাত্যৰ বিভিন্ন চিন্তাধাৰা আৰু দৃষ্টিভংগীৰ প্ৰতিফলন এই সময়ছোৱাতে অধিকভাৱে ঘটা দেখা যায়। বিশেষকৈ পূৰ্বৰ যি ৰোমান্টিক দৃষ্টিভংগী তাৰ পৰিবৰ্তে যুদ্ধোত্তৰ যুগত বাস্তৱবাদী দৃষ্টিৰে মানুহৰ জীৱনৰ সত্য আৰু সুন্দৰৰ উপলব্ধি দেখা পোৱা গ'ল। মানুহৰ অন্তৰ জীৱনত প্ৰৱেশ কৰি মানসিক বিশ্লেষণ কৰি দেখুৱালে। সৰু সৰু বিষয়বোৰো নাটক আৰু উপন্যাসৰ বিষয়বস্তু হৈ পৰিল। মুঠতে বিষয়বস্তু, ভাববস্তু, আংগিক আদিৰ দিশত যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটক আৰু উপন্যাসে নতুন নতুন দিশৰ সূচনা কৰিলে।

## ২.৫ সাৰাংশ ঃ

যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটক আৰু উপন্যাসৰ গতি আৰু প্ৰকৃতি সম্পৰ্কে তোমালোকে নিশ্চয় জানিব পাৰিলা। গতিকে আমি এই আলোচনাৰ পৰা কেইটিমান

কথা বুজিব পাৰিছো -

- যুদ্ধোত্তৰ যুগত অসমীয়া নাটক আৰু উপন্যাসে পূৰ্ণৰূপত বিকাশ আৰু বিস্তাৰ লাভ কৰিলে।
- বিষয়বস্তু, ভাববস্তু, আংগিক আদিৰ দিশত এই সময়ছোৱাত অসমীয়া নাটক আৰু উপন্যাসলৈ নতুনত্ব আহিল।
- যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটক আৰু উপন্যাসত বহু নতুন নতুন বৈশিষ্ট্য দেখা পোৱা গ'ল।
- পাশ্চাত্যৰ বহু চিন্তাধাৰাৰ এই যুগৰ নাটক আৰু উপন্যাসত প্ৰতিফলন ঘটা দেখিবলৈ পোৱা গ'ল।
- জীৱনৰ অতি নিভৃত কোণত প্ৰৱেশ কৰি মনঃসমীক্ষাত্মক দৃষ্টিভংগীৰে চৰিত্ৰসমূহক বৈচিত্ৰ্যময় কৰি তুলিলে।
- অৰুণ শৰ্মা, অৰূপ চক্ৰৱৰ্তী, মহেন্দ্ৰ বৰঠাকুৰ আলি হাইদৰ, ভবেন শইকীয়া, সত্যপ্ৰসাদ বৰুৱা, সতীশ ভট্টাচাৰ্য, সীতানাথ লহকৰ আদি নাট্যকাৰ সকলৰ হাতত অসমীয়া নাটকে নতুনত্ব লাভ কৰিলে।
- বীণা বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, হোমেন বৰগোহাঞি চন্দ্ৰপ্ৰসাদ শইকীয়া, লক্ষ্মীনন্দন বৰা, নিৰুপমা বৰগোহাঞি মামণি ৰয়চম গোস্বামী, উমাকান্ত শৰ্মা, প্ৰফুল্ল দত্ত গোস্বামী, চৈয়দ আব্দুল মালিক আদি ঔপন্যাসিকৰ ৰচনাত অসমীয়া উপন্যাসে নতুন দিশেৰে গতি কৰিলে।
- যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বিকাশত **ৰামধেনু** (১৯৫১) কাকতৰ গুৰুত্ব উল্লেখনীয়।
- পূৰ্বৰ ৰোমান্টিকতাৰ ঠাইত যুদ্ধোত্তৰ যুগত অসমীয়া নাটক আৰু উপন্যাসত বাস্তৱবাদী দৃষ্টিভংগীৰ সূচনা হ'ল। যাৰ বাবে জীৱনৰ সত্য আৰু সুন্দৰৰ প্ৰকাশ পালে।
- যুদ্ধোত্তৰ যুগত অসমীয়া নাটক আৰু উপন্যাসে বিস্তাৰতা লাভ কৰাৰ লগতে বিভিন্ন দৃষ্টিভংগীৰ প্ৰভাৱৰ ফলত ই কেইবাটাও ধাৰাত প্ৰবাহিত হ'ল।

**প্ৰাসংগিক গ্ৰন্থ ঃ**


সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য

ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত

ঃ অসমীয়া উপন্যাসৰ ভূমিকা

ঃ অসমীয়া উপন্যাসৰ গতিধাৰা

মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা

হৰিচন্দ্ৰ ভট্টাচাৰ্য্য ঃ অসমীয়া নাট্যসাহিত্যৰ জিলিঙণি

লীলা গগৈ (সম্পা.) ঃ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়

অজিৎ শইকীয়া (সম্পা.) ঃ ছশ বছৰৰ অসমীয়া নাটক পৰম্পৰা আৰু পৰিবৰ্তন

হোমেন বৰগোহাঞি (সম্পা.) ঃ বিংশ শতিকাৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)

নগেন ঠাকুৰ (সম্পা.) ঃ এশ বছৰৰ অসমীয়া উপন্যাস

বিনীতা দত্ত (সম্পা.) ঃ কুৰি শতিকাৰ অসমীয়া সাহিত্য

প্ৰফুল্ল চন্দ্ৰ বৰা (মূ. সম্পা.) ঃ ঐতিহ্য ঃ অসমীয়া সাহিত্য

অতুল চন্দ্ৰ হাজৰিকা ঃ মঞ্চ লেখা


**আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ**

**আত্মমূল্যায়নৰ উত্তৰ - ১**

(ক) অৰুণ শৰ্মা

**আত্মমূল্যায়নৰ উত্তৰ - ২**

(ক) যুগল দাস

**আত্মমূল্যায়নৰ উত্তৰ - ৩**

| (১) | (২) |
|---|---|
| মৃণাল মাহী | সত্যপ্রসাদ বৰুৱা |
| আহাৰ | অৰুণ শৰ্মা |
| পুতলা নাচ | ভবেন শইকীয়া |
| বায়নৰ খোল | যুগল দাস |

**আত্মমূল্যায়নৰ উত্তৰ - ৪**

(ক) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

**আত্মমূল্যায়নৰ উত্তৰ - ৫**

(খ) নাৰীবাদী চিন্তাৰ প্ৰতিফলন

**আত্মমূল্যায়নৰ উত্তৰ - ৬**

(ক) আখৰৰ জখলা

**অনুশীলনী ঃ**

(১) সত্যপ্ৰসাদ বৰুৱাই অনুবাদ কৰা এখন গ্ৰন্থৰ নাম লিখা ?

(২) **বাঘ** নাটকখনৰ নাট্যকাৰ কোন ?

(৩) লোকনাট্য আংগিক প্ৰয়োগত লিখা এখন নাটকৰ নাম লিখা।

(৪) **আহাৰ** নাটকখনত পাশ্চাত্যৰ কোন নাট্যকাৰৰ প্ৰভাৱ দেখা যায়।

(৫) বীনা বৰুৱা কোনজন ঔপন্যাসিকৰ ছদ্ম নাম ? তেওঁৰ উপন্যাসখনৰ নাম কি ?

(৬) যতীন্দ্ৰ নাথ গোস্বামীৰ **বুঢ়া আৰু সাগৰ** উপন্যাসখন কোনখন উপন্যাসৰ অনুবাদ ?

(৭) **পিতাপুত্ৰ** কাৰ উপন্যাস ?

(৮) মামণি ৰয়চম গোস্বামীয়ে অসমৰ বাহিৰৰ পটভূমিত লিখা এখন উপন্যাসৰ নাম লিখা ?

(৯) **চিয়েন নদীৰ ঢৌ** কোন গৰাকী ঔপন্যাসিকৰ উপন্যাস ?

(১০) যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকৰ বিকাশৰ ক্ষেত্ৰত অৰুণ শৰ্মাৰ অৱদান সম্পৰ্ক লিখা।

(১১) যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকৰ বিভিন্ন বৈশিষ্ট্যৰ সম্পৰ্কে বহলাই আলোচনা কৰা।

(১২) যুদ্ধোত্তৰ যুগৰ অসমীয়া অনুবাদ নাটক - এই সম্পৰ্কে আলোচনা কৰা।

(১৩) যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকৰ বিভিন্ন ধাৰা সমূহৰ বিষয়ে চমুকৈ লিখা।

(১৪) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসলৈ চৈয়দ আব্দুল মালিকৰ অৱদানৰ বিষয়ে আলোচনা কৰা।

(১৫) যুদ্ধোত্তৰ যুগৰ সত্তৰ আৰু আশী দশকৰ অসমীয়া উপন্যাসৰ বিষয়ে লিখা।

(১৬) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ বৈশিষ্ট্য বিচাৰ কৰা।

(১৭) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ বিভিন্ন ধাৰা সম্পৰ্কে লিখা।

(১৮) যুদ্ধোত্তৰ যুগৰ অসমীয়া শিশু উপন্যাসৰ বিষয়ে বহলাই আলোচনা কৰা।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য

ঃ অসমীয়া উপন্যাসৰ ধাৰা

লীলা গগৈ (সম্পা.) ঃ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়।

হোমেন বৰগোহাঞি (সম্পা.) ঃ বিংশ শতিকাৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)

অজিৎ শইকীয়া (সম্পা.) ঃ ছশ বছৰৰ অসমীয়া নাটক পৰম্পৰা আৰু পৰিবৰ্তন

বিনীতা দত্ত (সম্পা.) ঃ কুৰি শতিকাৰ অসমীয়া সাহিত্য

নগেন ঠাকুৰ (সম্পা.) ঃ এশ বছৰৰ অসমীয়া উপন্যাস

প্ৰফুল্ল চন্দ্ৰ বৰা (মুখ্য সম্পা.) ঃ ঐতিহ্যঃ অসমীয়া সাহিত্য।